# ৰাজ্যিক পাঠ্যক্ৰম
# (বুনিয়াদী স্তৰৰ বাবে)
# 2022

অনুবাদ ও অভিযোজন ঃ
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**অভিযোজন প্ৰক্ৰিয়াত জড়িত ব্যক্তিসকল ঃ**

**উপদেষ্টা ঃ** ড° নিৰদা দেৱী, সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**সদস্যসকল—**

- ড° সুমনা ৰায়, অতিৰিক্ত সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
- বৰষা শইকীয়া, যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
- বন্দনা দুৱৰী, যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
- মুকেশ শৰ্মা, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
- পিয়ানো বৰুৱা, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
- সংহিতা মালিনী বৰুৱা, জ্যেষ্ঠ প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও
- মিতালী মহন্ত, জ্যেষ্ঠ প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোৱালপাৰা
- ড° জুৰি দেৱী, গৱেষণা সহায়ক, হিন্দী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, উত্তৰ গুৱাহাটী
- চুইটি বেজবৰুৱা, জিলা আঁচনি বিষয়া, সমগ্ৰ শিক্ষা, অসম

**অনুবাদক—**

- প্ৰণৱ বৰ্মন, প্ৰাক্তন সমল ব্যক্তি, পূৰ্বোত্তৰ ক্ষেত্ৰীয় ভাষা কেন্দ্ৰ, বেলতলা, গুৱাহাটী (কেন্দ্ৰীয় ভাষা সংস্থান, মহীশুৰ, কৰ্ণাটক)

**পুনৰীক্ষক—**

- ড° মৰমী গোস্বামী, অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ, গুৱাহাটী কলেজ

**অলংকৰণ—**

শংকৰ কলিতা, চিত্ৰশিল্পী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**ডিটিপি—**

মুস্তাক আলী, কক্ষ্যজিৎ বৰুৱা

# আগকথা

মই ৰাষ্ট্ৰীয় বুনিয়াদী পৰ্যায়ৰ কামৰ বাবে ৰাষ্ট্ৰীয় সঞ্চালন কমিটিৰ হৈ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাখনক ভাৰতৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত ধৰ্মেন্দ্ৰ প্ৰধানৰ হাতত অৰ্পণ কৰিবলৈ পাই নথৈ গৌৰৱান্বিত আৰু সন্তুষ্টি লভিছোঁ।

একৈশ শতিকাৰ জ্ঞানী সমাজৰ প্ৰত্যাহ্বানমূলক প্ৰয়োজনীয়তাসমূহ পূৰোৱাৰ ক্ষেত্ৰত নিজকে প্ৰস্তুত কৰি আগুৱাই নিবলৈ ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ হৈছে এক পৰিৱৰ্তনশীল পদক্ষেপ। ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা হৈছে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ অন্যতম মূল উপাদান, যিটোৱে এই পদক্ষেপক সক্ষম আৰু শক্তিশালী কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ লক্ষ্য, নীতি আৰু পদ্ধতি সম্পৰ্কে ই অৱগত। আমাৰ সকলো শিশুৰ বাবে উচ্চ মানবিশিষ্ট শিক্ষা উপলব্ধ কৰোঁৱাটো ইয়াৰ উদ্দেশ্য, যিটো আমাৰ সংবিধানে পৰিকল্পনা কৰা অনুসৰি এখন সমতাপূৰ্ণ, সৰ্বাঙ্গীন, বহুল আৰু বিচিত্ৰ সমাজ এখন বাস্তৱায়িত কৰাৰ সৈতে সম্পৰ্কিত।

৩-৮ বছৰ বয়সৰ অন্তৰ্গত শিশুৰ বাবে ভাৰতবৰ্ষত এইটোৱেই প্ৰথম সংহত পাঠ্যক্ৰম ৰূপৰেখা। ৫+৩+৩+৪ পাঠ্যক্ৰম আৰু শিক্ষামূলক গাঁথনিৰ এইটো এটা প্ৰত্যক্ষ ফলাফল যিটো বিদ্যালয় শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত প্ৰকাশ পাইছে।

বুনিয়াদী পৰ্যায়ত ৩-৮ বছৰ বয়সৰ শিশুৰ বাবে প্ৰাৰম্ভিক শিশুৰ যতন আৰু শিক্ষাৰ এক সমন্বিত পদ্ধতিৰ কল্পনা কৰা হৈছে, শিক্ষাৰ এই পৰ্যায়ৰ পৰিৱৰ্তনশীল প্ৰকৃতিয়ে শিক্ষাৰ বিষয়বস্তু আৰু ফলাফলসমূহৰ গুণগত মানৰ উন্নতি সাধিব বুলি আশা কৰা হৈছে, যিয়ে আমাৰ শিশুসকলৰ এটা উন্নত ভৱিষ্যত জীৱনত প্ৰভাৱ পেলাব। এটি শিশুৰ বিকাশৰ প্ৰাৰম্ভিক সময় সম্পৰ্কীয় সকলো অধ্যয়ন আৰু গৱেষণা ই স্পষ্টকৈ ধাৰণা দিয়ে যে, এই সময়ছোৱাত উচ্চমানৰ যতন আৰু শিক্ষা সকলো ব্যক্তিৰ তথা ৰাষ্ট্ৰৰ বাবে ইতিবাচক ফল দিয়ে।

বিভিন্ন প্ৰান্তৰ একাধিক শাখাত অত্যাধুনিক গৱেষণাৰ আধাৰত এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা প্ৰস্তুত কৰা হৈছে যিয়ে অন্যান্য বিষয়ৰ লগতে স্নায়ুবিজ্ঞান, মগজুৰ অধ্যয়ন আৰু জ্ঞানমূলক বিজ্ঞানৰ ক্ষেত্ৰত এক উন্নত বুজাবুজিক অন্তৰ্ভুক্ত কৰে। ইয়াৰ উপৰি প্ৰাৰম্ভিক শিশুৰ যতন আৰু শিক্ষাৰ অনুশীলনৰ পৰা সঞ্চিত অন্তৰ্দৃষ্টি আৰু নানা প্ৰকাৰৰ ভাৰতীয় পৰম্পৰাৰ পৰা লাভ কৰা জ্ঞান আদি দিশ সমন্ধে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে। NEP ২০২০ত উল্লেখ কৰা অনুসৰি পাঠ্যক্ৰম সংগঠন, শিক্ষা বিজ্ঞান, সময় আৰু বিষয়বস্তু সংগঠন আৰু শিশুৰ সামগ্ৰিক অভিজ্ঞতা, ধাৰণাগত অন্তঃস্থল, কাৰ্যকৰী আৰু আদান-প্ৰদান পদ্ধতিত ই ‘খেলা-ধূলা’ক মূল হিচাপে ব্যৱহাৰ কৰা হৈছে।

তদুপৰি উপযুক্ত বয়সৰ লগত খাপ খোৱা কৌশলৰ সৈতে NEP ২০২০ ত উল্লেখ কৰাৰ ধৰণে মৌলিক সাক্ষৰতা আৰু সাংখ্যিকতা লাভৰ লক্ষ্যৰ বাবেও এক স্পষ্ট নিৰ্দেশনা নিৰ্ধাৰণ কৰিছে।

আমাৰ জনসাধাৰণৰ আৰু আমাৰ ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা আৰু আকাংক্ষাৰ প্ৰতি এই NCF-এ সঁহাৰি জনোৱা আৰু অতি উত্তম অভিজ্ঞতা আৰু জ্ঞানৰ দ্বাৰাও অৱগত হোৱাটো নিশ্চিত কৰিবলৈ আমি সমগ্ৰ দেশতে ব্যাপকভাৱে আলোচনা চলাইছোঁ। ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱককে ধৰি ১০ লাখৰো অধিক আগ্ৰহী নাগৰিক আৰু দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ১.৩ লাখতকৈ অধিক শিক্ষক আৰু শিক্ষাবিদ, ৩২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা ১৫৫০ টাতকৈ অধিক জিলা পৰ্যায়ৰ পৰামৰ্শ আৰু ৩৫ টা প্ৰতিষ্ঠানৰ গোটৰ সৈতে জড়িত হোৱাৰ ফলতে এই প্ৰক্ৰিয়াটো লাভৱান হৈছে। এই আলোচনাসমূহ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে গঠন কৰা গোটসমূহে লিখা ২৫ টা বিশেষভাৱে প্ৰাসংগিক বিষয়বস্তুৰ বিষয়ত ৫০০ ৰো অধিক গৱেষণা পত্ৰৰ উপৰি যিবোৰত একেলগে ৪০০০ ৰো অধিক বিশেষজ্ঞ আছিল আৰু এই বিষয়বস্তুৰ বিষয়ত ১৭৫ জনতকৈ অধিক সদস্যৰে গঠিত বিশেষজ্ঞ গোটসমূহে প্ৰস্তুত কৰা ২৫ খন গৱেষণা পত্ৰ সন্নিৱিষ্ট আছিল। এই বিশেষজ্ঞ গোটসমূহ NCERT য়ে গঠন কৰিছিল।

সামূহিক জ্ঞান আৰু প্ৰজ্ঞাৰ দ্বাৰা NCF অৱগত আছিল। প্ৰকৃত প্ৰত্যাহ্বানটো আছিল তেতিয়া যেতিয়া আমি এইবোৰৰ অন্তৰ্ভুক্তিসমূহ বিশ্লেষণ কৰি এটা যুক্তিযুক্ত দক্ষতা আৰু ফলপ্ৰসূ সংশ্লেষণ গঢ়ি তুলিবলগীয়া হ'ল। ইয়াৰ বাবে NCF ক ভাষা, গঠন আৰু বিভিন্ন ধৰণৰ চিত্ৰকল্পৰ সৈতে উপস্থাপন কৰিবলৈ আহ্বান জনোৱা হৈছিল, যাতে আটাইতকৈ গুৰুত্বপূৰ্ণভাৱে শিক্ষকসকলকে ধৰি অনুশীলনকাৰীসকলে ইয়াক তেওঁলোকৰ বৰ্তমানৰ কাৰ্য ক্ষেত্ৰৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰে। মূলতঃ উদ্ভাৱনী পদ্ধতি আৰু পদ্ধতি বিকাশ কৰাৰ প্ৰয়োজনীয়তাৰ পৰা উদ্ভৱ হোৱা কেইবাটাও প্ৰত্যাহ্বানৰ ওপৰত আলোকপাত কৰিবলৈ গুৰুত্ব দিছোঁ।

এই পাঠ্যক্ৰম ৰূপৰেখাটো বিদ্যালয় শিক্ষাৰ বাবে সামগ্ৰিক ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ এক অবিচ্ছেদ্য অংগ হ'ব, যিটোৰ বিকাশৰ কাম চলি আছে আৰু ই ৫+৩+৩+৪ গাঁথনিৰ বাকী তিনিটা পৰ্যায়ক উল্লেখ কৰিব, যিটোত শিশুসকলৰবাবে শিকাৰ বয়স হ'বগৈ ১৮ বছৰ। গতিকে এই NCF নিজৰ বাবে সম্পূৰ্ণ হ'লেও বিদ্যালয় শিক্ষাৰ বাবে অন্যান্য পৰ্যায়সমূহৰ সৈতে ইয়াৰ সংযোগ আৰু প্ৰভাৱসমূহ সামগ্ৰিক ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাত নিষ্পত্তি কৰা হ'ব। তদুপৰি শিক্ষকসকলক এই পৰ্যায়ত শিক্ষাৰ বাবে এই ভিত্তি পৰ্যায়ৰ ৰূপৰেখাই প্ৰস্তুতিৰ ক্ষেত্ৰতো পথ প্ৰদৰ্শন কৰিব।

আমি বিশ্বাস কৰোঁ যে তেনেধৰণৰ ৰূপৰেখা সফল ৰূপায়নৰ বাবে ভেটি পৰ্যায়ৰ প্ৰতিপুষ্টি প্ৰয়োজন। যিটো যুক্তিযুক্ত অভিজ্ঞতাৰ আলমত সেই কাম কৰা হ'ব।

ভাৰতীয় শিক্ষা আৰু ইয়াৰ জৰিয়তে আমাৰ দেশলৈ অৰিহণা যোগোৱাৰ বাবে সুবিধাকণ পোৱাত আমি কৃতজ্ঞ।

**কে. কস্তুৰীৰংগন**
**মূলব্যক্তি**
**ৰাষ্ট্ৰীয় পাঠক্ৰম ৰূপৰেখাৰ ৰাষ্ট্ৰীয় সঞ্চালন কমিটি**

**অক্টোবৰ, ২০, ২০২০**
**বাংগালুৰু**

# পাতনি

ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাত সন্নিৱিষ্ট প্ৰতিটো বিষয়ে আমাৰ শিক্ষাখণ্ডত বৰ্তমান উপলব্ধ। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত সন্নিৱিষ্ট বিষয়সমূহ গ্ৰহণ কৰাৰ উপৰি আমাৰ ৰাজ্যখনৰ শিক্ষাখণ্ডৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজন অনুসৰি স্থানীয় সমলকো সাঙুৰি লোৱা হৈছে। আমি সকলোৱে অৱগত যে শিশুৰ প্ৰাৰম্ভিক যতন আৰু শিক্ষা বিষয়টো গুৰুত্বপূৰ্ণ। এই বয়সতে তেওঁলোকক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিব লাগিব। একৈশ শতিকাৰ জ্ঞানী সমাজৰ প্ৰত্যাহ্বানমূলক প্ৰয়োজনীয়তাসমূহ পূৰোৱাৰ ক্ষেত্ৰত শিশুসকলে নিজকে প্ৰস্তুত কৰি আগবাঢ়ি যাবলৈ নতুন শিক্ষানীতি ২০২০ হৈছে এক পৰিৱৰ্তনশীল পদক্ষেপ।

আমি সকলোৱে জানো যে শিশুৰ বিকাশৰ বাবে জীৱনৰ প্ৰথম আঠটা বছৰ অতিকৈ গুৰুত্বপূৰ্ণ। এই সময়ছোৱাৰ ভিতৰতে শিশুৰ বিকাশৰ হাৰ আটাইতকৈ দ্ৰুত হয়। শিশুৰ অন্যান্য দিশৰ বিকাশৰ লগতে ভাষাৰ বিকাশো এই সময়ছোৱাত দ্ৰুতভাৱে হয়। সেয়েহে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে এই সময়ছোৱাৰ শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে আৰু ৩ৰ পৰা ৮ বছৰ বয়সৰ শিশুক সামৰি “বুনিয়াদী শিক্ষা” (Foundational Stage)ৰ বিভিন্ন পৰামৰ্শৱলী আগবঢ়াইছে। এই শিক্ষানীতিয়ে শিশুৰ উপযোগী বিভিন্ন বিষয়বস্তু গদ্য, পদ্য, গীত আৰু খেল-ধেমালিৰ মাধ্যমেৰে ঘৰুৱা ভাষাত শিকাৰ পৰামৰ্শ আগবঢ়াইছে। এই পৰামৰ্শ কাৰ্যকৰী কৰাৰ উদ্দেশ্যে আৰু শিশুৰ শিকনক সহজ আৰু উপভোগ্য কৰি তুলিবলৈ কিছুমান গীত আৰু পদ্য সংগ্ৰহ কৰি উলিওৱা হৈছে। এই কাৰ্যত নতুন শিক্ষানীতিৰ পৰামৰ্শৰ ভিত্তিত আৰম্ভ হোৱা বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা অভিযান (Foundational Literacy and Numeracy Mission)য়ে আগবঢ়োৱা শিকন ফলাফলসমূহৰ সৈতে সংগতি ৰাখি পৰিৱেশ, চৰাই-চিৰিকতি, ফল-ফুল, পৰিয়াল আদি বিষয়বস্তু সামৰি লোৱা হৈছে।

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ আধাৰত বুনিয়াদী স্তৰৰ বাবে প্ৰস্তুত কৰি উলিওৱা ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাই শিশুৰ শাৰীৰিক, সামাজিক-আৱেগিক আৰু নৈতিক বিকাশ, বৌদ্ধিক বিকাশ, ভাষাৰ বিকাশ, নান্দনিক আৰু কলাৰ বিকাশক এই বুনিয়াদী স্তৰৰ পাঠ্যক্ৰমৰ লক্ষ্য নিৰ্ধাৰণৰ আধাৰ হিচাপে বিবেচনা কৰিছে। এই পাঠ্যক্ৰমিক ৰূপৰেখাত বুনিয়াদী স্তৰৰ শিশুৱে কেনেকৈ বিভিন্ন খেল-ধেমালি, ক্ৰিয়াকলাপ আৰু নিজে কৰাৰ জৰিয়তে শিকিব তাক বৰ্ণনা কৰা হৈছে।

শিশুৱে বিভিন্ন শিকন পদ্ধতি যেনে— কথা পাতি, আনৰ কথা শুনি, পুতলাৰে খেলি, বিভিন্ন বস্তুৰ সৈতে খেলি, ছবি আঁকি, ৰং কৰি, গান গাই, নাচি, দৌৰি বা জঁপিয়াই শিকাত আনন্দ লাভ কৰে। শিক্ষকে শিশুৰ সৈতে এই সকলোবোৰ শিকন মাধ্যম প্ৰয়োগ কৰা উচিত। বিশেষকৈ এই স্তৰৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত কথোপকথন, সাধু কোৱা, পুতলাৰ জৰিয়তে শিকা, গান গোৱা, আবৃত্তি কৰা, কলা আৰু শিল্প, বাহিৰত খেলা খেল, ভিতৰত খেলা খেল, প্ৰকৃতিৰ সৈতে সময় কটোৱা, ক্ষেত্ৰ ভ্ৰমণ আদি অন্তৰ্ভুক্ত কৰা উচিত।

শিক্ষণ-শিকন প্ৰক্ৰিয়াত ভাষা বিকাশ/সাক্ষৰতাৰ বাবে মৌখিক ভাষা, শব্দৰ চিনাক্তকৰণ, পঢ়া আৰু লিখাৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন। সাংখ্যিকতাৰ ক্ষেত্ৰত মৌখিক অংক, কৌশল শিকন, অংকৰ খেল আৰু কৌশল অনুশীলনৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন। এই স্তৰৰ শিক্ষণৰ বিষয়বস্তুসমূহ শিশুৰ নিজৰ বাস্তৱ অভিজ্ঞতাৰ পৰা লোৱা উচিত আৰু শিশুৱে যিটো পৰিৱেশত ডাঙৰ-দীঘল হৈছে সেই পৰিৱেশৰ সাংস্কৃতিক, ভৌগোলিক আৰু সামাজিক পটভূমিৰ প্ৰতিফলিত হোৱা উচিত। সংখ্যাজ্ঞান আৰু গণনা কৰাত ব্যৱহাৰ কৰা পুতলা, শিশুৰ পুথি, ছবিৰ পুথি, কৰ্মপুথি, কাৰ্যপত্ৰ, দৃশ্য-শ্ৰাব্য সঁজুলি আদি শিকনত সহায়ক হোৱাকৈ শিক্ষণ-শিকন সামগ্ৰীসমূহ প্ৰস্তুত কৰা উচিত যিবোৰে শিশুক বহু সংবেদনশীল ক্ৰিয়া-কলাপত জড়িত কৰে আৰু হাতে কামে কৰি শিকাত সহায় কৰে। তাৰোপৰি পাঠ্যপুথিসমূহ বুনিয়াদী স্তৰৰ বাবে নিৰ্ধাৰিত কৰা অৰ্হতাসমূহ আয়ত্ব কৰিব পৰাকৈ ডিজাইন কৰি উলিওৱা উচিত।

ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ এই লক্ষ্য আগত ৰাখি ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে ইতিমধ্যে শিক্ষকৰ বাবে বিদ্যাপ্ৰৱেশ মডিয়ুল, বিদ্যাপ্ৰৱেশ কৰ্মপুথি, বুনিয়াদী সংখ্যাজ্ঞান/সাংখ্যিকতা আৰু সাক্ষৰতা/ভাষাজ্ঞানৰ বাবে নিৰ্দেশনা পুথি, কৰ্মপুথি, শব্দ কাৰ্ড, বৰ্ণ কাৰ্ড, বৰ্ণ চাৰ্ট, বিভিন্ন জনগোষ্ঠীয় ঘৰুৱা ভাষাত ছবি চাৰ্ট, কবিতা পুথি, সাধু পুথি, শ্ৰাব্য শিকন সামগ্ৰী আদি প্ৰস্তুত কৰি উলিয়াইছে।

নিবদা দেৱী

**(ড° নিবদা দেৱী)**
**সঞ্চালক**
**অসম ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**
**কাহিলিপাৰা-১৯**

# ৰাজ্যিক পাঠ্যক্ৰমৰ সবিশেষ

বুনিয়াদী পৰ্যায়ৰ কাৰণে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা (এন চি এফ), ৰাষ্ট্ৰীয় শিক্ষানীতি (এন ই পি) ২০২০ ৰ লক্ষ্যৰ ওপৰত ভিত্তি কৰি তথা ইয়াৰ ৰূপায়ণ সম্ভৱ কৰিবলৈ প্ৰস্তুত কৰা হৈছে।

বুনিয়াদী পৰ্যায়টোৱে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰকাৰৰ প্ৰতিষ্ঠানসমূহৰ বৈচিত্ৰপূৰ্ণ শৃঙ্খলাৰ অন্তৰ্ভুক্ত ৩ ৰ পৰা ৮ বছৰ বয়সীয়া শিশুসকলক নিৰ্দেশ কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ অনুৰূপ ধৰণে এইটো বিদ্যালয় শিক্ষাৰ ৫+৩+৩+৪ পাঠ্যক্ৰম আৰু শিক্ষাশৈলীৰ পুনৰ্গঠনৰ প্ৰথম পৰ্যায়।

### পাঠ্যক্ৰম

পাঠ্যক্ৰমে যিকোনো প্ৰতিষ্ঠানিক পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক লক্ষ্য আৰু উদ্দেশ্যৰ অভিমুখে সংগঠিত অভিজ্ঞতাৰ সমষ্টিকে বুজায়। যিবোৰ উপাদানে পাঠ্যক্ৰম ৰচনা আৰু পাঠ্যক্ৰমক জীৱন প্ৰদান কৰে তাৰ সংখ্যা অসংখ্য, ই লক্ষ্য আৰু উদ্দেশ্য, পাঠ্যসূচী, শিকাবলগীয়া আৰু শিকিবলগীয়া বিষয়বস্তু, শিক্ষাশৈলীৰ অভ্যাস আৰু মূল্যায়ন, শিকন-শিক্ষণ সামগ্ৰী, বিদ্যালয় আৰু শ্ৰেণীকোঠাৰ অনুশীলন, প্ৰতিষ্ঠানটোৰ শিকনৰ পৰিৱেশ, সংস্কৃতি আদি কৰি আৰু অধিক বিষয় সামৰি লয়।

অন্য কিছুমান বিষয় আছে যিয়ে এটি পাঠ্যক্ৰম আৰু ইয়াৰ অনুশীলনক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে বা পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত নোহোৱাকৈও অভিন্নভাৱে জড়িত হৈ থাকে। এইবোৰৰ ভিতৰত শিক্ষক আৰু তেওঁলোকৰ সামৰ্থ্য, অভিভাৱক আৰু সম্প্ৰদায়ৰ অংশগ্ৰহণ, প্ৰতিষ্ঠানসমূহত প্ৰৱেশ সম্পৰ্কীয় বিষয়, সম্পদৰ উপলব্ধ, প্ৰশাসনিক আৰু সহায়ক গাঁঠনিকে আদি কৰি আৰু অধিক বিষয় সামৰি লোৱা হয়।

## পাঠ্যক্ৰম ৰূপৰেখা

আমাৰ দেশৰ পাঠ্যক্ৰমসমূহ ভাৰতবৰ্ষৰ গৌৰৱময় ঐক্য আৰু বৈচিত্ৰৰ দ্বাৰা অৱগত হোৱাৰ উপৰিও সেইসমূহৰ প্ৰতি সম্পূৰ্ণৰূপে দায়িত্বশীল হ'ব লাগিব। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ য়ে কল্পনা কৰে যে, পাঠ্যক্ৰমবিলাকৰ বিকাশকে শিক্ষানুষ্ঠান আৰু শিক্ষাবিদসকল বৈচিত্ৰ আৰু ইয়াৰ পৰিচৰ্যা সন্দৰ্ভত অধিক সবল আৰু উজ্জীৱিত। ৰাজ্যসমূহৰ সকলো শিশুকে উচ্চ মানৰ শিক্ষা প্ৰদান কৰাৰ সাংবিধানিক নিৰ্দেশ আছে আৰু তেওঁলোকৰ নিজস্ব অনন্য ৰাজ্যিক প্ৰসঙ্গ ভিত্তিক দৃষ্টিভংগী পাঠ্যক্ৰমত অৱগত কৰিব লাগে।

◈ **এটা পাঠ্যক্ৰম ৰূপৰেখাই সঠিকভাৱে তাকেই সমৰ্থন কৰিব লাগিব- যিটো হৈছে এটা ৰূপৰেখা য'ত সমগ্ৰ দেশতে সামঞ্জস্য আৰু সত্তাৰ সম্ভৱ কৰাৰ লগে লগে গুণগত মান আৰু সমতাৰ ক্ষেত্ৰত ভিত্তি প্ৰদান কৰি দেশৰ সকলো বৈচিত্ৰময় পাঠ্যক্ৰম বিকাশত সহায় কৰা।**

এইদৰে, এটা পাঠ্যক্ৰম ৰূপৰেখাই পাঠ্যক্ৰমসমূহৰ বিকাশৰ ক্ষেত্ৰত পথ প্ৰদৰ্শনমূলক নীতি, লক্ষ্য, গাঁথনি আৰু উপাদান প্ৰদান কৰে, যাৰ দ্বাৰা অৱগত কৰোৱা হয় যে ৰাজ্য, সমিতি আৰু বিদ্যালয়সমূহৰ শিক্ষকসকলকে ধৰি সংশ্লিষ্ট কৰ্মকৰ্তাসকলৰ দ্বাৰা পাঠ্যক্ৰম, শিকন-শিক্ষণ-সামগ্ৰী য'ত খেলা সামগ্ৰীসমূহকে ধৰি, কৰ্মপুথি, পাঠ্যপুথি আৰু মূল্যায়নৰ পদ্ধতিসমূহো অন্তৰ্ভুক্ত আৰু বিকাশসাধন কৰা হ'ব।

## ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ উদ্দেশ্য

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ কল্পনাৰ অনুৰূপ এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ সামগ্ৰিক উদ্দেশ্য হৈছে শিক্ষাশৈলীকে ধৰি পাঠ্যক্ৰমত সংশ্লিষ্ট ইতিবাচক পৰিৱৰ্তনৰ জৰিয়তে ভাৰতবৰ্ষৰ স্কুলীয়া শিক্ষা ব্যৱস্থাক ইতিবাচকভাৱে ৰূপান্তৰিত কৰাত সহায় কৰা।

বিশেষকৈ, ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উদ্দেশ্য কেৱল ধাৰণাগত সাল-সলনিয়েই নহয়, শিক্ষাৰ অনুশীলনৰ পৰিৱৰ্তন কৰাৰো লক্ষ্য ৰাখে। প্ৰকৃততে, যিহেতু পাঠ্যক্ৰম শব্দটোৱে সেই অভিজ্ঞতাসমূহকো সামৰি লয়, যিবোৰ এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে বিদ্যালয়ত লাভ কৰে, গতিকে অনুশীলনে কেৱল পাঠ্যক্ৰমৰ বিষয়বস্তু আৰু শিক্ষাশৈলীকেই নুবুজাই বিদ্যালয়ৰ পৰিৱেশ আৰু সংস্কৃতিকো সামৰি লয়। পাঠ্যক্ৰমৰ এইটোৱেই হৈছে সেই সামগ্ৰিক সৰ্বাঙ্গীণ ৰূপান্তৰ যিয়ে আমাক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সৰ্বাঙ্গীণ শিকন অভিজ্ঞতাক ইতিবাচকভাৱে ৰূপান্তৰিত কৰিবলৈ সহায় কৰিব।

## ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ উদ্দেশ্যসমূহ সক্ষম কৰাব বিশেষত্বসমূহ

যিহেতু শৈশৱকালীন শিশুৰ পৰিচৰ্যা আৰু শিক্ষা শেহতীয়া গৱেষণাৰ ওপৰত আধাৰিত, এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ উদ্দেশ্য সম্পৰ্কে অৱগত। সম্পৰ্কিত আৰু কাৰ্যক্ষেত্ৰত ক্ষেত্ৰত অনুশীলনকাৰীসকলৰ দ্বাৰা ব্যৱহাৰৰ উপযোগী হোৱাৰ লগতে শিক্ষক ও অন্যান্য শিক্ষাবিদসকলকে ধৰি শিক্ষাৰ অনুশীলনকাৰীসকল, বিদ্যালয়ৰ নেতা আৰু প্ৰকল্প বিষয়া, খণ্ড আৰু মণ্ডল সমল ব্যক্তি, মণ্ডল শিক্ষা বিষয়া, শিক্ষক প্ৰশিক্ষক, পৰীক্ষা নিয়ন্ত্ৰক আদিৰ দৰে কাৰ্যকাৰীসকল আৰু পাঠ্যক্ৰম/ পাঠ্যসূচী/পাঠ্যপুথি প্ৰস্তুতকাৰী দলৰ দ্বাৰা প্ৰয়োগযোগ্য কৰা।

ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাই আগ্ৰহী পাঠকসকলক বিদ্যালয়বিলাকৰ বাবে আমাৰ নতুন দৃষ্টিভংগীৰে শিক্ষা কেনেকুৱা হ'ব লাগে কিয়, আৰু অভিভাৱক, সম্প্ৰদায়ৰ সদস্য আৰু ভাৰতবৰ্ষৰ নাগৰিক হিচাপে ব্যক্তিসকলে, যিসকলৰ ভাৰতীয় শিক্ষাত এক বৃহৎ অংশীদাৰিত্ব আছে কি ভূমিকা ল'ব পাৰে তাৰ এক ন্যায্য বোধ প্ৰদান কৰাৰো লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে।

তথাপিও, শিক্ষকসকলক প্ৰাথমিক কেন্দ্ৰবিন্দু হিচাপে লৈ এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা ৰূপাংকণ কৰা হৈছে, ইয়াৰ কাৰণটো হ'ল- শিক্ষাৰ অনুশীলনৰ মূলতেই হৈছে শিক্ষক। এইগৰাকী সেইজন শিক্ষক যিগৰাকী অন্ততঃ আমি বিচৰা পৰিৱৰ্তনৰ ক্ষেত্ৰত পথপ্ৰদৰ্শক। সেই হেতু, শিক্ষকৰ এই দৃষ্টিকোণটো, পাঠ্যক্ৰম আৰু বিষয়সূচীৰ প্ৰস্তুতকাৰী, পাঠ্যপুথি লেখক, প্ৰশাসক আৰু অন্যান্য সকলোৱে আগবঢ়াই লৈ যাব লাগিব।

সেয়েহে, এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ লক্ষ্য হৈছে এনে এটা উপস্থাপন শৈলী আৰু গাঁথনি গ্ৰহণ কৰা যিয়ে শিক্ষকসকলৰ কাৰণে ওপৰৰ লক্ষ্যসমূহ পঠনযোগ্য, সুলভ আৰু প্ৰাসংগিক কৰি তোলে। যদিও, ইয়াৰ লক্ষ্য অন্তৰ্নিহিত দৰ্শন আৰু নীতিসমূহ প্ৰকাশ কৰা, ই কেৱল ইয়াক বিমূৰ্ত্ততাৰ স্তৰতেই এৰি নিদিয়ে বৰঞ্চ ইয়াক অভ্যাসলৈও লৈ আনে।

ইয়াক সক্ষম কৰিবলৈ, আৰু অধিক স্পষ্টতাৰে ধাৰণাসমূহ প্ৰকাশ কৰিবলৈ, এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাত অনুশীলনৰ স্তৰত বিভিন্ন প্ৰসংগত স্পষ্ট বাস্তৱ জীৱনৰ চিত্ৰায়নৰ সৈতে বিস্তাৰ আৰু নিৰ্দিষ্টতাৰ বিভিন্ন স্তৰৰ বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে । শিক্ষক বা পাঠ্যক্ৰম প্ৰস্তুতকৰ্তাসকল এই চিত্ৰায়নৰ দ্বাৰা আৱদ্ধ নহয়, কিন্তু এই স্তৰৰ চিত্ৰায়নে এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাক বোধগম্য, বাস্তৱসন্মত আৰু প্ৰয়োগযোগ্য কৰি তোলাত সহায় কৰিব বুলি কল্পনা কৰা হৈছে।

এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ উদ্দেশ্য সৰ্ব্বোত্তম সম্পদযুক্ত প্ৰতিষ্ঠানসমূহৰ কল্পনাৰ লগত সম্পূৰ্ণৰূপে সামঞ্জস্য ৰাখি বৰ্তমানৰ বিশেষ প্ৰতিষ্ঠান আৰু শিক্ষকৰ বাস্তৱিকতাক গুৰুত্ব প্ৰদান কৰা। সেয়েহে, এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ উদ্দেশ্য হৈছে আমাৰ বাস্তৱিক জীৱনৰ লগত গভীৰভাৱে সম্পৰ্কিত যদিও, বৰ্তমানেও আকাংক্ষিত।

# সূচীপত্ৰ


| | | |
|---|---|---|
| অধ্যায় 1 : | প্ৰস্তাৱনা আৰু ভূমিকা | 12 |
| খণ্ড 1.1 | ভূমিকা | 13 |
| খণ্ড 1.2 | ভাৰতবৰ্ষ আৰু বিশ্বত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ বিকাশ | 17 |
| খণ্ড 1.3 | ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ দৃষ্টিভঙ্গী | 31 |
| খণ্ড 1.4 | বুনিয়াদী স্তৰত শিশুসকলে কেনেকৈ শিকে | 37 |
| খণ্ড 1.5 | বুনিয়াদী পৰ্যায়ত স্কুলীয়া শিক্ষাৰ প্ৰসংগ | 44 |
| অধ্যায় 2 : | উদ্দেশ্য, পাঠ্যক্ৰমৰ লক্ষ্য, অৰ্হতা আৰু শিকন ফলাফল | 47 |
| খণ্ড 2.1 | সংজ্ঞা | 48 |
| খণ্ড 2.2 | শিকন লক্ষ্যৰ পৰা শিকন ফলাফললৈ | 50 |
| খণ্ড 2.3 | পাঠ্যক্ৰমৰ লক্ষ্য | 53 |
| খণ্ড 2.4 | অৰ্হতা | 56 |
| খণ্ড 2.5 | দৃষ্টান্তমূলক শিকন ফলাফল | 61 |
| অধ্যায় 3 : | ভাষা শিক্ষা আৰু সাক্ষৰতাৰ প্ৰতি দৃষ্টিভঙ্গী | 66 |
| খণ্ড 3.1 | নীতিসমূহ | 67 |
| খণ্ড 3.2 | বুনিয়াদী পৰ্যায়ত ভাষা শিক্ষা আৰু সাক্ষৰতাৰ প্ৰতি ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ দৃষ্টিভংগী | 70 |
| অধ্যায় 4 : | শিক্ষাশৈলী | 75 |
| খণ্ড 4.1 | শিক্ষাশৈলীৰ মূল নীতি | 76 |
| খণ্ড 4.2 | শিক্ষণৰ কাৰণে পৰিকল্পনা | 78 |
| খণ্ড 4.3 | শিক্ষক আৰু শিশুৰ মাজত যোগাত্মক সম্পৰ্ক স্থাপন | 83 |
| খণ্ড 4.4 | খেল-ধেমালিৰ জৰিয়তে শিকন-বাৰ্তালাপ, কাহিনী, পুতলা, সংগীত, কলা আৰু ভাস্কৰ্য্য | 86 |
| খণ্ড 4.5 | সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ শিক্ষণ কৌশল | 106 |
| খণ্ড 4.6 | শ্ৰেণীকোঠাত এক ইতিবাচক পৰিৱেশ সৃষ্টি | 119 |
| খণ্ড 4.7 | পৰিৱেশৰ আয়োজন | 127 |
| অধ্যায় 5 : | পাঠদানৰ কাৰণে নিৰ্বাচন, সংগঠন আৰু বিষয়বস্তুৰ প্ৰাসংগিকৰণ | 130 |
| খণ্ড 5.1 | পাঠ্যসূচীৰ বিকাশসাধন | 131 |
| খণ্ড 5.2 | বিষয়সূচী নিৰ্বাচনৰ নীতি | 132 |

| | | |
|---|---|---|
| খণ্ড 5.3 | বিষয় সংগঠিত কৰাৰ পদ্ধতি | 136 |
| খণ্ড 5.4 | শিক্ষণ-শিকন সামগ্ৰী (TLM) | 143 |
| খণ্ড 5.5 | কিতাপ আৰু পাঠ্যপুথি | 152 |
| খণ্ড 5.6 | শিকন পৰিৱেশ | 158 |
| **অধ্যায় 6 :** | **শিকন আগবঢ়াই নিবলৈ মূল্যায়ন** | 162 |
| খণ্ড 6.1 | মূল্যায়নৰ বাবে পথ প্ৰদৰ্শনমূলক নীতি | 163 |
| খণ্ড 6.2 | মূল্যায়নৰ পদ্ধতি আৰু সঁজুলি | 165 |
| খণ্ড 6.3 | ফলপ্ৰসূ শিক্ষণ-শিকনৰ কাৰণে শিশুসকলৰ সঁহাৰিৰ পৰ্যালোচনা | 172 |
| খণ্ড 6.4 | পঞ্জীয়ন আৰু যোগাযোগমূলক মূল্যায়ন | 174 |
| **অধ্যায় 7 :** | **সময় সংগঠন** | 177 |
| খণ্ড 7.1 | দিনটোৰ কাম-কাজ সংগঠিত কৰা | 178 |
| **অধ্যায় 8 :** | **অতিৰিক্ত জটিল ক্ষেত্ৰসমূহ** | 182 |
| খণ্ড 8.1 | উন্নয়নমূলক বিলম্ব আৰু দিব্যাঙ্গ ব্যক্তিক সম্বোধন | 183 |
| খণ্ড 8.2 | বিদ্যালয়ত সুৰক্ষা আৰু নিৰাপত্তা | 191 |
| **অধ্যায় 9 :** | **প্ৰস্তুতি পৰ্যায়ৰ সৈতে সংযোগ** | 193 |
| খণ্ড 9.1 | বিকাশমূলক ক্ষেত্ৰৰ পৰা পাঠ্যক্ৰমৰ ক্ষেত্ৰলৈকে | 194 |
| খণ্ড 9.2 | বিষয়বস্তু, শিক্ষাশৈলী আৰু মূল্যায়নৰ ধাৰাবাহিকতা আৰু পৰিৱৰ্তন | 195 |
| **অধ্যায় 10 :** | **এটি সহায়ক পৰিৱেশতন্ত্ৰ সংৰচনা কৰা** | 196 |
| খণ্ড 10.1 | শিক্ষকসকলক সক্ষম আৰু সৰলীকৰণ কৰা | 197 |
| খণ্ড 10.2 | শিকনৰ বাবে উপযুক্ত পৰিৱেশ নিশ্চিত কৰা | 202 |
| খণ্ড 10.3 | শৈক্ষিক আৰু প্ৰশাসনিক কৰ্মকৰ্তাসকলৰ ভূমিকা | 205 |
| খণ্ড 10.4 | অভিভাৱক আৰু সম্প্ৰদায়ৰ ভূমিকা | 207 |
| খণ্ড 10.5 | প্ৰযুক্তিৰ ব্যৱহাৰ | 210 |
| | পৰিশিষ্ট- 1 | 212 |
| | পৰিশিষ্ট- 2 | 262 |

# অধ্যায় 1
# প্ৰস্তাৱনা আৰু ভূমিকা ঃ

এই অধ্যায়টোৱে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ বুনিয়াদী পৰ্যায়ৰ ভিত্তি নিৰ্ধাৰণ কৰে।

এই গ্ৰন্থখনে প্ৰাক-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ জটিলতা, ভাৰতীয় পৰম্পৰাত ইয়াৰ সুদৃঢ়তা, সমসাময়িক গৱেষণা, যিয়ে জীৱনৰ কাৰণে ইয়াৰ প্ৰয়োজনীয়তা ৰেখাঙ্কণ কৰে, বিগত বৰ্ষসমূহত 'খেল'ৰ প্ৰাধান্যতা আৰু এই সময়ত সম্প্ৰদায় আৰু পৰিয়ালবিলাকে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ ৰূপৰেখা দাঙি ধৰে।

এই অধ্যায়টোৱে উদ্দেশ্য আৰু মূল নীতিও স্থাপন কৰে যিয়ে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাক নিৰ্দেশনা দিয়ে।



# খণ্ড 1.1
# ভূমিকা ঃ

## 1.1.1 প্ৰাক-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা ঃ

শিশুৰ জীৱনৰ প্ৰথম আঠ বছৰ প্ৰকৃতাৰ্থতেই জটিল। জীৱনৰ এই কালছোৱাই সমগ্ৰ জীৱনৰ সুখ সমৃদ্ধিৰ ভিত্তি প্ৰতিষ্ঠানৰ লগতে শাৰীৰিক, বৌদ্ধিক, আৱেগিক, সামাজিক প্ৰত্যেকটো দিশৰে সামগ্ৰিক বিকাশৰ কাৰণে ভেটি স্থাপন কৰে।

প্ৰকৃতাৰ্থত, ব্যক্তি এজনৰ জীৱনৰ অন্য পৰ্যায়ৰ তুলনাত এই সময়ছোৱাত হোৱা মস্তিষ্কৰ বিকাশৰ গতি তুলনামূলকভাৱে অধিক দ্ৰুত। স্নায়ুবিজ্ঞানৰ গৱেষণা অনুযায়ী এজন ব্যক্তিৰ মগজুৰ ৮৫ শতাংশ বিকাশ ৬ বছৰ বয়সতেই হয় বুলি প্ৰমাণ কৰিছে। গতিকে মগজুৰ বিকাশ আৰু বৃদ্ধিক সুষ্ঠভাৱে পৰিচালিত কৰিবৰ বাবে শিশুৰ প্ৰাৰম্ভিক বছৰসমূহত সঠিক পৰিচৰ্যা আৰু উদ্দীপনাৰ অধিক প্ৰয়োজনীয়তা আছে।

সাম্প্ৰতিক কালৰ গৱেষণাইও প্ৰমাণ কৰিছে যে ৮ বছৰ বয়সৰ তলৰ শিশুসকলৰ শৈক্ষিক গতিৰ ৰৈখিক আৰু বয়সভিত্তিক পথ অনুসৰণ কৰাৰ প্ৰৱণতা থাকে। প্ৰায় আঠ বছৰ বয়সতহে শিশুসকলে নিৰ্ধাৰিত শিক্ষণ প্ৰক্ষেপ-পথৰ লগত একত্ৰিত হ'বলৈ আৰম্ভ কৰে। আনকি অনেক ক্ষেত্ৰত ৮ বছৰ বয়সৰ পিছতো, শিক্ষা আৰু বিকাশৰ অন্তৰ্নিহিত ধাৰাত অ-ৰৈখিক আৰু ভিন্নমুখীতা অব্যাহত থাকে। অৱশ্যে, ৮ বছৰ বয়সলৈকে শিশুসকলৰ মাজত পৰিলক্ষিত হোৱা পাৰ্থক্যবোৰৰ প্ৰতি লক্ষ্য ৰাখি এই ৮ বছৰ বয়সটোক গড় হিচাপে শিক্ষণৰ এটা পৰ্যায়ৰ পৰা আন এটা পৰ্যায়লৈ সঞ্চাৰণ বিন্দু হিচাপে বিবেচনা কৰিব পৰা যায়। বিশেষকৈ, ৮ বছৰ বয়সতহে শিশুৱে সংগঠিত ব্যৱস্থাৰ লগত সমাযোজন স্থাপন কৰাৰ সক্ষমতা লাভ কৰে।

এইদৰে প্ৰাক-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা (ECCE)ক সাধাৰণতে জন্মৰ পৰা ৮ বছৰ বয়সলৈ শিশুৰ পৰিচৰ্যা আৰু শিক্ষা খণ্ডক সামৰি লয়।

## 1.1.2 বুনিয়াদী/ভেটি স্তৰ ঃ

ক. প্ৰাথমিকভাৱে ঘৰত- বয়স ০-৩

৩ বছৰ বয়সলৈ, বেছিভাগ শিশুৱেই পৰিয়ালৰ সৈতে ঘৰত পাৰিবাৰিক পৰিৱেশত ডাঙৰ-দীঘল হয়। অৱশ্যে কিছুমান শিশু শিশুগৃহলৈও যায়। ৩ বছৰ বয়সৰ পাছত শিশুসকলৰ এটা বৃহৎ অংশই অঙ্গনৱাড়ী আৰু বুনিয়াদী বিদ্যালয়ৰ দৰে প্ৰতিষ্ঠানিক পৰিৱেশত অৰ্থপূৰ্ণ সময় অতিবাহিত কৰে। ৩ বছৰ বয়সৰ ওপৰৰ শিশুসকলৰ কাৰণে সংগঠিত পৰিৱেশত উচ্চ মানদণ্ডযুক্ত বুনিয়াদী শিক্ষা প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা নীতিত ২০২০ত বিশেষভাৱে অগ্ৰাধিকাৰ দিছে।

৩ বছৰ বয়সলৈ, প্ৰাক শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ ভিত্তি হিচাপে ঘৰুৱা পৰিৱেশটোৱেই পৰ্যাপ্ত পুষ্টি, ভাল স্বাস্থ্যৰ অভ্যাস, সংবেদনশীল পৰিচৰ্যা, নিৰাপত্তা আৰু সুৰক্ষাৰ আৰু উৎসাহ-উদ্দীপনাৰ একমাত্ৰ প্ৰদানকাৰী ক্ৰিয়াশীল হৈ থাকিব। ৩ বছৰ বয়সৰ পাছতো পুষ্টি, স্বাস্থ্য, যত্ন, সুৰক্ষা আৰু উৎসাহ-উদ্দীপনা আদি উপাদানসমূহ এই পৰিৱেশত অব্যাহত ৰাখিব লাগে। কিন্তু এই ক্ষেত্ৰত পৰিপূৰক পদ্ধতি হিচাবে অঙ্গনৱাড়ী আদি প্ৰতিষ্ঠানিক অনুষ্ঠানসমূহত এই দিশসমূহ কাৰ্যকৰীকৰণ সঠিকভাৱে নিশ্চিত কৰিব লাগে।

৩ বছৰৰ তলৰ শিশুসকলৰ কাৰণে ঘৰত সঠিক 'প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা'ই কেৱল স্বাস্থ্য, সুৰক্ষা আৰু পুষ্টিকেই অন্তৰ্ভুক্ত নকৰে, ইয়াৰ লগতে গুৰুত্বপূৰ্ণ বৌদ্ধিক আৰু আৱেগিক পৰিচৰ্যা আৰু কথা-বাৰ্তা, খেল-ধেমালি, চলা-ফুৰা তথা শব্দ,গীত ইত্যাদিৰ সাহাৰ্যত সকলো ইন্দ্ৰিয়ক বিশেষকৈ দৰ্শনেন্দ্ৰীয় আৰু স্পৰ্শনেন্দ্ৰিয়ৰ সক্ৰিয়কৰণ আদিকো সামৰি লয়। ইয়াৰ ফলত তিনিবছৰৰ শেষত শাৰীৰিক, মানসিক, সামাজিক, আৱেগিক, বৌদ্ধিক, যোগাযোগ, প্ৰাৰম্ভিক ভাষা, প্ৰাথমিক সাক্ষৰতা আৰু সাংখ্যিক জ্ঞান আদিকে ধৰি বিভিন্ন কাৰ্য্যক্ষেত্ৰত সৰ্ব্বোত্তম বিকাশ সম্ভৱ হৈ উঠিব পাৰে। লক্ষণীয় যে এই ক্ষেত্ৰসমূহ ইটোৰ লগত সিটো সম্পৰ্কযুক্ত আৰু গভীৰভাৱে আন্তঃনিৰ্ভৰশীল।

**মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়ৰ দ্বাৰা ০-৩ বয়সকালীন শিশুৰ কাৰণে উচ্চ-মানদণ্ডযুক্ত প্ৰাক্-শৈশৱ কালীন পৰিচৰ্যা আৰু শিক্ষা প্ৰদৰ্শন মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়ৰ দ্বাৰা বিকাশ আৰু প্ৰচাৰ কৰিব লগা নিৰ্দেশাৱলী অনুশীলনসমূহৰ বিকাশ আৰু প্ৰচাৰ কৰা হ'ব।**

**খ. প্ৰতিষ্ঠানিক ব্যৱস্থা বয়স ৩-৮ ঃ**

৩ বছৰ বয়সৰ পৰা ৮ বছৰ বয়সকালীন সময়ছোৱাত সকলো শিশুৰ কাৰণে প্ৰতিষ্ঠানিক পৰিৱেশত সঠিক আৰু উচ্চ মানসম্পন্ন প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা উপলব্ধ হ'ব লাগিব। সুবিধা অনুযায়ী ভাৰতবৰ্ষত এই কাম তলত দিয়া ধৰণে সম্পাদন কৰা হয়—

(i) **৩-৬ বছৰ বয়স ঃ** অঙ্গনৱাড়ী, বালভাটিকা আৰু বুনিয়াদী বিদ্যালয়ত প্ৰাক্-শৈশৱকালীন শিক্ষাসূচী।

(ii) **৬-৮ বছৰ বয়স ঃ** বিদ্যালয়ত প্ৰাক-প্ৰাথমিক শিক্ষাসূচী (গ্ৰেড-১ আৰু গ্ৰেড-২)।

৩ বছৰ বয়সৰ পৰা ৮ বছৰ বয়সলৈ, প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাত স্বাস্থ্য, সুৰক্ষা, যত্ন আৰু পুষ্টিত অবিৰত মনোযোগ প্ৰদানৰ লগতে গুৰুত্বপূৰ্ণ আত্মসহায়ৰ দক্ষতা, পেশী সঞ্চালন দক্ষতা, স্বাস্থ্যবিধি, বিচ্ছেদমূলক উদ্বেগ নিয়ন্ত্ৰণ, ব্যায়াম আৰু চলা-ফুৰাৰ দ্বাৰাই শাৰীৰিক বিকাশ, পিতৃ-মাতৃ তথা অন্যান্যৰ লগত চিন্তাৰ প্ৰকাশ আৰু মত-বিনিময়, সমনীয়াৰ লগতে মিলা-মিচা, এক নিৰ্দ্ধাৰিত কাম সম্পন্ন কৰিবলৈ বা কাম কৰিবলৈ একেৰাহে অধিক সময় বহি থকা, নৈতিক বিকাশ আৰু সাৰ্বিক ভাল অভ্যাস গঢ়া আদিকো গভীৰভাৱে অন্তৰ্ভুক্ত কৰা হয়।

এই কালছোৱাত শিশুসকলৰ জন্মগত সক্ষমতা আৰু কৌতুহল, সৃজনশীলতা, বিশ্লেষণাত্মক চিন্তা, সহযোগিতা, দলীয় কাম, সামাজিক মত-বিনিময়, সহানুভূতি, কৰুণা, অন্তৰ্ভুক্তি, যোগাযোগ, সাংস্কৃতিক মূল্য উপলব্ধি, চঞ্চলতা, তাৎকালিন পৰিৱেশ সম্পৰ্কে সজাগতা, শিক্ষক, সহপাঠী আৰু অন্যান্য ব্যক্তিৰ লগত সফলতাপূৰ্ব্বক আৰু শ্ৰদ্ধাপূৰ্ব্বকভাৱে ভাৱ-বিনিময় কৰা ক্ষমতাক লালন-পালন আৰু বিকাশৰ দলীয় অথবা একক তত্বাৱধানমূলক খেল-ধেমালি বিশেষভাৱে গুৰুত্বপূৰ্ণ।

**গ. সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ আৱশ্যকতা ঃ**

প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাই প্ৰাক্ সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ লগতে বৰ্ণমালা, ভাষা, সংখ্যা, গণনা, ৰং, আকৃতি, ৰেখাঙ্কণ/চিত্ৰাঙ্কণ, আন্তঃক্ৰীড়া আৰু বৰ্হিক্ৰীড়া, যুক্তিসংগত চিন্তা, কলা, চাৰুকলা, সংগীত আৰু সঞ্চালনমূলক আদি কাৰ্যৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াৰ উদ্দেশ্য হৈছে প্ৰাক্-সাক্ষৰতা, সাংখ্যিক জ্ঞান, পৰিৱেশ সম্পৰ্কে সজাগতাৰ ওপৰত বিশেষ গুৰত্ব প্ৰদানৰ লগতে ওপৰত উল্লেখ কৰা সংযুক্ত ক্ষেত্ৰসমূহৰ উন্নয়নমূলক ফলশ্ৰুতি নিশ্চিত কৰা। ৬ ৰ পৰা ৮ বছৰ বয়স-সন্ধিৰ বাবে বিশেষভাৱে গুৰুত্বপূৰ্ণ বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞান (FLN)ৰ ভেটি গঠনৰ বাবে ৬ ৰ পৰা ৮

বছৰৰ বয়স কাল বিশেষভাৱে গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত সামগ্ৰিক শিক্ষাত এই বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানক গুৰুত্ব প্ৰদান কৰা হৈছে।

**ঘ. ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা (NCF)ত বুনিয়াদী পৰ্যায় ঃ**

ওপৰৰ সকলো দিশ বিবেচনা কৰি, নতুন শিক্ষা নীতি ২০২০য়ে ৫+৩+৩+৪ এই নতুন ব্যৱস্থাপনাত ৩ৰ পৰা ৮ বছৰ বয়সৰ পৰিসৰক বুনিয়াদী স্তৰ হিচাপে উল্লেখ কৰিছে। এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত বুনিয়াদী পৰ্যায়ত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষণ সামগ্ৰিকভাৱে আনুষ্ঠানিক শিক্ষা কৰাৰ লক্ষ্য ৰাখিছে।

এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত এই বয়স পৰিসৰৰ এক প্ৰতিষ্ঠানিক গুৰুত্ব আছে যদিও পৰিয়াল, বিস্তাৰিত পৰিয়াল, চুবুৰীয়া আৰু নিকট-আত্মীয় আদিকে ধৰি শিশুৰ ওপৰত যিসকল লোকৰ উল্লেখযোগ্য প্ৰভাৱ আছে তেনে ঘৰুৱা পৰিৱেশৰ গুৰুত্বক কোনোমতে অৱহেলা কৰিব নোৱাৰি। সেয়েহে এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাই এই স্তৰত বঞ্চিত উন্নয়নমূলক আৰু সক্ষমমূলক বিকাশত অভিভাৱক আৰু সমাজৰ ভূমিকাত গুৰুত্ব প্ৰদান কৰিছে। অৱশ্যে আনুষ্ঠানিক ব্যৱস্থাৰ বাহিৰৰ প্ৰাৰম্ভিক ৩ বছৰ পৰ্যন্ত শিশু শিক্ষাত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ দিশসমূহৰ বিতংভাৱে আলোচনা কৰা নহ'ব।

**ঙ. ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ লক্ষ্য ঃ**

সামুহিকভাৱে সমাজ এখনৰ দীৰ্ঘম্যাদী লাভালাভৰ বাবে তথা এজন ব্যক্তিৰ ব্যক্তিগত উন্নতিৰ বাবে শিক্ষাৰ বুনিয়াদী পৰ্যায়ৰ গুৰুত্বৰ উপলব্ধি কৰি ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ত ২০২৫ চনৰ ভিতৰত প্ৰত্যেকজন ৩ৰ পৰা ৮ বছৰ বয়সৰ শিশুৱে মুক্ত, সুৰক্ষিত, উচ্চ মানসম্পন্ন, বিকাশৰ বাবে উপযুক্ত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাত প্ৰৱেশ লাভ কৰাৰ সুযোগ প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

মানসম্পন্ন প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাই জন্মৰ পৰিস্থিতি বা পটভূমি নিৰ্বিশেষে শিশুসকলক সমগ্ৰ জীৱনৰ শৈক্ষিক ব্যৱস্থাত অংশগ্ৰহণ কৰিবলৈ আৰু সুস্থ বিকাশ লাভ কৰিবলৈ সামৰ্থবান কৰে। সেই কাৰণেই প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা সম্ভৱতঃ সৰ্ব্বশ্ৰেষ্ঠ আৰু শক্তিশালী স্থাপনকাৰী। বুনিয়াদী স্তৰত সকলো শিশুকে প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাই ভাল, নৈতিক, চিন্তাশীল, সৃজনশীল, সহানুভূতিশীল আৰু উৎপাদনশীল মানৱ হ'বলৈ সৰ্ব্বোত্তম সুযোগ প্ৰদান কৰে।

আমাৰ দেশৰ সামগ্ৰিক সুস্থতা আৰু সমৃদ্ধিৰ বাবে আমাৰ সমাজৰ প্ৰতিগৰাকী সদস্যই শিক্ষকৰ পৰা বিদ্যালয়ৰ কাম-কাজত জড়িত অন্যান্য অভিভাৱক, সমাজৰ সদস্যৰ নীতি নিৰ্দ্ধাৰক আৰু প্ৰশাসকসকললৈকে সকলোৱে শিশুসকলৰ এই প্ৰাৰম্ভিক আৰু একেবাৰে জটিল কালছোৱাত- সকলো শিশুৱে যাতে প্ৰয়োজনীয় শাৰীৰিক, বৌদ্ধিক, সামাজিক-আৱেগিক উদ্দীপনাৰ লগতে সঠিক আৰু পৰ্যাপ্ত পুষ্টি লাভ কৰে তাক নিশ্চিত কৰিবলৈ একত্ৰিত প্ৰচেষ্টা গ্ৰহণ কৰিব লাগে।

পৰৱৰ্তী খণ্ডত প্ৰাক্ শৈশৱকালীন যত্ন আৰু শিক্ষাত বিনিয়োগৰ অত্যাৱশ্যকীয় দিশসমূহ তলত অধিক বিযদভাৱে বাখ্যা কৰা হৈছে—

## 1.1.3 প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ যুক্তিযুক্ততা ঃ

শিক্ষা, স্নায়ুবিজ্ঞান আৰু অৰ্থনীতিৰ ওপৰত সমগ্ৰ বিশ্বতে হোৱা গৱেষণাই এইটো স্পষ্ট ৰূপত প্ৰমাণ কৰিছে যে মুক্ত, প্ৰৱেশযোগ্য, উচ্চ মানসম্পন্ন প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাই সম্ভৱতঃ আটাইতকৈ বৃহৎ বিনিয়োগ যিয়ে এখন দেশৰ ভৱিষ্যত গঢ় দিব পাৰে।

পূৰ্বতে উল্লেখ কৰা ধৰণে, শিশুৰ জীৱনকালৰ প্ৰথম ৮ বছৰত হোৱা মগজুৰ দ্ৰুত বিকাশৰ পৰিপ্ৰেক্ষিতত জীৱনৰ প্ৰাৰম্ভিক বছৰবোৰত বৌদ্ধিক, সামাজিক আৰু আৱেগিক উদ্দীপনাৰ নিতান্ত প্ৰয়োজনীয়।



শিশুসকলে স্বাভাৱিকভাৱে প্ৰাৰম্ভিক বয়সছোৱাত খেল-ধেমালি ভিত্তিক কাৰ্যকলাপত লিপ্ত হয়। বয়স অনুযায়ী খেল-ধেমালি ভিত্তিক শাৰীৰিক, শৈক্ষিক আৰু সামাজিক ক্ৰিয়া-কলাপৰ সুযোগ লাভ কৰা শিশুসকলে ভালদৰে শিকে আৰু তেওঁলোকৰ বৃদ্ধি আৰু বিকাশো সন্তোষজনক হয়।

উপযুক্ত উৎসাহ-উদ্দীপনা, সাহাৰ্য আৰু পৰিচৰ্যাৰ অভাৱত শিশুৰ সামগ্ৰিক বিকাশ ক্ষতিগ্ৰস্থ হয়।

প্ৰাক্-শৈশৱকালীন সময়ছোৱাই সমগ্ৰ জীৱনৰ শিকন আৰু বিকাশৰ ভেটি নিৰ্মাণ কৰে আৰু ই বয়স্ক জীৱনৰ মানদণ্ডৰো মূল নিৰ্ণায়ক হয়।

প্ৰাৰম্ভিক কালছোৱাতে উপযুক্ত হস্তক্ষেপকৰণৰ জৰিয়তে শিশুৰ শিকনৰ ক্ষেত্ৰত সৃষ্টি হোৱা বিলম্ব দূৰ কৰিব পাৰিব।

গতিকে, প্ৰাক্ শৈশৱকালীন বিকাশ অধিক উন্নত কৰাৰ যি প্ৰচেষ্টা সেয়া বিনিয়োগহে, ব্যয় নহয়। মানসম্পন্ন প্ৰাথমিক শিক্ষাত বিনিয়োগে দেশৰ দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশ বৃদ্ধিত সহায় কৰাৰ লগতে ব্যক্তিৰ ভৱিষ্যতৰ সফলতাৰ বাবে প্ৰয়োজনীয় স্বাস্থ্য, বৌদ্ধিক দক্ষতা আৰু চৰিত্ৰৰ বিকাশ সাধনতো সহায় কৰে।

*বিতং তথ্যৰ বাবে 'পৰিশিষ্ট-৪' চাওক*

**সামৰণিত ঃ** মগজুৰ বিকাশৰ পৰা আৰম্ভ কৰি বিদ্যালয়ৰ প্ৰস্তুতিলৈকে, উন্নত শিকন ফলশ্ৰুতি, সমতা আৰু ন্যায়, নিয়োগযোগ্যতা, আৰু দেশৰ সমৃদ্ধি তথা অৰ্থনৈতিক শ্ৰীবৃদ্ধি এই সকলোবোৰ নিশ্চিত কৰিবৰ বাবে ভাৰতে সকলো শিশুৰ কাৰণে উচ্চমানৰ বিকাশৰ বাবে উপযুক্ত উদ্দীপনাযুক্ত আৰু  শিশুৰ কাৰণে সুলভ আৰু মানসম্পন্ন প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাত বিনিয়োগ কৰিব লাগিব।

# খণ্ড 1.2

# ভাৰতবৰ্ষ আৰু বিশ্বত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ বিকাশ ঃ

## 1.2.1 উন্নত ভাৰতীয় দৃষ্টিভংগী ঃ

শিশুৰ সৰ্বাঙ্গীণ বিকাশত সহায়ৰ কাৰণে প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ গুৰুত্ব আমাৰ সুদীৰ্ঘ ভাৰতীয় ঐতিহ্যৰ অবিচ্ছেদ্য অঙ্গ হৈ আছে। ভাৰতবৰ্ষৰ বৈচিত্ৰময় সাংস্কৃতিক প্ৰেক্ষাপটত শিশুৰ জীৱনৰ প্ৰাৰম্ভিক বছৰবোৰক বিশেষভাৱে গুৰুত্ব দিয়া হৈছে।


ভাৰতবৰ্ষত ল'ৰা-ছোৱালীৰ সামাজিক সামৰ্থ আৰু বিকশিত মূল্যবোধকে ধৰি সামগ্ৰিক উন্নয়নক উদ্বুদ্ধ কৰাৰ বাবে এক সমৃদ্ধ পৰম্পৰা শিক্ষা ব্যৱস্থা আছে। এনেধৰণৰ পৰম্পৰাগত শিশুৰ যত্ন যৌথ পৰিয়ালসমূহত পৰিচালিত হৈছিল। শিশুসকলক তেওঁলোকক যত্ন লোৱা প্ৰাপ্তবয়স্ক আৰু সমনীয়াসকলে আৱৰি আছিল।

◈ **আভ্যন্তৰীণ আৰু বাহ্যিক উভয় উন্নয়নতে গুৰুত্ব আৰোপ কৰা ভাৰতীয় শিক্ষাৰ উদ্দেশ্য গভীৰ আৰু বহল আছিল। বাহ্যিক জগতৰ বিষয়ে লাভ কৰা শিক্ষা ব্যক্তিৰ নিজৰ আভ্যন্তৰীণ বাস্তৱিকতা আৰু অহং সত্তাৰ লগত সামঞ্জস্যপূৰ্ণ হ'ব লাগে।** অন্ততঃ এইটোও এক বিশেষ ব্যৱহাৰিক দৃষ্টিভংগী যে সুস্বাস্থ্য আৰু সামাজিক-আৱেগিক দক্ষতাৰ বিকাশসাধন কৰা আৰু যুক্তিসংগত চিন্তা, শুদ্ধ যুক্তিসংগত নিৰ্বাচন আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাৰ সামগ্ৰিক আৰু সংহত আৰু বিকাশৰ প্ৰয়োজন। শিক্ষা কেৱল তথ্য সংগ্ৰহ কৰাই নহয় বৰঞ্চ ই হৈছে আনৰ লগত আমাৰ পাৰস্পৰিক সম্পৰ্ক, জ্ঞানৰ বিভিন্ন ধৰণসমূহ পৃথক কৰাৰ ক্ষমতা আৰু সমাজ আৰু ব্যক্তিবিশেষৰ লাভৰ বাবে যিখিনি শিকিছে তাক ফলপ্ৰসুভাৱে প্ৰয়োগৰ সক্ষমতা লাভৰ যোগেদি এক আত্ম-বিকাশৰ প্ৰক্ৰিয়া।

---

**পঞ্চকোষ বিকাশ - পঞ্চমুখ বিকাশ ভাৰতীয় পৰম্পৰাৰ এক মূখ্য আধাৰ**

*এটি শিশু পঞ্চ কোষেৰে বা আৱৰণেৰে সম্পূৰ্ণৰূপে আবৃত্ত বা ঢাক খাই থকা এটা সম্পূৰ্ণ সত্তা। এই আৱৰণসমূহ হৈছে— অন্নামায়া আৱৰণ (শাৰীৰিক প্ৰলেপ), প্ৰাণামায়া আৱৰণ (জীৱনদায়ী শক্তি প্ৰলেপ), মনোমায়া আৱৰণ (ভাব প্ৰলেপ), বিজ্ঞানময়া আৱৰণ (বুদ্ধি প্ৰলেপ) আৰু আনন্দময়া আৱৰণ (অন্তৰাত্মা প্ৰলেপ)। এই প্ৰত্যেকটো আৱৰণে নিৰ্দিষ্ট চৰিত্ৰ প্ৰকাশ কৰে। শিশুৰ সামগ্ৰিক বিকাশৰ কাৰণে এই পাঁচোটি স্তৰৰ পোষণ আৰু পৰিচৰ্যা বিশেষভাৱে গুৰুত্বপূৰ্ণ।*



পঞ্চকোষ বিকাশ

*এই আৱৰণসমূহৰ প্ৰত্যেকটোৰে বিকাশৰ কাৰণে কিছুমান নিৰ্দিষ্ট ব্যৱহাৰিক ৰূপৰেখা তৈয়াৰ কৰা হয়। অৱশ্যে এই আৱৰণসমূহৰ আন্তঃসম্পৰ্কৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱহাৰিক ৰূপৰেখাসমূহ তৈয়াৰ কৰা হয় যদিও এই ক্ৰিয়া-কলাপসমূহৰ যিকোনো এটাৰ ওপৰত প্ৰাথমিকভাৱে দিয়া গুৰুত্বয়ো আনবিলাকৰ দিশৰ বিকাশতো অৰিহণা যোগাব।*

*উদাহৰণস্বৰূপে, সুষম আহাৰ,পৰম্পৰাগত খেল-ধেমালি, আৰু পৰ্য্যাপ্ত ব্যায়ামৰ লগতে যোগাসন (সঠিক বয়সত)ৰ ওপৰত দিয়া গুৰুত্বৰ যোগেদি দৈহিক বিকাশ সাধনৰ লগতে সামগ্ৰিকভাৱে আৰু উৎকৃষ্ট পেশী সঞ্চালন দক্ষতাৰ গঢ় দিয়ে। সমগ্ৰ শৰীৰৰ বাবে প্ৰয়োজনীয় অক্সিজেন যোগান ধৰিবলৈ বিশেষ ধৰণে উশাহ লোৱাৰ শিক্ষা প্ৰয়োজনীয় আৰু এই প্ৰক্ৰিয়াই কণ্ঠক প্ৰশিক্ষিত কৰে আৰু লগতে আত্মসচেতনতা বৃদ্ধি কৰে। গল্প, গীত, নিচুকণী গীত, কবিতা, প্ৰাৰ্থনা আদিৰ বিস্তৃত বৈচিত্ৰই কেৱল শিশুসকলক তেওঁলোকৰ কাৰণে সাংস্কৃতিক বিষয়বস্তুৰ প্ৰতি ভালপোৱাই গঢ় নিদিয়ে বৰঞ্চ মূল্য-আধাৰিত অন্তৰদৃষ্টিও প্ৰদান কৰে। ই মনোযোগ আৰু মনোনিৱেশ কৰা ক্ষমতাৰ লগতে শ্ৰৱণৰ ক্ষমতা বৃদ্ধি কৰি ভাষাৰ বিকাশতো অৰিহণা যোগায়। এই ক্ষেত্ৰ বিশ্বব্ৰহ্মাণ্ডৰ সৌন্দৰ্য্য আৰু বিস্ময় অনুভৱ কৰাত সক্ষম হ'বলৈ ইন্দ্ৰিয়সমূহক সক্ষম কৰি তুলিব লাগিব। প্ৰাত্যহিক জীৱনৰ লগত জড়িত সংহত সেৱাই পাৰস্পৰিক সম্পৰ্ক স্থাপনৰ লগতে নিজকে সমাজৰ অংশ হিচাবে অনুভৱ আনন্দৰ অভিজ্ঞতাকো সম্ভৱ কৰি তোলে।*

*প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ বিকাশৰ বিভিন্ন কাৰ্য্যক্ষেত্ৰত পঞ্চকোষৰ ধাৰণা আৰু কল্পনাক দিশ নিৰ্ণায়ক হিচাবে কৰা হৈছে যিবোৰ পৰৱৰ্তী অধ্যায়ত পাঠ্যক্ৰমৰ লক্ষ্যৰ ভিত্তি হিচাপে বৰ্ণনা কৰা হৈছে।*

- ***শাৰীৰিক বিকাশ ঃ*** *বয়স নিৰ্দিষ্ট সন্তুলিত শাৰীৰিক বিকাশ, শাৰীৰিক সুস্থতা, নমনীয়তা, শক্তি আৰু সহনশীলতা; ইন্দ্ৰিয়ৰ বিকাশ; পুষ্টি, স্বাস্থ্যবিধি, ব্যক্তিগত স্বাস্থ্য, শাৰীৰিক ক্ষমতাৰ সম্প্ৰসাৰণ; মানুহৰ মাজত এশ বছৰীয়া দৈৰ্ঘ্যৰ জীৱন-যাপনৰ প্ৰতি লক্ষ্য ৰাখি শৰীৰ আৰু সুস্থ অভ্যাস গঢ়ি তোলা।*
- ***জীৱনী শক্তিৰ বিকাশ ঃ*** *স্বয়ংক্ৰিয় স্নায়ুতন্ত্ৰৰ অন্তৰ্ভুক্ত সহানুভূতিশীল ব্যৱস্থাৰ জৰিয়তে শক্তিৰ অৱধাৰণ আৰু ভাৰসাম্য, ধনাত্মক শক্তি আৰু উদ্যম, সকলো প্ৰধান তন্ত্ৰ পদ্ধতি (পাচন, ৰক্ত সঞ্চালন, স্বাস-প্ৰস্বাস, স্নায়ুতন্ত্ৰ)ৰ স্বাভাৱিক কাৰ্যক্ষমতাৰ সক্ৰিয়কৰণ সম্ভৱ কৰি তোলা।*
- ***আৱেগিক/মানসিক বিকাশ ঃ*** *মনোযোগ, শান্তি, ইচ্ছা আৰু ইচ্ছাশক্তি, সাহস, ঋণাত্মক আৱেগ নিয়ন্ত্ৰণ, মূল্যবোধৰ বিকাশ (মূল্যবৰ্দ্ধন), কামত সংযুক্ত আৰু সংযুক্ত হোৱাৰ ইচ্ছা, মানুহ আৰু পৰিৱেশ, সুখ, দৃশ্যমান আৰু পৰিৱেশ্য কলা, সংস্কৃতি আৰু সাহিত্য।*
- ***বৌদ্ধিক বিকাশ ঃ*** *পৰ্যৱেক্ষণ, পৰীক্ষা-নিৰীক্ষা, বিশ্লেষণাত্মক ক্ষমতা, বিমূৰ্ত আৰু চিত্ৰমূখী চিন্তা, যুক্তি নিৰ্ভৰশীলতা, ভাষিক দক্ষতা, কল্পনা, সৃজনশীলতা, বৈষম্য বিচাৰৰ শক্তি, সাধাৰণীকৰণ আৰু বিমূৰ্ততা।*
- ***আধ্যাত্মিক বিকাশ ঃ*** *সুখ, প্ৰেম আৰু মমতা, স্বতঃস্ফুৰ্ততা, স্বাধীনতা, নান্দনিক জ্ঞান, আভ্যন্তৰীণ চেতনা জাগ্ৰত কৰা।*

*পঞ্চকোষ হৈছে মানৱ অভিজ্ঞতা আৰু উপলব্ধিত শৰীৰ-মনৰ জটিল সংযোগ গুৰুত্বৰ এক প্ৰাচীন ব্যাখ্যা। মানৱ বিকাশৰ এই অ-দ্বিবিভাজিত দৃষ্টিকোণে সামগ্ৰিক শিক্ষাৰ দিশত স্পষ্ট পথ আৰু দিশ প্ৰদান কৰে।*

---

**অন্তৰ্দৃষ্টিৰ পৰিসৰ ঃ** শিক্ষা ব্যৱস্থাপনাত বিশ্বৰ এক অন্যতম পুৰণি প্ৰথা গুৰুকুল ব্যৱস্থাই কেৱল সামগ্ৰিক শিক্ষাকেই প্ৰসাৰ নকৰে বৰঞ্চ শিকন আৰু বিকাশ আৰু শিক্ষক আৰু ছাত্ৰৰ মাজৰ আন্তঃসম্পৰ্কৰ গুৰুত্বকো প্ৰাধান্য দিয়ে। শিকনৰ আদৰ্শমূলক পৰিৱেশ এইটোৱে যে যিয়ে শিকাৰ হেপাহক সক্ষম কৰে আৰু এই জ্ঞান প্ৰয়োগ কৰিবলৈ সুযোগ প্ৰদান কৰে। শিকনে অন্তৰাত্মাৰ পৰীক্ষা আৰু অন্বেষণৰ কাৰণে সুযোগ প্ৰদান কৰে।

**বাকচ- ১.২ খ**

প্ৰাচীন ভাৰতীয়সকলে স্মৃতিৰ ওপৰত দিয়া গুৰুত্ব মানুহৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত অতি চিন্তনীয় বিষয়। যিটো বিষয় নীতিগতভাৱে আৰু নিষ্ঠাৰে অনুশীলন কৰা হয় তাক মুখস্ত কৰা বিদ্যা বুলি প্ৰায়ে ভুলকৈ বুজা হয় যদিও প্ৰকৃততে ই স্মৃতি নহয়।

সাম্প্ৰতিক বৌদ্ধিক বিজ্ঞানৰ গৱেষণাই প্ৰমাণ কৰিছে যে কাৰ্যকাৰী আৰু দীৰ্ঘম্যাদী স্মৃতি দুয়োটা স্মৃতিয়েদি জ্ঞান আৰু বোধগম্যতা লাভত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শ্ৰেণীকোঠাত স্মৃতি বা মুখস্তবিদ্যাৰ ওপৰত কম গুৰুত্ব দিয়াৰ ফলত প্ৰায়ে শিকনৰ বাঞ্চিত ফলাফল পৰিলক্ষিত নহয়।

শ্ৰেণীকোঠাত শিকনৰ কাৰণে মুখস্তবিদ্যাৰ প্ৰয়োগে বিভিন্নধৰণৰ কাৰ্যকলাপ সামৰি লয়- স্বস্তঃস্ফূৰ্ত আৰু নিয়মীয়া অনুশীলন, গভীৰ প্ৰক্ৰিয়াকৰণ সংকেত উদ্ভাৱন, সংযোগ স্থাপন, আৰু জোট বন্ধন। ৰাষ্ট্ৰীয় শিক্ষা পাঠ্যক্ৰমৰ কাঠামোৰ লক্ষ্য আৰু শিকন শৈলীৰ দৃষ্টিভংগীত এইটো প্ৰতিফলিত হয়।

স্কুলীয়া শিক্ষাৰ প্ৰত্যেকটো শিক্ষা স্তৰতেই বিশেষকৈ প্ৰস্তুতি পৰ্যায়, মধ্যম পৰ্যায় আৰু মাধ্যমিক পৰ্য্যায়ত এই দিশসমূহ বিশেষকৈ প্ৰাসঙ্গিক।

ভাৰতীয় পৰম্পৰাত, আনকি কেচুঁৱা অৱস্থাতো শিশুসকলক 'খালী ফলি' হিচাবে বিবেচনা কৰা হয়। এনে কিছুমান স্বভাৱৰ অধিকাৰী বুলি গণ্য কৰা হয় যি এই বিশ্বৰ লগত তেওঁলোকৰ সম্পৰ্কক প্ৰভাৱান্বিত কৰে। এই পৰম্পৰাত শিশুক সামাজিক প্ৰাণী আৰু একক সত্তাৰ অধিকাৰী এই দুয়ো ৰূপতে চোৱা হয় যি নিজৰ পছন্দ তথা পাৰিপাৰ্শ্বিক সম্বন্ধৰ দ্বাৰা প্ৰভাৱান্বিত হয়। শিক্ষাই শিশুক কৰ্ম সম্পাদন আৰু ইয়াৰ পৰিণতিৰ বাবে প্ৰস্তুত হোৱাত সহায় কৰিব লাগে। সাংস্কৃতিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে শিক্ষাত ব্যক্তিত্বৰ বিকাশে প্ৰধানতা লাভ কৰে।

বৈদিক যুগৰ পৰাই, আয়ুৰ্বেদৰ প্ৰাচীন ভাৰতীয় প্ৰাকৃতিক চিকিৎসা ব্যৱস্থাই মুঠ আঠটা শাখাৰ এটা শাখা শিশুৰ পৰিচৰ্যাৰ লগত জড়িত সম্পৰ্কীয় আছিল। ই আজিও শিশুৰ যত্নৰ প্ৰাথমিক পদ্ধতিৰ বাবে পথপ্ৰদৰ্শক হৈ আছে। আয়ুৰ্বেদ শাস্ত্ৰত শিশু যত্নৰ জ্ঞান আৰু বোধ দৃষ্টিভঙ্গী সামগ্ৰিক আছিল। ইয়াত জৈৱিক, মানসিক, সামাজিক আৰু সাংস্কৃতিক দৃষ্টিভঙ্গী পাৰস্পৰিকভাৱে সংযুক্ত বুলি ধৰা হৈছিল।

আয়ুৰ্বেদৰ সমসাময়িক চৰ্চাত কাশ্যপ সংহিতাৰ প্ৰথম খণ্ড *কৌমাৰভৃত্যৰ* পৰা শিশুৰোগ, স্ত্ৰীৰোগ আৰু প্ৰসূতি চিকিৎসাৰ পৰামৰ্শ গ্ৰহণ কৰা হয়। এই কাশ্যপ সংহিতা গ্ৰন্থখন খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত ৰচনা কৰা বুলি কোৱা হৈছে। শিশুৰ বিকাশ সম্পৰ্কে আয়ুৰ্বেদ শাস্ত্ৰই বিষদভাৱে ব্যাখ্যা কৰে। উদাহৰণস্বৰূপে—

(ক) যি নিৰ্মল বায়ু, সেউজীয়া আৰু প্ৰচুৰ সূৰ্য্যৰ পোহৰেৰে আবৃত হৈ থকা পৰিৱেশত শিশুৰ সামগ্ৰিক কল্যাণ সাধন হয়।

(খ) ভাচা নামৰ সজীৱতা সৃষ্টিকাৰী একপ্ৰকাৰৰ বনৌষধি, সোৱাদত তিতা, শুকাই ব্যৱহাৰ কৰিলে শিশুৰ স্নায়ুতন্ত্ৰৰ ওপৰত ইতিবাচক প্ৰভাৱ পৰে। সংস্কৃত ভাষাত 'ভাচা' শব্দৰ অৰ্থই স্পষ্টকৈ কোৱা বুজায়। এই বনৌষধি বিধে বুদ্ধি আৰু প্ৰকাশভঙ্গীক উদ্দীপিত কৰে। ভাচা প্ৰতিদিন মৌৰ লগত গ্ৰহণ কৰিলে স্বৰধ্বনি মধুৰ হয় (উদাহৰণস্বৰূপে- স্মৃতি, শব্দ চয়ন, স্বৰৰ মান)।

কাৰ্যতঃ বেদে মাতৃ আৰু শিশু উভয়কে সহজীৱী একক হিচাপে লয় আৰু নিৰ্দ্ধাৰিত বিকাশৰ পদ্ধতি তথা শিশুৰ যত্নৰ লগতে সংস্কাৰ, নিৰ্ধাৰিত আচাৰ-অনুষ্ঠানৰ ওপৰত জোৰ দিয়ে। শিশুৰ বয়সৰ ওপৰত ভিত্তি কৰি এই সংস্কাৰসমূহে শিশুৰ জীৱনচক্ৰৰ প্ৰতিটো পৰ্যায়তে অনুকূল শাৰীৰিক আৰু মানসিক উন্নতিৰ ক্ৰমবিকাশ সাধন কৰে, বিকাশৰ স্পষ্ট নিৰ্ধাৰকসমূহ চিহ্নিত কৰে।

উদাহৰণস্বৰূপে, অন্নপ্ৰসন্ন (সাধাৰণতে জন্মৰ ছয় মাহৰ পিছত শিশুক পোন-প্ৰথমবাৰৰ বাবে খুওৱা কঠিন আহাৰ), আৰু বিদ্যাৰম্ভ বা অক্ষৰাভ্যাস (শিশুক আনুষ্ঠানিকভাৱে বৰ্ণমালাৰ লগত পৰিচয় কৰাই দিয়া) আদি এটি শিশুৰ বিকাশৰ লগত জড়িত সংস্কাৰ যাক জন্মৰ আঠ বছৰৰ ভিতৰত পালন কৰা হয়। শিশুৰ কাৰণে এই সংস্কাৰসমূহৰ অৰ্থ হৈছে জীৱন যাত্ৰাত চাৰি পুৰুষাৰ্থ অৰ্থাৎ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ অনুসৰণত লিপ্ত হ'বলৈ আৰম্ভ কৰা। এনে ধৰণৰ ধাৰণা আৰু প্ৰথা সমগ্ৰ দেশ তথা বৃহৎ সাংস্কৃতিক আঞ্চলিক ক্ষেত্ৰসমূহত ব্যাপ্ত হৈ আছে, উদাহৰণস্বৰূপে, সংগম যুগ তামিলনাডু তথা ইয়াৰ ওচৰে-পাজৰে, নগা আৰু মিজো পৰম্পৰা, আৰু হিমালয়ৰ পাদদেশীয় স্থানীয় পৰম্পৰা ইত্যাদি।

শিশুৰ যত্নৰ এই বহুসাংস্কৃতিক ধাৰা, যিবোৰ পোনতে ঘৰ আৰু পৰিয়ালকেন্দ্ৰীক আছিল আৰু এটা প্ৰজন্মৰ পৰা আনটোলৈ হস্তান্তৰিত হৈছিল। যেনে— পৰম্পৰাগত পুতলাসমূহ, মিত্ৰাক্ষৰিক পদ্য আৰু সাঁথৰসমূহ, শিশুৰ সাধুকথাবোৰ, খেল-ধেমালি আৰু শিশুৰ কাৰণে মালিচবোৰ ভাৰতবৰ্ষত শৈশৱত শিশুৰ যত্নত অবিচ্ছেদ্য অংগ ৰূপে সমৃদ্ধ সংগ্ৰহশালাত প্ৰতিভাসিত হৈ আছে।

শিশুৰ যত্ন আৰু বিকাশৰ ক্ষেত্ৰত আধুনিক বৈজ্ঞানিক চিন্তাধাৰা আৰু জ্ঞানৰ সৈতে সংস্কাৰৰ বিভিন্ন পৰ্যায়সমূহৰ ঘনিষ্ঠ সাদৃশ্য উল্লেখযোগ্য। ইয়াৰ এটা উদাহৰণ হ'ল ছয় মাহত অন্নপ্ৰসন্ন বা মাতৃ দুগ্ধ ত্যাগ, যিটো জীৱনৰ প্ৰথম ছমাহত কেৱল মাতৃদুগ্ধ পান কৰাৰ আধুনিক গুৰুত্বৰ সৈতে সম্পূৰ্ণৰূপে সামঞ্জস্যপূৰ্ণ।

লাটুম, বাঁহীৰ দৰে পৰম্পৰাগত লোক কৃষ্টিভিত্তিক আৰু মাটিৰ পাত্ৰ পূৰ কৰি মৌলিক বৈজ্ঞানিক সিদ্ধান্তসমূহ শিশুসকলৰ আগত 'খেলাৰ মাধ্যমেৰে' প্ৰদৰ্শন কৰা হৈছিল। শিশুৰ স্বভাৱ, ইন্দ্ৰিয় সঞ্চলিকামূলক খেলসমূহক আমি পিয়াজেৰ বিকাশ সম্বন্ধীয় স্তৰৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে বুলি ক'ব পাৰোঁ। সেইদৰে শিশুৱে ভালপোৱা মিত্ৰাক্ষৰিক কবিতাসমূহ, সাঁথৰ আৰু সাধুসমূহে শিশুসকলক এক সমৃদ্ধ ভাষিক পৰিৱেশ প্ৰদান কৰে যদিও এই প্ৰথাসমূহ কিছুমান যৌথ পৰিয়ালত এতিয়াও দেখা যায় তথাপিও পৰিয়ালৰ গাঁথনিক পৰিৱৰ্তন বিশেষকৈ একক পৰিয়ালৰ নতুন ধাৰাৰ পৰিপ্ৰেক্ষিতত এই প্ৰথাসমূহ বিলুপ্ত হ'বলৈ ধৰিছে।

স্থানীয় প্ৰাসঙ্গিকতা আৰু ফলপ্ৰসূতা নিশ্চিত কৰিবলৈ আৰু শতিকা ধৰি প্ৰচলিত ভাৰতবৰ্ষৰ বৈচিত্ৰময় আৰু প্ৰাণৱন্ত প্ৰাক্-শৈশৱকালীন যত্ন আৰু শিক্ষাৰ পৰম্পৰাৰ সমৃদ্ধ ঐতিহ্যক জীৱন্ত কৰি ৰাখিবলৈ, ইয়াক বৰ্তমান প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ শৈক্ষিক ৰূপৰেখা আৰু পাঠ্যক্ৰমত সঠিকভাৱে অন্তৰ্ভুক্ত কৰা হৈছে। ফলত ই অধিক প্ৰাসঙ্গিক, উপভোগ্য, আনন্দদায়ক, স্থানীয় সংস্কৃতি আৰু পৰিচয়যুক্ত তথা সামাজিক চেতনা যুক্ত হৈ উঠিছে। তদুপৰি, শিশুসকলক ডাঙৰ-দীঘল, লালন-পালন আৰু শিক্ষিত কৰাৰ ক্ষেত্ৰত পৰিয়ালৰ পৰম্পৰাগত ভূমিকাও প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ বাবে পাঠ্যক্ৰমৰ ৰূপৰেখাৰ ভিতৰত শক্তিশালীভাৱে অন্তৰ্ভুক্ত আৰু সংহত হ'ব লাগিব।

## 1.2.2 শিশু শিক্ষাৰ প্ৰৱৰ্তন আৰু চিন্তাবিদসকল ঃ

ভাৰতবৰ্ষত শৈক্ষিক চিন্তাধাৰাত বিভিন্নজন বিখ্যাত ব্যক্তিয়ে অৱিহণা যোগাইছে। শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ বেছিভাগৰেই চিন্তাধাৰা তাৎক্ষণিকৰ প্ৰয়োজনীয়তাৰ সীমাৰ বাহিৰত নৈতিক জীৱন-যাপন আৰু ৰাষ্ট্ৰ গঠনৰ প্ৰশ্নলৈ বিস্তাৰিত।

তলত সংক্ষিপ্তভাৱে শিক্ষাৰ কিছুমান মূল দৃষ্টিভংগী আগবঢ়োৱা হৈছে। অৱশ্যে এই ব্যাখ্যা কোনোমতেই সম্পূৰ্ণ নহয়।

**ক. সাবিত্ৰী বাই আৰু জ্যোতিবা ফুলে ঃ**

সাবিত্ৰী বাই আৰু জ্যোতিবা ফুলে প্ৰান্তীয় গোট মাজত সামাজিক ন্যায় প্ৰতিষ্ঠাৰ কাম দায়বদ্ধতাৰে কৰিছিল। যি সময়ত ছোৱালী আৰু দুৰ্বল সম্প্ৰদায়ৰ শিক্ষাত গুৰুত্ব দিয়া হোৱা নাছিল, সেই সময়ত তেওঁলোকে ছোৱালী আৰু দুৰ্বল সম্প্ৰদায়ৰ কাৰণে বিদ্যালয় স্থাপন কৰিছিল।

জ্যোতিবা ফুলে সকলো শিশু, বিশেষকৈ সুবিধাৰ পৰা বঞ্চিত শিশুসকলৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা পাঠ্যক্ৰমৰ ভিত্তিত প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ আৰু শক্তিশালী কৰাৰ যুক্তি প্ৰদান কৰিছিল। দেশৰ স্ত্ৰী শিক্ষাৰ পথ প্ৰদৰ্শক হিচাপে সাবিত্ৰীবাই ফুলে নিশ্চিত কৰিছিল যে ল'ৰাবোৰৰ গণিত আৰু বিজ্ঞান বিষয়ৰ পৰা লক্ষণীয়ভাৱে পৃথক পাঠ্যক্ৰম ছোৱালীক শিকোৱা হৈছিল, যিটো সৰহভাগ বিদ্যালয়ত ল'ৰাৰ ক্ষেত্ৰটো শিকোৱা হোৱা নাছিল।

তেওঁলোক দুয়োগৰাকীয়ে কৈছিল যে শিক্ষাক সদায় সমাজৰ পৰিৱৰ্তনৰ বাবে বৃহত্তৰ সামাজিক কাৰ্যসূচীৰ প্ৰেক্ষাপটত বিচাৰ কৰা উচিত।

**খ. ৰবীন্দ্ৰনাথ ঠাকুৰ ঃ**

শিক্ষাৰ ক্ষেত্ৰত ৰবীন্দ্ৰনাথ ঠাকুৰে সমন্বয়, ভাৱসাম্য আৰু ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশৰ ওপৰত গুৰুত্ব দিছিল। প্ৰকৃতি আৰু জীৱনৰ পৰা শিকাটোৱেই ৰবীন্দ্ৰনাথৰ শৈক্ষিক দৰ্শনৰ মূল ভিত্তি আছিল। ঠাকুৰৰ মতে, সৃজনশীলতা, স্বাধীনতা, আনন্দ আৰু দেশৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি সজাগতাৰ সৃষ্টি কৰা যিকোনো গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ মূল উদ্দেশ্য হ'ব লাগে। ঠাকুৰৰ শিক্ষা সম্পৰ্কীয় ধাৰণাত প্ৰাকৃতিক পৰিৱেশত গ্ৰহণ কৰা শিক্ষা, ক্ষেত্ৰ ভ্ৰমণ আৰু নৈসৰ্গিক ভ্ৰমণ আৰু প্ৰকাশৰ স্বাধীনতাই প্ৰাক্-শৈশৱকালীন শিক্ষাত জীৱন ধাৰণৰ বিভিন্ন দক্ষতাৰ বিকাশ আৰু খেল-ধেমালিৰ প্ৰাসংগিকতাত গুৰুত্ব প্ৰদান কৰিছিল।

**গ. স্বামী বিবেকানন্দ ঃ**

স্বামী বিবেকানন্দই শৰীৰ, মন আৰু আত্মাৰ সামগ্ৰিক প্ৰস্তুতিৰ ওপৰত গুৰুত্ব দিছিল।

তেওঁ প্ৰশ্ন কৰিছিল— অভিজ্ঞতাভিত্তিক জগতখনেই আমি জানিবলগা সকলোখিনি নেকি? আমাৰ বাস্তৱতাখিনিয়েই সকলো নেকি? মানৱ জীৱনৰ বস্তুগত দিশসমূহৰ উন্নতি সাধনেই আমাৰ বাবে সৰ্বস্ব হ'ব লাগে নেকি?

তেওঁৰ মতে মানৱ অস্তিত্ব আৰু সম্ভাৱনাৰ মূল আত্মা অহংসত্তাত আৰু আত্মজ্ঞানত নিহিত হৈ থাকে। তেওঁৰ আত্মজ্ঞানৰ ওপৰত কেইবাটাও কাৰণত গুৰুত্ব দিছিল। প্ৰথম আমাৰ নিজস্ব আমি যিটো সত্বা হৈছে আমাৰ অস্তিত্বৰ মূলভিত্তি আৰু সেইবাবে আত্মজ্ঞানক অপ্ৰয়োজনীয় বুলি বিবেচনা কৰিব নোৱাৰি। দ্বিতীয়, আত্মা সকলো মানুহৰেই আছে আৰু সেইবাবে বিষয় আৰু বস্তু দুয়োটা বিশ্বজনীন; আৰু তৃতীয়তে যদি অহংসত্তা মানৱ অস্তিত্বৰ সাৰমৰ্ম হৈছে ইয়াৰ জ্ঞানক মানৱৰ পূৰ্ণতা লাভৰ চৰ্ত হিচাপে বিবেচনা কৰিব পৰা যায়।

গতিকে এই গুৰুত্বপূৰ্ণ অন্তৰদৃষ্টিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা শিক্ষাৰ আদৰ্শ হৈছে আমাৰ নিজস্ব সত্বাৰ প্ৰকাশৰ পথ প্ৰশস্ত কৰা, আমাৰ পূৰ্ণতাৰ বীজ ৰোপন কৰা আৰু সভ্যতা আদৰ্শৰ পুণৰ সংজ্ঞাৰ ভেটি প্ৰস্তুত কৰা। সেয়েহে তেওঁ কৈছে যে শিক্ষা হৈছে মানুহৰ মাজত ইতিমধ্যে সুপ্ত হৈ থকা প্ৰকৃত সত্বাৰ পূৰ্ণতাৰ প্ৰকাশ।

**ঘ. মহাত্মা গান্ধী ঃ**

মহাত্মা গান্ধীয়ে শিক্ষাক সামাজিক ব্যৱস্থাত শিপাই থকা অন্যায়, হিংসা আৰু বৈষম্যৰ প্ৰতি ৰাষ্ট্ৰৰ বিবেক জাগ্ৰত কৰা মাধ্যম হিচাপে কল্পনা কৰিছিল। গান্ধীজীয়ে সমাজৰ পৰিৱৰ্তনশীল উদ্দেশ্যৰ পৰিপ্ৰেক্ষিতত শিশুৰ সামাজিকীকৰণৰ বাবে মাতৃভাষা আৰু কৰ্মকে ধৰি তাৎক্ষণিক পৰিৱেশৰ পৰামৰ্শ দিছিল। তেওঁ এনে এখন ভাৰতবৰ্ষৰ কল্পনা কৰিছিল য'ত প্ৰতিজন ব্যক্তিয়ে কৰ্মৰ সহযোগিতাৰ যোগেদি নিজৰ প্ৰতিভা আৰু সম্ভাৱনাক বাস্তৱায়িত কৰি বিশ্বৰ পুনৰ গঠনত অংশগ্ৰহণ কৰিব, যি বিশ্ব বৰ্তমান সমাজ, মানৱতা আৰু প্ৰকৃতিৰ সৈতে অৰ্ন্তদ্বন্দত লিপ্ত। তেওঁ ছয় বছৰৰ তলৰ শিশুৰ কাৰণে এক পাঠ্যক্ৰম প্ৰণয়ন কৰিছিল যাক প্ৰাক্-বুনিয়াদী শিক্ষা বোলা হৈছিল। এই শিক্ষাত হৃদয়, হাত আৰু মস্তিষ্ক এই তিনিটাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদানেৰে শিশুৰ বিকাশ আৰু আগ্ৰহৰ ওপৰত ভিত্তি কৰি ব্যৱস্থা কৰা হৈছিল। গান্ধীৰ শিক্ষাৰ ধাৰণা অনুযায়ী সমাজ শিশু শিক্ষাৰ দায়বদ্ধ হ'ব, হৃদয়-হাত-মগজুৰ বাবে শিক্ষা, দেশীয় অভিজ্ঞতা ভিত্তিক হ'ব আৰু শিক্ষক হিচাপে স্থানীয় সমল ব্যক্তিসকলক নিয়োজিত কৰা হ'ব।

**ঙ. শ্ৰী অৰবিন্দ ঃ**

সমন্বিত শিক্ষাৰ ধাৰণাটো শ্ৰী অৰবিন্দৰ শিক্ষাৰ মূল ভিত্তি আছিল। শিশুৰ বিকাশ কেৱল বৌদ্ধিক দিশতেই সীমাবদ্ধ নহয় ই শাৰীৰিক, জীৱনভিত্তিক, মানসিক, মনোগত আৰু আধ্যাত্মিক দিশৰ লগতো সম্পৰ্কিত। শিক্ষা হৈছে পৰম্পৰাগত আৰু আধুনিক ধাৰণাসমূহৰ সমন্বয়। শিক্ষা বিশ্বজনীন চৰিত্ৰৰ হ'ব লাগে। তেওঁৰ মতে সকলো শিশুৰ মাজত এক শক্তি বিদ্যমান যিটো প্ৰত্যেক শিশুৰ কাৰণে অনন্য। শিক্ষকে শিশুক সম্ভাৱনাসমূহ চিনাক্ত কৰিব লাগে। তেওঁ শিশুসকলক আত্ম অনুসন্ধান আৰু তেওঁলোকৰ প্ৰকৃত ক্ষমতা বাস্তৱায়িত কৰাত সহায় কৰিব লাগে। তেওঁ কৈছে যে শিশুসকলৰ অন্তৰ্নিহিত জ্ঞানক উন্মুক্ত কৰিব নোৱাৰে। তেওঁলোকে কেৱল ইয়াৰ উচ্চ আৰু কেনেকৈ ইয়াক উদঘাটনত বৰ্হিপ্ৰকাশ কৰিব পাৰি তাৰ পথ প্ৰদৰ্শন কৰিব লাগে। কেৱল মুক্ত আৰু আগ্ৰহ ভিত্তিক শিক্ষাইহে শিশুৰ আত্মাক প্ৰতিপালন কৰিব পাৰে।

অৰবিন্দই বিশ্বাস কৰিছিল যে শিশুৰ তাৎক্ষণিক পৰিৱেশ, তেওঁলোকৰ পৰিচিত অভিজ্ঞতা আৰু তেওঁলোকৰ মাতৃভাষা শিক্ষাদান আৰু শিকনৰ ভিত্তি হ'ব লাগে। শিশুৱে লাভ কৰা যিকোনো নতুন জ্ঞান সেই বিষয়ৰ লগত সম্পৰ্কিত প্ৰাংসগিক অভিজ্ঞতাৰ লগত সংযুক্ত হ'ব লাগে। অৰবিন্দৰ মতে বিশ্ব ব্ৰহ্মাণ্ডৰ বিষয়ে জানিবলৈ শিশুসকলে গোটেই পঞ্চ ইন্দ্ৰিয়ৰ উপৰিও ষষ্ঠ ইন্দ্ৰিয় হিচাপে মনক ব্যৱহাৰ কৰে। এই প্ৰক্ৰিয়াসমূহৰ মাজেৰেই শিশুসকলে এক প্ৰকাৰৰ আত্ম চেতনাৰ অনুভূতি গঢ়ি তুলিবলৈ সক্ষম হয়। তেওঁ আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰ গতি নিৰ্ধাৰণ কৰে। কেৱল সৃজনশীল আৰু মুক্ত শিকনৰ পৰিৱেশেহে এই বিকাশ সম্ভৱ কৰি তুলিব পাৰে।

১৯৫০ চনত প্ৰতিষ্ঠা হোৱা শ্ৰী অৰবিন্দ আশ্ৰমৰ বিদ্যালয়খনে 'মুক্ত প্ৰগতি'ৰ নীতিৰ ওপৰত কাম কৰিছিল। স্ব-গতিশীল শিকন আৰু মূল্যায়ন, কামৰ মাজেৰে শিক্ষা লাভৰ ওপৰত অধিক গুৰুত্ব আৰোপ আৰু পাঠ্যপুথিৰ অনুপস্থিতি আদি বিদ্যালয় শিক্ষাৰ বহুতো বৈপ্লৱিক ধাৰণা সম্ভৱতঃ ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে এই বিদ্যালয়ত পৰীক্ষা কৰা হৈছিল।

**চ. জিদ্দু কৃষ্ণমূৰ্ত্তি ঃ**

জিদ্দু কৃষ্ণমূৰ্ত্তিয়ে প্ৰায়ে উল্লেখ কৰিছিল যে শিক্ষাৰ উদ্দেশ্য হৈছে স্বাধীনতা অৰ্জন কৰা, প্ৰেম, ভালপোৱা প্ৰস্ফুটিত কৰা আৰু সমাজৰ সম্পূৰ্ণ ৰূপান্তৰ সাধন কৰা।

স্বাধীনতা তেওঁৰ লিখনি আৰু বক্তৃতাসমূহৰ স্থায়ী প্ৰসঙ্গ আছিল। কৃষ্ণমূৰ্ত্তিৰ কাৰণে স্বাধীনতা ৰাজনৈতিক নহয়, ই অন্তৰৰ বিষয়। তেওঁৰ মতে মনোজগত আৰু আত্মাৰ গভীৰ স্বাধীনতা, আভ্যন্তৰীণ মুক্তিৰ অনুভৱ শিক্ষাৰ উপায় আৰু উদ্দেশ্য দুয়োটা। শিক্ষা হৈছে পূৰ্ব নিৰ্দ্ধাৰিত সিদ্ধান্ত, পৰম্পৰা হিচাপে আহৰণ কৰা বিশাল সঞ্চিত জ্ঞানৰ পৰা মুক্তি। কৃষ্ণমূৰ্ত্তিয়ে অনুভৱ কৰিছিল যে কেৱল এজন ব্যক্তি বিশেষৰ প্ৰকৃতি আৰু গভীৰ দৃষ্টিভঙ্গী উন্মোচন কৰাই নহয়, শিক্ষা প্ৰতিজন ব্যক্তিৰে জীৱনবৃত্তি আছে যিটো আৱিষ্কাৰ কৰিব লাগে; তেওঁলোকে আচলতে যিটো কৰিবলৈ সঁচাকৈ ভাল পায় তাৰ সন্ধান উলিয়াব লাগে আৰু অনুসৰণ কৰিব লাগে। ইয়াৰ বাহিৰে যিকোনো কাম কৰাটো একেবাৰে বঞ্চনামূলক, বিশেষকৈ যদি এনেধৰণৰ কাৰ্য আৰ্থিক বা পেছাদাৰী সফলতা নতুবা অন্য সামাজিক, সাংস্কৃতিক আকাংক্ষা পুনৰ বাবে কৰা হয়।

কৃষ্ণমূৰ্ত্তিৰ কাৰণে শিক্ষা আছিল সম্পূৰ্ণ ব্যক্তিগৰাকীকে দিয়া শিক্ষা (ব্যক্তিগৰাকীৰ প্ৰত্যেকটো অঙ্গ), সামগ্ৰিকভাৱে ব্যক্তিগৰাকীক দিয়া শিক্ষা (অংশৰ সমষ্টি হিচাপে নহয়) আৰু ব্যক্তিগৰাকীক এটা সমষ্টিৰ মাজত দিয়া শিক্ষা (সমাজ, মানৱতা, প্ৰকৃতিৰ অংশ হিচাপে) য'ৰ পৰা সেই ব্যক্তিগৰাকীক বিছিন্ন কৰাটো অৰ্থপূৰ্ণ নহয়।

**সামৰণিত ঃ** বুনিয়াদী স্তৰৰ কাৰণে প্ৰত্যক্ষভাৱে আৰু পৰোক্ষভাৱে এই সকলোবোৰ ধাৰণাৰ বিশেষত্ব আছে। স্বামী বিবেকানন্দ আৰু শ্ৰী অৰবিন্দই সামগ্ৰিক শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল, ৰবীন্দ্ৰনাথ ঠাকুৰে প্ৰকৃতিৰ ওপৰত, মহাত্মা গান্ধীয়ে হৃদয়, হাত আৰু মগজুৰ সমন্বয়ৰ ওপৰত, জ্যোতিবা আৰু সাবিত্ৰীবায়ে সামাজিক ন্যায়ৰ তাৎপৰ্যৰ ওপৰত, জিদ্দু কৃষ্ণমূৰ্ত্তিৰ স্বাধীনতাৰ ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই সকলোবোৰে কিন্তু সৰু ল'ৰা-ছোৱালীয়ে উপকৃত হ'ব পৰা শিক্ষাৰ বিভিন্ন দিশত গুৰুত্ব প্ৰদান কৰে।

## 1.2.3 ভাৰতবৰ্ষত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ ক্ৰমবিকাশ ঃ

যোৱা কেইবাটাও দশকত প্ৰাক-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ যথেষ্ট বিকাশ হৈছে। ভাৰতবৰ্ষত প্ৰাক-শৈশৱৰ বিশেষ সাংস্কৃতিক আৰু সামাজিক গুৰুত্ব থকাৰ বিপৰীতে বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষা নীতিত প্ৰাক্-শৈশৱে অধিক গুৰুত্ব লাভ কৰিছে।

পৰম্পৰাগতভাৱে, প্ৰাথমিক শিক্ষা পৰিয়ালকেন্দ্ৰীক আছিল আৰু ইয়াৰ দ্বাৰা শিশুসকলৰ মূল্যবোধ আৰু সামাজিক দক্ষতাৰ শিকনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। আৰ্থ-সামাজিক আৰু জনগাঁথনিক স্থিতিৰ পৰিৱৰ্তনৰ লগে লগে, ভাৰতবৰ্ষত প্ৰাক প্ৰাথমিক শিক্ষাৰ অনানুষ্ঠানিক আৰ্থ-সামাজিক ব্যৱস্থাৰ পৰা অধিক আনুষ্ঠানিক প্ৰতিষ্ঠানভিত্তিক ব্যৱস্থালৈ গতি কৰিছিল।

আধুনিক ভাৰতবৰ্ষৰ প্ৰাক্-শৈশৱকালীন শিক্ষাৰ দুজন প্ৰাৰম্ভিক অগ্ৰণী ব্যক্তি হৈছে গিজুভাই বাঢ়েক আৰু তাৰাবাই মোডক। শিশুৰ শিক্ষা আৰু যত্নৰ ক্ষেত্ৰত শিশুকেন্দ্ৰীক দৃষ্টিকোণৰ পৃষ্ঠপোষকতা কৰা লোকসকলৰ ভিতৰত তেওঁলোক প্ৰথম ভাৰতীয় আছিল। তেওঁলোকে মত পোষন কৰিছিল যে শিশুসকলক শিক্ষা মাতৃভাষাৰ জৰিয়তেই দিব লাগিব। শিশুৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ লগত এই শিক্ষা সংযোজিত হ'ব লাগিব আৰু লগতে সমাজখনো সক্ৰিয়ভাৱে শিকন প্ৰক্ৰিয়াৰ লগত জড়িত হ'ব লাগিব। ভাষা যিহেতু আত্ম-প্ৰকাশৰ প্ৰকৃত বাহন গতিকে শিশুসকলে মাতৃভাষা বা স্থানীয় ভাষাৰ জৰিয়তে মুক্তভাৱে তেওঁলোকৰ চিন্তধাৰা প্ৰকাশৰ সুযোগ লাভ কৰিব লাগে। গিজুভায়ে আৰ্থ-সামাজিক আৰু ভাষাৰ অধ্যয়নৰ বাবে বিশেষকৈ কাহিনীভিত্তিক পাঠ্যক্ৰমৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। শিশু শিক্ষাৰ দিগদৰ্শক মাৰিয়া মণ্টেশ্বৰীৰ মতামতক প্ৰসঙ্গক্ৰমে উল্লেখ কৰি তেওঁ কয় যে 'এখন মহান ৰাষ্ট্ৰ গঠনৰ দিশত প্ৰাক্-শৈশৱকালীন শিক্ষা হৈছে প্ৰথম আৰু প্ৰধান

পদক্ষেপ'। আনহাতে তাৰাবাই মোডকে প্ৰাক শিশুকালীন শিক্ষা ব্যৱস্থাৰ বাবে সম্প্ৰদায় ভিত্তিক আনুষ্ঠানিক কাৰ্যসূচীৰ পোষকতা কৰিছিল।

শিশুৰ প্ৰাৰম্ভিক কালছোৱাৰ শিক্ষাৰ লগত জড়িত চিন্তাবিদ ফ্ৰেডৰিক ফোবেলৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা কিণ্ডাৰগাৰ্টেনৰ আৰ্হিৰ বিদ্যালয় ঊনৈশ শতিকাত ভাৰতত কেইখনমান চহৰত ইংৰাজ মিছনেৰীসকলে স্থাপন কৰিছিল যদিও ভাৰতত প্ৰথম দেশীয় প্ৰাক্-প্ৰাথমিক বিদ্যালয় ১৯১৬ চনত গিজুভাই বাঢ়েকে স্থাপন কৰিছিল। তাৰাবাই মোডকে ১৯২৫ চনত নতুন বালবিকাশ সংঘ (New Childhood Education) স্থাপন কৰিছিল। পৰৱৰ্তী সময়ত তাৰাবাই মোডকে স্থাপন কৰা কোচবাদৰ বিকাশবাদী কেন্দ্ৰটো দেশত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ বিকাশৰ কাৰণে প্ৰেৰণামূলক ব্যৱস্থা এটা হৈ পৰিছিল।

ইয়াৰ পৰৱৰ্তী পৰ্যায়ত মহাত্মা গান্ধীৰ প্ৰাক্-বুনিয়াদী আৰু বুনিয়াদী শিক্ষাৰ উদ্ভাৱনমূলক ধাৰণা আৰু ১৯৩৯ চনত মণ্টেশ্বৰীৰ ভাৰত ভ্ৰমণে ভাৰতত প্ৰাক্-শৈশৱকালীন শিক্ষাৰ ভেটিটো সংগঠিত আৰু অধিক সুদৃঢ় কৰি তুলিছিল।

## 1.2.3.1 স্বাধীন ভাৰতত বুনিয়াদী শিক্ষা ঃ

আমাৰ সংবিধানে বহুকেইটা মৌলিক অধিকাৰ আৰু নিৰ্দেশনা প্ৰদান কৰিছে যিয়ে শিশুৰ বিকাশ আৰু কল্যাণক গুৰুত্ব প্ৰদান কৰে।

১৯৫৩ চনৰ প্ৰাক্-শৈশৱকালীন শিশু শিক্ষা সমিতিয়ে প্ৰাথমিক বিদ্যালয়ৰ ব্যৱস্থাৰ ভিতৰতে প্ৰাক্-প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। কেন্দ্ৰীয় সমাজ কল্যাণ পৰিষদৰ এক আঁচনিৰ অধীনত বহুসংখ্যক সংগঠনে গাঁও অঞ্চলত 'বালৱাদিচ' (Balwadis) স্থাপনৰ পোষকতা কৰিছিল। ইয়াৰ দ্বাৰা শিক্ষা, স্বাস্থ্য, পৰিয়াল আৰু সমাজৰ যত্নক একত্ৰিত কৰা হৈছিল। ১৯৬৩-৬৪ চনত শিশু পৰিচৰ্যা সমিতিয়ে ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত প্ৰাৰম্ভিক কালছোৱাৰ শিক্ষা প্ৰাসঙ্গিক হোৱাটো নিশ্চিত কৰিবলৈ কেইবাটাও পৰামৰ্শ দিছিল।

কোঠাৰী আয়োগে (১৯৬৪) দেশত প্ৰাক্ প্ৰাথমিক বিদ্যালয় স্থাপনৰ পৰামৰ্শ দিছিল। শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি আৰু ৰাষ্ট্ৰীয় শিশু পৰিষদ স্থাপনৰ সৈতে শিশুৰ প্ৰাক প্ৰাথমিক শিক্ষাক বিশেষ গুৰুত্ব দিছিল। ইয়াৰ এটা উল্লেখযোগ্য লক্ষ্য আছিল পৰৱৰ্তী স্কুলীয়া শিক্ষাত সুদৃঢ় ভেটি প্ৰস্তুত কৰা।

## 1.2.3.2 সংহত শিশু বিকাশ আঁচনি ঃ

১৯৭৫ চনত পৰীক্ষামূলকভাৱে ভাৰতৰ ৩৩ টা খণ্ডত সংহত শিশু বিকাশ আঁচনি (ICDS)ৰ শুভাৰম্ভ কৰা হৈছিল। এই কাৰ্যসূচীয়ে শিশুক ৰাষ্ট্ৰীয় সম্পদ হিচাপে বিবেচনা কৰিছিল আৰু শিশুৰ লগত জড়িত কাৰ্যসূচীসমূহ কল্যাণভিত্তিক সেৱাৰ পৰা বিকাশভিত্তিক সেৱালৈ পৰিৱৰ্তন কৰিছিল।

বিশ্বত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ সেৱাসমূহৰ ভিতৰত সংহত শিশু বিকাশ আঁচনি এক বৃহৎ আৰু ব্যাপক কাৰ্যসূচী। সংহত শিশু বিকাশ আঁচনিৰ অধীনত অঙ্গনবাড়ীয়ে গোটেই দেশৰ একেবাৰে দুৰ্গম অঞ্চলসমূহত মাতৃ, কিশোৰ-কিশোৰী আৰু ছয় বছৰৰ তলৰ শিশুৰ কাৰণে স্বাস্থ্য, শিক্ষা আৰু পুষ্টিৰ কাৰণে সেৱা আগবঢ়াই আহিছে। সংহত শিশু বিকাশ আঁচনিৰ অধীনত আগবঢ়োৱা ৬টা সেৱা হৈছে— পৰিপূৰক পুষ্টি, প্ৰাক্ প্ৰাথমিক শিক্ষা, পুষ্টি আৰু স্বাস্থ্য শিক্ষা, টিকাকৰণ, স্বাস্থ্য পৰীক্ষা আৰু পৰামৰ্শ সেৱা।

১৯৮৬ চনত শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিয়ে প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাক মানৱ সম্পদ উন্নয়নৰ কাৰণে তাৎপৰ্য্যপূৰ্ণ বুলি গণ্য কৰিছিল। এই ক্ষেত্ৰত কোৱা হৈছিল যে ই কৰ্মৰত মহিলাসকলৰ কাৰণে সহায় কৰাৰ লগত প্ৰাক প্ৰাথমিক শিক্ষাৰ বাবে প্ৰতিপালক হিচাপে কাম কৰিব। সামগ্ৰিক আৰু খেল-ধেমালি আধাৰিত

শিকনত গুৰুত্ব প্ৰদান আৰু অধিক আৰ্থিক অনুদানৰ ব্যৱস্থা কৰি এই নীতিয়ে শিশুৰ প্ৰাৰম্ভিক শিক্ষাৰ ক্ষেত্ৰত বিকাশ তৰান্বিত কৰিছিল। এই কাৰ্যসূচীসমূহৰ প্ৰসাৰ আৰু ফলপ্ৰসূতা বৃদ্ধি কৰিবলৈ বিভিন্ন কৰ্মী, ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT) আৰু, ৰাষ্ট্ৰীয় জন-সহযোগিতা প্ৰতিষ্ঠান আৰু শিশু বিকাশ (NIPCCD) আদিৰ দৰে চৰকাৰী সংস্থালৈ প্ৰয়োজনীয় সাহাৰ্য আৰু প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি গোটেই দেশতে বিভিন্নধৰণৰ গৱেষণা প্ৰকল্প আৰম্ভ কৰা হৈছিল। শিক্ষকসকললৈ সেৱা কালত আৰু সেৱাৰ পূৰ্বে প্ৰশিক্ষণ প্ৰদান কৰিবলৈ ৰাষ্ট্ৰীয় জন-সহযোগিতা প্ৰতিষ্ঠান আৰু শিশু বিকাশ আৰু ৰাষ্ট্ৰীয় শিক্ষক প্ৰশিক্ষণ পৰিষদে সাহাৰ্যৰ ব্যৱস্থা কৰিছিল।

এই প্ৰচেষ্টাসমূহে প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট উন্নতি সাধন কৰিছে কিন্তু এই নীতি আৰু কাৰ্যসূচীসমূহৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা লক্ষ্য আৰু মানদণ্ডসমূহৰ বাস্তৱায়িত কৰিবলৈ নিৰ্ধাৰিত সেৱাসমূহৰ ৰূপায়ণ আৰু তত্বাৱধানৰ বাবে ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহ যথোপযুক্ত হোৱা দেখা নাযায়।

## 1.2.3.3 শেষৰ দুটা দশক ঃ

২০০৬ চনত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়ৰ কামৰ আওতালৈ আহিছিল। মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়ৰ অধীনত ৰাষ্ট্ৰীয় প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শৈক্ষিক নীতি (২০১৩) প্ৰণয়ন কৰা হৈছিল। ইয়াক প্ৰাৰম্ভিক বছৰকেইটাত কেৱল শিশুৰ কাৰণে প্ৰস্তুত কৰা প্ৰথম নীতি হিচাপে বিবেচনা কৰিব পৰা যায়। এই নীতিৰ দৃষ্টিভঙ্গী আছিল ৬ বছৰৰ তলৰ সকলো শিশুৰ অনুকূল বিকাশ আৰু সক্ৰিয় শিকনৰ অন্তৰ্ভুক্তিমূলক, ক্ষমতাভিত্তিক ব্যাপক আৰু প্ৰসঙ্গভিত্তিক সুযোগক প্ৰসাৰিত কৰা। ইয়াৰ পিছত ২০১৪ চনত মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়ৰ দ্বাৰা ৰাষ্ট্ৰীয় প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা পাঠ্যক্ৰমৰ ৰূপৰেখা তৈয়াৰ হৈছিল যিয়ে শিশুৰ প্ৰথম কেইবছৰত শিক্ষাৰ উন্নতিৰ বাবে উল্লেখযোগ্য প্ৰতিশ্ৰুতি নিশ্চিত কৰিছিল। ই পৰৱৰ্তী সময়ত শিশুক শিক্ষা, গুনগত যত্ন আৰু সাৰ্বজনীন প্ৰৱেশ উপলব্ধ কৰাত ৰাষ্ট্ৰৰ প্ৰতিশ্ৰুতিক অধিক শক্তিশালী কৰি তুলিছে।

২০১৯ চনত ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে তিনিবছৰীয়া প্ৰাক প্ৰাথমিক শিক্ষাৰ বাবে নিৰ্দেশাৱলীৰ সৈতে প্ৰাক্ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰিছিল।

সাম্প্ৰতিক ৰূপান্তৰকাৰী ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ হৈছে একেবাৰে শেহতীয়া যিয়ে ২০২৫ চনৰ ভিতৰত ৩ বছৰৰ পৰা ৮ বছৰৰ প্ৰত্যেকজন শিশুকে মুক্ত, নিৰাপদ, উচ্চমানসম্পন্ন, বিকাশৰ বাবে উপযুক্ত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ সুবিধা প্ৰদানৰ এক স্পষ্ট লক্ষ্য নিৰ্ধাৰণ কৰিছে।

## 1.2.4 সাম্প্ৰতিক স্থিতি ঃ

### ক. সম্ভাৱনাপূৰ্ণ, তথাপি অপূৰ্ণ ঃ

চলিত সময়ত ভাৰতত এক শিক্ষা সংকটৰ সৃষ্টি হৈছিল। য'ত এফালে প্ৰাথমিক বিদ্যালয়ত শিশুসকলৰ নামভৰ্ত্তি বৃদ্ধি কৰা হৈছে আনফালে বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাৰ ধাৰণাৰ দৰে মৌলিক দক্ষতা লাভ কৰাত ব্যৰ্থ হৈছে। এই সংকটৰ এটা মূখ্য উৎস ১ম শ্ৰেণীত ভৰ্ত্তি হোৱাৰ বহু পূৰ্বেই সৃষ্টি হোৱা যেন লাগে। ৬ বছৰতকৈ বেছি বয়সৰ অধিক শিশুৱেই প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ অতি সীমিত অভিজ্ঞতাৰে ১ম শ্ৰেণীত প্ৰৱেশ কৰে। তদুপৰি আৰু অধিক শিশুৱে উপযুক্ত প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ অভাৱত ৬ বছৰ বয়সৰ আগতেই ১ম শ্ৰেণীত নামভৰ্ত্তি কৰে। এই শিশুসকল প্ৰায়ে বিদ্যালয়ৰ প্ৰথম কেইবছৰত আৰু তাৰ পৰৱৰ্তী শ্ৰেণীবোৰটো পিছ পৰি থাকে।

এই সুবিধা সন্মুখীন হোৱা ল'ৰা-ছোৱালীবোৰ বিশেষকৈ সুবিধাজনক আৰু বঞ্চিত গোটসমূহৰ মাজত বিশেষভাৱে পৰিলক্ষিত হয়। ইয়াৰ কাৰণৰ মূলতে অধিক সুবিধা থকা পৰিয়ালৰ শিশুৰ উন্নত পুষ্টি, স্বাস্থ্যসেৱা আৰু নিশ্চিতভাৱে প্ৰাক্- শৈশৱকালীন শিক্ষাত প্ৰৱেশ কৰাৰ সুযোগৰ লগতে আদৰ্শ ব্যক্তি, ছপা সামগ্ৰী আৰু সজাগতা, বিদ্যালয়ৰ ভাষাত ভাষিক দক্ষতা আৰু ঘৰত শিকনৰ উন্নত পৰিৱেশ থাকে। সাৰ্বজনীন মানদণ্ডৰ প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা প্ৰদান কৰিলে শিশুসকলক ওপৰোক্ত ধৰণৰ প্ৰৱেশৰ লগতে উন্নত মানসম্পন্ন গৃহ পৰিৱেশত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ পৰা উদ্ভূত অন্য সুবিধাসমূহো প্ৰদান কৰাৰ সম্ভাৱনা থাকে।

**খ. ভিন্নমুখী আনুষ্ঠানিক ব্যৱস্থা ঃ**

বৰ্তমান সময়ত প্ৰাক্ শৈশৱকালীন শিক্ষা অঙ্গনৱাড়ী নতুবা ব্যক্তিগত প্ৰাক-প্ৰাথমিক বিদ্যালয়ৰ ৰূপত প্ৰদান কৰা হয়; লগতে কিছু সংখ্যক বেচৰকাৰী সংস্থাসমূহ আৰু অন্য অনুষ্ঠানসমূহে পৰিচালিত কৰে যদিও এই সংখ্যা অতি নগণ্য। এই ক্ষেত্ৰত সামগ্ৰিক শিশু বিকাশ আঁচনিৰ তত্বাৱধানত বিশেষভাৱে মাতৃ আৰু নাৱালক শিশুৰ স্বাস্থ্যৰ যত্নৰ ক্ষেত্ৰত প্ৰাক্-প্ৰাথমিক শিক্ষাৰ অঙ্গনৱাড়ী অনুষ্ঠানটোৱে ভাৰতবৰ্ষৰ বহু অংশত অধিক সফলতাৰে কাম কৰি আছে। অঙ্গনৱাড়ীয়ে সঁচাকৈয়ে অভিভাৱকসকলক সাহাৰ্য কৰাৰ লগতে সমাজ গঠন প্ৰক্ৰিয়াটো সহায় আগবঢ়াইছে; তেওঁলোক গুৰুত্বপূৰ্ণ পুষ্টি আৰু স্বাস্থ্য সজাগতা, টিকাকৰণ, প্ৰাথমিক স্বাস্থ্য পৰীক্ষা আৰু স্থানীয় জন-স্বাস্থ্য ব্যৱস্থাৰ লগত যোগাযোগ স্থাপন আদি কামৰ লগত জড়িত, ফলত তেওঁলোকে শিশুৰ সুস্থ বিকাশৰ আৰু উৎপাদনশীল জীৱনৰ ভেটি স্থাপনত গুৰুত্বপূৰ্ণ অৰিহণা যোগায় আহিছে।

তৎসত্তেও কিছু প্ৰয়োজনীয় বৌদ্ধিক উদ্দীপনা, খেল-ধেমালি, দিবা-পৰিচৰ্যা প্ৰদান কৰাৰ বিপৰীতে বেছিভাগ অঙ্গনৱাড়ী অনুষ্ঠান প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ শৈক্ষিক উদ্দেশ্যসমূহৰ ক্ষেত্ৰত অপেক্ষাকৃতভাৱে অবহেলিত হৈয়ে আছে। শিক্ষাৰ বাবে প্ৰয়োজনীয় যোগান আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত বৰ্তমান অঙ্গনৱাড়ীবিলাকৰ যথেষ্ট অভাৱৰ সন্মুখীন হৈ আহিছে। ফলস্বৰূপে তেওঁলোকৰ ২ৰ পৰা ৪ বছৰৰ অধিকসংখ্যক শিশু আৰু ৪ৰ পৰা ৬ বছৰ বয়স পৰিসৰৰ কমসংখ্যক শৈক্ষিকভাৱে দুৰ্বল শিশুক সামৰি লয়। এই অঙ্গনৱাড়ীসমূহত প্ৰাক-প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰশিক্ষিত বা বিশেষভাৱে নিয়োজিত শিক্ষক কমেইহে আছে।

i. ১১.৭ লাখ চৰকাৰী আৰু চৰকাৰী সাহাৰ্যপ্ৰাপ্ত বিদ্যালয়ৰ ৯.৩ লাখৰ প্ৰাথমিক শাখা আছে আৰু ১.৯ লাখ বিদ্যালয়ৰ প্ৰাক্-প্ৰাথমিক শাখা আছে। ২.৭ লাখ বিদ্যালয়ৰ লগত সংযুক্ত অঙ্গনৱাড়ী শাখা আছে।[১]

ii. বিদ্যালয়ৰ লগতে একেলগে থকা অঙ্গনৱাড়ীসমূহৰ ক্ষেত্ৰত ৪ বছৰৰ পৰা ৬ বছৰৰ শিশুবিলাকৰ শিক্ষাক প্ৰাক-প্ৰাথমিক শাখা বুলি বিবেচনা কৰা হয়। এই শাখাত সাধাৰণতে দুবছৰীয়া শিক্ষা অন্তৰ্ভুক্ত।

ব্যক্তিগত খণ্ডৰ প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা অনুষ্ঠানসমূহ (প্লে স্কুল/ বুনিয়াদী বিদ্যালয়)ৰ সঠিক তথ্য উপলব্ধ নহয়। যদিও বাস্তৱিক আৰু পৰ্যৱেক্ষণমূলক সাক্ষ্যই এনে প্ৰতিষ্ঠানসমূহৰ অতি সম্পদযুক্ত অৱস্থাৰ পৰা সম্পদহীন অৱস্থালৈ প্ৰসাৰৰ কথা প্ৰকাশ কৰে। ব্যক্তিগত বিদ্যালয় তথা অন্য প্ৰাক্-প্ৰাথমিক বিদ্যালয়সমূহে নিম্নগামী সম্প্ৰসাৰকৰ কাম কৰিছে। যদিও কিছুমানে বিদ্যালয়ত শিশুৰ কাৰণে উপযুক্ত আন্তঃগাঁথনি আৰু শিকন সমলৰ যোগান ধৰিছে, তথাপি বেছিভাগতেই শিক্ষক-ছাত্ৰৰ অনুপাত উচ্চ আৰু বিকাশৰ দিশৰ পৰা উপযুক্ত খেল-ভিত্তিক আৰু ক্ৰিয়া-কলাপ-নিৰ্ভৰ শিকনৰ অভাৱ দেখা যায়। ইয়াক আনুষ্ঠানিক আৰু মুখস্ত বিদ্যাৰ ওপৰত প্ৰাথমিকভাৱে গুৰুত্ব প্ৰদান কৰিছে। এই

বিদ্যালয়সমূহৰ বেছিভাগ শিশু প্ৰাক্-শৈশৱকালীন শিক্ষাৰ ক্ষেত্ৰত অপ্ৰশিক্ষিত। সাধাৰণতে স্বাস্থ্য আৰু পুষ্টিৰ ক্ষেত্ৰত তেওঁলোকৰ অতি সীমিত জ্ঞান থাকে। সাধাৰণতে ৪ বছৰৰ তলৰ শিশুৰ ক্ষেত্ৰত তেওঁলোকে বিশেষ সেৱাৰ ব্যৱস্থা নকৰে।

গতিকে ভাৰতত চৰকাৰী নতুবা ব্যক্তিগত খণ্ডৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা সমাপ্ত কৰা এক নিৰ্দিষ্টসংখ্যক শিশুৰেই বিদ্যালয়ত প্ৰৱেশ কৰাৰ সময়ত প্ৰয়োজনীয় বিদ্যালয় প্ৰস্তুতিৰ দক্ষতা নাথাকে। এনেধৰণৰ প্ৰৱেশৰ সমস্যাসমূহৰ উপৰিও অতিৰিক্তভাৱে বিকাশৰ দিশৰ পৰা অনুপযুক্ত পাঠ্যক্ৰম, যোগ্য আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ আৰু অনুপযুক্ত শিক্ষাশৈলী আদিৰ দৰে গুণগত মান সম্পৰ্কিয় সমস্যাসমূহো, বৰ্তমানৰ প্ৰাৰম্ভিক শিকন কাৰ্যসূচীৰ বাবে ডাঙৰ প্ৰত্যাহ্বান।

৬ বছৰৰ পৰা ৮ বছৰলৈ শিশুসকলে বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰে। এই যুগৰ প্ৰত্যাহ্বানসমূহ যেনে— শিক্ষণশৈলী, পাঠ্যক্ৰম, প্ৰণালীবদ্ধতা আৰু অনেক শৈক্ষিক প্ৰত্যাহ্বান ভাৰতৰ শিক্ষা ব্যৱস্থাই সন্মুখীন হৈ আহিছে। নতুন শিক্ষা নীতি ২০২০ত এই বিষয়সমূহ পোনপটীয়াকৈ বৰ্ণনা কৰা হৈছে।

**গ. বিধিবহিৰ্ভূত ব্যক্তিগত প্ৰাক্-প্ৰাথমিক বিদ্যালয় ঃ**

ৰাষ্ট্ৰীয় প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা নীতি (২০১৩)ত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে 'শিশুৰ বাবে উপলব্ধ প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ মান উন্নত কৰিবলৈ এই শিক্ষাত প্ৰয়োজনীয় মৌলিক গুণগত মানদণ্ড সুবিধাৰিতভাৱে স্থিৰ কৰা হ'ব। ৰাজহুৱা, ব্যক্তিগত, অনা-চৰকাৰী সকলো প্ৰাক্-শৈশৱকালীন সেৱা প্ৰদানকাৰী ক্ষেত্ৰত ইয়াক বলবৎ কৰা হ'ব। ইয়াৰ দ্বাৰা এইটো পৰামৰ্শ দিয়া হৈছে যে ২০১৬ চনৰ ভিতৰত ৰাষ্ট্ৰীয় প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা পৰিষদৰ দ্বাৰা প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ লগতে ই সেৱা প্ৰদানকাৰী সকলো সংস্থাৰ কাৰণে এক নিয়ন্ত্ৰণ ৰূপৰেখাও তৈয়াৰ কৰা হ'ব। [২]

অৱশ্যে, ব্যক্তিগত প্ৰাক-প্ৰাথমিক বিদ্যালয়ৰ অধিক সংখ্যক এতিয়াও বিধিবহিৰ্ভূত আৰু অনিয়ন্ত্ৰিত হৈ আছে। এই বিদ্যালয়সমূহৰ অধিক সংখ্যকৰে গুণগত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাত বিনিয়োগ কৰাৰ মনোবৃত্তি নতুবা সামৰ্থ নাই। সঁচা অৰ্থত, তেওঁলোকে শিশুসকলক কেইঘণ্টামানৰ কাৰণে ৰখাৰ এক সুৰক্ষিত ঠাই হিচাপে কাম কৰে।

**ঘ. প্ৰৱেশ আৰু নামভৰ্ত্তি ঃ**

সামগ্ৰিক শিশু বিকাশ আঁচনি (এইখন বিশ্বৰ ভিতৰতে এখন বৃহৎ আঁচনি)ৰ উল্লেখযোগ্য প্ৰসাৰ আৰু অন্যান্য প্ৰাক-প্ৰাথমিক বিদ্যালয় উপলব্ধ হোৱাৰ পাছতো এই স্তৰৰ শিক্ষাই প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। বিশেষভাৱে প্ৰাথমিক বিদ্যালয়ৰ তুলনাত প্ৰাক্-প্ৰাথমিক স্তৰত নিম্নহাৰৰ নামভৰ্ত্তি আৰু উপস্থিতি আদি। এই বিষয়টো ১মান শ্ৰেণীত নামভৰ্ত্তি কৰা ৫ বছৰীয়া শিশুৰ সংখ্যাৰ দ্বাৰা প্ৰমাণিত হোৱা দেখা যায়।

ভাৰতত যোৱা দুটা দশকত প্ৰৱেশ আৰু নামভৰ্ত্তিৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। প্ৰাথমিক বিদ্যালয়ত প্ৰৱেশ আৰু নামভৰ্ত্তি নাটকীয়ভাৱে বৃদ্ধি পোৱাৰ বিপৰীতে প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা কাৰ্যসূচীত এতিয়াও নামভৰ্ত্তি কম হৈয়ে আছে।

i. প্ৰৱেশৰ ক্ষেত্ৰত অতি দুৰ্গম অঞ্চলত স্থাপন কৰা অঙ্গনৱাড়ীক বিবেচনা কৰিও সামগ্ৰিক শিশু বিকাশ আঁচনিৰ সামগ্ৰিক ব্যাপ্তি সন্তোষজনক। ২০২২ চনত অনুমোদন লাভ কৰা ১৩,৯৯,৬৬১ খন অঙ্গনৱাড়ীৰ ভিতৰত ১৩,৯১,০০৪ খন অঙ্গনৱাড়ী কাৰ্যক্ষম হোৱা বুলি তথ্য পোৱা গৈছে।[৩]

ii. কিন্তু, ব্যাপকভাৱে উপলব্ধ হোৱাৰ পাছতো, নামভৰ্ত্তিৰ সংখ্যা কম হৈয়ে আছে। ২০২০-২১ চনত ১ম মান শ্ৰেণীত নামভৰ্ত্তি কৰা ১৯,৩৪৪,১৯৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ, কেৱল ৫০.৯% ৰ হে প্ৰাক্-প্ৰাথমিক শিক্ষাৰ অভিজ্ঞতা আছিল। [৪]

iii. ২০২০-২১ চনৰ প্ৰতিবেদন মতে GER আৰু NER ক্ৰমে ১০৩.৩ আৰু ৯২.৭ ৰ সৈতে প্ৰাথমিক বিদ্যালয়ত নামভৰ্ত্তি উৎকৃষ্ট।[৪]

iv. প্ৰতিবেদন অনুযায়ী ২০১৯-২০ বৰ্ষত প্ৰাথমিক বিদ্যালয়ত উপস্থিতিৰ হাৰ চহৰ অঞ্চলত ৪৪% আৰু গাঁও অঞ্চলত ৩৯%, এনেধৰণৰ প্ৰতিবেদন কৰা হৈছিল।

সামাজিকভাৱে আৰু অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীটো (SEDGs)ৰ শিশুসকলৰ নিম্ন উপস্থিতিৰে সামগ্ৰিকভাৱে, ২ৰ পৰা ৪ বছৰলৈ ৪৪% শিশুৱে প্ৰাথমিক বিদ্যালয়ত যোগদান কৰিছিল।[৫]

v. দেশৰ ২১খন ৰাজ্যত, ৫ বছৰ বয়সত শিশুসকলে ১ম মান শ্ৰেণীত প্ৰৱেশ কৰে।[৬]

**ঙ. মানৱ সম্পদ ঃ**

অঙ্গনৱাড়ীবিলাকৰ কৰ্মচাৰী নিযুক্তি সম্পূৰ্ণ নহলেও, ইয়াৰ মাত্ৰা উচ্চ স্তৰতে আছে। ব্যক্তিগত বিদ্যালয়ৰ ক্ষেত্ৰত তথ্য সম্পূৰ্ণ নহয়। প্ৰাসঙ্গিক আৰু উপযুক্ত শিক্ষক প্ৰশিক্ষণ প্ৰদান কৰা প্ৰতিষ্ঠানসমূহৰ সংখ্যা অতি কম আৰু অপৰ্যাপ্ত।

i. অঙ্গনৱাড়ীত অনুমোদন লাভ কৰা পদৰ সংখ্যা ১৩,৯৯,৬৯৬ টা, ইয়াৰে কেৱল ৫ শতাংশহে খালী হৈ আছে। অনুমোদন লাভ কৰা মুঠ অঙ্গনৱাড়ী সহায়ক পদৰ ৭ শতাংশই খালী।[৭]

ii. প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ কাৰণে শিক্ষক প্ৰস্তুত কৰা কাৰ্যসূচীৰ প্ৰস্তাৱ দিয়া শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সংখ্যা অতি কম। ব্যক্তিগত খণ্ড (যিবোৰে দেশৰ ৯২% শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানক সামৰি লৈছে)ত কেৱল ১% শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানেহে প্ৰাক্-প্ৰাথমিক শিক্ষকসকলৰ কাৰণে প্ৰশিক্ষণ কাৰ্য্যসূচী প্ৰদান কৰে। উত্তৰ-পূৱৰ কোনো এখন জিলাতে প্ৰাক্ প্ৰাথমিক বিদ্যালয়ৰ কাৰণে শিক্ষক প্ৰশিক্ষণৰ কাৰ্য্যসূচী নাই।[৮]

**চ. পুষ্টি ঃ**

পৰিপূৰক পুষ্টি প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। যোৱা কিছু বছৰত যদিও ভাৰতে শিশুৰ মূল পুষ্টি সূচকসমূহৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে তথাপি এতিয়াও ই এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হৈয়ে আছে।

i. ভাৰতত, পাঁচ বছৰৰ তলৰ ৩৬% শিশু বাওনা (সেয়া হৈছে, বয়স অনুপাতে অতি চাপৰ)। ই দীৰ্ঘদিনীয়া অপুষ্টিৰ লক্ষণ। ৫ বছৰৰ ১৯% একেবাৰে ক্ষীণ (সেয়া হৈছে, উচ্চতা অনুপাতে অতি ক্ষীণ), যিটো তীব্ৰ অপুষ্টিৰ লক্ষণ, অন্যহাতেদি ৩২% ৫ বছৰৰ তলৰ শিশু কম ওজনৰ।[৫] শিশুৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত ইয়াৰ হ্ৰস্বমাদী আৰু দীৰ্ঘম্যাদী দুয়োটা প্ৰভাৱ পৰিলক্ষিত হয়।

ii. ২০১৫-১৬ চনৰ পৰা চাপৰ আৰু ওজন কম হৈ থকাৰ প্ৰাদুৰ্ভাৱ হ্ৰাস পাইছে। ২০১৫-১৬ চনতকৈ ২০১৯-২০ চনত চাপৰ হোৱাটো ৩৮% নিম্নগামী হৈছে। এই সময়ছোৱাতে ক্ষীণ হোৱাৰ প্ৰাদুৰ্ভাৱ ২০১৫-১৬ চনৰ ২১% পৰা ২০১৯-২০ চনত ১৯% লৈ নিম্নগামী হৈছে। অৱশ্যে, কিছুমান ৰাজ্যত প্ৰায় ৪০% বা তাতকৈও অধিক শিশু বাওনা হোৱাৰ লগতে ৰাজ্য আৰু কেন্দ্ৰ শাসিত অঞ্চলসমূহত ইয়াৰ যথেষ্ট তাৰতম্য দেখা যায়।[৫]

**ছ. শিকনৰ ফলাফল ঃ**

প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাই প্ৰতিষ্ঠানিক পৰিসৰত শৈক্ষিক ফলাফলৰ ওপৰত দিয়া গুৰুত্ব অপৰ্যাপ্ত। ইয়াৰ কুফলসমূহ বিদ্যালয়ৰ পৰৱৰ্তী শিক্ষাবোৰত পৰিলক্ষিত হোৱা দেখা যায়।

i. অঙ্গনৱাড়ীত শৈক্ষিক উপাদানৰ ওপৰত গুৰুত্ব বহুকেইটা কাৰণৰ পৰিপ্ৰেক্ষিতত অপৰ্যাপ্ত হৈ আছে, এই ক্ষেত্ৰত উদাহৰণস্বৰূপে উপলব্ধ সময়, শিক্ষকৰ ক্ষমতা ইত্যাদি উল্লেখ কৰিব পাৰি। পূৰ্ব-অধ্যয়ন, পূৰ্ব-লিখন আৰু পূৰ্ব-সাংখ্যিক ধাৰণাৰ কাৰণে নিৰ্ধাৰিত কাম-কাজ সাধাৰণতে বহুত কম।

ii. অধিকসংখ্যক ছাত্ৰ-ছাত্ৰী বয়স অনুসৰি সঠিক শৈক্ষিক মান প্ৰদৰ্শন কৰিবলৈ অক্ষম; এই দিশটো ল'ৰা-ছোৱালীয়ে প্ৰাথমিক বিদ্যালয়ত অধ্যয়ন কৰি থকাৰ সময়তো পৰিলক্ষিত হয়।[৯]

iii. ৰাষ্ট্ৰীয় প্ৰাপ্তি জৰীপ (NAS) ২০২১য়ে ৩য় মান শ্ৰেণীত শৈক্ষিক মানৰ নিম্নগামী আৰু পৰৱৰ্তী শ্ৰেণীসমূহত শিক্ষা আহৰণৰ অক্ষমতাৰ দিশসমূহ দেখুৱাইছে। উচ্চ প্ৰাথমিক আৰু মাধ্যমিকৰ তুলনাত প্ৰাথমিক শ্ৰেণীত গণিত আৰু ভাষা বিষয়ত গড় নম্বৰ যথেষ্ট হ্ৰাস পাইছে।[৯]

**জ. আগবাঢ়ি যোৱাৰ পথ ঃ**

ৰাষ্ট্ৰীয় প্ৰাপ্তি জৰীপ ২০২০য়ে ভাৰতবৰ্ষত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ প্ৰত্যাহ্বানসমূহ স্পষ্টভাৱে উল্লেখ কৰি কৈছে যে— গুণগত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা শতসহস্ৰ শিশু বিশেষকৈ আৰ্থ-সামাজিকভাৱে পিছপৰা শ্ৰেণীটোৰ শিশুসকলৰ কাৰণে উপলব্ধ নহয়। গতিকে এই প্ৰত্যাহ্বানসমূহৰ সৈতে শক্তিশালী বিনিয়োগ, গুণগত প্ৰাক্-শৈশৱকালীন বিকাশ, যত্ন আৰু শিক্ষাৰ সাৰ্বজনীন ব্যৱস্থা প্ৰদান কৰি যথাসম্ভৱ যিমান সোনকালে পাৰি বিশেষকৈ ২০২৩ চনৰ আগতে এই প্ৰত্যাহ্বানৰ লগত মোকাবিলা কৰিবলৈ স্পষ্ট প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগে।

দেশত প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ বাস্তৱ ছবিক ৰূপান্তৰ কৰিবলৈ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ বহুমুখী দৃষ্টিভঙ্গীৰ ভিতৰত, এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা গুৰুত্বপূৰ্ণ। অন্যহাতে, আন্তঃগাথনি আৰু অন্য বিষয়বোৰত বিনিয়োগৰ বাবে কিছু সময় ল'ব পাৰে যদিও পাঠ্যক্ৰম আৰু শিকনশৈলীমূলক পৰিৱৰ্তন সমান্তৰালভাৱে আৰু দ্ৰুতগতিত গ্ৰহণ কৰিব লাগিব। ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ মূল উদ্দেশ্য হৈছে প্ৰতিষ্ঠানসমূহত অন্য পৰিৱৰ্তনৰ লগত সমান্তৰালভাৱে প্ৰাক-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ অনুশীলনত ৰূপান্তৰ সাধন কৰা।

## 1.2.5 বিশ্বব্যাপী প্ৰাক্-প্ৰাথমিক পৰ্যায়ৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া গঢ় দি তোলা অন্যান্য ধাৰণাসমূহ ঃ

ৰুছ', ফ্ৰ'বেল, ডিউই আৰু মণ্টেশ্বৰী আদি চিন্তাবিদসকল শৈশৱকালীন শিক্ষাৰ অগ্ৰদূত আছিল।

ডিউই-এ দৈনন্দিন অভিজ্ঞতাই প্ৰদান কৰা অপূৰ্ব শিক্ষণৰ সুযোগসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু শিশুৰ নিজস্ব প্ৰবৃত্তি, কাৰ্যকলাপ আৰু আগ্ৰহকেই শিক্ষাৰ আৰম্ভণি হিচাপে বিশ্বাস কৰিছিল। ইয়াৰ নিহিতাৰ্থ এইটোৱে যে শিশুৰ 'ইয়াত আৰু এতিয়া' (Here and Now)ই শিশুটো কি কামত নিয়োজিত হ'ব তাক নিৰ্ধাৰণ কৰে। সেয়েহে, শিক্ষকসকলে শিশুসকলৰ তাৎক্ষণিক সামাজিক পৰিৱেশ আৰু আগ্ৰহৰ বিষয়সমূহ গুৰুত্বপূৰ্ণ আৰম্ভণিৰ বিন্দু হিচাপে বাচি ল'ব লাগে। ফ্ৰ'বেলে বিশ্বাস কৰিছিল যে শিশুসকলক শিক্ষা প্ৰদান

কৰাৰ উপযুক্ত প্ৰণালী হৈছে ক্ৰিয়া আৰু প্ৰত্যক্ষ নিৰীক্ষণ। ইয়াৰ নিহিতাৰ্থ এইটোৱে যে শিশুৰ কাৰণে খেলা-ধূলা আৰু অন্য ক্ৰিয়া-কলাপত জড়িত হ'ব পৰা এজন সজাগ (আৰু জ্ঞানপ্ৰাপ্ত বা অৱগত) শিক্ষক কাৰ্যকৰী পাঠদান আৰু শিক্ষণৰ কাৰণে গুৰুত্বপূৰ্ণ পূৰ্বচৰ্ত।

কিছুদিন আগতে, জ' পিয়াজে, ব্ৰুণাৰ, ভিগ'টস্কি, উৰী বেণফ্ৰেণব্ৰেণাৰ আৰু গাৰ্ডণাৰ আদিৰ দৰে বিকাশমূলক মনোবিজ্ঞানী আৰু শিশু বিকাশৰ লগত জড়িত পণ্ডিতে তেওঁলোকৰ গৱেষণাৰ ওপৰত ভিত্তি কৰি শিশুৰ স্বাভাৱিক শিক্ষণ পদ্ধতি হিচাপে খেলা-ধূলা আৰু ক্ৰিয়া-কলাপ আৰু শিশুটোৱে বসবাস কৰা বহুসাংস্কৃতিক আৰু সামাজিক পৰিৱেশে শিশুৰ বিকাশ আৰু শিক্ষণত পেলোৱা প্ৰভাৱৰ ওপৰত আৰু অধিক গুৰুত্ব প্ৰদান কৰিছে।

শিশুসকলে তেওঁলোকৰ অভিজ্ঞতাসমূহ আয়ত্ব কৰে আৰু তাৰ পিছত নিজৰ বোধৰ অন্তৰ্ভুক্ত কৰে। পিয়াঁজেৰ মতে নতুন তত্বৰ সালসলনি কৰে আৰু ব্যৱহাৰ কৰি শিশুসকলে অৰ্থপূৰ্ণ ধাৰণা আৰু অভিজ্ঞতা লাভ কৰে।

ভিগ'টস্কিয়ে শিশুসকল সাংস্কৃতিক আৰু সামাজিক অভিজ্ঞতাসমূহৰ লগত সক্ৰিয়ভাৱে জড়িত বুলি ভাবে। তেওঁৰ মতে শিশুসকল আৰু অধিক অভিজ্ঞ ব্যক্তিসকলৰ মাজত শিকন আৰু বিকাশৰ প্ৰক্ৰিয়াত সক্ৰিয় ভাৱ-বিনিময় হয়। ইয়াৰ নিহিতাৰ্থ এইটোৱে যে শিক্ষাৰ ক্ষেত্ৰত দলীয় ক্ৰিয়া-কলাপ থকা বহু-স্তৰীয়, বহু-শ্ৰেণীৰ সৰু দলীয় কাম-কাজক শ্ৰেণীকোঠাত উৎসাহিত কৰিব লাগে। ইয়াত অধিক অভিজ্ঞ সহপাঠীসকলে আন শিশুৰ শিকনত সাহাৰ্য কৰাৰ সুযোগ লাভ কৰে।

জেৰ'ম ব্ৰুণাৰে প্ৰস্তাৱ দিছিল যে শিশুৱে তেওঁলোকৰ স্মৃতিশক্তিত তথ্য আৰু জ্ঞানক তিনিটা ভিন্ন কিন্তু পৰস্পৰ সম্পৰ্কিত ধৰণে চিত্ৰণ কৰিব লাগে যথা ক্ৰিয়াভিত্তিক, চিত্ৰভিত্তিক, আৰু ভাষাভিত্তিক/চিহ্নভিত্তিক। তেওঁ বৰ্ণনা কৰিছিল যে 'স্পাইৰেল পাঠ্যক্ৰম'ৰ ধাৰণাৰ জৰিয়তে কেনেকৈ এইটো সম্ভৱ হয় তেওঁ ব্যাখ্যা কৰিছিল। এই ক্ষেত্ৰত জটিল বিষয়সমূহ সৰল ৰূপত শিকাব পাৰি য'ত প্ৰথমে শিশুসকলে বাস্তৱ অভিজ্ঞতাৰ মাজেৰে অধিক শিকিব আৰু তাৰপিছত অধিক জটিল স্তৰলৈ আহি পুনৰাই বিবেচনা কৰিব (সেয়েহে এই স্পাইৰেল উপমা)। সেয়েহে, ক্ৰমান্বয়ে কঠিন হোৱা স্তৰতহে বিষয়বোৰ শিকোৱা হ'ব। ইয়াৰ নিহিত অৰ্থ এইটোৱে যে শ্ৰেণীকোঠাত - বাস্তৱ, চিত্ৰ-ভিত্তিক আৰু ভাষাভিত্তিক বা চিহ্নভিত্তিক বিভিন্নপ্ৰকাৰৰ উপস্থাপনা নিশ্চিতভাৱে ব্যৱহাৰ কৰিব লাগিব। এইটোৱে হৈছে প্ৰথম বছৰৰ পাঠ্যক্ৰমত একেটা বিষয়বস্তু বা বিষয়ক একেটা গোটৰ শিশুৰ বাবে সম্পূৰ্ণ তিনিবছৰীয়া সময়কালত বিভিন্ন অভিজ্ঞতাৰ জৰিয়তে পুণৰাবৃত্তি কৰি থকাৰ ভিত্তি।

এই ধাৰণাসমূহে পাঠ্যক্ৰমৰ বিষয়বস্তু গঠন কৰাৰ লগতে আৰু সংবেদনশীল আৰু ব্যৱহাৰিক কাৰ্যকলাপৰ পথ মুকলি কৰাত সহায় কৰিছিল। ভাৰতীয় চিন্তাবিদসকলেও সৰু ল'ৰা-ছোৱালী সম্পৰ্কিত নিজস্ব পৰ্যৱেক্ষণ আৰু বিভিন্ন প্ৰকাৰৰ শিক্ষাদান আৰু শিক্ষণ সম্পৰ্কীয় সামগ্ৰীৰ লগত জড়িত ক্ৰিয়াৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ প্ৰদৰ্শন কৰিছিল। অন্বেষণ আৰু খেলা-ধূলা, কলা, ছন্দ, মিত্ৰাক্ষৰিক পদ্য আৰু শিশুৰ সক্ৰিয় অংশগ্ৰহণৰ গুৰুত্বৰ এই অন্তৰদৃষ্টিসমূহৰ ফলত এই উপাদানসমূহ শ্ৰেণীকোঠাত অন্তৰ্ভুক্ত কৰা হৈছিল।

# খণ্ড 1.3

# ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ দৃষ্টিভংগী ঃ

এই ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে ভাৰতীয় পৰম্পৰাৰ মাজত সমাহিত হৈ থকা এনে এক শিক্ষা প্ৰক্ৰিয়াৰ কল্পনা কৰে যি ভাৰতবৰ্ষৰ সকলো জনগণকে উচ্চমানৰ শিক্ষা প্ৰদান কৰি বিশ্ব জ্ঞানৰ মহাশক্তি হিচাপে ভাৰতবৰ্ষক গঢ়ি তুলি এক সমতাপূৰ্ণ আৰু প্ৰাণৱন্ত জ্ঞানভিত্তিক সমাজলৈ প্ৰত্যক্ষভাৱে ৰূপান্তৰ কৰাত অৰিহনা যোগাবলৈ সক্ষম হ'ব।

এই নীতিৰ পৰিকল্পনা অনুযায়ী শিক্ষা প্ৰতিষ্ঠানৰ পাঠ্যক্ৰম আৰু শিক্ষণশৈলীৰ দ্বাৰা নিজৰ দেশৰ লগত সম্বন্ধ ৰাখি, পৰিৱৰ্তিত বিশ্বত নিজৰ ভূমিকা আৰু দায়িত্বৰ প্ৰতি সচেতনভাৱে সতৰ্ক হৈ ছাত্ৰ-ছাত্ৰীৰ সাংবিধানিক মূল্য আৰু মৌলিক কৰ্তব্যসমূহৰ প্ৰতি গভীৰ সন্মানৰ ভাৱ বিকশিত কৰি তুলিব লাগিব।

এই নীতিৰ উদ্দেশ্য হৈছে শিক্ষাৰ্থীসকলৰ মনত জাগ্ৰত কৰা। এই গৌৰৱবোধ কেৱল ভাৰতীয় হোৱাৰ গভীৰ গৌৰৱ কল্পনাতেই নহয়, আত্মা, উদ্যম, বুদ্ধি আৰু কৰ্মৰ ক্ষেত্ৰতো প্ৰতিফলিত হ'ব লাগিব। ইয়াৰ লগতে জ্ঞান, দক্ষতা, মূল্য আৰু স্বভাৱৰ বিকাশ কৰা যিয়ে মানৱ অধিকাৰ, বহনক্ষম উন্নয়ন, জীৱন-যাপন আৰু বিশ্বৰ মঙ্গলৰ প্ৰতি দায়বদ্ধতাৰে প্ৰতিশ্ৰুতিৰে এজন প্ৰকৃত সচেতন বিশ্ব নাগৰিকক গঢ় দি তুলিবলৈ সক্ষম হ'ব।

## 1.3.1 ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ সামগ্ৰিক পথ প্ৰদৰ্শক নীতিসমূহ ঃ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত উল্লেখ কৰা হৈছে যে শিক্ষাৰ উদ্দেশ্য হৈছে যুক্তিবাদী চিন্তা আৰু কৰ্মৰ সক্ষমতা, দয়া, সহমৰ্মিতাৰ অধিকাৰী, সাহস আৰু সহনশীলতাৰ মনোভাব, বৈজ্ঞানিক, সৃষ্টিশীল, সুস্থ নৈতিক বন্ধন আৰু মূল্যৰ অধিকাৰীৰ সৈতে প্ৰকৃত মানৱ গঢ়ি তোলা। ইয়াৰ লক্ষ্য হৈছে আমাৰ সংবিধানে কল্পনা কৰাৰ দৰে এখন সমতাপূৰ্ণ, সমাবেশী আৰু বৈচিত্ৰময় সমাজ গঢ়াৰ কাৰণে নিজকে উৎপাদনশীল নাগৰিক সৃষ্টি কৰা।

এখন ভাল শৈক্ষিক প্ৰতিষ্ঠানত প্ৰত্যেকজন ছাত্ৰ বা ছাত্ৰীক আদৰ আৰু যত্ন লোৱা হয়। ইয়াত সুৰক্ষিত আৰু প্ৰেৰণাদায়ক শিক্ষণৰ পৰিৱেশ বিৰাজ কৰে আৰু ব্যাপক পৰিসৰৰ শিক্ষণ অভিজ্ঞতা প্ৰদান কৰা হয়, ইয়াৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীৰ কাৰণে ভাল ভৌতিক আন্তঃগাথনি আৰু উপযুক্ত অনুকূল সম্পদ উপলব্ধ। এই গুণসমূহ নিশ্চিত কৰাটো প্ৰত্যেকখন প্ৰতিষ্ঠানৰে লক্ষ্য হ'ব লাগিব। কিন্তু একে সময়তে প্ৰতিষ্ঠানসমূহৰ মাজত আৰু শিক্ষাৰ সকলো পৰ্যায়তে নিৰৱচ্ছিন্ন সংহতি আৰু সমন্বয়ো থাকিব লাগিব।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ মূল পথ প্ৰদৰ্শনকাৰী নীতিসমূহ হ'ল—

ক. শৈক্ষিক আৰু অনা-শৈক্ষিক দুয়োটা দিশতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰে সামগ্ৰিক বিকাশক উৎসাহিত কৰিবলৈ শিক্ষকৰ লগতে অভিভাৱকসকলক সংবেদনশীল কৰি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰে নিজস্ব সক্ষমতাক স্বীকৃতি দিয়া, চিনাক্ত কৰা আৰু প্ৰতিপালন কৰা।

খ. অগ্ৰাধিকাৰ অনুসৰি ৩য় মান শ্ৰেণীৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীয়ে বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাৰ ধাৰণা লাভ কৰা।

গ. নমনীয়তা, শিকাৰুসকলে যাতে তেওঁলোকৰ সক্ষমতা অনুসৰি শিকনৰ লক্ষ্যপথ, কৰ্মসূচী নিৰ্বাচন কৰিব পাৰে আৰু তাৰ পিছত নিজৰ প্ৰতিভা আৰু আগ্ৰহ অনুসৰি জীৱনৰ গতি নিৰ্ধাৰণ কৰিব পাৰে। তাৰ বাবে অধিক নমনীয়তা অৱলম্বন কৰিব লাগে।

ঘ. শিকনৰ বিভিন্ন ক্ষেত্ৰসমূহৰ মাজত ক্ষতিকাৰক স্তৰ বিন্যাসসমূহ আঁতৰ কৰিবলৈ কলা আৰু বিজ্ঞান, পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত আৰু পাঠ্যক্ৰমৰ বহিৰ্ভূত ইত্যাদি কাৰ্যসূচীসমূহৰ মাজত থকা কঠিন বিভাজনসমূহ দূৰ কৰিব লাগে।

ঙ. সকলো জ্ঞানৰ মাজত ঐক্য আৰু অখণ্ডতা নিশ্চিত কৰি এখন বহুবিষয়ক বিশ্বৰ সৃষ্টিৰ কাৰণে বিজ্ঞান, সমাজ বিজ্ঞান, কলা ইত্যাদি বিষয়ৰ সমন্বয়ৰে বহুবিষয়ক আৰু সামগ্ৰিক শিক্ষাৰ ব্যৱস্থা কৰা।

চ. মুখস্তবিদ্যা আৰু পৰীক্ষাৰ বাবে অধ্যয়নৰ পৰিৱৰ্তে ধাৰণাগত অৰ্থবোধৰ ওপৰত গুৰুত্ব।

ছ. ধাৰণাগত অৰ্থবোধ, সমস্যা সমাধান, সৃজনশীলতা, যুক্তিসংগত সিদ্ধান্ত গ্ৰহণ আৰু উদ্ভাৱনক উৎসাহিত কৰা।

জ. সহানুভূতি, অন্যৰ প্ৰতি সন্মান, পৰিস্কাৰ-পৰিচ্ছন্নতা, সৌজন্যতা, গণতান্ত্ৰিক মনোভাৱ, সেৱাৰ মনোভাৱ, ৰাজহুৱা সম্পত্তিৰ প্ৰতি সন্মান, বৈজ্ঞানিক দৃষ্টিভংগী, স্বাধীনতা, দায়িত্ববোধ, বহুত্ববাদ, সাম্য আৰু ন্যায়ৰ দৰে নৈতিক, মানৱীয় আৰু সাংবিধানিক মূল্য জাগ্ৰত কৰা।

ঝ. শিক্ষণ-শিকনত ভাষাৰ শক্তি আৰু বহুভাষিকতাৰ প্ৰচলন কৰা।

ঞ. যোগাযোগ, সহযোগিতা, সন্মিলিত কাৰ্য আৰু সহনশীলতা আদি জীৱনশৈলীৰ বিকাশ।

ট. সাৰাংশমূলক মূল্যাংকণ যিয়ে 'কোচিং সংস্কৃতি'ক উদগণি দি সাৰাংশমূলক মূল্যালয়নৰ পৰিৱৰ্তে নিয়মীয়া গঠনাত্মক মূল্যাংকণৰ ওপৰত গুৰুত্ব দিয়া।

ঠ. পাঠদান আৰু শিক্ষণত প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰ, ভাষাৰ বাধা আঁতৰোৱা, বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ কাৰণে সুবিধা বৃদ্ধি আৰু শৈক্ষিক পৰিকল্পনা আৰু পৰিচালনাৰ ব্যৱস্থা কৰা।

ড. শিক্ষা এটা যুক্ত বা সমৱৰ্তী তালিকাৰ বিষয় হিচাবে বিবেচনা পাঠ্যক্ৰম, শিক্ষাণশৈলী আৰু নীতিত স্থানীয় বিষয় আৰু বৈচিত্ৰ্যৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা।

ঢ. সকলো ছাত্ৰ-ছাত্ৰীৰ অৰ্ন্তভূক্তিৰ জৰিয়তে শিক্ষা সম্বন্ধীয় সিদ্ধান্তসমূহ ল'ব লাগে যাতে এনে শিক্ষা ব্যৱস্থাৰ দ্বাৰা সকলোৱে বিকশিত হ'ব পাৰে।

ণ. প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ পৰা আৰম্ভ কৰি বিদ্যালয়ৰ আৰু উচ্চ শিক্ষালৈকে শিক্ষাৰ সকলো স্তৰৰ পাঠ্যক্ৰমৰ মাজত সামঞ্জস্য ৰখা।

ত. শিকন প্ৰক্ৰিয়াৰ কেন্দ্ৰ হ'ব শিক্ষকসকল। তেওঁলোকৰ নিয়োগ, অবিৰত পেছামূলক বিকাশ, ইতিবাচক কৰ্ম পৰিৱেশ আৰু সেৱাৰ মনোভাৱৰ প্ৰয়োজন।

থ. প্ৰয়োজনীয় হিচাপ পৰীক্ষণ আৰু ৰাজহুৱা প্ৰকাশৰ জৰিয়তে উদ্ভাৱনীমূলক আৰু ব্যক্তিক্ৰমী ধাৰণাক উৎসাহিত কৰাৰ সময়ত স্বায়ত্বশাসন, সুশাসন আৰু সৰলীকৰণৰ জৰিয়তে শিক্ষা ব্যৱস্থাৰ অখণ্ডতা, স্বচ্ছতা আৰু সম্পদৰ কাৰ্য্যক্ষমতা নিশ্চিত কৰিবলৈ 'লঘু কিন্তু কঠিন' নিয়ন্ত্ৰক ৰূপৰেখা।

দ. মূল চৰ্ত হিচাপে উৎকৃষ্ট শিক্ষা আৰু বিকাশৰ নিশ্চিতকৰণৰ বাবে উৎকৃষ্ট গৱেষণা মূল চৰ্ত হিচাপে বিবেচনা কৰা।

ধ. শৈক্ষিক বিশেষজ্ঞৰ দ্বাৰা নিৰন্তৰ পৰ্যালোচনা আৰু প্ৰগতি আধাৰিত গৱেষণাৰ ধাৰাবাহিক পৰ্যালোচনা।

ন. ভাৰতবৰ্ষৰ গৌৰৱ আৰু ইয়াৰ চহকী, বৈচিত্ৰময়, প্ৰাচীন আৰু আধুনিক সাংস্কৃতিক জ্ঞান প্ৰণালী আৰু পৰম্পৰাক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰা।

প. শিক্ষা হৈছে জন সেৱা; গুণগত শিক্ষাত প্ৰৱেশ কৰিবলৈ প্ৰত্যেক শিশুৰে মৌলিক অধিকাৰ হিচাবে বিবেচনা কৰিব লাগিব।

## 1.3.2 ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাক পথ প্ৰদৰ্শন কৰা ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত যুগান্তকাৰী পৰিৱৰ্তন ঃ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত তিনিটা যুগান্তকাৰী পৰিৱৰ্তন কল্পনা কৰা হৈছে যিয়ে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাক পথ প্ৰদৰ্শন কৰে।

**ক. অধিক বহুবিষয়ক আৰু সামগ্ৰিক শিক্ষালৈ ৰূপান্তৰ ঃ**

i. শিক্ষাৰ লক্ষ্য হৈছে ভাৰতৰ ঐতিহ্যত শিপাই থকা সুস্থ নৈতিক বন্ধনৰ ওপৰত ভিত্তি কৰি সাহস আৰু সৃজনশীল কল্পনা, মমতা আৰু মানৱীয়তা বোধ, স্বাধীন যুক্তিবাদী চিন্তা আৰু কৰ্মত সক্ষম মানুহ গঢ়ি তোলা।

ii. শিশুৰ বৌদ্ধিক, সামাজিক, দৈহিক, নৈতিক আৰু আৱেগিক এই প্ৰতিটো দিশৰ সামগ্ৰিক বিকাশৰ বাবে বিজ্ঞান, সমাজবিজ্ঞান, কলা, ভাষা, খেল, গণিত আৰু বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰমৰ ওপৰত সামগ্ৰিক গুৰুত্ব আৰোপ কৰা।

iii. কলা আৰু বিজ্ঞান শাখাৰ মাজত, সাধাৰণ শিক্ষা আৰু বৃত্তিমূলক শিক্ষা, পাঠ্যক্ৰম আৰু অতিৰিক্ত পাঠ্যক্ৰমৰ মাজত কোনোধৰণৰ কঠিন সীমাৰেখা থাকিব নালাগে।

iv. ছাত্ৰ-ছাত্ৰীসকলক কলা, মানৱ বিজ্ঞান, বিজ্ঞান, খেল আৰু বৃত্তিমূলক বিষয়ত অধ্যয়ন কৰিবলৈ অধিক নিৰ্বাচন ক্ষমতা আৰু নমনীয়তা প্ৰদান কৰিব লাগিব।

v. শিক্ষাত সকলো ছাত্ৰ-ছাত্ৰীয়ে বৈজ্ঞানিক দৃষ্টিভংগী, নান্দনিক ক্ষমতা আৰু শিল্প, মৌখিক আৰু লিখিত যোগাযোগ, নৈতিক যুক্তি, বহনক্ষম জীৱন-যাপন, ভাৰতীয় জ্ঞান প্ৰণালী, ডিজিটেল সাক্ষৰতা আৰু গণনামূলক চিন্তা, দেশসম্বন্ধে জ্ঞান আৰু বিশ্বই মুখামুখি হোৱা গুৰুত্বপূৰ্ণ বিষয়বোৰৰ লগতে প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা লাভ কৰিব লাগিব।

**খ. মুখস্তবিদ্যাৰ পৰিৱৰ্তে আলোচনামূলক আৰু যুক্তিবাদী চিন্তাধাৰালৈ ৰূপান্তৰ ঃ**

i. ছাত্ৰ-ছাত্ৰীয়ে যুক্তিসংগতভাৱে চিন্তা কৰাৰ ক্ষমতা, আলোচনাত অংশগ্ৰহণ, কথা কোৱা, লিখা আৰু একবিংশ শতিকাৰ দক্ষতাসমূহৰ বিকাশসাধন কৰিব লাগিব আৰু লগতে কেনেকৈ শিকিব পাৰি তাক শিকিব লাগিব।

ii. মৌলিক ধাৰণা, গভীৰতা, অভিজ্ঞতাভিত্তিক শিকন, বিশ্লেষণ আৰু চিন্তন, মূল্যবোধ আৰু জীৱনৰ দক্ষতা আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব লাগিব।

iii. আমাৰ স্কুলীয়া শিক্ষা ব্যৱস্থাত মূল্যায়নৰ প্ৰক্ৰিয়াত মুখস্ত কৰাৰ প্ৰক্ৰিয়াৰ পৰিৱৰ্তে অধিক গঠনমূলক, শিকন আৰু বিকাশক তৰান্বিত কৰা আৰু উচ্চমানৰ দক্ষতাৰ মূল্যায়নলৈ স্থানান্তৰ হ'ব লাগিব।

**গ. নতুন পাঠ্যক্ৰম আৰু শিক্ষাশৈলীলৈ ৰূপান্তৰ ঃ**

i. পাঠ্যক্ৰম আৰু শিক্ষাশৈলীৰ পদ্ধতিসমূহ শিশুৰ বিকাশৰ পৰ্যায়ৰ সৈতে সামাঞ্জস্যপূৰ্ণ হ'ব লাগে যাতে তেওঁলোকৰ বিকাশ ভিন্ন পৰ্যায়ত শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি অধিক সংবেদনশীল হ'ব আৰু সেয়েহে ৫+৩+৩+৪ ৰূপৰেখাৰে চাৰিটা পৰ্যায়ত তলত দিয়া ধৰণেৰে পৰিচালিত হ'ব—

1. **বুনিয়াদী স্তৰ ঃ** নমনীয়, বহুস্তৰীয়, খেলভিত্তিক শিকন
2. **প্ৰস্তুতিমূলক স্তৰ ঃ** পঠন, লিখন, কথন, শাৰীৰিক শিক্ষা, কলা, ভাষা, বিজ্ঞান আৰু গণিতৰ ভেটি সুদৃঢ় কৰাৰ কাৰণে শ্ৰেণীকোঠাত আনুষ্ঠানিকভাৱে পাৰস্পৰিক মতবিনিময়ৰ লগতে আৱিস্কাৰ আৰু কাৰ্যভিত্তিক শিক্ষণ।
3. **মধ্য স্তৰ ঃ** প্ৰস্তুতিমূলক স্তৰৰ শিকন আৰু পাঠ্যক্ৰমশৈলীৰ লগতে শিকনৰ বিষয় আৰু আলোচনাৰ বাবে অধিক বিমূৰ্ত্ত ধাৰণাৰ সংযোজন।
4. **মাধ্যমিক স্তৰ ঃ** বিষয়ৰ গভীৰতা, যুক্তিবাদী চিন্তাৰ ওপৰত গুৰুত্ব, জীৱনৰ আকাংক্ষা আৰু নমনীয়তাৰ সুযোগ আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে বিষয় নিৰ্বাচনৰ অধিক সুযোগযুক্ত চাৰিবছৰীয়া বহুবিষয়ক অধ্যয়ন।

## 1.3.3 ৰাষ্ট্ৰীয় শিক্ষা নীতি ঃ ২০২০- প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ লক্ষ্য ঃ

ক. যিমান সোনকালে সম্ভৱ গুণগত প্ৰাক্-শৈশৱকালীন বিকাশ, পৰিচৰ্যা আৰু শিক্ষাৰ সাৰ্বজনীন সুযোগ প্ৰদান কৰা (ৰা.শি.নী২০২০, দফা ১.১)

খ. সকলো শিশুৱে তলৰ ক্ষেত্ৰসমূহত বাঞ্চিত ফলশ্ৰুতি লাভ কৰা—

i. শাৰীৰিক আৰু পেশী সঞ্চালনৰ বিকাশ
ii. বৌদ্ধিক বিকাশ
iii. সামাজিক, আৱেগিক আৰু নৈতিক বিকাশ
iv. সাংস্কৃতিক/কলাত্মক বিকাশ
v. সাক্ষৰতা আৰু সাংখ্যিক ধাৰণা, প্ৰাথমিক ভাষা আৰু যোগাযোগৰ বিকাশ (ৰা.শি.নী ২০২০, দফা ১.২)

গ. ভাষা, সংখ্যা, ৰঙৰ ধাৰণা, আকাৰ, আন্তঃক্ৰীড়া আৰু বহিঃক্ৰীড়া, পাজল আৰু যুক্তিসংগত বিচাৰ, সমস্যা সমাধান, অঙ্কণ আৰু অন্য দৰ্শন কলা, ভাস্কৰ্য, নাটক আৰু পুতলা নাচ আৰু অতিৰিক্তভাৱে সংগীত আৰু অঙ্গসঞ্চালন আদিৰ লগতে অতিৰিক্তভাৱে সামাজিক ক্ষমতা, সংবেদনশীলতা, ভাল ব্যৱহাৰ, সৌজন্যতা, নীতি, ব্যক্তিগত আৰু ৰাজহুৱা পৰিস্কাৰ-পৰিচ্ছন্নতা, সন্মিলিত কৰ্ম আৰু সহযোগিতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা। (ৰা.শি.নী.২০২০ দফা ১.২)

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত উল্লেখিত হৈছে যে ৩ বছৰ বয়সত বুনিয়াদী স্তৰ আৰম্ভ হয় আৰু ৮ বছৰ বয়সত শেষ হয় অৰ্থাৎ বুনিয়াদী বিদ্যালয়ৰ পৰা ২য় মান শ্ৰেণীলৈ ৫ বছৰীয়া বিদ্যালয় শিক্ষা/স্কুলীয়া শিক্ষা। সেয়েহে, শিশুসকলৰ ৬ বছৰ বয়সৰ পৰাই ১ম মান শ্ৰেণী আৰম্ভ হ'ব।

## 1.3.4 ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ ওপৰত আধাৰিত বুনিয়াদী স্তৰৰ পথ নিৰ্দেশক নীতি ঃ

ক. জন্মৰ পৰিস্থিতি আৰু পৃষ্ঠভূমিৰ ওপৰত গুৰুত্ব নিদিয়াকৈ প্ৰত্যেক শিশু শিকনৰ বাবে সক্ষম।

খ. প্ৰত্যেক শিশুৱে তেওঁলোকৰ নিজৰ ঠাইত ভিন্নভাৱে ডাঙৰ-দীঘল হয়, শিকে আৰু বিকাশ লাভ কৰে।

গ. অসাধাৰণ পৰ্যৱেক্ষণ ক্ষমতাৰ অধিকাৰী, অনুকৰণ কৰা আৰু শিশুসকলে প্ৰকৃতিগতভাৱে গৱেষক। তেওঁলোকে নিজস্ব অনুভূতি আৰু ধাৰণাসমূহ বিভিন্ন ৰূপত উপস্থাপন কৰে।

ঘ. শিশুসকল সামাজিক সত্তা, এওঁলোকে পৰ্যৱেক্ষণ, অনুকৰণ আৰু সহযোগিতাৰ জৰিয়তে শিকে। শিশুসকলে বাস্তৱ অভিজ্ঞতা আৰু পৰিৱেশৰ লগত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ যোগেৰে শিকে।

ঙ. শিশুৰ শিকনৰ অভিজ্ঞতা আৰু শিকাৰ প্ৰক্ৰিয়াক নিশ্চয়কৈ স্বীকৃতি প্ৰদান কৰিব লাগে। শিশুসকলক যেতিয়া সন্মান জনোৱা হয়, গুৰুত্ব দিয়া আৰু সম্পূৰ্ণভাৱে শিক্ষণ-শিকন প্ৰক্ৰিয়াত জড়িত কৰা হয় তেতিয়াহে তেওঁলোকৰ শিকন ফলপ্ৰসূ হয়।

চ. শিশুৱে পৰিৱেশত অভিজ্ঞতা আহৰণ, অন্বেষণ আৰু পৰীক্ষা-নিৰীক্ষাৰ অবিৰত সুযোগ যুক্ত শিক্ষণ আৰু বিকাশৰ প্ৰাথমিক উপায় হৈছে শিশুৰ খেলা-ধূলা আৰু ক্ৰিয়াকলাপ।

ছ. শিশুসকলে বিকাশ আৰু সাংস্কৃতিকভাৱে উপযুক্ত সামগ্ৰী, কাৰ্যকলাপ আৰু পৰিৱেশৰ সৈতে জড়িত কৰিব লাগিব আৰু ইয়াৰ দ্বাৰা তেওঁলোকৰ ধাৰণামূলকবোধ আৰু সমস্যা সমাধানৰ ক্ষমতাৰ বিকাশ সাধন কৰিব লাগিব।

জ. শিকনৰ বিষয়বস্তু শিশুৰ অভিজ্ঞতাৰ ভিত্তিত হ'ব লাগে। বিষয়বস্তুৰ নতুনত্ব বা ইয়াৰ প্ৰত্যাহ্বান শিশুৰ চিনাকী অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি হ'ব লাগে।

ঝ. বিষয়বস্তু শিশুৰ বিকাশৰ প্ৰয়োজনীয়তাৰ অনুকূল হ'ব লাগে আৰু লগতে কল্পনা, সাধু কোৱা, কলা, সংগীত আৰু নাটকৰ কাৰণে বিভিন্ন সুযোগ প্ৰদান কৰিব লাগে।

ঞ. লিংগ, জাতি, শ্ৰেণী আৰু অক্ষমতা আদি সমতাক বিষয়বস্তুত গুৰুত্ব প্ৰদান কৰিব লাগে।

ট. শিক্ষকসকলে শিশুসকলৰ শিকনৰ প্ৰক্ৰিয়াত সহজসাধ্যকৰণ আৰু মধ্যস্থতা কৰিব লাগে। সক্ৰিয় অন্বেষণ আৰু মুকলি প্ৰশ্নৰ দ্বাৰা 'স্কেফলদিং'ৰ ব্যৱস্থা কৰিব লাগিব।

ঠ. পৰিয়াল আৰু সম্প্ৰদায় এই প্ৰক্ৰিয়াৰ অংশীদাৰ আৰু একাধিক ধৰণে জড়িত হয়।

ড. শিকনৰ কাৰণে পৰিচৰ্যা কেন্দ্ৰীয় বিষয়। এই বয়সৰ শিশুসকলে স্বাভাৱিকতে চিনাকি প্ৰাপ্তবয়স্কসকলক প্ৰথমে তেওঁলোকৰ যত্ন লোৱা ব্যক্তি হিচাপে গ্ৰহণ কৰে। শিক্ষকসকল শিশুৰ মনোভাৱ আৰু প্ৰয়োজনৰ প্ৰতি সংবেদনশীল আৰু প্ৰতিক্ৰিয়াশীল হ'ব লাগে। শ্ৰেণীকোঠাৰ ক্ৰিয়াকলাপত শিকনৰ আৱেগিক দিশটোৰ ওপৰত গুৰুত্ব দিব লাগে (যেনে— সাধু কোৱা বা কলাৰ মাজেৰে)

বুনিয়াদী স্তৰটো একক পাঠ্যক্ৰম আৰু শিক্ষাশৈলী বিশিষ্ট পৰ্যায় যিটোয়ে ৩ বছৰৰ পৰা ৮ বছৰৰ শিশুৰ বাবে নমনীয়, বহুস্তৰীয়, খেলা-ধূলা আৰু ক্ৰীয়া-নিৰ্ভৰ পাঁচ বছৰীয়া পাঠ্যক্ৰমক সামৰি লয়।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০য়ে এই প্ৰাৰম্ভিক বছৰসমূহক বিকাশ আৰু শিকনৰ কাৰণে গুৰুত্বপূৰ্ণ বুলি ভাৱে।

এই বছৰবোৰত শিক্ষাই মৌলিক ক্ষমতা আৰু দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব দিব লাগিব। এই নীতিসমূহে বৌদ্ধিক, ভাষাতাত্বিক আৰু সামাজিক-আৱেগিক দক্ষতাসমূহ সামৰি লয় যাৰ প্ৰাৰম্ভিক বছৰবোৰে আটাইতকৈ স্পৰ্শকাতৰ সময়ছোৱাক প্ৰতিনিধিত্ব কৰে। শিশুসকলে পৰিপক্ক হোৱাৰ লগে লগে শৈক্ষিক পঠন আৰু লিখন আৰু সংখ্যা শিকাৰ বাবে আধাৰ প্ৰস্তুত কৰাৰ লগতে জীৱনব্যাপ্ত শিকনৰ বাবে এক ভেটি গঢ়ি তোলে।

## 1.3.5 ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল সাম্প্ৰতিক অগ্ৰাধিকাৰসমূহ ঃ

ক. নিপুন ভাৰত (অধিক বোধ আৰু সংখ্যাত্মক জ্ঞানৰ লগতে পঠনত দক্ষতা লাভৰ বাবে ৰাষ্ট্ৰীয় পদক্ষেপ)

২০২১ চনত আৰম্ভ হোৱা নিপুন (অধিক বোধ আৰু সংখ্যাত্মক জ্ঞানৰ লগতে পঠনত দক্ষতা লাভৰ বাবে ৰাষ্ট্ৰীয় পদক্ষেপ) ভাৰত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত উল্লেখ কৰা নিৰ্দেশ অনুসৰি দেশত বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাত্মক জ্ঞান লাভৰ বাবে এক ৰাষ্ট্ৰীয় অভিযান। নিপুন ভাৰতে ২০২৬-২৭ চনৰ ভিতৰত ৩য় মান শ্ৰেণীৰ ভিতৰৰ সকলো শিশুৰ কাৰণে বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাত্মক জ্ঞান লাভ কৰাৰ লক্ষ্য ৰাখিছে।

অতিমাৰীৰ সময়ত বিদ্যালয় বন্ধ হোৱাৰ কাৰণে অধ্যয়নত ক্ষতি হোৱাৰ ফলত বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাত্মক জ্ঞান সাধন কৰাৰ প্ৰত্যাহ্বান আৰু অধিক গভীৰ আৰু ব্যাপক হৈ পৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ ২য় অধ্যায়ত উল্লেখ কৰা লক্ষ্য বাস্তৱায়িত কৰাৰ কাৰণে নিপুন ভাৰতৰ কৌশলগত ৰূপায়ণৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ লগতে প্ৰয়োজনীয় সংগঠনৰ স্পষ্ট নিৰ্দেশ দিছে। এই জৰুৰী বিষয়সমূহৰ ওপৰত এই অভিযানে গুৰুত্ব আৰোপ কৰি উৎকৃষ্টভভাৱে কাম কৰিছে আৰু একেলগে সমগ্ৰ দেশতে এই বিষয়ৰ কাম আৰম্ভ কৰা হৈছে। এই গুৰুত্বপূৰ্ণ কামটোত এই অভিযানে সম্পূৰ্ণ উৎসাহ প্ৰদান কৰিব পাৰিব।

নিপুন ভাৰতৰ কিছুমান উপাদান যিবোৰ চাৰিত্ৰিকভাৱে পাঠ্যক্ৰমৰ সদৃশ (উদাহৰণস্বৰূপে— পাঠ্যক্ৰমৰ লক্ষ্যসমূহ আৰু কৰ্মদক্ষতা) সেই উপাদানসমূহ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত সন্নিৱিষ্ট কৰা হ'ব।

**খ. বিদ্যা প্ৰৱেশ ঃ**

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০য়ে সকলো শিশুৰ বাবে বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাত্মক জ্ঞানৰ লক্ষ্যত উপনীত হোৱাৰ ওপৰত যি দৃঢ় গুৰুত্ব আৰোপ কৰিছে, তাৰ ওপৰত ভিত্তি কৰি বিদ্যা প্ৰৱেশ গঢ় লৈ উঠিছে। যিহেতু আমি এতিয়াও প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাত সাৰ্বজনীন প্ৰৱেশ লাভ কৰিব পৰা নাই, গতিকে এক বৃহৎ অংশৰ ছাত্ৰ-ছাত্ৰী প্ৰতিমধ্যে ১ম মান শ্ৰেণীৰ প্ৰথম কেইসপ্তাহমান পিছ পৰি ৰৈছে বুলি শিক্ষা নীতিয়ে উদ্বেগ প্ৰকাশ কৰিছে। শিকনত এই ব্যৱধান দূৰ কৰাত সহায় কৰিবলৈ অস্থায়ী ব্যৱস্থা হিচাপে তিনিমাহত খেল-ভিত্তিক বিদ্যালয় প্ৰস্তুতিৰ ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ কৰা হৈছে।

প্ৰথম শ্ৰেণীত প্ৰৱেশ লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ কাৰণে ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে বিদ্যা প্ৰৱেশৰ ধাৰণা বিকাশ কৰিছে। এই বিদ্যা প্ৰৱেশ কাৰ্যসূচী তিনিমাহৰ ভিতৰত সম্পাদিত কৰা হ'ব, এটা

দিনৰ চাৰিঘণ্টা সময় বিদ্যালয়ৰ পৰিৱেশৰ সৈতে পৰিচয় কৰি দিয়াৰ বাবে সমৰ্পিত কৰা হ'ব আৰু সু-স্বাস্থ্য বজাই ৰখাৰ অভিজ্ঞতা প্ৰদান কৰা হ'ব। বিদ্যা প্ৰৱেশে নৈতিক মূল্যবোধ আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ শিক্ষণ আৰু ভৌতিক, সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ সৈতে পাৰস্পৰিক ক্ৰিয়া-কলাপকো শিকন সক্ষম লাভটো সহায় কৰিব। এই দিশসমূহৰ উপৰি নিপুণ ভাৰতৰ শিকন ফলাফলৰ সৈতে সংগতি ৰাখি বিদ্যা প্ৰৱেশত গণিত, ভাষা আৰু সাক্ষৰতাৰ ভেটি গঢ়ি তোলাৰ ব্যৱস্থা কৰা হৈছে।

**গ. বালবাটিকা ঃ**

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ত উল্লেখ কৰা হৈছে 'পাঁচ বছৰ বয়সতকৈ কম বয়সৰ প্ৰত্যেকটো শিশুৱেই প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ ক্ষেত্ৰত যোগ্য শিক্ষক থকা 'প্ৰস্তুতিমূলক শ্ৰেণী' বা 'বালবাটিকা' (অৰ্থাৎ প্ৰথম শ্ৰেণীৰ আগতে) লৈ যাব (ৰা.শি.নী. ২০২০ দফা ১.৬)।

বালবাটিকা কাৰ্য্যসূচীক প্ৰথম শ্ৰেণীৰ পূৰ্বে এবছৰীয়া কাৰ্য্যসূচী হিচাপে কল্পনা কৰা হৈছে যাৰ উদ্দেশ্য হৈছে শিশুসকলক জ্ঞানমূলক আৰু ভাষিক দক্ষতাৰ ভেটি প্ৰস্তুত কৰা যিবোৰ পঢ়া, লিখা আৰু খেলা ভিত্তিক পদ্ধতিৰ জৰিয়তে সংখ্যাবোধ বিকাশৰ বাবে পূৰ্বচৰ্ত।

ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে বালবাটিকাকে ধৰি বুনিয়াদী বিদ্যালয়ৰ তিনিবছৰীয়া নিৰ্দেশনা আৰু প্ৰক্ৰিয়া প্ৰস্তুত কৰিছে।

**সামৰণিত ঃ** এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত বুনিয়াদী স্তৰৰ কাৰণে প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ ওপৰত হোৱা বিস্তৃত গৱেষণাৰ ওপৰত ভিত্তি কৰি, ভাৰতবৰ্ষৰ চহকী প্ৰাক-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ সহায় লৈ আৰু ইতিমধ্যে আৰম্ভ হোৱা, যেনে— নিপুণ ভাৰত আৰু বিদ্যা প্ৰৱেশ আদিৰ দৰে শেহতীয়া পদক্ষেপৰ ওপৰত ভিত্তি কৰি ভাৰতীয় শিশুসকলৰ কাৰণে শৈশৱকালীন পৰিচৰ্যা আৰু শিকন পৰিৱেশৰ উৎকৃষ্ট ব্যৱস্থা থকা এক পাঠ্যক্ৰমৰ ৰূপৰেখা তৈয়াৰ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰাটো যিয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ লক্ষ্যসমূহো পূৰণ কৰিব।

## খণ্ড 1.4

# বুনিয়াদী স্তৰত শিশুসকলে কেনেকৈ শিকে ঃ

প্ৰকৃততে শিশুসকল স্বাভাৱিক শিক্ষাৰ্থী। তেওঁলোক সক্ৰিয়, শিকিবলৈ ইচ্ছুক আৰু নতুন বিষয়ৰ প্ৰতি তেওঁলোকে আগ্ৰহেৰে সঁহাৰি দিয়ে। তেওঁলোকৰ জন্মগত কৌতুহল থাকে— তেওঁলোকে আশ্চৰ্য প্ৰকাশ কৰে, প্ৰশ্ন কৰে, অন্বেষণ কৰে আৰু এই বিশ্বৰ অৰ্থ আৱিস্কাৰ কৰিবলৈ যত্ন কৰে। তেওঁলোকৰ কৌতুহলৰ ওপৰত ভিত্তি কৰি তেওঁলোকে আৱিষ্কাৰ কৰে আৰু অধিক শিকে।

শিশুসকলে খেলা-ধূলা, ক্ৰিয়া-কলাপ আৰু কৰ্মৰ মাজেৰে ভালকৈ শিকে। তেওঁলোকে দৌৰিবলৈ, জঁপিয়াবলৈ, চুচৰিবলৈ আৰু ভাৰসাম্যতা বজায় ৰাখিবলৈ ভাল পায়। তেওঁলোকে পুণৰাবৃত্তি কৰি আনন্দ উপভোগ কৰে, ছন্দৰ তালে তালে স্বতঃস্ফূৰ্তভাৱে সহাৰি জনায়, তেওঁলোকে কথা পাতে, তেওঁলোকে প্ৰশ্ন কৰে আৰু যুক্তি দাঙি ধৰে তেওঁলোকক কৰা প্ৰশ্নৰ উত্তৰ দিয়ে। তেওঁলোকে হাতৰ কৌশল, অন্বেষণ আৰু পৰীক্ষা-নিৰীক্ষাৰ সৈতে জড়িত প্ৰত্যক্ষ অভিজ্ঞতাৰ দ্বাৰা শিকে।

সামগ্ৰী, ধাৰণা, চিন্তা আৰু অনুভৱৰ চঞ্চলতাই শিশুৰ সৃজনশীলতা, নমনীয় চিন্তাধাৰা আৰু সমস্যা সমাধানৰ বিকাশৰ ক্ষেত্ৰত সহায় কৰে আৰু সিহঁতৰ একাগ্ৰতা, মনোযোগ আৰু অধ্যাৱসায় বৃদ্ধি কৰে। বাস্তৱ পৃথিৱীৰ পুনৰ্গঠন কৰাই হওক নতুবা কাল্পনিক জগত সৃষ্টি কৰাই হওঁক শিশুসকলে খেলাৰ মাধ্যমেৰে চিন্তা, শব্দভাণ্ডাৰ, কল্পনা, কঠনশৈলী আৰু শ্ৰৱণ দক্ষতাৰ বিকাশ কৰে।

সেয়েহে এই পৰ্যায়ত শিকন হৈছে একপ্ৰকাৰৰ সক্ৰিয় আৰু পাৰস্পৰিক প্ৰক্ৰিয়া য'ত শিশুসকলে অন্যান্য শিশুসকলৰ সৈতে আৰু অধিক অভিজ্ঞ লোকসকলৰ সৈতে পাৰস্পৰিক আদান-প্ৰদানৰ জৰিয়তে আৰু খেলৰ মাজেৰে শিকে। শিশুসকলে সক্ৰিয়ভাৱে সিহঁতৰ সামাজিক আৰু সাংস্কৃতিক অভিজ্ঞতাৰ লগত জড়িত হৈ থাকে আৰু সিহঁতৰ ধাৰণা আৰু অভিজ্ঞতাৰ অৰ্থ বুজিবলৈ সিহঁতে নতুন তথ্য সংযোজিত কৰে বা ব্যৱহাৰ কৰে।

শিশুৰ খেলা-ধূলা আৰু চঞ্চলতাক আনৰ লগত সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে, বাস্তৱ জগতৰ সামগ্ৰীৰ দ্বাৰা লালন-পালন আৰু শক্তিশালী কৰিব পাৰি যিয়ে শিকন, কল্পনা, সৃষ্টিশীলতা, উদ্ভাৱন আৰু সমস্যা সমাধানক বিচিত্ৰ আৰু বিশিষ্টভাৱে বৃদ্ধি কৰিব পাৰি।

এইটো গুৰুত্বপূৰ্ণ যে শিশুসকলৰ চৌপাশৰ লোকৰ সৈতে থকা সম্পৰ্ক এই স্তৰত শিশুৰ শিক্ষাক প্ৰভাৱিত কৰে। এই সম্পৰ্কসমূহে শিশুক সুৰক্ষিত, অধিক আশাবাদী, কৌতুহলী আৰু অভিব্যক্তিশীল হোৱাত সহায় কৰে।

## 1.4.1 খেলা-ধূলাৰ প্ৰয়োজনীয়তা ঃ

খেলা-ধূলা হৈছে শিশুৰ কৰ্ম। খেলা-ধূলা সৰু ল'ৰা-ছোৱালীয়ে স্বাভাৱিকভাৱে কৰিবলৈ ভাল পোৱা আৰু সক্ৰিয়া ভাৱে জড়িত হোৱা কাম। সেয়েহে আমি ক'ব পাৰো যে খেলা-ধূলা আৰু শিকন হৈছে এক দুমুখীয়া পাৰস্পৰিক প্ৰক্ৰিয়া। খেলে শিশুসকলক সক্ৰিয়, আত্ম নিয়োজিত আৰু অন্য প্ৰাপ্তবয়স্ক আৰু শিশুৰ সৈতে সামাজিক যোগাযোগৰ সুযোগ প্ৰদান কৰি শিক্ষণ সক্ষম কৰি তোলে। ইয়াৰ পাছত শিকনৰ বাবে প্ৰয়োজনীয় সকলো চৰ্ত পূৰণ হৈ যায়।

যেতিয়া আমি শিশুসকলক খেলা-ধূলাত নিয়োজিত হোৱা পৰ্যৱেক্ষণ কৰোঁ, তেতিয়া আমি তলত দিয়া কথাবোৰ লক্ষ্য কৰোঁ—

ক. **নিৰ্বাচন ঃ** শিশুসকলে যেতিয়া খেলে (উদাহৰণস্বৰূপে— মই এই সাঁথৰটো সম্পূৰ্ণ কৰিবলৈ ভাল পাম, ব্লকেৰে স্তম্ভটো বনোৱা বা খেলাঘৰত চাহ বনোৱা) তেতিয়া তেওঁলোকে নিজৰ লক্ষ্য নিৰ্বাচন স্থিৰ কৰে। এই নিৰ্বাচনে শিশুসকলক সক্ৰিয় আৰু আত্ম নিয়োজিত হৈ থাকিবলৈ সক্ষম কৰে।



খ. **বিস্ময় ঃ** ই শিশুসকলক চিন্তা কৰিবলৈ আৰু নিজস্ব ধ্যান কেন্দ্ৰীভূত কৰিবলৈ সক্ষম কৰে (উদাহৰণ স্বৰূপে— বেলুনটো ইমান ডাঙৰ হৈ গৈছে, আকাশৰ কিমান ওপৰলৈ চিলাখন গৈছে, ৰুমালখন ক'ত নোহোৱা হৈ গৈছিল, সেইটো যাদু আছিল নেকি?) এই ক্ষেত্ৰত তেওঁলোকে ভাল পোৱা কামবোৰ কৰে।

গ. **আনন্দ ঃ** খেলৰ জৰিয়তে শিশুসকলে আনন্দ আৰু উৎসাহিত হয় আৰু ইয়াৰ দ্বাৰা অৰ্থপূৰ্ণ সামাজিক যোগাযোগ সম্ভৱ হয় আৰু শিকন অব্যাহত ৰখাৰ ইচ্ছা বৃদ্ধি পায়।

এই সক্ৰিয় খেলা-ধূলাৰ প্ৰক্ৰিয়াত শিশুসকলে বিষয় শিকে— পৃথিৱীৰ অৰ্থ বুজিবলৈ শিকে, সমস্যা সমাধান কৰিবলৈ শিকে, নিজৰ বিষয়ে, আনৰ বিষয়ে, ভাষা আৰু গণিত শিকে।

সেইকাৰণে খেলা-ধূলা শিশুৰ শিকন আৰু বিকাশৰ কাৰণে মুখ্য মাধ্যম। শ্ৰেণীকোঠাত খেলা ভিত্তিক শিক্ষণে শিশুসকলৰ বাবে কেইবাটাও সুযোগ প্ৰদান কৰে, বিকাশৰ সকলো ক্ষেত্ৰ, সকলো পাঠ্যক্ৰমৰ লক্ষ্যক সক্ৰিয়ভাৱে পূৰণ কৰে। পছন্দ, বিস্ময় আৰু আনন্দ শিশুৰ খেলৰ মূল আৰু আমাৰ শ্ৰেণীকোঠাসমূহ এই তিনিটা দিশক কেন্দ্ৰ কৰি সংগঠিত হোৱাটো বাঞ্ছনীয়।

খেলি থকাৰ সময়ত শিশুসকল সক্ৰিয় ঃ সিহঁতে যেতিয়া পৃথিৱীখনৰ অৰ্থ উলিয়াবলৈ চেষ্টা কৰে, তেতিয়া সুসংগঠিত হয়, পৰিকল্পনা কৰে, কল্পনা কৰে, হাতৰ কৌশল নিপুণতাৰে ব্যৱহাৰ কৰে, বুজা-পৰা, সন্ধি, অন্বেষণ, অনুসন্ধান আৰু সৃষ্টি কৰে।

- এটা পৰিকল্পনা কৰক আৰু তাক অনুসৰণ কৰিব লাগে— মই মোৰ ঘৰ আৰু পৰিয়ালটোক অঙ্কণ কৰিব বিচাৰোঁ; এইটো দেখিবলৈ কেনেকুৱা হ'ব; আৰু কাক কাক এই ছবিখনত অন্তৰ্ভুক্ত কৰিব লাগিব?
- কল্পনা আৰু সমস্যা সমাধানৰ দক্ষতা ব্যৱহাৰ কৰি পৰীক্ষণ আৰু ভুলৰ পৰা শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। মোৰ স্তম্ভটো ভাঙি থাকিল, মই ইয়াৰ ভেটিত আৰু অধিক ব্লক দিব লাগিব নেকি?
- বাস্তৱ জীৱনত সংখ্যা, বিজ্ঞান আৰু গতিৰ ধাৰণা প্ৰয়োগৰ ব্যৱস্থা কৰিব লাগে— মই এই বালিত এটা সুৰঙ্গ খান্দিব বিচাৰোঁ, হয়তো মই বালিখিনি তিতাব লাগিব নেকি?
- যুক্তিসংগত, বিশ্লেষণাত্মক বিচাৰ— ছবিৰ পাজল সমাধান কৰাৰ সময়ত, দাঁতি কাষৰীয়া টুকুৰাৰ পৰা আৰম্ভ কৰিলে ভাল হ'ব পাৰে নেকি?
- বন্ধুবৰ্গৰ লগত যোগাযোগ, তেওঁলোকৰ লগত মতবিনিময় আৰু দৃষ্টিভংগীৰ ফালৰ পৰা থকা ভিন্নতা আলোচনা কৰিব লাগে। এতিয়া মই ডাক্তৰৰ অভিনয় কৰিব বিচাৰো; অন্য সময়ত তুমি এই ভূমিকাতো কৰিব পাৰিবা।
- কাম আৰু সাফল্যৰ পৰা সন্তুষ্টি আহৰণ কৰা— মই মোৰ বন্ধুবৰ্গৰ লগত একেলগে এই বালিঘৰটো সমাপ্ত কৰিছোঁ।
- সৃজনশীল হোৱা— যেতিয়া মই ৰঙা আৰু নীলা ৰং মিহলি কৰোঁ ই বেঙুনীয়া ৰঙলৈ সলনি হয়; যেতিয়া মই সেউজীয়া আৰু নীলা ৰং মিহলি কৰিম তেতিয়া ই কি ৰঙলৈ পৰিৱৰ্তন হ'ব?

## 1.4.2 খেলৰ মাজেদি শিকন ঃ

এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাই পাঠ্যক্ৰম সংগঠন, শিক্ষাশৈলী, সময় আৰু বিষয়বস্তু সংগঠন আৰু শিশুৰ সামগ্ৰিক অভিজ্ঞতাৰ ধাৰণা গঠন কাৰ্যকৰীকৰণ আৰু আদান-প্ৰদান পদ্ধতিৰ মূলতে 'খেল'ৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

প্ৰাক্-শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাৰ প্ৰসংগত 'খেল' এই শব্দটোৱে শিশুৰ বাবে আনন্দদায়ক আৰু আকৰ্ষণীয় সকলো কাৰ্যকলাপ অন্তৰ্ভুক্ত কৰে। ই শাৰীৰিক খেলা, পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া, কথপোকথন, প্ৰশ্ন আৰু উত্তৰ প্ৰদান, সাধু কোৱা, ডাঙৰকৈ পঢ়া আৰু একেলগে পঢ়া, সাঁথৰ, মিত্ৰাক্ষৰিক পদ্য, পুতলা, দৃশ্য, কলা আৰু সঙ্গীত আদিকে ধৰি অন্যান্য আনন্দদায়ক ক্ৰিয়া-কলাপযুক্ত খেল ইত্যাদি।

খেলে শিশুসকলক সক্রিয় আৰু উদ্দীপনাযুক্ত শিকনৰ সুযোগ প্ৰদান কৰাৰ লগতে বিভিন্ন ধৰণে সংগঠিত কৰিব পাৰে—

**ক. মুক্তভাৱে খেলা খেল ঃ**

i. শিশুসকলে কি খেল খেলিবলৈ ভাল পাব, কেনেকৈ ইয়াক খেলিবলৈ ভাল পাব আৰু কিমান সময়লৈ খেলিবলৈ ভাল পাব তাক নিজে নিৰ্ধাৰণ কৰিব। ই সম্পূৰ্ণৰূপে শিশুৰ স্ব-প্ৰণোদিত আৰু স্ব নিৰ্দেশিত হ'ব। যেনে— পাজল সমাধান কৰা, সমনীয়াৰ সৈতে ভূমিকা পালন কৰে, কিতাপ পঢ়া, ইত্যাদি।

ii. এই ক্ষেত্ৰত শিক্ষকসকলে এক পৰোক্ষ ভূমিকা পালন কৰিব, উদাহৰণস্বৰূপে মুক্তভাৱে খেলাৰ বাবে পৰিৱেশ সৃষ্টি কৰা, খেলৰ সময়ত শিশুসকলক পৰ্য্যবেক্ষণ কৰা, আৰু সাহাৰ্য বিচাৰিলে সহায় কৰা।

iii. মুক্তভাৱে খেলা খেলে শিশুসকলৰ সামাজিক আৰু আত্মনিয়ন্ত্ৰণৰ দক্ষতা বিকাশ কৰাত সহায় কৰে যেনে— নেতৃত্ব দিয়া আৰু অনুসৰণ কৰা, মতানৈক্য সমাধান কৰা, আনৰ প্ৰতি সংবেদনশীল হোৱা, আৱেগ পৰিচালনা কৰা আৰু সামগ্ৰী ভগাই লোৱা ইত্যাদি।

iv. অৱশ্যে কেৱল শিশুসকলে মুক্তভাৱে খেলা খেলৰ মাধ্যমেৰেই সকলোখিনি শিকিব নোৱাৰে। প্ৰকৃততে, নিজস্বভাৱে অন্বেষণ কৰি থকাৰ সময়তো তেওঁলোকক প্ৰায়ে নিৰ্দিষ্ট নিৰ্দেশনাৰ প্ৰয়োজন হয়।

**খ. তত্বাৱধানযুক্ত বা নিৰ্দেশাত্মক খেল ঃ**

i. শিশুৱে ক্ৰিয়া-কলাপৰ নেতৃত্ব দিয়ে, কিন্তু প্ৰাপ্তবয়স্কসকলে সক্ৰিয়ভাৱে খেল-ধেমালী, ক্ৰিয়া কলাপৰ সুবিধা প্ৰদান কৰে। উদাহৰণস্বৰূপে— যদি শিশুৱে মাটিৰে খেলিব বিচাৰে, তেন্তে শিক্ষকে ল'ৰা-ছোৱালীক মাটি কেনেকৈ ব্যৱহাৰ কৰিব লাগে তাক নিৰ্দেশনা দিব, মাটি গুৰি কৰি লোৱা, এটা আকৃতি বনোৱা ইত্যাদি। শিক্ষকসকলে শিশুসকলৰ পেশী সঞ্চালনৰ দক্ষতা আৰু কল্পনাশক্তি বৃদ্ধি কৰাৰ এই বিশেষ উদ্দেশ্যৰে এই কাৰ্যসমূহত জড়িত হ'ব।

ii. তত্বাৱধানযুক্ত খেলসমূহক বিকাশৰ সকলো ক্ষেত্ৰৰ সৈতে জড়িত দক্ষতাসমূহৰ বিকাশৰ বাবে অতি ফলপ্ৰসু বুলি গণ্য কৰা হয়। কাৰণ ই শিশু আৰু শিক্ষকসকলৰ সহযোগিতামূলক শিকনৰ সুযোগ দিয়ে আৰু শিক্ষকসকলে শিশুৰ লগত খেল সম্পৰ্কে আলোচনা কৰাৰ আৰু প্ৰশ্ন কৰাৰ সুযোগ লাভ কৰে।

iii. তত্বাৱধানযুক্ত খেল প্ৰাৰম্ভিক বছৰবোৰত ফলপ্ৰসূ বুলি গণ্য কৰা হয় কাৰণ ই শিশুৰ আত্ম নিৰ্দেশিত শিকনৰ নিৰ্ধাৰিত লক্ষ্য পুৰণৰ বাবে শিক্ষকসকলক এক সক্ৰিয় মঞ্চৰ প্ৰদান কৰে।

**গ. গঠনমূলক খেল (নিৰ্দেশিত খেল বুলিও জনা যায়) ঃ**

i এইবোৰ খেল শিক্ষক নিৰ্দেশিত, সুচিন্তিত চিন্তা-চৰ্চাৰ দ্বাৰা নিৰ্বাচন কৰা আৰু বিশেষ কিছুমান নিয়ম আৰু নিৰ্দেশনাৰ দ্বাৰা পৰিচালিত আনন্দদায়ক আৰু বিনোদনমূলক ক্ৰিয়া-কলাপ। উদাহৰণস্বৰূপে, শিক্ষকজনে ছাত্ৰ-ছাত্ৰীক খেলাৰ ৰূপত প্ৰত্যেককে এটা এটা শাৰী যোগ দি এটা সাধু সৃষ্টি কৰিবলৈ ক'ব পাৰে আৰু এইটো তেওঁলোকক লিখিব ক'ব পাৰে বা ডাঙৰকৈ পাঠ কৰাৰ পাছত গল্পটোৰ অনুক্ৰম কাৰ্ড তৈয়াৰ কৰিবলৈ দিব পাৰে।

ii. মূলতঃ নিৰ্দিষ্ট দক্ষতা আৰু শিকন ফলাফলৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বাবে গঠনমূলক খেল বুনিয়াদী পৰ্যায়ৰ বাবে অতি উপযোগী। শিক্ষকসকলে ইয়াৰ দ্বাৰা নিৰ্ধাৰিত নীতি-নিয়মৰ দ্বাৰা খেল আৰু ক্ৰীড়াৰ জৰিয়তে পৰিকল্পিত শিকন অভিজ্ঞতা প্ৰদান কৰে। এই খেলৰ ধৰণত শিক্ষকে বিশেষকৈ মানি চলিবলগীয়া খেলৰ নীতি-নিয়ম ইত্যাদি নিৰ্দেশ কৰে।

খেল ভিত্তিক শিকনক বিনোদনমূলক, শিশুকেন্দ্ৰীক উপাদান যুক্ত, কিছু পৰিমাণে প্ৰাপ্তবয়স্কৰ তত্বৰধানযুক্ত আৰু 'স্কেফলদিং' যুক্ত শিকনৰ উদ্দেশ্য বাস্তৱায়িত কৰাত এক মঞ্চ বুলি বৰ্ণনা কৰা হয়।

খেল ভিত্তিক শিকন ধাৰাবাহিকতাই খেলত শিক্ষকক অংশগ্ৰহণৰ বিভিন্ন স্তৰ স্পষ্ট কৰে আৰু আনন্দদায়ক শিশুকেন্দ্ৰীক পৰিৱেশত শিশুৰ শিকনত সাহাৰ্য আগবঢ়ায়। এই শিকন ধাৰাবাহিকতাত শিশুক পৰিচালিত আৰু শিক্ষক পৰিচালিত দুয়ো প্ৰকাৰৰ কাৰ্যকলাপ অন্তৰ্ভুক্ত কৰা হয়। শিশুসকলে ১ম মান আৰু ২য় মান শ্ৰেণীকে ধৰি গোটেই বুনিয়াদী পৰ্যায়ত প্ৰত্যেক বৰ্ষতে ভাৰসাম্যতামূলক সুযোগ লাভ কৰা উচিত।

| | **মুক্ত খেল** | **তত্বাৱধানযুক্ত খেল** | **গঠনমূলক খেল** |
|---|---|---|---|
| ভূমিকা | মুক্ত খেল<br>শিশুৰ আত্ম নেতৃত্বত পৰিচালিত | শিশুৰ আত্ম নেতৃত্বত পৰিচালিত<br>শিক্ষকৰ দ্বাৰা সাহাৰ্যপ্ৰাপ্ত | শিক্ষকৰ নেতৃত্বত পৰিচালিত<br>শিশুসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে |
| শিশুসকলে কি কৰে | শিশুসকলে তেওঁলোকৰ খেলৰ সকলো দিশ- কি খেলিব, কেনেকৈ খেলিব, কিমান সময়লৈ খেলিব, কাৰ সৈতে খেলিব নিৰ্ধাৰণ কৰে | মুক্ত খেলৰ দৰে শিশুসকলে তেওঁলোকৰ নিজৰ নিজৰ খেলৰ পৰিকল্পনা আৰু পৰিচালনা কৰে | শিশুসকলে সক্ৰিয়ভাৱে শুনি, নিয়ম অনুসৰণ কৰি, শিক্ষকসকলে পৰিকল্পনা কৰা খেলত অংশগ্ৰহণ কৰে |
| শিক্ষকসকলে কি কৰে | শ্ৰেণীকোঠাত উদ্দীপনামূলক খেলৰ পৰিৱেশ সংগঠিত কৰে, শিশুসকলে পৰ্যৱেক্ষণ কৰে আৰু শিশুৱে সহায় বিচাৰিলে সহায় কৰে | শিক্ষকসকলে সক্ৰিয়ভাৱে সহায় কৰে। বিশেষ শিকন উদ্দেশ্য ৰূপায়নৰ বাবে শিক্ষকে শিশু জড়িত থকা ভিন্ন কাৰ্যক তত্বাৱধান কৰে, প্ৰশ্ন কৰে আৰু শিশুসকলৰ লগত খেলে | শিক্ষকে ক্ৰিয়া-কলাপ আৰু শিকনৰ ক্ৰমত অগ্ৰসৰ হ'বৰ বাবে বিশেষ নিয়মৰ ভিতৰত কাৰ্যসমূহ নিৰ্বাচন কৰে। ভাষা আৰু গণিতৰ খেল, প্ৰকৃতি পৰিভ্ৰমণ, গীত আৰু ছন্দযুক্ত পদ্য আদি দৈনন্দিন পৰিকল্পনাসমূহ অন্তৰ্ভুক্ত কৰা হয় |

কিছুমান বিশেষ প্ৰকাৰৰ খেলৰ উদাহৰণ তলত দিয়া হ'ল—

| | **খেলৰ প্ৰকাৰ** | **উদাহৰণ** |
|---|---|---|
| ১. | নাটকীয় খেল/কল্পনামূলক খেল | এটা কাহিনী নাটকীয় ৰূপ দিবলৈ এটা ঘোৰাৰ কাৰণে এডাল লাঠিৰ ব্যৱহাৰ, পৰিয়ালৰ সদস্য, শিক্ষক, ডাক্তৰৰ অভিনয় এটা প্ৰিয় চৰিত্ৰৰ নাট্যৰূপ, উদাহৰণস্বৰূপে- কনক লতা, মুলাগাভৰু, ঝান্সী কি ৰাণী, ৰাণী চেনাম্মা, ছোটা ভীম শক্তিমান ইত্যাদি। |
| ২. | অনুসন্ধানমূলক খেল | বস্তু জোৰা লগোৱা, টুকুৰা টুকুৰ কৰা আৰু জোৰা লগোৱা (উদাহৰণস্বৰূপে- ঘড়ী, তিনিচকীয়া চাইকেল, শৌচালয়ৰ ফ্লাচ) যন্ত্ৰৰ সৈতে পৰীক্ষা (চুম্বক, প্ৰিজম, আতচী কাঁচ) দাইল, বুট, ৰাজমাহ, মণি, বালি খেল আৰু পানী খেল। |
| ৩. | পৰিৱেশ ক্ষুদ্ৰ পৃথিৱীৰ খেল | ক্ষুদ্ৰ প্ৰাণী, আঁচ-বাব, পাকঘৰৰ সা-সামগ্ৰী, ডাক্তৰৰ সা-সামগ্ৰী ব্যৱহাৰ কৰি আচল পৃথিৱীখনক পুণৰ সৃষ্টি কৰি তাত ব্যস্ত থকা। গছ-গছনি, উদ্ভিদ, পোক-পৰুৱা, চৰাই-চিৰিকতি, জন্তু, শব্দ, ৰং চিনাক্ত কৰি প্ৰকৃতিক পৰিভ্ৰমণ। |
| ৪. | শাৰীৰিক খেল | সংগীত, চালচলন, নাটকীয়তা, বহিঃক্ৰীড়া, ভাৰসাম্য ৰক্ষাৰ খেল আদি। |
| ৫. | নিয়মৰ সৈতে খেল | সাপ আৰু জখলা, লাটুম (লাট্টু, বুগুৰী), মাৰ্বল (গোলি), পাঁচ গুটি খেল, স্কিপিং খেল, লুডু ইত্যাদি। |

## 1.4.3 শিশু খেলৰ বাবে শিশুক নিয়োজিত কৰা ঃ

শিশুসকলক নিয়োজিত কৰিব পৰা যিকোনো ধৰণৰ মুক্ত, তত্ত্বাৱধামূলক বা গঠনমূলক খেল-ধেমালি বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে, যেনে— বিভিন্ন ক্ৰিয়া-কলাপ, সা-সঁজুলি শিল্পকৰ্মৰ জৰিয়তে ইয়াক কাৰ্যকৰী কৰিব পাৰি। তেনেধৰণৰ কেইটামান মূল প্ৰণালী তলত উল্লেখ কৰা হ'ল—

**ক. খেলৰ জৰিয়তে শিকন— কলা, শিল্প, সংগীত, সঞ্চালন ঃ**

শিশুৱে কলাৰ জৰিয়তে কোনো বাধা নোহোৱাকৈ নিজকে প্ৰকাশ কৰে, কল্পনা কৰে আৰু সৃষ্টি কৰে। কলাৰ মুক্ত আৰু বিনোদনৰ গুণে আত্মপ্ৰকাশ, অন্তৰ্দৃষ্টি, যুক্তি, কল্পনা আৰু যোগাযোগৰ ক্ষমতাক উৎসাহিত কৰে। শিশুসকলে আঁকিবলৈ, ৰং কৰিবলৈ, ছপা কৰিবলৈ, কলাজ সৃষ্টি কৰিবলৈ, ব্লকৰ সহায়ত নক্সা নিৰ্মাণ কৰিবলৈ বিভিন্ন ধাৰণা আৰু সুযোগ প্ৰদান কৰাৰ প্ৰয়োজন। শিশুসকলে সঞ্চালনমূলক কাৰ্য, নৃত্য, তেওঁলোকৰ শৰীৰটোক বিশেষভাৱে অনুসন্ধান কৰি আৰু বাদ্য-সঙ্গত কৰি ভাল পায়।

**খ. খেলৰ মাধ্যমেৰে শিকন— বাৰ্তালাপ, কবিতা, সাধু ঃ**

শিশুসকলে কথা পাতি সাধু আৰু কবিতাৰ মাজেদি শিকন উপভোগ কৰে। শিশুসকলক চিন্তা, ভৱিষ্যত সম্ভাৱনীয়তা ব্যক্ত কৰা, প্ৰশ্ন কৰা আৰু অনুমান কাৰ্যত উৎসাহিত কৰিবৰ বাবে তেওঁলোকক নিজৰ স্বাভাৱিক কৌতুহলৰ প্ৰৱনতা, গভীৰ মনন শক্তিৰ দক্ষতা আৰু মূল্যবোধৰ বিকাশ কৰাত সহায় কৰে । প্ৰাসঙ্গিক প্ৰশ্ন বা সাঁথৰ বা পাজলৰ সহায়ত শিশুৰ শিকনত সহায় কৰে, যিয়ে তেওঁলোকক নতুন বোধগম্যতাৰ স্তৰৰ প্ৰত্যাহ্বান সন্মুখীন হোৱাত সহায় কৰে।

শিশুসকলে কি কয় তাক সাৱধানে শুনা, তেওঁলোকৰ প্ৰশ্নবোৰৰ অৰ্থপূৰ্ণ উত্তৰ দিয়া, তেওঁলোকৰ আগ্ৰহ জাগ্ৰত কৰি তুলিবলৈ প্ৰাসঙ্গিকতাপূৰ্ণ প্ৰশ্নৰ উত্থাপন আৰু চিন্তা কৰিবলৈ উদগনি দিয়া আদিয়ে শিশুসকলৰ শিকন কাৰ্যত সহায় কৰে।

শিশুসকলৰ লগত সৌহাৰ্যপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিবৰ বাবে বাৰ্তালাপ, কবিতা আৰু সাধু কথা ইত্যাদি সাহাৰ্য গ্ৰহণ কৰাটোও হৈছে এক সুন্দৰ উপায়।

**গ. খেলৰ মাজেৰে শিকন— সা-সামগ্ৰী, পুতলা ঃ**

পুতলাৰে খেলিবলৈ শিশুৱে ভাল পায় আৰু তাৰ পৰা শিকে। পুতলা যিকোনো গোটা সামগ্ৰী হ'ব পাৰে যাক শিশুৱে ইফাল-সিফাল কৰিব পাৰে। যিবোৰ ব্যৱহাৰ কৰি শিশুৱে আনন্দদায়ক আৰু অৰ্থপূৰ্ণ খেল-ধেমালি আৰু স্ব-নিৰ্দেশিত বা সুবিধাজনক তেনে কাৰ্য সম্পাদন কৰিব পাৰে। অভিজ্ঞতা আৰু প্ৰমাণ অনুযায়ী শিশুসকলক শিকাবলৈ যথেষ্ট ব্যয়বহুল বা বিশেষধৰণৰ পুতলাৰ প্ৰয়োজন নাই। সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত পুতলা ব্যৱহাৰ কৰিলে পেশী সঞ্চালন দক্ষতা আৰু চকু-হাতৰ সমন্বয় সাধন সহযোগিতা, স্থান সম্পৰ্কীয়, বৌদ্ধিক নমনীয়তা, ভাষিক দক্ষতা, সৃজনশীল ক্ষমতা, ভিন্নমূখী চিন্তাধাৰা, সামাজিক পাৰদৰ্শিতা আৰু যান্ত্ৰিক দক্ষতা বৃদ্ধিৰ সুযোগ লাভ কৰে।

**ঘ. খেলৰ মাজেৰে শিকন— তাৎক্ষণিক পৰিৱেশৰ ব্যৱহাৰ ঃ**

শিশুসকল স্বাভাৱিকতে কৌতুহলী হয় আৰু তেওঁলোকৰ চৌপাশৰ জগতখনৰ বিষয়ে জানিবলৈ অন্বেষণ, পৰীক্ষা-নিৰীক্ষ, হাতেৰে ইফাল-সিফাল কৰা, সৃষ্টি কৰা আদি কাৰ্য সুযোগৰ প্ৰয়োজন হয়। শিশুসকলে পৰিৱেশৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখি, যি দেখে তাক স্পৰ্শ কৰি, হাতত লৈ, দেখা বস্তুসমূহ চাই, শব্দ,

সংগীত আৰু ছন্দ শুনি আৰু প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আৰু অস্বাভাৱিক শব্দৰ দ্বাৰা উত্তেজিত হৈ নিজৰ ইন্দ্ৰিয়সমূহৰ মাজেৰে নিজৰ পৰিৱেশ উদঘাটন কৰিবলৈ আৰম্ভ কৰে। যেতিয়া বাস্তৱ অভিজ্ঞতাৰ মাজেৰে শিশুসকলৰ মানুহ, বস্তু, আৰু বাস্তৱ পৰিস্থিতি সম্পৰ্কে এক উপলব্ধি গঢ়ি উঠে, তেতিয়া শিশুসকলৰ চিন্তাশক্তিৰ বিকাশ ঘটে। শিশুৱে নিজৰ অভিজ্ঞতা আৰু পৰিস্থিতিৰ লগতে নিজৰ সামৰ্থৰ ওপৰত ভিত্তি কৰি নিজৰ ধাৰণা, আগ্ৰহ আৰু বিশ্বাসসমূহো গঢ়ি তোলে।

যেতিয়া শিক্ষক আৰু পৰিয়ালে শিশুসকলক তেওঁলোকৰ চৌপাশৰ জগতখন অন্বেষণ কৰিবলৈ, পৰীক্ষা-নিৰীক্ষা আৰু আৱিষ্কাৰ কৰিবলৈ, তুলনা কৰিবলৈ, প্ৰশ্ন কৰিবলৈ, নিৰিড়ভাৱে পৰ্যৱেক্ষণ কৰিবলৈ, তেওঁলোকৰ পৰ্যৱেক্ষণ আৰু ভৱিষ্যত বাণীৰ বিষয়ে চিন্তা কৰিবলৈ আৰু কথা পাতিবলৈ সুযোগ প্ৰদান কৰা হয়, তেতিয়া তেওঁলোককে তেওঁলোকৰ কৌতুহল পুনৰ কৰিবলৈ নতুন আৱিষ্কাৰ কাৰ্যৰ অনুসন্ধান কৰে। ঘৰত আৰু বিদ্যালয়ত প্ৰত্যক্ষ অভিজ্ঞতাৰ জৰিয়তে পৃথিৱীখনক আৱিষ্কাৰ কৰাৰ বাবে শিশুৰ স্বাভাৱিক কৌতুহল প্ৰবনতাই শিশুৰ শিকনৰ ভেটি স্থাপন কৰে।

**৬. বহিক্ৰীড়াৰ মাজেৰে শিকন ঃ**

জীৱনৰ প্ৰাৰম্ভিক বছৰসমূহত শিশুসকলে একে ঠাইতে দীঘলীয়া সময়জুৰি বহি থাকিব নোৱাৰে- তেওঁলোকে ইফালে-সিফালে লৰচৰ কৰিবলৈ ভাল পায়। বাহিৰত খেলিলে প্ৰাকৃতিক পৰিৱেশৰ খেলে শিশুক অন্বেষণ কৰিবলৈ, তেওঁলোকৰ শাৰীৰিক শক্তিৰ সীমা আৰু নিজকে পৰীক্ষা কৰিবলৈ আৰু আত্মবিশ্বাস গঢ়ি তুলিবলৈ এটা সুযোগ প্ৰদান কৰে। আটাইতকৈ ডাঙৰ কথাটো হ'ল ই সম্পূৰ্ণ পেশী সঞ্চালন দক্ষতা, শাৰীৰিক সক্ষমতা আৰু ভাৰসাম্য গঢ়াত সহায় কৰে।

শিশুৱে মুকলি ঠাইত দৌৰা, জঁপিওৱা, লঠিওৱা আৰু বাগৰি পৰা আদি উপভোগ কৰে। বাহিৰত খেলা খেলে বেছিভাগ শিশুকে শিথিল আৰু শান্ত হোৱাত সহায় কৰে আৰু এয়া বহুত আনন্দকৰ!

**সামৰণি ঃ** এই পৰ্যায়ৰ শিশুসকলে খেলৰ জৰিয়তে শিকে। ই বহুতো কাৰ্যকলাপ আৰু উদ্দীপক অভিজ্ঞতা সামৰি হয়। এই সকলোবোৰ ক্ৰিয়া-কলাপ আৰু অভিজ্ঞতা এনেদৰে সংগঠিত কৰাতো প্ৰয়োজন যাতে শিশুসকলে আৱেগিক আৰু মানসিকভাৱে শিকিবলৈ অনুপ্ৰাণিত হোৱাৰ লগতে আত্মনিয়োজিত হৈ থাকে।

খেলৰ এই বহল ধাৰণাটোৰ মাজত এই কথাটোও মন কৰিবলগীয়া যে শিশুসকলে আৱিষ্কাৰ আৰু অনুসন্ধান কৰি, কামৰ মাজেৰে, শুনি, পঢ়ি, কৈ, লিখি, ভাবি আৰু অভ্যাসৰ যোগেদিও শিকে। তেওঁলোকে নতুন ধাৰণা শিকে, সেইবোৰক ব্যাখ্যা কৰে আৰু তেওঁলোকে নতুনকৈ আহৰণ কৰা জ্ঞানক পূৰ্বতে আহৰণ কৰা জ্ঞানৰ সৈতে সংযোগ কৰে। বিশেষকৈ এটা শিশুৱে লিখিব-পঢ়িব আৰু গণনা কৰিব পৰাৰ পিছত সুনিৰ্ধাৰিত আৰু পদ্ধতিগত পাঠদান, অনুশীলন আৰু প্ৰয়োগৰ সুযোগৰ প্ৰয়োজন। অৱশ্যে, ধেমালি আৰু খেলাৰ গুৰুত্বপূৰ্ণ উপাদানসমূহৰ সৈতে শিশুৰ যোগাত্মক ব্যস্ততাৰ বাবে মৌলিক প্ৰয়োজনীয়তাৰ লগত এই সকলোবোৰ মানি চলিব লাগিব।

*(শ্ৰেণীকোঠাত এইটো কেনেকৈ প্ৰসাৰিত হ'ব তাক বিতংভাৱে চাবলৈ অধ্যায়-৪ চাওক)*

# খণ্ড 1.5

# বুনিয়াদী পৰ্যায়ত স্কুলীয়া শিক্ষাৰ প্ৰসংগ ঃ

শিশুৰ শিকন আৰু শিক্ষাৰ ক্ষেত্ৰত পৰিয়াল, সমনীয়া, সম্প্ৰদায়, পৰিৱেশৰ অন্যান্য দিশ আৰু শিক্ষককে ধৰি সমগ্ৰ শিক্ষা ব্যৱস্থাই উল্লেখযোগ্য ভূমিকা পালন কৰে। অৱশ্যে এইটো উপলব্ধি কৰাটো গুৰুত্বপূৰ্ণ যে এই পাঁচোটাৰ প্ৰতিটোৱে ভূমিকা আৰু ইয়াৰ আপেক্ষিক প্ৰভাৱ শিশুৰ বিকাশৰ লগে লগে সলনি হয়। উদাহৰণস্বৰূপে, শিশু কালত মাতৃ আৰু পৰিয়ালৰ ভূমিকাৰ মূল্য ভালদৰে বুজা যায়। সমনীয়াৰ প্ৰভাৱ শৈশৱকালৰ পাছত আৰু প্ৰাপ্তবয়স্ক হোৱাৰ আগে আগে অধিক পৰিলক্ষিত হোৱা দেখা যায়।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ ৩ বছৰৰ পৰা ৮ বছৰলৈ বিস্তৃত ৫+৩+৩+৪ পাঠ্যক্ৰম আৰু শিক্ষাশৈলীৰ সংগঠনত ওপৰত উল্লেখ কৰা পাঁচোটা প্ৰভাৱক আৰু শিক্ষণৰ উৎসসমূহ এই প্ৰভাৱকসমূহক নিৰ্দেশ পৰিৱৰ্তনসমূহে কৰে বিশেষকৈ, বুনিয়াদী পৰ্যায়ৰ এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাই ৩ ৰ পৰা ৮ বছৰ বয়সৰ বাবে বয়স অনুসৰি প্ৰয়োজনীয়তাসমূহৰ বিচাৰ কৰে, যেনে— শিক্ষাৰ ভিত্তি হিচাপে এই পৰ্যায়ত যত্ন লোৱা ইত্যাদি।

## 1.5.1 পৰিয়াল আৰু সম্প্ৰদায়ৰ তাৎপৰ্য ঃ

ভাৰতবৰ্ষৰ বেছিভাগ শিশুৱেই নিজৰ পৰিয়ালৰ অন্তৰ্ভুক্ত নতুবা পৰিয়ালৰ বাহিৰৰ মানুহৰ মাজত ডাঙৰ দীঘল হয়। শিশুৰ ডাঙৰ-দীঘল হোৱাৰ ক্ষেত্ৰত পিতৃ-মাতৃয়ে কেন্দ্ৰীয় ভূমিকা পালন কৰিলেও সন্তানক ডাঙৰ-দীঘল কৰাটো প্ৰায়ে ককা-আইতা, বৰ্ধিত পৰিয়ালত আন সদস্য, ওচৰ-চুবুৰীয়া আৰু সম্প্ৰদায়ৰ আন ঘনিষ্ঠ লোকসকলেও অংশগ্ৰহণ কৰে।

এই সময়ছোৱাৰ প্ৰৱল প্ৰভাৱশালী প্ৰভাৱক হৈছে পৰিয়াল। পৰিয়ালৰ পৰ্যাপ্ত পুষ্টি, সামাজিক সংযোগ আৰু আৱেগিক নিৰাপত্তা নিশ্চিত কৰে। সুস্থিৰ, ভৰণ-পোষণ দিয়া আৰু প্ৰতিক্ৰিয়াশীল পৰিয়ালে শিশুৰ সুস্থ বিকাশ আৰু ইতিবাচক শিকনত অৰিহণা যোগায়। যেনে— শিশুৱে যাতে সঠিক খাদ্য লাভ কৰে তাক নিশ্চিত কৰা, শব্দজ্ঞান উন্নত কৰিবলৈ শিশুৰ লগত মাতৃভাষাতে কথা পতা, স্থানীয় ইতিহাস আৰু ভাল উপদেশমূলক প্ৰচলিত সাধুকথাৰ বৰ্ণনা কৰা।

প্ৰাৰম্ভিক বছৰবোৰত পৰিয়াল আৰু শিশুৰ মাজৰ সম্পৰ্ক আৰু সংযোগ হৈছে শিশুৰ বিকাশৰ ক্ষেত্ৰত অধিক শক্তিশালী নিৰ্ণায়কসমূহৰ ভিতৰত এটা। পৰিয়াল হৈছে শিশুৰ প্ৰথম শিক্ষক— অভিভাৱকৰ লগত সন্তানৰ সম্পৰ্ক আৰু পাৰস্পৰিক ক্ৰিয়াৰ মানদণ্ডই প্ৰাৰম্ভিক বছৰবোৰত শিশুৰ শিকন আৰু বিকাশত গভীৰভাৱে প্ৰভাৱ পেলাব পাৰে।

আৰম্ভণিতে বিদ্যালয় আৰু শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াসমূহে এই জটিল কাৰকটোৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। শিশুৰ বিকাশ আৰু শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয়, পৰিয়াল আৰু সম্প্ৰদায় হৈছে অংশীদাৰ।

## 1.5.2 স্থানীয় আৰু ভাৰতীয় প্ৰেক্ষাপটৰ কেন্দ্ৰীয় প্ৰভাৱ ঃ

সকলো নিজৰ পৰিয়াল আৰু সম্প্ৰদায়ৰ মাজত বিশেষ কিছুমান সাধুকথা বা গল্প, গীত, খেল, খাদ্য, আচাৰ-অনুষ্ঠান আৰু উৎসৱ আদিৰ প্ৰভাৱত ডাঙৰ দীঘল হয়। যদিও সাজ-পোছাক পৰিধানৰ স্থানীয় ধৰণ, কাম কৰা, ভ্ৰমণ কৰা, জীৱন-যাপন কৰা দিশসমূহো তেওঁলোকৰ জীৱনৰ অবিচ্ছেদ্য অংশ।

পাঠদান আৰু শিকনৰ সমসাময়িক ধাৰণাসমূহ পাঠ্যক্ৰমৰ অংশ হ'ব লাগে যদিও শিশু, তেওঁলোকৰ পৰিয়াল, আৰু তেওঁলোকৰ সম্প্ৰদায়ৰ বৈচিত্ৰ্যময় অভিজ্ঞতাসমূহে শ্ৰেণীকোঠাত স্থান পোৱাটো অতি গুৰুত্বপূৰ্ণ। বিদ্যালয়ত স্থানীয় কাহিনী, গীত, খাদ্য, সাজ-পোছাক, কলা, সংগীত আৰু নৃত্য শিশুৰ শিকন অভিজ্ঞতাৰ এক অবিচ্ছেদ্য অংগ হ'ব লাগে।

বুনিয়াদী পৰ্যায়ত পাঠ্যক্ৰম প্ৰসংগভিত্তিক হ'ব লাগিব আৰু লগতে শিশুৰ জীৱনৰ অভিজ্ঞতা যিয়ে শিশুটি ডাঙৰ-দীঘল হোৱা সাংস্কৃতিক আৰু সামাজিক প্ৰেক্ষাপটত প্ৰতিফলিত কৰে তাৰ ভিত্তিত আহৰণ কৰা বিষয়বস্তু আৰু শিক্ষণ শৈলীৰ আধাৰিত হ'ব লাগিব। ই শিশু আৰু শিশু পাঠ্যক্ৰমৰ মাজত গভীৰ সংযোগ স্থাপন কৰে।

শিশুৰ জীৱনৰ লগত শিক্ষা সৰ্বাধিক সম্পৰ্কিত, প্ৰাসঙ্গিক, আকৰ্ষণীয় আৰু ফলপ্ৰসু কৰি তুলিবৰ বাবে পাঠ্যক্ৰম আৰু শিক্ষাশৈলীসমূহ সংস্কৃতি, পৰম্পৰা, ঐতিহ্য, ৰীতি-নীতি, ভাষা, দৰ্শন, ভূগোল, প্ৰাচীন আৰু সমসাময়িক জ্ঞান, সমাজ আৰু বৈজ্ঞানিক প্ৰয়োজন, শিক্ষণৰ দেশজ আৰু পৰম্পৰামূলক পন্থা ইত্যাদি ভাৰতীয়, স্থানীয় প্ৰসংগ আৰু লোকাচাৰৰ ওপৰত গভীৰভাৱে আধাৰিত হ'ব লাগিব। এই ক্ষেত্ৰত ভাৰতীয় আৰু স্থানীয় বিষয়ত শিপাই থকা কাহিনী, কলা, খেল, ৰং-ধেমালী, দৃষ্টান্ত বা আদৰ্শ, সমস্যা আদি বাচি লোৱা উচিত। দেশীয় শিক্ষাত প্ৰতিষ্ঠিত শিকনে ধাৰণা, বিমূৰ্ত্ততা আৰু সৃজনশীলতাক নিশ্চয়কৈ সৰ্ব্বোত্তমভাৱে পৰিস্ফূৰ্ত কৰিব পাৰে।

বিশেষকৈ, বুনিয়াদী পৰ্যায়ত সকলো ভাষাকে আদৰণি জনাব লাগিব আৰু শ্ৰেণীকোঠাত প্ৰয়োগ কৰিব লাগিব, শিশুসকলক নিজৰ ভাষাত শিকিবলৈ, মত-বিনিময় কৰিবলৈ আৰু নিজকে প্ৰকাশ কৰিবলৈ উৎসাহিত কৰিব লাগিব। ঘৰুৱা ভাষা আৰু অন্য ভাষা (বিশেষ ক্ষেত্ৰ হিচাপে ঘৰুৱা বা সুপৰিচিত ভাষা) ব্যৱহাৰ কৰি বিভিন্ন বিষয়ত কথন আৰু শ্ৰৱণৰ সুযোগে মৌখিক প্ৰকাশভঙ্গীৰ শিকনত অধিক সহায় কৰে। শিশুসকলৰ শক্তিশালী ভাষা, বৌদ্ধিকতা আৰু সামাজিক-আৱেগিক দক্ষতা বিকাশ কৰিবলৈ হ'লে শিক্ষকৰ লগতে অভিভাৱক তথা সমনীয়াৰ লগত তেওঁলোকৰ অনুভৱ আৰু চিন্তাসমূহ প্ৰয়োগ আৰু প্ৰকাশ কৰিবলৈ তেওঁলোকক পৰ্যাপ্ত সময় আৰু সুবিধা প্ৰদান কৰিব লাগিব। কাহিনী, কবিতা, ছন্দযুক্ত পদ্য, গীত, খেল-ধেমালি, নাটক যিবিলাক বিশেষকৈ স্থানীয় আৰু ভাৰতীয় প্ৰেক্ষাপটৰ ওপৰত আধাৰিত, সেইবিলাকে ভাষা শিকনক মনোৰঞ্জক, ৰোমাঞ্চকৰ, প্ৰাসঙ্গিক, কাৰ্যকৰী লগতে সাংস্কৃতিকভাৱে প্ৰাসংগিক কৰি তোলাত সহায় কৰে।

*ঘৰুৱা ভাষাৰ সঠিক আৰু নিয়মীয়া ব্যৱহাৰ নিশ্চিত কৰাৰ লগতে বহুভাষিকতা আৰু শ্ৰেণীকোঠাত ভাষা দক্ষতা আৰু সাক্ষৰতা বিকাশৰ বাবে অধিক বিশদ যুক্তি আৰু প্ৰয়োগ নীতিৰ বাবে অধ্যায় ৩, অধ্যয় ৪ আৰু খণ্ড ৪.৫ চাওক*

## 1.5.3 প্ৰতিষ্ঠানিক বৈচিত্ৰ্যতা— প্ৰকৃত বাস্তৱতা ঃ

অভিভাৱক, পৰিয়াল আৰু সম্প্ৰদায়ৰ সৈতে ঘনিষ্ঠ অংশীদাৰিত্বৰে প্ৰতিষ্ঠানিক পৰিৱেশে এক পদ্ধতিগত দৃষ্টিভঙ্গীৰে শিশুসকলৰ সামগ্ৰিক বিকাশ সক্ষম কৰে। তেওঁলোকে গৱেষণা ভিত্তিক জ্ঞান, ব্যৱহাৰিক অভিজ্ঞতা, পৰম্পৰাগত জ্ঞান আৰু স্থানীয় প্ৰসঙ্গক শিশুসকলৰ জীৱন-যোৱা শিক্ষাৰ শক্তিশালী ভেটি প্ৰস্তুত কৰিবলৈ আৰু প্ৰয়োগ কৰিবলৈ একত্ৰিত কৰে।

বুনিয়াদী পৰ্যায়ৰ শিশুসকলে বৰ্তমান বিভিন্ন প্ৰতিষ্ঠানিক পৰিৱেশত শিকে—

ক. ৩ ৰ পৰা ৬ বছৰ বয়সৰ শিশুসকল অঙ্গনৱাড়ী, বালবাটিকা, স্বতন্ত্ৰ বুনিয়াদী বিদ্যালয় বা ১ম আৰু ২য় শ্ৰেণী থকা বৃহৎ বিদ্যালয়ৰ অংশ হিচাপে থাকিব পাৰে।

খ. ৬ বছৰ বয়সৰ পৰা ৮ বছৰ বয়সৰ শিশুসকল (প্ৰথম আৰু দ্বিতীয় শ্ৰেণী) কেৱল প্ৰথম শ্ৰেণীৰ পৰা আৰম্ভ হোৱা বিদ্যালয়ত থাকিব পাৰে বা প্ৰাক্-প্ৰাথমিক স্তৰৰ পৰা শ্ৰেণী থকা বিদ্যালয়ত থাকিব পাৰে।

এই পৰিৱেশসমূহৰ প্ৰতিটোতে উপলব্ধ আন্তঃগাঁথনি আৰু শিক্ষণ সম্পদ বেলেগ বেলেগ। প্ৰত্যেক প্ৰতিষ্ঠানিক পৰিৱেশত শিক্ষকসকলো বেলেগ বেলেগ। তেওঁলোকক বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে নিয়োগ কৰা হয়; তেওঁলোকৰ যোগ্যতা আৰু সেৱাগত পেছাদাৰী বিকাশৰ প্ৰক্ৰিয়াও বেলেগ বেলেগ। বিশেষ বিশেষ ক্ষেত্ৰত তেওঁলোকৰ দ্বায়িত্বৰ পৰিসৰো বিভিন্ন।

যেতিয়া সমগ্ৰ বুনিয়াদী পৰ্যায়ৰ পাঠ্যক্ৰম আৰু শিক্ষাশৈলী তিনি বছৰ বয়সৰ পৰা আৰম্ভ কৰি আঠ বছৰ বয়সলৈ এই পাঁচ বছৰীয়া সময়কালত শেষ হোৱাকৈ অবিৰতভাৱে নিৰ্মাণ কৰা হয় তেতিয়া বিশেষ পাঠ্যক্ৰম নিৰ্মাণৰ মাজেৰে চিন্তা কৰাৰ সময়ত বিভিন্ন প্ৰতিষ্ঠানিক গাঁথনিসমূহকো লক্ষ্য কৰা হ'ব।

এইদৰে, এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা বুনিয়াদী পৰ্যায়ৰ সকলো প্ৰতিষ্ঠানিক ব্যৱস্থাত প্ৰযোজ্য হোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰা হৈছে।

# অধ্যায় 2

# উদ্দেশ্য, পাঠ্যক্ৰমৰ লক্ষ্য, অৰ্হতা আৰু শিকন ফলাফল ঃ

এই অধ্যায়ত বুনিয়াদী পৰ্যায়ৰ কাৰণে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ শিকন মানদণ্ডৰ ব্যাখ্যা আৰু আলোচনা কৰা হৈছে। শিকনৰ এই মানদণ্ডসমূহ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ দ্বাৰা প্ৰস্তাৱিত শিক্ষাৰ উদ্দেশ্যৰ ভিত্তিত নিৰ্ধাৰণ কৰা হৈছে।

২.১ খণ্ডত উদ্দেশ্য, পাঠ্যক্ৰমৰ লক্ষ্য, অৰ্হতা আৰু শিকনৰ ফলাফল এই পাৰিভাষিক শব্দকেইটা যিবোৰক একেলগে শিকনৰ মানদণ্ড বুলি কোৱা হয় তাক সংজ্ঞায়িত কৰা হৈছে। লক্ষ্য, অৰ্হতা আৰু ফলাফলৰ মাজত স্পষ্টতা আৰু পাৰ্থক্য সকলোৰে বাবে স্পষ্ট হোৱাটো গুৰুত্বপূৰ্ণ, গতিকে এই খণ্ডই সেই স্পষ্টতা প্ৰদান কৰিবলৈ চেষ্টা কৰিছে।

২.২ খণ্ডত এই প্ৰক্ৰিয়াসমূহৰ উদ্দেশ্যৰ পৰা শিকনৰ ফলাফললৈকে এই বুৎপত্তিৰ প্ৰক্ৰিয়া আৰু এই প্ৰক্ৰিয়াসমূহৰ লগত জড়িত অংশগ্ৰহণকাৰীসকলৰ ভূমিকা বৰ্ণনা কৰা হৈছে।

২.৩ খণ্ডত পাঠ্যক্ৰমৰ লক্ষ্যসমূহ উল্লেখ কৰা হৈছে

২.৪ খণ্ডত প্ৰত্যেকটো পাঠ্যক্ৰমৰ লক্ষ্যৰ বাবে অৰ্হতাসমূহৰ ৰূপৰেখা দাঙি ধৰা হৈছে আৰু এই খণ্ডই সমগ্ৰ বুনিয়াদী পৰ্যায়ত কিছুমান অৰ্হতাৰ কাৰণে কেইটামান দৃষ্টান্তমূলক শিকন ফলাফলৰ উল্লেখ কৰা হৈছে।

*সকলোবোৰ অৰ্হতাৰ কাৰণে অধিক সম্পূৰ্ণ দৃষ্টান্তমূলক শিকন ফলাফল পৰিশিষ্ট- ১ত বিচাৰি পাব।*

**শিক্ষাৰ উদ্দেশ্য**

**পাঠ্যক্ৰমৰ লক্ষ্য**

**অৰ্হতা**

**শিকনৰ ফলাফল**

# খণ্ড 2.1

## সংজ্ঞা ঃ

এই অধ্যায়ত ব্যৱহৃত কেইটামান মূল পৰিভাষাক এই খণ্ডটোৱে সংজ্ঞা প্ৰদান কৰিছে।

ক. **শিক্ষাৰ উদ্দেশ্য ঃ** শিক্ষাৰ উদ্দেশ্য হৈছে শৈক্ষিক দৃষ্টিভংগীৰ বিৱৰণ যিয়ে শৈক্ষিক প্ৰক্ৰিয়াত পাঠ্যক্ৰমৰ বিকাশ, প্ৰতিষ্ঠানিক ব্যৱস্থা, পুঁজি আৰু বিত্তীয় সাহাৰ্য, মানুহৰ সামৰ্থ ইত্যাদিৰ সকলো ইচ্ছাকৃত প্ৰচেষ্টাক বহল ভিত্তিক নিৰ্দেশনা প্ৰদান কৰে। শিক্ষা নীতিৰ দস্তাৱেজত সাধাৰণতে শিক্ষাৰ উদ্দেশ্যসমূহ উল্লেখ কৰা হয়। উদাহৰণস্বৰূপে, ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত কোৱা হৈছে যে *“শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য হৈছে যুক্তি সংগত চিন্তা আৰু কৰ্মৰ বাবে সক্ষম হোৱা, মমতা আৰু সহমৰ্মিতাৰ অধিকাৰী হোৱা, সাহস আৰু সহনশীলতা, বৈজ্ঞানিক মনোবৃত্তি, আৰু সৃজনশীল কল্পনা, সুস্থ নৈতিক বান্ধোন আৰু মূল্যবোধৰ সমন্বয়ত ভাল মানুহ গঢ়ি তোলা। ইয়াৰ লক্ষ্য হৈছে আমাৰ সংবিধান নিৰ্ধাৰিত এখন সমতাপূৰ্ণ, সৰ্ব্বাঙ্গীন আৰু বহুত্বমূলক সমাজ গঢ়ি তোলাৰ বাবে আত্ম নিয়োজিত, উৎপাদনশীল আৰু অৱদানকাৰী নাগৰিক সৃষ্টি কৰা।”*

খ. **পাঠ্যক্ৰমৰ লক্ষ্য ঃ** পাঠ্যক্ৰমৰ লক্ষ্য হৈছে এনে দৃষ্টিভংগী যিয়ে পাঠ্যক্ৰমৰ বিকাশ আৰু ৰূপায়ণৰ ক্ষেত্ৰত নিৰ্দেশনা প্ৰদান কৰে। এই লক্ষ্যসমূহ শিক্ষাৰ উদ্দেশ্যৰ পৰা আহৰণ কৰা যিটো শিক্ষাৰ এটা বিশেষ পৰ্যায়ৰ কাৰণে নিৰ্দিষ্ট (যেনে- বুনিয়াদী পৰ্যায়)। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাই পাঠ্যক্ৰমৰ লক্ষ্যসমূহ উল্লেখ কৰিছে যি সকলো পাঠ্যক্ৰমৰ লক্ষ্যৰ বিকাশত তত্বাৱধান কৰে। উদাহৰণস্বৰূপে, “শিশুসকলে দৈনন্দিন মত বিনিময়ৰ কাৰণে দুটা ভাষাত ক্ৰিয়াশীলভাৱে যোগাযোগ দক্ষতাৰ বিকাশ সাধন কৰিব”। বুনিয়াদী পৰ্যায়ৰ কাৰণে এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত ই এটা পাঠ্যক্ৰমৰ লক্ষ্য।

গ. **অৰ্হতা ঃ** অৰ্হতা হৈছে শিকনৰ কৃতিত্ব, যিবোৰ পৰ্যৱেক্ষণযোগ্য আৰু যাক পদ্ধতিগতভাৱে মূল্যায়ন কৰিব পাৰি। এই অৰ্হতাসমূহ পাঠ্যক্ৰমৰ লক্ষ্যৰ পৰা আহৰণ কৰা হয় আৰু এটা পৰ্যায়ৰ শেষত এই অৰ্হতাসমূহ লাভ কৰা হ'ব বুলি আশা কৰা হয়। অৰ্হতাসমূহ পাঠ্যক্ৰমৰ সাংগঠনিক কাঠামোত উল্লেখ কৰা হৈছে। অৱশ্যে, পাঠ্যক্ৰম প্ৰস্তুতকাৰীয়ে পাঠ্যক্ৰমৰ বিশেষ উদ্দেশ্যৰ পৰিপ্ৰেক্ষিতত ইয়াৰ লগতে সংগতি ৰাখি অৰ্হতাসমূহ সামঞ্জস্যপূৰ্ণ আৰু পৰিৱৰ্তন কৰিব পাৰে। তলত উল্লেখ কৰা এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ কাৰণে নিৰ্ধাৰিত কেইটামান অৰ্হতাৰ উদাহৰণ— *‘সাৱলীলভাৱে আৰু সামঞ্জস্যপূৰ্ণ কথা-বতৰা পাতিব পাৰে’*আৰু *‘কোনো জটিল বিষয়ৰ কাৰণে দিয়া মৌখিক নিৰ্দেশনা বুজে আৰু সেই একেটা কামৰ কাৰণে আনক স্পষ্ট মৌখিক নিৰ্দেশনা দিব পাৰিব’*।

ঘ. **শিকনৰ ফলাফল ঃ** অৰ্হতাসমূহক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত লাভ কৰা যায়। সেয়েহে, শিকন কৃতিত্বৰ অন্তৰৰ্তীকালীন চিহ্নসমূহৰ প্ৰয়োজন হয় যাতে শিক্ষকসকলে শিকন পৰ্যৱেক্ষণ কৰিব পাৰে আৰু শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাৰ প্ৰতি নিৰন্তৰ সঁহাৰি জনাব পাৰে। এই অন্তৰ্ৰ্তীকালীন চিহ্ন বা প্ৰমাণসমূহ শিকনৰ পৰিণাম। এইদৰে, শিকনৰ পৰিণামসমূহ হৈছে শিকনৰ বীজযুক্ত মাইলৰ খুঁটি আৰু কোনো এটা অৰ্হতা লাভ কৰিবলৈ ই এক ক্ৰমিক অগ্ৰগতি। বিশেষ অৰ্হতাৰ কৃতিত্ব অৰ্জনৰ বাবে শিকনৰ ফলাফলে শিক্ষকসকলক মূল্যায়ন, শিকনশৈলী আৰু তেওঁলোকৰ প্ৰসংগসূচী পৰিকল্পনা কৰিবলৈ সক্ষম কৰে। অৰ্হতাৰ সৈতে সংযোগ বজাই ৰখাৰ সময়ত, তেওঁলোকৰ শ্ৰেণীকোঠাৰ প্ৰাসংগিকতাৰ সমপৰ্যায়ৰ শিকনৰ ফলাফলসমূহ বাখ্যা কৰিবলৈ শিক্ষক আৰু পাঠ্যক্ৰম ৰচয়িতাসকলৰ স্বতন্ত্ৰতা থাকিব লাগে।

তলৰ তালিকাখন বুনিয়াদী পৰ্যায়ৰ অৰ্হতা *'সাৱলীলভাৱে আৰু সামঞ্জস্যপূৰ্ণ কথা-বতৰা পাতিব পৰাৰ দক্ষতা'*ৰ ক্ষেত্ৰত আহৰণ কৰা শিকন ফলাফলৰ এক উদাহৰণ—

তালিকা ২.১ ক

**অৰ্হতা ঃ *সাৱলীলভাৱে আৰু সামঞ্জস্যপূৰ্ণ কথা-বতৰা পাতিব পৰা***

***বয়স ৩-৮***

| | ক | খ | গ | ঘ | ঙ |
|---|---|---|---|---|---|
| | মনোযোগেৰে শুনে আৰু পৰিচিত মানুহৰ লগত চমু কথা-বতৰাত ভাগ লয় | বিদ্যালয়ৰ ভিন ভিন পৰিৱেশত সহপাঠী আৰু শিক্ষকৰ লগত দৈনন্দিন জীৱনৰ কথা-বতৰাৰ সূত্ৰপাত কৰে | ঘটনা, কাহিনী আৰু তেওঁলোকৰ প্ৰয়োজনত কথা-বতৰাত লিপ্ত হয় আৰু প্ৰশ্ন কৰে। | কথা-বতৰাত লিপ্ত হয় আৰু নিজৰ পাল পৰালৈ অপেক্ষা কৰে আৰু আনক ক'বলৈ দিয়ে | একাধিক কথা-বাৰ্তাৰ মাজৰ সংগতি বজাই ৰাখে |
| ১ | চুটি অৰ্থপূৰ্ণ বাক্যৰে তেওঁলোকৰ প্ৰয়োজন আৰু অনুভৱ ব্যক্ত কৰে | দৈনন্দিন জীৱনৰ অভিজ্ঞতা সৰল বাক্যত ব্যক্ত কৰে আৰু কি /কেতিয়া/ কেনেকৈ/ কাক আদি ব্যৱহাৰ কৰি সহজ প্ৰশ্ন কৰে। | দৈনন্দিন জীৱনৰ অভিজ্ঞতা বহলাই ব্যাখ্যা কৰে আৰু কিয় এই প্ৰশ্নও কৰে | শ্ৰেণীকোঠাত বাস্তৱিক কাহিনী উচ্চস্বৰে পঢ়া বা আলোচনাত জড়িত হৈ নিজৰ অভিজ্ঞতাৰ পৰা জ্ঞান লাভ কৰিবলৈ সক্ষম হয় আৰু ইয়াৰ বিষয়ে কয় | কোনো এটা বিষয়ত আলোচনাত লিপ্ত হয় আৰু প্ৰশ্ন উত্থাপন কৰে আৰু উত্থাপিত প্ৰশ্নৰ সঁহাৰি দিয়ে |
| ২ | | | | | |

# খণ্ড 2.2

# শিকনৰ লক্ষ্যৰ পৰা শিকন ফলাফললৈ ঃ

এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাই শিক্ষাৰ উদ্দেশ্যৰ পৰা ক্ৰমে পাঠ্যক্ৰমৰ লক্ষ্য, অৰ্হতাৰ পৰা শিকনৰ ফলাফললৈকে থকা স্পষ্ট নিম্নমুখী গতিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। একে সময়তে নিকটতম উচ্চ স্তৰটোত উদ্দেশ্যৰ সম্পূৰ্ণ বিস্তৃতি নিশ্চিত কৰাৰ সময়ত ই নিকটতম স্তৰটোৰ পৰা উদ্ভৱ হোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।

শিক্ষাত ব্যৱহাৰযোগ্য কৰি তুলিবৰ বাবে তুলনামূলকভাৱে বিমূৰ্ত্ত আৰু সংযুক্ত ধাৰণাসমূহক অধিক বাস্তৱসন্মত উপাদানলৈ পৰিৱৰ্তন কৰিবলৈ এইটোৱেই হৈছে এক 'খণ্ডিতকৰণ আৰু ৰূপান্তৰ'ৰ প্ৰক্ৰিয়া। অন্যান্য বিবেচনাসমূহ যিবোৰ নিম্ন প্ৰৱাহত নিশ্চিতভাৱে বিচাৰ কৰা তাৰ লগতে এই প্ৰক্ৰিয়াসমূহক এই অধ্যায়ত বৰ্ণনা কৰা হৈছে। এইবোৰ হৈছে শিক্ষাৰ উদ্দেশ্যৰ পৰা শিকনৰ লক্ষ্যলৈকে আৰু নিম্ন প্ৰবাহৰ পৰা উদ্ভৱ হোৱা সংহতি, বিস্তৃতি আৰু সংযোগ যিয়ে পাঠ্যক্ৰম, পাঠ্যসূচী, শিকন শৈলী, প্ৰতিষ্ঠানিক সংস্কৃতি আৰু লগতে বঞ্চিত শৈক্ষিক কৃতিত্বকো সামৰি লয়।

শিক্ষক আৰু প্ৰতিষ্ঠানসমূহৰ দৈনন্দিন জীৱনত অতি বিশেষ, পৰ্যৱেক্ষণযোগ্য আৰু হ্ৰস্বকালীন শিকনৰ উদ্দেশ্যসমূহক বাস্তৱায়িত কৰিবলৈ প্ৰচেষ্টা চলোৱা হয় (বা প্ৰচেষ্টা চলাব পৰা যাব পাৰে)। সেইবোৰকে শিকনৰ ফল হিচাপে চিহ্নিত কৰা হয়। নিম্ন প্ৰবাহ প্ৰক্ৰিয়াৰ পৰা উদ্ভৱ হোৱা শিকন ফলাফলসমূহো অৰ্হতা লাভৰ দিশত শৈক্ষিক প্ৰচেষ্টাৰ প্ৰক্ষেপ পথৰ নিৰ্দেশনা দিয়ে, যিবোৰ ইয়াৰ ফলস্বৰূপে পাঠ্যক্ৰমৰ লক্ষ্যসমূহ সমন্বিত কৰে আৰু সংযুক্ত ৰূপত শিক্ষাৰ প্ৰাসংগিক লক্ষ্যসমূহক পূৰণ কৰাত সহায় কৰে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০য়ে শিক্ষাৰ উদ্দেশ্যসমূহ উল্লেখ কৰিছে। এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাই অন্যান্য প্ৰাসঙ্গিক দিশৰ বিবেচনাৰে পাঠ্যক্ৰমৰ লক্ষ্যসমূহ তৈয়াৰ কৰিছে। তাৰ পিছত পাঠ্যক্ৰমৰ এই লক্ষ্যসমূহৰ পৰা অৰ্হতা আৰু অৰ্হতাসমূহৰ পৰা শিকনৰ ফলাফল নিৰ্ধাৰণ কৰিছে।

এইটো মনত ৰাখিব লাগে যে খণ্ড ২.৪ত থকা অৰ্হতা আৰু খণ্ড ২.৫ত আৰু পৰিশিষ্ট- ১ৰ শিকনৰ ফলাফলসমূহ দৃষ্টান্তমূলক।

পাঠ্যক্ৰমৰ ৰচয়িতাসকলে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত আনুসংগিক অৰ্হতাসমূহ সাৱধানতাৰে বিবেচনা কৰিব লাগে আৰু প্ৰয়োজনীয়তা অনুযায়ী প্ৰাসঙ্গিক পৰিৱৰ্তন কৰি ব্যৱহাৰ কৰিব লাগে। অৰ্হতাসমূহৰ পাৰম্পৰিক সংযোগকৰণ আৰু আপেক্ষিক স্থিৰতাৰ প্ৰসংগ (আৰু সময়) বিচাৰ কৰি ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাত উল্লেখ কৰা অৰ্হতাসমূহৰ পৰিৱৰ্তনৰ বিশেষ প্ৰয়োজনীয়তা নাথাকিব বুলি ভবা হৈছে। কিন্তু এই বিষয়ৰ সিদ্ধান্তসমূহ পাঠ্যক্ৰমৰ ৰচয়িতাসকলৰ দ্বাৰা সাৱধানে বিবেচনা কৰিব লাগে।

শিকনৰ ফলাফলসমূহ বহুত বেছি প্ৰাসংগিক আৰু এইকাৰণে পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰ প্ৰস্তুতকৰণত ইয়াৰ ওপৰত সূক্ষ্ম মনোযোগ আৰু প্ৰাসংগিকৰণৰ প্ৰয়োজন হয়। পাঠ্যক্ৰম ৰচয়িতাসকলে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত উল্লেখ কৰা জোঁটসমূহ ব্যৱহাৰ কৰিব পাৰে, কিন্তু এইটো সঠিকভাৱে বিবেচিত হোৱাৰ পিছতহে কৰিব লাগে আৰু অধিক প্ৰাসংগিক জোঁটসমূহ ব্যৱহাৰৰ ক্ষেত্ৰত কোনো সংকোচ থাকিব নালাগে।

◈ **এইদৰে, ৰাজ্য আৰু ৰাজ্যৰ সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহ আৰু পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰ বিকাশৰ কাৰণে দায়বদ্ধ অন্য অনুষ্ঠানসমূহে, তেওঁলোকৰ ব্যৱহাৰৰ কাৰণে সম্পূৰ্ণ শিকন মাণদণ্ডত লাভ কৰিবলৈ এনেধৰণৰ নিম্ন-প্ৰবাহৰ বিশেষভাৱে বিচাৰ কৰিব লাগিব।**

## 2.2.1 উদ্দেশ্যৰ পৰা শিকনৰ ফলাফললৈ ঃ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ দ্বাৰা পৰিকল্পিত শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য ই বুনিয়াদী পৰ্যায়ৰ কাৰণে উদ্দেশ্যপ্ৰণোদিত শৈক্ষিক কৃতিত্বসমূহৰ পথ নিৰ্দেশনা প্ৰদান কৰিছে। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ বুনিয়াদী পৰ্যায়ৰ কাৰণে পাঠ্যক্ৰমৰ লক্ষ্য নিৰ্ণয়ৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ তিনিটা বিশেষ উৎস হৈছে—

ক. উল্লেখ কৰা ধৰণে শিক্ষাৰ বহল উদ্দেশ্য

খ. আধুনিক বিজ্ঞান আৰু ভাৰতীয় অনুসন্ধান পৰম্পৰা দুয়োটাতে কল্পনা কৰা বিকাশৰ ক্ষেত্ৰ

গ. বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত শিক্ষাৰ উদ্দেশ্যসমূহ যথেষ্ট স্পষ্টকৈ অভিব্যক্ত কৰা হৈছে আৰু এই কথা ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ প্ৰথম অধ্যায়ৰ ১.৩ খণ্ডত উদ্ধৃত কৰা হৈছে। শিক্ষাৰ এই উদ্দেশ্যসমূহ স্কুলীয়া আৰু উচ্চ শিক্ষাৰ সকলো স্তৰতে প্ৰযোজ্য আৰু বুনিয়াদী পৰ্যায়ৰ শিক্ষাটো ইয়াত গুৰুত্ব আৰু পথ নিৰ্দেশনা দিয়া হৈছে। এই নিৰ্দেশনাসমূহ এই পৰ্যায়ৰ পাঠ্যক্ৰমৰ লগত লক্ষ্যত উপনীত হোৱাৰ গুৰুত্বপূৰ্ণ প্ৰথম আৰু প্ৰধান উৎস।

বুনিয়াদী পৰ্যায় ৩ বছৰৰ পৰা ৮ বছৰৰ শিশুৰ কাৰণে। বিকাশৰ ভিন ভিন ক্ষেত্ৰত ভাৰতীয় আৰু অন্য সংস্কৃতিত অনুসন্ধানৰ এক সুদীৰ্ঘ পৰম্পৰা চলি আহিছে যিটো সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত দেখা গৈছে স্বাভাৱিক আৰু বাঞ্চনীয়।

তৈত্তেৰীয় উপনিষদত বৰ্ণিত পঞ্চকোষৰ বৰ্ণনা মানৱ বিকাশৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰাৰম্ভিক বৰ্ণনাসমূহৰ ভিতৰত এটা। এই বৰ্ণনাসমূহ ক্ৰমবিকাশমূলক জীৱবিজ্ঞান, মনোবিজ্ঞান আৰু সংজ্ঞানাত্মক স্নায়ুবিজ্ঞানৰ পৰা উদ্ভূত অতি আধুনিক জ্ঞানৰ পৰিপ্ৰেক্ষিতত বৰ্তমান সময়তো প্ৰাসঙ্গিক হৈয়ে আছে।

সকলো ইন্দ্ৰিয়জাত ধাৰণাৰ সক্ৰিয় নিয়োগৰ মাজেৰে অঙ্গীভূত শিক্ষা আৰু শাৰীৰিক সজাগতাৰ বা অন্নাময়া কোষ আৰু প্ৰাণাময়া কোষক একেলগে শাৰীৰিক বিকাশ বুলি যায়।

আমাৰ আৱেগ দক্ষতাৰে নিয়ন্ত্ৰণ কৰিবলৈ আৰু সচেতন হ'বলৈ আৱেগিক আৰু আধ্যাত্মিক বিকাশ বা মনোমায়া কোষ জড়িত। ভাৰতীয় পৰম্পৰা আৰু সাম্প্ৰতিক গৱেষণা দুয়োটা ক্ষেত্ৰতেই **সামাজিক, আৱেগিক আৰু নৈতিক বিকাশ**ৰ ক্ষেত্ৰই বিকাশৰ এক প্ৰয়োজনীয় ক্ষেত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।

মানৱ অভিজ্ঞতাৰ বৌদ্ধিক আৰু সচেতন দিশসমূহৰ সৈতে অৰ্থপূৰ্ণভাৱে জড়িত হ'বলৈ বুদ্ধিৰ বিকাশ বা বিজ্ঞানময়া কোষৰ ওপৰত গুৰুত্ব দিয়া হয়। বৌদ্ধিক বিকাশৰ ক্ষেত্ৰখনে বিকাশৰ এই দিশসমূহক সামৰি লয়।

আনন্দময়া কোষ বা সৰ্ব্বোৎকৃষ্ট অভিজ্ঞতা কলা আৰু সংস্কৃতিৰ মাধ্যমেৰে এই বয়সৰ ল'ৰা-ছোৱালীয়ে ভাল কৰে। এইদৰে নান্দনিক আৰু সাংস্কৃতিক উন্নয়ন ক্ষেত্ৰৰ অন্তৰ্ভুক্তিয়ে শিক্ষাৰ অভিজ্ঞতাক সামগ্ৰিক আৰু সম্পূৰ্ণ কৰে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০এ 'শিক্ষাত অতি দৰকাৰী আৰু প্ৰয়োজনীয় আধাৰ' হিচাপে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ভাষা আৰু সাক্ষৰতাৰ বিকাশৰ জৰিয়তে বুনিয়াদী সাক্ষৰতা আৰু বৌদ্ধিক বিকাশৰ মাধ্যমেৰে বুনিয়াদী সাংখ্যিক জ্ঞানৰ ওপৰত বিশেষ ধ্যান প্ৰদান কৰিছে।

অৱশেষত, বুনিয়াদী পৰ্যায়ক আনুষ্ঠানিক শিক্ষাৰ কাৰণে ভেঁটি স্থাপন বুলিও অভিহিত কৰা হয়। আনুষ্ঠানিক বিদ্যালয়ৰ পৰিৱেশৰ উপযুক্ত আৰু প্ৰয়োজনীয় **ইতিবাচক শিকন অভ্যাস**ৰ বিকাশ এই পৰ্যায়ৰ লক্ষ্যৰ এক গুৰুত্বপূৰ্ণ দিশ।

এইদৰে, ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ দৃষ্টিভঙ্গী আৰু বিৰৰণ আৰু উন্নয়নৰ ক্ষেত্ৰসমূহক সমানে বিবেচনা কৰি মৌলিক পৰ্যায়ৰ কাৰণে পাঠ্যক্ৰমৰ লক্ষ্যসমূহ উলিওৱা হৈছে।

## 2.2.2 পাঠ্যক্ৰমৰ লক্ষ্যৰ পৰা অৰ্হতালৈ ঃ

অৰ্হতাৰ তালিকাত উপনীত হ'বলৈ বুনিয়াদী পৰ্যায়ৰ কাৰণে চাৰিটা মুখ্য উৎস হৈছে—

ক. পাঠ্যক্ৰমৰ লক্ষ্য

খ. বুনিয়াদী পৰ্যায়ৰ কাৰণে উপযুক্ত সাম্প্ৰতিক গৱেষণাপত্ৰ

গ. দেশত বিভিন্ন শৈক্ষিক প্ৰচেষ্টাৰ অভিজ্ঞতা

ঘ. আমাৰ প্ৰসঙ্গ, যিয়ে সম্পদৰ উপলব্ধতা, সময়ৰ উপলব্ধতা, প্ৰতিষ্ঠানিক আৰু শিক্ষকৰ ক্ষমতাকো সামৰি লয়।

বিদ্যালয় শিক্ষাৰ সকলো অংশীদাৰে যি অৰ্হতাৰ কৃতিত্ব লাভ কৰা হ'ব বুলি আশা কৰা হৈছে সেই অৰ্হতাসমূহৰ প্ৰতি স্পষ্ট ধাৰণা থাকিব লাগিব। বুনিয়াদী পৰ্যায়ত প্ৰতিজন শিশুৰ কাৰণে এই অৰ্হতাসমূহ লাভৰ ক্ষেত্ৰত অগ্ৰগতিৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ লক্ষ্যত উপনীত হ'বৰ বাবে সকলো শিশুৱে বিদ্যালয় ব্যৱস্থাত উপযুক্ত শিকনৰ সুযোগ লাভ কৰাটো নিশ্চিত কৰিব লাগিব।

## 2.2.3 অৰ্হতাৰ পৰা শিকনৰ ফলাফললৈ ঃ

শিকন ফলাফল হৈছে অৰ্হতা লাভৰ ক্ষেত্ৰত শৈক্ষিক কৃতিত্বৰ অন্তৰ্বৰ্তীকালীন চিহ্ন। সামাজিক-সাংস্কৃতিক প্ৰসংগ, উপলব্ধ সামগ্ৰী, সম্পদ আৰু শ্ৰেণীকোঠাৰ আনুসংগিকতাৰ ওপৰত ভিত্তি কৰি ইয়াৰ সংজ্ঞা নিৰ্ণয় কৰা হয়। আমাৰ শিক্ষা ব্যৱস্থাৰ বহল ধাৰণাৰ ভিত্তিত এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত দৃষ্টান্তমূলক শিকন ফলাফল এটা আনুসংগিক অংশ।

◈ **শিকনৰ এই ফলাফলসমূহ শিক্ষক আৰু বিদ্যালয়ত নেতৃত্ব প্ৰদানকাৰী লোক সক্ষমতা প্ৰদানত নিৰ্দেশনা হিচাপে বিবেচনা কৰাৰ প্ৰয়োজন। তেওঁলোকক বোজা বুলি ভাবিব নালাগে। প্ৰাসংগিকতাৰ ওপৰত ভিত্তি কৰি শিকনৰ ফলাফলসমূহ পুনৰ কল্পনা কৰাৰ স্বতন্ত্ৰতা তেওঁলোকৰ আছে।**

# খণ্ড 2.3

# পাঠ্যক্ৰমৰ লক্ষ্য ঃ

এই খণ্ডত বুনিয়াদী পৰ্যায়ৰ কাৰণে পাঠ্যক্ৰমৰ লক্ষ্যৰ ৰূপৰেখা দাঙি ধৰা হৈছে। পাঠ্যক্ৰমৰ এই লক্ষ্যসমূহ ৰাষ্ট্ৰীয় আকাংক্ষাৰ বিকাশ আৰু পৰিৱৰ্তন আৰু পাঠ্যক্ৰমৰ ৰূপৰেখাৰ ৰূপায়ণৰ অভিজ্ঞতাৰ ভিত্তিত পাঠ্যক্ৰমৰ লক্ষ্যসমূহ সময়ে সময়ে পৰ্যালোচনা কৰিব পাৰি।

পাঠ্যক্ৰমৰ লক্ষ্যসমূহক চিজি- ১, চিজি- ২ এইধৰণে ক্ৰমিক সংখ্যা প্ৰদান কৰা হৈছে—

| ক্ষেত্ৰ | পাঠ্যক্ৰমৰ লক্ষ্য |
|---|---|
| **শাৰীৰিক বিকাশ** | চিজি -১ শিশুৱে তেওঁলোকক সুস্থ আৰু সুৰক্ষিত ৰখাৰ অভ্যাস গঢ়ি তোলা<br>চিজি -২ শিশুৱে ইন্দ্ৰিয়ভিত্তিক ধাৰণা তীক্ষ্ণ ৰূপত গঢ়ি তোলা<br>চিজি -৩ শিশুৱে সুস্থ আৰু নমনীয় শৰীৰ গঢ়া |
| **সামাজিক-আৱেগিক আৰু নৈতিক বিকাশ** | চিজি -৪ শিশুৱে আৱেগিক বুদ্ধিমত্তা অৰ্থাৎ নিজৰ আৱেগক বুজিব আৰু পৰিচালনা কৰাৰ ক্ষমতা গঢ়ি তোলে আৰু সামাজিক নীতি-নিয়মৰ প্ৰতি ইতিবাচক সঁহাৰি জনোৱা<br>চিজি -৫ শিশুৱে উৎপাদনশীল কৰ্ম আৰু 'সেৱা'ৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি তোলা<br>চিজি -৬ শিশুৱে তেওঁলোকৰ চৌপাশে থকা প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী গঢ়ি তোলা |
| **বৌদ্ধিক বিকাশ** | চিজি -৭ শিশুৱে পৰ্যৱেক্ষণ আৰু যুক্তিসংগত চিন্তাৰে চৌপাশৰ জগতখনক অনুধাৱন কৰা<br>চিজি -৮ শিশুৱে সংখ্যা, আকাৰ আৰু পৰিমাপণৰ জৰিয়তে পৃথিৱীখনক চিনি পাবলৈ গাণিতিক বোধ আৰু সক্ষমতা গঢ়ি তোলা |
| **ভাষা আৰু সাহিত্যৰ বিকাশ** | চিজি -৯ দুটা ভাষাত দৈনন্দিন কথা-বতৰাৰ কাৰণে শিশুৱে ফলপ্ৰসূ যোগাযোগ দক্ষতাৰ বিকাশ সাধন কৰা<br>চিজি -১০ প্ৰথম ভাষাত পঠন আৰু লিখনত শিশুৱে সাৱলীলতা গঢ়ি তোলা<br>চিজি -১১ শিশুৱে দ্বিতীয় ভাষাত পঠন আৰু লিখন আৰম্ভ কৰা |
| **নান্দনিক আৰু সাংস্কৃতিক বিকাশ** | চিজি -১২ শিশুৱে দৃশ্য-শ্ৰাব্য কলাৰ ক্ষমতা আৰু সংবেদনশীলতা বিকাশ কৰে আৰু শিল্পৰ মাজেৰে অৰ্থপূৰ্ণ আৰু আনন্দদায়কভাৱে নিজৰ আৱেগ প্ৰকাশ কৰা |

উন্নয়নৰ ক্ষেত্ৰসমূহৰ ওপৰত আধাৰিত ওপৰোক্ত পাঠ্যক্ৰমৰ লক্ষ্যসমূহৰ উপৰিও ইতিবাচক শিকন অভ্যাস গঢ়ি তোলাটো বুনিয়াদী পৰ্যায়ৰ আন এক প্ৰাসংগিক লক্ষ্য।

| | |
|---|---|
| | চিজি -১৩ শিশুৱে শিকনৰ অভ্যাস গঢ়ি তোলে যিয়ে তেওঁলোকক বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ দৰে আনুষ্ঠানিক শিকন পৰিৱেশত সক্ৰিয়ভাৱে জড়িত হ'বলৈ অনুমতি দিয়া |

*বাকচ ২.৩ ক*

## নীতি, মূল্য আৰু স্বভাৱ

ছাত্ৰ-ছাত্ৰীৰ মাজত চৰিত্ৰ গঢ়ি তোলা আৰু ভাল মানুহ হিচাপে গঢ় লৈ উঠা, উৎপাদনশীলমূখী জীৱন-যাপন কৰা আৰু সমাজৰ হৈ ইতিবাচক অৰিহণা যোগোৱাত সহায় কৰিবলৈ বিদ্যালয়ৰ প্ৰাৰম্ভণীতে আৰু সমগ্ৰ কালছোৱাত পাঠ্যক্ৰমত নৈতিকতাৰ উপাদান সন্নিৱিষ্ট কৰোৱাটো অতি গুৰুত্বপূৰ্ণ।

এইদৰে, বিদ্যালয়ৰ সমগ্ৰ পাঠ্যক্ৰমতে মৌলিক নৈতিক বিচাৰধাৰা অন্তৰ্ভুক্ত হ'ব লাগে। ছাত্ৰ-ছাত্ৰীসকলক সঠিক কাম কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে কম বয়সতে চিন্তা কৰিবলৈ উৎসাহিত কৰিব লাগে আৰু নৈতিক সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত এটা যুক্তিসংগত ৰূপৰেখা দিব লাগে, যেনে— 'মোৰ এই কামে কাৰোৱাক আঘাত কৰিব নেকি?', 'সেইটো কাম কৰাটো ভাল নেকি?' এইবোৰ প্ৰশ্ন শিশুসকলক দৈনন্দিন শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ অংশ হিচাপে কোনো সিদ্ধান্ত লোৱাৰ আগতে নিজকে সুধিবলৈ উৎসাহিত কৰিব লাগে। শিক্ষাৰ পৰৱৰ্তী পৰ্যায়সমূহত বিস্তৃত বিষয়বস্তু সামৰি (যেনে— সহনশীলতা, অহিংসা, সততা, সমতা, সহানুভূতিশীলতা) শিশুৱে যাতে নিজৰ জীৱন পৰিচালনা কৰাৰ ক্ষেত্ৰত নৈতিক মূল্যবোধক আঁকোৱালি ল'ব পাৰে, একাধিক দৃষ্টিকোণৰ পৰা এটা নৈতিক বিষয় সম্পৰ্কে এক স্থিতি বা যুক্তি প্ৰদান কৰিব পাৰে আৰু দৈনন্দিন সকলো কামতে নীতি আৰু নৈতিকতাৰ গুৰুত্ব দিয়ে তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ্থীক সক্ষম কৰাৰ উদ্দেশ্যৰে এই ৰূপৰেখা সম্প্ৰসাৰিত কৰিব লাগে।

শ্ৰেণীত প্ৰত্যক্ষ পদ্ধতিৰে, নীতি আৰু নৈতিক সচেতনতা আৰু বিচাৰধাৰাক বিকাশ কৰিবলৈ বিশেষভাৱে তৈয়াৰ কৰা শ্ৰেণীকোঠাৰ কাৰ্যাৱলী, আলোচনা আৰু পঠন সাহাৰ্য কৰিব পাৰি। পৰোক্ষ পদ্ধতিত, ভাষা আৰু সাহিত্যৰ বিষয়সূচীত দেশপ্ৰেম, ত্যাগ, অহিংসা, সত্য, সততা, শান্তি, সৎ আচৰণ, ক্ষমা, সহনশীলতা, সহানুভূতি, সৌজন্যতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, সমতা আৰু ভাতৃত্ববোধ আদিৰ দৰে নৈতিক মূল্যবোধসমূহ আলোচনাত অন্তৰ্ভুক্ত কৰিব পাৰি।

মৌলিক নৈতিক বিচাৰধাৰাৰ পৰিণতি হিচাপে সেৱা, অহিংসা, স্বচ্ছতা, সত্য, নিঃস্বাৰ্থ কৰ্ম, কঠোৰ পৰিশ্ৰম, নাৰীক সন্মান জনোৱা, বয়োজ্যেষ্ঠসকলৰ প্ৰতি সন্মান জনোৱা, সকলো মানুহ আৰু তেওঁলোকৰ অন্তৰ্নিহিত সামৰ্থৰ প্ৰতি সন্মান আৰু পৰিৱেশৰ প্ৰতি সন্মান আদিৰ দৰে ভাৰতীয় পৰম্পৰামূলক মূল্যবোধসমূহৰ বিকাশ কৰা হ'ব। বৈজ্ঞানিকভাৱে ক'বলৈ গ'লে এই গুণসমূহ সমাজৰ কাৰণে অতি জৰুৰী।

সকলো স্তৰতে শিক্ষাৰ প্ৰক্ৰিয়া আৰু বিষয়সূচীয়ে সকলো ছাত্ৰ-ছাত্ৰীৰ সাংবিধানিক মূল্যবোধৰ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত ইয়াৰ অনুশীলনৰ বাবে সামৰ্থৰ বিকাশকো লক্ষ্য কৰি ল'ব। এই লক্ষ্যই পাঠ্যক্ৰমৰ লগতে প্ৰতিখন বিদ্যালয়ৰ সামগ্ৰিক সংস্কৃতি আৰু পৰিৱেশৰ বিষয়ে অৱগত কৰিব। সাংবিধানিক মূল্যবোধসমূহৰ এনে কেইটামান হ'ল— গণতান্ত্ৰিক দৃষ্টিভঙ্গী আৰু স্বাধীনতা আৰু স্বতন্ত্ৰতাৰ প্ৰতি দায়বদ্ধতা, সমতা, ন্যায় আৰু ন্যায়পৰায়ণতা, বৈচিত্ৰ্য, বহুত্ব আৰু অন্তৰ্ভুক্তিক আকোৱালি লোৱা, মানৱীয়তা আৰু ভ্ৰাতৃত্ববোধ, সামাজিক দায়বদ্ধতা আৰু সেৱাৰ মনোভাৱ, সততা আৰু নৈতিকতা, বৈজ্ঞানিক দৃষ্টিভংগী আৰু যুক্তিসংগত আৰু ৰাজহুৱা আলোচনাৰ প্ৰতি দায়বদ্ধতা, শান্তি, সাংবিধানিক উপায়েৰে সামাজিক কাৰ্য, জাতিৰ ঐক্য আৰু অখণ্ডতা, ভাৰতীয় হিচাপে গৌৰৱবোধ কৰা আৰু প্ৰগতিৰ পথত আগুৱাই নিয়াত দৃঢ় সংকল্প।

বৈজ্ঞানিকভাৱে কৰা সূক্ষ্ম আৰু সুদীৰ্ঘ সাম্প্ৰতিক গৱেষণাই বিদ্যালয়ত সামাজিক-আৱেগিক শিকন (SEL)ৰ প্ৰৱৰ্তনে বৌদ্ধিক আৰু আৱেগিক সহনশীলতা উন্নত কৰিব পাৰে আৰু গঠনমূলক সামাজিক কাম-কাজত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। সামাজিক-আৱেগিক শিকনক উৎসাহিত কৰা কাৰ্যকলাপৰ উদাহৰণৰ ভিতৰত দলীয় বা গোট হিচাপে কাৰ্য বা কাম সম্পন্ন কৰা, বিভিন্ন বয়সৰ খেল আয়োজন কৰা, ভূমিকা পালন আৰু সংঘাত সমাধান কৰা, দয়াৰ কাহিনী আলোচনা কৰা আৰু চিন্তনমূলক লিখন, কথন আৰু শিল্প। সামাজিক-আৱেগিক দক্ষতাৰ উপযুক্ত প্ৰশিক্ষণে উচ্চ পৰ্যায়ৰ মনোযোগ, আৱেগিক আৰু বৌদ্ধিক নিয়ন্ত্ৰণ নিশ্চিত কৰে। ই কেৱল ব্যক্তিৰ স্বাচ্ছন্দ্যবোধ, আনৰ প্ৰতি সহানুভূতি দৃষ্টি আৰু মানসিক চাপ হ্ৰাস কৰাৰ বাবেই প্ৰয়োজনীয় নহয়, ইয়াৰ ফলত শৈক্ষিক সফলতাও বৃদ্ধি পায়।

ভাৰতীয় সাহিত্য আৰু জনসাধাৰণৰ পৰা প্ৰেৰণাদায়ক পাঠসমূহক প্ৰাসঙ্গিকভাৱে সমগ্ৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰিব লাগে। ব্যক্তিৰ জীৱন আৰু কাহিনীৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ এক দীঘলীয়া ইতিহাস আৰু পৰম্পৰা আছে যিয়ে আমাক ওপৰত উল্লেখ কৰা মৌলিক মূল্যবোধ আৰু সামাজিক-আৱেগিক শৈলীৰ বিষয়ে সুন্দৰ শিক্ষা প্ৰদান কৰে। শিশুসকলক ভাৰতীয় পৰম্পৰাৰ পৰা পঞ্চতন্ত্ৰ, জাতক, হিতোপদেশ আৰু আন আন আমোদজনক উপকথা আৰু প্ৰেৰণাদায়ক লোক-কথাৰ মৌলিক কাহিনীসমূহ পঢ়িবলৈ আৰু শিকিবলৈ সুযোগ দিব লাগে। ভাৰতীয় সংবিধান তথা সমতা, স্বাধীনতা আৰু ভ্ৰাতৃত্ববোধৰ মূল্যবোধক প্ৰতিফলিত কৰা আলোচনাসমূহ নিশ্চিতভাৱে শ্ৰেণীকোঠাৰ শিক্ষা প্ৰক্ৰিয়াৰ অংশ হ'ব লাগে। ইতিহাসৰ মহান ভাৰতীয় বীৰসকলৰ জীৱনৰ কাহিনীবোৰো শিশুৰ প্ৰাথমিক মূল্যবোধক অনুপ্ৰাণিত আৰু জাগ্ৰত কৰাৰ এক উৎকৃষ্ট উপায়।

বুনিয়াদী পৰ্যায়ৰ কাৰণে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত নৈতিকতা, মূল্যবোধ গুণসমূহ, শিকন প্ৰত্যাশাসমূহ শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ ভিত্তি হিচাপে, বিষয়সূচীৰ নিৰ্বাচনত, শিকন শৈলীৰ পদ্ধতি আৰু মূল্যায়নৰ আহিলা নিৰ্ধাৰণ আদিৰ দিশত নিহিত আছে। অৱশ্যে এনেকুৱা অৰ্হতাও আছে যিয়ে মূল্যবোধক দাঙি ধৰে, উদাহৰণস্বৰূপে— 'আৰ্তজন (জীৱ-জন্তু, উদ্ভিদ আদিকে ধৰি)ৰ ওচৰত যেতিয়া তেওঁলোকে বিচাৰে দয়া আৰু সহায় প্ৰদৰ্শন কৰিব লাগে'। ই এক অৰ্হতা যিয়ে কৰুণাৰ মূল্যক মূৰ্ত্ত কৰি তুলিছে। শিশুৰ বিকাশৰ ধাৰালৈ লক্ষ্য কৰিলে সেইটো ভালদৰে বুজা যায় যে শিশুৱে এই মূল্যবোধৰ ধাৰণা আৰু ইয়াৰ অনুশীলনসমূহ সৰ্বোত্তমভাৱে শিকে যেতিয়া ই পাঠদান, শিকন প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংশ হয়।

# খণ্ড 2.4

# অৰ্হতা ঃ

এই খণ্ডত পাঠ্যক্ৰমৰ প্ৰত্যেকটো লক্ষ্যৰ কাৰণে নিৰ্ধাৰিত অৰ্হতাৰ বৰ্ণনা কৰা হৈছে। এই অৰ্হতাসমূহক পাঠ্যক্ৰম ৰচয়িতাসকলৰ বাবে এক দৃষ্টিভংগী লোৱাৰ পৰিৱৰ্তে নিৰ্দেশাৱলী হিচাপেহে প্ৰদান কৰা হৈছে।

অৰ্হতাসমূহক **চি** -১.১, **চি** -১.২ এইধৰণে ক্ৰমিক সংখ্যা প্ৰদান কৰা হৈছে

## 2.4.1 ক্ষেত্ৰ ঃ শাৰীৰিক বিকাশ-

| | | |
|---|---|---|
| **চিজি - ১**<br>শিশুৱে তেওঁলোকক সুস্থ আৰু সুৰক্ষিত ৰখাৰ অভ্যাস গঢ়ি তোলা | চি - ১.১ | পুষ্টিকৰ খাদ্যৰ প্ৰতি আগ্ৰহ প্ৰকাশ, পুষ্টিকৰ খাদ্যৰ সম্পৰ্কে বুজি পোৱা আৰু খাদ্য অপচয় নকৰা |
| | চি - ১.২ | প্ৰাথমিক আত্ম-পৰিচৰ্যা আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ অভ্যাস কৰা |
| | চি - ১.৩ | বিদ্যালয়ৰ শ্ৰেণীকোঠা পৰিস্কাৰ-পৰিচ্ছন্ন আৰু সু-সংগঠিত কৰি ৰাখে |
| | চি - ১.৪ | সামগ্ৰী আৰু সাধাৰণ সঁজুলিৰ নিৰাপদ ব্যৱহাৰ কৰা |
| | চি - ১.৫ | সঞ্চালনত সাৱধানতা (খোজ কাঢ়া, দৌৰা, চাইকেল চলোৱা)ত সুৰক্ষাৰ প্ৰতি সজাগতা দেখুওৱা |
| | চি - ১.৬ | অসুৰক্ষিত পৰিস্থিতি বুজি পোৱা আৰু সহায় বিচৰা |
| **চিজি - ২**<br>শিশুসকলৰ সংজ্ঞানাত্মক/ সংবেদনাত্মক উপলব্ধি কৰিব পৰা | চি - ২.১ | আকৃতি, ৰং আৰু ছায়াৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা |
| | চি - ২.২ | চিহ্ন আৰু উপস্থাপনৰ বাবে দৃশ্য, স্মৃতিশক্তিৰ বিকাশ |
| | চি - ২.৩ | শব্দ আৰু শব্দৰ বিভিন্ন ধৰণক ইয়াৰ বিস্তাৰ, তাল আৰু তীক্ষ্ণতা বা মাত্ৰা সহায়ত পৃথক কৰা |
| | চি - ২.৪ | বিভিন্ন প্ৰকাৰৰ গোন্ধ আৰু সোৱাদক পৃথক কৰা |
| | চি - ২.৫ | স্পৰ্শানুভূতিক প্ৰভেদ কৰা শক্তিৰ বিকাশ কৰা |
| | চি - ২.৬ | তেওঁলোকৰ অভিজ্ঞতাৰ প্ৰতি সামগ্ৰিক সজাগতা লাভ কৰিবলৈ ইন্দ্ৰিয়লব্ধ সংবেদনৰ সংবোধনক একত্ৰিত কৰিবলৈ আৰম্ভ কৰা |
| **চিজি - ৩**<br>শিশুৰ সুস্থ আৰু নমনীয় শৰীৰ গঢ়া | চি - ৩.১ | বিভিন্ন কাৰ্যকলাপ ইন্দ্ৰিয়ভিত্তিক উপলব্ধি আৰু শৰীৰ সঞ্চালনৰ মাজত সমন্বয় দেখুওৱা |
| | চি - ৩.২ | বিভিন্ন শাৰীৰিক কাৰ্যকলাপত ভাৰসাম্য, সমন্বয় আৰু নমনীয়তা দেখুওৱা |
| | চি - ৩.৩ | তেওঁলোকৰ হাত আৰু আঙুলিৰে কাম কৰাত নিখুঁততা আৰু নিয়ন্ত্ৰণ দেখুওৱা |
| | চি - ৩.৪ | বস্তু দাঙি লোৱা, খোজ কঢ়া আৰু দৌৰাত শক্তি আৰু সহ্য শক্তি দেখুৱায় |

## 2.4.2 ক্ষেত্ৰ ঃ সামাজিক-আৱেগিক আৰু নৈতিক বিকাশ-

| | | |
|---|---|---|
| **চিজি - ৪** শিশুৱে আৱেগিক বুদ্ধিমত্তা অৰ্থাৎ নিজৰ আৱেগক বুজিব আৰু পৰিচালনা কৰাৰ ক্ষমতা গঢ়ি তোলা | **চি-** ৪.১ | এটা পৰিয়াল আৰু সম্প্ৰদায়ৰ অন্তৰ্গত ব্যক্তি হিচাপে 'অহংসত্তা'ক স্বীকৃতি দিবলৈ আৰম্ভ কৰা |
| | **চি-** ৪.২ | বিভিন্ন আৱেগক চিনাক্ত কৰা আৰু সেইবোৰক উপযুক্তভাৱে নিয়ন্ত্ৰণ কৰাৰ স্বতঃস্ফূৰ্ত প্ৰচেষ্টা চলোৱা |
| | **চি-** ৪.৩ | আন শিশু আৰু প্ৰাপ্তবয়স্কসকলৰ সৈতে আনন্দেৰে দ্বিধাহীনভাৱে মত-বিনিময় কৰা |
| | **চি-** ৪.৪ | আন শিশুৰ লগত সহযোগিতামূলক আচৰণ দেখুওৱা |
| | **চি-** ৪.৫ | শ্ৰেণীকোঠা আৰু বিদ্যালয়ত সামাজিক নীতি নিয়মসমূহ বুজি পায় আৰু ইতিবাচক সঁহাৰি জনোৱা |
| | **চি-** ৪.৬ | আনৰ প্ৰতি (জীৱ-জন্তু, উদ্ভিদ আদিকে ধৰি) প্ৰয়োজন অনুযায়ী দয়া আৰু সহায় কৰা |
| | **চি-** ৪.৭ | অন্য শিশুৰ ভিন্ন চিন্তা, পছন্দ আৰু আৱেগিক প্ৰয়োজনীয়তা বুজি পায় আৰু ইতিবাচকভাৱে সঁহাৰি জনোৱা |
| **চিজি-** ৫ শিশুৱে উৎপাদনশীল কৰ্ম আৰু 'সেৱা'ৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি তোলা | **চি-** ৫.১ | আনক সহায় কৰাৰ বাবে বয়স অনুসৰি শাৰীৰিক কামৰ প্ৰতি ইচ্ছা আৰু অংশগ্ৰহণ প্ৰদৰ্শন কৰা |
| **চিজি-** ৬ শিশুৱে নিজৰ চৌপাশে থকা প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি ইতিবাচক দৃষ্টিভঙ্গী গঢ়ি তোলা | **চি-** ৬.১ | সকলো জীৱৰ সৈতে জড়িত হোৱাৰ ক্ষেত্ৰত যত্ন আৰু আনন্দ দেখুওৱা |

## 2.4.3 ক্ষেত্ৰ ঃ বৌদ্ধিক বিকাশ-

| | |
|---|---|
| **চিজি-** ৭ শিশুৱে পৰ্যৱেক্ষণ আৰু যুক্তিসংগত চিন্তাৰে চৌপাশৰ জগতখনক অনুধাৱন কৰা | চি- ৭.১ বিভিন্ন শ্ৰেণীৰ বস্তু আৰু সিহঁতৰ মাজৰ সম্পৰ্ক পৰ্যৱেক্ষণ কৰে আৰু বুজি পোৱা<br>চি- ৭.২ সাধাৰণ পূৰ্ব অনুমানৰ জৰিয়তে প্ৰকৃতিত কাৰণ আৰু প্ৰভাৱৰ সম্পৰ্ক পৰ্যৱেক্ষণ কৰে আৰু বুজি পায়। এই পৰ্যৱেক্ষণৰ দ্বাৰা এই পূৰ্ব অনুমানৰ ব্যাখ্যা কৰা<br>চি- ৭.৩ দৈনন্দিন জীৱনৰ পৰিস্থিতি আৰু শিক্ষণৰ বাবে উপযুক্ত সঁজুলি আৰু প্ৰযুক্তি ব্যৱহাৰ কৰা |
| **চিজি-** ৮ শিশুৱে সংখ্যা, আকাৰ আৰু পৰিমাপণৰ জৰিয়তে পৃথিৱীখনক চিনি পাবলৈ গাণিতিক বোধ আৰু সক্ষমতা গঢ়ি তোলা | চি- ৮.১ এটাতকৈ অধিক বিশেষত্বৰ ওপৰত ভিত্তি কৰি বস্তুসমূহ গোট আৰু উপগোটত ভাগ কৰা<br>চি- ৮.২ তেওঁলোকৰ চৌপাশ, আকৃতি আৰু সংখ্যাসমূহক চিনাক্ত কৰে আৰু সৰল আৰ্হিলৈ সম্প্ৰসাৰণ কৰা<br>চি- ৮.৩ ১ ৰ পৰা ৯৯ লৈকে আগলৈ আৰু পিছলৈ ১০ আৰু ২০ৰ বৰ্গত গণনা কৰা<br>চি- ৮.৪ ৯৯ লৈকে সংখ্যাসমূহ আৰোহী আৰু অৱৰোহী ক্ৰমত সজাই তোলা<br>চি- ৮.৫ দশমিক স্থানৰ জ্ঞানসহ ৯৯ পৰ্যন্ত সংখ্যাক প্ৰতিনিধিত্ব কৰিবলৈ সংখ্যা চিনাক্ত আৰু ব্যৱহাৰ কৰা<br>চি- ৮.৬ যোগ আৰু বিয়োগৰ নমনীয় কৌশল ব্যৱহাৰ কৰি সাৱলীলভাৱে দুটা সংখ্যাৰ যোগ আৰু বিয়োগৰ সম্পন্ন কৰা<br>চি- ৮.৭ বাৰে বাৰে কৰা যোগ হিচাপে পূৰণ আৰু সমান অংশীদাৰী হিচাপে হৰণক স্বীকৃতি দিয়া<br>চি- ৮.৮ মৌলিক জ্যামিতিক আকৃতি আৰু ইয়াৰ পৰ্যৱেক্ষণযোগ্য ধৰ্মসমূহ চিনাক্ত কৰা<br>চি- ৮.৯ ওচৰৰ পৰিৱেশত থকা বস্তুৰ দৈৰ্ঘ্য, ওজন আৰু আয়তনৰ সাধাৰণ জোখ-মাখ কৰা<br>চি- ৮.১০ মিনিট, ঘণ্টা, দিন, সপ্তাহ আৰু মাহত সময়ৰ সাধাৰণ জোখ-মাখ প্ৰদৰ্শন কৰা<br>চি- ৮.১১ ১০০ টকা পৰ্যন্ত ধন ব্যৱহাৰ কৰি সামান্য লেন-দেন কৰা<br>চি- ৮.১২ পৰিমান, আকৃতি, স্থান আৰু জোখৰ সৈতে জড়িত ধাৰণা আৰু পদ্ধতিসমূহ বুজিবলৈ আৰু প্ৰকাশ কৰিবলৈ পৰ্যাপ্ত আৰু উপযুক্ত শব্দভাণ্ডাৰ বিকাশ<br>চি- ৮.১৩ পৰিমাণ, আকৃতি, স্থান আৰু জোখৰ সৈতে জড়িত সৰল গাণিতিক সমস্যাসমূহ গঠন আৰু সমাধান কৰা |

## 2.4.4 ক্ষেত্ৰ ঃ ভাষা আৰু সাহিত্যৰ বিকাশ-

| | |
|---|---|
| চিজি- ৯<br>প্ৰথম ভাষাত পঠন আৰু লিখনত শিশুৱে বাকপটুতা | চি- ৯.১ সৰল গীত, মিত্ৰাক্ষৰিক পদ্য আৰু কবিতা শুনে আৰু ৰস উপলব্ধি কৰে।<br>চি- ৯.২ তেওঁলোকে নিজে সাধাৰণ গীত আৰু কবিতা সৃষ্টি কৰা<br>চি- ৯.৩ সাৱলীলভাৱে আৰু অৰ্থপূৰ্ণভাৱে কথা-বতৰা পাতিব পৰা<br>চি- ৯.৪ এটা জটিল কামৰ বাবে প্ৰদান কৰা মৌখিক নিৰ্দেশনা বুজি পায় আৰু একে কামৰ বাবে স্পষ্ট মৌখিক নিৰ্দেশনা আনক দিব পৰা<br>চি- ৯.৫ বৰ্ণিত/পঠিত গল্পসমূহ ব্যাখ্যা কৰা আৰু চৰিত্ৰ, কাহিনী আৰু লেখকে ক'ব বিচৰা কথাখিনি চিনাক্ত কৰা<br>চি- ৯.৬ স্পষ্ট কাহিনী আৰু চৰিত্ৰৰে চুটিগল্প বৰ্ণনা কৰা<br>চি- ৯.৭ দৈনন্দিন পাৰস্পৰিক কাম-কাজ ফলপ্ৰসুভাৱে সম্পাদন কৰিবলৈ যথেষ্ট শব্দ ব্যৱহাৰ কৰে আৰু নিজৰ শব্দভাণ্ডাৰ ব্যৱহাৰ কৰি নতুন শব্দৰ অৰ্থ অনুমান কৰিব পৰা |
| চিজি- ১০<br>প্ৰথম ভাষাত পঠন আৰু লিখনত শিশুৰ বাকপটুতা | চি- ১০.১ ধ্বনিতাত্ত্বিক সচেতনতাৰ বিকাশ কৰে আৰু ধ্বনি/আখৰক শব্দত মিলাব আৰু শব্দক ধ্বনি/ প্ৰথম ভাষাত পঠন আৰু আখৰত বিভাজন কৰিবলৈ সক্ষম হোৱা<br>চি- ১০.২ কিতাপ এখনৰ মৌলিক গঠন, ছপা শব্দ আৰু ছপা হোৱা দিশৰ ধাৰণা বুজি পায় আৰু মৌলিক বিৰাম চিহ্ন চিনাক্ত কৰা<br>চি- ১০.৩ লিপিৰ বৰ্ণমালাৰ সকলো আখৰ (অক্ষৰৰ ৰূপ) চিনি পায় আৰু এই শব্দ জ্ঞান পঢ়া-লিখাত ব্যৱহাৰ কৰা<br>চি- ১০.৪ উপযুক্ত বিৰতি আৰু কণ্ঠৰ লয়েৰে কাহিনী আৰু অনুচ্ছেদ যথাযথ আৰু সাৱলীলভাৱে পঢ়িব পৰা<br>চি- ১০.৫ চুটি গল্প পঢ়ে আৰু ইয়াৰ অৰ্থ ব্যাখ্যা কৰে- চৰিত্ৰ, কাহিনীভাগ আৰু লেখকে ক'ব বিচৰা কথাবোৰ নিজাববীয়াকৈ বিচাৰ কৰা<br>চি- ১০.৬ চুটি কবিতা পঢ়ে আৰু কবিতাটোৰ শব্দ বাচনি আৰু কল্পনাশক্তিৰ বাবে শলাগ ল'বলৈ আৰম্ভ কৰা<br>চি- ১০.৭ চুটি বাতৰি, নিৰ্দেশনা, ৰেচিপি আৰু প্ৰচাৰ সামগ্ৰীৰ অৰ্থ পঢ়ে আৰু ব্যাখ্যা কৰা |
| চিজি- ১১<br>শিশুৱে দ্বিতীয় ভাষাত পঠন আৰু লিখন আৰম্ভ কৰা | চি- ১১.১ ধ্বনিতাত্ত্বিক সচেতনতাৰ বিকাশ কৰে আৰু ধ্বনি/অক্ষৰক শব্দত মিলাব আৰু শব্দক ধ্বনি/অক্ষৰত বিভাজন কৰিবলৈ সক্ষম হোৱা<br>চি- ১১.২ লিপিৰ বৰ্ণমালা (অক্ষৰৰ ৰূপ)ত সঘনাই ব্যৱহাৰ হোৱা আখৰবোৰ চিনি পোৱা আৰু সাধাৰণ শব্দ আৰু বাক্য পঢ়া আৰু লিখাত এই জ্ঞান ব্যৱহাৰ কৰা |

*১. বহুভাষিকতাৰ প্ৰয়োজনীয়তাৰ ওপৰত লক্ষ্য ৰাখি বেছিভাগ শ্ৰেণীকোঠাৰ বাবে এইটোৱে লক্ষ্য হ'ব লাগে, যে যিবোৰ পৰিস্থিতিত দ্বিতীয় ভাষা শিশুৰ বাবে অতি অচিনাকি, তেনে পৰিস্থিতিত বুনিয়াদী পৰ্যায়ৰ শেষত আৰু প্ৰাৰম্ভিক প্ৰস্তুতি পৰ্যায়ত একত্ৰিত হোৱা বহুতো সামৰ্থ (চি ৯.১ ৰ পৰা চি ৯.৭ লৈ) দ্বিতীয় ভাষাৰ বাবে উদীয়মান পৰ্যায়ৰ হ'ব পাৰে।*

*২ . L1 বা প্ৰথম ভাষা হৈছে ঘৰত ব্যৱহাৰ কৰা ভাষা/ মাতৃভাষা/ চিনাকি ভাষা আৰু L2 হৈছে প্ৰথম ভাষা বা ঘৰুৱা ভাষাতকৈ কম পৰিচিত ভাষা। L1 আৰু L2 ৰ ধাৰণাটো অধ্যায় ৩ ত অধিক বিস্তৃতভাৱে বৰ্ণনা কৰা হৈছে।*

## 2.4.5 ক্ষেত্ৰ ঃ নান্দনিক আৰু সাংস্কৃতিক বিকাশ—

| | |
|---|---|
| **চিজি-** ১২ শিশুৱে দৃশ্য আৰু পৰিৱেশ্য কলাৰ ক্ষমতা আৰু সংবেদনশীলতা বিকাশ কৰে আৰু শিল্পৰ মাজেৰে অৰ্থপূৰ্ণ আৰু আনন্দদায়কভাৱে নিজৰ আৱেগ প্ৰকাশ কৰা | **চি-** ১২.১বিভিন্ন আখৰৰ দ্বিমাত্ৰিক আৰু ত্ৰিমাত্ৰিক শিল্পকৰ্ম সৃষ্টি কৰিবলৈ বিভিন্ন সামগ্ৰী আৰু সঁজুলিৰ সৈতে অন্বেষণ কৰা আৰু খেলা<br>**চি-** ১২.২ সঙ্গীত, ভূমিকা পালন, নৃত্য আৰু সঞ্চালনমূলক কাৰ্য কৰিবলৈ নিজস্ব কণ্ঠ, শৰীৰ, স্থান আৰু বিভিন্ন বস্তুৰ সহায় অন্বেষণ কৰা আৰু খেলা<br>**চি-** ১২.৩ কলাৰ জৰিয়তে এক পৰিসৰত ধাৰণা আৰু আৱেগ প্ৰকাশ কৰিবলৈ কল্পনা প্ৰৱণতাৰে উদ্ভাৱন কৰা আৰু কাম কৰা<br>**চি-** ১২.৪ কলাৰ ক্ষেত্ৰত সহযোগিতামূলক কাম কৰা<br>**চি-** ১২.৫ শিল্পৰ বিভিন্ন ধৰণ, স্থানীয় সংস্কৃতি আৰু ঐতিহ্য সৃষ্টি আৰু অভিজ্ঞতা লাভ কৰাৰ সময়ত বিভিন্ন ধৰণৰ সঁহাৰিৰে যোগাযোগ স্থাপন কৰা আৰু শলাগ লোৱা |

## 2.4.5.1 যোগাত্মক শিকনৰ অভ্যাস ঃ

| | |
|---|---|
| **চিজি-** ১৩ শিশুৱে প্ৰয়োজনীয় শিকনৰ অভ্যাস গঢ়ি তোলা যিয়ে তেওঁলোকক বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ দৰে আনুষ্ঠানিক পৰিৱেশত সক্ৰিয়ভাৱে জড়িত হ'বলৈ অনুমতি দিয়ে | **চি-** ১৩.১ মনোযোগ আৰু ইচ্ছাকৃত কাৰ্যঃ নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ পৰিকল্পনা কৰাৰ, মনোযোগ কেন্দ্ৰীভূত কৰা আৰু প্ৰত্যক্ষ কল্পনাৰ দক্ষতা আহৰণ কৰা<br>**চি-** ১৩.২ স্মৃতিশক্তি আৰু মানসিক নমনীয়তাঃ পৰ্যাপ্ত কৰ্মৰত স্মৃতিশক্তি, মানসিক নমনীয়তা, (উপযুক্তভাৱে মনোযোগ বজাই ৰাখিবলৈ বা স্থানান্তৰিত কৰিবলৈ), আৰু আত্মনিয়ন্ত্ৰণ (আৱেগিক কাৰ্য বা সঁহাৰিক প্ৰতিহত কৰিবলৈ)ৰ বিকাশ ঘটায় যিয়ে তেওঁলোকক সংগঠিত পৰিৱেশত শিকনত সহায় কৰিব।<br>**চি-** ১৩.৩ পৰ্যৱেক্ষণ, আশ্চৰ্য, কৌতুহল আৰু অন্বেষণঃ বস্তুৰ, ক্ষুদ্ৰ বিৱৰণ পৰ্যৱেক্ষণ কৰা আৰু বিভিন্ন ইন্দ্ৰিয় ব্যৱহাৰ কৰি অন্বেষণ কৰে, প্ৰশ্ন কৰা আৰু আশ্চৰ্য প্ৰকাশ কৰে।<br>**চি-** ১৩.৪ শ্ৰেণীকোঠাৰ নীতি নিয়মৰ ক্ষেত্ৰত মাধ্যম আৰু বুজাবুজিৰে নীতি-নিয়ম গ্ৰহণ কৰা আৰু অনুসৰণ কৰা |

# খণ্ড 2.5

## দৃষ্টান্তমূলক শিকন ফলাফল ঃ

এই খণ্ডত প্ৰত্যেক ক্ষেত্ৰৰে একোটাকৈ অৰ্হতাক শিকন ফলাফল হিচাপে অধিক বিষদভাৱে উল্লেখ কৰা হৈছে। বুনিয়াদী পৰ্যায়ৰ কাৰণে শিকন ফলাফল কেনেকুৱা হ'ব পাৰে তাৰ এটা নিৰ্দেশনা উল্লেখ কৰিব পাৰি—

**ক. ক্ষেত্ৰ ঃ শাৰীৰিক বিকাশ-**

i. পাঠ্যক্ৰমৰ লক্ষ্য ঃ শিশুৰে ইন্দ্ৰিয়ভিত্তিক তীক্ষ্ণতা গঢ়ি তোলা

১. অৰ্হতা (চি-২.১) ঃ আকৃতি, ৰং আৰু ইয়াৰ ছায়াৰ মাজত পাৰ্থক্য থাকে।

*তালিকা ২.৫ ক*

**চি-২.১ ঃ আকৃতি, ৰং আৰু ইয়াৰ ছায়াৰ মাজত পাৰ্থক্য থাকে।**

*বয়স ৩-৮*

| | ক | খ | গ | ঘ | ঙ |
|---|---|---|---|---|---|
| ১ | প্ৰাথমিক ৰং-(ৰঙা, নীলা, হালধীয়া) আৰু ইয়াৰ পৰিৱেশৰ অন্যান্য সাধাৰণ ৰং (কলা, বগা, বাদামী)সমূহৰ পাৰ্থক্য নিৰ্ণয় আৰু নামাকৰণ কৰা | প্ৰাথমিক ৰং আৰু গৌণ ৰঙৰ ছায়াসমূহৰ পাৰ্থক্য নিৰ্ণয় কৰা (যেনে পাতল নীলা, গাঢ় নীলা, পাতল গাঢ় নীলা, পাতল সেউজীয়া, গাঢ় সেউজীয়া) | দুটা ৰং মিহলি হ'লে কি ৰঙ ওলাব তাৰ পূৰ্বানুমান কৰাৰ চেষ্টা কৰা (যেনে- নীলা আৰু হালধীয়াই সেউজীয়া ৰঙ সৃষ্টি কৰে, বা ৰঙা আৰু বগাই (গোলাপী) | দুটা ৰং মিহলি কৰিলে কি ৰং হ'ব তাৰ পূৰ্বানুমান কৰা | শিল্পৰূপ আৰু অঙ্কণ, ৰূপসজ্জা, প্ৰদৰ্শনত ৰঙৰ ব্যৱহাৰ আৰু পৰীক্ষা কৰা |
| ২ | বস্তুবোৰৰ ৰঙৰ ওপৰত নিৰ্ভৰ কৰি গোট সৃষ্টি কৰা (যেনে- সকলো ৰঙা বস্তু একেলগে) | মাত্ৰাৰ ওপৰত ভিত্তি কৰি বস্তুসমূহক গোট কৰা- দৈৰ্ঘ্য, প্ৰস্থ, উচ্চতা (যেনে- সকলো দীঘল বস্তু একেলগে) | ৰং আৰু আকৃতিৰ দৃশ্যমান বৈশিষ্ট্যৰ সংমিশ্ৰণৰ ওপৰত ভিত্তি কৰি বস্তুসমূহক গোট কৰা (যেনে- সকলো ৰঙা ত্ৰিভূজ একেলগে, সকলো ডাঙৰ পাত একেলগে) | বিভিন্ন আকৃতি, ৰং আৰু ছায়াৰ চিনাক্তকৰণ আৰু গোট ব্যৱহাৰ কৰি আৰ্হি তৈয়াৰ কৰে, প্ৰহেলিকা সমাধান কৰা | |

**খ. ক্ষেত্ৰ ঃ সামাজিক-আৱেগিক আৰু নৈতিক বিকাশ-**

i. পাঠ্যক্ৰমৰ লক্ষ্য (**চিজি-৫**) শিশুসকলে উৎপাদনশীল কাম আৰু সেৱা বা 'সেৱা'ৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি তোলে।

১. অৰ্হতা (চি-৫.১) বিদ্যালয় বা ঘৰত বয়স অনুসৰি কামত লিপ্ত হয়।

তালিকা ২.৫ খ

| ক | খ | গ | ঘ | ঙ |
|---|---|---|---|---|

**চি-৫.১ ঃ আনক সহায় কৰাৰ বাবে বয়স অনুসৰি কামৰ প্ৰতি ইচ্ছা আৰু অংশগ্ৰহণ কৰে**

*বয়স ৩-৮*

| | | | | | |
|---|---|---|---|---|---|
| ১ | ব্যৱহাৰৰ পিছত সামগ্ৰী আৰু পুতলাসমূহ সিহঁতৰ উপযুক্ত স্থানত ৰাখা | শ্ৰেণীকোঠা সংগঠিত কৰাত শিক্ষকক সহায় কৰা | • খাদ্য খোৱাৰ পিছত নিজৰ নিজৰ প্লেট বা টিফিন পৰিষ্কাৰ কৰা<br>• ঘৰত বা বিদ্যালয়ত ৰুচিপূৰ্ণ কাম কৰা (যেনে- পুতলা ৰখা, গছ-গছনিত পানী দিয়া) | অংকুৰণ কৰি স্থানীয় গছৰ পুলিৰ যত্ন লোৱা | • শিক্ষকসকলক টি এল এম সৃষ্টি কৰাত সহায় কৰা<br>• পৰিষ্কাৰ কৰা আৰু কটা-কুটা কৰাত সহায় কৰা |

**গ. ক্ষেত্ৰ ঃ বৌদ্ধিক বিকাশ**

ii. পাঠ্যক্ৰমৰ লক্ষ্য (চিজি-৮) শিশুৱে সংখ্যা, আকাৰ আৰু পৰিমাপণৰ জৰিয়তে পৃথিৱীখনক চিনি পাবলৈ গাণিতিক বোধ আৰু সক্ষমতা গঢ়ি তোলা

*তালিকা ২.৫ গ*

| ক | খ | গ | ঘ | ঙ |
|---|---|---|---|---|

**চি-৮.৪ ঃ অৰ্হতা (চি-৮.৪) ঃ ৯৯ লৈকে সংখ্যাসমূহ আৰোহী আৰু অৱৰোহী ক্ৰমত সজাই তোলা**

*বয়স ৩-৮*

| | | | | | |
|---|---|---|---|---|---|
| ১ | চিনাকি ঘটনা/ পৰিঘটনা বা বস্তুক ক্ৰম অনুযায়ী সজায় (যেনে- দৈনিক দিনচৰ্যা, কাহিনী, আকৃতি আকাৰ - ২ পৰা ৩ লৈ) | তৃতীয় স্তৰলৈকে আকাৰৰ ওপৰত ভিত্তি কৰি বস্তুসমূহক ক্ৰমত সাজি উলিওৱা আৰু ইয়াৰ স্তৰসমূহ মৌখিকভাৱে ক'ব পাৰা (ডাঙৰ-সৰু-সৰু; দীঘল-চুটি-চুটি; ওখ-চুটি-চুটি) | আকাৰ/দৈৰ্ঘ্য/ ওজনৰ ওপৰত ভিত্তি কৰি ৫ টা লৈকে বস্তু উৰ্ধক্ৰম বা অৰ্ধক্ৰমত সাজি উলিওৱা | বস্তুৰ বিভিন্ন ধৰ্মৰ ওপৰত ভিত্তি কৰি বস্তুৰ একোটা সমধৰ্মী গোটৰ ব্যৱস্থা কৰা (যেনে- আকাৰ দৈৰ্ঘ্য, ওজন আৰু ৰং অনুসৰি) | এটা নিৰ্দিষ্ট সংখ্যাৰ গোটৰ পৰা সংখ্যাবোৰক আৰোহী আৰু অৱৰোহী ক্ৰমত সজোৱা |

**ঘ. ক্ষেত্ৰ ঃ ভাষা আৰু সাহিত্যৰ বিকাশ-**

i. পাঠ্যক্ৰমৰ লক্ষ্য (চিজি-১০) শিশুৱে প্ৰথম ভাষাত পঠন আৰু লিখনত সাৱলীলতা গঢ়ি তোলা।

১. অৰ্হতা (চি-১০.৫) - চুটি গল্প পঢ়ে আৰু ইয়াৰ অৰ্থ ব্যাখ্যা কৰে- চৰিত্ৰ, কাহিনীভাগ আৰু লেখকে ক'ব বিচৰা কথাবোৰ নিজাববীয়াকৈ চিনাক্ত কৰা

*তালিকা ২.৫ ঘ*

**(চি-১০.৫) - চুটি গল্প পঢ়ে আৰু ইয়াৰ অৰ্থ বাখ্যা কৰে- চৰিত্ৰ, কাহিনীভাগ আৰু লেখকে ক'ব বিচৰা কথাবোৰ নিজাববীয়াকৈ চিনাক্ত কৰা**

*বয়স ৩-৮*

| | ক | খ | গ | ঘ | ঙ |
|---|---|---|---|---|---|
| ১ | 'ডাঙৰকৈ পঢ়ে' শুনে আৰু শিক্ষকে শোধা প্ৰশ্নৰ উত্তৰ দিব পৰা | শিক্ষকৰ সৈতে লগ হৈ পঠন আৰু পঠনৰ বিষয়ে আলোচনাত অংশগ্ৰহণ কৰা | শিক্ষকৰ সৈতে আৰু পঠনৰ বিষয়ে আলোচনাত ভাগ লোৱা আৰু 'নিৰ্দেশিত পঠন'ত অংশগ্ৰহণ কৰা | সমপৰ্যায়ৰ পাঠ্য আৰু দৃশ্যগত বিষয়বস্তুৰ কিতাপৰ স্বাধীন পঠন' আৰম্ভ কৰা | দৃশ্যগত বিষয়বস্তুতকৈ অধিক পাঠ্য বিষয়বস্তুৰ কিতাপৰ স্বাধীন পঠন আৰম্ভ কৰা |
| ২ | ছবিৰ কিতাপ অধ্যয়ন কৰে আৰু বস্তু আৰু কাৰ্য চিনাক্ত কৰা | ছবিৰ কিতাপ অধ্যয়ন কৰি চৰিত্ৰ আৰু কাহিনী চিনাক্ত কৰা আৰু কাহিনীটো চুটি ক্ৰমত বৰ্ণনা কৰা | চুটি সৰল পাঠ্যৰে কিতাপ উচ্চস্বৰে পঢ়িব পৰা আৰু দৃশ্যমান আৰু পাঠ দুয়োটা ব্যৱহাৰ কৰি কাহিনীটো পুনৰাই কবলৈ সঠিক ক্ৰম আৰু বৰ্ণনাৰ ব্যৱহাৰ কৰা | অচিনাকি চুটি গল্পৰে পঠন আৰম্ভ কৰা আৰু শিক্ষকৰ পৰা লাভ কৰা নিৰ্দেশনাৰে বৰ্ণনা কৰা; কাহিনী আৰু চৰিত্ৰ চিনাক্ত কৰা | লেখকৰ দৃষ্টিভঙ্গী, চৰিত্ৰ, কাহিনী, পঢ়া আৰু চিনাক্ত কৰা |

ঙ. **ক্ষেত্ৰঃ নান্দনিক আৰু সাংস্কৃতিক বিকাশ-**

i. পাঠ্যক্ৰমৰ লক্ষ্য (চিজি-১২) শিশুৱে দৃশ্য আৰু পৰিৱশ্য কলাৰ ক্ষমতা আৰু সংবেদনশীলতা বিকাশ কৰে আৰু শিল্পৰ মাজেৰে অৰ্থপূৰ্ণ আৰু আনন্দদায়কভাৱে নিজৰ আৱেগ প্ৰকাশ কৰা

১. অৰ্হতা (চি-১২.১) বিভিন্ন আকাৰৰ দ্বিমাত্ৰিক আৰু ত্ৰিমাত্ৰিক শিল্প কৰ্ম সৃষ্টি কৰিবলৈ বিভিন্ন সামগ্ৰী আৰু সঁজুলিৰ সৈতে অন্বেষণ কৰা আৰু খেলা

*তালিকা ২.৫ ঙ*

ক খ গ ঘ ঙ

**চি-১২-১ ঃ বিভিন্ন আকাৰৰ দ্বিমাত্ৰিক আৰু ত্ৰিমাত্ৰিক শিল্প কৰ্ম সৃষ্টি কৰিবলৈ বিভিন্ন সামগ্ৰী আৰু সঁজুলিৰ সৈতে অন্বেষণ কৰা আৰু খেলা**

*বয়স ৩-৮*

| | | | | |
|---|---|---|---|---|
| ১ | প্ৰাসঙ্গিক শিল্প সামগ্ৰী, সঁজুলি আৰু বাদ্যযন্ত্ৰ ধৰি লব পৰা | শিল্প সামগ্ৰী, সঁজুলি আৰু যন্ত্ৰপাতি (যেনে- লাঠি, বীজ, শিলগুটি, চক, সূতা, পেঞ্চিল, ব্ৰাছ, ক্ৰেয়ন, কেঁচি) ব্যৱহাৰ কৰাৰ সময়ত বিভিন্ন ধৰণৰ মুঠি আৰু গ্ৰীপ অন্বেষণ কৰা | ডাঠ আৰু পাতল চাপ চিহ্ন ৰেখা সৃষ্টি কৰিবলৈ সঁজুলি ব্যৱহাৰ কৰাৰ সময়ত চাপ সলনি কৰিবলৈ সক্ষম হোৱা | |
| | দৃশ্য কলা কৰ্মত চিহ্ন, ৰেখা, স্ক্ৰেব'ল, আৰু অন্যান্য দ্বিমাত্ৰিক, ত্ৰিমাত্ৰিক শিল্পকৰ্ম সৃষ্টি কৰাৰ সময়ত ডাঙৰ আৰু সৰু আকাৰ অন্বেষণ কৰা | সমনীয়া, সুবিধা প্ৰদানকাৰী, আৰু স্থানীয় সম্প্ৰদায়ৰ সহায়ত বৃহৎ পৰিসৰৰ কাম (যেনে- মজিয়াত ৰংগোলী, দেৱালৰ মিউৰেল ভাস্কৰ্যৰ ৰূপ) তৈয়াৰ কৰা | উপলব্ধ স্থান আৰু সামগ্ৰীৰ ওপৰত ভিত্তি কৰি নিজৰ কামক ডাঙৰ আৰু সৰু আকাৰত কৰিবলৈ (যেনে- সৰু মাটিৰ পুতলা, বা ডাঙৰ পুতলা সঁজোৱা) সক্ষম হোৱা | |
| | সামগ্ৰী (যেনে-বোকা আৰু পানী, বালি আৰু পানী, আৰু পানী ৰং আৰু পানী) মিহলায় ৰূপ আৰু চাপ সৃষ্টি কৰা | মাটিৰ লডাৰে দৰে সামগ্ৰী ৰোলিং আৰু পেটিং কৰি ত্ৰিমাত্ৰিক ৰূপ সৃষ্টি কৰা | • নিজৰ ব্যৱস্থাত বিভিন্ন সামঞ্জস্য, ৰং আৰু টেক্সাৰ একত্ৰিত কৰি কোলাজ সৃষ্টি কৰা<br>• বিভিন্ন ধৰণৰ সামগ্ৰী আৰু বস্তুৰ সংমিশ্ৰণেৰে ত্ৰিমাত্ৰিক ব্যৱস্থা সৃষ্টি কৰা | |
| ২ | ব্লক, ষ্টেনচিল, আৰু প্ৰাকৃতিকভাৱে পোৱা সামগ্ৰী ব্যৱহাৰ কৰি চাপ সৃষ্টি কৰা | ব্লক, ষ্টেনচিল আৰু প্ৰাকৃতিকভাৱে পোৱা সামগ্ৰী ব্যৱহাৰ কৰি সহজ আৰ্হি সৃষ্টি কৰা | সামগ্ৰীক বিভিন্ন আকাৰ, গঠন, গ্ৰন্থন আৰু ৰঙেৰে একত্ৰিত কৰি আৰ্হি তৈয়াৰ কৰা | এটা সামগ্ৰীকে ইয়াৰ বিভিন্ন প্ৰকাৰৰ প্ৰয়োগৰ জৰিয়তে বিভিন্ন ধৰণৰ গঠনবিন্যাস সৃষ্টি কৰা (মাটি, কাপোৰ, কাগজ, ৰবৰ, কাঠ) |

চ. পাঠ্যক্ৰমৰ লক্ষ্য (চিজি-১৩) শিশুৱে শিক্ষণৰ অভ্যাস গঢ়ি তোলে যিয়ে তেওঁলোকক বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ দৰে আনুষ্ঠানিক শিক্ষণ পৰিৱেশত সক্ৰিয়ভাৱে জড়িত হ'বলৈ অনুমতি দিয়া

অৰ্হতা (চি-১৩.৪) শ্ৰেণীকোঠাৰ নীতি নিয়ম ঃ মাধ্যম আৰু বুজাবুজিৰে নীতি-নিয়ম গ্ৰহণ কৰা আৰু অনুসৰণ কৰা

*তালিকা ২.৫ চ*

**চি-১৩.৪ শ্ৰেণীকোঠাৰ নীতি-নিয়ম ঃ এজেন্সী আৰু বুজাবুজিৰে নীতি-নিয়ম গ্ৰহণ কৰা আৰু অনুসৰণ কৰা**

*বয়স ৩-৮*

| | ক | খ | গ | ঘ | ঙ |
|---|---|---|---|---|---|
| ১ | শ্ৰেণীকোঠাৰ নীতি নিয়মৰ বাবে প্ৰাপ্তবয়স্কৰ আচৰণ পৰ্যৱেক্ষণ আৰু অনুকৰণ কৰা | শিক্ষকে দিয়া ইঙ্গিতৰ ভিত্তিত শ্ৰেণীকোঠাৰ নীতি নিয়ম অনুসৰণ কৰা | • শ্ৰেণীকোঠাৰ নীতি-নিয়ম অনুসৰণ কৰা আৰু অনুসৰণ কৰাত আনক সহায় কৰা<br>• শিক্ষকৰ সহায়ত নিজেই কৰা (DIY) শ্ৰেণীকোঠাৰ কৰ্ম তালিকা /জাননী তৈয়াৰ কৰা আৰু অনুসৰণ কৰা | • শ্ৰেণীকোঠাৰ নীতিনিয়মৰ বিষয়ে আলোচনাত অংশগ্ৰহণ কৰা আৰু শ্ৰেণীকোঠৰ নিয়ম অনুসৰি আচৰণ কৰা<br>• নিজেই কৰা শ্ৰেণীকোঠাৰ কৰ্ম তালিকা/ জাননী তৈয়াৰ কৰা আৰু অনুসৰণ কৰা | • শ্ৰেণীকোঠাৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰাত অংশগ্ৰহণ কৰে আৰু সেই অনুসৰি আচৰণ কৰা<br>• নিজেই কৰা (DIY) শ্ৰেণীকোঠৰ কৰ্ম তালিকা / জাননী তৈয়াৰ কৰা আৰু বাখ্যাও কৰা; দ্বায়িত্বশীলভাৱে অনুসৰণ কৰা |

*(চিত্ৰকলা শিক্ষণ ফলাফলৰ এটা অধিক বিস্তৃত গোট পৰিশিষ্ট ১ত আছে।)*

*এই অধ্যায়ৰ আৰম্ভণিতে খণ্ড ২.২ ত উল্লেখ কৰা অনুসৰি, একেবাৰে শেষত ব্যৱহাৰ কৰিবলগীয়া শিক্ষণ ফলাফলসমূহ সংশ্লিষ্ট পাঠ্যক্ৰম বিকাশক প্ৰতিষ্ঠানসমূহে সযতনে প্ৰস্তুত কৰিব লাগিব যিবোৰত ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ আৰু ৰাষ্ট্ৰীয় শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ আৰু অন্যান্য অনুষ্ঠানসমূহ অন্তৰ্ভুক্ত হ'ব।*

# অধ্যায় 3

# ভাষা শিক্ষা আৰু সাক্ষৰতাৰ প্ৰতি দৃষ্টিভঙ্গী ঃ

ভাষা শিকনৰ ওপৰত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ পৰামৰ্শসমূহ ভাষা আহৰণৰ শেহতীয়া গৱেষণা অনুসৰি প্ৰদান কৰা হৈছিল। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰণ কৰি, ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ ভাষা শিক্ষামূলক দৃষ্টিকোণৰ ব্যাপক লক্ষ্য হৈছে শিশুসকলক এনেধৰণে ভাষা শিক্ষা প্ৰদান কৰা যি প্ৰাৰম্ভিক জীৱন তথা গোটেই জীৱনত শিক্ষণ (সকলো ক্ষেত্ৰ আৰু এলেকাত), যোগাযোগ দক্ষতা (মৌখিক আৰু লিখিত উভয়তে) আৰু সামাজিক-আৱেগিক দক্ষতাৰ বৃদ্ধি নিশ্চিত কৰাত সহায় কৰে।



# খণ্ড 3.1

# নীতিসমূহ ঃ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০য়ে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ ভাষা শিক্ষামূলক দৃষ্টিভঙ্গীৰ আঁৰৰ মূল নীতিসমূহ তলত দিয়া ধৰণৰ—

**ক. শিশুৱে ০ৰ পৰা ৮ বছৰ বয়সৰ ভিতৰত কথিত ভাষা আটাইতকৈ দ্ৰুতভাৱে শিকে।**

শিশুৱে জীৱনৰ প্ৰথম আঠ বছৰত মৌখিক ভাষা আটাইতকৈ দ্ৰুতভাৱে আহৰণ কৰে বুলি সকলোৱে জানে। এই বছৰসমূহ ভাষা আহৰণৰ কাৰণে সংবেদনশীল সময় গতিকে ইয়াৰ উপযুক্ত ব্যৱহাৰ কৰিব লাগে। প্ৰাৰম্ভিক বছৰবোৰত শিশুৱে ভাষা শিকিবলৈ পলম কৰিলে পিছলৈ ই নতুন ভাষা আহৰণক অধিক কঠিন কৰি তোলে (অসম্ভৱ নহয় কিন্তু অধিক কঠিন)।

**খ. বহুভাষিকতাৰ বৌদ্ধিক আৰু সামাজিক/সাংস্কৃতিক দুয়োটা সুবিধা আছে।**

মৌখিক ৰূপত একাধিক ভাষাৰ লগত হোৱা সংস্পৰ্শই শিশুক উল্লেখযোগ্য বৌদ্ধিক আৰু সামাজিক-আৱেগিক উদ্দীপনা প্ৰদান কৰে বুলি গৱেষণাই স্পষ্টভাৱে প্ৰমাণিত কৰিছে। তদুপৰি, শিশুৱে প্ৰথম বছৰছোৱাত একাধিক মৌখিক ভাষা আহৰণ কৰিব পাৰে, তেওঁলোকে অতি সহজেই কোনটো ভাষা আৰু কোনটো ভাষা কাৰ লগত ক'ব লাগে সেই বিষয়ে জানিব পাৰে।

ভাষাৰ অৰ্থপূৰ্ণ আৰু উদ্দেশ্য প্ৰণোদিত ব্যৱহাৰৰ এক সমৃদ্ধ আৰু স্বাভাৱিক পৰিৱেশৰ সৃষ্টি কৰি শিশুৰ বহুভাষিক দক্ষতা সৰ্বোত্তমভাৱে লাভ কৰাত সহায় কৰিব পৰা যায়। কিশোৰ-কিশোৰীসকল আনুষ্ঠানিক পাঠদানৰ জৰিয়তে সৰু ল'ৰা-ছোৱালীক উপযুক্তভাৱে ভাষা শিকোৱা সম্ভৱ নহয়। সেয়েহে বুনিয়াদী পৰ্যায়ৰ শিশুসকলক ভাষা শিক্ষা প্ৰদান কৰোতে প্ৰাৰম্ভিক ভাষা শিকন অভিজ্ঞতা প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত পাঠ্যক্ৰম প্ৰস্তুতকাৰী, শিক্ষক প্ৰশিক্ষক আৰু শিক্ষকসকল সচেতন হ'ব লাগে।

ভাৰতবৰ্ষত বহুভাষিকতা ব্যাপক আৰু বেছিভাগ শিশুৱেই প্ৰাৰম্ভিক বয়সছোৱাৰ পৰাই এটাতকৈ অধিক ভাষাৰ সৈতে পৰিচিত হয়। আমাৰ এই বহুভাষিক ৰাষ্ট্ৰ তথা বিশ্বত, আগতীয়াকৈ বহুভাষিক দক্ষতা লাভৰ সুযোগে এজন ব্যক্তিক জীৱনকালত বিভিন্ন সম্প্ৰদায়ৰ সৈতে যোগাযোগ কৰাতো সাহাৰ্য কৰে।

এনেদৰে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ এটা মূল অংশ হিচাপে শিশুক বিকাশৰ ফালৰ পৰা উপযুক্ত, উৎকৃষ্ট বহুভাষিক মৌখিক দক্ষতাৰ ভেটি যিমান সোনকালে পাৰি সিমান সোনকালে প্ৰদান কৰাৰ লক্ষ্য ৰখা হৈছে।

**গ. সৰু ল'ৰা-ছোৱালীৰ মৌখিক ভাষা যিধৰণে স্বাভাৱিকভাৱে আয়ত্বলৈ আহে লিখিত ভাষা তেনেকৈ নাহে, গতিকে এই দিশৰ পৰা শিশুৰ পঠন আৰু লিখনৰ ধাৰণাটো অধ্যয়ন কৰিব লাগিব।**

ইতিমধ্যে উল্লেখ কৰা হৈছে যে, শিশুসকলক কম বয়সতে একাধিক কথিত ভাষাত মগ্ন কৰোৱাটো হৈছে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ এটা উল্লেখযোগ্য দৃষ্টিভঙ্গী। তৎসত্বেও, বিশিষ্ট ধ্বনি (ধ্বনিৰ সুৰ একক) আৰু আখৰ(ধ্বনি লিপিৰ আটাইতকৈ সৰু একক)ৰ ধাৰণাকে ধৰি পঠন আৰু লিখনৰ ধাৰণাটো, আৰু ইয়াৰ মাজৰ সামাঞ্জস্য- প্ৰথমে এটা ভাষাৰ জৰিয়তে অধিকভাৱে শিকোৱা হয়, যিটো আদৰ্শগতভাৱে ঘৰুৱা ভাষাটোৱেই হয়।

পঠন আৰু লিখনৰ ধাৰণা আৰু বুনিয়াদী সাক্ষৰতাৰ দক্ষতা শিশুসকলৰ এবাৰ বিকাশ হ'লেই সময়ৰ লগে লগে পৰৱৰ্তী আখৰসমূহক শিশুক অতি সহজে শিকাব পাৰি। যদিও প্ৰাৰম্ভিক বছৰসমূহত এটাতকৈ অধিক ধ্বনিলিপিৰ দৃশ্যগত সাদৃশ্য লাভজনক বুলি বিবেচিত হয় তথাপি সাক্ষৰিক দক্ষতাৰ প্ৰাৰম্ভিক শিক্ষণ পোণ- প্ৰথমে এটা ভাষাৰ মাধ্যমেৰেই কৰোৱা উচিত।

সাক্ষৰতাৰ বুনিয়াদী দক্ষতাসমূহৰ ভিতৰত পাঠোদ্ধাৰ অন্তৰ্ভুক্ত কৰা হৈছে অৰ্থাৎ অজ্ঞাত শব্দসমূহক উলিয়াবলৈ কৰা সংশ্লিষ্ট ধ্বনিলিপি (ব্যঞ্জনবৰ্ণ, স্বৰবৰ্ণ আৰু ইয়াৰ যুক্তাক্ষৰ)ৰ লগত বিশিষ্ট ধ্বনিসমূহৰ সংযোগ। পঠন-লিখন প্ৰথমে এটা চিনাকি ভাষাৰ জৰিয়তে শিকোৱা হয়- এটা এনেকুৱা ভাষা যিটো ভাষা শিশুৱে ভালদৰে বুজি পায় আৰু কয়। প্ৰাথমিক সাক্ষৰতাৰ দক্ষতাসমূহ শক্তিশালী মৌখিক ভাষাৰ দক্ষতাৰ ভেটিত সৰ্বোত্তম আৰু দ্ৰুতভাৱে বিকশিত হয়।

**ঘ. সৰু ল'ৰা-ছোৱালীয়ে নিজৰ ঘৰুৱা ভাষা/মাতৃভাষা/চিনাকি ভাষাত জটিল ধাৰণাবোৰ অতি সোনকালে আৰু গভীৰভাৱে শিকে আৰু আয়ত্ব কৰে।**

গৱেষণালব্ধ তথ্যই তলত উল্লেখ কৰা কাৰণসমূহৰ পৰিপ্ৰেক্ষিতত শিশুসকলক বুনিয়াদী আৰু তাৰ পিছৰ বছৰবোৰত মাতৃভাষাত পাঠ দানৰ প্ৰয়োজনীয়তাক নিশ্চিত কৰে—

i. শিশুৱে তিনিবছৰ বয়স সম্পূৰ্ণ কৰাৰ পিছত প্ৰাথমিক বিদ্যালয় নতুবা বিদ্যালয়লৈ আহে। এই সময়ত তেওঁলোকে অৰ্থপূৰ্ণভাৱে আনৰ কথা শুনা, বুজা আৰু সহানুভূতিশীল হোৱা দেখা যায়। ইতিমধ্যে তেওঁলোকে আৱেগ আৰু চিন্তা প্ৰকাশ কৰা, আৰু অন্যৰ সৈতে অৰ্থপূৰ্ণভাৱে মত-বিনিময় কৰিবলৈ সক্ষমতা লাভ কৰে। অৰ্থাৎ তেওঁলোকে ঘৰুৱা ভাষাত উল্লেখযোগ্য সামৰ্থ আহৰণ কৰে। এই তিনিবছৰত শিশুৱে 'ভাষাতো আয়ত্ব কৰাৰ লগতে সৃষ্টিশীলতাৰ মৌলিক দক্ষতা আৰু ধাৰণা, সমালোচনাত্মক চিন্তা, সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ বিকাশ সংঘটিত হয়। ইয়াৰ উপৰিও যোগাযোগ, তথ্য প্ৰক্ৰিয়াকৰণ আৰু সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ দৰে অন্যান্য অত্যাৱশ্যকীয় দক্ষতাসমূহৰো বিকাশ হয়। শিশুসকলে বিদ্যালয়ত প্ৰৱেশ কৰোতে এই মৌলিক দক্ষতাসমূহ বিদ্যালয়লৈ লৈ যায়। শিশুৰ বৌদ্ধিক আৰু সামাজিক-আৱেগিক দক্ষতা বৃদ্ধি কৰিবলৈ যেতিয়া শিশুৰ ঘৰুৱা ভাষা বা মাতৃভাষা ব্যৱহাৰ কৰি বিভিন্ন বিষয়সমূহ বুনিয়াদী আৰু অন্যান্য স্তৰত ব্যৱহাৰ কৰা হয় তেতিয়া ই শিক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এইদৰে ঘৰুৱা ভাষাই সকলো শিক্ষণৰ বাবে সুযোগ প্ৰদানকাৰী হিচাপে কাম কৰে আৰু শিশুসকলক পূৰ্বৰ শিকন আৰু ঘৰুৱা শিকনৰ সৈতে সম্বন্ধ গঢ়াত সক্ষম কৰি তোলে।

ii. আনহাতে, যদি শিশুসকলক শিক্ষাৰ মাধ্যমৰূপে এটা নতুন অথবা এটা অপৰিচিত ভাষাৰ জৰিয়তে পঢ়োৱা হয় তেতিয়াহ'লে শিশুসকলে ইতিমধ্যেই আহৰণ কৰা মৌলিক অভিজ্ঞতা, দক্ষতা আৰু শিক্ষাক অস্বীকাৰ কৰা হয়। অৰ্থাৎ শিশুৰ ৩-৪ বছৰৰ অনুভৱক, সমগ্ৰ শিক্ষণ প্ৰক্ৰিয়াত অৰ্থহীন হৈ পৰে। ভাৰতবৰ্ষকে ধৰি গোটেই পৃথিৱীতে এনেকুৱা বহুতো দৃষ্টান্ত আছে যে যিসকল শিশুৱে নিজৰ মাতৃভাষা/ ঘৰুৱা ভাষা/ চিনাকি ভাষাত পঢ়া-শুনা কৰে, তেওঁলোকে অপৰিচিত ভাষাত শিক্ষালাভ কৰা নিজৰ সহপাঠীসকলৰ তুলনাত গণিত আৰু বিজ্ঞানৰ নিচিনা বিষয়ত ভাল ফল প্ৰদৰ্শন কৰে।

iii. গৱেষণাই স্পষ্টভাৱে প্ৰমাণ কৰিছে যে শিশুৱে নিজৰ ঘৰুৱা ভাষাত লাভ কৰা যিকোনো দক্ষতা আৰু ধাৰণাক নতুন ভাষা এটা একেলগে নতুবা পৰৱৰ্তী কালত শিকাৰ সময়ত পুনৰাই শিকাব নালাগে।

iv. শিশুৰ মাতৃভাষা বা ঘৰুৱা ভাষা কেৱল যোগাযোগৰ মাধ্যমেই নহয়, বৰং ই শিশুৰ ব্যক্তিগত, সামাজিক আৰু সাংস্কৃতিক পৰিচয়ৰ সৈতেও ওতঃপ্ৰোতভাৱে সম্পৰ্কিত। শিক্ষাৰ মাধ্যম হিচাপে নতুন ভাষা এটাক জাপি দি শিশুৰ মূল্যৱান পূৰ্ণ অভিজ্ঞতাক উপেক্ষা কৰা যুক্তিযুক্ত হ'ব নোৱাৰে। তেওঁলোকৰ শিক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ত বাঞ্ছনীয়ও নহয়। কাৰণ শিশুৰ আত্মবিশ্বাস, ইতিবাচক আত্মসন্মান, আত্ম নিয়ন্ত্ৰণ আৰু আত্ম সামৰ্থবোধৰ বিকাশৰ মহত্বপূৰ্ণ উদ্দেশ্য ইতিবাচক প্ৰভাৱ পেলায়।

v. অধ্যয়নৰ পৰা দেখা যায় যে, সৰু ল'ৰা-ছোৱালীৰ কাৰণে শিকন বাস্তৱায়িত কৰাত ই সহায়ক আৰু ইতিবাচক সম্পৰ্ক আৰু আৱেগিকভাৱে সুৰক্ষিত পৰিৱেশ অতি গুৰুত্বপূৰ্ণ, এইক্ষেত্ৰত শিক্ষাৰ মাধ্যম হিচাপে চিনাকি ভাষাৰ এটাৰ ব্যৱহাৰে বিশিষ্ট ভূমিকা গ্ৰহণ কৰে।

vi. সৰু ল'ৰা-ছোৱালীয়ে আনৰ পৰা শুনি, কথা পাতি আৰু মত বিনিময়ৰ জৰিয়তে শিকে। কেৱল এটা চিনাকি ভাষা (তেওঁলোকে ভালদৰে বুজি পোৱা আৰু কোৱা) ইহে এক স্বাভাৱিক, যোগাযোগমূলক পৰিৱেশ প্ৰদান কৰিব পাৰে যিটো তেওঁলোকৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰয়োজনীয়। সেয়েহে বুনিয়াদী পৰ্যায়ত মত-বিনিময়ৰ ভাষা মুখ্যতঃ শিশুৰ মাতৃভাষা/ঘৰুৱা ভাষা/চিনাকি ভাষা হ'ব লাগে।

vii. ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০-ত মুখস্তবিদ্যাৰ বিপৰীতে আন্তঃক্ৰিয়ামূলক শিকন, সৃজনশীলতা ভিত্তিক আৰু আৱিষ্কাৰমূলক শিকনৰ ওপৰত গুৰুত্ব প্ৰদাম কৰা হৈছে। ফলত বুনিয়াদী পৰ্যায়ত অচিনাকি ভাষাক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাত বাধা দিয়া হৈছে।

সেয়েহে, এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত শিশুৰ ঘৰুৱা ভাষাক সন্মান কৰা, শিশুক তেওঁলোকৰ ঘৰুৱা ভাষাত যোগাযোগ কৰিবলৈ আৰু শিকিবলৈ উৎসাহিত কৰা আৰু সম্ভৱপৰ ক্ষেত্ৰত ঘৰুৱা ভাষাক পাঠদানৰ ভাষা হিচাপে ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰথম বছৰবোৰত ঘৰুৱা ভাষাক মূল ভাষা হিচাপে লৈ দ্বিভাষিক বা বহুভাষিক পদ্ধতিৰ সহায়ত শিশুসকলক ভাষামূলক দক্ষতা আয়ত্বকৰণৰ সক্ষমতা লাভত সহায় কৰিব পৰা যায়।

**ঙ. ভাষাই সাংস্কৃতিক সজাগতা আৰু প্ৰকাশৰ এক গভীৰ দৃষ্টিভংগী নিৰ্মাণ কৰে, যিটো শিশুৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ প্ৰধান সামৰ্থসমূহৰ ভিতৰত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়।**

সাংস্কৃতিক সচেতনতা আৰু প্ৰকাশৰ সামৰ্থই শিশুসকলক আত্মপৰিচয়ৰ ভাৱনাৰ উপৰিও অন্য সংস্কৃতি আৰু পৰিচয়ৰ প্ৰতিও সন্মান প্ৰদান কৰিবলৈও শিকায়। যোৱা দশকত হোৱা আন্তঃৰাষ্ট্ৰীয় অধ্যয়নে প্ৰমাণ কৰিছে যে শিশুৰ সাংস্কৃতিক সচেতনতা/প্ৰকাশ আৰু ইতিবাচক সাংস্কৃতিক পৰিচয়ে সমাজ-সমৰ্থিত আচৰণ, আত্মসন্মান, আত্মবিকাশৰ মাত্ৰা বৃদ্ধিত সহায় কৰাৰ লগতে আন সংস্কৃতিৰ প্ৰতি সহনশীল আৰু শ্ৰদ্ধাশীল হোৱাত সহায় কৰে।

নিজৰ সাংস্কৃতিক ইতিহাস, ভাষা, কলা আৰু পৰম্পৰাৰ প্ৰতি এক সুদৃঢ় অনুভৱ আৰু জ্ঞানৰ বিকাশৰ জৰিয়তে শিশুৱে যোগাযোগ আৰু সৃষ্টিশীলতাৰ দৰে আনুসঙ্গিক দক্ষতাসমূহৰ বিকাশৰ লগতে ইতিবাচক সাংস্কৃতিক পৰিচয় আৰু আত্মসন্মান গঢ়ি তুলিব পাৰে। এইদৰে ব্যক্তিগত আৰু সামাজিক কল্যাণৰ ক্ষেত্ৰত সাংস্কৃতিক সচেতনতা আৰু প্ৰকাশ উভয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

গতিকে এই কথা আমি স্বীকাৰ কৰিব লাগিব যে ঘৰুৱা ভাষা, স্থানীয় ভাষা আৰু অন্যান্য ভাৰতীয় ভাষাসমূহে ইয়াৰ মৌখিক আৰু লিখিত সাহিত্য আৰু পৰম্পৰাৰ সৈতে শিশুসকলৰ সকলো দিশতে সামগ্ৰিক বিকাশ আৰু মঙ্গলৰ বাবে শিশুৰ শৈক্ষিক অভিজ্ঞতাৰ এক গুৰুত্বপূৰ্ণ ভিত্তি গঠন কৰে।

# খণ্ড 3.2

# বুনিয়াদী পৰ্যায়ত ভাষা শিক্ষা আৰু সাক্ষৰতাৰ প্ৰতি ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ দৃষ্টিভঙ্গী ঃ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত উল্লেখিত ভাষা শিক্ষা নীতি আৰু লক্ষ্যৰ সৈতে সামাঞ্জস্যপূৰ্ণভাৱে বুনিয়াদী পৰ্যায়ত ভাষা শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ দৃষ্টিভংগী তলত উল্লেখ কৰা হ'ল—

ক. **শিশুৱে নিজৰ ঘৰুৱা ভাষাত ধাৰণাসমূহ আটাইতকৈ দ্ৰুত আৰু গভীৰভাৱে শিকা হেতুকে বুনিয়াদী পৰ্যায়ত শিক্ষাৰ প্ৰধান মাধ্যম শিশুৰ ঘৰুৱা ভাষা/মাতৃভাষা/চিনাকি ভাষা (তলত এল১ হিচাপেও উল্লেখ কৰা হৈছে) হোৱা বাঞ্ছনীয়।**

ব্যক্তিগত আৰু ৰাজহুৱা উভয় খণ্ডতেই এই দৃষ্টিভঙ্গী প্ৰযোজ্য হ'ব।

প্ৰতিজন শিশুৱে যাতে বুনিয়াদী পৰ্যায় আৰম্ভ কৰাৰ সময়ত প্ৰথম ভাষাৰ সঠিক ব্যৱহাৰ অব্যাহত ৰাখে তাক নিশ্চিত কৰিবলৈ, তাৰ বাবে এনে শিক্ষক (যেনে স্থানীয় সম্প্ৰদায়ৰ পৰা) থকাটো অতি প্ৰয়োজনীয় যিয়ে কেৱল ভাষাটোৱেই নহয়, স্থানীয় সংস্কৃতি আৰু পৰম্পৰাও বুজি পায়। বুনিয়াদী পৰ্যায়ৰ শিক্ষকসকলে শিশুৰ প্ৰথম ভাষাত পাকৈত হ'ব লাগে।

অভিভাৱকসকলকো শিশুৰ শিক্ষা প্ৰক্ৰিয়াৰ অংশীদাৰ হিচাপে অন্তৰ্ভুক্ত কৰিব লাগে। ই বিদ্যালয়ৰ শিক্ষা প্ৰক্ৰিয়াক শিশুৰ বাবে অধিক উপভোগ্য আৰু অধিক নিৰাপদ কৰি তোলে, আৰু লগতে ঘৰ-বিদ্যালয়ৰ মাজত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰে আৰু বৃদ্ধি কৰে যিটো শিশুৰ সামগ্ৰিক বিকাশ আৰু শিকনৰ বাবে গুৰুত্বপূৰ্ণ হয়।

৩ৰ পৰা ৮ বছৰ বয়সকালৰ বাবে বেছিভাগ শিক্ষণ খেলা-ধূলা, শ্ৰৱণ আৰু কথা কোৱাৰ জৰিয়তে সংঘটিত হয়। এইটো অনিবাৰ্যভাৱে শিশুৰ প্ৰথম ভাষাতে হোৱাটো প্ৰয়োজনীয়।

বুনিয়াদী পৰ্যায়ৰ কাৰণে পাৰস্পৰিক মত-বিনিময় আৰু পাঠদানৰ প্ৰাথমিক ভাষা হিচাপে শিশুৰ প্ৰথম ভাষাক অন্তৰ্ভুক্ত কৰাৰ বাবে এই ভাষাসমূহত ভাল শিশু-সাহিত্যৰ বিকাশ আৰু প্ৰকাশৰ প্ৰয়োজন হ'ব, বিশেষকৈ যিবোৰ ভাষাত এনে সাহিত্যৰ অভাৱ দেখা যায়। শিক্ষাৰ মাধ্যম হিচাপে ইতিমধ্যে ব্যৱহাৰ কৰা ভাষাসমূহৰ কাৰণে লগতে অন্য অতিৰিক্ত ভাষাসমূহক যিবোৰক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব বিচৰা হৈছে, নতুবা বুনিয়াদী পৰ্যায়ত পাঠদান আৰু শিক্ষণৰ বাবে আনুষ্ঠানিক ব্যৱহাৰৰ এক ৰাষ্ট্ৰীয় কাৰ্যসূচী হিচাপে গ্ৰহণ কৰা উচিত। কেইবাখনো ৰাজ্যিক চৰকাৰ আৰু কেইবাটাও বেচৰকাৰী সংস্থাইও অধিক সংখ্যক ঘৰুৱা ভাষাত গল্পপুথি, কবিতা পুথি, ডাঙৰ ডাঙৰ কিতাপকে ধৰি শিশুৰ বিভিন্ন সামগ্ৰীৰ বিকাশ আৰু প্ৰকাশৰ কাম কৰি আছে।

পাঠদানৰ বাবে ব্যৱহৃত ভাষা হিচাপে প্ৰথম ভাষা (L1) সৰ্ব্বোত্তম বিকল্প হ'লেও সংশ্লিষ্ট ভাষাত পাকৈত শিক্ষকৰ উপলব্ধতাকে ধৰি বিভিন্ন কাৰকৰ বাবে এইটো প্ৰায়ে সম্ভৱ নহয়। ভৌগোলিক ক্ষেত্ৰত বা দূৰৱৰ্তী অঞ্চলত বিস্তৃত বিচ্ছিন্ন সম্প্ৰদায়সমূহকে ধৰি ইয়াৰ কেইবাটাও কাৰণ দেখা যায়।

এনে পৰিস্থিতিত, প্ৰথম ভাষাৰ ব্যৱহাৰ শিশুৰ নতুন ভাষালৈ সঞ্চালিত কৰি ব্যৱহাৰ কৰিব লাগে যিটো ভাষা তেওঁলোকৰ পূৰ্বৰ শিক্ষাৰ ক্ষতি নোহোৱাকৈ পাঠদানৰ কাৰণে ব্যৱহাৰ কৰা হয়। ইয়াৰ কাৰণে শিক্ষকসকলে সাহাৰ্য কৰিব লাগিব আৰু শিশুসকলৰ ভাষাৰ লগত সুপৰিচিত হ'বলৈ উৎসাহিত কৰিব লাগিব।

কোনো বিশেষ ব্যক্তিৰ ধাৰাবাহিক সাহাৰ্যৰ দ্বাৰা সম্পৰ্ক স্থাপন কৰি আৰু পৰিপূৰক অনুপূৰক বিকল্প সন্ধান কৰি এটা শিশুৰ নতুন ভাষালৈ সংক্ৰমণ সমৰ্থন কৰিব পাৰে, যিটো ভাষা তেওঁলোকৰ পূৰ্বৰ শিক্ষাৰ বাধাগ্ৰস্থ নোহোৱাকৈ মাতৃভাষাৰ দক্ষতাপূৰ্ণ নতুন ভাষাক সঞ্চালন কৰিব পৰা যায়।

উদাহৰণস্বৰূপে, প্ৰতিদিনে অভিভাৱকসকল বিদ্যালয়লৈ সালসলনিকৈ অহা, শিক্ষকসকলক সহায় কৰাৰ কাৰণে সমাজৰ যুৱক-যুৱতীসকলক নিয়োজিত কৰা, আৰু পঞ্চায়তসমূহে বিদ্যালয়ৰ পিছৰ কাৰ্যসূচী হিচাপে খেলা-ধূলা ভিত্তিক কাৰ্যাৱলীসমূহ সম্পন্ন কৰি সম্প্ৰদায় কেন্দ্ৰৰ আয়োজন কৰা, ইত্যাদি বিকল্পসমূহৰ ব্যৱস্থা কৰিব লাগে যাতে ইয়াক সমাজৰ সৰ্ব্বোত্তম বিকাশৰ ভিত্তি হিচাবে সাহাৰ্যত শিশুৰ বিবেচনা কৰিব পাৰি। শিক্ষক যিসকল সম্পূৰ্ণৰূপে বেলেগ ভাষিক পৃষ্ঠভূমিৰ পৰা আহে তেওঁলোকে শিশুৰ ভাষাৰ স্থাপনৰ যোগাযোগ স্থাপন কৰি আৰু সহজ ৰূপত শিশুৰ ভাষাৰ কিছু মৌলিক শব্দ আৰু যোগাযোগ ক্ষমতা আহৰণ কৰাত গুৰুত্ব প্ৰদান কৰা উচিত।

যিবিলাক শ্ৰেণীকোঠাত শিশুসকলৰ ভাষাত ওপৰত শিক্ষকসকলৰ সন্তোষজনক দক্ষতা থাকে তাত শিশুৰ সেই প্ৰথম ভাষাটোক আনুষ্ঠানিকভাৱে শিক্ষণ আৰু শিকনৰ বাবে ব্যৱহাৰ কৰিব লাগে।

যেতিয়া শিশুৰ প্ৰথম ভাষাক আন বিষয়ৰ পাঠদানৰ ভাষা হিচাপে আনুষ্ঠানিকভাৱে ব্যৱহাৰ কৰা নহয়, তেতিয়া, অন্ততঃ মৌখিকভাৱে আৰু শিক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ত পঠন আৰু লিখন আৰু অন্যান্য বিষয় এক মাধ্যম হিচাবে ইয়াক আনুষ্ঠানিকভাৱে ব্যৱহাৰ কৰিব লাগে। ই শ্ৰেণীকোঠাত শিশুৰ চিন্তা আৰু বিচাৰ বিবেচনা কৰা তথা উচ্চ পৰ্যায়ৰ বোধগম্যতা, নিজস্বকৰণ আৰু পাৰস্পৰিক যোগাযোগৰ ক্ষেত্ৰত শিক্ষক আৰু ছাত্ৰ উভয়ে শিশুৰ ঘৰুৱা ভাষা সদায় ব্যৱহাৰ কৰাটোক নিশ্চিত কৰে।

শেষত, শিশুক কেতিয়াও নিজৰ ঘৰুৱা ভাষা কোৱাৰ ক্ষেত্ৰত নিৰুৎসাহিত বা লাজ অনুভৱ কৰিব নালাগে। ইয়াৰ বিপৰীতে শিক্ষক, সমনীয়া, অভিভাৱক আৰু বিদ্যালয়ৰ কৰ্মীসকলে ঘৰুৱা ভাষাৰ ব্যৱহাৰত সদায় প্ৰশংসা আৰু উৎসাহ প্ৰদান কৰিব লাগে।

সম্ভৱপৰ যিমানলৈ পাৰি শিক্ষকসকলে শিশুসকলক তেওঁলোকৰ প্ৰথম ভাষাত সঁহাৰি জনাবলৈ আৰু আলোচনা কৰিবলৈ, শিশুসকলক সৰল গল্প পুথি তেওঁলোকৰ ভাষাত পঢ়িবলৈ আৰু তেওঁলোকৰ ভাষাত কঠিন শব্দ আৰু ধাৰণা ব্যাখ্যা কৰিবলৈ অনুমতি দিব লাগে আৰু উৎসাহিত কৰিব লাগে। পৃথক পৃথকভাৱে একেবাৰে সম্পৰ্কহীন পৰিৱেশত ভাষা শিকোৱাৰ আৰু শিকাৰ প্ৰয়োজন নাই। ভাষাসমূহৰ মাজত ভাষিক মিশ্ৰণ হ'ব পাৰে। শিশুসকলে নিজৰ প্ৰথম ভাষাৰ ভেটিটো এক ছত্ৰস্বৰূপে ব্যৱহাৰ কৰি নতুন ধাৰণা আৰু ভাষা শিকাৰ এটা সুযোগ পাব লাগে।

**খ. শিশুসকল সৰুৰে পৰাই একাধিক মৌখিক ভাষা (তলত দ্বিতীয় ভাষা আৰু তৃতীয় ভাষা হিচাপেও উল্লেখ কৰা হৈছে)ৰ সংস্পৰ্শলৈ আহিব লাগে আৰু জড়িত হ'ব লাগে। বিদ্যালয়সমূহে শিক্ষক আৰু অভিভাৱকসকলৰ উপস্থিতি সুনিশ্চিত কৰিবলৈ লক্ষ্য ৰাখিব যাতে শিশুসকলৰ লগত অন্ততঃ দুটা বা বিশেষভাৱে তিনিটা ভাষা নিয়মীয়াকৈ উপস্থাপন কৰা হয়।**

জীৱনৰ প্ৰথম ৬ বছৰৰ পৰা পৰা ৮ বছৰলৈ শিশুসকলৰ মাজত বিশেষকৈ অৰ্থপূৰ্ণ প্ৰসঙ্গত মৌখিক যোগাযোগ হিচাপে নতুন ভাষা এটা অতি সহজতে শিকাৰ ক্ষমতা থাকে। এইদৰে প্ৰাৰম্ভিক শ্ৰেণীৰ ভিতৰত প্ৰথম ভাষাক পাঠদানৰ মূল ভাষা হিচাপে লৈ দ্বিভাষিক বা বহুভাষিক পদ্ধতি গ্ৰহণ কৰিলে শিশুসকলে ভাষাসমূহৰ দক্ষতা লাভ কৰে।

মৌখিক ৰূপত কেইবাটাও ভাষাৰ সংস্পৰ্শই সামাজিক-আৱেগিক দক্ষতা বিকাশৰ লগতে শিক্ষক, পিতৃ-মাতৃ, সহপাঠী, শিক্ষকসকল আৰু অন্যান্যসকলৰ দ্বাৰা ধ্বনি আৰু ভঙ্গীমাৰ ৰূপত শিশুৰ মনত শব্দ, বাক্যাংশ আৰু বাক্যলৈ ৰূপান্তৰ কৰি শিশুসকলক সহনশীলতাৰ আৰু গভীৰ চিন্তাৰ বাবে উপযুক্ত বৌদ্ধিক উদ্যম প্ৰদান কৰিব পাৰে।

যেতিয়া কোনো এটা অচিনাকি ভাষাক আনুষ্ঠানিকভাৱে ব্যৱহাৰ কৰা বা শিকোৱা হয়, কথিত ভাষা আৰু সাক্ষৰতা বিকাশৰ কাৰণে শিশুৰ হৃদয়ৰ লগত সম্পৰ্কিত অভিজ্ঞতা আৰু বিষয়বস্তুৰ ব্যৱহাৰ গুৰুত্বপূৰ্ণ হয়। গীত, কবিতা, খেল, নাটক, সম্পূৰ্ণ শাৰীৰিক সঁহাৰি (টিপিআৰ) আৰু-অভিজ্ঞতা, স্থান, পৰিঘটনা আৰু প্ৰিয় বস্তু/পুতলাৰ বৰ্ণনা (আৰু আলোচনা)ৰ দৰে অন্যান্য সৃষ্টিশীল পাৰস্পৰিক ক্ৰিয়াই নান্দনিক আৰু সৃষ্টিশীল সংবেদনশীলতা বিকাশ কৰাৰ লগতে ভাষা শিক্ষণো অধিক আনন্দদায়ক কৰি তোলে আৰু সেয়েহে ই অধিক ফলপ্ৰসূ হয়।

বুনিয়াদী পৰ্যায়ত ব্যৱহাৰ কৰিব পৰা কিছুমান কৌশল হৈছে— সময়ৰ যিকোনো ক্ষণতে শিশুৰ ভাষাৰ সাৱলীলতাৰ বিকাশৰ সৈতে ৰজিতা খাই থকা শিশুৰ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা/তৃতীয় ভাষাৰ সুষম আৰু কৌশলগত ব্যৱহাৰ; দ্বিতীয় ভাষা/তৃতীয় ভাষাৰ কাৰণে কথোপকথন আৰু অনান্য মৌখিক ভাষা বিকাশৰ কাৰ্যকলাপৰ বাবে এক স্বাভাৱিক পৰিৱেশ প্ৰদান কৰা; পাঠদান-শিক্ষণত শিশুৰ সাংস্কৃতিক আৰু প্ৰসঙ্গভিত্তিক জ্ঞানকে ধৰি প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা/ তৃতীয় ভাষাৰ মিশ্ৰিত ব্যৱহাৰক গ্ৰহণ আৰু অনুপ্ৰেৰণা প্ৰদান আৰু শিক্ষণত কেনেকৈ পঢ়িব আৰু লিখিব তাক শিকোৱাত শিশুৰ প্ৰথম ভাষাৰ সহায় লোৱা শিশুৰ প্ৰথম ভাষাত উচ্চমানৰ শিক্ষণ সামগ্ৰী তৈয়াৰ কৰাৰ চেষ্টা নিশ্চিতভাৱে কৰিব লাগিব।

সৰু ল'ৰা-ছোৱালীসমূহে তেওঁলোকৰ দ্বিতীয় ভাষা বা তৃতীয় ভাষা (যিটো ইংৰাজীও হ'ব পাৰে)ত সাৱলীল কথনৰ দক্ষতা আহৰণ কৰিবলৈ এটা স্বাভাৱিক যোগাযোগ-কেন্দ্ৰিক পদ্ধতি গ্ৰহণ কৰাৰ প্ৰয়োজন আছে যি তেওঁলোকৰ প্ৰথম ভাষাটোক আধাৰস্বৰূপে কৰা ব্যৱহাৰ কৰে। কিছুমান ফলপ্ৰসূ কৌশলৰ ভিতৰত কৰ্মভিত্তিক গীত, মিত্ৰাক্ষৰিক পদ্য, আনন্দদায়ক খেলা-ধূলা, সৰল বাক্য আৰু বাক্যাংশত চুটি কথোপকথন (বাস্তৱিক সামগ্ৰী বা ছবিৰ আধাৰসহ), বাৰে বাৰে ব্যৱহৃত বাক্যৰ গঠনৰ সৈতে উচ্চস্বৰে কৰা পঠন আৰু কাহিনী ব্যৱহাৰ কৰা আৰু নিৰ্দিষ্ট শব্দ আৰু গঠন ব্যৱহাৰ কৰি এটা বহুভাষিক পদ্ধতি গ্ৰহণ কৰা য'ত প্ৰথম ভাষাত চিনাকি কাহিনী এটা প্ৰথমে শিক্ষকৰ দ্বাৰা কেইবাবাৰো উচ্চস্বৰে পঠন কৰা হয় আৰু তাৰ পিছত দ্বিতীয় ভাষা বা তৃতীয় ভাষাত পুণৰ কোৱা আদি অন্তৰ্ভুক্ত।

শিশুৱে বুনিয়াদী পৰ্যায়ৰ শেষৰ ফালে অন্ততঃ দুটা ভাষাত সবল মৌখিক ভাষিক দক্ষতাৰ (শ্ৰৱণমূলক বোধগম্যতা, পৰ্যাপ্ত শব্দভাণ্ডাৰ, আৰু মৌখিক প্ৰকাশকে ধৰি) বিকাশ সাধন কৰিব লাগিব। এই মৌখিক ভাষিক দক্ষতাসমূহে বুনিয়াদী পৰ্যায়ৰ শেষৰ ফালে অন্ততঃ এটা ভাষা (আৰু ধ্বনিলিপি)ত স্বতন্ত্ৰভাৱে পঢ়িবলৈ আৰু লিখিবলৈ সক্ষম হ'ব।

গ. **আৰম্ভণিতে যথাসম্ভৱ (R1) ভাষাৰ জৰিয়তে পঠন আৰু লিখনৰ ধাৰণাটো বিকশিত হৈছে, যিটো প্ৰধানতঃ ঘৰুৱা ভাষা (L1)। (আমি R1 ক সেইটো ভাষা হিচাপে ব্যাখ্যা কৰোঁ যিটো ভাষাৰ জৰিয়তে শিশুৱে প্ৰথমতে পঠন আৰু লিখনৰ ধাৰণা সম্পৰ্কে শিক্ষা আহৰণ কৰে, এইদৰে, R2 হৈছে তেনেধৰণৰ দ্বিতীয় ভাষা আৰু R3 হৈছে তৃতীয় ভাষা।)**

শিশুৰ মাজত পঠন আৰু লিখনৰ ধাৰণা (উদাহৰণস্বৰূপে, শিশুৱে লাভ কৰা সাক্ষৰতা আৰু পঠন-বোধ আৰু লিখিত প্ৰকাশভংগী)টো কথিত বা মৌখিক ভাষাৰ বিকাশৰ মাধ্যমেৰে; অৰ্থ-নিৰ্ধাৰণ (চিত্ৰকলা সম্পৰ্কে বোধ আৰু ব্যাখ্যাৰ সৈতে তথা অন্যান্য প্ৰতীকী প্ৰণালী যেনে-ভঙ্গিমা, মুখাবয়ৱ প্ৰকাশভংগী, কলা, সঙ্গীত, নৃত্য, নাটক, খেল)ৰ আৰু বিভিন্ন প্ৰকাশ সামগ্ৰীৰ সৈতে সম্পৰ্কৰ স্থাপনৰ জৰিয়তে বিকাশ কৰা।

সেয়েহে, বুনিয়াদী পৰ্যায়ত মৌখিক ভাষা দক্ষতাৰ প্ৰাৰম্ভিক বিকাশৰ ওপৰত অতিৰিক্তভাৱে গুৰুত্ব প্ৰদান কৰিবলৈ, আৰম্ভণিতে শিশুক অধিক সামগ্ৰীৰ লগত বিশেষভাৱে R1 (যিটো প্ৰধানতঃ L1 হয়, কিন্তু ওপৰত ক্ৰমিক সংখ্যা 'ক'ত বৰ্ণনা কৰাৰ দৰেকেতিয়াবা ই L2 ও হ'ব পাৰে)ৰ লগত পৰিচিত কৰিব লাগে। এই ছপা সামগ্ৰীসমূহৰ আৰম্ভণি চিত্ৰ/গল্পৰ কিতাপৰ দ্বাৰা কৰা উচিত। শিশুসকলৰ চকুৰ সমান্তৰালকৈ R1 অথবা R2ৰ বৰ্ণমালাৰ আখৰ আৰু প্ৰত্যেক ভাষাৰে চিত্ৰ, আকৃতি আৰু সংখ্যাৰ সৈতে থকা সৰল শব্দ আৰু বাক্যাংশ, বিদ্যালয়ৰ দেৱালত আঁকি প্ৰদৰ্শন কৰিব পৰা যায়। কিছুমান ক্ষেত্ৰত, R1 আৰু R2 ৰ একে আখৰো থাকিব পাৰে, কিন্তু কিছুমান ক্ষেত্ৰত ই পৃথকো হ'ব।

মৌখিক ভাষাৰ দৰে পঠন আৰু লিখন স্বতঃস্ফূৰ্তভাৱে আয়ত্ব কৰিব নোৱাৰে; কাৰণ, অৰ্থপূৰ্ণ বিষয়ৰ মাধ্যমেৰে পৰ্যাপ্ত পৰিমাণে প্ৰাসংগিক কৰি তুলিব লাগিব। শিশুসকলে পঠনৰ কাৰণে শব্দ সামঞ্জস্য (লিখিত শব্দৰ সৈতে চাক্ষুষ দৰ্শন লাভ কৰিবলৈ) চিত্ৰ পুস্তিকাৰ দ্বাৰা আৰু চিত্ৰৰ সামঞ্জস্য লাভ, উচ্চ-স্বৰে পঢ়া কিতাপ (বিশিষ্ট ধ্বনি আৰু আখৰৰ মাজত সম্পৰ্কৰ বোধৰ বিকাশ সাধনৰ বাবে শিশুসকলক ডাঙৰকৈ পঢ়োৱা হয়), ভাগ-বিতৰিত পঠন, নিৰ্দেশনামূলক পঠন, আৰু অৱশেষত সৰল আৰু তাৰপিছত আৰু অধিক জটিল কাহিনী বা বিষয় (উদাহৰণস্বৰূপে, শ্ৰেণীবদ্ধ পাঠৰ যোগেদি)ৰ একক পঠনলৈ, এক ক্ৰমাগত অভিজ্ঞতা লাভ কৰিব। শিশুসকলৰ আগ্ৰহ বৃদ্ধিৰ বাবে চিত্ৰ আৰু গল্পৰ কিতাপসমূহ আনন্দপূৰ্ণ, সম্বন্ধিত, ৰঙীণ আৰু আকৰ্ষক আৰু স্থানীয় আৰু ভাৰতীয় বিষয়, পৰম্পৰা আৰু সাহিত্যৰ সৈতে সম্পৰ্কিত হ'ব লাগিব।

খেলা-ধূলা আৰু বাৰ্তালাপৰ মাজেৰে ধ্বনি/পাঠৰ দ্বাৰা অৰ্থবোধৰ শিক্ষা অধিক আকৰ্ষণীয় কৰিব পৰা যায় (উদাহৰণস্বৰূপে, আপুনি কোনবোৰ বেলেগ শব্দ জানে যিবোৰ শব্দত 'ব' ধ্বনি ব্যৱহাৰ হয়; 'ব' ধ্বনিৰ বাহিৰেও আপুনি কি ধ্বনিৰ উচ্চাৰণ কৰিব পাৰে, কোনবোৰ শব্দৰ পশ্চাৎমূখী আৰু অগ্ৰমূখী)।

শিশুৰ লিখনৰ প্ৰতি দৃষ্টিভংগী এক কাৰ্যৰ পৰিৱৰ্তে প্ৰকাশভংগীৰ ৰূপতহে হ'ব লাগিব। যেনেকৈ, শিশুৰ কাৰণে প্ৰথম পদক্ষেপ অঙ্কণ হয়, তাৰ পিছত সেই অঙ্কণক নামকৰণৰ লগত সম্পৰ্কিত কৰা (য'ত আৰম্ভণিতে 'উদ্ভাৱনীমূলক বানান' জড়িত হ'ব পাৰে যি সাৰ্থক সাক্ষৰতাৰ ক্ষেত্ৰত এক গুৰত্বপূৰ্ণ পদক্ষেপ), ইয়াৰ পিছত এইটো অনুভৱ কৰা যে বহু সংখ্যক শব্দ (বাক্যাংশ)ৰ জৰিয়তে এজন ব্যক্তিয়ে নিজকে অধিক প্ৰকাশ কৰিব পাৰে আৰু অৱশেষত, সম্পূৰ্ণ বাক্যৰ দিশলৈ গতি কৰা। ব্যৱহাৰিক পুস্তিকা, লিখাৰ আৱশ্যক হোৱা খেল, আৰু অন্য প্ৰকাৰৰ নিৰ্দেশনাযুক্ত লিখনৰ জৰিয়তে ব্যৱহাৰিক শিকনৰ ব্যৱস্থা কৰিব পৰা যায়।

প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত যেতিয়া শিশুৱে পঠন আৰু লিখনৰ শিকনৰ ক্ষেত্ৰত শব্দাৰ্থ-কেন্দ্ৰিক আৰু দক্ষতা কেন্দ্ৰিক দুয়ো প্ৰকাৰৰ ক্ৰিয়াকলাপ প্ৰয়োজন হয়। শিক্ষকসকলৰ ব্যক্তিগত দক্ষতা (উদাহৰণস্বৰূপে, পাঠৰ অৰ্থ প্ৰদান, সাৱলীলতা, বানান, শুদ্ধকৈ লিখা ইত্যাদি)ৰ শিকন আৰু পঠন, লিখন আৰু মৌখিক ভাষাৰ বিকাশৰ সামঞ্জস্যপূৰ্ণ বাবে সম্পূৰ্ণ ভাষাটোৰ অৰ্থপূৰ্ণ ব্যৱহাৰৰ কাৰণে সুযোগ প্ৰদান কৰাৰ আৱশ্যকতা আছে।

এই ক্ষেত্ৰত কৰ্মপুস্তিকাৰ দ্বাৰা শিশুসকলক পঠন আৰু লিখনৰ নিয়মিত অনুশীলনৰ সুযোগ প্ৰদান কৰিব লাগে। তাৰ কৰ্মপত্ৰিকাসমূহো শ্ৰেণীবদ্ধ হ'ব লাগিব।

ঘ. **শিশুৰ মাজত R1-ত পঠন আৰু লিখনৰ ধাৰণাটো এবাৰ গঢ় লৈ উঠিলেই অতিৰিক্ত লিপিৰ ব্যৱহাৰ ক্ৰমান্বয়ে আৰম্ভ কৰিব পৰা যায়। ইয়াৰ উদ্দেশ্য হৈছে ৮ বছৰ বয়সৰ ভিতৰত আৰ১ (শ্ৰেণী ৩ )ৰ স্বতন্ত্ৰ গঠন আৰু লিখন সম্ভৱ কৰি তোলা।**

**আৰ২ আৰু আৰ৩** ৰ কাৰণে পঠন আৰু লিখনৰ ধাৰণাটো একেই-ডাঙৰকৈ পঢ়াৰে আৰম্ভ কৰি, খেল-ধেমালি আৰু বিশিষ্ট ধ্বনি আৰু আখৰৰ সামঞ্জস্য বুজিবলৈ কৰা ক্ৰিয়াকলাপ, ভাগ-বিতৰিত পঠন, নিৰ্দেশিত পঠনৰ পৰা লিখনৰ অভ্যাসলৈকে যিয়ে কবিতা, গীত, নাটক, খেল আৰু শিক্ষণ বৃদ্ধিৰ বাবে প্ৰচুৰভাৱে সংযুক্ত অন্যান্য সৃষ্টিশীল ক্ৰিয়া-কলাপৰ সৈতে স্বতন্ত্ৰ লিখনৰ অনুশীলনলৈকে অব্যাহত থাকিব।

কাৰণ, পঠন আৰু লিখনৰ ধাৰণাটো ইতিমধ্যেই R1ৰ জৰিয়তে শিকা হৈছে, সেয়েহে R2 আৰু R3ৰ বাবে নতুন লিপি শিকাৰ প্ৰক্ৰিয়াটো ধাৰণাগতভাৱে বহুত সহজ হৈ উঠে।

R1, R2 আৰু R3 ৰ লগত জড়িত পাৰস্পৰিক ভাষাৰ শ্ৰেণীসমূহ R1-R3 তকৈ পৃথক হ'লে ওপৰত উল্লেখ কৰাৰ দৰে **এল১**ৰ সাহাৰ্যত পৰিচালিত হয়। লক্ষ্য হ'ব লাগিব শিশুৱে বুনিয়াদী পৰ্যায়ৰ আৰু তাৰ ওপৰত সকলো ভাষাতে তেওঁলোকৰ কথন, পঠন আৰু লিখন ক্ষমতাত অগ্ৰগতি লাভ কৰাৰ লগে লগে উচ্চস্তৰৰ প্ৰশ্নসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়।

---

## বুনিয়াদী পৰ্যায়ত ভাষাৰ লগত জড়িত মূল ধাৰণাসমূহৰ সাৰাংশ ঃ

বুনিয়াদী পৰ্যায়ত পাঠাদানৰ মাধ্যম সম্ভৱপৰ পৰিমানে ঘৰুৱা ভাষা হ'ব। য'ত সম্ভৱ নহয় তেনে ক্ষেত্ৰত শিশুৱে পাঠদান-শিক্ষণ ক্ৰিয়াকলাপত **এল১**ৰ আনুষ্ঠানিক ব্যৱহাৰক সমৰ্থন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব, আৰু **এল১** ৰ পৰা বিদ্যালয়ৰ ভাষালৈ এক সংযোগ স্থাপন কৰা হ'ব।

শিশুসকলক যিমান পাৰি সোনকালে একাধিক মৌখিক বা কথিত ভাষাত নিমগ্ন কৰোৱা হ'ব, যিবোৰ পাৰস্পৰিক ক্ৰিয়া-কলাপ (উদাহৰণস্বৰূপে-বাৰ্তালাপ, টিপিআৰ, কবিতা, গীত, নাটক, অভিজ্ঞতাৰ আখ্যান)ৰ জৰিয়তে বৃদ্ধি কৰা হ'ব। লক্ষ্য হ'ব তৃতীয় শ্ৰেণীৰ ভিতৰত দুটা ভাষাত ভাষাৰ মৌখিক সাৱলীলতা (একে স্তৰত হোৱাটো বাধ্যতামূলক নহয়) লাভ কৰা।

পঠন আৰু লিখনৰ ধাৰণাটো আৰম্ভণিতে **আৰ১** ৰ জৰিয়তে বিকশিত কৰা হয়, য'ত সম্ভৱ তাত কথিত বা মৌখিক ভাষাৰ লগত আগতীয়াকৈ সংস্পৰ্শলৈ অহা, অৰ্থ-নিৰ্মাণ কাৰ্যাৱলী, আৰু প্ৰকাশৰ সামগ্ৰীৰ জৰিয়তে যিটো হ'লে ভাল। বিশিষ্ট ধ্বনি আৰু আখৰৰ বোধ আৰু ইয়াৰ মাজৰ মিল (পাঠোদ্ধাৰ) খেল আৰু পাৰস্পৰিক অনুশীলনৰ জৰিয়তে বিকশিত কৰা হ'ব।

- পঠনৰ দক্ষতা প্ৰথমে ছবি আৰু গল্পৰ কিতাপ, উচ্চস্বৰে পঢ়া কিতাপ, ভাগ-বিতৰিত পঠন, নিৰ্দেশিত পঠন আৰু শিক্ষা আহৰণক উন্নত কৰিবলৈ কবিতা, গীত, সাহিত্য, নাটক আৰু খেলৰ সৈতে জড়িত ক্ৰিয়াকলাপৰ সৈতে শ্ৰেণীভূক্ত পাঠকৰ জৰিয়তে অধিক স্বতন্ত্ৰ পঠনৰ জৰিয়তে বিকশিত কৰা হ'ব। যিবোৰ ক্ষেত্ৰত **আৰ১ এল১** নহয় তাত **এল১** ৰ সমৰ্থনত সম্ভৱপৰ পৰিসৰত ব্যৱস্থা কৰা হ'ব।
- শব্দ, বাক্যাংশৰ আৰু তাৰ পিছত অৰ্থপূৰ্ণ আৰু সৃষ্টিশীল প্ৰসঙ্গত সম্পূৰ্ণ বাক্যৰ অধিক স্বতন্ত্ৰ লিখনৰ দ্বাৰা অনুসৃত অংকন, সামঞ্জস্যকৰণ, উদ্ভৱনীমূলক বানান, কৰ্মপুস্তিকাৰ লিখন, লিখন নিৰ্ভৰ ক্ৰীড়া, আৰু অন্যান্য ধৰণৰ নিৰ্দেশিত লিখনৰ জৰিয়তে **আৰ১**ত লিখনৰ দক্ষতা বিকাশ কৰা হ'ব।

**আৰ২** আৰু **আৰ৩** ত পৰৱৰ্তী কালত বিকশিত পঠন আৰু লিখনৰ দক্ষতা একে হ'ব। ইয়াৰ উদ্দেশ্য তৃতীয় শ্ৰেণীৰ ভিতৰত **আৰ১**ত সাক্ষৰতাৰ দক্ষতা অৰ্জন কৰিব লাগিব।

---

*টোকাঃ এই অধ্যায়ত, শিশুৱে যিটো ভাষাত বিদ্যালয়ত পঢ়িবলৈ আৰু লিখিবলৈ (**আৰ১** আৰু **আৰ২**) শিকে তাক শিশুটিয়ে কথিতভাৱে পৰিচিত হ'ব পৰা ভাষাবোৰ(**এল১** আৰু **এল২**)ৰ পৰা ধাৰণাগতভাৱে পৃথক কৰিছোঁ।*

*যিহেতু **এল১** আৰু **এল২** ক বিদ্যালয়ত শিকনৰ ভাষা হিচাপে সাধাৰণতে বুজা যায় গতিকে আমি গ্ৰন্থৰ বাকী অংশত **আৰ১** আৰু **আৰ২** ৰ সৈতে সমাৰ্থক হিচাপে **এল১** আৰু **এল২** ক ব্যৱহাৰ কৰিছোঁ।*

# অধ্যায় 4

# শিক্ষাশৈলী ঃ

এক নিৰাপদ, সুৰক্ষিত, আৰামদায়ক আৰু আনন্দমূলক শ্ৰেণীকোঠাৰ পৰিৱেশে বুনিয়াদী পৰ্যায়ত শিশুসকলক ভালদৰে শিকাত আৰু অধিক সাফল্য লাভ কৰাত সহায় কৰিব পাৰে। অন্বেষণ, পৰীক্ষা-নিৰীক্ষা আৰু অভিজ্ঞতা লাভৰ যথেষ্ট সুযোগযুক্ত পৰিচৰ্যা আৰু প্ৰতিক্ৰিয়াশীলতা এই পৰ্যায়ৰ শিক্ষাশৈলীৰ মূল্য বৈশিষ্ট্য।

এই অধ্যায়ৰ ৪.১ খণ্ডত বুনিয়াদী পৰ্যায়ৰ কাৰণে শিক্ষাশৈলীৰ নীতিসমূহৰ ৰূপৰেখা দাঙি ধৰা হৈছে। ৪.২ খণ্ডত বৰ্ণনা কৰা হৈছে যে ভাল পাঠদানৰ প্ৰথম পদক্ষেপ হৈছে পৰিকল্পনা। শিশুসকল প্ৰস্ফুটিত হয় যেতিয়া শিক্ষকসকলৰ সৈতে তেওঁলোকৰ সম্পৰ্ক প্ৰতিপালনমূলক হয়- শ্ৰেণীকোঠাত এই সম্পৰ্ক কিদৰে স্থাপন কৰিব পাৰি তাক ৪.৩ খণ্ডত গুৰুত্ব দিয়া হৈছে। এই বয়সৰ শিশুসকলে খেলৰ জৰিয়তে শিকিব পাৰে- খণ্ড ৪.৪ত খেলৰ জৰিয়তে শিকাৰ বিভিন্ন পদ্ধতিৰ বিষয়ে বিতংভাৱে উল্লেখ কৰিছে। খণ্ড ৪.৫ খণ্ডত সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ পাঠদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। সমগ্ৰ শিক্ষাশৈলীৰ প্ৰক্ৰিয়াটোক ইতিবাচক যোগাত্মক শ্ৰেণীকোঠাৰ এটা পৰিৱেশৰ দ্বাৰা সম্ভৱ কৰা হয়। ৪.৬ খণ্ডত ইয়াৰ বৰ্ণনা কৰা হৈছে। ৪.৭ খণ্ডত তেনে শ্ৰেণীকোঠাৰ পৰিৱেশৰ আলোচনা কৰা হৈছে য'ত এই শিক্ষাশৈলীকসমূহক প্ৰয়োগ কৰিব পৰা যায়।



# খণ্ড 4.1

# শিক্ষাশৈলীৰ মূল নীতি ঃ

শিক্ষাদানৰ বিভিন্ন শিক্ষাশৈলীৰ নীতিসমূহ বুনিয়াদী পৰ্যায়ৰ পাঠদানৰ কৌশলৰ সম্পৰ্কিত সিদ্ধান্ত গ্ৰহণতো প্ৰযোজ্য হয়।

তলত দিয়া মূল নীতিসমূহ শ্ৰেণীকোঠাৰ পৰিকল্পনা আৰু নিৰ্দেশনাক প্ৰয়োগ কৰা হয়।

(ক) এই পৰ্যায়ত নিৰাপদ আৰু উদ্দীপণাপূৰ্ণ পৰিৱেশ শিশুৰ বিকাশ আৰু শিকনৰ বাবে মৌলিক চৰ্ত্ত।

i. কাৰ্যকলাপসমূহ আনন্দদায়ক আৰু শিশুৰ সকলো ইন্দ্ৰিয়ৰ ব্যৱহাৰক উৎসাহিত কৰে।

ii. শ্ৰেণীকোঠাৰ পৰিৱেশ বৈচিত্ৰপূৰ্ণ আৰু প্ৰত্যাহ্বানমূলক হ'ব লাগে।

iii. শিক্ষাশৈলীৰ বাচনি কৰাৰ সময়ত শিশুৰ শাৰীৰিক আৰু আৱেগিক নিৰাপত্তা বিচাৰ কৰিব লাগে।

iv. শ্ৰেণীকোঠাবোৰ পৰিষ্কাৰ-পৰিচ্ছন্ন, আনন্দদায়ক, বায়ুৰ সুচল প্ৰবাহ থকা আৰু ভালদৰে পোহৰ পৰা হ'ব লাগে।

(খ) এই পৰ্যায়ত শিকন আৰু বিকাশৰ মূলভিত্তি হ'ব শিশুৰ খেল-ধেমালি।

i. খেল-ধেমালি মুক্ত, নিৰ্দেশিত বা গঠনমূলক হ'ব লাগে।

ii. কথোপকথন, কাহিনী, সংগীত, সঞ্চালন, গতি, কলা, হস্তকলা, পুতলা আৰু খেল-ধেমালি ক্ৰীড়া ভিত্তিক পদ্ধতিসমূহৰ অংশ হিচাবে ব্যৱহাৰ কৰাৰ লগতে শিশুক খেলৰ লগত জড়িত কৰাৰ অন্য পদ্ধতিসমূহ উদ্ভাৱন কৰিব পৰা যাব।

iii. বৰ্হি খেলক সক্ৰিয়ভাৱে উৎসাহিত কৰা।

(গ) শিক্ষক আৰু শিশুৰ মাজৰ সম্পৰ্কক গুৰুত্ব প্ৰদান কৰাটোৱেই হৈছে পাঠদান আৰু শিকনৰ ভিত্তি।

i. শিশুসকলৰ কথা ভালদৰে শুনা আৰু 'তেওঁলোকৰ লগত জড়িত হোৱা' সম্পূৰ্ণৰূপে গুৰুত্বপূৰ্ণ।

(ঘ) এই পৰ্যায়ত শাৰীৰিক বিকাশ অতি গুৰুত্বপূৰ্ণ

i. শ্ৰেণীকোঠাৰ কাৰ্যকলাপে সামগ্ৰিক আৰু সুক্ষ্ম পেশী সঞ্চালন দক্ষতা আৰু শাৰীৰিক সঞ্চালনক উৎসাহিত কৰিব লাগে।

ii. ই সামাজিক, আৱেগিক আৰু বৌদ্ধিক বিকাশতো সহায় কৰে।

(ঙ) প্ৰত্যেক শিশুৱে নিজস্ব গতিৰে শিক্ষা আহৰণ কৰে আৰু তেওঁলোকৰ শিকনৰ প্ৰয়োজনীয়তাসমূহ ব্যক্তিগতভাৱে পূৰণ কৰিব লাগে।

i. বেলেগ বেলেগ শিশুৱে একে পৰিপ্ৰেক্ষিতত ভিন ভিন ধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

ii. বেলেগ বেলেগ সময়ত একে পৰিপ্ৰেক্ষিতত একেটা শিশুৱেই ভিন্নভাৱে সঁহাৰি দিব পাৰে।

iii. শ্ৰেণীকোঠাত অংশগ্ৰহণ কৰিবলৈ শিশুসকলক এনেধৰণে সুযোগ প্ৰদান কৰা কৰিব লাগে যাতে প্ৰতিটো শিশুৱে সুন্দৰভাৱে খাপ খায়।

(চ) শিশুসকলে বুনিয়াদী পৰ্যায়ত নিজৰ ঘৰুৱা ভাষাত সৰ্ব্বোত্তমভাৱে শিকিলে অতি আনন্দ অনুভৱ কৰে।

i. নিৰ্দেশনা আৰু আদান-প্ৰদানৰ ভাষা শিশুৰ ঘৰুৱা ভাষা/মাতৃভাষা/চিনাকি ভাষাটো হ'ব লাগে।

ii. শ্ৰেণীকোঠাত ঘৰুৱা ভাষাৰ ব্যৱহাৰত গুৰুত্ব প্ৰদান কৰা হয় আৰু ইয়াৰ ব্যৱহাৰত উৎসাহ প্ৰদান কৰা হয়।

iii. ঘৰুৱা ভাষাৰ পৰিৱৰ্তে বিদ্যালয় অন্য ভাষালৈ পৰিৱৰ্তন সৰল আৰু সদায় ঘৰুৱা ভাষাৰ আধাৰযুক্ত হ'ব লাগে।

iv. শিশুসকলক যথা সম্ভৱ নিজকে অভিব্যক্ত কৰিবলৈ উৎসাহিত কৰা উচিত আৰু যি ভাষাত তেওঁলোকে কথা কয় তাৰ ভিত্তিত কেতিয়াও তেওঁলোকক বিচাৰ কৰা নতুবা নিন্দা কৰা উচিত নহয়।

(ছ) শিশুৰ জীৱন আৰু জীৱন পৰিৱেশ শ্ৰেণীকোঠাৰ শিকন অভিজ্ঞতাৰ লগত গভীৰভাৱে সম্পৰ্কিত।

i. স্থানীয় কাহিনী, মিত্ৰাক্ষৰিক পদ্য, গীত, খেল-ধেমালি, ভাস্কৰ্য্য, আৰু সামগ্ৰী অধিকভাৱে ব্যৱহাৰ কৰা উচিত।

ii. শ্ৰেণীকোঠাত শিশুৰ ঘৰুৱা ভাষাক আদৰণি জনোৱাৰ লগতে উৎসাহো প্ৰদান কৰা উচিত।

(জ) শিশুসকলৰ পূৰ্ববৰ্তী ধাৰণাৰ ওপৰত ভিত্তি কৰি শিক্ষণ অভিজ্ঞতাসমূহৰ ৰূপাঙ্কণ কৰা উচিত।

i. এই সিদ্ধান্তৰ ওপৰত আধাৰিত পৰিকল্পনা সৰলৰ পৰা জটিল ধাৰণালৈ আৰু মূল উপাদানসমূহলৈ প্ৰবাহিত হ'ব লাগে।

ii. ঘৰুৱা ভাষাৰ ব্যৱহাৰ কৰি এই সুবিধা প্ৰদান কৰিব লাগে।

(ঝ) শ্ৰেণীকোঠাৰ কাৰ্যাৱলীয়ে শিশুৰ সামগ্ৰিক বিকাশত গুৰুত্ব দিব লাগে।

i. শাৰীৰিক বিকাশ, সামাজিক-আৱেগিক আৰু নৈতিক বিকাশ, বৌদ্ধিক বিকাশ, নানন্দিক আৰু সাংস্কৃতিক ইত্যাদি বিকাশৰ বিভিন্ন দিশৰ মাজত সন্তুলন বজায় ৰখা উচিত।

# খণ্ড 4.2

# শিক্ষণৰ কাৰণে পৰিকল্পনা ঃ

শিক্ষণ শিশুসকলৰ শিকনৰ অভ্যাস গঠন কৰাৰ উদ্দেশ্যৰে পৰিচালিত এক ইচ্ছাকৃত কাৰ্য। এই ইচ্ছাকৃত কাৰ্য সুপৰিকল্পিত হোৱাটো বাঞ্ছনীয়। এই পৰিকল্পনা ভাল শিক্ষণৰ কাৰণে এক মূখ্য বিষয়।

পৰিকল্পনাত শিক্ষাৰ্থীয়ে আয়ত্ব কৰিবলগীয়া সামৰ্থ আৰু লাভ কৰিবলগীয়া ফলাফলসমূহ, অনুসৰণ কৰিবলগীয়া শিক্ষাশৈলী, ব্যৱহাৰ হ'বলগীয়া সম্পদ আৰু সম্পন্ন কৰিবলগীয়া মূল্যায়ন অনুসাৰে শ্ৰেণীকোঠাৰ কাৰ্যাৱলীসমূহৰ প্ৰস্তুত আৰু ব্যৱস্থাপনা অন্তৰ্ভুক্ত কৰা হয়। শিশুৰ বাবে সহায়ক কাৰ্যকলাপ, গৃহকাৰ্য আৰু শিকাই থকা বিষয়ৰ সৈতে প্ৰাসঙ্গিক শ্ৰেণীত প্ৰদৰ্শন কৰা বিষয় আদিও পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হয়।

পৰিকল্পনা গোটেই শিক্ষাবৰ্ষটোৰ বাবে, নিৰ্ধাৰিত সময়কালৰ বাবে, সপ্তাহটোৰ বাবে, দিনটোৰ বাবে আৰু এটা পাঠৰ বাবে তৈয়াৰ কৰা হয়।

বাৰ্ষিক আৰু নিৰ্ধাৰিত সময়কালৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ দ্বায়িত্ব ৰাজ্য/জিলা/ বিদ্যায়লৰ হ'ব পাৰে। সেয়েহে শিক্ষকসকলে সপ্তাহ, দিন আৰু পাঠটোৰ বাবে পৰিকল্পনা কৰিব লাগিব।

## 4.2.1 পাঠদান পৰিকল্পনাৰ উপাদানসমূহ ঃ

ভাল পৰিকল্পনা কৰিবলৈ শিশুসকলৰ আগতীয়া অধ্যয়ন, আৰু বিদ্যালয়ত মজুত থকা শিক্ষণ শিকন সামগ্ৰী আৰু পাঠদানৰ বিষয়বস্তুৰ সৈতে লাভ কৰিবলগীয়া শিকনৰ ফলশ্ৰুতি আৰু সামৰ্থ আৰু পাঠ্যক্ৰমৰ লক্ষ্য সম্পৰ্কে স্পষ্ট ধাৰণাৰ প্ৰয়োজন।

পাঠদান পৰিকল্পনাৰ প্ৰধান উপাদানসমূহ হ'ল—

ক. সামৰ্থ, শিকনৰ ফলশ্ৰুতি আৰু অভিপ্ৰায় পাঠৰ উদ্দেশ্য।

খ. লক্ষ্যত উপনীত হ'বলৈ শিক্ষক নিৰ্দেশিত, শিক্ষকৰ তত্বাৱধানমূলক আৰু/বা শিশুৰ দ্বাৰা পৰিচালিত কাৰ্যাৱলী।

গ. কাৰ্যাৱলীৰ অনুক্ৰম আৰু সময়সীমা।


ঘ. কাৰ্যাৱলীত ব্যৱহাৰ কৰিবলগীয়া সামগ্ৰী আৰু বিষয়সূচী।

ঙ. শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা, উদাহৰণস্বৰূপে বহা ঠাই, প্ৰদৰ্শনী, সামগ্ৰীৰ ব্যৱস্থাপনা।

চ. অতিৰিক্ত সহায় বিচৰা শিশুৰ কাৰণে বিশেষ কৌশল।

ছ. মূল্যায়নৰ পদ্ধতি।

পঞ্চ পৰ্যায়ৰ শিকন প্ৰক্ৰিয়া- 'পঞ্চাদি' হৈছে এজন শিক্ষকে পাঠদানৰ পৰিকল্পনাত প্ৰস্তুতকৰণত গ্ৰহণ কৰিব পৰা এক ভাল নিৰ্দেশনা—




*চিত্ৰ ৪.২.কঃ পঞ্চাদি, শিকনৰ পঞ্চ পৰ্যায়ৰ প্ৰক্ৰিয়া*

- **অদিতি (পাতনি)** ঃ প্ৰথম পদক্ষেপ হিচাপে, শিক্ষকে শিশুৰ পূৰ্ব জ্ঞানৰ সৈতে সংযোগ স্থাপন কৰি এটা নতুন ধাৰণা/বিষয়ৰ উপস্থাপন কৰে। শিশুসকলে প্ৰশ্ন কৰি, অন্বেষণ কৰি, ধাৰণা আৰু সামগ্ৰীৰ সৈতে পৰীক্ষা-নিৰীক্ষা কৰি শিক্ষকৰ সহায়ত নতুন বিষয়টো সম্পৰ্কে তথ্য আহৰণ কৰে।
- **বোধ (ধাৰণাগত বোধশক্তি)** ঃ শিশুৱে দ্বিতীয় পদক্ষেপত খেল-ধেমালি, অনুসন্ধান, পৰীক্ষা-নিৰীক্ষা, আলোচনা বা পঢ়াৰ জৰিয়তে মূল ধাৰণাসমূহ বুজিবলৈ চেষ্টা কৰে। শিক্ষকে প্ৰক্ৰিয়াটো পৰ্যৱেক্ষণ কৰে আৰু শিশুসকলক পথ প্ৰদৰ্শন কৰে। শিশুসকলে শিকিবলগীয়া ধাৰণাসমূহৰ তালিকা পাঠদান পৰিকল্পনাত আছে।
- **অভ্যাস (অভ্যাস)** ঃ তৃতীয় পদক্ষেপটো হৈছে নিৰ্ধাৰিত পৰিসৰৰ আকৰ্ষণীয় কাৰ্যকলাপৰ জৰিয়তে বোধ আৰু সামৰ্থ শক্তিশালী কৰাৰ অনুশীলন। শিক্ষকসকলে ধাৰণাগত বোধ আৰু সামৰ্থ সুদৃঢ় কৰিবলৈ সামুহিক কাম বা সৰু সৰু প্ৰকল্পৰ আয়োজন কৰিব পাৰে।
- **প্ৰয়োগ (প্ৰয়োগ)** ঃ চতুৰ্থ পদক্ষেপটো হ'ল আয়ত্ব কৰা বোধক শিশুৰ দৈনন্দিন জীৱনত প্ৰয়োগ কৰা। বিভিন্ন কাম-কাজ আৰু সৰু সৰু প্ৰকল্পৰ জৰিয়তে এই কাম সম্পন্ন কৰিব পাৰি।
- **প্ৰচাৰ (প্ৰচাৰ)** ঃ পঞ্চম পদক্ষেপটো হ'ল আহৰণ কৰা বোধ বন্ধু-বান্ধৱীৰ সৈতে কথা বতৰাৰ জৰিয়তে, ইজনে-সিজনক নতুন কাহিনী কোৱা, নতুন গান গোৱা, একেলগে নতুন কিতাপ পঢ়া আৰু ইজনে সিজনৰ লগত নতুন খেল খেলাৰ জৰিয়তে বিস্তৃত কৰা। শিকি অহা প্ৰতিটো নতুন বিষয়ৰ বাবে আমাৰ মগজুত এটা নতুন স্নায়ুপথৰ সৃষ্টি হয়। জ্ঞানৰ ভাগ-বিনিময়ে আমাৰ শিকনক শক্তিশালী কৰে। আমি যি শিকিছোঁ তাক যদি আমি নিশিকাও তেনেহ'লে এটা স্নায়ুপথ অসম্পূৰ্ণ হয়। শিক্ষণে শিকনক স্পষ্ট আৰু দীৰ্ঘস্থায়ী কৰে।

## 4.2.2 পৰিকল্পনাৰ কাৰণে অন্যান্য প্ৰয়োজনীয় চৰ্ত্তসমূহ ঃ

**ক. ভিন্নতামূলক নিৰ্দেশনাৰ কাৰণে পৰিকল্পনা ঃ**

এগৰাকী শিক্ষকে কেনেকৈ ভিন্নতাপূৰ্ণ আগ্ৰহ আৰু সামৰ্থৰ শিশুসকলক অৰ্থপূৰ্ণভাৱে জড়িত কৰি আৰু উন্নত শিকনক উৎসাহিত কৰি নিজক শ্ৰেণীটোৰ পৰিকল্পনা কৰিব পাৰে?

ইয়াৰ এটা উপায় হ'ল ভিন্নতামূলক নিৰ্দেশনা। ই হৈছে শিশুৰ ব্যক্তিগত প্ৰয়োজন অনুসৰি পাঠদান প্ৰক্ৰিয়াটো তৈয়াৰ কৰা। এই ক্ষেত্ৰত বিষয়বস্তু, শিক্ষণ পদ্ধতি, সামগ্ৰী আৰু মূল্যায়ন বেলেগ বেলেগ শিশুৰ বাবে বেলেগ বেলেগ হ'ব পাৰে।

কিন্তু বিশেষভাৱে এটা বৃহৎ শ্ৰেণীত, একক শিশুৰ ক্ষেত্ৰত এই ভিন্নতামূলক নিৰ্দেশনা প্ৰয়োগ কৰা কঠিন। সেই ক্ষেত্ৰত, শিক্ষকজনে একেধৰণৰ প্ৰয়োজনীয়তা থকা শিশুৰ সৰু সৰু গোট চিনাক্ত কৰিব পাৰিব আৰু গোট হিচাপে সেইবোৰক বেলেগ ধৰণেৰে নিৰ্দেশনা প্ৰদান কৰিব পাৰিব।

ইয়াৰ বাবে পৰিকল্পনা কৰাৰ আগতে, শিক্ষকে শিশুসকলক ভালদৰে পৰ্যৱেক্ষণ কৰাটো গুৰুত্বপূৰ্ণ আৰু তেওঁলোকৰ বিষয়ে যিমান পাৰি সিমান তথ্য সংগ্ৰহ কৰাটো গুৰুত্বপূৰ্ণ (যেনে— তেওঁলোকে ইজনে সিজনৰ লগত কেনেকৈ মত বিনিময় কৰে, তেওঁলোকে কিয় এটা বিশেষ খেল খেলিবলৈ বাছি লয়, তেওঁলোকৰ মাজত কেনেধৰণৰ কথা-বতৰা হয়, সামগ্ৰীৰ সৈতে তেওঁলোকে কেনেকৈ কাম কৰে, মৌখিক ভাষা কেনেকৈ ব্যৱহাৰ কৰে আৰু লিখিত শব্দৰ প্ৰতি তেওঁলোকৰ সঁহাৰি কেনেধৰণৰ ইত্যাদি।

**এই পৰিকল্পনাৰ ক্ষেত্ৰত কিছু সম্ভাৱনীয়তা ঃ**

i. যদি এগৰাকী শিক্ষয়িত্ৰীয়ে ব্লকৰ সৈতে খেলাৰ ওপৰত এক পৰিকল্পনা কৰিছে, তেন্তে তেওঁ বিভিন্ন ল'ৰা-ছোৱালীয়ে বিভিন্ন কাম কৰাৰ পৰিকল্পনা কৰিব পাৰে। কিছুমান ল'ৰা-ছোৱালীয়ে স্তম্ভ নিৰ্মাণ কৰে, তেওঁলোকে কিমান ব্লক ব্যৱহাৰ কৰিছে, কি ৰং ব্যৱহাৰ কৰিছে আৰু কিয়? আন কিছুমান শিশুক একে ৰঙৰ বা একে আকাৰৰ ব্লক চিনাক্ত কৰিবলৈ আৰু বিভিন্ন আকাৰ আৰু ৰঙৰ ব্লকৰ তুলনা কৰিবলৈ ক'ব পাৰি। কিছুমান শিশুক ব্লক ব্যৱহাৰ কৰি বিভিন্ন বস্তু যে— বিছনা, ঘৰ বা খেলাৰ বাবে পৃথকে পৃথকে মোবাইল ফোন বা গাড়ী বনাবলৈ উৎসাহিত কৰিব পাৰি।

ii. যদি শিক্ষকে শিশুসকলক ফুলনি-বাৰীত গছ-গছনি বা শ্ৰেণীকোঠাত টাবত থকা গছ-গছনি দেখুৱাবলৈ পৰিকল্পনা কৰে, তেন্তে কিছুমান শিশুক গছৰ আকাৰ, গঠন, গোন্ধ আৰু ৰঙৰ ক্ষেত্ৰত গছৰ মাজত পাৰ্থক্য আঙুলিয়াই দিবলৈ প্ৰেৰণা দিব পাৰি। আন শিশুক গছ-গছনিবোৰ স্পৰ্শ কৰিবলৈ আৰু অংগবোৰৰ নাম ক'বলৈ দিব পাৰি। আন কিছু শিশুক গছ অংকণ কৰিবলৈ ক'ব পাৰি। পঢ়িব পৰা শিশুৱে ছবিখন অকা হোৱাৰ পিছত আন শিশুসকলক উপযুক্তভাৱে চিহ্নিত কৰাত সহায় কৰিব পাৰে।

iii. পখিলাৰ বিষয়ে এটা শ্ৰেণীত পাঠদান কৰাৰ সময়ত শিক্ষকে শিশুৰ এটা গোটৰ বাবে পখিলাৰ ওপৰত গল্পপুথি, আন এটা গোটৰ বাবে সৰু সৰু দৃশ্য-শ্ৰাব্যৰ তথ্য, তৃতীয়টো গোটৰ বাবে এটা আকৰ্ষণীয় পখিলাৰ পাজ'ল আৰু চতুৰ্থ গোটৰ বাবে পখিলাৰ আৰ্হি ব্যৱহাৰ কৰিব পাৰে।

iv. পঠনৰ বিভিন্ন পৰ্যায়ত থকা শিশুৰ কাৰণে, শিক্ষকে বিভিন্ন গ্ৰন্থ বা পঠন সামগ্ৰী ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিব পাৰে।


v. শিক্ষকে সৰল কাৰ্যপত্ৰিকাৰ পৰা আৰম্ভ কৰি শ্ৰেণীৰ বিভিন্ন গোটৰ শিশুৱে কি কৰিবলৈ সক্ষম হয় তাৰ ভিত্তিত অধিক জটিল কাৰ্যপত্ৰিকালৈ আগবাঢ়িব পৰাকৈ বিভিন্ন স্তৰৰ কাৰ্যপত্ৰিকা ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিব পাৰে।

**খ. হেঁদালি আৰু দায়িত্বৰ পৰা ক্ৰমশঃ মুক্ত কৰা ঃ**

অভিজ্ঞ শিশু বা প্ৰাপ্তবয়স্কৰ পৰা পদ্ধতিগতভাৱে সহায় আগবঢ়ালে শিশুৱে সহজেই নতুন জ্ঞান আহৰণ কৰিব পাৰে। শিশুৰ বাবে নতুন জ্ঞান আঁহৰণ কৰাটো এটা প্ৰত্যাহ্বান হ'ব লাগে, কিন্তু এই প্ৰত্যাহ্বান শিশুসকলে সামৰ্থ ভিত্তিক হোৱাৰ লগতে তেওঁলোকৰ বৰ্তমান জ্ঞানৰ সৈতে জড়িত আৰু অভিজ্ঞ ব্যক্তিৰ সহায়ত কৰিব পৰা বিধৰ হ'ব লাগে।

সেয়েহে, শিশুক শিকিবলৈ, এক প্ৰণালীবদ্ধ হেঁদালিৰ প্ৰয়োজন। হেঁদালিৰ অৰ্থ হ'ল নিৰ্দেশনা দনৰ সময়ত সাহাৰ্য, সংগঠন/কাঠামো আৰু তত্বাবধান প্ৰয়োজনীয় প্ৰদান কৰা। এই হেঁদালি 'দায়িত্বৰ পৰা ক্ৰমশঃ মুক্তি' প্ৰদানৰ (জি আৰ আৰ) জৰিয়তে প্ৰদান কৰিব পাৰি। এই ক্ষেত্ৰত প্ৰথমে শিক্ষকসকলে কোনো এক ধাৰণা বা দক্ষতাৰ আৰ্হি বা ব্যাখ্যা আগবঢ়াই; তাৰ পিছত শিশু আৰু শিক্ষকসকলে সেই ধাৰণা বা দক্ষতাৰ ওপৰত একেলগে কাম কৰে য'ত শিক্ষকে নিৰ্দেশনামূলক সহায় আগবঢ়ায়; আৰু শেষত শিশুৱে ব্যক্তিগতভাৱে আৰু স্বতন্ত্ৰভাৱে অনুশীলন কৰে। [১০]

ক্ৰমশঃ দায়িত্বৰ পৰা মুক্তিক অনুসৰণ কৰিবলৈ কাৰ্য্যকলাপসমূহ তলত দিয়া ধৰণৰে পৰিকল্পনা আৰু ৰূপাঙ্কণ কৰিব পাৰি।




চিত্ৰ ৪.২.খ দায়িত্বৰ পৰা ক্ৰমাগত মুক্তি

দায়িত্বৰ পৰা ক্ৰমশঃ মুক্তিৰ প্ৰক্ৰিয়া

- পৰ্যায় ১ঃ মই কৰোঁ - শিক্ষকে মূল ধাৰণা বা কৌশলৰ প্ৰদৰ্শন/ বৰ্ণনা/ আৰু আৰ্হি দিয়ে।
- পৰ্যায় ২ঃ আমি কৰোঁ - ধাৰণা বা কৌশলৰ ওপৰত শিক্ষক আৰু শিশুসকলে একেলগে কাম কৰে।
- পৰ্যায় ৩ঃ তুমি কৰা - শিশুসকলে স্বাধীনভাৱে ধাৰণা বা কৌশলসমূহৰ অনুশীলন কৰে।

এই পদ্ধতিয়ে সাক্ষৰতা আৰু সাংখ্যিক শিকনৰ ক্ষেত্ৰত ভালদৰে কাম কৰে যদিও এইটো মনত ৰখাটো গুৰুত্বপূৰ্ণ যে সাক্ষৰতা বা সাংখ্যিক জ্ঞানৰ প্ৰতিটো দক্ষতা এইদৰে শিকিব নোৱাৰি। শিক্ষকসকলে তেওঁলোকৰ শ্ৰেণীকোঠাত কিহে সৰ্বোত্তম কাম কৰিব পাৰে তাৰ ওপৰত নিজৰ বিচাৰ প্ৰয়োগ কৰিব পাৰে আৰু ইয়াক তেওঁলোকৰ পাঠ পৰিকল্পনাত তৈয়াৰ কৰিব পাৰে।

### গ. গৃহকাৰ্য ঃ

যেতিয়া আমি 'গৃহকাৰ্য্য' এই শব্দটোৰ কথা কওঁ তেতিয়া তাৎক্ষণিকভাৱে মনলৈ অহা ছবিখন হ'ল ঘণ্টাৰ পিছত ঘণ্টা ধৰি কিতাপ এখনৰ ওপৰত কুঁজা হৈ অতি পৰিশ্ৰমেৰে এটি শিশুৱে পৃষ্ঠাৰ পিছত পৃষ্ঠা লিখি আছে।

বুনিয়াদী পৰ্যায়ৰ শিশুসকলৰ কাৰণে, এইটো যিটো আচলতে কেতিয়াও হ'ব নালাগে!

গৃহকাৰ্য আনন্দদায়ক হ'ব পাৰে আৰু ই বেলেগ ধৰণৰ আমোদজনক প্ৰত্যাহ্বান প্ৰদান কৰিব পাৰে। ই বিদ্যালয়ক শিশুৰ পৰিয়ালৰ সৈতে সংযোগ কৰাত সহায় কৰে। শিশুৱে ঘৰত কি কৰিব পাৰে তাৰ কেইটামান উদাহৰণ তলত উল্লেখ কৰা হ'ল—

i. ককা-আইতাহঁতক তেওঁলোকৰ আৰু তেওঁলোকৰ অভিভাৱকৰ নাম সোধা - বিদ্যালয়ত এই বিষয়ে আলোচনা কৰিব লাগে।

ii. আপোনাৰ ঘৰৰ বাহিৰত বা ওচৰ-চুবুৰীয়াৰ ঘৰৰ বাহিৰত অঙ্কণ কৰা আল্‌পনাবোৰ নিৰীক্ষণ কৰা- বিদ্যালয়তো সেইখিনিকে অঁকাবলৈ চেষ্টা কৰিব লাগে।

iii. তোমাৰ মা, পৰিয়ালৰ আন লোকসকল বা দেউতা বা ওচৰ-চুবুৰীয়াক সহায় কৰা- বিদ্যালয়ত এই বিষয়ে আলোচনা কৰিব লাগে।

iv. ঘৰৰ ওচৰে-পাজৰে ঘুৰি বিভিন্ন ৰঙৰ ফুলবোৰ চোৱা- বিদ্যালয়ত এই বিষয়ে আলোচনা কৰিব লাগে।

v. শ্ৰেণীকোঠাৰ পুথিভঁৰালৰ পৰা গল্পৰ কিতাপ এখন লৈ ঘৰত সেই কিতাপখনৰ সৈতে সময় কটোৱা, ছবিবোৰ চোৱা আৰু শব্দবোৰ পঢ়ি গল্পটো পঢ়িবলৈ চেষ্টা কৰা।

অৱশ্যে শিশুৱে বিদ্যালয়ত ভালদৰে থিতাপি লোৱা আৰু আৰামদায়ক দিনচৰ্য্যাত সোমায় পাৰ কৰাৰ পিছতহে শিক্ষকে ইয়াৰ পৰিকল্পনা কৰিব পাৰে। এই কাম কৰি থাকোঁতে শিক্ষকে এইটোও নিশ্চিত কৰিব লাগিব যাতে শিশুৱে এই কামবোৰ নিজাববীয়াকৈ কৰিব পাৰে আৰু তেওঁলোকৰ হৈ কোনো কাম কৰিবলৈ পিতৃ-মাতৃ বা অন্য ব্যক্তিৰ সহায় ল'ব নালাগে।

*পৰিকল্পনাৰ ওপৰত চিত্ৰণৰ বাবে অনুগ্ৰহ কৰি পৰিশিষ্ট ২ চাওক*

# খণ্ড 4.3

# শিক্ষক আৰু শিশুৰ মাজত যোগাত্মক সম্পৰ্ক স্থাপন ঃ

যেতিয়া আমি আমাৰ শ্ৰেণীকোঠালৈ সোমায় যাওঁ, তেতিয়া আমি কি দেখিবলৈ পাওঁ? আগ্ৰহেৰে ৰৈ থকা এই শিশুসকল কোন?

এই শিশুসকল উজ্জ্বল, পৰ্যৱেক্ষণত দ্ৰুত আৰু তেওঁলোকৰ চৌপাশৰ সকলো বস্তুৰ প্ৰতি আগ্ৰহী। তেওঁলোকে অনবৰতে প্ৰশ্ন কৰে। কেতিয়াবা তেওঁলোকে কিবা এটা বহু সময়লৈকে মনে মনে পৰ্যৱেক্ষণ কৰিব পাৰে। অনেক সময়ত, তেওঁলোকে কিছু সময়ৰ ভিতৰতে আগ্ৰহ হেৰুৱাই পেলায়। কেতিয়াবা তেওঁলোকে জঁপিওৱা আৰু চাৰিওফালে ঘূৰি ফুৰাৰ প্ৰয়োজন হয়। অনেক সময়ত তেওঁলোকে অতি শান্তভাৱে কাহিনী উপভোগ কৰে। কেতিয়াবা তেওঁলোকে কান্দে আৰু ঘৰলৈ যাবলৈ হুলস্থুল কৰে। একে সময়তে, তেওঁলোকে সান্ত্বনা আৰু বিভিন্ন ফুচুলনি ভাল পায়, আৰু বিদ্যালয়ত থাকিবলৈ পতিয়ন যায়। তেওঁলোক কৌতুহলী আৰু বিবেচনাশীল, আনন্দদায়ক আৰু দৃঢ়প্ৰতিজ্ঞ, মৰমিয়াল আৰু দুঃসাহসিক, হাস্যৰসিক আৰু নিৰ্ভীক হ'ব পাৰে।

এই পৰ্যায়ত বহু শিশুৰ ক্ষেত্ৰত কেইবা ঘণ্টাৰ বাবে ঘৰৰ পৰা আঁতৰত থকাৰ প্ৰথম অভিজ্ঞতাও হ'ব পাৰে। শিশুসকলক কোমলতা, লালন-পালন আৰু মৰমৰ প্ৰয়োজন। তেওঁলোকৰ সৈতে কাম কৰা, তেওঁলোকৰ লগত থকা, তেওঁলোকৰ যত্ন লোৱাৰ অৰ্থ হ'ল যে তেওঁলোকৰ ব্যক্তিত্বৰ ভিন্নতা উপভোগ কৰা।

এই ক্ষেত্ৰত শিক্ষকসকল উমাল আৰু বিশ্বাসযোগ্য, ধৈৰ্য্যবান আৰু শান্ত, বোধসম্পন্ন আৰু সহানুভূতিশীল হোৱাটো প্ৰয়োজন- আমি আমাৰ ল'ৰা-ছোৱালীক ধীৰে-সুস্থিৰে সময় আৰু মনোযোগ দিব লাগে।

শিশুসকলে নিজৰ বুলি অনুভৱ কৰিব লাগিব, সিহঁতৰ বিশ্বাসভাজন হ'ব লাগিব, তেওঁলোকে স্বাধীনভাৱে চেষ্টা আৰু অন্বেষণ কৰিবলৈ সুযোগ লাভ কৰিব লাগিব, তেতিয়াহে তেওঁলোকে ভালকৈ শিকিব।

## 4.3.1 শিশুৰ সৈতে শিক্ষকে কেনেদৰে যোগাত্মক সম্বন্ধ তৈয়াৰ কৰিব পাৰে ঃ

শিশুসকলে বিদ্যালয়ত নিজৰ সময়খিনিত যাতে নিজকে জড়িত কৰে আৰু উপভোগ কৰে সেয়া নিশ্চিত কৰাটো শিক্ষক হিচাপে আমাৰ কাম। শিক্ষক আৰু শিশুৰ মাজৰ এক সুৰক্ষিত আৰু ইতিবাচক সম্পৰ্কই আৱেগিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত উভয়কে সমৃদ্ধ কৰে।

এনে ইতিবাচক সম্পৰ্ক গঢ়ি তোলাৰ কিছুমান গুৰুত্বপূৰ্ণ উপায় হ'ল—

ক. **প্ৰতিটো শিশুক ব্যক্তিগতভাৱে চিনি পোৱা ঃ** তেওঁলোকৰ ঘৰ, তেওঁলোকৰ পৰিয়াল, তেওঁলোকৰ আগ্ৰহ, তেওঁলোকে বিদ্যালয়ৰ বাহিৰত কৰা কাম, তেওঁলোকৰ পোহনীয়া জন্তু, তেওঁলোকৰ প্ৰিয় মানুহ ইত্যাদি। ই প্ৰত্যেকটো শিশুকে বুজিবলৈ আৰু তেওঁলোকৰ প্ৰত্যেকৰ বাবে অৰ্থপূৰ্ণ শিকন অভিজ্ঞতা পৰিকল্পনা কৰাত সহায় কৰে।

খ. **ল'ৰা-ছোৱালীৰ কথা শুনা ঃ** তেওঁলোকৰ কাহিনী, তেওঁলোকৰ ঘৰত কি ঘটে তাৰ বৰ্ণনা, তেওঁলোকৰ আগ্ৰহৰ সকলো বিষয়ৰ ক্ষেত্ৰত তেওঁলোকৰ মতামত আৰু দৃষ্টিভঙ্গী- ইয়াৰ দ্বাৰা শিশুসকলে যত্ন আৰু সন্মান অনুভৱ কৰে, বিশ্বাস গঢ়ে, শিশুসকলক চিন্তা আৰু যোগাযোগ কৰাত সহায় কৰে, আৰু আত্মবিশ্বাস লাভ কৰে।

গ. **শিশুক পৰ্যৱেক্ষণ কৰা ঃ** শিশুৰ সৈতে অবিৰতভাৱে মত-বিনিময় কৰি থকাৰ সময়ত সচেতনভাৱে পৰ্যৱেক্ষণ কৰা- ই প্ৰতিটো শিশুৱে বিভিন্ন পৰিস্থিতিৰ প্ৰতি কেনেদৰে চিন্তা কৰে, বিভিন্ন পৰিস্থিতিত প্ৰতিক্ৰিয়া প্ৰকাশৰ কাৰণ। আৱিস্কাৰ কৰাত সহায় কৰে, যিটো পাঠদান আৰু শিক্ষণ পৰিকল্পনাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ।

ঘ. **শিশুৰ অন্তৰ্দৃষ্টিসম্পন্ন প্ৰতিক্ৰিয়াক উৎসাহিত কৰা ঃ** শব্দ, কাৰ্য্য, এটা সৰু সমস্যা সমাধান কৰা, কি হ'ল তাক বিশ্লেষণ কৰা- ই শিশুৰ স্বাভাৱিক সৃষ্টিশীল আৰু সম্পদশালী স্বৰূপক অৰ্থপূৰ্ণভাৱে গঢ়ি তোলাত সহায় কৰে।

ঙ. **শিশুৰ আৱেগ আৰু মনৰ অৱস্থাক চিনি পোৱা আৰু তাৰ প্ৰতি সঁহাৰি জনোৱা ঃ** কথা-বতৰা, সংগীত, কাহিনী কোৱা, শিল্প, একেলগে খেলা খেল-ধেমালিৰ মাজেৰে - ই শিশুসকলক ভালদৰে জড়িত হ'বলৈ, ভালদৰে শিকিবলৈ, নিজৰ আৱেগক ভালদৰে নিয়ন্ত্ৰণ কৰিবলৈ আৰু আনৰ আৱেগ বুজিবলৈ আৰু তাৰ প্ৰতি সঁহাৰি জনাবলৈ সহায় কৰে।

চ. **নিয়মিতভাৱে তেওঁলোকৰ ঘৰ পৰিদৰ্শন কৰা ঃ** ই শিশুসকল আৰু তেওঁলোকৰ ঘৰৰ পৰিৱেশক বুজিবলৈ, বিশ্বাস আৰু ইতিবাচক বান্ধোন তৈয়াৰ কৰিবলৈ গুৰুত্বপূৰ্ণ।

## 4.3.2 শিক্ষকসকলে শিশুসকলক ভালকৈ শিকিবলৈ কেনেদৰে সহায় কৰিব পাৰে ঃ

**আগতীয়া শিকন শ্ৰেণীকোঠাৰ লক্ষ্য হৈছে কাৰ্য্যকলাপ, খেল-ধেমালিৰ মাজেৰে শিশুৰ শিকন আৰু বিকাশ তৰান্বিত কৰা। শিশুসকলক এই ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে, সহায় কৰাৰ ক্ষেত্ৰত শিক্ষকসকলে বিশেষ ভূমিকা পালন কৰে। এই প্ৰসংগত অতি গুৰুত্বপূৰ্ণ দিশসমূহ হৈছে ঃ**

ক. **শ্ৰৱণ ঃ** শিক্ষকসকলে সৰু শিশুৰ কথা-বতৰা, অনুসন্ধান, প্ৰশ্ন আৰু পৃথিৱী সম্পৰ্কে তত্ববোৰ ভালদৰে শ্ৰৱণ কৰা আৰু গুৰুত্ব দিয়াটো প্ৰয়োজনীয়। উদাহৰণস্বৰূপে- যদি কোনো এজন শিশুৱে কয়, 'এটা মকৰাৰ বহুত চকু থাকে', শিক্ষকজনৰ সেই একে কথাকে পুণৰাবৃত্তি আৰু গুৰুত্ব প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আছে, 'হয়' তুমি ঠিকেই কৈছা 'এটা মকৰাৰ বহুত চকু থাকে- তুমি সেইটো কেনেকৈ জানিলা? ইয়াৰ ফলত শিশুটোৱে ভাবে শিক্ষকজনে তেওঁৰ কথা শুনিছে, স্বীকাৰ কৰিছে আৰু বিষয়টো সম্প্ৰসাৰণ কৰাত সহায় কৰিছে। শিক্ষকজনে পৰৱৰ্তী সময়ত পোক-পৰুৱাৰ ওপৰত লিখা কিতাপ এখনলৈ আঙুলিয়াব পাৰে, কোনো তথ্য ভাগ-বিতৰণ কৰিব পাৰে বা তেওঁলোকৰ কৌতুহল আৰু শিকনৰ সম্প্ৰসাৰণৰ বাবে ভিডিঅ' দেখুৱাব পাৰে।

খ. **আৰ্হি প্ৰদৰ্শন ঃ** শিশুৰ শিক্ষাৰ উপায়সমূহৰ ভিতৰত এটা হ'ল পৰ্যৱেক্ষণ আৰু অনুকৰণ। শিশুসকলে নতুন ধাৰণা আৰু সামৰ্থ আহৰণত সহায় কৰিবলৈ শিক্ষকসকলে সচেতনভাৱে আচৰণৰ বিভিন্ন আৰ্হি প্ৰদৰ্শন কৰিব লাগিব। উদাহৰণস্বৰূপে- প্ৰাক-সাংখ্যিক জ্ঞানৰ কাৰণে এটাৰ সৈতে আনটোৰ অনুৰূপতা শিকোৱাৰ সময়ত, শিক্ষকজনে পাঁচটা মুদ্ৰা আৰু পাঁচটা শিল ল'ব পাৰে, আৰু কেনেকৈ প্ৰত্যেক মুদ্ৰাই এটা শিলৰ সৈতে অনুৰূপ হ'ব পাৰে সেইটো সঠিকভাৱে দেখুৱাব পাৰে আৰু শিশুসকলক সংশ্লিষ্ট সংখ্যাটো ক'ব পাৰে। এই ক্ষেত্ৰত তেওঁ ক'ব পাৰে- এটা শিল- এটা মুদ্ৰা, দুটা শিল- দুটা মুদ্ৰা ইত্যাদি। ল'ৰা-ছোৱালীয়ে এইটো কথা দেখিব আৰু পুণৰাবৃত্তি কৰিব। গীত, কাৰ্য, মাটিৰ কাম, শব্দৰ উচ্চাৰণ আদি-সকলো নিয়মীয়া আচৰণৰ ক্ষেত্ৰতে শিক্ষকে এনে আৰ্হি প্ৰদৰ্শন কৰিব পাৰে। সেয়েহে শিক্ষকসকলে শিশুসকলৰ উপস্থিতিত তেওঁলোকে কি কৈ আছে আৰু কি কৰি আছে সেই বিষয়ে সজাগ হ'ব লাগিব।

গ. **সমস্যা সমাধান ঃ** শিশুসকল কৌতুহলী, তেওঁলোক অহৰহ প্ৰচেষ্টা আৰু ভুল আৰু নতুন নতুন কথা অন্বেষণ কৰাত নিয়োজিত হয়। শিশুৱে যেতিয়া ব্লক, কাৰ্ডবোৰ্ড বা আনকি ধূলি-বালিৰে খেলে, তেতিয়া তেওঁলোকে সহজ সমস্যা সমাধনৰ চেষ্টা কৰে। এটা ভাল বালিৰ লাছা তৈয়াৰ কৰিবলৈ কিমান পানী দিব লাগিব? কাৰ্ডবোৰ্ডত কেনেকৈ আঠা লগাব লাগে যাতে ই এটা ভাঁজ তৈয়াৰ কৰিব পাৰে কিন্তু আঠা লাগি নাযায়? ব্লক বা ড'মিনোসমূহ কেনেকৈ ৰাখিব লাগে যাতে টাৱাৰ বা ড'মিনোৰ ক্ৰমটো ভাঙি নাযায়। তাৰ পিছত শিক্ষকে শিশুটিক প্ৰশ্নৰ আকাৰত এক আধাৰ প্ৰদান কৰে (যেনে- তুমি এই বিষয়ে বেলেগ ধৰণে চিন্তা কৰিব পাৰানে?) বা শাৰীৰিক সহায় (যেনে-শিশুৱে আঠা লগোৱাৰ সময়ত কাৰ্ডবোৰ্ডখন ধৰি ৰখা) বা পাজ'ল সমাধানৰ বাবে এটা ধাৰণা প্ৰদান কৰে (যেনে- হয়টো, ৰঙা টুকুৰাটো প্ৰথমে থলে সহায় হ'ব পাৰে।) এনেধৰণৰ আধাৰে শিশুসকলক নিজাববীয়াকৈ সমস্যা সমাধানৰ কল্পনা আৰু চিন্তা কৰাত সহায় কৰে।

ঘ. **প্ৰশ্ন কৰা ঃ** শিশুৱে তেওঁলোকৰ ধাৰণাক মৌখিকভাৱে ব্যক্ত কৰি থাকোঁতে চিন্তা কৰে। শিক্ষকৰ প্ৰশ্নৰ উত্তৰ দিওঁতে তেওঁলোকে এটা বিশেষ বিষয়ৰ ওপৰত গভীৰভাৱে চিন্তা কৰে। ই ভাষা বিকাশতো সহায় কৰে। উদাহৰণস্বৰূপে— তুমি ডাঙৰ ব্লকটো তলত কিয় ৰাখিছা? বুলি সুধিলে শিশুৱে তেওঁলোকে কৰা বাছনিৰ আঁৰৰ কাৰণটো মৌখিকভাৱে প্ৰকাশ কৰাত সহায় কৰিব। শিশুৱে তেওঁলোকৰ খেল-ধেমালিত কি কৰি আছে সেই বিষয়ে শিক্ষকে মনযোগ দিয়া আৰু প্ৰাসঙ্গিক প্ৰশ্ন কৰাটো প্ৰয়োজনীয়।

ঙ. **উত্তেজনা ঃ** শিশুৱে জ্ঞাত হোৱা, চিন্তা কৰা আৰু তেওঁলোকে কৰা কাম সমূহক প্ৰত্যাহ্বান জনোৱাটোৱে তেওঁলোকে চাৰিওফালৰ জগতখনৰ বিষয়ে তেওঁলোকৰ জ্ঞানক গভীৰ কৰি তোলে। শিশুৰ নিজৰ চাৰিওফালে দেখা আৰু শুনা কথাৰ ওপৰত ভিত্তি কৰি এক স্থবিৰ ধাৰণা গঠনৰ প্ৰৱণতা থাকে। শিক্ষকসকল শিশুৰ বাবে প্ৰশ্ন উত্থাপন কৰিবলৈ, উত্তেজনা প্ৰদান কৰিবলৈ আৰু বিকল্প দৃষ্টিভঙ্গী প্ৰদান কৰিবলৈ আগতীয়াকৈ সক্ৰিয় হোৱাটো প্ৰয়োজন যেনে— বাছ চালক বা পাইলট হিচাপে বিশেষভাৱে সক্ষম এটা শিশু বা এগৰাকী মহিলাৰ বিষয়ে কোৱা এটা কাহিনী বাছি লোৱা।

চ. **গৱেষণা কৰা ঃ** শিক্ষকসকলে শিশুসকলক কোনো বিষয়ৰ তেওঁলোকৰ অনুসন্ধান কেনেকৈ কৰিব লাগে- ক'ত চাব লাগে, কাক সুধিব লাগে, প্ৰশ্ন সমাধানৰ বাবে কি ব্যৱহাৰ কৰিব লাগে আৰু কেনেকৈ সিদ্ধান্তত উপনীত হ'ব লাগে সেই বিষয়ে শিকাবলৈ বিভিন্ন সঁজুলি আৰু সামৰ্থৰ বিকাশ কৰাৰ প্ৰয়োজন। শিশুসকলকল ভালদৰে বুজিবলৈ, তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিবলৈ আৰু শিশুৰ শিকন ক্ষমতাৰ বৃদ্ধিৰ বাবে নতুন কাৰ্যকলাপ বিকাশ আৰু পৰিচালনা কৰিবলৈ শিক্ষকসকলে নিজে গৱেষণামূলক অনুশীলন কৰিব লাগিব।

ছ. **শিশুসকলক আত্মনিৰ্ভৰশীল ৰূপত তৈয়াৰ কৰা ঃ** সুস্থ পৰিকল্পনাই শিশুসকলক স্বাধীনভাৱে কাম কৰিবলৈ প্ৰস্তুত কৰাত শিক্ষকসকলক সক্ৰিয় পদক্ষেপ লোৱাত সহায় কৰে। এই ক্ষেত্ৰত প্ৰথমে শিশুৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিব লাগে আৰু তাৰ পিছত ক্ৰমান্বয়ে তেওঁলোকক নতুন সামৰ্থ বা এক নতুন বোধত আত্মবিশ্বাসী হ'বলৈ সাহাৰ্য আগবঢ়াব লাগে।

### 4.3.3 শিক্ষক, পৰিয়াল আৰু সমাজৰ মাজৰ সম্পৰ্ক ঃ

পৰিয়ালসমূহ শিশুৰ প্ৰথম শিক্ষক। সেয়েহে, শিশুসকল বিদ্যালয় আৰু পৰিয়ালৰ তেওঁলোকৰ শিক্ষণ আৰু বিকাশত সহায় কৰাৰ বাবে বিদ্যালয় আৰু পৰিয়ালৰ মাজত এক ভাগ-বিতৰিত দায়িত্ব থাকে।

শিশুৰ শিক্ষণ আৰু বিকাশৰ ক্ষেত্ৰত পৰিয়ালসমূহ অংশীদাৰ। বিদ্যালয়ৰ কাম-কাজ সম্পৰ্কে পৰিয়ালসমূহ অৱগত হোৱা আৰু এই ক্ষেত্ৰত সাহাৰ্য কৰাৰ প্ৰয়োজন। আনহাতে শিশুসকলৰ ঘৰুৱা পৰিস্থিতি শিক্ষকসকলৰ পৰিচিত হোৱাটোও গুৰুত্বপূৰ্ণ।

**শিক্ষক আৰু ঘৰৰ মাজৰ যোগাযোগ অবিৰত হ'ব লাগে ঃ** এই কাৰ্য নিয়মিয়াকৈ পৰিয়ালসমূহৰ দ্বাৰা বিদ্যালয় বা শিক্ষকসকলৰ দ্বাৰা শিশুসকলৰ ঘৰ  পৰিদৰ্শন কৰাৰ দ্বাৰা সম্পাদন কৰিব পৰা যায়।

শিশুক ভালদৰে বুজিবলৈ শিক্ষক আৰু পৰিয়ালসমূহে একেলগে কাম কৰিব লাগিব আৰু শিশুসকলৰ বাবে একেলগে অধিক ইতিবাচক অভিজ্ঞতা সৃষ্টি কৰিব লাগিব। পৰিয়ালে যেতিয়া প্ৰশ্ন কৰে আৰু মনৰ সন্দেহ ব্যক্ত কৰে, তেওঁলোকে বিদ্যালয়ৰ প্ৰক্ৰিয়াৰ সম্বন্ধে অধিক শিকে। যেতিয়া শিক্ষকে এটা শিশুৰ ঘৰুৱা পৰিৱেশ বুজি পায় তেতিয়া তেওঁলোকে শিশুটিৰ বাবে উন্নত শিক্ষণ অভিজ্ঞতাৰ পৰিকল্পনা কৰিবলৈ সক্ষম হয়। পাৰস্পৰিক আদান-প্ৰদানৰ জৰিয়তে আৰু একেলগে কাম কৰি, শিক্ষক আৰু পৰিয়ালে সকলো ক্ষেত্ৰতে শিশুৰ বিকাশত সহায় কৰে। ইয়াৰ ফলত পৰিয়ালসমূহে ঘৰুৱা অনুশীলনৰ জৰিয়তে বিদ্যালয়ৰ শিকনত সাহাৰ্য আগবঢ়াব পাৰে। এইদৰে পৰিয়ালসমূহেও শিশুৰ অগ্ৰগতি আৰু  প্ৰয়োজনীয়তাৰ ক্ষেত্ৰসমূহৰ মূল্যৱান অৰিহনা যোগাব পাৰে। এই প্ৰক্ৰিয়াৰ জৰিয়তে তেওঁলোকে নিজৰ অভিভাৱকত্বৰ ক্ষমতাৰ গুৰুত্ব অনুভৱ কৰিব পাৰে।

এইদৰে পৰিয়ালসমূহ আৰু স্থানীয় সমাজৰ সদস্যসকলো বিদ্যালয়ৰ কাৰ্যকলাপৰ লগত বিভিন্ন ধৰণে জড়িত হ'ব পাৰে যেনে, তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতা বিনিময় কৰা, বিশেষ দিৱস যৌথভাৱে পৰিকল্পনা আৰু উদযাপন কৰা, শিশুৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰিবলৈ যৌথ প্ৰচেষ্টা গ্ৰহণ, বিদ্যালয়ত সহজ সম্পদৰ প্ৰয়োজনীয়তা আদিৰ দৰে নিৰ্দিষ্ট পৰিস্থিতিৰ প্ৰতি সঁহাৰি।

(বিদ্যালয়, পৰিয়াল আৰু সম্প্ৰদায়ৰ মাজৰ সম্পৰ্কৰ বিষয়ে অধিক বিৱৰণৰ বাবে অনুগ্ৰহ কৰি অধ্যায় ১০, অংশ ১০.৪ চাওক।)

## খণ্ড 4.4

## খেল-ধেমালিৰ জৰিয়তে শিকন ঃ কথোপকথন, কাহিনী, পুতলা, সংগীত, কলা আৰু ভাস্কৰ্য্য ঃ

সৰু ল'ৰা-ছোৱালীৰ কাৰণে শ্ৰেণীকোঠাবোৰ জীৱন্ত আৰু প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰা হ'ব লাগে। শিশুৱে শিকন বিভিন্ন ধৰণে উপভোগ কৰে- কথা কৈ, শুনি, পুতলা ব্যৱহাৰ কৰি, বিভিন্ন সামগ্ৰীৰ সৈতে কাম কৰি, চিত্ৰাঙ্কণ আৰু অঙ্কণ কৰি, গান গাই, নৃত্য কৰি, দৌৰি আৰু জঁপিয়াই। শিক্ষক হিচাপে, আমি আমাৰ শিশুসকলৰ সৈতে কাম কৰিবলৈ এই সকলোবোৰ উপায় ব্যৱহাৰ কৰোঁ।

## 4.4.1 কথোপকথন ঃ

ভাষাৰ মাধ্যমেৰে শিশুৱে নিজৰ তথা আনৰ লগত কথা পাতে আৰু শব্দ গঠন কৰিবলৈ আৰম্ভ কৰে আৰু তেওঁলোকে নিজস্ব বাস্তৱতাক অনুভৱ কৰে। ভাষা স্পষ্টভাৱে আৰু যুক্তি-যুক্তভাৱে বুজিব পৰা আৰু ব্যৱহাৰ কৰিব পৰা ক্ষমতা শিকনৰ বাবে অতি গুৰুত্বপূৰ্ণ।

- **শিশুসকলৰ চৌপাশে থকা মানুহ আৰু বস্তুৰ সৈতে তেওঁলোকৰ সংযোগ স্থাপনৰ ক্ষমতাৰ বাবে বাৰ্তালাপ অতি গুৰুত্বপূৰ্ণ। শ্ৰেণীকোঠাত শিশুৰ সৈতে অবিৰত কথা-বতৰাই বিশ্বাসৰ সম্পৰ্ক গঢ়ি তোলাত সহায় কৰে।**

শ্ৰেণীকোঠাত বাৰ্তালাপ দুই প্ৰকাৰৰ হ'ব পাৰে।

ক. **মুক্ত কথোপকথন ঃ** মুক্ত কথোপকথনৰ সময়ত, শিক্ষকে কেইটামান শিশুক গোটাই লৈ দিনটোত, বিদ্যালয়লৈ অহাৰ পথত সংঘটিত বা তেওঁলোকে ক'ব খোজা যিকোনো বিষয়ৰ বিষয়ে কথা পাতিবলৈ অনুমতি দিয়ে। শিক্ষকৰ বাবে কৰণীয় কামটো হ'ল শিশুসকলক কিছুমান সৰল প্ৰশ্ন সোধা যিয়ে তেওঁলোকক তেওঁলোকৰ অভিজ্ঞতাৰ বিষয়ে ক'বলৈ সহায় কৰিব।

খ. **সংগঠিত কথোপকথন ঃ** সংগঠিত কথোপকথনৰ পৰিকল্পনা শিক্ষকসকলে কৰে। এই ক্ষেত্ৰত শিক্ষকে কোনো এটা বিষয়ৰ ওপৰত কথা পাতিবলৈ আৰু চিন্তা কৰিবলৈ আৰু শিশুসকলক একেলগে একত্ৰিত কৰে। এইবোৰ সাধাৰণতে ৰাতিপুৱাৰ সময়ত কৰা হয়। বিষয়সমূহ প্ৰায় শিশুসকলৰ দৈনন্দিন জীৱনৰ পৰিঘটনা আৰু তেওঁলোকৰ অনুভৱৰ বিষয়ৰ লগত জড়িত হ'ব লাগে।

যেতিয়া সকলো শিশুৱে শিক্ষকৰ লগত এটা বৃত্তৰ আকাৰত বহে আৰু কথা পাতে তেতিয়া এই ধৰণৰ কথা-বতৰাৰ সময়ক বৃত্তৰ সময় বুলি কোৱা হয়। শিশুসকলে বৃত্তত বহি আনন্দ উপভোগ কৰে আৰু আত্মীয়তা অনুভৱ কৰে আৰু এই সময়খিনিত শিক্ষকে প্ৰতিটো শিশুকে পৰ্যৱেক্ষণ কৰিব পাৰে। প্ৰত্যেকদিনে এই বৃত্তৰ সময় হোৱাটো ভাল।

এই ক্ষেত্ৰত কোনো এটা নিৰ্দিষ্ট বিষয় বাছি লওঁতে শিশুৰ ভাষা, তথ্য আৰু সেই বিষয়ৰ বোধ বৃদ্ধি দিশটোত বিশেষ গুৰুত্ব দিয়া হয়।

এটা নিৰ্দিষ্ট বিষয় (উদাহৰণস্বৰূপে- শাক-পাচলি)ক কেন্দ্ৰ কৰি বাৰ্তালাপত প্ৰকৃত সামগ্ৰী ব্যৱহাৰ কৰিব পাৰি-যেনে- শাক-পাচলিৰ কথা কওঁতে প্ৰকৃত শাক-পাচলি ব্যৱহাৰ কৰিব পাৰি যাতে শিশুৱে সেইবোৰ চাব পাৰে, অনুভৱ কৰিব পাৰে, আকাৰ, ৰং, গঠন আদিৰ বিষয়ে ক'ব পাৰে, আনকি সেইবোৰৰ সোৱাদো ল'ব পাৰে। শিক্ষকে আৰু অধিক বুজাবলৈ ছবি থকা কাৰ্ড ব্যৱহাৰ কৰিব পাৰে নতুবা শাক-পাচলিৰ ওপৰত এটা কাহিনীও তৈয়াৰ কৰিব পাৰে। শিক্ষকৰ কাৰণে অন্য এটা সম্ভাৱনীয়তা হ'ল এই সময়ত সৰু সৰু পৰীক্ষা প্ৰদৰ্শন কৰা যেনে- বৃত্ত এটাৰ মাজত পানীৰ বাতি এটা ৰাখি তাত সৰু সৰু সামগ্ৰী সুমুৱাই কি ডুব যায় আৰু কি উপঙি থাকে তাক চোৱা। ইয়াৰ ফলত কিয় এনে হয় সেই বিষয়ে ক'বলৈ আৰু বস্তুৰ ধৰ্মৰ ওপৰত অনুমান কৰাত সহায় কৰিব পাৰে।

হয় আৰু নহয় উত্তৰ থকা প্ৰশ্নবোৰ এই সময়ত বৰ সহায়ক নহয়। শিশুয়ে কথা কোৱাৰ, অধিক শব্দ আৰু বাক্য ব্যৱহাৰ কৰি কোনো এটা বিষয়ৰ বৰ্ণনা কৰাৰ প্ৰয়োজন হোৱা প্ৰশ্নবোৰহে এইক্ষেত্ৰত উপযোগী হয়। ভুল উত্তৰ দিয়া বাবে শিশুসকলক কেতিয়াও ধমক দিয়া উচিত নহয়। বিচাৰ নকৰাকৈ সকলো শিশুৱে অংশগ্ৰহণ কৰাৰ লগতে নিজৰ মনৰ কথা প্ৰকাশ কৰাৰ সমান সুযোগ পাব লাগে।

## বৃত্তৰ সময়ত নিৰ্দেশনাযুক্ত কথোপকথন

মই এখন ব্যঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ মধ্যৱৰ্তী ক্ষেত্ৰত অৱস্থিত এখন বিদ্যালয়ত পঢ়াও। ৩ৰ পৰা ৬বছৰ বয়সৰ প্ৰায় ৯টা ল'ৰা-ছোৱালী মোৰ শ্ৰেণীলৈ নিয়মিতভাৱে আহে। বৃত্তৰ সময়ৰ কাৰণে, সাধাৰণতে মই তেওঁলোকৰ বাবে জীৱ-জন্তু আদিৰ আকৰ্ষণীয় বিষয় এটা তুলি লওঁ। যিহেতু, মোৰ গাঁৱত, বেছিভাগ পৰিয়ালৰে পশুধন আছে, গতিকে মোৰ সকলো ল'ৰা-ছোৱালীয়েই জীৱ-জন্তু বিশেষকৈ কুকুৰ, নিগনি, ছাগলী, গাহৰী, বেং, মাছ, হাঁহ আদিৰ আশে-পাশে থকাত অভ্যস্ত। তেওঁলোকৰ বাবে অৰণ্যৰ পৰা হাতী, ভালুক, বাঘ আদি জন্তুৰ মাত শুনা বা কেতিয়াবা দেখা পোৱাও অস্বাভাৱিক নহয়। মই প্ৰয়োজনীয় সামগ্ৰী যেনে ফ্লেছ কাৰ্ড প্ৰস্তুত কৰোঁ বা তেওঁলোকে আগদিনা দেখা পোৱা বা শুনা কথাবোৰৰ সৈতে ভিডিঅ' এটাও তালিকাভুক্ত কৰোঁ। সেই দিনাই, মই তেওঁলোকক বৃত্তৰ দৰে এনেদৰে বহিবলৈ কৈ আৰম্ভ কৰোঁ যাতে আমি সকলোৱে ইজনে সিজনলৈ চাব পাৰোঁ।




তাৰ পিছত, এখনৰ পিছত এখনকৈ ফ্লেছকাৰ্ডবোৰ তাৰ বিষয়বস্তুৰ কথা ক'বলৈ তুলি লওঁ। উদাহৰণস্বৰূপে, আমি তুলি লোৱা সেই ফ্লেচকাৰ্ডখন এটা বাঘৰ বিষয়ে- সেই কাৰণে আমি কথা ক'বলৈ আৰম্ভ কৰোঁ এনেদৰে। তোমালোকে জানানে এইটো কি জন্তু? তোমালোকে কেতিয়াবা ইয়াক দেখিছানে? এই জন্তুটোৱে কেনেকৈ মাতে? ই কি খায়? ই ক'ত থাকে? ইত্যাদি। মই সকলোকে সঁহাৰি জনাবলৈ উৎসাহিত কৰোঁ আৰু কোনোধৰণে বিচাৰ নকৰাকৈ প্ৰত্যেকটো সঁহাৰিকে প্ৰশংসা কৰোঁ। ধাৰণাটো হ'ল তেওঁলোকক যিমান পাৰি সিমানে কথা ক'বলৈ উৎসাহিত কৰা। কেতিয়াবা, মই প্ৰতিজন শিশুকে এখনকৈ কাৰ্ডো দিও আৰু আমি এটাৰ ভূমিকা পালন কৰোঁ। এজন বাঘ হ'ব, আন এজন ছাগলী আৰু আমি সকলোৱে সকলো প্ৰাণীয়ে কৰা শব্দ কৰি চিঞঁৰি হুলস্থুলৰ সৃষ্টি কৰোঁ! এইটো বহুত আনন্দদায়ক! বৃত্তৰ সময়ৰ শেষলৈকে শিশুসকলে বিভিন্ন প্ৰাণীৰ নাম, সিহঁত দেখিবলৈ কেনেকুৱা, কেনেকৈ খোজ কাঢ়ে, কি শব্দ কৰে আৰু ক'ত থাকে আদিৰ বিষয়ে সচেতন হোৱাতো মই নিশ্চিত কৰোঁ।

পিছদিনাৰ বাৰ্তালাপত, মই আমাৰ ওচৰে-পাজৰে নথকা জীৱ-জন্তুসমূহক লম, যেনে- ধৰক উট আৰু ই আমাৰ চাৰিওফালে কিয় নাথাকে তাক লৈ আলোচনা কৰিম।

### দেখুওৱা আৰু কোৱা শ্ৰেণী কাৰ্য

*'দেখুওৱা আৰু কোৱা' ধাৰণাটো ভাৰত আৰু সমগ্ৰ বিশ্বতে সাৰ্বজনিক বক্তৃতা আৰু শ্ৰৱণ দক্ষতাৰ বিকাশৰ লগতে শিশুসকলৰ মাজত যোগাযোগ আৰু পাৰস্পৰিক ক্ৰিয়া-কলাপৰ প্ৰসাৰত প্ৰাৰম্ভিক বছৰবোৰত যথেষ্ট সফল হৈছে। বুনিয়াদী পৰ্যায়ৰ সকলো শিশুৱে (তেওঁলোকৰ শিক্ষকসকলৰ সৈতে) প্ৰত্যেক সপ্তাহতে 'দেখুওৱা আৰু কোৱা'ৰ এটা উপভোগ্য শ্ৰেণীত কমেও এবাৰ অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব।*

*ইয়াৰ লগত শিশু আৰু শিক্ষকসকলে তেওঁলোকৰ প্ৰিয় পুতলা, খেল, পৰিয়ালৰ ফটো, ফুল, কিতাপ, মৌলিক কাহিনী, আৰু ব্যক্তিগত উপাখ্যান (যেনে-পৰিয়ালৰ সদস্য, বন্ধু, উৎসৱ, অভিজ্ঞতা, বন্ধৰ দিন, সেই সপ্তাহৰ প্ৰিয় পাঠ, প্ৰিয় বিষয়) লৈ অনা আৰু শ্ৰেণীৰ সন্মুখত সেইবোৰৰ বিষয়ে কেইমিনিটমানৰ কাৰণে কোৱাত জড়িত হ'ব। এই 'দেখুওৱা আৰু কোৱা' শ্ৰেণীসমূহ প্ৰথম অৱস্থাত শিশুসকলৰ ঘৰুৱা ভাষাত হ'ব, কিন্তু অৱশেষত শিশুৱে শিকি থকা আন ভাষাসমূহকো অন্তৰ্ভুক্ত কৰা হ'ব।*

*শিশু আৰু শিক্ষকসকলে শ্ৰেণীসমূহ অধিক আনন্দদায়ক আৰু পাৰস্পৰিক ভাব-বিনিময়ৰ কাৰণে প্ৰতিটো উপস্থাপনৰ সময়ত বা শেষত প্ৰশ্ন সুধিব আৰু মন্তব্যও প্ৰকাশ কৰিব। শিক্ষকসকলে নিজৰ নিজৰ উপস্থাপনেৰে আগভাগ লৈ আদৰ্শ দাঙি ধৰিব পাৰে। তেওঁলোকে প্ৰকৃতাৰ্থত শিশুসকলৰ সৈতে আৰু শিশুসকলে ইজনে-সিজনৰ সৈতে বন্ধুত্ব গঢ়ি তুলিবলৈ আলোচনাক উৎসাহিত কৰাৰ লগতে গোটেই কালছোৱাত অংশগ্ৰহণ কৰিব লাগিব।*

## 4.4.2 কাহিনীকথন ঃ

শিশুসকলৰ কাৰণে কাহিনীবোৰ পৃথিৱীখন চোৱাৰ বাবে এখন খিৰিকী সদৃশ। কাহিনীবোৰ মনোমোহা, সুন্দৰ আৰু মোহনীয়। কাহিনীৰ শ্ৰৱণ বৰ আনন্দদায়ক আৰু বিশেষভাৱে সৰু ল'ৰা-ছোৱালীসকলে সেইবোৰ শুনিবলৈ ভাল পায়। আৱেগেৰে, শৰীৰৰ ভঙ্গীৰে আৰু সজীৱ অভিব্যক্তিৰে কোৱা কাহিনীবোৰ যাদুকৰী আৰু শ্বাস ৰুদ্ধকৰ। প্ৰতিটো শব্দই নিজৰ মাজতে এক অভিজ্ঞতা হৈ পৰে।

- **কাহিনীসমূহে সামাজিক সম্পৰ্ক আৰু নৈতিক পছন্দ, আৱেগক বুজিবলৈ আৰু অনুভৱ কৰিবলৈ আৰু জীৱন দক্ষতাৰ প্ৰতি সচেতন হোৱাৰ কাৰণে বিশেষ মাধ্যম হিচাবে কাম কৰে। শিশুৱে যেতিয়া কাহিনী শুনে তেতিয়া নতুন শব্দ শিকে যাৰ ফলত তেওঁলোকৰ শব্দভাণ্ডাৰ সম্প্ৰসাৰিত হয় আৰু বাক্যৰ গঠন আৰু সমস্যা সমাধানৰ দক্ষতা শিকে। অতি কম সময়ৰ মনযোগী শিশুৰেও এটা কাহিনীত নিমগ্ন হৈ থাকি অধিক সময়ৰ বাবে মনোনিৱেশ কৰে। সাংস্কৃতিকভাৱে প্ৰসঙ্গভিত্তিক কাহিনীৰ জৰিয়তে আমি শিশুসকলক তেওঁলোকৰ সংস্কৃতি আৰু সামাজিক নীতি-নিয়মৰ সৈতে পৰিচিত কৰি তেওঁলোকৰ মনত চৌপাশৰ বিষয়ে সজাগতা সৃষ্টি কৰিব পাৰোঁ।**

**সাহসী আৰু নিৰ্ভীক কনকলতা বৰুৱা**

*বহু বছৰ আগতে, কনকলতা বৰুৱাৰ অসমৰ বৰঙাবাৰীত জন্ম হৈছিল। তেওঁ গাঁৱৰ আন ছোৱালীবোৰৰ দৰে খেল -ধেমালি কৰি, নিজৰ ভাই-ভণীক চোৱা-চিতা কৰি ডাঙৰ দীঘল হৈছিল।*

*তেওঁ বহুত বিশেষ গুণ আছিল। তেওঁ জানিছিল যে তেওঁৰ পৰিয়ালক তেওঁৰ প্ৰয়োজন। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে তেওঁ বুজি উঠিছিল যে দেশক তেওঁৰ আৰু অধিক প্ৰয়োজন।*

*তেওঁ চাৰিওফালে বিভিন্ন সমস্যা দেখিছিল। কাৰণ, সেই সময়ত ইংৰাজে ভাৰতবৰ্ষ শাসন কৰিছিল। তেওঁৰ গাঁৱৰ আৰক্ষী পৰিদৰ্শকজনে কেতিয়াও কাকো ভাৰতৰ পতাকা উত্তোলন কৰিবলৈ দিয়া নাছিল। তেওঁ সাহসেৰে থানাত পতাকা উত্তোলন কৰিবলৈ চেষ্টা কৰিলে আৰু আৰক্ষীয়ে তেওঁক গুলিয়াই হত্যা কৰিলে।*

*এইটো বৰ দুখলগা ঘটনা আছিল। যদিও তেওঁৰ মৃত্যু হৈছিল তেওঁ হৈ পৰিল নিজৰ দেশৰ বাবে যুঁজ দিয়া এগৰাকী সাহসী নায়িকা। আমি তেওঁক লৈ গৌৰাৱান্বিত।*

*এতিয়া তেওঁৰ নামেৰে বিদ্যালয় আছে, তেওঁৰ দুটা মূৰ্তি আছে আৰু তেওঁৰ নামেৰে এখন জাহাজ আছে। আৰু তেওঁৰ ছবি থকা এটা ডাকটিকত আছে যিটো আমি আমাৰ সকলো চিঠিপত্ৰ প্ৰদানত ব্যৱহাৰ কৰোঁ।*

কণ কণ ল'ৰা-ছোৱালীয়ে একেটা কাহিনীকে বাৰে বাৰে শুনিবলৈ ভাল পায়। এটা সময়ত ভিতৰত, তেওঁলোকে নিজে বিষয়বস্তুৰ বহল অৰ্থ সৃষ্টি কৰে আৰু সহায় কৰিলে বা হেঁচা প্ৰয়োগ কৰিলে ইয়াক মনত পেলায়। একেটা কাহিনীকে ভিন্নৰূপত বাৰে বাৰে শুনাটোৱে তেওঁলোকক কাহিনীটোৰ চৰিত্ৰ, পৰিঘটনা আৰু ধাৰণাসমূহৰ সৈতে ভালদৰে জড়িত হ'বলৈ সহায় কৰে আৰু নিশ্চিতভাৱে কল্পনাশক্তি আৰু শব্দভাণ্ডাৰৰ বিকাশতো সহায় কৰে।

মৌখিকভাৱে গল্প কোৱাৰ সময়ত শিক্ষকজনে কাহিনীটো ভালদৰে জনা উচিত। কাহিনীবোৰ নিৰ্ধাৰিত কণ্ঠস্বৰৰ লয় আৰু প্ৰকাশভংগীৰ সৈতে বৰ্ণনা কৰা উচিত। ভালকৈ কোৱা এটা কাহিনীয়ে শিশুসকলক কাহিনীটোৰ মাজেৰে উন্মোচিত নোহোৱা পৰিঘটনাসমূহ কল্পনা কৰাত আৰু পৰিঘটনাসমূহৰ সৈতে অংশদাৰী হোৱাত সহায় কৰিব পাৰে।

কাহিনী ক'বলৈ কিতাপো ব্যৱহাৰ কৰিব লাগে। এটি শিশুৱে কিতাপ এখন উপভোগ কৰিবলৈ কেনেকৈ পঢ়িব লাগে তাক জনাটো প্ৰয়োজনীয় নহয়, কিতাপ স্পৰ্শ কৰা, পৃষ্ঠা সলনি কৰা, ছবিবোৰলৈ চোৱা, আঙুলিৰে চুই চোৱা- ইয়াত এই দিশ সমূহকো সকলো সময়তে উৎসাহিত কৰিব লাগিব।

কিতাপত থকা ছবিসমূহে বিষয়বস্তুৰ জ্ঞান লাভত সহায় কৰে আৰু শিশুৰ আগ্ৰহ বজায় ৰাখে। যেতিয়া শিশুৱে তেওঁলোকৰ শিক্ষকে কিতাপৰ পৰা গল্প পঢ়ি থকাতো পৰ্যৱেক্ষণ কৰে, তেতিয়া তেওঁলোকে ছপা কিতাপৰ গুৰুত্ব বুজি পায় আৰু পঢ়াক এক দক্ষতা হিচাপে বিবেচনা কৰে। শিক্ষকসকলে কিতাপৰ পৰা কাহিনীবোৰ উচ্চস্বৰে পঢ়িব পাৰে, আঙুলিৰে শব্দবোৰলৈ আঙুলিয়াই দি শিশুৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে যে প্ৰতিটো মৌখিক শব্দৰে একোটা ৰূপ থাকে। উচ্চস্বৰে পঢ়া কাহিনীয়ে শিশুসকলক এই কথা উপলব্ধি কৰাত সহায় কৰে যে আনুষ্ঠানিক লিখিত ভাষাৰ পৰা কথিত ভাষা অলপ পৃথক। কিতাপসমূহ ছবিৰ কিতাপ, গল্পৰ কিতাপ, ছবি থকা বা নথকা গল্পৰ কিতাপ বা একাধিক ভাষাৰ গল্পৰ কিতাপো হ'ব পাৰে।

পূৰ্বপ্ৰস্তুত আৰু শিশুৰ সৈতে শিক্ষকে তৈয়াৰ কৰা পুতলাও কাহিনী ক'বলৈ ব্যৱহাৰ কৰিব পাৰি। লাঠিৰ পুতলা, হাতমোজাৰ পুতলা, আঙুলি পুতলা, বাকচৰ পুতলা, কাগজৰ মোনাৰ পুতলা আৰু মোজাৰ পুতলা

ব্যৱহাৰ কৰিব পাৰি। শিশুসকল সহজ-সৰল পুতলা নিৰ্মাণৰ কামত জড়িত হ'ব পাৰে। উল্লেখযোগ্য যে এই ক্ষেত্ৰত পুতলা নাচৰ পুতলা বা স্প্ৰিং যুক্ত পুতলা আকৰ্ষণীয় যদিও শিক্ষকৰ বাবে বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন হ'ব পাৰে।

কাহিনীৰ দৃশ্য অংকিত বা মুদ্ৰিত ফ্লেচ কাৰ্ডসমূহকো গল্প ক'বলৈ ব্যৱহাৰ কৰিব পাৰি। সেইবোৰ কিতাপতকৈ ডাঙৰ হ'ব পাৰে আৰু ধৰি ৰাখিবলৈও সহজ। ফ্লেচ কাৰ্ডসমূহে শিশুসকলক শুদ্ধভাৱে এটা ক্ৰমত সজোৱাৰ কাৰণে প্ৰদান কৰিলে অনুক্ৰম কাৰ্ড হিচাপে কাম কৰে। এইবোৰৰ বাহিৰেও, কাহিনী বৰ্ণনাচিত্ৰ, পোষ্টাৰ আৰু অন্যান্য কাহিনী কথনৰ সামগ্ৰী বজাৰত উপলব্ধ হয় বা ইয়াক তৈয়াৰ কৰিব পাৰি।

শিশু আৰু শিক্ষকসকলে কাহিনীসমূহ নাট্যধৰ্মী কৰিব পাৰে, অভিনয় কৰিব পাৰে আৰু সংলাপবোৰ ক'ব পাৰে আৰু এইদৰে কাহিনীটোৰ অভিজ্ঞতা লাভ কৰিব পাৰে। শিশুসকলক দূৰদৰ্শন বা লেপটপত কাহিনীসমূহ দেখুৱাবও পাৰি। তেওঁলোকে গল্পৰ শব্দৰূপত ৰেকৰ্ড কৰিও শুনিব পাৰে।

- **গল্পৰ শ্ৰৱণৰ উপৰি, শিশুসকলে কাহিনী কোৱাৰ সুবিধাও পাব লাগিব। শিশুৱে কোৱা কাহিনীবোৰ তেওঁলোকে শুনা বা তেওঁলোকে সৃষ্টি কৰা একেটা কাহিনীও হ'ব পাৰে। শিক্ষসকলে এটা কাহিনী ক'বলৈ আৰম্ভ কৰিব পাৰে আৰু কণ কণ ল'ৰা-ছোৱালীসকলক কাহিনীটো শেষ কৰিবলৈ দিব পাৰে।**

সঠিক কাহিনী বাছনি কৰাটো বৰ জটিল। কাহিনীসমূহ বয়স আনুপাতিক, চিনাকি ভাষাত আৰু শিশুৰ কাৰণে আগ্ৰহৰ বিষয় হ'ব লাগে। শ্ৰেণীকোঠাত শিকোৱা আন যিকোনো বিষয়ৰ সৈতে গল্পসমূহ সংযোগ কৰিব পৰা যায় যেনে- গণনা বা আকৃতি বা ৰং। আনৰ প্ৰতি সংবেদনশীলতা আৰু ভাল কৰ্ম কৰাৰ অভ্যাসৰ দৰে গুৰুত্বপূৰ্ণ শিকন লক্ষ্যসমূহক প্ৰৱলিত কৰাৰ কাৰণে গল্পসমূহকো ব্যৱহাৰ কৰিব পৰা যায়। প্ৰাসংগিকতা আৰু সম্পৰ্কীয়তাক সৰ্বাধিক কৰিবলৈ সেইবোৰ যথাসম্ভৱ স্থানীয় বা ভাৰতীয় প্ৰেক্ষাপটৰ হোৱাটো বাঞ্চনীয়।

প্ৰকৃতাৰ্থত ভাৰতবৰ্ষৰ মানুহৰ বিষয়ে আৰু মৌলিক মূল্যবোধ আৰু পাৰস্পৰিক সম্পৰ্কৰ প্ৰয়োজনীয়তাৰ বিষয়ে সুন্দৰভাৱে শিক্ষা প্ৰদান কৰা কাহিনীৰ দীঘলীয়া ইতিহাস আৰু পৰম্পৰা আছে। শিশুসকলে পঞ্চতন্ত্ৰ, জাতক, হিতোপদেশ আৰু ভাৰতীয় পৰম্পৰাৰ আন আন আনন্দদায়ক উপকথাসমূহ আৰু আন প্ৰেৰণাদায়ক সাধুসমূহ শুনিবলৈ, পঢ়িবলৈ আৰু শিকিবলৈ সুযোগ পাব লাগে।

এটা কাহিনী কোৱাৰ পিছত, শিক্ষকে কাহিনীটোৰ বিষয়বস্তু ল'ৰা-ছোৱালীয়ে বুজি পাইছেনে নে নাই তাক চাব পাৰে। এই ক্ষেত্ৰত শিক্ষকে কি, কাক, কিয়, ক'ত কেনেকৈ আৰু কি হ'ব ইত্যাদি ধৰণৰ প্ৰশ্ন কৰিব পাৰে। শিশুসকল কিছু ডাঙৰ হোৱাৰ লগে লগে শিক্ষকে এটা চৰিত্ৰই কিয় নিৰ্দিষ্ট আচৰণ কৰিছিল তাক আলোচনা কৰিব পাৰে, তাৰ পৰিণতি কি হ'ল আৰু শুদ্ধ আৰু ভুল কামৰ বিষয়ে ক'ব পাৰে অথবা আন অনুসৰণমূলক কাৰ্যকলাপ কৰিব পাৰে। ইয়াৰ বাবে শিশুৱে কাহিনীটোৰ এটা দৃশ্য বা এটা চৰিত্ৰ অংকণ কৰিব পাৰে। ভূমিকা পালন আৰু নাট্যধৰ্মীকৰণ অন্যান্য অনুসৰণমূলক কাৰ্যকলাপও কৰিব পাৰে।

## 4.4.3 পুতলা-ভিত্তিক শিক্ষণ ঃ

এইটো এটা খেল-ভিত্তিক শিক্ষা শৈলীৰ গুৰুত্বপূৰ্ণ উপগোট। কণ কণ ল'ৰা-ছোৱালীয়ে প্ৰত্যক্ষ অভিজ্ঞতা আৰু প্ৰকৃত বস্তুৰ ব্যৱহাৰ কৰি শিকে। শিশুৱে চেষ্টা কৰে, অন্বেষণ কৰে আৰু শিকে। শ্ৰেণীকোঠাৰ পৰিৱেশত খেলা আৰু ইয়াৰ নিপুণ ব্যৱহাৰৰ সুযোগ প্ৰদান কৰি এই অন্বেষণৰ মনোভাৱৰ বিকাশ ঘটাব লাগে। প্ৰত্যেক শিশুৰ চৌপাশে বহুতো স্থানীয় পুতলা উপলব্ধ। এইবোৰক পাঠদান আৰু শিক্ষণৰ বাবে গুৰুত্বপূৰ্ণ সম্পদ হিচাপে ব্যৱহাৰ কৰিব লাগে।

- **পুতলা এটা সৰল বা জটিল যিয়েই নহওক ইয়াত শিশুৱে শিকিবলগা বহু শিক্ষা জড়িত হৈ থাকে ঃ** যেতিয়া শিশুৱে এটা পুতলা ধৰি ৰাখে আৰু তাৰ নিপুণ ব্যৱহাৰ কৰে, তেতিয়া তেওঁ তেওঁৰ পেশী সঞ্চালনৰ অনুশীলনৰ লগতে হাত-চকুৰ সমন্বয় শক্তিশালী হয়। যিবোৰ পুতলা শিশুৱে ঠেলা, টনা, ধৰা, চিকুটা, ঘূৰোৱা বা অন্য ধৰণে কিবা এটা কৰিবলৈ হাত আৰু শৰীৰৰ ব্যৱহাৰ কৰাৰ প্ৰয়োজন হয় সেইবোৰ পুতলা শিশুৰ বিকাশত সহায়কাৰী হয়। যেতিয়া এটি শিশুৱে ব্লকেৰে স্তম্ভ নিৰ্মাণ কৰে আৰু শেষত এইটো মাটিত ভাঙি পৰি যোৱা দেখে তেতিয়া তেওঁ এইদৰে ভাঙি যোৱাৰ কাৰণৰ ধাৰণা কৰিবলৈ শিকে আৰু ইয়াৰ সমাধানৰ বিষয়ে চিন্তা কৰে। এটা প্ৰহেলিকাই শিশুক নমুনা অন্বেষণ কৰাত সহায় কৰে। যেতিয়া শিশুৱে ব্লক, পুতলা, জন্তুৰ পুতলা, বল, সৰু গাড়ী বা অভিনীত পুতলা ব্যৱহাৰ কৰে তেতিয়া তেওঁলোকে তেওঁলোকৰ মনঃজগতত কাহিনী সৃষ্টি কৰিবলৈ আৰু সেই কাহিনীসমূহৰ জীৱন্ত চিত্ৰ তৈয়াৰ কৰে। বোৰ্ডৰ খেলে শিশুসকলক সহজ নিয়ম মানি চলিবলৈ শিকায় আৰু ভাষা আৰু গণিতৰ বোধ বৃদ্ধি কৰে।

  প্ৰহেলিকাবোৰে কাৰণ আৰু প্ৰভাৱ, কৌশলগত চিন্তাধাৰা আৰু সমস্যা সমাধানৰ সৈতে পৰীক্ষা-নিৰীক্ষাক উৎসাহিত কৰে। মাটি, গুটি, কলাজ সামগ্ৰী, ৰং, ধুব পৰা চিয়াহীৰ পাত্ৰ আৰু ষ্টাম্প, ধুব পৰা মাৰ্কাৰ আৰু কেঁচি আদিৰ দৰে ভাস্কৰ্যৰ সামগ্ৰীয়ে সৃষ্টিশীল প্ৰকাশ আৰু নান্দনিক সজাগতাক সমৰ্থন কৰে। জটিল গঠনমূলক কাৰ্য সামগ্ৰীসমূহ আৰু আনুসঙ্গিক সামগ্ৰীবোৰে শিশুসকলক বস্তুসমূহ কেনেকৈ এটাৰ লগত আনটো খাপ খায় যায় আৰু একেলগে কাম কৰে তাৰ পৰীক্ষা-নিৰীক্ষা কৰিবলৈ, তেওঁলোকৰ সূক্ষ্ম পেশী-সঞ্চালন দক্ষতা বৃদ্ধি কৰিবলৈ আৰু তেওঁলোকৰ সৃষ্টিশীলতা প্ৰকাশ কৰিবলৈ সুযোগ দিয়ে। ফিটনেছ আৰু আনন্দদায়ক সামগ্ৰী যেনে- বল, বিনবেগ আৰু জপিওৱা ৰচি ইত্যাদিয়ে শিশুৰ আত্মবিশ্বাস, ব্যায়াম, নিজক উত্তেজনা মুক্ত কৰা, আনৰ সৈতে আনন্দ উপভোগ কৰা, সূক্ষ্ম আৰু স্থুল পেশী সঞ্চালন দক্ষতা বিকাশ কৰাত সহায় কৰে।

  কাপোৰ, বটল, কাৰ্ডবোৰ্ডৰ বাকচ, সূতা, কেৰাহি, খাৰু, পাইপ পৰিস্কাৰক ইত্যাদিৰ দৰে সহজলভ্য সামগ্ৰীৰ পৰাও পুতলা তৈয়াৰ কৰিব পাৰি।

  পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা কিছুমান পুতলাৰ উদাহৰণ হ'ল—

  ক. **ৰিং ছেট পাজল**- এইটো হৈছে কাঠেৰে নিৰ্মিত ক্ৰমবদ্ধ বেৰি বা ৰিঙৰ এটা গোট। কৰ্ণাটকৰ চন্নাপটনাত নিৰ্মিত এই প্ৰহেলিকাৰ সহায়ত শিশুৱে ক্ৰমবদ্ধকৰণৰ বিষয়ে শিকিব পাৰে আৰু লগতে ই সূক্ষ্ম পেশী সঞ্চালন, স্থুল পেশী সঞ্চালন, ৰং আৰু আকৃতিৰ বোধ বিকাশ কৰাত সহায় কৰে।

  খ. **ধিংলি (কপাহৰ পুতলা)**- গুজৰাটৰ পৰম্পৰাগত পুতলাবোৰৰ ভিতৰত ধিংলি অন্যতম। ইয়াক কপাহৰ পৰা তৈয়াৰ কৰা হয় আৰু ৰঙা, নীলা, সেউজীয়া, হালধীয়া আদি বিভিন্ন আকৰ্ষণীয় ৰঙৰ এম্ব্ৰইদাৰী কাপোৰেৰে সজায় তোলা হয়। এই পুতলাবোৰ সৰু ডাঙৰ আদি বিভিন্ন আকাৰত পোৱা যায়। সেইবোৰক নাট্যধৰ্মী খেল-ধেমালীৰ বাবে ব্যৱহাৰ কৰিব পাৰি। সেইবোৰ অতি সৰু ল'ৰা-ছোৱালীয়ে টোপনি যোৱাৰ সময়ত নিৰাপত্তা প্ৰদান কৰিবলৈও ব্যৱহাৰ কৰা হয়।

  গ. **ৰান্ধনিঘৰৰ সামগ্ৰী ঃ** ভাৰতৰ বহু ঠাইত শিশুৱে খেল-ধেমালিৰ বাবে ব্যৱহাৰ কৰা পাকঘৰৰ বাচন-বৰ্তনৰ এটা সামগ্ৰী। সেইবোৰ কাঠেৰে নিৰ্মাণ কৰা হয় আৰু আকৰ্ষণীয় আৰু আৱেদনময়ীভাৱে ৰং কৰা হয়।

  *ইয়াৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পুতলা ভিত্তিক শিক্ষাশৈলীৰ কিতাপখন এক উল্লেখযোগ্য দিগদৰ্শনকাৰী।*

## 4.4.4 সংগীত আৰু মিত্ৰাক্ষৰিক পদ্য ঃ

শিশুৱে গীত গায় আৰু মিত্ৰাক্ষৰিক পদ্য পঢ়ি ভাল পায় আৰু সংগীতৰ তালে তালে নাচি ভাল পায়। গীতবোৰো ভাষা শিকাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাধ্যম।

গীতবোৰ এনেদৰে বাচনি কৰাব পাৰি যাতে শিশুৱে শিকিবলগীয়া ধাৰণাটো গঠনত সহায় কৰিব পৰাকৈ গীতসমূহ বাছনি কৰিব লাগে। উদাহৰণস্বৰূপে— এই গীতটো *'সৰু পাঁচটা বান্দৰ, জঁপিয়াই বিছনাত, এটা পৰিল মাটিত, আঘাট পালে মূৰত, মাই মাতিলে ডাক্তৰক, ডাক্তৰে ক'লে নাই আৰু বান্দৰ, বিছনাত জঁপিয়াই।'*

এই গীতটো জীৱ-জন্তুৰ বিষয়ে, সিহঁতৰ গতি-বিধি, সাৱধান হোৱা, আঘাট পোৱা, চিকিৎসকৰ কাম আৰু গণনা কৰা ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি।এই গীতটো গোৱা আৰু অভিনয় কৰাও আনন্দজনক।

- **শিশুহঁতে গীতৰ মাজেৰে বেলেগ বেলেগ ধাৰণা বুজি পায় আৰু তেওঁলোকৰ শব্দজ্ঞানৰ ভাণ্ডাৰো বিস্তাৰিত বৃদ্ধি পায়। গীতৰ লগে লগে কৰা শৰীৰৰ অঙ্গ-ভঙ্গীয়ে স্থুল আৰু সূক্ষ্ম পেশী সঞ্চালনৰ দক্ষতা আৰু শৰীৰৰ সঞ্চালন বৃদ্ধি কৰে আৰু শৰীৰৰ ভঙ্গীমাৰ ধাৰণা বুজিবলৈ সহায় কৰে। গীতে শিশুৰ মাজত পাৰস্পৰিক ক্ৰিয়া-কলাপক প্ৰসাৰিত কৰে আৰু সহযোগিতাৰ ভাৱ সূচনা কৰে।**

স্থানীয় প্ৰসঙ্গযুক্ত নিৰ্দিষ্ট গীত আৰু মিত্ৰাক্ষৰিক পদ্য (যেনে— অসমীয়া ভাষাত- বগাকৈ বগলী বহলাই বলিছে..., বাংলা ভাষাত ঘুম অসমীয়াত পৰাণি মাসি পিশি, হিন্দীত জল কি ৰাণী মছলি হেঁ, কানাড়াত আনে বণ্টা) আদি বিভিন্ন ধৰণৰ গীতবোৰ শব্দভাণ্ডাৰ, কল্পনা শক্তি আৰু প্ৰকাশভঙ্গী বৃদ্ধিৰ আন এক ভাল উপায়। ভিন্ন ভাষাৰ গীতে শিশুসকলক অনুমান কৰা, এটা ভাষাত চলিত আৰু ভিন্নতাপূৰ্ণ শব্দসমূহৰ মাজত সংযোগ স্থাপন কৰাৰ ক্ষমতা প্ৰদান কৰে। ভাৰতত আমাৰ বেছিভাগেই বহুভাষিক আৰু এইটো গুৰুত্বপূৰ্ণ যে গীত আৰু মিত্ৰাক্ষৰিক পদ্যই যাতে শিশুসকলক বহুভাষিক হৈ থকা ক্ষমতাৰ প্ৰসাৰণ কৰে। শিক্ষকসকলে দুই তিনিটা স্থানীয় ভাষাৰ কেইটামান মিত্ৰাক্ষৰিক পদ্য বা গীত বাছি ল'ব পাৰে, অনুশীলনৰ ব্যৱস্থা কৰিব পাৰে আৰু ল'ৰা-ছোৱালীৰ সৈতে গাব পাৰে। ইয়াৰ বাবে ককাদেউতা-আইতা, অভিভাৱক আৰু সমাজৰ সদস্যসকল মূল্যৱান সম্পদ হ'ব পাৰে। শিক্ষকে ছন্দযুক্ত শব্দ থকা আৰু স্থানীয় সমাজৰ জনপ্ৰিয় আৰু পৰিচিত গীত বাছি ল'ব পাৰে। গীতবোৰ হাস্যৰসিকো হ'ব পাৰে। শিশুৱে ধেমেলীয়া গীত উপভোগ কৰে।

> *সংগীতৰ সাক্ষৰতা বিকাশ কৰিবলৈ, দলৰ সৈতে গীতৰ স্কেল এটা উপযোগী আৰু আনন্দদায়ক কাম হ'ব পাৰে। শিক্ষকে এটা স্কেল 'সা ৰে গা মা পা ধা নি সা' গাই তাৰ পিছত দলটোক পুণৰাবৃত্তি কৰিবলৈ ক'ব। এবাৰ শিশুহঁতে উৰ্ধমুখী টোকাবোৰ আয়ত্ব কৰিব পাৰিলেই দলটোৰ গায়কী (আৰু ব্যক্তিগত গায়ক)ৰ সৈতে অধিক জটিল অনুশীলন কৰিব পাৰি। সা ৰে গা, ৰে গা মা, গা মা পা, মা পা ধা, পা ধা নি, ধা নি সা, সা নি ধা, নি ধা পা, ধা পা মা, পা মা গা, মা গা ৰে, গা ৰে সা (ত্ৰিগুণ) তাৰ পিছত চতুৰ্ভুজ সা ৰে গা মা, ৰে গা মা পা..... । তেতিয়া শিক্ষকে শিশুহঁতক সা ৰে গা গা গা গা গা মা গাবলৈ ক'ব পাৰে আৰু সুৰটো চিনি পায় নে নাপায় সুধিব পাৰে।*
>
> *অনুৰূপভাৱে, দলীয় হাত চাপৰি বজোৱা ব্যায়ামৰ সহায়ত ছন্দ বিকশিত কৰিব পাৰি। শিশুৱে সুৰ আৰু ছন্দ উভয়কে অন্বেষণ কৰাৰ লগে লগে এই দলীয় আৰু ব্যক্তিগত ক্ৰিয়া-কলাপসমূহৰ বৃদ্ধি কৰিবলৈ হাতত থকা বাদ্যযন্ত্ৰসমূহো ব্যৱহাৰ কৰিব পাৰি।*

**শিশুৰ লগত মিত্ৰাক্ষৰিক পদ্যৰ ব্যৱহাৰ কেনেকৈ প্ৰয়োগ কৰিব**

মিত্ৰাক্ষৰিক পদ্য আৰু তাৰ সৈতে মিলখোৱা কাৰ্যৰ সৈতে পৰিচিত হওক। চুকত আনুসঙ্গিক চিত্ৰৰ সৈতে কাগজত ডাঙৰ আখৰেৰে ছন্দটো লিখি ল'ৰা-ছোৱালীৰ চকুৰ সমান্তৰালকৈ অলিকা আকাৰে প্ৰদৰ্শন কৰক। ল'ৰা-ছোৱালীবিলাকক ছন্দটো চাবলৈ দিয়ক।

টোকাঃ সকলো মিত্ৰাক্ষৰিক পদ্য কমেও দুই তিনিবাৰ কৰিব।

মিত্ৰাক্ষৰিক পদ্যটো পৰিচয় কৰাওক আৰু ইয়াৰ বিষয় বস্তু বুজাই দিয়ক।

শিশুৱে শুনি থকাৰ সময়ত মিত্ৰাক্ষৰিক পদ্যটো ছন্দ, অভিব্যক্তি আৰু স্বৰধ্বনিৰ সৈতে সম্পূৰ্ণ ৰূপে আবৃত্তি কৰক।

শিশুসকলক আপোনাৰ পিছে পিছে প্ৰতিটো শাৰী পুণৰাবৃত্তি কৰিবলৈ কওক আৰু ছবিখন দেখুৱাই প্ৰতিটো শাৰীৰ অৰ্থ ব্যাখ্যা কৰক।

শিশুসকলে এতিয়া আপোনাৰ সৈতে অঙ্গ-ভঙ্গিৰে গাব।

শিশুসকলক ব্যক্তিগতভাৱে নতুবা দলীয়ভাৱে গাবলৈ উৎসাহিত কৰক।

## মিত্ৰাক্ষৰী পদ্যৰ দুটা উদাহৰণ ঃ

◈ **নাৰ বাট পাভ মাছ**
**আৰু এটা কাছ,**
**বাৰ টকাত কিনি আনি**
**কিয় বাৰু নাছ।**

◈ **পাৰ চৰাই উৰি গৈ**
**পালে নদীৰ পাৰ,**
**ঘৰৰ মূধত পৰি থাকিল**
**গোটেই শুকুৰ বাৰ।**

## 4.4.5 সংগীত আৰু সঞ্চালন ঃ

সংগীত আনন্দদায়ক। কণ কণ ল'ৰা-ছোৱালীয়ে নিচুকণি গীত আৰু সিহঁতৰ আইতাকৰ মুখৰ গুণগুণনি শুনি ডাঙৰ-দীঘল হয়। আমাৰ চৌপাশে সংগীতৰ বহুতো উৎস আছে- কৃষকে পথাৰত গান গোৱা, মৌমাখিৰ গুঞ্জন, কুলি চৰাইৰ কুকু বা খিৰিকীত বৰষুণৰ ঝিৰ-ঝিৰ শব্দ।

◈ **মগজুৰ বিকাশ বা 'চিনেপ্টি'ক সংযোগ গঠনৰ বাবেও সংগীত এক শক্তিশালী উদ্দীপনা। গতিকে ছন্দৰ অনুকৰণ আৰু সৰল বাদ্যযন্ত্ৰ বজোৱা আৰু গান গোৱাক উৎসাহিত কৰা উচিত। শৰীৰ সঞ্চালনৰ লগত টিনৰ বাকচ বা খঞ্জৰী (দগৰ) বা মঞ্জিৰা (তাল)ত বজোৱা চাপৰি বা ছন্দ সহযোগ কৰিব পাৰি।**

গীত ব্যৱহাৰ কৰাৰ বিভিন্ন কৌশল আছে। শিক্ষকজনে এটি গীত গাব পাৰে আৰু ল'ৰা-ছোৱালীসকলক ইয়াক আওৰাবলৈ ক'ব পাৰে। এই কাৰ্য, অঙ্গ-ভঙ্গি, আৰু শৰীৰ সঞ্চালনৰ সহযোগতো হ'ব পাৰে। ল'ৰা-ছোৱালীয়ে এককভাৱে, সমবেত হৈ নতুবা দ্বৈতভাৱেও গীত গাব পাৰে। শিক্ষকজনে জনপ্ৰিয় গীতৰ সুৰ এটা

গুণ গুণাব আৰু ল'ৰা-ছোৱালীয়ে সেইটো গীত চিনাক্ত কৰাৰ এটা সৰু খেল খেলিব পাৰে। এইদৰে শিশুৱে শব্দ অবিহনে বিভিন্ন গীতৰ সুৰ গুণগুণাব পাৰে। শিক্ষক আৰু ল'ৰা-ছোৱালীয়ে ইতিমধ্যে শিকি অহা গীত বিভিন্ন সুৰত গাব পাৰে। শিশুসকলক সহজ-সৰল গীত ৰচনা কৰিবলৈ উৎসাহিত কৰিবও পাৰি।

সংগীত আৰু সঞ্চালনৰ কামো বিভিন্ন ধৰণেৰে কৰিব পাৰি। শিশুৱে নিৰৱে বাদ্যযন্ত্ৰৰ সংগীত শুনিব পাৰে বা ছন্দ অনুসৰি মুক্তভাৱে নাচিব পাৰে বা ছন্দৰ সহযোগত শৰীৰ সঞ্চালন কৰিব পাৰে। শিশুৱে উপলব্ধ সামগ্ৰীৰ পৰা সৰল বাদ্যযন্ত্ৰও বনাব পাৰে, যেনে— ঢোল হিচাপে বাচন-বৰ্তন, এডাল ফিটাত সৰু সৰু ঘণ্টা লগায় ঘুগুৰা বনাব পাৰে। তেওঁলোকে খঞ্জৰী, মঞ্জিৰা, লাইজিয়াম বজাব পাৰিব আৰু একেলগে হাত-চাপৰি বজায় (অৰ্কেষ্ট্ৰা) সৃষ্টি কৰিব পাৰে। শিশুৱে ফিটা, পাত থকা সৰু সৰু ডাল বা দুপাট্টা আদি প্ৰপছ হিচাপে ব্যৱহাৰ কৰি নাচিবও পাৰে।

বাদ্যযন্ত্ৰৰ শব্দৰ প্ৰতি শিশুসকলে স্বাভাৱিকতে আকৰ্ষিত হয় আৰু ঢোল, ঘণ্টা, ছন্দ লাঠি আৰু খঞ্জৰী বজায় ভাল পায়। শিশুসকলে শৰীৰত আঘাত কৰি আৰু বাদ্যযন্ত্ৰৰ জৰিয়তে সঞ্চালন আৰু সংগীতৰ খেল খেলি সংগীত নিৰ্মাণৰ লগত জড়িত হ'ব পাৰে। শব্দ অন্বেষণ আৰু সংগীত নিৰ্মাণৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ বাবে শিশুসকলৰ কাৰণে স্থানীয় বা ঘৰতে বনোৱা বা ক্ৰয় কৰা একাধিক বাদ্যযন্ত্ৰ উপলব্ধ কৰোৱাব লাগে।

শিক্ষকে শ্ৰেণীকোঠাত ভিন্ন মনোভাৱ, প্ৰসঙ্গ আৰু ভাষাৰ সৈতে বিভিন্ন ধৰণৰ সংগীত, নৃত্য, শব্দৰ উৎস, ছন্দ, গীত ইত্যাদি শিশুসকলক শুনিবলৈ বা পৰিৱেশন কৰিবলৈ ব্যৱস্থা কৰিব পাৰে। নৃত্য কৰা, গান গোৱা, মিত্ৰাক্ষৰিক পদ্য, লোকগীত, ক্ৰিয়া প্ৰধান গীত আৰু আঙুলি ব্যৱহাৰ ইত্যাদিৰ দ্বাৰা শিশুসকলক সংগীতৰ ধাৰণা শিকাৰ সুযোগ প্ৰদান কৰিব পাৰে।

**কাৰ্যপ্ৰধান গীতঃ যেতিয়া তুমি সুখী হোৱা আৰু তেতিয়া তুমি এইটো জানা !**

সকলো কণ কণ ল'ৰা-ছোৱালীকে নিৰ্দেশনা অনুসৰণ কৰি থিয় হৈ বিভিন্ন ছন্দত হাত চাপৰি বজাবলৈ অনুৰোধ জনালোঁ। তাৰ পিছত মই তেওঁলোকক সুধিলোঁ "তোমালোকে দেখুৱাব পাৰিবানে যে তোমালোকে তোমালোকৰ শৰীৰটোক আৰু কি কি উপায়েৰে লৰচৰ কৰিব আৰু শব্দ সৃষ্টি কৰিব পাৰা? কিছুমানে আঙুলি চেপিলে, ভৰিৰে মাটিত শব্দ কৰিলে ইত্যাদি। মই তেওঁলোকক আকৌ সুধিলো "তোমালোকে আনন্দিত হ'লে কি কৰা"? কিছুমানে ক'লে তেওঁলোকে আনন্দত হাতচাপৰি বজায় আৰু কিছুমানে ক'লে তেওঁলোকে চিঞৰে।

*তাৰ পিছত মই তেওঁলোকক কওঁ "এই সকলোবোৰ শব্দৰে আমি এটা গীত তৈয়াৰ কৰোঁ আহা"। মই প্ৰথমে গাওঁ আৰু সিহঁতক কওঁ মই যেতিয়াই শব্দ কৰোঁ তেতিয়াই তোমালোকে মোৰ লগত সহযোগ কৰিবা।*

*যেতিয়া তুমি সুখী হোৱা আৰু তুমি গম পোৱা, হাত-চাপৰি বজোৱা !*

*যেতিয়া তুমি সুখী হোৱা আৰু তুমি গম পোৱা, হাত-চাপৰি বজোৱা !*

*যেতিয়া তুমি সুখী হোৱা আৰু তুমি গম পোৱা, আৰু তুমি এইটো সঁচাকৈ দেখুৱাব বিচৰা,*


## 4.4.6 কলা আৰু ভাস্কৰ্য ঃ

শিশুৱে ৰঙৰ সৈতে ধেমালি কৰি আনন্দ লাভ কৰে আৰু তেওঁলোকৰ আগ্ৰহৰ কিবা এটা সৃষ্টি কৰি ভাল পায়। কলা আৰু ভাস্কৰ্য্যই শিশুসকলৰ বাবে তেওঁলোকৰ ধাৰণা, আৱেগ আৰু অনুভৱ প্ৰকাশৰ আন এক মাধ্যম প্ৰদান কৰে।


ক. চিত্ৰাঙ্কণৰ লগত কাগজ আৰু ক্ৰেয়ণ, স্কেটচ্ পেন, ৰঙীন বা ক'লা পেঞ্চিল বা এঙাৰ অন্তৰ্ভুক্ত কৰা হ'ব পাৰে। শিশুৱে শ্লেট বা ফলি, ব্লেকবোৰ্ড নতুবা মজিয়াতো চিত্ৰ আঁকিব পাৰে। ব্লেকবোৰ্ড আৰু মজিয়াৰ সুবিধাটো হ'ল ই শিশুসকলক ডাঙৰ চিত্ৰ অঙ্কণ কৰিবলৈ বহল ঠাই প্ৰদান কৰে। কাগজৰো আকাৰ, আকৃতি আৰু ৰঙ বিভিন্ন হ'ব পাৰে। বগা কাগজ আৰু বিভিন্ন ৰঙৰ ক্ৰেয়ণৰ পৰিৱৰ্তে যদি শিশুক ক'লা আৰু হালধীয়া বা বগা ৰঙৰ ক্ৰেয়ণ দিয়া হয় তেতিয়া সম্পূৰ্ণ হোৱা চিত্ৰবোৰ বেলেগ বা অন্য ধৰণৰ হ'ব। প্ৰথমবাৰৰ বাবে ক্ৰেয়ণ ধৰিবলৈ শিকা কণ কণ ল'ৰা-ছোৱালীয়ে প্ৰথমে আঁকবাক কৰিবলৈ আৰম্ভ কৰে আৰু ক্ৰমান্বয়ে বিক্ষিপ্ত আকৃতি অঙ্কণ কৰিবলৈ সক্ষম হয় আৰু শেষত তেওঁলোকে নিৰ্দিষ্ট আকৃতি আৰু নক্সা অংকণ কৰিবলৈ সক্ষম হয়। প্ৰকাশভঙ্গীৰ লগতে সূক্ষ্ম পেশী-সঞ্চালনৰ বাবে চিত্ৰাঙ্কণ এক মূল্যবান কাৰ্য।



খ. চিত্ৰকলা হৈছে কাগজ, মজিয়া বা কাপোৰত পনীয়া ৰঙৰ ব্যৱহাৰৰ বিষয়ে অন্বেষণ কৰা। শিশুসকলে বজাৰত উপলব্ধ তুলিকা ব্যৱহাৰ কৰিব পাৰে বা শিক্ষকে কাঠী আৰু কাপোৰ বা কপাহৰ জৰিয়তে তুলিকা বনাব পাৰে। পনীয়া ৰঙৰ বিভিন্নতাসমূহ হৈছে বুঢ়া আঙুলি, হাতৰ তলুৱাৰে ছাপ মৰাত, শাক-পাঁচলিৰ পেলনীয়া অংশৰে ছাপ মৰা, লগতে বটলৰ সাফৰ, শাক-পাঁচলি (যেনে- আলু বা ভেণ্ডি)ৰ দৰে অন্যান্য সামগ্ৰীৰে ছাপ মৰা ইত্যাদি। শিশুসকলে সূতা অংকণ, আঙুলিৰ ছাপৰ লগতে আঙুলিৰ ৰং কৰাটোও ভাল পায়।



গ. আঠা লগোৱা প্ৰক্ৰিয়াটোৰ বাবে কাগজ বা কাপোৰত আঠা খোৱাকৈ বিভিন্ন বস্তুৰ ব্যৱহাৰ কৰা হয়। শিক্ষক বা শিশুৱে এনে এটা আকৃতি আঁকিব পাৰে য'ত শিশুৱে দিয়াচলাইৰ বাকচ বা ৰঙীণ কাগজৰ টুকুৰা আঠা লগাব পাৰে নতুবা ই মুক্তভাৱে ইচ্ছা অনুযায়ী আঠা লগোৱা প্ৰক্ৰিয়াও হ'ব পাৰে। বালি, পেঞ্চিলৰ টুকুৰা, কাঠৰ গুড়ি, শুকান বোকা, ৰঙীণ বাতৰি বা ছপা কাকত আদিৰ দৰে বিভিন্নধৰণৰ সামগ্ৰীও কাগজত আঠা লগাব পাৰি। বিভিন্নধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰি এটা ক'লাজ তৈয়াৰো কৰিব পাৰি। বজাৰত উপলব্ধ আঠাৰ লগতে শিক্ষকে তৈয়াৰ কৰা আঠাও এই কামৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়।



ঘ. অলপ আঠা যোগ কৰি কুমাৰৰ মাটি বা লেকেতীয়া মাটিৰে আৰ্হি তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। খাদ্যত ব্যৱহাৰ কৰা ৰং মিহলাই নতুবা মিহলি নকৰাকৈ শিক্ষকে বস্তু তৈয়াৰ কৰিবৰ বাবে মণ্ড যোগান ধৰিব পাৰে। খেলৰ বাবে ব্যৱহৃত মণ্ড বজাৰত পৰ্য্যাপ্ত পৰিমানে পোৱা যায়। শিশুসকলক পৰিৱেশত ইয়াক অন্বেষণ কৰিবলৈ আৰু বিভিন্ন আকৃতি আৰু বস্তু সৃষ্টি কৰিবলৈ উৎসাহিত কৰিব লাগে। ক্ৰিয়া-কলাপৰ এক সম্প্ৰসাৰণ হিচাপে শিশুসকলে তৈয়াৰ কৰা মাটিৰ বস্তুবোৰ ৰ'দত শুকুৱাব পাৰি আৰু পিছদিনা ৰং কৰিব পাৰি।



ঙ. শিশুসকলে পোনতে বিভিন্ন আকাৰৰ আৰু ডাঠ কাগজ ফালি আৰম্ভ কৰিব পাৰে আৰু তাৰ পিছত কেঁচিৰে কাটিবলৈ আগবাঢ়িব পাৰে। চাৰি আৰু পাঁচ বছৰতকৈ অধিক বয়সৰ শিশুক কাগজত চিন দিবলৈ আৰু পিছলৈ কাটি আকৃতি আৰু আৰ্হি তৈয়াৰ কৰিবলৈ ভোটা কেঁচি দিব পাৰে। কটা আৰু ফটা টুকুৰাবোৰ আঠা লগোৱাৰ কাৰণে ব্যৱহাৰ কৰিব পাৰি।

চ. কাগজ ভাঁজ কৰাৰ দক্ষতা আৰু ইয়াক চেপেটা কৰি কাগজৰ নক্সা তৈয়াৰ কৰিবলৈ শিশুসকলক শিকাব পাৰি। তেওঁলোকক পোনতে কাগজ আধা ভাঁজ কৰি আৰম্ভ কৰিব পাৰি আৰু পিছলৈ বিভিন্ন ধৰণৰ ভাঁজ শিকাব পাৰি। ইয়াৰ ফলত সূক্ষ্ম পেশী সঞ্চালন আৰু সৃষ্টিশীলতাৰ বিকাশ হয়।

ছ. শিশুৱে খালী কাৰ্ডবোৰ্ডৰ বাকচ, বালি, বোকা আৰু তেওঁলোকৰ কটা আৰু আঠা লগোৱাৰ দক্ষতা নতুন নতুন সামগ্ৰী যেনে- বাহন, জীৱ-জন্তু, অট্টালিকা আদি তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে।

## 4.4.6.1 কলা আৰু হাতৰ কামৰ সময়ত মনত ৰাখিবলগীয়া কথাবোৰ ঃ

◈ **এই সকলোবোৰ কাৰ্য মুক্তভাৱে ক্ৰিয়া-কলাপ হ'ব লাগে। এই ক্ষেত্ৰত শিক্ষকৰ নিৰ্দেশনাই ন্যূনতম হোৱা উচিত।** শিশুসকলক নিজস্বভাৱে তথা বেলেগ ধৰণে চিন্তা কৰিবলৈ উৎসাহিত কৰিব লাগে।



যদি কোনো শিশুৱে এডাল গছ আঁকিব বিচাৰে তেনেহলে শিক্ষকে গছ আঁকি শিশুটোক কপি কৰিবলৈ দিয়াটো উচিত নহয়। বৰঞ্চ, শিক্ষকে প্ৰশ্ন কৰিব পাৰিব (যেনে- গছজোপা দেখিবলৈ কিমান ওখ বা চুটি, ইয়াৰ গা-গছৰ আকৃতি কেনেকুৱা, ঠাল-ঠেঙুলিবোৰ কেনেকৈ প্ৰসাৰিত, গছডালত বহুত ঠাল-ঠেঙুলি আছে নে দুটা বা তিনিটা আছে, পাতবোৰৰ আকৃতি আৰু ৰং কেনেকুৱা) আৰু এইদৰে শিশুসকলক গছ এজোপা তেওঁলোকে দেখা ধৰণে আঁকিবলৈ উৎসাহিত কৰিব। অৱশ্যে শিক্ষকে শিশুৰ ধাৰণা গঠনত অৰিহণা যোগাব পাৰে আৰু কামবোৰ ভালদৰে সম্পাদন কৰাৰ উপায়ৰ পৰামৰ্শ দিব পাৰে (যেনে— কাগজ কাটি আৰু ভাঁজ কৰি)

কণ-কণ ল'ৰা-ছোৱালীৰ বাবে তেওঁলোকে তৈয়াৰী সামগ্ৰীটোতকৈ কলা আৰু হাতৰ কামৰ লগত জড়িত প্ৰক্ৰিয়াটোহে অধিক গুৰুত্বপূৰ্ণ—

**ক. বাধাহীন কলাত্মক প্ৰকাশ ঃ** শিশুসকলক নিজৰ কল্পনাৰে; লগতে শিক্ষকসকলৰ সহায়ত পৰিচালিত অনুশীলনৰ জৰিয়তে চাক্ষুষ বিন্যাস, শিল্পকৰ্ম, সুৰ, গীত, চৰিত্ৰাভিনয়, নাটকীয় খেল, নৃত্য আৰু সৃষ্টিশীল সঞ্চালন ৰচনা কৰাৰ সুযোগ প্ৰদান কৰিব লাগিব। কলাত্মক প্ৰকাশৰ ক্ষেত্ৰত 'সঠিক' আৰু 'ভুল', 'ভাল' আৰু 'বেয়া'ৰ ধাৰণা এৰাই চলিব লাগিব। বৰঞ্চ, ভিন্ন দৃষ্টিভঙ্গী, অভিজ্ঞতাৰ, প্ৰকাশ আৰু কল্পনাক উৎসাহিত কৰা উচিত।

**খ. সামগ্ৰী, মাধ্যম আৰু সঁজুলিৰ অন্বেষণ ঃ** শিশুৰ কাৰণে বিভিন্ন সামগ্ৰীৰ অন্বেষণত নিজৰ কৌতুহলৰ সৃষ্টি আৰু প্ৰয়োগ কৰাটো আৰু সেইবোৰক কলাৰ সঁজুলি আৰু মাধ্যম হিচাপে একাধিক ব্যৱহাৰ কৰাৰ সম্ভাৱনা সম্প্ৰসাৰণ কৰাটো গুৰুত্বপূৰ্ণ। দৃশ্য কলাত তুলিকা এডালক আহিলা হিচাপে ব্যৱহাৰ কৰিব পৰা যাব পাৰে কিন্তু নাটকত ইয়াক ব্যৱহৃত বাদ্যযন্ত্ৰ হিচাপেও ব্যৱহাৰ কৰাৰ সম্ভাৱনীয়তা থাকে। **প্ৰত্যেকটো কলাৰ শাখাৰ ভিতৰতো শিশুসকলক বাদ্যযন্ত্ৰ আৰু সামগ্ৰীসমূহৰ ব্যৱহাৰৰ গতানুগতিক গ্ৰহণযোগ্য পদ্ধতিসমূহৰ উপৰিও নিজস্ব পদ্ধতি আৰু কৌশল আৱিষ্কাৰ কৰিবলৈ উৎসাহিত কৰাটো প্ৰয়োজন।**

**গ. পৰ্যৱেক্ষণ ঃ শিশুৱে কেৱল দৃশ্যগতভাৱে নিজৰ চৌপাশ পৰ্যৱেক্ষণ কৰাই নহয়, তেওঁলোকৰ নিজস্ব চিন্তা, অনুভৱ, আৱেগ, অনুভূতি, ক্ৰিয়া-কলাপ আৰু সামগ্ৰিক আচৰণৰে পৰ্যৱেক্ষণ কৰাৰ প্ৰয়োজন।** শিশুসকলক কলাৰ মৌলিক উপাদানসমূহৰ সৈতে পৰিচয় কৰাই দিয়াটোৱে তেওঁলোকক বহু সংবেদনশীল উদ্দীপকসমূহ সংগঠিত কৰিবলৈ আৰু বহুসংবেদনশীল উদ্দীপকসমূহক বুজিবলৈ আৰু তেওঁলোকৰ নান্দনিক সংবেদনশীলতা বিকাশ কৰিবলৈ একাধিক ৰূপৰেখা প্ৰদান কৰে। শব্দ, ৰং বা গতিৰ উপাদানৰ ওপৰত ভিত্তি কৰি কৰা সৰল ব্যায়ামবোৰক দৈনন্দিন কাম-কাজৰ ক্ষেত্ৰত প্ৰয়োগ কৰি এইবোৰক আৱেগ, চিন্তা আৰু কাৰ্যৰ সৈতে সম্পৰ্কিত কৰিব পাৰি।

**ঘ. কথোপকথন আৰু আলোচনা ঃ** কলাৰ শ্ৰেণীকোঠাতো সদায় এক অন্তৰ্ভুক্তিৰ পৰিৱেশ হোৱাতো শিক্ষকে নিশ্চিত কৰিব লাগিব। শিক্ষকে শিশুৰ মৌখিক আৰু অমৌখিক যোগাযোগৰ প্ৰতি মনোযোগ দিব লাগিব, তেওঁলোকৰ চাক্ষুষ আৰু পৰিৱেশনমূলক কলাকৰ্মৰ শলাগ ল'ব লাগিব আৰু প্ৰতিটো শিশুৰ পৰা নিজস্বভাৱে সঁহাৰিৰ উপযুক্ত প্ৰশ্ন সুধিব লাগিব।

**ঙ. নান্দনিক প্ৰশংসাঃ** কলাৰ শ্ৰেণীকোঠাত আমি ব্যক্তিগতভাৱে কি ভাল পাওঁ, সামূহিকভাৱে কি উপযুক্ত বুলি বিবেচনা কৰা হয় আৰু নান্দনিক ভাৱে কি বাঞ্ছনীয়, ইত্যাদি বিষয়ৰ নিয়মীয়াকৈ বাৰ্তালাপ আৰু আলোচনা কৰিব লাগিব। এই বাৰ্তালাপ শ্ৰেণীত কৰা ব্যৱহাৰিক কাম আৰু শিশুৱে নিজৰ দৈনন্দিন জীৱনৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পৰা নান্দনিক অভিজ্ঞতা (যেনে— ৰং, কাপোৰ, খাদ্য, নৃত্য, উৎসৱ, পৰিৱেশনত তেওঁলোকৰ পছন্দ)ৰ ওপৰত ভিত্তি কৰি পৰিচালিত হ'ব লাগিব। এই বৰ্তালাপত শিক্ষকৰ ভূমিকা অংশগ্ৰহণমূলক আৰু বিচাৰমুক্ত হ'ব লাগিব। কলা শ্ৰেণীত এই আলোচনা ৮ৰ পৰা ১০ মিনিটতকৈ অধিক সময় হোৱাৰ প্ৰয়োজন নাই।

প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে, কলা আৰু শিল্পৰ বাবে সময়ৰ ব্লক পৰিকল্পনা কৰাটো বিশেষভাৱে প্ৰয়োজনীয়। যিহেতু কলাৰ ক্ষেত্ৰত বিভিন্ন সামগ্ৰীৰ অন্বেষণৰ, ইয়াৰ প্ৰস্তুতি, সংগঠন, বিতৰণ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা ইত্যাদিৰ বাবে বিশেষ সময় আৰু সুযোগৰ প্ৰয়োজন হয়, গতিকে বিকল্প দিনত শিল্প কৰ্মৰ বাবে এঘণ্টাৰ ব্লক সময় নিৰ্ধাৰণত গুৰুত্ব প্ৰদান কৰিব পাৰি (খণ্ড ২)। পৰিৱেশন, উপস্থাপন, কথোপকথন আৰু আগ্ৰহ সৃষ্টিৰ

সৈতে জড়িত কলাৰ প্ৰক্ৰিয়াসমূহক প্ৰতিদিনে ২০ মিনিটৰ কম সময়ৰ ব্লকত সংগঠিত কৰিব পাৰি (ব্লক ১)।

*তালিকা ৪.৪.কঃ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত কলা শিক্ষাৰ সময় খণ্ড*

| সময় খণ্ড | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ | শনিবাৰ |
|---|---|---|---|---|---|---|
| ১ | সংগীত চৰ্চা | নাট্য চৰ্চা | নৃত্য সঞ্চালকমূলক অনুশীলন | সংগীত চৰ্চা | নাট্য চৰ্চা | নৃত্য সঞ্চালকমূলক চৰ্চা |
| ২ | শিল্প কাৰ্য আৰু আগ্ৰহ প্ৰকাশ কৰা | | শিল্প কাৰ্য আৰু আগ্ৰহ প্ৰকাশ কৰা | | শিল্প কাৰ্য আৰু আগ্ৰহ প্ৰকাশ কৰা | |

## 4.4.7 আভ্যন্তৰীণ ক্ৰীড়া ঃ

শৰীৰক সুস্থ আৰু সবল কৰি ৰাখিবলৈ যিদৰে ব্যায়াম কৰাটো গুৰুত্বপূৰ্ণ, ঠিক তেনেদৰে মনৰ ব্যায়াম কৰাটোও প্ৰয়োজনীয়। শিশুসকলক গণিত বিষয়ত সক্ৰিয় কৰিবলৈ আৰু তেওঁলোকৰ সমগ্ৰ স্কুলীয়া জীৱন তথা গোটেই জীৱনৰ কাৰণেই প্ৰয়োজনীয় যুক্তিসম্পৰ্কীয় দক্ষতা বিকাশৰ বাবে বিশেষ কৌশলযুক্ত খেল, যুক্তি আৰু শব্দ-প্ৰহেলিকা আৰু বিনোদনমূলক গণিতৰ খেল সৰ্ব্বোত্তম উপায়।

জিগছ প্ৰহেলিকা, ব্লকৰ সৈতে খেলা, আৰু চক্ৰবেহুৰ সমাধানে শিশুৰ তাৎক্ষণিক যুক্তি বিকাশত সহায় কৰে; ৰণকৌশলৰ খেলসমূহে (যেনে- টিক-টেক-টো আৰু দবাৰ দৰে গভীৰ খেললৈ পৰিচালিত কৰা) কৌশলগত চিন্তা আৰু সমস্যা-সমাধান দক্ষতাৰ বিকাশসাধন কৰে।

খেল খেলা (যেনে— চৌপদ, সাপ আৰু জখলা)টো আনন্দদায়ক - ই গণনা, কৌশল, সহযোগিতা, সুস্থ প্ৰতিযোগিতা, সমনীয়াৰ সৈতে বন্ধুত্ব গঢ়ি তোলা আদিও শিকায়।

*বাকচ ৪.৪ই*

**শিলগুটিৰ সৈতে এটা সৰল গাণিতিক খেল ঃ**

*কিছুমান খেলত নূন্যতম সামগ্ৰীৰ প্ৰয়োজন হয়, কিন্তু তেনে খেলবোৰ প্ৰায়ে অত্যন্ত আনন্দদায়ক, আসক্তিমূলক আৰু শিক্ষামূলক হ'ব পাৰে। তলত দিয়া '১০ টা শিলগুটিৰ খেল'টোক বিভিন্ন স্তৰৰ বাবে আগ্ৰহ ভিত্তিক হ'ব পাৰে। একেবাৰে কণ কণ সৰু ল'ৰা-ছোৱালীয়েও ইয়াক খেলিব পাৰে আৰু পাছলৈ কেইবাবাৰো পুনৰাবৃত্তি কৰিবও পাৰে। ইয়াৰ দ্বাৰা গভীৰ গাণিতিক ধাৰণা গঠনৰ লগতে আৰু উন্মোচন কৰিব পাৰি।*

*১০ টা শিলগুটিৰে এটি স্তূপেৰে আৰম্ভ কৰক (শিলখিনিৰ সলনি ১০টা মুদ্ৰা, শিল বা গুটিৰ দৰে যিকোনো বস্তু ব্যৱহাৰ কৰিব পাৰি)। দুজন খেলুৱৈয়ে পৰ্যায়ক্ৰমে স্তূপটোৰ পৰা এটা বা দুটা শিলগুটি লৈ যায়। স্তূপটোৰ পৰা একেবাৰে শেষৰ শিলগুটিটো লোৱা খেলুৱৈজন জয়ী হয়।*

*দুয়োজন খেলুৱৈয়ে যিয়ে প্ৰথমে খেলখন আৰম্ভ কৰে তাৰ পৰ্যায়ক্ৰমে এই খেলটো বহুবাৰ খেলিব পাৰে। শিশুসকলে জয়ী হোৱাৰ বাবে ভিন্ন কৌশল ল'বলৈ আৰম্ভ নকৰালৈকে এই খেলটো বাৰে বাৰে খেলিব পাৰে। কেইখনমান খেলৰ পিছত শিক্ষকে এটি শিশুক সুধিব পাৰে, "তুমি প্ৰথম খেলুৱৈ হোৱাটো পছন্দ কৰানে দ্বিতীয় খেলুৱৈ? কিয়? শিশুসকলে এই ক্ষেত্ৰত কৌশল সম্পৰ্কে ভাবিবলৈ আৰম্ভ কৰাৰ লগে লগে এই আনন্দদায়ক খেলখন গাণিতিক যুক্তি শিকনৰ ক্ষেত্ৰত সহায়ক হৈ উঠে।*

*এই খেলৰ বিভিন্নতাসমূহৰ ভিতৰত, উদাহৰণস্বৰূপে ১০ টা বা ২১ টা বস্তু ব্যৱহাৰ কৰা, য'ত খেলুৱৈক প্ৰতিটো পালত ১ বা ২ বা ৩ টা বস্তু ল'বলৈ অনুমতি দিয়া হয়।*

*শিশুৱে এবাৰ গণনা কৰিব পাৰিলে আৰু সৰু সংখ্যা এটা যোগ কৰিব পাৰিলে খেল খেলিবলৈ আৰু কোনো বস্তুৰ প্ৰয়োজন নাথাকে। প্ৰথম খেলুৱৈজনে ১ বা ২ সংখ্যাটো ব্যৱহাৰ কৰি আৰম্ভ কৰে; তাৰ পিছত দ্বিতীয় খেলুৱৈজনে প্ৰথম খেলুৱৈজনৰ সংখ্যাৰ সৈতে ১ বা ২ যোগ কৰি সেই সংখ্যাটো কয়; তাৰ পিছত প্ৰথম খেলুৱৈজনে পুণৰাই শেষৰ সংখ্যাটোৰ সৈতে ১ বা ২ যোগ কৰে আৰু কয় আৰু এনেদৰে সংখ্যাটো আগবাঢ়ি যায়। তেওঁলোকে পৰ্যায়ক্ৰমে অগ্ৰসৰ হয় আৰু যিজন খেলুৱৈয়ে প্ৰথমে "১০" বুলি কয় সেই খেলুৱৈজনেই জয়ী হয়। শিক্ষকে কণ-কণ ল'ৰা-ছোৱালীক "এই খেলখন ১০টা শিলগুটিৰ খেলৰ সৈতে কিয় একে? সুধিব পাৰে।" এই অনুশীলনে শিশুসকলক সংখ্যা শব্দ আৰু সামগ্ৰীৰ মাজৰ সম্পৰ্কৰ ধাৰণাটোৰ বিষয়ে চিন্তা কৰিবলৈ সহায় কৰে।*

*সাঁথৰ আৰু কৌতুক হৈছে এনেকুৱা প্ৰশ্ন বা বক্তব্য যিবোৰ ইচ্ছাকৃতভাৱে এনেধৰণে শব্দসংযোগ কৰা হয় যাতে ইয়াৰ উত্তৰ বা অৰ্থ বুজিবলৈ সীমাৰ বাহিৰত চিন্তা কৰাৰ প্ৰয়োজন হয়-সেইবোৰ সাধাৰণতে এক প্ৰকাৰৰ খেলা হিচাপেই উপস্থাপন কৰা হয়। সাঁথৰ আৰু কৌতুক বৌদ্ধিকভাৱে উপকাৰী বুলি সাৰ্বজনীন, কিয়নো ই শিশু আৰু প্ৰাপ্তবয়স্কক সমানেই মানসম্পন্ন চিন্তাধাৰাৰ পৰিসৰৰ বাহিৰেও সৃষ্টিশীল আৰু উদ্ভাৱনমূলক চিন্তাত উৎসাহ প্ৰদান কৰে।*

**বাকচ ৪.৪এফ**

---

**এটা সাৰ্বজনীন সংগীতমধুৰ সাঁথৰ**

*দেওডৰিকৰ দুটা আগত দেওডৰিক*

*দেওডৰিকৰ দুটা পাছত দেওডৰিক*

*আগত দেওডৰিক পাছত দেওডৰিক*

*কোৱা কেইটা দেওডৰিক*

*সাঁথৰটোৰ উত্তৰৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে শ্ৰেণীত এইটোক এটা গোটত গোৱাব পৰা যায়- এটা **দেওডৰিকৰ** সন্মুখত দুটা **দেওডৰিক**; এটা **দেওডৰিকৰ** পিছফালে দুটা **দেওডৰিক; এটা দেওডৰিকৰ** সন্মুখত আৰু পিছফালে এটা **দেওডৰিক**; কোৱাচোন কেইটা **দেওডৰিক**!*

---

শব্দ আৰু যুক্তিৰ প্ৰহেলিকা হৈছে অৱৰোহী যুক্তি শিকোৱাৰ আন এটা আনন্দকৰ উপায়। ওপৰৰ বাকচটোত উল্লেখ কৰা সৰল প্ৰহেলিকাবোৰে শিশুৰ যুক্তিসংগত আৰু সৃষ্টিশীল চিন্তাৰ দক্ষতাক গঢ়ি তোলাত সহায় কৰে। প্ৰহেলিকাবোৰ অধিক প্ৰত্যাহ্বানজনক হ'ব পাৰে, আৰু শিশুৰ বয়স বৃদ্ধিৰ লগে লগে গাণিতিক আৰু অন্যান্য উপাদানসমূহ অন্তৰ্ভুক্ত কৰি প্ৰহেলিকাবোৰ অধিক প্ৰত্যাহ্বানমূলক কৰিব পাৰি। গাণিতিক প্ৰহেলিকা আৰু খেলে সংখ্যাৰ ব্যৱহাৰ কৰাত সহায় কৰিব পাৰে আৰু পৰিমাণগত যুক্তিও গঢ়ি তুলিব পাৰে।

আনন্দমূলক ব্যায়াম, খেল, প্ৰহেলিকাৰ জৰিয়তে শিক্ষণক উপভোগ্য কৰি তোলাটোৱে শিশুসকলৰ আত্ম সক্ৰিয়তা নিশ্চিত কৰাৰ লগতে তেওঁলোকৰ মানসিক ক্ষমতা আৰু সৃষ্টিশীলতাৰ বিকাশ সাধন কৰে। তাৎক্ষণিক যুক্তি, শব্দ-খেল, বিশেষ কৌশল, যুক্তি আৰু গণিত জড়িত প্ৰহেলিকা আৰু সমস্যা সমাধানৰ ক্ৰিয়া-কলাপসমূহ সমগ্ৰ বুনিয়াদী পৰ্যায়ত চিন্তা, যুক্তিসংগত অনুমান, গাণিতিক যুক্তি আৰু সৃষ্টিশীলতাৰ প্ৰতি আসক্তি গঢ়ি তুলিবৰ বাবে শ্ৰেণীকোঠাৰ ব্যৱহাৰ কৰিব লাগে। এই ক্ষেত্ৰত ভাৰতীয় পৰিস্থিতিৰ বাবে অধিক বাবে প্ৰাসংগিক উদাহৰণ আৰু যিবোৰে সমস্যা সমাধান আৰু সাঁথৰে চহকী স্থানীয় আৰু ৰাষ্ট্ৰীয় পৰম্পৰাক অন্তৰ্ভুক্ত কৰে, সেইবোৰকো বিশেষভাৱে অন্তৰ্ভুক্ত কৰিব লাগে।

## 4.4.8 বহিঃক্ৰীড়া ঃ

◇ **খোজ কঢ়া, দৌৰা, জঁপিওৱা, খেদি যোৱা, লঠিওৱা আৰু বল নিক্ষেপ কৰা, পানী, বালি বা বোকাত খেলা, পানী ডোঙাত জঁপিয়াই পৰা, সুৰঙ্গৰ মাজেৰে খোজ কাঢ়ি যোৱা, দোঁ খাই থকা গছৰ ওপৰেৰে বগাই যোৱা বা সৰু গছত বগোৱা কাৰ্যই শিশুৰ সূক্ষ্ম পেশী সঞ্চালন দক্ষতা বিকাশ কৰাত সহায় কৰে।** প্ৰকৃতি ভ্ৰমণলৈ যোৱা আৰু তেওঁলোকে শুনা বিভিন্ন শব্দৰ নাম দিয়া, চৰাই, পোক-পৰুৱা বা উদ্ভিদ বিচৰা আৰু সেইবিলাকৰ নামাকৰণ কৰাও অন্য প্ৰকাৰৰ বাহ্যিক ক্ৰিয়াৰ অংশ।

খেলাৰ সামগ্ৰী তৈয়াৰ কৰিবলৈ সৃষ্টিশীলৰূপত পুৰণি টায়াৰ ব্যৱহাৰ কৰিব পাৰি। শিক্ষকসকলে শিশুসকলক তেওঁলোকৰ ভাৰসাম্য গঢ়িবলৈ আৰু খোজ কঢ়াবলৈ ইটা ব্যৱহাৰ কৰিব পাৰে, ডাঙৰ বল, আঙুঠি, হুলাহুপ (ককালৰ দ্বাৰা ঘূৰুৱা ৰিং) আৰু ৰচীৰে জঁপিওৱাৰ দৰে খেলৰ সামগ্ৰী যোগান ধৰিব পাৰে। স্থানীয় সামগ্ৰী যেনে— বাঁহ ব্যৱহাৰ কৰিও খেলৰ সামগ্ৰী তৈয়াৰ কৰিব পাৰি। অলপ চাপৰ এডাল গছো বহিঃ ক্ৰীড়াৰ এক উত্তম উৎস হ'ব পাৰে। কণ-কণ ল'ৰা-ছোৱালীয়ে কোনো নিয়ম নোহোৱাকৈ বা সহজ নিয়মেৰে দলীয় খেল-ধেমালি কৰিব পাৰে (যেনে- দৌৰী ধৰা-ধৰি, নিক্ষেপ কৰা আৰু ধৰা, গাঁতত বল নিক্ষেপ কৰা)। শিশুসকল ডাঙৰ হোৱাৰ লগে লগে তেওঁলোকে সহজ নিয়ম অনুসৰণ কৰি দলীয় খেল উপভোগ কৰে (যেনে- গীত্তে, জঞ্জীৰ, লুকা-ভাকু খেল, মূৰ্ত্তি, ওপৰলৈ চোৱা আৰু তললৈ চোৱা)

*শিক্ষকৰ কণ্ঠ ৪.৪.গ*

---

**পৰ্বতত জুই! দৌৰা, দৌৰা, দৌৰা!**




এইটো এটা অতি পুৰণি আৰু জনপ্ৰিয় খেল। সকলো ল'ৰা-ছোৱালীকে মোৰ চাৰিওফালে এটা বৃত্তত লাহে লাহে আগবাঢ়িবলৈ কৈ মই আৰম্ভণি কৰোঁ, যেতিয়া মই গাওঁ "**পৰ্বতত** জুই, দৌৰা দৌৰা!" এই গীতটো কেইবাবাৰো গোৱাৰ পিছত হঠাতে মই এটা নম্বৰ কওঁ, ধৰক 'তিনি নম্বৰ' সকলো শিশুৱে লগে লগে বৈ বৃত্তৰ পৰা ভাঙি গৈ তিনিজনীয়া গোট গঠন কৰিব লাগিব। অতি কম সময়ৰ ভিতৰতে তেওঁলোক ৰ'ব লাগিব, নিৰ্দেশনা অনুসৰণ কৰিব লাগিব, আৰু কোনটো গোটত তিনিজন আছে বা অধিক প্ৰয়োজন সেইটো বুজিব লাগিব আৰু সেই অনুসৰি এটা গোট এৰিব লাগিব বা আন এটাত যোগদান কৰিব লাগিব।

ইয়াৰ বাবে পৰিস্থিতি অনুসৰি খাপ খোৱা (দল বা গোটত সলনি কৰা সদস্যৰ সংখ্যা) আৰু নমনীয়তা (প্ৰত্যেকবাৰেই দল বান্ধিবলৈ ভিন্ন শিশু বিচৰা)ৰ প্ৰয়োজন। শিশুসকলৰ মাজত নিৰ্দেশনা মনত ৰাখিবলৈ বিভিন্ন কৌশল প্ৰয়োগ কৰা, মনোযোগী আৰু ধৈৰ্যশীল হোৱাৰ দৰে যোগাত্মক শিকন অভ্যাস গঢ়ি তুলিবলৈ ই হৈছে এক আনন্দদায়ক উপায়।

বাহিৰত খেলি থাকোঁতে নিৰাপত্তাৰ কাৰণে তেওঁলোকৰ ওপৰত চকু দিয়াটো গুৰুত্বপূৰ্ণ। শিশুসকলে খেলি থকাৰ সময়ত শিক্ষকসকলে সচেতনভাৱে শিশুসকলৰ ওপৰত চকু ৰাখিব লাগিব আৰু আঘাট যাতে নহয় তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব।

যদি বাহিৰত খেলাৰ কোনো নিৰাপদ স্থান নাথাকে, তেন্তে শিশুসকলে আভ্যন্তৰী বা আন্তঃ শাৰীৰিক খেল খেলিব পাৰে যিয়ে স্থুল পেশী সঞ্চালনৰ দক্ষতাৰ বিকাশত সহায় কৰে; কিন্তু ই তুলনামূলকভাৱে কম গ্ৰহণীয়। কাৰণ এই বয়সৰ শিশুসকল ৰ'দত বাহিৰত থকাটো প্ৰয়োজন যাতে তেওঁলোকৰ বিকাশ আৰু বৃদ্ধি ভালদৰে হয়।

---

***বাকচ ৪.৪ ছ***

*জাপানীসকলৰ শ্বিনৰিণয়োকু নামৰ এটা প্ৰথা আছে। জাপানী ভাষাত শ্বিনৰিণৰ অৰ্থ 'বনাঞ্চল' আৰু য়োকুৰ অৰ্থ হ'ল 'গা-ধোৱা'। সেইকাৰণে শ্বিনৰিণৰ সাহিত্যিক অৰ্থ হৈছে 'বন স্নান'। ইয়াৰ অৰ্থ হৈছে দৃষ্টি, শ্ৰৱণ, স্বাদ, গোন্ধ আৰু স্পৰ্শ আদি ইন্দ্ৰিয়ৰ মাধ্যমেৰে প্ৰকৃতিৰ সৈতে সংযোগ স্থাপন কৰা।*

*সাধাৰণভাৱে শিশুসকলক প্ৰকৃতিৰ মাজত আৰু প্ৰকৃতিৰ সৈতে সময় কটাবলৈ সম্ভৱ কৰাত এই প্ৰথাটোক ব্যৱহাৰ কৰিব পৰা যায়। আনহাতে গ্ৰাম্য অঞ্চলত হাবি বা পুখুৰী বা বনাঞ্চল বা পথাৰত প্ৰৱেশৰ সুবিধা থাকে; চহৰ অঞ্চলত স্কুলৰ বাগিছা বা স্থানীয় উদ্যান বা হ্ৰদ, উপযুক্ত বিকল্প হ'ব পাৰে।*

## 4.4.9 প্ৰকৃতিৰ সৈতে আৰু প্ৰকৃতিৰ মাজত সময় কটোৱা ঃ

মাছ কি সেয়া কেৱল কিতাপ এখনত পঢ়াতকৈ বা গল্প এটাত শুনাতকৈ সন্মুখত দেখিলে ইয়াক বুজি পোৱাটো অতি সহজ আৰু এইটো বৰ আনন্দদায়ক।



*শিক্ষকৰ কণ্ঠ ৪.৪.ঘ*

মোৰ কিছুমান ল'ৰা-ছোৱালীৰ ঘৰত শাকনি-বাৰী আছে। যেতিয়া আমি গছ-গছনিৰ বিষয়ে আলোচনা কৰিছিলোঁ, তেতিয়া আন ল'ৰা-ছোৱালীবিলাক আগ্ৰহী হৈ পৰিছিল আৰু গছ-গছনি কেনেকৈ গজে, সিহঁতক কি প্ৰয়োজন হয় আৰু সেইবোৰক কেতিয়া খাব লাগে, সেই বিষয়ে আমি কেনেকৈ জানো আদি বিষয়ে বহুতো প্ৰশ্ন কৰিছিল।

গতিকে, মই বিদ্যালয়ৰ সৰু মুকলি এটুকুৰা ঠাই শাক-পাচলিৰ বাগিচা হিচাপে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত ললো। কিছুমান ল'ৰা-ছোৱালীয়ে ঘৰৰ পৰা বীজ লৈ আনিছিল আৰু মই তেওঁলোকৰ সহায়ত ৰোপণ কৰিছিলোঁ। ল'ৰা-ছোৱালীবিলাকে বাৰীখন চোৱা-চিতা কৰা আৰু যত্ন লোৱাৰ দায়িত্বভাৰ গ্ৰহণ কৰিলে। যেতিয়াই আমি বিলাহী আৰু লাউৰ দৰে পাঁচলিসমূহ চপালো, আমি উৎপাদিত পাচলিসমূহ তেওঁলোকৰ ঘৰলৈ লৈ গৈ পৰিয়ালৰ লগত ভাগ-বতৰা কৰিবলৈ ল'ৰা-ছোৱালীবোৰৰ মাজত বিতৰণ কৰি দিলোঁ।

ইয়াৰ পিছত, আমি কিছু ধনীয়া আৰু পদিনাৰ খেতি কৰিবলৈ চেষ্টা কৰিলোঁ আৰু মই কিছুমান টাবত ৰোৱা ফুলৰ গছ আনিলো। পুণৰাই, ল'ৰা-ছোৱালীবিলাকে শ্ৰেণীৰ এই 'বাগিছা'ৰ যত্ন ল'লে!

ল'ৰা-ছোৱালীবোৰে উদ্ভিদৰ প্ৰতি অধিক আগ্ৰহ গঢ়ি তুলিবলৈ ধৰাৰ লগে লগে আমি আমাৰ বিদ্যালয়ৰ ওচৰৰ উদ্যান আৰু সেউজীয়া অঞ্চলবোৰ বিচাৰি উলিওৱাৰ সিদ্ধান্ত ললো। আমি বহু প্ৰাকৃতিক ভ্ৰমণৰ ব্যৱস্থা কৰিলো, আৰু ল'ৰা-ছেৱালীসকল লগতেময়ো ৰাস্তাৰ কাষত বিভিন্ন প্ৰকাৰৰ ফুল আৰু অপতৃণ, পোক-পৰুৱাৰ সৈতে পখিলা, মৌমাখি, পৰুৱা, পোক আৰু মকৰা আদি আৱিষ্কাৰ কৰিলোঁ।

মোৰ লক্ষ্য আছিল, শিশুসকলক তেওঁলোকৰ তাৎক্ষণিক পৰিৱেশৰ প্ৰাকৃতিক পৰ্যৱেক্ষণ, অনুসন্ধান, কৌতুহল সৃষ্টি আৰু আগ্ৰহী কৰিবলৈ উৎসাহিত কৰা। মোৰ ইচ্ছা তেওঁলোকৰ মাজত প্ৰাকৃতিক জগতখনৰ সৈতে এক আত্মীয়তা গঢ়ি তোলা আছিল, যিয়ে তেওঁলোকক ভৱিষ্যৎ জীৱনত উপকাৰ কৰিব।

আমাৰ বাহিৰৰ জগত মনত ইমানবোৰ উজ্জ্বল আৰু ধুনীয়া আৰু আকৰ্ষণীয় বস্তু আছে যিয়ে শিশুৰ মনক বিহ্বল কৰি তোলে বা তেওঁৰ কৌতুহলক জাগ্ৰত কৰে। স্থানীয় হাবি বা সৰু বননি বা স্থানীয় উদ্যানত কৰা এক ভ্ৰমণে আৰু তাত দেখা পোৱা বিভিন্ন চৰাইবোৰে শিশু এটাক মনত বিস্ময়ৰ সৃষ্টি কৰে।

◇ **উদ্ভিদ আৰু গছ আৰু চৰাই আৰু জীৱ-জন্তুৰ সৈতে সময় কটালে বা প্ৰকৃতিৰ নিৰৱ-নিস্তব্ধ পৰিৱেশৰ মাজত থকাৰ সুযোগ লাভ কৰিলে শিশুৰ পৰিৱেশৰ বাবে জীৱনশৈলীৰ ভিত্তি গঢ়ি উঠিব পাৰে।**

প্ৰাচীন ভাৰতীয় গ্ৰন্থত কোৱা হৈছে যে সেয়া ব্যক্তিগত মানৱ শৰীৰেই হওঁক বা বৃহত্তৰ মহাজাগতিক জগতখনেই হওক সকলোবোৰ মূলতঃ মাটি, পানী, অগ্নি, বায়ু আৰু ব্যোম বা আকাশ এই পাঁচটা মৌল বা পঞ্চভূতেৰে গঠিত। দৃষ্টান্তমূলকভাৱে, অষ্টাঙ্গ আয়ুৰ্বেদৰ আঠটা খণ্ডৰ ভিতৰত অন্যতম বালা চিকিৎসাত কোৱা হৈছে যে পঞ্চভূত আমাৰ শৰীৰৰ বিভিন্ন অঙ্গত প্ৰকাশ পায়। এই পৰ্যায়ত সেয়েহে, পানী, বায়ু আৰু মাটিৰ সৈতে প্ৰত্যক্ষ অভিজ্ঞতাৰ প্ৰৱৰ্তন কৰাটো গুৰুত্বপূৰ্ণ যাতে শিশুৱে এই উপাদানসমূহৰ সৈতে এক গভীৰ সংযোগ অনুভৱ কৰিব পাৰে।

*শিক্ষকৰ কণ্ঠ ৪.৪.৬*

মই ল'ৰা-ছোৱালীবিলাকক যেতিয়া বাগিছালৈ উলিয়াই নিওঁ, যেতিয়া সিহঁতে শ্ৰেণীকোঠাৰ বাহিৰত খেলি থাকোতে মই তেওঁলোকৰ ওচৰত থাকোঁ বা অভিভাৱকে সিহঁতক নিবলৈ অহাৰ অপেক্ষা কৰা সময়ত মই সিহঁতে সোধা প্ৰশ্নবোৰ শুনি অতি আচৰিত হওঁ।

ৰাস্তাৰ কাষত পৰি থকা ৰাস্তা নিৰ্মাণ কামৰ বৈ যোৱা সৰু শিল এটালৈ আঙুলিয়াই দি শ্বিৰিণে সিদিনা সুধিলে ‘শিলৰ তলত কি আছে’? সমাৱেশৰ সময়ত বিদ্যালয়ত চৰাইৰ সৰু জাক এটা নামি অহা দেখি সুষমাই সুধিলে ‘চৰাইবোৰে মাটিৰ পৰা সেয়া কি তুলি লৈছে।’?

হৰপ্ৰীতৰ দৃষ্টি চৰাইবোৰৰ প্ৰতি আকৰ্ষিত হ'ল আৰু সি ক'লে, ‘চৰাইবোৰ ইমানবিলাক ৰঙেৰে কিয় তৈয়াৰ কৰা হৈছে?’

মই ডোমাক বেৰ এখনৰ ওচৰত হাউলি সাৱধানে কিবা এটা চাই থকা দেখিলো। মই কি চাই আছে বুলি চোৱাত দেখিলো যে তাত বেৰৰ ফাঁট এটাৰে সোমাই যোৱা পৰুৱাৰ শাৰী এটা আছিল। মোক দেখি তাই পৰুৱাবোৰ ক'লৈ গৈ আছে? সিহঁতে কেনেকৈ উভতি অহাৰ বাট বিচাৰি পাব? এই প্ৰশ্নবোৰ সুধিলে?

তেওঁলোকৰ প্ৰশ্নবোৰৰ সৈতে কেনেকৈ মোকাবিলা কৰিব লাগে মই সদায় নিশ্চিত নহয়। অৱশ্যে মই বিচাৰো যে মোৰ ল'ৰা-ছোৱালীবিলাকে এই প্ৰশ্নবোৰ সুধি থাকক, কিয়নো, মই এই কথা বুজি পাওঁ যে ই শিশুবিলাকক প্ৰকৃতি আৰু ইয়াৰ সকলো সৌন্দৰ্য্যৰ প্ৰতি সন্মান আৰু আগ্ৰহ গঢ়ি তোলাত সহায় কৰিব পাৰে।

মই এইটোও বুজি পাওঁ যে প্ৰকৃতিৰ সৈতে তেওঁলোকৰ সম্বন্ধ সুনিশ্চিত কৰিবলৈ মই নিজেও তেওঁলোকৰ লগত একেধৰণৰ কৌতুহল আৰু উৎসাহ প্ৰদৰ্শন কৰিব লাগিব।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, মই বুজি পাব লাগিব যে তেওঁলোকৰ প্ৰশ্নৰ প্ৰতি মোৰ সঁহাৰি হ'ব লাগিব, ‘মই উত্তৰৰ বিষয়ে নিশ্চিত নহয়, কিন্তু আহা আমি একেলগে উত্তৰ বিচাৰি উলিয়াবলৈ চেষ্টা কৰো।’

## 4.4.10 ক্ষেত্ৰ ভ্ৰমণ ঃ

স্থানীয় শাক-পাচলিৰ বজাৰখন শিশুৰ বাবে নতুন নতুন দৃশ্য আৰু শব্দৰে ভৰপুৰ এখন সমানে ৰোমাঞ্চকৰ ঠাই হ'ব পাৰে! ডাক্তৰৰ ক্লিনিক, বাছ ৰখা ঠাই, ডাকঘৰ আৰু আৰক্ষী থানা আদিয়ে শিশুসকলক এক অচিনাকি কিন্তু আকৰ্ষণীয় পৰিৱেশৰ সৈতে পৰিচয় কৰাই দিব পাৰে, তেওঁলোকক বহুতো নতুন কথা শিকাব পাৰে।

- **শিকন প্ৰক্ৰিয়াৰ অংশ হিচাপে সৰু সৰু স্থানীয় ক্ষেত্ৰ ভ্ৰমণে শিশুসকলে শ্ৰেণীকোঠাত লাভ কৰা জ্ঞানক শক্তিশালী কৰে আৰু তেওঁলোকক অধিক প্ৰশ্ন কৰিবলৈ আৰু ইতিমধ্যে জনা কথাবোৰৰ সৈতে অধিক সংযোগ স্থাপন কৰিবলৈ উৎসাহিত কৰে। শিশুবিলাকেও এই অভিজ্ঞতাৰ জৰিয়তে নিজকে পৰিচালনা কৰিবলৈ আৰু আনৰ লগত মিলি থাকিবলৈ শিকে।**

*শিক্ষকৰ কৰ্ঠ ৪.৪.চ*

**প্ৰকৃতি পৰিভ্ৰমণৰ জৰিয়তে গণিতৰ শিক্ষা**

মই প্ৰায়ে মোৰ গোটেই শ্ৰেণীটোক ওচৰৰ উদ্যানখনলৈ “প্ৰকৃতি ভ্ৰমণ”ৰ কাৰণে লৈ যাওঁ। মই সাধাৰণতে মোৰ ল’ৰা-ছোৱালীক চকু মুদি বিভিন্ন শব্দ শুনিবলৈ কোৱাৰ পৰা আৰম্ভ কৰোঁ আৰু চাওঁ যে তেওঁলোকে সেইবোৰৰ কিহৰ শব্দ ক’ব পাৰে নেকি? ইয়াত মোৰ শিশুসকলক জড়িত কৰিব পৰা বহুতো সাম্ভাব্য উপায় আছে। উদাহৰণস্বৰূপে, আমি তেওঁলোকতকৈ ডাঙৰ পাঁচটা সামগ্ৰী বিচাৰি চাৰিওফালে যাওঁ (যেনে- গছ, দোলনা, গাড়ী, গেট, ফোৱাৰা) আৰু তেওঁলোকতকৈ সৰু পাঁচটা সামগ্ৰী (যেনে- শিলগুটি, পাত, লাঠি, পোক, পখিলা)। আমি ঘুৰি ফুৰাৰ লগে লগে, মই তেওঁলোকক বস্তুবোৰৰ নাম আৰু সেইবোৰ দেখাত কেনেকুৱা তাক মনত ৰাখিবলৈ কওঁ যাতে আমি শ্ৰেণীকোঠালৈ উভটি গ’লে কৰ্মপৃষ্ঠাত তাক লিখিব পাৰে।

মই ইয়াক এটা শ্ৰেণীকোঠাত বহি থকাৰ একঘেয়ামী ভঙ্গ কৰিবলৈ আৰু শিকনক অধিক আনন্দপূৰ্ণ কৰি তুলিবলৈ আৰু আকাৰৰ দৰে বিভিন্ন বৈশিষ্ট্যৰ ভিত্তিত চাৰিওফালৰ বস্তুবোৰ পৃথক পৃথক কৰা আৰু তুলনা কৰাৰ দৰে গুৰুত্বপূৰ্ণ ধাৰণাৰ সৈতে জড়িত কৰাৰ এক অতি উপযোগী উপায় বুলি বিবেচনা কৰোঁ।

| সামগ্ৰী যিবোৰ | |
|---|---|
| মোতকৈ সৰু | মোতকৈ ডাঙৰ |
| | |
| | |
| | |

# খণ্ড 4.5

# সাক্ষৰতা আৰু সাংখ্যিক জ্ঞান শিক্ষণ কৌশল ঃ

প্ৰথম আৰু দ্বিতীয় শ্ৰেণী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ কাৰণে গাঁথনিগত শিকনৰ এটা উল্লেখযোগ্য উপাদান বিশেষভাৱে প্ৰদান কৰা হ'ব। এইটো সুনিশ্চিত কৰাটো গুৰুত্বপূৰ্ণ যে ৩-৬ বছৰৰ শিশুৰ কাৰণে পাঠ্যক্ৰম এনেধৰণে পৰিকল্পনা কৰিব লাগে যিটো সেই বিশেষ বয়সৰ শিশুসকলৰ ক্ষমতাৰ ওপৰত আধাৰিত হয় আৰু প্ৰথম শ্ৰেণীৰ পৰা পাঠ্যক্ৰমৰ নিম্নগামী সম্প্ৰসাৰণৰ পৰিৱৰ্তে আনুষ্ঠানিক শিকনৰ দিশত আগবাঢ়ি যায়।

## 4.5.1 ভাষাৰ শিক্ষণ আৰু সাক্ষৰতা ঃ

বৰ্তমান, প্ৰাৰম্ভিক ভাষাৰ পাঠদানৰ শ্ৰেণীসমূহত মূলতঃ বৰ্ণমালা আৰু মাত্ৰা শিকোৱা, শিক্ষক বা শিশুৱে পঠন কৰা কোনো পাঠৰ সমবেত পুণৰাবৃত্তি আৰু চাই লিখা বা হাতৰ আখৰৰ অনুশীলনৰ ওপৰত গুৰুত্ব দিয়া হয়।

এই ক্ষেত্ৰত অৰ্থ উপলব্ধিমূলক কামৰ ওপৰত কম গুৰুত্ব প্ৰদান কৰা হয়। শিশুসকলক নিজকে পাঠক আৰু লেখক হিচাপে বিকাশ কৰাৰ কিছু সুযোগহে প্ৰদান কৰা হয়। প্ৰাৰম্ভিক বছৰসমূহত, ভাষা আৰু সাক্ষৰতাৰ শিক্ষণৰ জৰিয়তে, লগতে শিকাৰ কাৰণে 'নিম্ন-ক্ৰম'ৰ কৌশল (যেনে-ধ্বনিতাত্বিক সজাগতা, পাঠোদ্ধাৰ, বৰ্ণ আৰু শব্দ সঠিকভাৱে লিখা) আৰু উচ্চ ক্ৰমৰ দক্ষতা (যেনে— মৌখিক ভাষা বিকাশ, কিতাপৰ লগত জড়িত হোৱা, লেখনী ইত্যাতি) অঙ্কণ আৰু মৌলিকৰ লগতে শিশুসকলে পাঠক আৰু লেখকৰ ৰূপত নিজকে বিচাৰ কৰাৰ পৰ্যাপ্ত সুবিধা লাভ কৰিব লাগে, যিবোৰ অৰ্থ অভিমূখী।

### 4.5.1.1 উদীয়মান সাক্ষৰতা ঃ

শিশুসকলে প্ৰথাগত বা সাৱলীল পঠন আৰু লিখন দক্ষতা লাভ কৰাৰ পূৰ্বে পঠন আৰু লিখনৰ ক্ষেত্ৰত লাভ কৰা দক্ষতা, জ্ঞান আৰু আচৰণসমূহক উদীয়মান সাক্ষৰতা বুলি বাখ্যা কৰা হয়। ছপা মাধ্যমে লগত পৰ্যাপ্ত পৰিচিতি আৰু পঢ়া-শুনাৰ সুযোগে শিশুসকলক অতি কম বয়সৰ পৰাই আৰু প্ৰথাগতভাৱে (বৰ্ণ আৰু শব্দ ব্যৱহাৰ কৰি) পাঠোদ্ধাৰ আৰু লিখিব পৰা হোৱাৰ বহু আগতেই পঢ়া-শুনা কৰিবলৈ সুযোগ প্ৰদান কৰে। গতিকে উদীয়মান সাক্ষৰতাৰ পৰ্যায়টো কণ কণ ল'ৰা-ছোৱালীৰ বাবে পঢ়িবলৈ আৰু লিখিবলৈ শিকা প্ৰক্ৰিয়াটোৰ এক গুৰুত্বপূৰ্ণ অংশ। উদীয়মান সাক্ষৰতাত উদীয়মান পঠন আৰু লিখন উভয়কে অন্তৰ্ভুক্ত কৰা হৈছে।




ক. **উদীয়মান পঠন দক্ষতাত** ছপা সামগ্ৰীৰ প্ৰতি সচেতনতা আৰু ছপা সামগ্ৰীৰ ধাৰণা সমূহ শিকা, পঠনৰ অভিনয় কৰা আৰু শব্দক ছবি হিচাপে পঢ়া (ল'গ'গ্ৰাফিক পঠন) আদি অন্তৰ্ভুক্ত। ছপাৰ বিষয়ে ধাৰণা হৈছে ছপাই কেনেকৈ কাম কৰেঃ ছপা বস্তুৱে যে অৰ্থ প্ৰকাশ কৰে, ইয়াক যে বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰা হয়, লিখিত পাঠ আৰু কিতাপৰ যে বেলেগ বেলেগ বৈশিষ্ট্, ৰূপ আৰু নীতি-নিয়ম থাকে সেই বিষয়ে সজাগতা লাভ কৰা।

খ. **উদীয়মান লিখন দক্ষতা**ৰ ভিতৰত কোনো এটা বিষয় বা বস্তুক প্ৰতিনিধিত্ব কৰিবলৈ কৰা অঙ্কণ আৰু অৰ্থহীন আঁক-বাক অন্তৰ্ভুক্ত। শিশুসকলে তেওঁলোকে কি লিখিছে সেই বিষয়ে লিখন আৰু কথনৰ ৰূপত নিজকে প্ৰকাশ কৰে। কণ কণ ল'ৰা-ছোৱালীৰ লিখা বস্তুবোৰ তেওঁলোকৰ কথা-বতৰা, অভিজ্ঞতা, অঙ্কণ আৰু পঠন অভিনয়ৰ সৈতে জড়িত। পৰৱৰ্তী কালত, শিশুৱেও শব্দ আৰু চিহ্নৰ মাজৰ সম্পৰ্ক বুজি প্ৰথাগত বানান আৰু লিখাৰ দিশত অগ্ৰসৰ হোৱাৰ আগতে আখৰৰ দৰে আকৃতি ব্যৱহাৰ কৰে আৰু নিজা বানান ৰীতি উদ্ভাৱন কৰে (যেনে- মেকুৰীৰ বাবে মিউ, বিন্দুৰ কাৰণে বিদু)।

শিশুসকলে ঘৰত বা বাহিৰত (যেনে— লেবেল চিনাক্ত কৰি, তেওঁলোকক পঢ়ি শুনোৱা কিতাপৰ কাহিনী শুনি, মানুহে লিখা বা অঙ্কণ কৰা দেখি) ছপাৰ সংস্পৰ্শৰ জৰিয়তে উদীয়মান পঠন আৰু লিখন দক্ষতা আঁহৰণ কৰে। বহু শিশুৱে ছপা সামগ্ৰীৰ সৈতে পৰিচিত নহ'ব পাৰে আৰু ছপাৰ সৈতে কম সচেতনতাৰে বিদ্যালয়ত যোগদান কৰে। বিদ্যালয়ত ছপা সমৃদ্ধ পৰিৱেশ তথা কিতাপৰ সৈতে জড়িত কৰাই তেওঁলোকক ছপা সামগ্ৰী সম্বন্ধে বোধ দিয়াৰ প্ৰয়োজন। শিশুসকলক বৰ্ণমালা পঢ়িবলৈ-লিখিবলৈ শিকোৱাৰ আগতে তেওঁলোকে সাক্ষৰতা কিয় উপযোগী সেই কথা বুজাৰ সুযোগ দিব লাগিব।

## 4.5.1.2 উদীয়মান সাক্ষৰতাক সাহাৰ্য কৰা কৌশলসমূহ ঃ

উদীয়মান সাক্ষৰতাক সমৰ্থন কৰা কিছুমান কৌশল আছে। যেনে—

ক. শিশুসকলক কিতাপ আৰু 'পঢ়াৰ অভিনয়' (চোৱা আৰু কোৱা)ৰ সৈতে জড়িত হোৱাৰ বাবে আৰু সচিত্ৰ গল্পপুথি যিবোৰ তেওঁলোকে শিক্ষকে ডাঙৰকৈ পঢ়া শুনিছে তাৰ লগত জড়িত হ'বলৈ উৎসাহিত কৰা।

খ. শিশুসকলক মজিয়াত, তেওঁলোকৰ ফলি বা বহীত আঁকিবলৈ আৰু লিখিবলৈ উৎসাহিত কৰা যাতে তেওঁলোকে নিজকে প্ৰকাশ কৰিব পাৰে (যেনে— গল্প কোৱা শ্ৰেণীৰ পিছত)।

গ. শিশুৰ চুকি পোৱাতে শ্ৰেণীকোঠাত ৰখা বা প্ৰদৰ্শিত কৰি ৰখা ছপা সম্পদসমূহৰ (যেনে- ডাঙৰ কিতাপ, ছবিৰ কিতাপ, গল্পৰ পোষ্টাৰ, শিশু আলোচনী) ব্যৱহাৰৰ জৰিয়তে শ্ৰেণীকোঠাত এক ছপা সমৃদ্ধ পৰিৱেশৰ সৃষ্টি কৰা।

ঘ. শ্ৰেণীকোঠাত 'পঠন কোণ' আৰু 'লিখন কোণ' স্থাপন কৰা।

## 4.5.1.3 প্ৰাৰম্ভিক ভাষা আৰু সাক্ষৰতাৰ উপাদানসমূহ ঃ

প্ৰাৰম্ভিক বছৰবোৰত প্ৰাৰম্ভিক ভাষা আৰু সাক্ষৰতাৰ বিকাশৰ কাৰণে দক্ষতা, জ্ঞান আৰু আচৰণৰ বিস্তৃত পৰিসৰ গঢ়ি তোলাৰ প্ৰয়োজন। দক্ষ পঠন আৰু লিখনৰ বাবে শিশুৱে কথিত শব্দৰ মাজত বিভিন্ন ধ্বনিৰ পাৰ্থক্য জনাটো প্ৰয়োজন, বৰ্ণ আৰু শব্দ সম্পৰ্ক চিহ্নিত কৰাটো প্ৰয়োজন, ধ্বনিৰ সংমিশ্ৰণেৰে শব্দ সৃষ্টি কৰা, শব্দ ভাণ্ডাৰৰ বিকাশ সাধন কৰা, লিখা কথা ব্যাখ্যা কৰা আৰু পঢ়াৰ সাৱলীলতা গঢ়ি তোলাৰ প্ৰয়োজন। ইয়াৰ বাবে বোধ, শব্দসম্ভাৰ, সাৱলীলতা, শব্দ চিনাক্তকৰণ, বৰ্ণমালাৰ জ্ঞান আৰু ধ্বনিতাত্ত্বিক সচেতনতা গঢ়ি তোলা বিভিন্ন প্ৰক্ৰিয়া সমূহ সাক্ষৰতা শিক্ষণৰ অন্তৰ্ভুক্ত হোৱা উচিত।

প্ৰাথমিক ভাষা আৰু সাক্ষৰতা উপাদানসমূহৰ ভিতৰত—

ক. **উদীয়মান সাক্ষৰতা দক্ষতা ঃ** ছপা সামগ্ৰীৰ প্ৰতি সচেতনতাৰ বিকাশ, পঠনৰ অভিনয়(ছবিৰ পঠন), ল'গ'গ্ৰাফীক পঠন (চিত্ৰ হিচাপে শব্দৰ পঠন), কোনো বিষয়ক প্ৰকাশ আৰু প্ৰতিনিধিত্ব কৰিবলৈ আঁক-বাক আৰু লিখাৰ বিষয়ে সজাগতাৰ বিকাশ সাধন ইত্যাদি দিশ সমূহৰ ইয়াৰ অন্তৰ্ভুক্তঃ

i. ছপা শব্দ যে কথিত ভাষাৰ শব্দসমূহৰ বাবে প্ৰতীক এই কথা জ্ঞাত হোৱা। ই মৌখিক আৰু লিখিত ভাষাৰ মাজৰ আন্তঃসংযোগ বুজাত সহায় কৰে।

ii. ছপা সামগ্ৰীৰ কাৰ্য্য আৰু বিভিন্ন প্ৰকাৰ উদাহৰণস্বৰূপে- গল্পপুথিত, জাননীত আৰু বিজ্ঞাপনত, পোষ্টাৰসমূহ, চিঠি লিখা আৰু পিছৰ চিন্তাৰ লগত আদান-প্ৰদান কৰা।

iii. লিখন শৈলীৰ বেছিভাগেই বাওঁফালৰ পৰা সোঁফাললৈ অভিমুখী বুলি জনা (যেনে, উৰ্দুৰ বাহিৰে), এটা শব্দৰ আগত, আৰু তাৰ পিছত এটা স্থান থাকে; ছপা সামগ্ৰীৰ লিখনিত আখৰ, শব্দ আৰু বাক্য থাকে; বিৰাম চিহ্ন সম্পৰ্কে জনা আৰু শব্দবোৰ কেনেকৈ দৈৰ্ঘ্যৰ দিশৰ পৰা পৃথক হয় সেই বিষয়ে জনা।

iv. কিতাপৰ আৰু কিতাপ এখন ব্যৱহাৰ কৰাৰ পদ্ধতি সম্পৰ্কে সজাগতা।

খ. **মৌখিক ভাষাৰ বিকাশঃ** উন্নত শ্ৰৱণ বোধ, মৌখিক শব্দসম্ভাৰৰ বিকাশ, সমনীয়া আৰু আনলৈকে (যেনে- অগ্ৰজ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক)ৰ সৈতে কথা-বতৰা আৰু বাৰ্তালাপৰ শিকন ইত্যাদি অন্তৰ্ভুক্ত।

গ. **ধ্বনিতাত্ত্বিক সচেতনতাঃ** ধ্বনিতাত্ত্বিক সচেতনতা হৈছে ভাষাৰ ধ্বনিসমূহৰ গঠন সম্পৰ্কে বোধগম্যতা। উদাহৰণস্বৰূপে; বাক্য- যিবোৰ শব্দ, অক্ষৰ আৰু ধ্বনিৰ সৰু এককেৰে গঠিত। এই জ্ঞান প্ৰথমে মৌখিকভাৱে বিকাশ কৰা হয়। শিকণ পাঠোদ্ধাৰৰ কাৰণে ধ্বনিতাত্ত্বিক সচেতনতা আৰু ছপা সামগ্ৰীৰ ধাৰণা লাভ দুটা অতি গুৰুত্বপূৰ্ণ মৌলিক দক্ষতা।

ঘ. **পাঠোদ্ধাৰঃ** চিহ্ন আৰু ইয়াৰ সংশ্লিষ্ট শব্দৰ মাজৰ সম্পৰ্ক বুজি পোৱাৰ ভিত্তিত লিখা শব্দবোৰৰ অৰ্থোদ্ধাৰ কৰা হয়। ই হৈছে একক বৰ্ণসমূহ আৰু বৰ্ণ সংমিশ্ৰণ (অক্ষৰৰ সৈতে)ৰ সৈতে শব্দ সম্পৰ্কিত আৰু গোটেই শব্দটো সম্পূৰ্ণৰূপে উচ্চাৰণ (পঢ়িবলৈ) কৰি ধ্বনিসমূহক একেলগে মিহলাই সম্বন্ধিত কৰা আৰু অৰ্থ চিনাক্ত কৰাৰ ক্ষমতা (যদি শব্দটো জনা যায়)

ঙ. **বুজাবুজিৰে পঢ়া ঃ** লিখিত পাঠ্যৰ পৰা অৰ্থ নিৰ্ণয় কৰা আৰু এই বিষয়ে সূক্ষ্মভাৱে চিন্তা কৰা।

চ. **সাৱলীল পঠন ঃ** প্ৰকাশভঙ্গীৰ সৈতে শব্দৰ সঠিক, স্বয়ংক্ৰিয় চিনাক্তকৰণ আৰু পঠন।

ছ. **লিখন ঃ** শব্দ বা তথ্যক যুক্তিযুক্ত আৰু সংগঠিতভাৱে উপস্থাপন কৰাৰ লগতে শব্দবোৰ শুদ্ধকৈ লিখাৰ ক্ষমতা।

জ. **পঠনৰ আকাংক্ষা বা অভ্যাস গঢ়ি তোলা ঃ** বিভিন্ন ধৰণৰ কিতাপ আৰু অন্যান্য পঠন সামগ্ৰীৰ সৈতে জড়িত হোৱা আৰু সাহিত্যৰ প্ৰতি আগ্ৰহ গঢ়ি তোলা।

## 4.5.1.4 সমতাপূৰ্ণ সাক্ষৰতাৰ দৃষ্টিভঙ্গী ঃ

গৱেষণাৰ পৰা দেখা গৈছে যে ভাষা আৰু সাক্ষৰতাৰ ক্ষেত্ৰত ওপৰৰ উপাদানসমূহ বিকাশ কৰিবলৈ সমতাপূৰ্ণ সাক্ষৰতা পদ্ধতি নামেৰে জনাজাত এক ব্যাপক আৰু পদ্ধতিগত দৃষ্টিভঙ্গীৰ প্ৰয়োজন। সমতাপূৰ্ণ পদ্ধতিয়ে শব্দৰ চিনাক্তকৰণ দক্ষতা বিকাশৰ লগতে অৰ্থ নিৰ্মাণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। সম্পূৰ্ণ ভাষা (বাক্য) ব্যৱহাৰৰ সৈতে ই পাঠোদ্ধাৰকো সমতাপূৰ্ণ কৰে লগতে মৌখিক ভাষা আৰু পঠন আৰু লিখনৰ মাজৰ ভাৰসাম্যও ৰক্ষা কৰে।

প্ৰথম বছৰবোৰত, ভাষা আৰু সাক্ষৰতাৰ শিক্ষণে শিশুৰ দুটা বহল ক্ষেত্ৰৰ লগত জড়িত দক্ষতা আঁহৰণৰ ওপৰত গুৰুত্ব দিব লাগে।

ক. **শব্দ চিনাক্তকৰণ আৰু শব্দ লিখাত সঠিকতা (নিম্ন ক্ৰমৰ দক্ষতা) ঃ** ইয়াৰ ভিতৰত ছপা কামৰ প্ৰতি সজাগতা আৰু ধ্বনিতাত্ত্বিক দক্ষতা, (পাঠোদ্ধাৰ শিকোৱাৰ আগতে মৌলিক দক্ষতা হিচাপে গণ্য কৰা) পাঠোদ্ধাৰ আৰু বৰ্ণ আৰু শব্দ সঠিকভাৱে লিখা আদি অন্তৰ্ভুক্ত।

খ. **ভাষাগত বোধগম্যতা আৰু প্ৰকাশ (উচ্চ ক্ৰমৰ দক্ষতা) ঃ** মৌখিক ভাষাৰ বিকাশ, শব্দ ভাণ্ডাৰৰ বিকাশ, বোধগম্যতাৰে সৈতে পঠন (পঢ়াৰ প্ৰতি সক্ৰিয় সঁহাৰিকে ধৰি) আৰু মৌলিক লিখন বা ৰচনা।

মৌখিক খেলা, ধ্বনিতাত্ত্বিক সজাগতামূলক ক্ৰিয়া-কলাপ, আখৰ চিনাক্তকৰণৰ কাৰণে স্পষ্ট নিৰ্দেশনা, পাঠোদ্ধাৰ আৰু শব্দযুক্ত কাম, স্থুল পেশী সঞ্চালনৰ ক্ৰিয়াকলাপ, উচ্চস্বৰে কৰা পঠন, ভাগ-বিতাৰিত পঠন, নিৰ্দেশিত পঠন, স্বতন্ত্ৰ পঠন, আৰ্হিমূলক লিখন, নিৰ্দেশিত লিখন আৰু স্বতন্ত্ৰ লিখন আদি বিভিন্ন কাৰ্যকলাপৰ ব্যৱহাৰৰ জৰিয়তে এই নিম্নস্তৰৰ আৰু উচ্চস্তৰৰ দক্ষতাসমূহৰ মাজত ভাৰসাম্য ৰক্ষাৰ ব্যৱস্থা কৰিব পাৰি।

ক. **মৌখিক ভাষাৰ বিকাশ ঃ** ইয়াৰ বাবে প্ৰয়োজনীয় কৌশলসমূহৰ ভিতৰত গল্প কোৱা আৰু আলোচনা কৰা, ছবি আৰু বিষয়বস্তুৰ ওপৰত কথপোকথন, শিশুসকলে মুক্তভাৱে আৰু নিৰ্দেশিত কথপোকথনৰ জৰিয়তে কথা পাতি নিজৰ আৰু অভিজ্ঞতাসমূহৰ আদান-প্ৰদান কৰাৰ সুযোগ, ভূমিকা ৰূপায়ণৰ কাৰ্যকলাপ আদি অন্তৰ্ভুক্ত কৰিব পাৰি।

খ. **নিৰ্দেশনাৰ পাঠোদ্ধাৰ আৰু শব্দৰ সমাধান ঃ** ধ্বনি-বৰ্ণৰ মাজৰ সম্পৰ্ক স্থাপন কৰিবলৈ ই স্পষ্ট নিৰ্দেশনা প্ৰেৰণ কৰে। নিৰ্দেশনাৰ পাঠোদ্ধাৰ ধ্বনিতাত্ত্বিক সচেতনতাৰ কাৰ্যকলাপ অনুসৰণ কৰিব লাগে য'ত শব্দৰ মাজৰ ধ্বনিৰ প্ৰতি মনোযোগ দিয়া প্ৰয়োজন (আৰম্ভণি, মধ্য আৰু অন্তিম ধ্বনি)। বৰ্ণ আৰু শব্দ একেলগে পৰিচিত কৰিব লাগে যাতে ভাষা আৰু সাক্ষৰতাৰ শিক্ষাত অৰ্থ গঠন এক কেন্দ্ৰীয় বিষয় হৈ থাকে (যিহেতু শব্দ অৰ্থৰ মৌলিক একক)।

ভাৰতীয় লিপিত অসংখ্য আখৰ আছে আৰু সেয়েহে আখৰৰ গোটসমূহক সযতনে বাচনি আৰু ক্ৰমবদ্ধ কৰাটো প্ৰয়োজন যাতে শিশুসকলে শেহতীয়াকৈ আঁহৰণ কৰা আখৰৰ জ্ঞানেৰে অৰ্থপূৰ্ণ শব্দ সৃষ্টি কৰিব পাৰে। শব্দ আৰু আখৰৰ বিভাজন আৰু মিশ্ৰণৰ সৈতে শব্দোদ্ধাৰ আৰু বানানৰ বাবে স্পষ্ট নিৰ্দেশনা দিয়াটো প্ৰয়োজন। ইংৰাজীৰ ক্ষেত্ৰত বৰ্ণবিজ্ঞানৰ নিৰ্দেশনাৰ অৰ্থ হ'ব বৰ্ণমালাৰ ক্ৰমিক পৰিচয়ৰ পৰিৱৰ্তে ইংৰাজীত শব্দসমূহক প্ৰতিনিধিত্ব কৰা নিৰ্দিষ্ট বৰ্ণৰ সংমিশ্ৰণৰ প্ৰতি মনোযোগ দিয়া।

গ. **পঢ়াৰ কৌশল ঃ**

i. **উচ্চস্বৰে কৰা পঠনঃ** শিক্ষকে শিশুসকলৰ কাৰণে শিশু সাহিত্যৰ পৰা(পাঠ্যপুথি নহয়) ভালদৰে নিৰ্বাচিত পাঠ ডাঙৰকৈ পাঠ কৰে। ইয়াৰ উদ্দেশ্য শিশুসকলে শিক্ষকসকলৰ লগে লগে পাঠ পুনৰাবৃত্তি কৰা নহয় বৰঞ্চ তেওঁলোকৰ ভাষাৰ ক্ষমতা আৰু শব্দ ভাণ্ডাৰৰ বিকাশ কৰা। ডাঙৰকৈ কৰা পঠন হৈছে শিশুসকলক উৎকৃষ্ট সাহিত্য সম্ভাৰ, শব্দভাণ্ডাৰ আৰু ভাষাৰ ব্যৱহাৰ আৰু অৰ্থ গঠনৰ সৈতে পৰিচয় কৰি দিয়াৰ এক মূল্যৱান সুযোগ। আলোচনা আৰু বাৰ্তালাপ এই কাৰ্যৰ এক অপৰিহাৰ্য অংশ, য'ত শিশুসকলে তেওঁলোকৰ বাবে পঢ়া নিৰ্ধাৰিত পাঠৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ পৰে।

ii. **ভাগ-বিতৰণ বা অংশীদাৰীত্বমূলক পঠন ঃ** শিক্ষকসকলে দূৰৰ পৰা দেখা পোৱা বৃহৎ আখৰৰ ছপা পাঠ্য সামগ্ৰী বাচি লয় আৰু শিশুসকলক সেইবোৰ পঢ়িবলৈ উৎসাহিত কৰে। শিশুসকলে ডাঙৰকৈ পঢ়া আৰু ভাগ-বিতৰণৰ জৰিয়তে কাহিনী এটা পঠনৰ সৈতে জড়িত হোৱাৰ লগে লগে তেওঁলোকৰ গঠন স্তৰ উন্নত হয় আৰু তেওঁলোকৰ পঢ়াৰ সক্ষমতাৰ ওপৰত আত্মবিশ্বাসৰ সৃষ্টি হয়।

iii. **নির্দেশিত পঠন ঃ** নির্দেশিত পঠনত পঠনৰ দায়িত্ব শিক্ষকৰ পৰা শিশুলৈ স্থানান্তৰিত কৰা হয়। এইটো ভাগ-বিতৰণ বা অংশীদাৰীত্বমূলক পঠনৰ জৰিয়তে কৰা পঠনৰ পৰা বেলেগ য'ত শিক্ষকে পঢ়াত আগভাগ লয় আৰু শিশুৱে মাজে মাজে অৰিহণা আগবঢ়ায়। এই ক্ষেত্ৰত, ল'ৰা-ছোৱালীবিলাকে পঢ়ে য'ত্ শিক্ষকে প্ৰয়োজন অনুসৰি সহায় কৰে। এই প্ৰক্ৰিয়াত, শিক্ষকে ডাঙৰকৈ পঢ়া আৰু অংশীদাৰীত্বমূলক পঠনৰ লগত জড়িত কৌশলসমূহ শক্তিশালী কৰা হয় আৰু অনুশীলন কৰা হয়।

iv. **স্বতন্ত্ৰ পঠন ঃ** শিশুসকলক স্বতন্ত্ৰভাৱে নতুবা সংগীৰ সৈতে পঢ়াৰ সুযোগ দিব লাগিব। স্বতন্ত্ৰভাৱে পঢ়াৰ সময়ত তেওঁলোকে নিৰৱে পঢ়াৰ অভ্যাস গঢ়ি তোলে, পঢ়াৰ কাৰ্যক গুৰুত্ব দিবলৈ আৰম্ভ কৰে আৰু এখন কিতাপৰ বিষয়ে চিন্তা কৰিবলৈ আৰু পঢ়াৰ আনন্দ অনুভৱ কৰে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে শিশুৱে স্বতন্ত্ৰভাৱে বা সংগীৰ সৈতে পঢ়িব বিচৰা কিতাপখন বাচি লোৱাৰ স্বাধীনতা থাকিব লাগে।

**ঘ. লিখাৰ কৌশল ঃ**

i **আৰ্হিমূলক লিখন ঃ** শিক্ষকসকলে লিখিবলৈ শিকি থকা কণ কণ ল'ৰা-ছোৱালীৰ বাবে লিখন প্ৰক্ৰিয়াৰ আৰ্হি প্ৰস্তুত কৰিব লাগিব। যদি আমি ভাষা শিক্ষাৰ কেন্দ্ৰবিন্দুত অৰ্থ ৰাখিব বিচাৰোঁ তেন্তে চাই চাই লিখা শিশুৰ বাবে বৰ অৰ্থপূৰ্ণ কাম নহয়, যদিও ই লেখনৰ সাৱলীলতা গঢ়ি তোলাত সহায় কৰে। শিক্ষকসকলে লিখা প্ৰক্ৰিয়াৰ আৰ্হি দেখুৱাই কণ কণ ল'ৰা-ছোৱালীক কথা কোৱাৰ লগতে লিখনক এক প্ৰকাশভঙ্গীমূলক কাৰ্যকলাপ হিচাপে চাবলৈ আৰম্ভ কৰিবলৈ উৎসাহিত কৰে।

ii. **ভাগ বিতৰণৰ জৰিয়তে লিখন ঃ** ভাগ-বিতৰণ পঠনৰ দৰেই ভাগ-বিতৰণমূলক লিখনো অধিক সহযোগিতামূলক প্ৰক্ৰিয়া য'ত শিক্ষকে শিশুসকলক লিখাত সহায় কৰে। উদাহৰণস্বৰূপেঃ তেওঁলোকে ব'ৰ্ডত "মই ব্ৰেকফাষ্টত— খালো" বাক্য এটা আৰম্ভ কৰি এটা শিশুক মাতি আনি সম্পূৰ্ণ কৰিবলৈ ক'ব পাৰে। এইদৰে কথা-বতৰা, কথোপকথন আৰু লিখা মেলা একেলগে চলি থাকে আৰু শিক্ষকে শিশুসকলক লিখন প্ৰক্ৰিয়াত অবিৰতভাৱে আৰ্হি প্ৰদান কৰে, প্ৰেৰণা দিয়ে আৰু পথ প্ৰদৰ্শন কৰে।

iii. **নিৰ্দেশিত লিখন ঃ** শিশুসকলৰ জৰিয়তে মুক্ত লিখন বাঞ্চনীয় হ'লেও কেৱল কণ কণ ল'ৰা-ছোৱালীবিলাকক লিখাৰ কাৰ্য দিলেই শিশুৱে স্বয়ংভাৱে ইয়াক আয়ত্ব নকৰে। যেতিয়া শিক্ষকে সঘনাই প্ৰতিপুষ্টি, পৰামৰ্শ প্ৰদান কৰে আৰু লিখন প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ প্ৰেৰণা দিয়ে তেতিয়া অংশীদাৰীত্বমূলক লেখনৰ পৰা দায়িত্ব আংশিকভাৱে শিশুলৈ স্থানান্তৰিত হয়। উদ্দেশ্যপ্ৰণোদিত, কাৰ্যকৰী আৰু কল্পনাপ্ৰসূত উপাদানসমূহৰ সংমিশ্ৰণত লিখাৰ বাবে উপযুক্ত কাৰ্যাৱলী নিৰ্দ্ধাৰণ কৰিলে কণ কণ ল'ৰা-ছোৱালীসকলৰ লিখাৰ আগ্ৰহ অব্যাহত থাকিব। নিৰ্দেশিত লেখাত সমনীয়াৰ লিখা আৰু শিক্ষকৰ সাহাৰ্যত লিখাৰ একাধিক খচৰা অৰ্ন্তভুক্ত হ'ব পাৰে।

iv. **স্বতন্ত্ৰ লিখন ঃ** শিশুসকলক নিজাববীয়াকৈ লিখিবলৈ সময় দিব লাগে। তেওঁলোকক গল্প, কবিতা, বাৰ্তা, নিৰ্দেশনা, ইত্যাদি লিখিবলৈ উৎসাহিত কৰিলে তেওঁলোকৰ সৃষ্টিসীলতা আৰু কল্পনা শক্তি ব্যৱহাৰ কৰাৰ লগতে সাক্ষৰতাৰ কাৰ্যকৰী দিশসমূহৰ লগতো জড়িত হোৱাৰ সুযোগ পোৱা যায়।

বুনিয়াদী পৰ্যায়ত সমতাপূৰ্ণ ভাষা আৰু সাক্ষৰতা পাঠদানৰ আন এটা দিশ হ'ল মৌখিক ভাষাৰ বিকাশ, পাঠোদ্ধাৰ সম্পৰ্কীয় কাম, একেলগে আৰু দৈনিক কৰা পঠন আৰু শ্ৰৱণৰ কাম-কাজ। নিৰ্দেশনামূলক সময়ৰ চাৰিটা খণ্ড হিচাপে এইবোৰৰ ব্যৱহাৰ কৰাৰ এটা পদ্ধতি তলত উপস্থাপন কৰা হৈছে।

## 4.5.1.5 সাক্ষৰতা নিৰ্দেশনাৰ বাবে চাৰিটা খণ্ডৰ পদ্ধতি ঃ

ভাষা আৰু সাক্ষৰতা নিৰ্দেশনাৰ চাৰিটা প্ৰধান উপাদান আছে— মৌখিক ভাষা, শব্দ চিনাক্তকৰণ, পঠন আৰু লিখন। চাৰিটা খণ্ডৰ বাবে কাৰ্যকলাপসমূহ সংহতভাৱে ৰূপায়ণ হ'ব পাৰে যদিও শিশুসকলে নিয়মীয়াকৈ প্ৰতিটো খণ্ডৰ কামত সময় নিৰ্ধাৰিত দিয়াটো গুৰুত্বপূৰ্ণ।

শিশুৱে পাঠোদ্ধাৰ শিকি থকাৰ সময়তে তেওঁলোকক কাহিনী পুথিৰ সৈতে জড়িত কৰি ৰাখিব লাগে, উদাহৰণস্বৰূপে- কাহিনী পুথিৰ আন্তঃক্ৰিয়াযুক্ত পঠন আৰু শ্ৰৱণৰ প্ৰতি সঁহাৰি জনাব লাগে আৰু তেওঁলোকৰ আগত পঢ়া পাঠ্যৰ সঁহাৰিস্বৰূপে লিখিব বা আঁকিব লাগে। লগতে বৰ্ণ আৰু স্বৰবৰ্ণ আৰু আখৰৰ শিকণক সংগঠিত কৰিব পাৰি যাতে শিশুসকলে সকলো বৰ্ণ আৰু মাত্ৰা একেলগে শিকালৈ অপেক্ষা কৰাৰ পৰিবৰ্তে দুই এটা চিহ্ন শিকাৰ পিছতে সোনকালে সৰল শব্দ আৰু অৰ্থপূৰ্ণ বাক্য পঢ়িবলৈ আৰু লিখিবলৈ আৰম্ভ কৰিব পাৰে। চাৰিটা-খণ্ড আৰ্হিৰ অন্তৰ্ভুক্ত কৰা দিশসমূহ হৈছে—

**মৌখিক ভাষাৰ বিকাশ**

- *ছবিৰ জৰিয়তে কথোপকথন*
- *অভিজ্ঞতাৰ বিনিময়*
- *কাহিনীকথন*
- *নাটক আৰু চৰিত্ৰাভিনয়*

**পাঠোদ্ধাৰ**

- ধ্বনিগত কাৰ্যাৱলীৰ ক্ৰিয়া-কলাপ
- আখৰ নিৰূপণ
- শব্দ আৰু আখৰৰ সামঞ্জস্য
- দক্ষতা-কেন্দ্ৰীক লিখন (আখৰ আৰু শব্দৰ)
- আখৰ আৰু শব্দৰ পঠন

**পঠন**

- ডাঙৰকৈ পঢ়া
- ভাগ-বিতাৰিত পঠন
- নিৰ্দেশিত পঠন
- স্বাধীন পঠন

**লিখন**

- আৰ্হিমূলক লিখন
- ভাগ-বিতাৰিত লিখন
- নিৰ্দেশিত লিখন
- স্বাধীন লিখন

*চিত্ৰ ৪.৫.ক চাৰিটা খণ্ডৰ পদ্ধতি - ভাষা*

প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ শেষৰ ফালে শব্দ চিনাক্তকৰণৰ মৌলিক দক্ষতা আহৰণ নকৰা শিশুসকলক অতিৰিক্ত সহায়ৰ বাবে সময় দিয়াৰ প্ৰয়োজন হ'ব। এনে শিশুৰ প্ৰয়োজনীয়তাসমূহ পূৰণৰ বাবে পাঠদানৰ **এক পৃথক দৃষ্টিভঙ্গী** (অনুগ্ৰহ কৰি এই অধ্যায়ৰ অংশ ৪.২ চাওক) চাৰিওটা খণ্ডৰ কাৰ্যকলাপৰ অংশ হ'ব লাগে।

## 4.5.1.6 অনভ্যস্ত ভাষা এটা শিকোৱাৰ কিছুমান কৌশল ঃ

শিক্ষকে তেওঁলোকৰ শ্ৰেণীকোঠাত এনে শিশুৰ সন্মুখীন হ'ব পাৰে যিসকল শ্ৰেণীত শিকোৱা ভাষাটোৰ সৈতে পৰিচিত নহয়। অনভ্যস্ত ভাষা শিকোৱাৰ শিক্ষাশৈলীক সম্পূৰ্ণ দৈহিক সঁহাৰিমূলক (টিপিআৰ) কাৰ্যকলাপ, বৰ্দ্ধিত মৌখিক আৰু আদান-প্ৰদানমূলক কাম, শব্দভাণ্ডাৰৰ বিকাশ, নিৰ্দেশৰ ৰূপত ব্যৱহৃত সৰল বাক্যাংশ আৰু বাক্য, বাৰ্তালাপ আৰু কাহিনীৰ জৰিয়তে ভালদৰে অনুধাবন কৰাৰ প্ৰয়োজন।

অনভ্যস্ত ভাষা এটা শিকোৱাৰ কেইটামান কৌশল তলত দিয়া হ'ল—

ক. প্ৰথম অৱস্থাত বহুতো আনন্দদায়ক আৰু পাৰস্পৰিক কাৰ্যকলাপৰ সৈতে মৌখিক ভাষাৰ বিকাশক প্ৰসাৰ কৰা- যেনে- টিপিআৰ (যেনে— শাৰীৰিকভাৱে প্ৰদৰ্শিত কাৰ্যপ্ৰধান শব্দ, জঁাপ শব্দটো কোৱাৰ সময়ত জঁপিয়াই দিয়া) বৰ্দ্ধিত মৌখিক আৰু যোগাযোগমূলক কাম, শব্দভাণ্ডাৰৰ বিকাশ, নিৰ্দেশ হিচাপে ব্যৱহৃত সৰল বাক্য (যেনে-দুৱাৰখন বন্ধ কৰা, বাহিৰলৈ চোৱা) আৰু কথোপকথন আৰু কাহিনী।

খ. অনভ্যস্ত ভাষাটোত বোধগম্য নিৱেশ/ইনপুট প্ৰদান কৰা। ইয়াত শিশুৰ বোধগম্যতাৰ পৰিসৰৰ ভিতৰত ভাষাটোৰ শ্ৰৱণ আৰু ইয়াৰ পঠনৰ ৰূপত বহুতো সুযোগ প্ৰদান কৰাটো অন্তৰ্ভুক্ত কৰা হৈছে, যাক 'বোধগম্য নিৱেশ বা ইনপুট' বুলিও কোৱা হয়। শিক্ষকে ব্যৱহাৰ কৰা ভাষাটো সৰল আৰু শৰীৰৰ অঙ্গী-ভঙ্গী, চিত্ৰ, কাৰ্য আৰু শিশুৰ ঘৰুৱা ভাষাৰ শব্দ ব্যৱহাৰৰ দ্বাৰা সমৰ্থিত হ'ব লাগে। অধিক বোধগম্যতাৰ কাৰণে শিশুসকলে সহজে সম্পৰ্ক স্থাপন কৰিব পৰা চিনাকি প্ৰসংগ ব্যৱহাৰ কৰিব পৰাটো গুৰুত্বপূৰ্ণ।

গ. অৰ্থপূৰ্ণ আৰু উদ্দেশ্যপ্ৰণোদিত প্ৰসংগ গঢ়ি তোলা। ইয়াৰ অৰ্থ হ'ল শিশুসকলক ভাষাৰ বিশুদ্ধতা আৰু শুদ্ধতাত আৱদ্ধ কৰি ৰখাৰ পৰিৱৰ্তে ফলপ্ৰসূ যোগাযোগৰ বাবে ব্যৱহাৰ কৰি অনভ্যস্ত ভাষা এটা আঁহৰণ কৰিবলৈ উৎসাহিত কৰিব লাগে। ই শিশুসকলৰ এটা অনভ্যস্ত ভাষাত মৌখিক প্ৰকাশভঙ্গীৰ বিকাশ কৰিব।

ঘ. অনভ্যস্ত ভাষাৰ পৰ্যাপ্ত প্ৰয়োগৰ সুযোগ প্ৰদান কৰা। এইক্ষেত্ৰত শ্ৰৱণ, যোগাযোগৰ বাবে ভাষাৰ ব্যৱহাৰ কৰি আৰু প্ৰচুৰ পৰিমানে ছপা সামগ্ৰী ব্যৱহাৰ কৰিব পৰা যায়।

ঙ. মানসিক চাপমুক্ত আৰু নিৰাপদ পৰিৱেশ সৃষ্টি কৰক। অনভ্যস্ত ভাষা এটাৰ ক্ষেত্ৰত আগতীয়া ব্যুৎপত্তি বা কথন আৰু শিকনৰ আনুষ্ঠানিক মূল্যায়নৰ ওপৰত কোনো ধৰণৰ হেঁচা থাকিব নালাগে। এনে এটা ইতিবাচক আৰু সহযোগিতাপূৰ্ণ সৃষ্টি কৰিব লাগে য'ত শিশুসকল অধিক অভিৰোচিত হয় লগতে আত্মসন্মানবোধ অটুট থকাৰ লগতে উদ্বেগৰ মাত্ৰাও কম হয়।

## 4.5.2 গণিতৰ পাঠদান ঃ

শিশুসকলে নিজৰ চৌপাশ আৰু নিজস্ব সংস্কৃতিৰ পৰা বিভিন্ন গাণিতিক দক্ষতা শ্ৰেণীকোঠালৈ বহন কৰি আনে, যিটো গণিত শিকনৰ ভিত্তি হ'ব লাগিব।

গণিত শিকনৰ লক্ষ্যক শিশুৰ চিন্তা প্ৰক্ৰিয়াৰ গণিতকৰণৰ দৰে উচ্চতৰ লক্ষ্য- (উদাহৰণস্বৰূপে- বিমূৰ্ত্ত চিন্তাধাৰাক পৰিচালিত কৰিব পৰা ক্ষমতা, সমস্যা সমাধান, মানসিক গঠন, উপস্থাপন আৰু অন্যান্য ক্ষেত্ৰৰ সৈতে গণিতৰ ধাৰণাৰ সংযোগ স্থাপন কৰা) আৰু বিষয় সূচী-নিৰ্দিষ্ট-লক্ষ্য (যিবোৰ গণিতৰ বিভিন্ন ধাৰণাৰ সৈতে জড়িত; যেনে— সংখ্যা, আকৃতি, আৰ্হিৰ বোধ)ত শ্ৰেণীবদ্ধ কৰিব পাৰি।

এবাৰ গাণিতিক ভাৱে দক্ষ হ'লে শিশুসকলে বিষয়বস্তু নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'ব পাৰে। এইকাৰণে প্ৰাৰম্ভিক বছৰসমূহত শিক্ষণ-শিকন ক্ষেত্ৰত আৰু শিকণৰ উচ্চতম লক্ষ্য আৰু বিষয় বিশিষ্ট লক্ষ্য উভয়কে বাস্তবায়িত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে কিয়নো দুয়োটা লক্ষ্যই পাৰস্পৰিক নিৰ্ভৰশীল আৰু আন্তঃসংযোগী।

গাণিতিক দক্ষতা আয়ত্ব কৰিবলৈ সহজৰ পৰা জটিললৈ অনুসৰণ কৰিব লাগিব। ইয়াৰ অৰ্থ, আৰম্ভণিতে শিশুসকলে গণিত শাস্ত্ৰৰ শব্দাৱলী (যেনে— যোগ, শ্ৰেণীকৰণ, যোৰা কৰণ, ক্ৰমবিন্যাস, আৰ্হি, শ্ৰেণী বিভাজন, এটাৰ সৈতে আনটোৰ সামঞ্জস্যকৰণ) আৰু সংখ্যা, আকৃতি, স্থান আৰু জোখৰ সৈতে জড়িত গাণিতিক ধাৰণা শিকে। এই দক্ষতাবোৰৰ ভিত্তিত ক্ৰমান্বয়ে পৰৱৰ্তী কালত অধিক জটিল আৰু উচ্চতৰ দক্ষতা আয়ত্বকৰণ (যেনে— পৰিমান, আকৃতি আৰু স্থান, জোখ-মাখ)লৈ গতি কৰে। গণিত শিক্ষণ-শিকণ প্ৰক্ৰিয়াত, যিবোৰ গাণিতিক দক্ষতাক বাস্তৱ জীৱনৰ পৰিস্থিতি বুজিবলৈ, সমাধান কৰিবলৈ, যুক্তি দিবলৈ, আদান-প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয় সেইবোৰৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব।

বিভিন্ন গাণিতিক প্ৰক্ৰিয়াই শিশুক উচ্চতৰ আৰু বিষয়সূচী-নিৰ্দিষ্ট-লক্ষ্য উভয়তে উপনীত হোৱাত সহায় কৰে। এইবোৰ হৈছে সমস্যা সমাধান, বাস্তৱসন্মত আৰু বিশুদ্ধ আৰু উভয় গাণিতিক সমস্যা সমাধান কৰা; সমস্যাৰ সমাধান আৰু প্ৰক্ৰিয়াৰ বিষয়ে ন্যায্যতা প্ৰদান কৰা আৰু যুক্তি দিয়া; সংযোগ স্থাপন অৰ্থাৎ এটা ধাৰণাৰ লগত আনটো ধাৰণাৰ সংযোগ স্থাপন; উপস্থাপন, অৰ্থাৎ গাণিতিক ধাৰণাসমূহক প্ৰতিনিধিত্ব কৰিবলৈ স্থায়ী, দৃশ্যমান ৰেখা-চিত্ৰৰ ব্যৱহাৰ; যোগাযোগ অৰ্থাৎ গাণিতিক ধাৰণাসমূহৰ ব্যাখ্যা আৰু যোগাযোগ কৰা আৰু প্ৰাকলন, অৰ্থাৎ পৰিমানীকৰণ আৰু সমাধান কৰিবলৈ আনুমানিক ব্যৱহাৰ।

শ্ৰেণীকোঠাত এই প্ৰক্ৰিয়াসমূহৰ অন্তৰ্ভুক্তকৰণে এক বিস্তৃত গাণিতিক বোধগম্যতা লাভ কৰাত শিশুসকলক সহায় কৰে আৰু ধাৰণাগত আৰু পদ্ধতিগত বোধ, প্ৰয়োগ, অভিযোজিত যুক্তি আৰু গণিতৰ প্ৰতি এক ইতিবাচক মনোভাৱ গঠনত সহায় কৰে।

## 4.5.2.1 গণিত বিষয় পাঠদান কৰাৰ পদ্ধতিসমূহ ঃ

কৰণীয় কাম আৰু দক্ষতাৰ বৌদ্ধিক চাহিদা আৰু প্ৰকৃতিৰ বিবেচনা কৰি শিশুসকলক বিস্তৃত গাণিতিক অভিজ্ঞতা প্ৰদান কৰিবলৈ তলত দিয়া দৃষ্টিভংগীসমূহ গাণিতিক শিকন-শিক্ষণ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰিব পাৰি।

**ক. স্থায়ী অভিজ্ঞতাৰ জৰিয়তে বিমূৰ্ত্ত গাণিতিক ধাৰণা(বিচাৰ) বিকশিত কৰা (ELPS) ঃ**

গাণিতিক ধাৰণাসমূহ বিমূৰ্ত্ত, উদাহৰণস্বৰূপে— সংখ্যাসমূহ অনুধাৱন কৰিবলৈ শিকা, কাৰ্য কৰা আৰু দ্বিমাত্ৰিক আকৃতি অংকণ কৰা। গতিকে শিশুৱে এই বিমূৰ্ত্ত ধাৰণাবোৰ মূৰ্ত্ত অভিজ্ঞতাৰ জৰিয়তে শিকি ক্ৰমান্বয়ে স্থায়ীৰ পৰা চিত্ৰকল্প আৰু চিত্ৰকল্পৰ পৰা বিমূৰ্ত্ত ধাৰণালৈ আগবাঢ়ি যোৱাটো প্ৰয়োজন।

শিশুৱে যেতিয়া কোনো এটা মূৰ্ত্ত অভিজ্ঞতাৰ সৈতে জড়িত হয় তেতিয়া তেওঁলোকে গাণিতিক ধাৰণাসমূহৰ অৰ্থ সহজে বুজি পায়। গণিতৰ বিমূৰ্ত্ত ধাৰণাসমূহ শিকাবলৈ তলৰ ক্ৰমটো অনুসৰণ কৰিব পাৰি।



অভাছচি ৰ জৰিয়তে সংখ্যা শিকাৰ এটা উদাহৰণ—

- অ- অভিজ্ঞতা ঃ মূৰ্ত্ত বস্তুৰ গাণিতিক ধাৰণা শিকা, যেনে- সংখ্যা শিকাৰ বাবে মূৰ্ত্ত বস্তুৰ গণনা কৰা।
- ভা - কথিত ভাষা ঃ ভাষাৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰা, যেনে- কি গণনা কৰা হৈছে, কিমান গণনা কৰা হৈছে।
- ছ- ছবি ঃ ছবিৰ ৰূপত গাণিতিক ধাৰণাসমূহৰ উপস্থাপন কৰা, যেনে— যদি তিনিটা বল গণনা কৰা হৈছে তেন্তে এইবোৰক বলৰ তিনিখন ছবিৰ জৰিয়তে উপস্থাপন কৰিব পাৰি।
- চি- লিখিত চিহ্ন ঃ গাণিতিক ধাৰণা, যিবোৰ মূৰ্ত্ত অভিজ্ঞতা আৰু চিত্ৰৰ জৰিয়তে শিকি অহা হৈছে সেইবোৰক লিখিত চিহ্নৰ ৰূপত সাধাৰণীকৰণ কৰিব পাৰি। যেনে— ৩ সংখ্যাটোৰ কাৰণে তিনিটা বলৰ চিহ্ন।

**খ. গণিত শিকনক শিশুৰ বাস্তৱ জীৱন আৰু পূৰ্বৰ জ্ঞানৰ সৈতে সংযোগ ঃ**

গণিতৰ শিক্ষণ শিশুসকলৰ বাস্তৱিক জীৱন আৰু তেওঁলোকৰ পূৰ্বৰ জ্ঞানৰ সৈতে জড়িত হ'ব লাগিব। বাস্তৱ জীৱনৰ উদাহৰণেও শিশুক গণিতৰ ধাৰণাসমূহ শিকিবলৈ সহায় কৰে, দৈনন্দিন জীৱনত গাণিতিক দক্ষতা প্ৰয়োগ কৰাৰ ক্ষমতা গঢ়ি তোলে আৰু তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো গণিতক শিকিবলগীয়া আৰু কৰিবলগীয়া বুলি ভাবে। গতিকে, গাণিতিক দক্ষতা শিকোৱাৰ সময়ত শিক্ষকসকলে ধাৰণাগত আৰু সমস্যা সমাধানৰ ক্ষমতা গঢ়ি তুলিবলৈ বাস্তৱ জীৱনৰ উদাহৰণ ব্যৱহাৰ কৰিব লাগে।

### গ. সমস্যা সমাধানৰ আহিলা হিচাপে গণিত ঃ

সমস্যা সমাধান গণিত শিকনৰ এক প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ উচ্চ পৰ্যায়ৰ লক্ষ্য আৰু শিশুৱে এই কথা বুজিব লাগিব যে বাস্তৱ জীৱনৰ সমস্যা সমাধানৰ বাবে গণিতক এক আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি। গতিকে গণিতৰ শিকনে কেৱল ধাৰণাৰ বিকাশেই নকৰে সমস্যা সমাধানৰ দক্ষতাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে। এই সমস্যা সমাধানৰ ক্ষমতাই শিশুসকলক দক্ষতা আৰু জ্ঞানৰ অৰ্থ নিৰ্ণয় কৰাৰ লগতে নিজৰ জ্ঞান বা দক্ষতা ক'ত প্ৰয়োগ কৰিব পাৰে সেই বিষয়ে অনুধাবন কৰাত সুযোগ প্ৰদান কৰা। সমৃদ্ধ গাণিতিক কাম, সমস্যাৰ বোধ, কৌশলৰ উদ্ভাৱন, সমস্যাৰ সমাধান আৰু ন্যায্যতা পৰীক্ষা কৰা ইত্যাদি ব্যৱস্থাসমূহ শিশুসকলৰ গণিতৰ সমস্যা সমাধানৰ কৌশল গঢ়ি তোলাত সহায় কৰাৰ গুৰুত্বপূৰ্ণ পদক্ষেপ।

তলত দিয়া পদক্ষেপসমূহে শিশুসকলৰ মাজত সমস্যা সমাধানৰ ক্ষমতা গঢ়ি তোলাত সহায় কৰিব পাৰে।

i. সমস্যাটোৰ বোধ- কোনটো জনা? কোনটো নজনা?

ii. কৌশল/পৰিকল্পনা তৈয়াৰ - মই কোনো সম্পৰ্কিত সমস্যাৰ বিষয়ে মই জানো নেকি? ইয়াৰ সমাধানৰ বাবে কি কৌশল প্ৰয়োগ কৰিব পৰা যায়।

iii. সমস্যা সমাধান- ইয়াৰ সমাধানৰ বাবে মই কি কি ব্যৱস্থা গ্ৰহণ কৰিছোঁ। মই সঠিক পদক্ষেপ লৈছোঁ নে? মই এই সমস্যাটো কিয় আৰু কেনেকৈ সমাধান কৰিলোঁ সেই বিষয়ে মন্তব্য কৰিব পাৰিমনে?

iv. সমস্যা সমাধান কৰি পৰ্যালোচনা কৰা- মই সঠিক কাম কৰিলোঁ নে? প্ৰশ্নটোৰ প্ৰকৃত উত্তৰ দিলোঁ নে?

v. সমস্যা সমাধানৰ বাবে নমনীয় চিন্তাধাৰা আৰু একাধিক কৌশলৰ ব্যৱহাৰক উৎসাহিত কৰা।

শিশুসকলে এটাতকৈ অধিক সমস্যা সমাধানৰ উপায় শিকিব লাগে। উদাহৰণস্বৰূপে— ৭+৮ ৰ সমাধান কৰিবলৈ কি কি বেলেগ কৌশল হ'ব? শিশুসকলে ৮ ৰ পৰা আৰু ৭ টা সংখ্যা গণনা কৰিব পাৰে বা কিছুমান শিশুৱে ৭ক ৫+২ ত বিভাজিত কৰি ৮ৰ লগত ২ যোগ কৰি ১০ কৰিব পাৰে আৰু তাৰ পিছত ১৫ সংখ্যাত উপনীত হ'বলৈ ১০ আৰু ৫ এই সংখ্যা দুটাক যোগ কৰিব পাৰে। সেয়েহে, কেৱল সমস্যা সমাধানৰ একক উপায় উদ্ভাৱনৰ পৰিৱৰ্তে সমস্যা সমাধানৰ একাধিক কৌশল উদ্ভাৱনৰ কৰিবলৈ শিশুসকলক সহায় কৰাত গণিত শিকন-শিক্ষণত গুৰুত্ব দিব লাগিব। শিশুসকলক নিজৰ কৌশল উদ্ভাৱন কৰিবলৈ উৎসাহিত কৰিব লাগিব কিন্তু এই কৌশলসমূহৰ প্ৰয়োগৰ বাবে শিশুসকলৰ গাণিতিক ধাৰণা আৰু প্ৰক্ৰিয়াসমূহৰ বিষয়ে এক শক্তিশালী বোধৰ প্ৰয়োজন হয়।

### ঘ. গাণিতিক কথা-বতৰা, যোগাযোগ আৰু যুক্তিৰ ব্যৱহাৰ কৰা ঃ

দৈনন্দিন ভাষাৰ পৰা বহুলভাৱে পৃথক গণিতৰ নিজস্ব ভাষা আছে। ইয়াৰ এনে নিজস্ব শব্দাৱলী, চিহ্ন আৰু চিহ্ন ব্যৱস্থা আছে যিবোৰ প্ৰায়ে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা নহয়, যেনে- যোগ, পূৰণ, +, -, =।

এটি শিশুৱে পোণপ্ৰথমবাৰৰ বাবে গণিতৰ শ্ৰেণীকোঠাত এই চিহ্নসমূহ শিকিব লাগে। গাণিতিক ধাৰণা, প্ৰক্ৰিয়া, প্ৰয়োগ আৰু যুক্তিৰ ওপৰত শিক্ষক আৰু শিশুসকলৰ উচ্চ পৰ্যায়ৰ বাৰ্তালাপৰ প্ৰয়োজন। এই আলোচনাত শিশুৱে তেওঁলোকৰ বাস্তৱ জীৱনত সন্মুখীন হোৱা গণিতৰ ওপৰতো গুৰুত্ব দিব লাগিব আৰু শিশুসকলক তেওঁলোকৰ গাণিতিক চিন্তাধাৰা, যুক্তি, ন্যায্যতা প্ৰদান, আৰু অন্যান্য গাণিতিক ধাৰণাসমূহ শুনাৰ সুযোগ প্ৰদান কৰিব লাগিব আৰু লগতে শিক্ষকসকলৰ ব্যাখ্যা, যুক্তি, যুক্তিৰ ন্যায্যতা

শুনিবলৈও সুযোগ প্ৰদান কৰিব লাগিব। গতিকে শ্ৰেণীকোঠাত নিৰৱে লিখিত কামত লিপ্ত হোৱাতকৈ গণিতৰ মৌখিক আলোচনাক উৎসাহিত কৰিব লাগিব।

ঙ. **গণিত শিকনৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি তোলা ঃ**

৩য় শ্ৰেণীৰ পূৰ্বেই শিশুসকলৰ মনত গণিত বিষয়ৰ প্ৰতি গঢি উঠা প্ৰৱল অপছন্দ আৰু নেতিবাচক মনোভাৱৰ ওপৰত বিস্তৃত গৱেষণা কৰা হৈছে।

প্ৰাথমিক শিক্ষাই কেৱল গাণিতিক সামৰ্থতাৰ বিকাশৰ ওপৰতে গুৰুত্ব আৰোপ নকৰে বৰঞ্চ এক বহন হিচাবে শিশুসকলক গণিতৰ লগত এক সম্পৰ্ক গঢ়ি তোলাতো সহায় কৰে। এই ক্ষেত্ৰত শিশুৰ মনত গণিতৰ প্ৰতি এক ইতিবাচক মনোভাৱ গঢ়ি তোলাৰ প্ৰয়োজন হয়। কাৰণ ই প্ৰাৰম্ভিক অৱস্থাত গণিতৰ এক শক্তিশালী ভেটি প্ৰস্তুত কৰাৰ লগতে বিষয়টোৰ প্ৰতি অতিবাচক মনোভাৱ দূৰ কৰাটো সহায় কৰিব পাৰে, ফলত ল'ৰা-ছোৱালীয়ে গণিত বিষয়টো উপভোগ কৰিবলৈ শিকে।

## 4.5.2.2 প্ৰাথমিক বছৰবোৰত গণিত শিকনৰ উপাদান/ক্ষেত্ৰসমূহ ঃ

ক. **সংখ্যা আৰু ইয়াৰ সম্পৰ্কই** বিভিন্ন প্ৰসংগ, গণনা, উপস্থাপনত, আৰু ইয়াৰ সম্পৰ্কত সাংখ্যিক ধাৰণা (ধ্বনি, প্ৰতীক আৰু পৰিমাণ)ৰ বোধগম্যতাৰ নিৰ্দেশ কৰে।

খ. **বুনিয়াদী গাণিতিক কাৰ্যই** গণনাৰ ধাৰণাসমূহ বুজি পোৱা আৰু সেইবোৰ ব্যৱহাৰ কৰি সমস্যা সমাধানৰ কৌশলৰ বিকাশ কৰাক বুজায়।

গ. **আকৃতি আৰু ক্ষেত্ৰীয় বোধগম্যতাই** আকৃতিৰ বিষয়ে বোধ, তৈয়াৰ আৰু শ্ৰেণীবিভাজন আৰু লগতে ক্ষেত্ৰ সম্পৰ্কে বোধগম্যতাৰ বিকাশক নিৰ্দেশ কৰে।

ঘ. **নক্সাই** সংখ্যা, আকৃতি আৰু ৰূপাংকণৰ পুনৰাবৃত্তিৰ জৰিয়তে হোৱা ব্যৱস্থাপনাৰ বোধ, আৰু কিছুমান নিয়ম আৰু গঠনৰ ওপৰত ভিত্তি কৰি কৰা সাধাৰণীকৰণক নিৰ্দেশ কৰে।

ঙ. **জোখ-মাখে** কিবা এটাৰ জোখৰ এককসমূহ বুজি পোৱা আৰু ইয়াৰ পৰিমাণ নিৰ্ণয় কৰাক নিৰ্দেশ কৰে।

চ. **তথ্য নিয়ন্ত্ৰণ**-এ তথ্য সংগ্ৰহৰ বোধ আৰু ইয়াৰ সংগ্ৰহ আৰু বিশ্লেষণক নিৰ্দেশ কৰে।

## 4.5.2.3 গাণিতিক নিৰ্দেশনাৰ বাবে পাঠদানৰ ব্লকসমূহ ঃ

শিশুৰ গাণিতিক দক্ষতা বৃদ্ধিৰ বাবে শিশুৰ গণিতৰ ধাৰণাগত, প্ৰক্ৰিয়াগত, কৌশলৰ সামৰ্থতা/প্ৰয়োগ যোগাযোগ আৰু যুক্তি আৰু গণিতৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি তোলাৰ প্ৰয়োজন।

শ্ৰেণীকোঠাৰ দৈনিক প্ৰক্ৰিয়াৰ বাবে গাণিতিক নিপুণতাৰ এই সকলোবোৰ সুত্ৰ তলৰ চাৰিটা খণ্ডত উপস্থাপন কৰিব পাৰি। কোনো এটা গাণিতিক পদ্ধতি/প্ৰক্ৰিয়া কৰণীয় কামৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি আৰু ভিত্তি কৰি সম্পাদিত হ'ব লাগিব।

ক. **খণ্ড ১- মৌখিক গণিতৰ আলোচনা ঃ** শ্ৰেণীৰ আৰম্ভণিতে ৫-১০ মিনিটৰ বাবে শিশুসকলে সংখ্যাৰে কবিতা এটা গাব পাৰে বা গণিতৰ অভিজ্ঞতা বা জীৱনত সন্মুখীন হোৱা সমস্যাৰ বিষয়ে আলোচনা কৰিব পাৰে। মৌখিক গণনা, ধাৰণা আৰু যুক্তিৰ ওপৰতো আলোচনা হ'ব পাৰে। এনে কাৰ্যই আনুষ্ঠানিক পাঠদান প্ৰক্ৰিয়ালৈ যোৱাৰ আগতে প্ৰাৰম্ভিক প্ৰস্তুতিমূলক কাৰ্য্য হিচাপে কাম কৰে।

| | |
|---|---|
| **খণ্ড ১**<br>**মৌখিক গণিতৰ কথোপকথন**<br>*(গণিতৰ কবিতা, মৌখিক গণনা ধাৰণা, শিশুৰ অভিজ্ঞতা)* | **খণ্ড ২**<br>**দক্ষতাৰ পাঠদান**<br>*(নিপুণতাৰ সমগ্ৰ কৌশল সংমিশ্ৰণ কৰক)* |
| **খণ্ড ৩**<br>**দক্ষতাৰ অভ্যাস**<br>*(প্ৰক্ৰিয়াগত, ধাৰণাগত, সমস্যাৰ সমাধান, যুক্তি)* | **খণ্ড ৪**<br>**গাণিতিক খেল**<br>*(শিকন আৰু সমস্যা সমাধানক শক্তিশালী কৰা)* |

*চিত্ৰ ঃ ৪.৫ খঃ চাৰিটা ব্লক/খণ্ডৰ আৰ্হি- গণিত*

**খ. খণ্ড ২ঃ দক্ষতাৰ পাঠদান (সমগ্ৰ সূত্ৰক একেলগ কৰি) ঃ** এইটো হৈছে গাণিতিক ধাৰণা, সমস্যা সমাধান, যোগাযোগৰ দ্বাৰা সুনিৰ্দিষ্ট অভিজ্ঞতা, পদ্ধতিগত কাৰ্যকলাপ, আৰু নিৰ্দেশনাৰ দ্বাৰা দিয়া পাঠদান যিয়ে দৃষ্টিভঙ্গী, ধীৰে ধীৰে দায়িত্ব প্ৰদানৰ (অধ্যায়ৰ অংশ ৪.২ চাওক) পদ্ধতি অনুসৰণ কৰে, সেয়ে হ'লেও প্ৰতিটো গাণিতিক কাৰ্যৰ বাবে একে ক্ৰমৰ প্ৰয়োজনীয় নহয়। শিক্ষকসকলে গণিত কাৰ্য এটা পূৰ্বানুমান কৰিব পাৰে আৰু প্ৰতিটো শিশুক নিৰ্দেশনামূলক সহায় প্ৰদান কৰাৰ আগতে তেওঁলোকক স্বাধীনভাৱে সমাধান কৰিবলৈ দিব লাগে। প্ৰত্যেক শিশুৱে শিকিবলৈ, ব্যাখ্যা কৰিবলৈ আৰু প্ৰতিপুষ্টি লাভৰ বাবে এটা সুযোগ নিশ্চিতভাৱে পাব।

**গ. খণ্ড ৩ঃ দক্ষতাৰ অনুশীলন ঃ** শিশুসকলক গাণিতিক দক্ষতা অনুশীলনৰ বাবে ধাৰণা, প্ৰক্ৰিয়া, সমস্যাৰ সমাধান, যুক্তি আৰু যোগাযোগৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণৰ সমৃদ্ধ গাণিতিক কাম প্ৰদান কৰিব লাগে। এইক্ষেত্ৰত কৰ্মপুস্তিকা, পাঠ্যপুথি বা শিক্ষকে নিজে তৈয়াৰ কৰা বিভিন্ন কৰণীয় কামৰ সাহাৰ্য ল'ব পাৰে।

**ঘ. খণ্ড ৪ঃ শিকন/ সমস্যাৰ সমাধান শক্তিশালী কৰাৰ বাবে গণিতৰ খেল ঃ** শিশুসকলে খেল-ধেমালি কৰি ভাল পায়। বিভিন্ন ধৰণৰ গাণিতিক খেলে শিশুসকলক শক্তিশালী কৰাত সহায় কৰে। এই খেলবোৰ সমস্যা সমাধান, ধাৰণাৰ লগতে যুক্তিৰ ওপৰত ভিত্তি কৰি পৰিচালিত কৰিব লাগে। ল'ৰা-ছোৱালীৰ শিকনৰ স্তৰৰ ওপৰত ভিত্তি কৰি দলীয় খেলৰ পৰিকল্পনা কৰিব পাৰি।

দিনটোত গণিতৰ বাবে প্ৰদান কৰা মুঠ সময় ৬০ মিনিট।

| খণ্ড | | উদ্দেশ্য | প্ৰস্তাবিত নীতি/দৃষ্টিভঙ্গী | প্ৰস্তাৱিত সময় |
|---|---|---|---|---|
| খণ্ড ১ আৰু ২ | গণিতৰ মৌখিক আলোচনা | মৌখিক গণিতক উৎসাহিত কৰাৰ কাৰণে প্ৰস্তুতিমূলক কাৰ্যাৱলী | মুক্ত/ বৃহৎ দলীয় আলোচনা<br>গান গোৱা, কবিতা পাঠ, শিশুৰ বাস্তৱ জীৱনৰ গাণিতিক অভিজ্ঞতাৰ আৰু ধাৰণাৰ বিষয়ে আলোচনা, মৌখিক গণনা, যুক্তি ইত্যাদি | ৫-১০ মিনিট |
| | দক্ষতাৰ পাঠদান (সামগ্ৰিকভাৱে একত্ৰিত ) | গঠনমূলক নিৰ্দেশিত কাৰ্যাৱলীৰ মাধ্যমেৰে গাণিতিক দক্ষতা আঁহৰণ কৰাত শিশুসকলক সহায় কৰা | GRR/ELPS/সমস্যা সমাধানমূলক দৃষ্টিভঙ্গী ধাৰণা, প্ৰক্ৰিয়া, আবেদন, কৌশল আৰু যুক্তি গঠনৰ বাবে ক্ৰিয়াকলাপ আয়োজিত কৰা | ২০-২৫ মিনিট |
| খণ্ড ৩ আৰু ৪ | দক্ষতাৰ অনুশীলন | দক্ষতাৰ অনুশীলনৰ যোগেদি দক্ষতা আয়ত্ব কৰাত শিশুসকলক সহায় কৰা | কৰ্ম তালিকা বা কৰ্মপুথিৰ জৰিয়তে গণিতৰ কৰণীয় কাম প্ৰদান কৰা ব্যক্তিগত, সমনীয়া আৰু দলীয় অনুশীলন | ১৫ মিনিট |
| | শিকনক শক্তিশালী কৰাৰ কাৰণে গণিতৰ খেল | আয়ত্ব কৰা দক্ষতাৰ শিকনক খেলৰ জৰিয়তে শক্তিশালী কৰা<br>সমস্যা সমাধনৰ ওপৰত গুৰুত্ব | অসুবিধা বা প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা শিশুসকলৰ ক্ষেত্ৰত গণিতৰ খেলৰ জৰিয়তে শিকন শক্তিশালী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা | ১৫ মিনিট |

# খণ্ড 4.6

# শ্ৰেণীকোঠাত এক ইতিবাচক পৰিৱেশ সৃষ্টি কৰাঃ

শিশুৱে বিদ্যালয়ত প্ৰৱেশ কৰাৰ লগে লগে তেওঁলোকৰ জগতখন সম্প্ৰসাৰিত হয়, বন্ধুত্ব গঢ়ি তোলে, পৰিয়ালৰ বাহিৰৰ প্ৰাপ্তবয়স্কসকলৰ সৈতে সংযোগ স্থাপন কৰিবলৈ আৰম্ভ কৰে আৰু অধিক চলন্ত আৰু মুখৰ হৈ পাৰে। তেওঁলোকে সকলো কথা অন্বেষণ কৰিবলৈ আৰু জানিব বিচাৰে। শিশুসকলক তেওঁলোকৰ আচৰণত পথ প্ৰদৰ্শন কৰাত আৰু শক্তিশালী ইতিবাচক সম্পৰ্ক গঢ়ি তোলাত শিক্ষকৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ।

সেয়েহে, শিক্ষকসকল শিশুৰ প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন আৰু দায়িত্বশীল হ'ব লাগিব। শিশুৰ যত্ন লোৱাটো জটিল আৰু গুৰুত্বপূৰ্ণ কাম। ই জটিল কাৰণ শিশু আৰু তেওঁলোকৰ পৰিয়ালৰ সৈতে সম্পৰ্ক স্থাপনৰ লগত শিক্ষকসকল বিশেষভাৱে জড়িত হৈ থাকে।

## 4.6.1 শ্ৰেণীকোঠাৰ পৰিৱেশ ঃ

**পৰিৱেশ** শব্দটোৱে শ্ৰেণীকোঠাৰ ভৌতিক স্থান আৰু 'বাতাবৰণ' বা মানসিক পৰিৱেশ উভয়কে নিৰ্দেশ কৰে। ভৌতিক পৰিৱেশে এনে এক গাঁথনি প্ৰদান কৰে যিয়ে নিৰাপদ অন্বেষণ, বৌদ্ধিক বিকাশ আৰু প্ৰত্যাহ্বান প্ৰদান কৰে। শ্ৰেণী কোঠাৰ বাতাবৰণ বা মানসিক পৰিৱেশ শ্ৰেণীকোঠাত ঘটা সকলো সম্পৰ্ক আৰু সামাজিক যোগাযোগৰ দ্বাৰা তৈয়াৰ হয়।

এক নিৰাপদ, সুৰক্ষিত আৰু আনন্দময় শ্ৰেণীকোঠাৰ পৰিৱেশে শিশুসকলক ভালদৰে শিকিবলৈ আৰু অধিক সাফল্য লাভ কৰাত সহায় কৰিব পাৰে। ইয়াৰ বাবে প্ৰয়োজনীয় সা-সুবিধা যেনে— শিকন সামগ্ৰী, সহায়ক সঁজুলি, আঁচবাব, আৰু বিভিন্ন ক্ৰিয়াৰ কাৰণে, একেলগে দলীয় কাম কৰাৰ কাৰণে আৰু খেলিবলৈ মুকলি ঠাই উপলব্ধ কৰাটো গুৰুত্বপূৰ্ণ যাতে প্ৰতিটো শিশুৱে ভালদৰে শিকিব পাৰে। শ্ৰেণীকোঠা নিশ্চিতভাৱে ব্যাপক অন্তৰ্ভুক্তিমূলক আৰু শিকন অনুকূল পৰিৱেশযুক্ত হ'ব লাগে যি প্ৰতিটো শিশুকে স্বাধীনতা, মুকলি মন, গ্ৰহণযোগ্যতা, অৰ্থপূৰ্ণতা, পাৰস্পৰিক সম্বন্ধ আৰু প্ৰত্যাহ্বান প্ৰদান কৰে।

বুনিয়াদী পৰ্যায়ত শ্ৰেণীকোঠাৰ পৰিৱেশৰ কাৰণে পৰিচৰ্যা মূখ্য বিষয়। সহানুভূতি আৰু সন্মান পৰিচৰ্যাৰ কেন্দ্ৰ বিন্দু। ই হৈছে শিশুসকলৰ লগত সম্পৰ্কৰ প্ৰতি চিন্তা আৰু দায়বদ্ধতাৰ আচৰণ।

## 4.6.2 শিশু আকৰ্ষিত শ্ৰেণীকোঠাৰ নিয়ম তৈয়াৰ ঃ

শিশুসকলক অতি মৰমেৰে কিন্তু স্পষ্টভাৱে শ্ৰেণীকোঠাত একেলগে থকাৰ সামূহিক নীতিসমূহৰ সৈতে যিমান পাৰি সিমান সোনকালে পৰিচয় কৰাব লাগে। ইয়াৰ ফলত, তেওঁলোকে শ্ৰেণীকোঠাত ভালদৰে খাপ খোৱাৰ ক্ষেত্ৰত স্পষ্ট নিৰ্দেশনা আৰু উপায় উভয়কে প্ৰদান কৰে।

- **শিশুসকলৰ সৈতে কথা-বতৰা পাতি তেওঁলোকৰ সৈতে নীতি-নিয়ম সম্পৰ্কে একমত হোৱাটোৱেই উত্তম। এই কাৰ্যই শিশুক শ্ৰেণীকক্ষত অধিকাৰবোধ আৰু দায়িত্বৰ মনোভাৱ প্ৰদানৰ লগতে সহায় আৰু ইতিবাচক শ্ৰেণাকোঠাৰ সংস্কৃতি বৃদ্ধি কৰাত নেতৃত্ব দিয়ে।** নীতি-নিয়মবোৰ চুটি, স্পষ্ট আৰু ইতিবাচক বাক্যাংশৰ সৈতে সহজে বুজিব পৰা হ'ব লাগে। নীতি-নিয়মবোৰ এবাৰ গ্ৰাহ্য হ'লে প্ৰতিটোকে উদাহৰণৰ সৈতে বিতংভাৱে বুজাব লাগে।

পোষ্টাৰত প্ৰত্যেক নীতিৰ লগত একোটা দৃশ্যৰূপ সংযুক্ত কৰি নীতিসমূহ তালিকাভূক্ত কৰিলে আৰু শিশুৰ চকুৰ সমান্তৰালকৈ ওলোমাই থলে শিশুসকলে সেইবোৰ ভালদৰে বুজিবলৈ আৰু অনুসৰণ কৰাত সহায়ক হ'ব। নীতিসমূহ হ'ব পাৰে—

ক. আন এজন ব্যক্তিয়ে কথা কওতে শুনিবা

খ. এটা দলত কথা কোৱাৰ আগতে হাতখন ওপৰলৈ তুলিবা

গ. সহপাঠী আৰু শিক্ষকসকলৰ লগত সন্মানজনকভাৱে কথা পাতিবা

ঘ. তোমালোকৰ হাত-ভৰি আৰু অন্যান্য সামগ্ৰী নিজৰ মাজতে ৰাখিবা

নীতি-নিয়মসমূহ ইতিবাচকভাৱে বলৱৎ কৰিব লাগে। ল'ৰা-ছোৱালীয়ে নীতি-নিয়ম ভাঙিলে লাহে লাহে বেৰত থকা 'নীতি'ৰ পোষ্টাৰখনলৈ আঙুলিয়াই দি সেই বিষয়ে সচেতন কৰি তুলিব লাগে।

***শিক্ষকৰ কণ্ঠ ৪.৬ক***

*উপস্থিতিৰ বাল্টি!*

*মোৰ শ্ৰেণীকোঠাত পাঁচৰ পৰা ছয় বছৰ বয়সৰ ২০ গৰাকী ছাত্ৰ-ছাত্ৰী আছে। আমি সিদ্ধান্ত লৈছো যে আমাৰ সাধাৰণ উপস্থিতি চিহ্নিত কৰাৰ কোনো ব্যৱস্থা নাথাকিব। ইয়াৰ পৰিৱৰ্তে, আমি শ্ৰেণীকোঠাত ল'ৰা-ছোৱালীবিলাকৰ নামৰ ফলক তৈয়াৰ কৰি লৈছোঁ; মোৰ শ্ৰেণীৰ বাবেও নামৰ ফলকবোৰ আছে। আমি ফলকবোৰ বাল্টি এটাত ভৰাই থওঁ। যিসকল ছাত্ৰ-ছাত্ৰী শ্ৰেণীলৈ আহে তেওঁলোকে নিজৰ নামৰ ফলকখন লৈ নিজৰ ছেলফত আন সামগ্ৰীসমূহৰ কাষত ৰাখে। উভটি যোৱাৰ সময়ত আমি সেইখন পুণৰাই বাল্টিটোত থৈ দিওঁ।*



## 4.6.3 শিশুৰ জটিল আচৰণ পৰিচালনা কৰা ঃ

শিশুসকলে বিভিন্ন কাৰণত বিভিন্ন অনুচিত আচৰণ কৰে। প্ৰায়ে এই আচৰণসমূহ হৈছে নক'ব লগা ভাষা যাৰ জৰিয়তে শিশুৱে অনুভৱ আৰু চিন্তা প্ৰকাশ কৰে। ইয়াৰ কাৰণ মূলতঃ তেওঁলোকে দলীয় আচৰণ নীতি বা বিকল্প আচৰণৰ বিষয়ে সজাগতা নথকাৰ বাবে। তেওঁলোক 'বেয়া' হোৱাৰ বাবে বা তেওঁলোকে আমাক অসুবিধা দিব বাবে এনে আচৰণ সমূহ প্ৰদৰ্শন নকৰে।

কেতিয়াবা তেওঁলোকে অতিৰিক্ত মনোযোগ বিচাৰিবলৈ তেনেকুৱা আচৰণ কৰে। অনেক ক্ষেত্ৰত তেওঁলোকৰ খং উঠিব পাৰে বা অসহায় অনুভৱ কৰিব পাৰে আৰু এই কথা প্ৰকাশ কৰাৰ আন কোনো উপায় নাথাকে। শিশুসকলক নিৰাপত্তা আৰু আত্মনিয়ন্ত্ৰণৰ প্ৰয়োজন। যেতিয়া সেই নিয়ন্ত্ৰণৰ পৰা বঞ্চিত হয় তেতিয়া তেওঁলোকে এই ধৰণৰ আচৰণৰ জৰিয়তে ইয়াক পুণৰ লাভ কৰিবলৈ বিচাৰিব পাৰে। কেতিয়াবা এই আচৰণ টোপনিৰ অভাৱ, খাদ্যৰ অভাৱ, স্বাস্থ্যজনিত বা বিকাশজনিত কাৰণত পলম বা ঘটি, পৰিয়ালৰ অকাৰ্যকাৰীতা বা মানসিক চাপৰ বাবেও হ'ব পাৰে।

শিশুসকলৰ কাৰণে ক্ষতিকাৰক বা শ্ৰেণীকোঠাত ব্যাঘাট জন্মোৱা জটিল আচৰণ কিছুমানৰ উদাহৰণ হ'ল—

ক. আক্ৰমনাত্মক আচৰণ (যেনে— আনক আঘাট কৰা- কোবোৱা, কামোৰা, চিকুটি দিয়া, বস্তু পেলোৱা);

খ. অসামজিক আচৰণ (যেনে— অনুপযুক্ত ভাষা ব্যৱহাৰ কৰা, নামকাঢ়ি মতা, কোনোবস্তু ভগাবলৈ অমান্তি হোৱা);

গ. বিঘ্নিতকাৰী আচৰণ- (যেনে— বৃত্তৰ সময় বিঘ্নিত কৰা, শ্ৰেণীকোঠাত দৌৰা, শ্ৰেণীকোঠাত চিঞৰ বাখৰ কৰা, বস্তু পেলোৱা, চিঞৰ-বাখৰ কৰা, কিতাপ ফালি পেলোৱা, পুতলা ভাঙি পেলোৱা, আনৰ কাম ধ্বংস কৰা)

ঘ. অনুপযুক্ত প্ৰকাশ (যেনে- অত্যধিকভাৱে কন্দা, মুখ ওফন্তাই থকা, হুমনিয়াহ কাঢ়ি থকা)

## 4.6.3.1 শিশুক থিতাপি লাগিবলৈ সহায় কৰা, তেওঁলোকৰ আচৰণক ইতিবাচকভাৱে পথ প্ৰদৰ্শন কৰা ঃ

শিশুসকলৰ পৰিচৰ্যা কৰা প্ৰতিজন প্ৰাপ্তবয়স্কৰে দায়িত্ব হ'ব শিশুসকলক উপযুক্ত আচৰণৰ দিশত পথ প্ৰদৰ্শন, সংশোধন কৰা আৰু সামাজিকভাৱে গঢ়ি তোলা। এই ক্ষেত্ৰত ইতিবাচক নিৰ্দেশনা অতি গুৰুত্বপূৰ্ণ কাৰণ ই শিশুৰ আত্মনিয়ন্ত্ৰণক প্ৰসাৰিত কৰে, শিশুক দায়িত্বশীল হ'বলৈ শিকায় আৰু যথোপযুক্ত বাচনি কৰাত সহায় কৰে।

যত্নশীল আৰু সন্মানীয় বয়সীয়া লোকসকলে সৰু ল'ৰা-ছোৱালীক বিকল্প আচৰণ অন্বেষণ কৰাত আৰু সমস্যা সমাধান কৰিবলৈ শিকাত সহায় কৰিবলৈ এক সহযোগিতামূলক পৰিৱেশ সৃষ্টি কৰে। ইয়াক পথ প্ৰদৰ্শনৰ ইতিবাচক পন্থা হিচাবে বিবেচনা কৰা হয়। এই ক্ষেত্ৰত পাৰস্পৰিক আন্তঃক্ৰিয়া হৈছে বয়স্ক লোক। এক প্ৰভাৱশালী নিৰ্দেশনামূলক দৃষ্টিভঙ্গী আৰু শিশু উভয়ে এক উমৈহতীয়া লক্ষ্যৰ দ্বাৰা পৰিচালিত হৈ ইজনে সিজনৰ লগত পাৰস্পৰিক আন্তঃক্ৰিয়াৰ জৰিয়তে পৰিৱৰ্তন হ'বলৈ শিকে।

শিশুৰ বিকাশ সম্পৰ্কে হোৱা বিৱেচনাই শিশুৰ ব্যৱহাৰৰ ক্ষেত্ৰত উপযুক্ত মানদণ্ড নিৰ্দ্ধাৰণ কৰাত, উপযুক্ত বিকল্প চিন্তা কৰাত, লগতে বয়স অনুসৰি আচৰণৰ ব্যাখ্যা কৰা বা শিশুক বুজাব পৰা উপায় চিন্তা কৰাত আমাৰ সহায় কৰিব। ইয়াৰ দ্বাৰা শিশুৰ আত্মসন্মান আৰু মৰ্যাদাও ৰক্ষা পৰিব।

অপমান বা তুচ্ছজ্ঞান কৰা কাৰ্যৰ ফলত শিশুৱে নিজৰ শিক্ষক, পিতৃ-মাতৃ আৰু অন্যান্য যত্ন লোৱাসকলক নেতিবাচকভাৱে চোৱাৰ সম্ভাৱনা থাকে। ই শিশুৰ শিকনত বাধা দিব পাৰে। অনেক সময়ত ইয়াৰ ফলত শিশুক আনৰ প্ৰতি অসহিষ্ণু মনোভাৱৰ সৃষ্টি হয়।

কিন্তু শিশুৰ প্ৰচেষ্টা আৰু অগ্ৰগতি যিমানেই লেহেমীয়া বা তাৎপৰ্যপূৰ্ণ নহওক কিয়, ইয়াক স্বীকৃতি প্ৰদান কৰা কাৰ্য্যই সুস্থ বিকাশক ত্বৰান্বিত কৰাৰ সম্ভাৱনা থাকে।

## 4.6.3.2 শিক্ষকৰ দ্বাৰা ইতিবাচক নিৰ্দেশনা প্ৰদানৰ ব্যাখ্যা ঃ

ক. শিক্ষকে ল'ৰা-ছোৱালীবিলাকৰ পৰা কি আশা কৰে সেই বিষয়ে তেওঁলোকক জনাব লাগে। নেতিবাচক ৰূপৰ পৰিৱৰ্তে ইতিবাচক ৰূপত নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদান কৰিব লাগে। উদাহৰণস্বৰূপে- 'দোলনাখনৰ ওচৰলৈ নাযাবা'ৰ পৰিৱৰ্তে শিক্ষকে ক'ব শুভ্ৰা 'ঘাঁহনিৰ চাৰিওফালে খোজ কাঢ়া,' যাতে দোলনাখনত খুন্দা নোখোৱা।'

খ. শিশুসকলে সঠিকভাৱে কি কৰে আৰু শিক্ষকসকলে বাৰে বাৰে কি কৰাটো বিচাৰে সেইটো সুদৃঢ় কৰক। ইয়াৰ ফলত ইতিবাচক সম্পৰ্কৰ ভিত্তিত পাৰস্পৰিক সম্পৰ্ক গঢ়ি তোলাত সহায় হয়। যেনে— ভাল কাম কৰিছা ৰাজু। সেই ব্লকসমূহৰ নিৰ্মাণত তুমি কঠোৰ পৰিশ্ৰম কৰিছা।

গ. শিক্ষকে শিশুসকলে কি কৰাটো বিচাৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰত্যক্ষ পৰামৰ্শ বা মনত পেলাই দিব লাগে। তেওঁলোকক খং নতুবা গালি নিদিয়াকৈ কামটোত পুণৰ মনোনিৱেশ কৰাত সহায় কৰিব লাগে। যেনে ঃ শিক্ষকে ক'ব— 'মই জানো যে তুমি প্ৰকৃতিৰ ভ্ৰমণ ভাল পোৱা। তুমি ইতিমধ্যে চেণ্ডেলজোৰ পিন্ধিছা, গতিকে আমি যাব পাৰোঁ।' এই ক্ষেত্ৰত শিক্ষকে খৰ-খেদা কৰি চেণ্ডেলযোৰ পিন্ধা যাতে আমি সোনকালে যাব পাৰোঁ।'— বুলি ক'ব নালাগে।

ঘ. সম্ভৱ হ'লে ধনাত্মক পুণৰনির্দেশনা ব্যৱহাৰ কৰক। যেনে— "সেই বলবোৰ থবলৈ এটা খৰাহি আনি দিও, চন্দ্রা। তোমাৰ ওচৰত খেলি থকা ল'ৰা-ছোৱালীবিলাকক সেইধৰণে আমনি নকৰিবা।"

ঙ. শিক্ষকে শিশুসকলক সফলতা লাভ কৰাত সহায় কৰাত মনোনিৱেশ কৰিব আৰু তেওঁ কি শিকাব বিচাৰে সেইটো বুজাবলৈ উপযুক্তভাৱে প্রেৰণা প্রদান কৰিব। যেনে— যেতিয়া তুমি দুটা প্রহেলিকা (পাজ'ল) শেষ কৰিলাই, গতিকে তৃতীয়টোও শেষ কৰিব পাৰিবানে, টেনজিং?

চ. শিক্ষকে শিশুক অনুৰোধ কৰাৰ কাৰণ অৱগত কৰিব। আপোনাৰ অনুৰোধৰ কাৰণসমূহ শিশুসকলক সহজে পোণপটীয়া বক্তব্যৰে জনাব। শিশুৱে যেতিয়া ইয়াক বুজিব পাৰে তেতিয়া তেওঁলোকে সহযোগ কৰাৰ সম্ভাৱনা বৃদ্ধি হ'ব। উদাহৰণস্বৰূপে শিক্ষকে ক'ব লাগে— "পল্লৱী চকীবোৰ সেইফালে নিয়াৰ পৰিৱর্তে যদি তুমি সেই চকীবোৰ এইফালৰ পৰা সেইফালে নিয়া, তেন্তে তুমি আৰু আব্দুলে নাচিবলৈ অধিক ঠাই পাবা।"

**সত্যনিষ্ঠতা**

*বুনিয়াদী পর্যায়ৰ বেছিভাগ শিশুৱেই স্বাভাৱিকভাৱে সৎ আৰু পোণপটীয়া স্বভাৱৰ। এই দিশটো সকলো ক্ষেত্রতে ভিত্তি হিচাবে ব্যৱহাৰ কৰা আৰু উৎসাহিত কৰাটো বিশেষ গুৰুত্বপূর্ণ*

*বহু শিক্ষকে শিশুসকলক সত্য কোৱাৰ বাবে স্বীকৃতি প্রদান আৰু প্রশংসা কৰাৰ অনেক সহজ উপায়। ফলত ইয়াক সঠিক কাম হিচাপে সুদৃঢ় কৰা হয়। ই শিক্ষক আৰু শিশুৰ মাজৰ বন্ধন শক্তিশালী হোৱাত সহায় কৰে।*

*দুজন শিক্ষকৰ কণ্ঠ তলত দিয়া হ'ল*

---

প্রত্যেকদিনে বিদ্যালয়ৰ আৰম্ভণি মোৰ দৰে শিক্ষকৰ কাৰণে এক ব্যস্ততাপূর্ণ সময়।

আজি শ্রেণীৰ বাবে মানসিক প্রস্তুতি চলাই থাকোতে আৰু সন্তানক থৈ যোৱা অভিভাৱকসকলৰ আৰু ল'ৰা-ছোৱালীবিলাকৰ সৈতে মত-বিনিময় কৰি থাকোঁতে, মোৰ এটা ফোন আহিল। সিফালৰ পৰা ব্যক্তিগৰাকীয়ে ক'লে— 'মহাশয়, মই ৰমেনৰ মাক' ৰমেনে বিদ্যালয়ৰ ভিতৰলৈ সোমাবলৈ অস্বীকাৰ কৰিছে। অনুগ্রহ কৰি তাৰ লগত কথা পাতিব পাৰিবনে?

মই মান্তি হ'লো আৰু ৰমেনক সুধিলো যে তাৰ কি হৈছে? সি উত্তৰ দিলে— মোৰ জোতাযোৰ পুৰণা আৰু যথেষ্ট ফাটি গৈছে। মায়ে মোক নতুন জোতা এযোৰ কিনি দিব আৰু মই তেওঁৰ লগত বজাৰ কৰিবলৈ যাব বিচাৰোঁ।

ৰমেনে মোক সঁচা কথাটো কোৱাৰ বাবে মই তাৰ শলাগ ললোঁ আৰু কাৰণ তেওঁ কোনো মিছা কথা ক'বলৈ চেষ্টা কৰা নাই। কেইছেকেণ্ডমান চিন্তা কৰি মই তাক কলো 'নতুন জোতাযোৰ কিনিবই লাগিব, কিন্তু তুমি চুটিৰ পিছত দোকানলৈ গৈ তাৰ পিছত জোতাযোৰ কিনিব পাৰিবা। তেতিয়া তোমাৰ কোনো ক্লাছ ক্ষতি নহ'ব।'

ৰমেন মান্তি হ'ল। নতুন জোতাযোৰ পিন্ধি শ্রেণীলৈ ঘুৰি অহাৰ সময়ত ৰমেনৰ মুখৰ হাঁহিটোৱেই আছিল শিশুৰ সৈতে এনে মূল্যৱান সংযোগৰ মূল্যৰ প্রকৃত প্রমাণ।

---

প্ৰতিদিনে মই ল'ৰা-ছোৱালীক অতি চমু কৰ্মপুথিৰ কৰণীয় কাম দিওঁ। এদিন মন কৰিলোঁ মমতাজৰ কৰ্মপুথিত কোনোধৰণৰ কৰণীয় কাম নাই। যেতিয়া মই সুধিলোঁ যে মই তাইক কাম দিবলৈ পাহিৰ গ'লোঁ নেকি? তাই নিমাত হৈ থাকিল। মই কথাটোত বিশেষ গুৰুত্ব নিদিলোঁ। কিন্তু পিছৰ কেইবাটাও সপ্তাহত এনেকুৱা ঘটনা সঘনাই ঘটিল।

যেতিয়া মই তাইক পুনৰাই সুধিলোঁ তাই উত্তৰ দিলে— 'আপুনি মোক কামবোৰ দি আহিছে, কিন্তু এই কামবোৰ কৰিবলৈ যেতিয়া মই অসুবিধা পালো তেতিয়া মই পৃষ্ঠাবোৰ ফালি পেলালো। মই বৰ দুঃখিত'।

মই তাইৰ সততাৰ প্ৰতি আপ্লুত হৈ পৰিলোঁ । মই তাইক গালি পৰা নাছিলোঁ। মই তাইক কলোঁ যে মই তাইৰ সততা দেখি সঁচাকৈয়ে আপ্লুত হৈছোঁ আৰু তাইক একেবাৰে সহজ কাম কৰিবলৈ দিম আৰু তাই সেইবোৰ কৰিবলৈ প্ৰতিশ্ৰুতি দিলে। আৰু সেইদৰেই পৰৱৰ্তী কেইসপ্তাহমানৰ ভিতৰত তাই কামবোৰ সম্পূৰ্ণ কৰিলে।

## 4.6.4 অনুশাসন ঃ

**অনুশাসন হৈছে শিশুসকলক তেওঁলোকৰ কাৰ্যৰ প্ৰতি দায়ৱদ্ধ হ'বলৈ, আত্মনিয়ন্ত্ৰণ কৰিবৰ বাবে শিকিবলৈ আৰু উপযুক্ত আচৰণ কৰিবলৈ বয়স্ক লোকসকলে ব্যৱহাৰ কৰা নিৰ্দেশনামূলক কৌশলৰ এটা অংশ। অনুশাসনে কেৱল শাস্তি প্ৰদান কৰা বা আচৰণক বাধা দিয়া কাৰ্যক নুবুজায়।**

এটা ভাল নিৰ্দেশনা প্ৰক্ৰিয়াৰ প্ৰধান লক্ষ্য হ'ল— শিশুসকলক আত্ম-অনুশাসন লাভ কৰাত সহায় কৰা। এইটো সম্ভৱ কেৱল যেতিয়া বয়স্কসকলে প্ৰদান কৰা নেতৃত্বই শিশুসকলক আত্মনিয়ন্ত্ৰণ কৰাৰ ক্ষমতাৰ বিকাশত সাহাৰ্য কৰে। শিশুসকলক ক্ৰমান্বয়ে আত্মনিয়ন্ত্ৰণৰ সুযোগ দি বয়স্কসকলে তেওঁলোকৰ মনত বিশ্বাসৰ সঞ্চাৰণ কৰে।

কণ কণ ল'ৰা-ছোৱালীৰ কাৰণে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপৰ সৈতে এইটো এটা ল'বলগীয়া গুৰুত্বপূৰ্ণ পদক্ষেপ। ই অতিৰিক্ত দায়িত্ব আৰু বিশ্বাসৰ লগে লগে আত্মসন্মান আৰু আত্মবিশ্বাসৰ এক অতিৰিক্ত মাত্ৰাৰো সৃষ্টি কৰে। এই ক্ষেত্ৰত শিশুৱে নিজকে সক্ষম আৰু গুৰুত্বপূৰ্ণ বুলি অনুভৱ কৰে। উদাহৰণস্বৰূপে, প্ৰকৃতিৰ ভ্ৰমণত শিশুসকলক আপুনি শিলগুটি গোটাবলৈ লোৱা খৰাহিটো ভালদৰে ল'বলৈ দিয়ক। আভ্যন্তৰীণ খেলাৰ সময়ত শিশুসকলক ছেলফ্/বাকচৰ পৰা সামগ্ৰী আনি পুণৰ আগৰ ঠাইত ৰাখিবলৈ দিয়ক। ডাঙৰ ল'ৰা-ছোৱালীসকলক আনক খাদ্যৰ পৰিৱেশন কৰিবলৈ উৎসাহিত কৰিব লাগে।

বয়স্কসকলৰ নিয়ন্ত্ৰণ হ্ৰাস কৰাৰ লগে লগে শিশুসকলে আত্মসন্মানৰ লগত স্বাধীনতাৰ সোৱাদ ল'ব পাৰে। শিশুসকলে সকলো সময়তে কি কৰিব লাগে এই কথা কৈ থাকিলে তেওঁলোকে স্বাধীনতাক নিয়ন্ত্ৰণ কৰিবলৈ শিকিব নোৱাৰে। যেতিয়া তেওঁলোকে নিজকে পৰীক্ষা কৰাৰ সুযোগ পাব আৰু নিজাববীয়াকৈ কিছুমান সিদ্ধান্ত ল'ব পাৰিব তেতিয়াহে তেওঁলোকে নিজৰ সামৰ্থৰ বিষয়ে জানিব পাৰিব। দায়িত্বশীলভাৱে চম্ভালিব পৰাকৈ স্বাধীনতা প্ৰদান কৰিলেহে কণ কণ ল'ৰা-ছোৱালী বিলাকে বয়স্কসকলৰ পৰা এই কথাবোৰ শিকিব পাৰিব।

*শিক্ষকৰ কণ্ঠ ৪.৬গ*

আজি মই শ্ৰেণীত সোমাৰাৰ সময়ত এক অস্বাভাৱিকতা প্ৰত্যক্ষ কৰিলোঁ। শ্ৰেণীৰ এটা কোণত অলকাই কান্দি আছিল আৰু তাইৰ কাষতে প্ৰণৱ থিয় হৈ আছিল। মোৰ শ্ৰেণীটোৰ অধিক দুষ্ট ল'ৰা-ছোৱালীবিলাকৰ ভিতৰত প্ৰণৱো এজন। গতিকে মোৰ প্ৰথম ধাৰণা হৈছিল যে প্ৰণৱে অলকাক কিবা এটা কৰিলে।

মই কি হ'ল বুলি সুধিলোঁ আৰু সকলোৱে কোৱা শুনিলোঁ। অলকাই নীলাক মাৰিলে আৰু তাই ঔষধ আনিবলৈ গৈছে।

মই আচৰিত হ'লোঁ। কাৰণ অলকা আৰু নীলা ভাল বন্ধু আছিল আৰু ইয়াৰ আগতে অলকাই এনেধৰণৰ কাম কেতিয়াও কৰা নাছিল।

মই অলকাক কিয় কান্দিছে বুলি সুধিলোঁ কিন্তু কোনো উত্তৰ নাপালোঁ। অলপ পিছতেই নীলা শ্ৰেণীলৈ ঘূৰি আহিল- তাইৰ কপালত দুখ পোৱা ঠাইত প্লাষ্টাৰ কৰা আছিল। তাইও মোক ক'লে- অলকাই মোক মাৰিলে।

মই ল'ৰা-ছোৱালীকেইটাক ভালদৰে বহি লৈ কি হৈছে ক'বলৈ ক'লো। কথা-বতৰাবোৰ সামঞ্জস্যপূৰ্ণ আছিল। কথাটো এনেকুৱা আছিল যে- অলকাই শ্ৰেণীকোঠাৰ শিকন সামগ্ৰীবোৰৰ পৰা কাঠৰ গুটিৰ এডাল মালা লৈ ইফালে সিফালে ঘূৰাই আছিল, আৰু সেইডালেৰে নীলাৰ মূৰত খুন্দা লাগিল। নীলায়ো এই ঘটনাটোকে বৰ্ণনা কৰিলে।

ল'ৰা-ছোৱালীবিলাকৰ লগত ঘটনাটো সম্পৰ্কে আলোচনা অব্যাহত ৰাখিলোঁ। অৱশেষত, নীলাকে ধৰি সকলোৱে একমত হ'ল যে অলকাই ভুলক্ৰমে নীলাক খুন্দা মাৰিছিল। অলকা আৰু নীলা দুয়ো শান্ত হৈ পৰিল। মই তেতিয়া অলকা আৰু বাকী ল'ৰা-ছোৱালীবিলাকক সহায় কৰিবলৈ কথা-বতৰা অব্যাহত ৰাখিলোঁ যে তেনেকৈ কাঠৰ গুটিৰ মালাৰে খেলাটো বৰ বিপদজনক আছিল আৰু সেই কাঠৰ গুটিৰ মালাডালৰ ব্যৱহাৰৰ উদ্দেশ্যও বেলেগ আছিল। অলকাই ক্ষমা বিচাৰিলে।

এই ক্ষেত্ৰত প্ৰণৱে অলকাক আঘাত কৰিছে বুলি মোৰ প্ৰথম যি ধাৰণা হৈছিল তাৰ ভিত্তিত মই সিদ্ধান্ত গ্ৰহণ কৰা হ'লে মোৰ ভুল হ'লহেতেন। এইটোও ভুল হ'লহেতেন যদি অলকাই নীলাক মৰা বুলি মই ভাবিলোহেঁতেন।

কিন্তু সকলো ল'ৰা-ছোৱালীৰ বাবে এইটো বুজাটো গুৰুত্বপূৰ্ণ আছিল যে কৰ্মৰ পৰিণতি থাকে, লাগিলে ই উদ্দেশ্য প্ৰণোদিত হওক বা নহওক। এই পৰিস্থিতিটো চম্ভালি লোৱাৰ ধৰণ আৰু ফলাফল উভয়ৰ ওপৰতে মই সন্তুষ্ট হ'লোঁ।

## 4.6.5 শিক্ষকে ব্যৱহাৰ কৰা ভাষা ঃ

শিক্ষকসকলে সমস্যামূলক, আচৰণ নিয়ন্ত্ৰণৰ প্ৰয়োজনীয় অভিজ্ঞতা লাভ কৰাৰ লগে লগে তেওঁলোকে সঠিক ধৰণৰ ভাষা ব্যৱহাৰ কৰিবলৈ শিকে। শিক্ষকসকলে কণ্ঠ কিমান তীক্ষ্ণ হ'ব লাগে আৰু কেনেধৰণৰ শব্দই সৰ্বোত্তম কাম কৰিব আৰু কেতিয়া কৰিব পাৰে সেই বিষয়ে জানিব পাৰে। তেওঁলোকৰ মুখৰ ভঙ্গীমা আৰু এটা স্পৰ্শ বা এটা চাৱনীয়ে শিশুসকলক সচেতন কৰি তোলে। তেওঁলোকে নিজৰ শৰীৰটোক ব্যৱহাৰ কৰাৰ ব্যৱস্থাই অনুশাসনৰ ক্ষেত্ৰত এক সুকীয়া মনোভাৱ আৰু দৃষ্টিভঙ্গী প্ৰতিফলিত কৰে। নতুন শিক্ষকসকলে

অভিজ্ঞতাৰ জৰিয়তে ইয়াক এনেদৰে ব্যৱহাৰ কৰিবলৈ শিকিব লাগে যাতে ই তেওঁলোকৰ আৰু শিশুসকলৰ বাবে সৰ্বোত্তমভাৱে কাম কৰিব পাৰে।

ক. **কণ্ঠ ঃ** ল'ৰা-ছোৱালীবিলাকৰ লগত আন মানুহৰ সৈতে কথা পতাৰ ধৰণেৰে কথা পাতক। কণ্ঠ নিয়ন্ত্ৰিত কৰিবলৈ শিকক আৰু শিশুৱে অনুকৰণ কৰিব পৰাকৈ উপযুক্ত কথা কোৱাৰ ধৰণ ব্যৱহাৰ কৰক। ল'ৰা-ছোৱালীয়ে আপোনাৰ কথা ভালদৰে শুনিবৰ বাবে স্বাভাৱিক সুৰত কথা ক'ব আৰু ওচৰলৈ যাব; শিশুৰ শাৰীৰিক স্তৰৰ সমানলৈ কিছু হাউলি দিয়ক। প্ৰায়ে শব্দস্তৰ আৰু লয় কম কৰাটো ফলপ্ৰসূ হয়।

খ. **শব্দ ঃ** যিমানেই শব্দ কম হয়, সিমানেই ভাল। এবাৰ কোৱা, স্পষ্ট, সৰল বক্তব্যই অধিক প্ৰভাৱ পেলাব। শিশুটিয়ে ইয়াৰ লগত জড়িত প্ৰকৃত বিষয়বোৰৰ ওপৰত গুৰুত্ব দিব পাৰিব। কি হৈছিল তাৰ চমু বৰ্ণনা, কি আচৰণ গ্ৰহণযোগ্য আৰু কি নহয় আৰু সম্ভাব্য সমাধানৰ পৰামৰ্শ দিবৰ বাবে এটা বা দুটা শব্দই যথেষ্ট।

শিক্ষকসকলে শব্দবোৰ ভালদৰে বাচনি কৰি ল'ব লাগিব আৰু বাঞ্চিত ৰূপত প্ৰকাশ কৰিব লাগিব। যেনে— "কিন্নাৰী টুকুৰাটো ট্ৰাকখনৰ পৰা আঁতৰাই দিয়া যাতে আনন্দই পুনৰাই তাত খুন্দা নামাৰে।" ইয়াৰ দ্বাৰা কিন্নাৰীক ইতিবাচক আৰু নিশ্চিতভাৱে কোৱা হয় যে বিল্ডিংটোক সুৰক্ষিত কৰিবলৈ তাই টুকুৰা বা ব্লকটো কি কৰিব পাৰে। তাইক যদি কোৱা হ'লহেতেন, 'কিন্নাৰি তুমি ক'ত নিৰ্মাণ কৰি আছা,' তাই নাজানিব যে সমস্যা সমাধানৰ কাৰণে কি কৰিব লাগে।

গ. **শৰীৰৰ ভাষা ঃ** কণ কণ ল'ৰা-ছোৱালীৰ লগত কাম কৰাৰ সময়ত শিক্ষকে শৰীৰৰ উচ্চতা আৰু অৱস্থানৰ প্ৰতি সচেতন হ'ব লাগিব আৰু শিশুৰ স্তৰলৈ নামি আহিব লাগিব। এটি শিশুৰ মূৰৰ ওপৰৰ পৰা দুই তিনি ফুট ওপৰৰ পৰা বা কোঠাটোৰ এটা মূৰৰ পৰা চিঞৰি মৰম-ভালপোৱা, আদৰ, যত্ন আৰু ব্যগ্ৰতা প্ৰকাশ কৰাটো কঠিন।

শিক্ষকসকলে নিজৰ শৰীৰ ব্যৱহাৰ কৰাৰ ধৰণে শিক্ষাৰ্থীৰ লগত সম্পৰ্কৰ ঘনিষ্ঠতা বা ব্যৱধান আৰু পৰিচিতি নিৰ্ধাৰণ কৰে। এটি শিশুৱে শিক্ষকসকলক তেতিয়াহে অধিক সহজে সম্পৰ্ক স্থাপন কৰিব যদিহে তেওঁলোকে হাত দুখন ভাজ কৰি থিয় হৈ থকাৰ পৰিৱৰ্তে হাত দুখন মুক্তভাৱে ৰাখি শিশুৰ লগত তলত বহে।

ইন্দ্ৰিয়ৰ সম্পূৰ্ণ ব্যৱহাৰ কৰিলে শব্দৰ ব্যৱহাৰ নৰম হ'ব পাৰে। আঘাট পোৱা শিশুৰ হাতত দৃঢ়ভাৱে ধৰাৰ পৰিৱৰ্তে কান্ধত কোমলভাৱে স্পৰ্শ কৰিলে শিশুসকলৰ অনুভৱ হয় যে শিক্ষকগৰাকী তেওঁলোকক আনৰ পৰা ৰক্ষা কৰিবলৈ আছে। চকুৰ যোগাযোগ অতি প্ৰয়োজনীয়। শিক্ষকসকলে চকু আৰু মুখৰ অভিব্যক্তিৰ জৰিয়তে পৰিস্থিতিৰ গম্ভীৰতা প্ৰকাশ কৰিবলৈ শিকিব লাগে। ইয়াৰ দ্বাৰা তেওঁলোকে আশ্বাস, উদ্বেগ, দুখ আৰু মৰম প্ৰকাশ কৰিব পাৰে। শিক্ষকৰ শাৰীৰিক উপস্থিতিয়ে শিশুসকলক এই বাৰ্তা দিব লাগে যে শিক্ষকজন তেওঁলোকৰ লগত আছে, তেওঁলোকৰ বাবে শিক্ষকগৰাকী উপলব্ধ আৰু তেওঁলোকৰ প্ৰতি আগ্ৰহীও।

ঘ. **মনোভাৱ ঃ** মনোভাৱ শিশুক নিৰ্দেশনা দিয়াৰ অকথিত ভাষাৰ অংশ। মনোভাৱ অভিজ্ঞতাৰ পৰাই উদ্ভৱ হয়। শিক্ষকে নিজকে অনুশাসিত কৰাৰ ধৰণটো পৰীক্ষা কৰিব লাগিব আৰু এই ক্ষেত্ৰত ইয়াৰ বিষয়ে তেওঁৰ অভিজ্ঞতা আৰু অনুভৱসমূহ জানিব লাগিব। বিশেষকৈ শিশুৱে তেওঁলোকৰ পাৰিপাৰ্শ্বিকতা আৰু পটভূমিৰ ওপৰত নিৰ্ভৰ কৰি কেনে আচৰণ কৰে তাৰ ওপৰত তেওঁৰ ধাৰণাসমূহ স্পষ্ট হ'ব লাগিব।

শিক্ষকসকলে সমস্যামূলক, আচৰণ নিয়ন্ত্ৰণৰ অভিজ্ঞতা লাভ কৰাৰ লগে লগে তেওঁলোকে সঠিক ধৰণৰ ভাষা ব্যৱহাৰ কৰিবলৈ শিকে। শিক্ষকসকলে কণ্ঠস্বৰ কিমান তীক্ষ্ণ হ'ব লাগে আৰু কেনেধৰণৰ শব্দই সৰ্ব্বোত্তম কাম কৰিব পাৰে আৰু কেতিয়া কৰিব পাৰে সেই বিষয়ে অনুসন্ধান কৰিব লাগে। তেওঁলোক মুখৰ ভঙ্গীমা আৰু এটা স্পৰ্শ বা এটা চাৱনীয়ে শিশুসকলক কি বুজাব সেই বিষয়ে সচেতন হ'ব লাগে। তেওঁলোকে নিজৰ শৰীৰটোক ব্যৱহাৰ কৰাৰ ধৰণে অনুশাসনৰ প্ৰতি এক সুকীয়া মনোভাৱ আৰু দৃষ্টিভঙ্গী প্ৰতিফলিত কৰে। নতুন শিক্ষকসকলে অভিজ্ঞতাৰ জৰিয়তে ইয়াক এনেদৰে ব্যৱহাৰ

কৰিবলৈ শিকিব লাগে যাতে তেওঁলোকে ইয়াক নিজৰ বাবে আৰু শিশুসকলৰ বাবে সৰ্বাধিক ফলপ্ৰসূতাৰে ব্যৱহাৰ কৰিব পাৰে।

## 4.6.6 কি কৰিব নালাগে ঃ

ক. শিশুৰে কি কৰিব নালাগে সেই কথা একেবাৰেহে কৈ থকাৰ পৰা বিৰত থাকক। যদি বয়স্কসকলে বহুতো নেতিবাচক শব্দ ব্যৱহাৰ কৰে যেনে— নহয়, নকৰিবা, বন্ধ কৰা, কাটি পেলোৱা, বা মুখ বন্ধ কৰা তেন্তে শিশুসকলে শিক্ষক, অভিভাৱক বা পৰিচৰ্যাকাৰী ব্যক্তিৰ লগত সুৰ মিলোৱাৰ সিদ্ধান্ত ল'ব পাৰে। অত্যধিক 'নকৰিবা'ই শিশুৰ মনত নেতিবাচক ভাৱৰ সৃষ্টি কৰে।

i. যেনে— বিজয়, কণীটো নেপেলাবাৰ পৰিৱৰ্তে আপুনি ক'ব পাৰে কণী দুটা দুয়ো হাতেৰে এনেকৈ ধৰিবা বিজয়, যাতে হাতৰ পৰা পৰি নাযায় বা নাভাঙে।

ii. যেনে— চিত্ৰা, তোমাৰ কাপোৰযোৰ বোকাত লেটিয়াই নাযাবা, বুলি কোৱাৰ পৰিৱৰ্তে আপুনি ক'ব পাৰে এনেকৈ কাপোৰখন ককালত টানি বান্ধা যাতে তোমাৰ কাপোৰযোৰ লেতেৰা হৈ নাযায়।

খ. শিশুৰ আত্মসন্মান ক্ষতিগ্ৰস্ত হোৱাৰ পৰা সাৱধান হওক।

i. যেনে— যেতিয়া প্লাৱনীয়ে টেবুলত থ'বলৈ নিয়া গাখীৰখিনি টেবুলত পেলাই দিয়ে 'তুমি একো এটা ভালকৈ কৰিব নোৱাৰেনে? বুলি কোৱাৰ পৰিৱৰ্তে কওক 'এই কামটো কঠিন, কোনো কথা নাই আমি মচি দিম আৰু তুমি পুনৰ কৰিলে কামটো সাৱধানে কৰিবলৈ চেষ্টা কৰিবা।'

গ. যেতিয়া কোনো শিশুৱে এটা ভুল কৰে, তেতিয়া যথোপযুক্ত সঁহাৰি জনাওক আৰু কুটুক্তি এৰাই চলক।

ঘ. শিশুৰ আচৰণ নিৰ্বিশেষে আওকাণ নকৰিবলৈ চেষ্টা কৰিব।

ঙ. কেতিয়াও শিশুক আনৰ সন্মুখত সমালোচনা নকৰিব।

নিৰ্দেশনাৰ আটাইতকৈ প্ৰভাৱশালী পদ্ধতিসমূহ হ'ল স্পষ্ট, সুসংগত আৰু ন্যায্য নীতি নিয়ম যিবোৰ সুসংগতভাৱে আৰু মানৱীয়ভাৱে বলৱৎ কৰাৰ প্ৰয়োজন। নিয়ম ভঙ্গৰ পৰিণামৰ বিষয়ে শিশুসকল সচেতন হ'ব লাগে। উপযুক্ত নিৰ্দেশনাৰ ব্যৱস্থাই এটি শিশুৰ সমস্যামূলক আচৰণৰ উপৰিও ইতিবাচক গুণসমূহৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। শিশুসকলৰ কাৰণে নিৰ্দেশনাৰ উপায়সমূহে অধিকতৰ অৰ্থ বহন কৰে যদিহে তেওঁলোকক তেওঁলোকৰ নিজৰ কামৰ দায়িত্ব ল'বলৈ উৎসাহিত কৰা হয় আৰু সমস্যা সমাধান প্ৰক্ৰিয়াৰ অংশীদাৰ কৰা হয়।

### *নৈতিক বাছনি কৰিবলৈ শিকা আৰু পৰিৱেশৰ প্ৰতি সংবেদনশীল হ'বলৈ শিকা*

বুনিয়াদী পৰ্যায়ত শিশুসকলৰ কাৰণে নিজৰ দৈনন্দিন কামৰ অংশ হিচাপে সঠিক কাম কৰিবলৈ শিকাটো প্ৰয়োজনীয়। তেওঁলোকে লগতে সকলো বস্তু আৰু প্ৰকৃতি যত্ন লবলৈ শিকিব লাগিব।

অৱশ্যে, এই বয়সত তেওঁলোকে শিকাৰ ধৰণৰ প্ৰতি লক্ষ্য ৰাখি এই সকলোবোৰ তেওঁলোকৰ দৈনন্দিন কথা-বতৰা আৰু খেল-ধেমালিমূলক কাৰ্য্য-কলাপ, তেওঁলোকে শুনা আৰু কোৱা কাহিনীসমূহৰ জৰিয়তে তেওঁলোকৰ দৈনন্দিন কামৰ অংশ হিচাপে সংযুক্ত কৰিব লাগিব। এই ক্ষেত্ৰত সকলোতকৈ অধিক গুৰুত্বপূৰ্ণ হৈছে শিক্ষকসকলৰ তেওঁলোকৰ কাৰ্যাৱলীৰ প্ৰতি দিয়া সঁহাৰি।

এই অধ্যায়টোত এই বিষয়ৰ বৰ্ণনা দিয়া হৈছে। ইয়াৰ ভিতৰত বিশেষকৈ শিক্ষকৰ কণ্ঠত ইয়াৰ চিত্ৰণ কৰা হৈছে। এইটো হৈছে সঠিক পছন্দসমূহক সুদৃঢ় আৰু উৎসাহিত কৰিবলৈ শিক্ষকসকলে বাছি লোৱা সঠিক ইংগিত আৰু তাৎক্ষণিক পৰিস্থিতিক ব্যৱহাৰৰ পন্থা যাৰ সহায়ত শিশুসকলে সৰ্বাধিক শিকে।

# খণ্ড 4.7

# পৰিৱেশৰ আয়োজন ঃ

## 4.7.1 বহাৰ ব্যৱস্থা ঃ

সহজ আৰু স্বাভাৱিকভাৱে একেলগে বহাটো দলীয়ভাৱে থাকিবলৈ শিকাৰ এটা ভাল উপায়। একেলগে বহা ব্যৱস্থাই বন্ধুত্ব, বন্ধন, আৰু ‘মোৰ পৰা বেলেগ’ যিকোনো শিশুৰ সৈতে একেলগে থকাৰ মনোভাৱক উৎসাহিত কৰে। উদাহৰণস্বৰূপে এটা সৰু গোটত বা এটা বৃহৎ চক্ৰত একেলগে বহাৰ ব্যৱস্থাই শিশুক একেলগে শিকিবলৈ, সহযোগিতা কৰিবলৈ, বৈচিত্ৰ্যক স্বাভাৱিক গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে।

- **বুনিয়াদী পৰ্যায়ত শ্ৰেণীকোঠাত বহাৰ ব্যৱস্থা নমনীয় হোৱাৰ লগতে শ্ৰেণীত ব্যৱহাৰ কৰা শিক্ষাশৈলীক প্ৰতিফলিত কৰিব লাগে।** কেতিয়াবা শিশুক শান্ত, ব্যক্তিগত সময়ৰ প্ৰয়োজন হয়, কেতিয়াবা তেওঁলোকে দুজন হৈ বা সৰু সৰু গোটত কাম কৰে আৰু কেতিয়াবা গোটেই গোটটোৰ সৈতে কাম কৰে।
- বহাৰ ব্যৱস্থা বিভিন্ন ধৰণেৰে সংগঠিত কৰি, শিশুসকলক বৈচিত্ৰ্য আৰু পছন্দৰ সুবিধা প্ৰদান কৰাৰ লগতে শিক্ষাশৈলীৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাটো নিশ্চিত কৰিব পাৰি। **এই পৰ্যায়ত নিৰ্দিষ্ট ব্যক্তিগত আসনৰ প্ৰয়োজন নাই। আচলতে ই শিক্ষক আৰু শিশু উভয়ৰ ক্ষেত্ৰতে প্ৰযোজ্য হ'ব পাৰে।**



## 4.7.2 শ্ৰেণীৰ প্ৰদৰ্শিত আৰু ছপা সমৃদ্ধ পৰিৱেশ ঃ

- শ্ৰেণীকোঠাৰ প্ৰদৰ্শিত পৰিৱেশ শিকন প্ৰক্ৰিয়াৰ অংশ হিচাপে কাম কৰে। শ্ৰেণীকোঠাৰ প্ৰদৰ্শনসমূহ শিশুসকলে তৈয়াৰ কৰি ‘সম্পূৰ্ণ কৰা সামগ্ৰী’ত সীমাবদ্ধ হোৱাটো বাধ্যতামূলক নহয়। এই ক্ষেত্ৰত তেওঁলোকে কৰি থকা কাম সমূহকো অন্তৰ্ভুক্ত কৰিব পৰা যায়। যেনে— কোনো বিশেষ বিষয়ৰ অধ্যয়নৰ কাৰণে ব্যৱহাৰ কৰা শিলগুটি

বা উদ্ভিদৰ সংগ্ৰহসমূহ। প্ৰত্যেকজন শিশুৰ কামকে প্ৰদৰ্শিত কৰা উচিত। কেৱল 'শ্ৰেষ্ঠ' শিশুসকলক কামহে নিৰ্বাচিত কৰা উচিত নহয়। শিক্ষকসকলে প্ৰদৰ্শনীসমূহ আয়োজন কৰাত বয়স অনুসৰি ভাষা আৰু শৈলী নিশ্চিত কৰিব লাগে যাতে সকলো শিশুৰ বাবে সহজে বোধগম্য হয়। প্ৰদৰ্শনীসমূহ শিশুসকলৰ চকুৰ সমান্তৰালকৈ ৰখাৰ ব্যৱস্থা কৰাটো ভাল।

সময়ে সময়ে শিশুসকলক সাল-সলনি কৰি নিজৰ কাম প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিব পাৰি। নিৰ্বাচিত, সম্পূৰ্ণ আৰু ব্যৱহৃত প্ৰদৰ্শনীসমূহ শিশুৰ বক্তিগত প'ৰ্টফলিঅ' যোগ কৰিব পাৰি।

এই প্ৰাৰম্ভিক বছৰবোৰত ভাষা শিকনৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিপ্ৰেক্ষিতত পঢ়া আৰু লিখাক উৎসাহিত কৰিবলৈ ছপা সমৃদ্ধ পৰিৱেশ (যেনে- শব্দৰ বেৰ, শব্দৰ কাৰ্ড, শ্ৰেণীকোঠাৰ বস্তুৰ ওপৰত শব্দ নামাঙ্কণ আৰু সহজে উপলব্ধ শ্ৰেণীকোঠাৰ পুথিভঁৰাল) উপলব্ধতা অতি গুৰুত্বপূৰ্ণ।

## 4.7.3 শ্ৰেণীকোঠাত ভিন্নৰঙী শিকন কোণৰ সংৰচনা ঃ



- শিকন কোণে স্থানসমূহৰ উপযুক্ত সংগঠনে শিশুক আকৰ্ষিত কৰাৰ লগতে তেওঁলোকৰ চিন্তা, আগ্ৰহ আৰু কৌতুহল সৃষ্টিত উদ্দীপনা প্ৰদান কৰে। ইহঁতে স্বতন্ত্ৰ আৰু সহযোগিতামূলক খেলৰ সুযোগৰ লগতে বিভিন্ন কাৰ্যকলাপত অংশগ্ৰহণৰ নমনীয়তা আৰু স্বাধীনতা প্ৰদান কৰে। ই সক্ৰিয় খেলৰ পৰা পৃথক স্থানত শান্ত খেলৰো সুযোগ দিয়ে। ই স্বতন্ত্ৰ শিকন আৰু শিক্ষক নিৰ্দেশিত পাৰস্পৰিকত কাৰ্যকলাপ উভয় দিশকে সহায় কৰে। বিভিন্ন শিকন কোণত বিভিন্ন ধৰণৰ খেলৰ জৰিয়তে শিশুক সামগ্ৰিক বিকাশৰ কাৰণে সুযোগ প্ৰদান কৰিব পৰা যায়। শিকন কোণসমূহত নাটকীয় খেলৰ, খণ্ড/প্ৰহেলিকা, গণিত, কলা/ অঙ্কণ আৰু কিতাপ আদি অন্তৰ্ভুক্ত কৰিব পৰা যায়।

শিক্ষকসকলে শিকন কোণ সংস্থাপন আৰু ৰক্ষণাবেক্ষণত সক্ৰিয় ভূমিকা পালন কৰে। এই কোণসমূহক আকৰ্ষণীয় আৰু সজীৱ কৰি ৰখা আৰু সকলো শিশুৰ শিকনৰ প্ৰয়োজনীয়তা পূৰণ কৰাটো নিশ্চিত কৰাটো তেওঁলোকৰ দায়িত্ব।

ক. শিক্ষকে বিভিন্ন শ্ৰেণীৰ শিশুৰ বাবে উপযুক্ত সামগ্ৰী বাচি ল'ব লাগে। সামগ্ৰীবোৰ এনেকুৱা হ'ব লাগে যাতে কোনো এজন শিশু, যিয়ে মাত্ৰ এটা ধাৰণা শিকিবলৈ আৰম্ভ কৰিছে বা আন এজন যিয়ে ইয়াৰ বিষয়ে অধিক শিকিছে তেওঁলোক সকলোৰে বাবে উপযুক্ত হয়।

খ. শিশুৱে যি সামগ্ৰী বিচাৰে তাক বিচাৰিবলৈ দিব লাগে। প্ৰথম অৱস্থাত, শিশুৱে এটা কোণৰ পৰা আন এটা কোণলৈ সঘনাই অহা-যোৱা কৰিব পাৰে। এবাৰ তেওঁলোক সংস্থাপিত হ'লেই তেওঁলোকে নিজৰ পছন্দৰ কাৰ্যকলাপ আৰু সামগ্ৰীৰ সৈতে অধিক সময়ৰ বাবে গুৰুত্ব সহকাৰে কাম কৰিবলৈ আৰম্ভ কৰে।

গ. শিক্ষকে সপ্তাহটোৰ ভিতৰত শিশুসকলক সকলো কোণলৈ যাবলৈ উৎসাহিত কৰিব লাগে। যদি সীমিত সামগ্ৰী থাকে, তেন্তে শিক্ষকে প্ৰতি দিনে প্ৰতিটো কোণ ল'ৰা-ছোৱালীৰ সংখ্যাৰ ভিত্তিত ব্যৱহাৰ কৰাৰ সিদ্ধান্ত ল'ব পাৰে। কিছুমান সামগ্ৰী ১৫ দিনৰ মূৰে মূৰে সলনি কৰিব পৰা যায়। ই শিশুসকলক নতুন নতুন বস্তু অন্বেষণ কৰিবলৈ উৎসাহিত কৰিব। শিক্ষকে নিৰ্ধাৰিত সময়ৰ নিৰ্ধাৰিত শিকন ফলশ্ৰুতিৰ সৈতে শিকন সামগ্ৰীখিনি খাপ খুৱাই লোৱাৰ ব্যৱস্থা কৰিব পাৰে।

ঘ. যেতিয়া ল'ৰা-ছোৱালীয়ে শিকন কোণত খেলি থাকে, তেতিয়া শিক্ষকে শিশুসকলৰ এটা গোটৰ পৰা আনটো গোটলৈ যোৱাৰ, তেওঁলোকৰ সৈতে যোগাযোগ কৰাৰ আৰু তেওঁলোকৰ সৈতে খেলাৰ প্ৰয়োজন হ'ব পাৰে। তেওঁ শিশুসকলৰ গোটসমূহৰ আধা অংশক তেওঁলোকৰ সময় মুক্ত ক্ৰীড়া হিচাপে ব্যৱহাৰ কৰিবলৈ দিব পাৰে আৰু আন আধা অংশৰ বাবে নিৰ্দেশিত বা গাঁঠনিক খেলত মনোনিৱেশ কৰিবলৈ দিব পাৰে, যিয়ে তেওঁলোকক নিৰ্দিষ্ট কিবা এটা শিকিবলৈ সহায় কৰিব।

ঙ. শিক্ষকসকলে শিশুসকলে কোণসমূহ কেনেদৰে ব্যৱহাৰ কৰিছে তাক পৰ্যৱেক্ষণ কৰিব লাগিব। তেওঁ প্ৰশ্ন কৰিব পাৰে, কোনো ধাৰণা এটাৰ পৰিচয় দিব পাৰে বা ইয়াক সম্প্ৰসাৰিত কৰিব পাৰে, এটা প্ৰহেলিকা সমাধানৰ সূত্ৰ দিব পাৰে, কাহিনী এটাৰ কোনো এটা দিশ স্পষ্ট কৰিব পাৰে, শিশুসকলৰ সঁহাৰি লিপিবদ্ধ কৰিব পাৰে আৰু শিশুৱে কি কৰিছে তাৰ উপাখ্যানৰ টোকা ৰাখিব পাৰে। এই প্ৰক্ৰিয়াই শিক্ষকসকলক পৰ্যৱেক্ষণৰ ভিত্তিত পিছৰ দিনা, পিছৰ সপ্তাহ বা মাহৰ পৰিকল্পনা কৰাৰ সময়ত তথ্যসমৃদ্ধ সিদ্ধান্ত লোৱাত সহায় কৰে।

চ. শিশুৱে শিক্ষকে শিকন কোণ ব্যৱহাৰ কৰাৰ সময়ত তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰিব লাগিব।

*অধিক বিৱৰণৰ কাৰণে অনুগ্ৰহ কৰি শিকন পৰিৱেশৰ ওপৰত অধ্যায় ৫ অংশ ৫.৬ চাওক।*

# অধ্যায় 5

# পাঠদানৰ কাৰণে নিৰ্বাচন, সংগঠন আৰু বিষয়বস্তুৰ প্ৰাসংগিকৰণ ঃ

শিক্ষণ-শিকন প্ৰক্ৰিয়াত ব্যৱহাৰ কৰিবলগীয়া বিষয়সূচীৰ ভিতৰত শিকন পৰিৱেশ, শিক্ষণ-শিকন সামগ্ৰী আৰু কিতাপ আদি অন্তৰ্ভুক্ত। বিষয়সূচীৰ বাছনি অধিকাংশ গ্ৰহণ কৰা শিক্ষাশৈলীমূলক দৃষ্টিভঙ্গীৰ লগতে লাভ কৰিবলগীয়া অৰ্হতা আৰু শিকন ফলশ্ৰুতিৰ দ্বাৰা নিৰ্ধাৰিত হয়।

- **বুনিয়াদী পৰ্যায়ৰ কাৰণে শিকন পৰিৱেশৰ বিন্যাস আৰু সংগঠন অতি গুৰুত্বপূৰ্ণ। বুনিয়াদী পৰ্যায়ৰ শিশুসকলে, নিজৰ সকলো ইন্দ্ৰিয় ব্যৱহাৰ কৰি নিজৰ চৌপাশৰ বস্তুগত জগতখনৰ উপযুক্ত ব্যৱহাৰ আৰু ইয়াৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ অধিক ফলপ্ৰসূতাৰে শিকিব পাৰে। সচেতনভাৱে নিৰ্বাচিত শিক্ষণ-শিকন সামগ্ৰীসমূহে শ্ৰেণীকোঠাত এক সমৃদ্ধ সংবেদনশীল অভিজ্ঞতা প্ৰদানৰ সক্ষম পৰিৱেশ সৃষ্টিত এক অপৰিহাৰ্য ভূমিকা গ্ৰহণ কৰে।**



# খণ্ড 5.1

# পাঠ্যসূচীৰ বিকাশ সাধন ঃ

এই পৰ্যায়ৰ পাঠ্যক্ৰমৰ ৰূপৰেখাই পাঠ্যক্ৰমৰ নিৰ্ধাৰিত লক্ষ্য আৰু আয়ত্ব কৰিব লগা অৰ্হতাসমূহ উল্লেখ কৰে আৰু বিষয়সূচী নিৰ্বাচন, এই পৰ্যায়ৰ প্ৰাসঙ্গিক শিক্ষাশৈলীৰ বিভিন্ন নীতি আৰু উপযুক্ত মূল্যায়নৰ কৌশল সমূহৰো বৰ্ণনা প্ৰদান কৰে। এই ৰূপৰেখাই পাঠ্যক্ৰমৰ বিভন্ন ক্ষেত্ৰৰ বাবে বাঞ্চিত শিকন ফলাফলৰ লগত সামাঞ্জস্য ৰাখি প্ৰয়োজনীয় সময়ৰ আৱণ্টনৰ বিষয়েও পৰামৰ্শ দিয়ে।

পাঠ্যক্ৰমৰ প্ৰস্তুতকাৰীসকলে এইবোৰক 'ইনপুট' হিচাপে লোৱাটো প্ৰয়োজন আৰু বিদ্যালয়ৰ (স্থানীয়) সামাজিক-সাংস্কৃতিক পৰিৱেশৰ প্ৰেক্ষাপট, শিক্ষকৰ সামৰ্থ, বিদ্যালয়ৰ আন্তঃগাথনি আৰু বস্তুগত পৰিৱেশ ইত্যাদি বিবেচনা কৰাৰ পাছত পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগিব।

**ক.** ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাত উল্লেখ কৰা প্ৰতিটো অৰ্হতাৰ বাবে বিষয়সূচীত শিকন ফলাফল পুনৰ উল্লেখ কৰিব লাগে। ওপৰত উল্লেখ কৰা ধৰণে স্থানীয় প্ৰেক্ষাপটসমূহৰ বিবেচনাৰ ভিত্তিত এই কাম কৰিব লাগে। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত উল্লেখ কৰা শিকন ফলাফলসমূহে এক উপযোগী নিৰ্দেশক হিচাপে কাম কৰিব পাৰে।

◇ খ. **বিষয়সূচীয়ে স্থানীয় প্ৰেক্ষাপটৰ বিবেচনাৰ সৈতে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ নীতি আৰু নিৰ্দেশনা, আৰু শিকন ফলাফলৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট বিষয়বস্তু আৰু সামগ্ৰীৰ বাছনি কৰিব লাগে।** বিষয়বস্তু নিৰ্বাচনৰ নীতি, বিষয়বস্তু সংগঠিত কৰাৰ পদ্ধতি, শিক্ষণ-শিকন সামগ্ৰীৰ নিৰ্বাচন ইত্যাদিৰ বিষয়ে এই অধ্যায়ৰ পিছৰ অংশসমূহত অধিক বিশদভাৱে উল্লেখ কৰা হৈছে।

গ. শিকন ফলশ্ৰুতি আৰু বিষয়বস্তু নিৰ্বাচনৰ ওপৰত ভিত্তি কৰি পাঠ্যসূচীত শিকন অভিজ্ঞতা আৰু শিক্ষকসকলে ইয়াক প্ৰদান কৰাৰ ক্ষেত্ৰত অনুসৰণ কৰিব লগা ক্ৰমে উল্লেখ কৰিব লাগে। এই ক্ৰমবিন্যাসৰ বাবে বিভিন্ন শিকন ফলশ্ৰুতি বাস্তৱায়িত কৰিবৰ বাবে সময় আবণ্টন উপযুক্তভাৱে ভাৰসাম্যপূৰ্ণ হোৱাটো প্ৰয়োজন। শিক্ষাশৈলী সম্পৰ্কিত ৪ নং অধ্যায়ত উল্লেখ কৰা নিৰ্দেশনা আৰু পদ্ধতিসমূহে পাঠ্যক্ৰম প্ৰস্তুতকাৰীসকলক বিভিন্ন কাৰ্য্যকলাপ আৰু শিকন অভিজ্ঞতা সৃষ্টি কৰাত সহায় কৰিব।

◇ ঘ. **বুনিয়াদী পৰ্যায়ৰ, শিক্ষকসকলৰ বাবে তেওঁলোকে সম্পাদন কৰিব লগা ক্ৰিয়া-কলাপৰ বৰ্ণনা যুগুত পুথি আৰু অন্যান্য হাতপুথি প্ৰস্তুত কৰাৰ প্ৰয়োজন, যিয়ে তেওঁলোকক পাঠ্যক্ৰমত পৰিকল্পিত ক্ৰমৰ মাজেৰে অগ্ৰসৰ হোৱাত পথ প্ৰদৰ্শন কৰিব।** এই অধ্যায়ত 'কিতাপ আৰু পাঠ্যপুথি' সম্পৰ্কিত ৫.৫ নং অংশই পাঠ্যক্ৰম প্ৰস্তুসকাৰীসকলৰ অধিক নিৰ্দেশনা প্ৰদান কৰিব।

◇ ঙ. পাঠ্যসূচীত মূল্যায়নৰ বাবে বিশদ নিৰ্দেশনা প্ৰদান কৰিব লাগে। ইয়াৰ ভিত্তিত পাঠ্যক্ৰমত উল্লেখ কৰা শিকন ফলশ্ৰুতিৰ বাস্তৱ ৰূপায়ণৰ সফলতা পৰীক্ষা কৰে। (অনুগ্ৰহ কৰি মূল্যায়ন অধ্যায় ৬ চাওক)। এই নিৰ্দেশনাসমূহে শিক্ষকসকলক বিদ্যালয়ৰ প্ৰয়োজনীয় নিৰ্দিষ্ট মূল্যায়নসমূহ ব্যৱস্থা প্ৰস্তুত কৰাত সহায় কৰিব লাগে। এই পৰ্যায়ৰ বাবে নিৰ্ধাৰিত অৰ্হতা আৰু শিকন ফলশ্ৰুতিৰ ওপৰত ভিত্তি কৰি পাঠ্যক্ৰমে সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ডৰ বাবে এক নিৰ্দিষ্ট বিন্যাসৰ প্ৰস্তুত কৰিব লাগে।

# খণ্ড 5.2

# বিষয়সূচী নিৰ্বাচনৰ নীতি ঃ

শিশুসকলক নিৰ্ধাৰিত শিকন অভিজ্ঞতা প্ৰদানৰ বাবে বিষয়সূচী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত শিশুৱে আয়ত্ব কৰিব লগা অৰ্হতা আৰু শিকনৰ ফলশ্ৰুতিয়ে স্পষ্ট পথ নিৰ্দেশনা প্ৰদান কৰে যদিও বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত মনত ৰাখিবলগীয়া আন বহুতো চৰ্ত আছে। এনে কিছুমান চৰ্ত তলত উল্লেখ কৰা হৈছে—

- ক. বুনিয়াদী পৰ্যায়ত গঠিত ধাৰণাসমূহ বহুলাংশে উপলব্ধিমূলক (যেনে— দৃষ্টিমূলকভাৱে বৈষম্যমূলক ৰং) আৰু ব্যৱহাৰিক (যেনে— টিনৰ ঢাকোন এখন খুলিবলৈ লিভাৰ হিচাপে চামুচ ব্যৱহাৰ কৰা, দোকান এখনত বস্তু কিনিবলৈ টকা-পইচা ব্যৱহাৰ কৰা) তাত্বিক নহয় (যেনে— পোহৰৰ বৰ্ণালী হিচাপে ৰং, সৰল যন্ত্ৰ হিচাপে লিভাৰ বা বিনিময়ৰ মাধ্যম হিচাপে ধন)। উপলব্ধিমূলক আৰু ব্যৱহাৰিক ধাৰণাসমূহৰ আঁৰৰ তত্ত্বসমূহ অন্বেষণ কৰাটো কেৱল স্কুলীয়া শিক্ষাৰ পিছৰ পৰ্যায়তহে আশা কৰা হয়। সেয়েহে, নিৰ্বাচিত বিষয়বস্তুসমূহ শিশুৰ ইন্দ্ৰিয়সমূহক আকৰ্ষণ কৰিব পৰা বিষয়ে হ'ব লাগে। (যেনে— শিশুৰ ইন্দ্ৰিয়সমূহ সক্ৰিয় কৰিব লাগে আৰু নান্দনিক আবেদন থাকিব লাগে।) শিশুৰ ব্যক্তিগত অভিজ্ঞতাৰ প্ৰেক্ষাপটত কাৰ্যকৰীভাৱে প্ৰাসংগিক হ'ব লাগে।
- খ. **শিশুসকলৰ জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত বিষয়সূচী আহৰণ কৰিব লাগে আৰু শিশুটিয়ে বিকাশ আৰু বৃদ্ধি লাভ কৰা নিৰ্ধাৰিত সাংস্কৃতিক, ভৌগোলিক আৰু সামাজিক প্ৰেক্ষাপটক প্ৰতিফলিত কৰিব লাগে।** কোনো সম্প্ৰদায় বা দলৰ কাম-কাজ, ৰন্ধা-বঢ়া, ভ্ৰমণ, লোকগীত আৰু কাহিনী, উৎসৱ, অনুষ্ঠান আদিৰ দৈনন্দিন ক্ৰিয়া-কলাপসমূহৰ লগত পদ্ধতিগতভাৱে পৰিচিত হোৱাৰ আৰু অভিজ্ঞতা লাভ কৰাৰ সুযোগ শিশুৱে লাভ কৰিব লাগে।

  গ. বিষয়সূচী চিনাকিৰ পৰা অচিনাকিলৈ, সহজৰ পৰা জটিললৈ আৰু নিজৰ পৰা আনলৈ প্ৰবাহমান হ'ব লাগে। কণ-কণ ল'ৰা-ছোৱালীয়ে নিজৰ তাৎক্ষণিক পৰিৱেশৰ সামগ্ৰী আৰু পৰিঘটনাসমূহ চম্ভালিব পাৰে আৰু ইয়াৰ প্ৰতি আগ্ৰহী হয়। কাৰণ ই তেওঁলোকৰ নিজৰ জীৱনৰ লগত সম্পৰ্কিত হয়। লাহে লাহে, বিষয়বস্তু অধিক জটিল হ'ব লাগে আৰু শিশুৰ ওচৰৰ পৰিৱেশত নোপোৱা বিষয়ও অন্তৰ্ভুক্ত কৰিব লাগে।
- ঘ. যিহেতু বৌদ্ধিক বিকাশৰ লক্ষ্য হৈছে নিজৰ চাৰিওফালৰ জগতখনৰ বিষয়ে জনা আৰু নিজৰ পৰিৱেশৰ সৈতে সফলতাৰে সমাযোজন স্থাপনত সহায় কৰা। গতিকে **বিষয়সূচীয়ে এনে বিষয় আৰু প্ৰসংগ প্ৰতিফলিত কৰিব লাগে যি শিশুক তেওঁ ডাঙৰ-দীঘল হোৱা বা বিকাশ হোৱা প্ৰাকৃতিক আৰু মানৱীয় পৰিৱেশ, সামাজিক আৰু ভৌতিক জগতখন, মানুহ, স্থান, জীৱ জগত, জড় জগত ইত্যাদিৰ লগত বিশেষভাৱে পৰিচিত কৰিব পাৰে।**
- ঙ. বিষয়সূচী (তেওঁলোকে প্ৰয়োজনীয়) দক্ষতা অৰ্থাৎ শিশুৰ ব্যক্তিগত বৈশিষ্ট্যৰ সম্পৰ্কিত হ'ব লাগে। সকলো শিশুৱেই পৰস্পৰ ভিন্ন আৰু তেওঁলোকে নিজস্ব গতিত শিক্ষা আহৰণ কৰে। **গতিকে বিষয়বস্তু বৈচিত্ৰময় আৰু শিশুৰ ভিন্নমুখী আগ্ৰহভিত্তিক হ'ব লাগে। গতিকে বিষয়সূচীত একাধিক স্তৰৰ কাৰ্যকলাপ** আৰু অভিজ্ঞতা প্ৰদান কৰিব লাগে যাতে ই প্ৰত্যেক শিশুৰ তেওঁলোকৰ ক্ষমতা আৰু দক্ষতাৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হোৱাত সহায় কৰিব পাৰে।
- চ. **শিশুক কুসংস্কাৰসমূহৰ পৰা দূৰত ৰাখিবলৈ বিশেষ সাৱধানতা অৱলম্বন কৰিব লাগে** যেনে— ফেঁচা আৰু সাপক অশুভ হিচাপে আৰু ক'লা মানুহক ভয়ঙ্কৰ বুলি বা মাকেই কেৱল পাকঘৰ চম্ভালে ইত্যাদি।

## 5.2.1 ভাষাৰ কাৰণে বিষয়সূচী ঃ

ভাষাৰ পাঠ্যপুথিসমূহত গল্প আৰু কবিতাসমূহ ভাৰসাম্যপূৰ্ণ হ'ব লাগে। লগতে ই স্থানীয় প্ৰাকৃতিক আৰু মানৱ পৰিৱেশৰ লগত সম্পৰ্কিত বিষয়বস্তুৰ হ'ব লাগে। গল্প আৰু কবিতাই কণ কণ ল'ৰা-ছোৱালীৰ কল্পনা আৰু ভাষিক সামৰ্থ বৃদ্ধি কৰে। আনহাতেদি উদ্ভিদ, প্ৰাণী জগত, সামাজিক আৰু সাংস্কৃতিক দিশৰ লগত পৰিচিত হোৱাৰ লগতে শিশুসকলক নিজৰ চৌপাশৰ জগতখনৰ বিষয়ে জ্ঞাত হোৱাত সহায় কৰে।

### পাঠ্য বিষয়ক বিষয় বস্তু ঃ

ক. প্ৰাৰম্ভিকভাৱে পঢ়িবলৈ শিকা শিশুসকলক অৰ্থ বুজাত সহায় কৰিবলৈ প্ৰাৰম্ভিক শ্ৰেণীৰ পাঠ্যসূচীত বিষয়বস্তুক অধিক দৃশ্যমান আৰু স্পষ্ট কৰিবৰ বাবে পৰ্যাপ্ত ছবি আৰু চিত্ৰ ভিত্তিক বৰ্ণনা থাকিব লাগে।

খ. বৰ্ণ আৰ্হি (ফন্ট) ৰ নিৰ্বাচনৰ ক্ষেত্ৰত নান্দনিক আবেদনৰ পৰিৱৰ্তে দৃশ্যগত জটিলতা হ্ৰাস কৰাত অগ্ৰাধিকাৰ দিব লাগে।

গ. বৰ্ণৰ আৰ্হিবোৰ (ফন্ট) ৰ নূন্যতম আকাৰ ১৪ হ'ব লাগে।

ঘ. ব্যৱহৃত শব্দভাণ্ডাৰত ভাষাৰ মান্য লিখিত ৰূপতকৈ শিশুৰ কথিত ভাষাৰ চিনাকি আৰু অচিনাকি শব্দৰ বিবেচনাপূৰ্ণ মিশ্ৰণ থকাটো প্ৰয়োজন (বহু ভাৰতীয় ভাষাৰ কথিত আৰু লিখিত ৰূপত অতি সুকীয়া শব্দভাণ্ডাৰ থাকে।)।

### বিষয়বস্তুৰ ৰূপসমূহ ঃ

ক. **পাঠ্যপুথি/কৰ্মপুথি**- পাঠ্যপুথি প্ৰথম শ্ৰেণীতে আৰম্ভ কৰিব পৰা যায় যদিও ইয়াত শিশুসকলৰ কাৰণে সক্ৰিয় আত্ম-নিয়োজনৰ সুযোগ থাকিব লাগে। পাঠ্যপুথি আৰু কৰ্মপুথি পৰস্পৰ পৰিপূৰক হ'ব লাগে।

খ. **শিশু সাহিত্য**- ভাষাৰ শ্ৰেণীকোঠাৰ বাবে ভাল আৰু পৰ্যাপ্ত শিশু সাহিত্য থকাটো অতি প্ৰয়োজনীয়। ইয়াৰ ভিতৰত কাহিনী, সংগীত আৰু স্থানীয় সংস্কৃতিৰ অন্যান্য ৰূপসমূহো অন্তৰ্ভুক্ত হ'ব লাগে। উদাহৰণস্বৰূপে, এই নিচুকনি গীত দুটাক শ্ৰেণীকোঠাত গোৱা গীত ৰূপে অন্তৰ্ভুক্ত কৰিব পাৰি।

| | |
|---|---|
| *আমাৰে মইনা শুব এ<br>বাৰীতে বগৰী ৰুব এ<br>বাৰীৰে বগৰী পকী<br>সৰি যাব<br>মইনাই বুটলি খাব।* | *শিয়ালীয়ে নাহিবি ৰাতি<br>তোৰে কাণে কাটি<br>লগামে বাটি।<br>শিয়ালীৰ মূৰতে মৰুৱা ফুল,<br>শিয়ালী পালেগৈ ৰতনপুৰ।* |

শ্ৰেণীকোঠাত শিশু সাহিত্যৰ আকৰ্ষণীয় কিতাপৰ আলমিৰা থাকিব লাগে। শিক্ষকে তেওঁলোকৰ সাপ্তাহিক পৰিকল্পনাৰ ভিত্তিত, বিভিন্ন কিতাপৰ প্ৰদৰ্শন সলনি কৰাৰ ক্ষেত্ৰত সক্ৰিয় আগ্ৰহ প্ৰকাশ কৰিব লাগে।

গ. **কাৰ্যপত্ৰ ঃ** শিশুৱে বাছি লোৱা, কৰা আৰু নিজাববীয়াকৈ কাম কৰি সম্পূৰ্ণ কৰা সৰল কাৰ্যপত্ৰিকাসমূহে শিশুৰ সাক্ষৰতামূলক কামৰ অনুশীলন আৰু গঠনমূলক মূল্যায়ন দুয়োটাতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

ঘ. **সামগ্ৰী ঃ** ফ্লেচকাৰ্ড, কাৰ্ডবোৰ্ড, বালিকাগজত বৰ্ণৰ ৰূপ, খেল, প্ৰহেলিকা আৰু অন্যান্য কাৰ্যকলাপৰ ক্ষেত্ৰত ব্যৱহৃত সামগ্ৰীয়ে ভাষা আৰু সাক্ষৰতাৰ ক্ৰিয়া-কলাপক সক্ৰিয় আৰু আকৰ্ষণীয় কৰি ৰাখে।

ঙ. **শ্ৰব্য-দৃশ্যমূলক সামগ্ৰী ঃ** স্মাৰ্টফোনৰ দৰে ডিজিটেল ডিভাইচ সৰ্বব্যাপি থকাৰ বাবে ভাল মানদণ্ডৰ শ্ৰব্যমূলক সামগ্ৰী প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে অতি ফলপ্ৰসূ হ'ব পাৰে। শিশুসকলৰ বাবে আন্তক্ষৰিক পদ্য, কাহিনী আৰু অন্যান্য আখ্যানসমূহ মৌখিক ভাষাৰ 'ইনপুট' নিবেশৰ এটা ভাল উৎস হ'ব পাৰে।

## 5.2.2 গণিতৰ বিষয়সূচী ঃ

ভাষাৰ দৰে, গণিতৰ বিষসমূহেও স্থানীয় পৰিৱেশৰ সৈতে থকা সম্পৰ্কক প্ৰতিবিম্বিত কৰে। গাণিতিক ক্ৰিয়াকলাপ, আকৃতিৰ বোধেই হওঁক বা গণনা কৰাই হওঁক সকলো গাণিতিক কাৰ্য্যকলাপকেই প্ৰাকৃতিক আৰু মানৱ পৰিৱেশৰ সৈতে সম্পৰ্কৰ লগত একত্ৰিত কৰিব পাৰি।


ক. **পাঠ্যপুথি আৰু কৰ্মপুথিত** প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত গণিতৰ বাবে ধাৰণাগত বিষয়টো শিশুসকলৰ বাবে আকৰ্ষণীয় আৰু চিত্তাকৰ্ষক আখ্যানৰ ভিত্তিত সন্নিৱিষ্ট কৰাটো প্ৰয়োজন। উদাহৰণস্বৰূপে— তলৰ চিত্ৰটোত ডাঙৰ আৰু সৰুৰ ধাৰণাটো এটা সহজ কাহিনীৰ জৰিয়তে প্ৰৱৰ্তন কৰা হৈছে।





খ. শ্ৰেণীকোঠাত পাঠ্যপুথি আৰু কৰ্মপুথিত থকা বিষয়বস্তু সঠিক আৰু নিপুণ ব্যৱহাৰৰ দ্বাৰা পৰিপূৰক হ'ব লাগে। গণনা, আকৃতি, ক্ৰমবিন্যাস— এই সকলোবোৰৰ ব্যৱহাৰ মূৰ্ত্তভাৱে আৰু কলম কাগজৰ ব্যৱহাৰ উভয় প্ৰকাৰে সম্পাদিত হোৱাৰ প্ৰয়োজন।

## 5.2.3 কলাৰ বাবে বিষয় ঃ

- **কলা শিকনৰ অভিজ্ঞতাসমূহ নিৰ্দিষ্ট শিকন ফলশ্ৰুতিৰ ওপৰত আৰু বিদ্যালয়ৰ স্থানীয় প্ৰেক্ষাপটৰ পৰা আহঁৰণ কৰা বিষয়বস্তুৰ ওপৰত গুৰুত্ব প্ৰদান কৰা কাৰ্য্যকলাপ হিচাপে পৰিকল্পনা কৰিব লাগে।** শিক্ষকসকল তেওঁলোকৰ বিদ্যালয়ত শিশুসকলৰ জীৱনৰ চাৰিওফালে থকা ৰং আৰু আৰ্হিৰ প্ৰতি মনোযোগী হ'ব লাগে আৰু সেইবোৰ দৃশ্যকলাৰ শ্ৰেণীকোঠাত লগত সংযুক্ত কৰিব লাগে। এইদৰে, সংগীত, চলাচল আৰু নাটক আদি পৰিৱেশ্য কলাৰ প্ৰেক্ষাপটত গীত পৰিৱেশন শৈলী, সুৰ, নৃত্য আৰু কাহিনী (লোক আৰু সমসাময়িক উভয়)ৰ স্থানীয় ৰূপসমূহ ব্যৱহাৰ কৰিব লাগে।











# খণ্ড 5.3

# বিষয়সূচী সংগঠিত কৰাৰ পদ্ধতি ঃ

'খেল'ক শিশুৰ প্ৰাথমিক অভিজ্ঞতা হিচাপে লৈ প্ৰথম কেইবছৰৰ শিকনৰ বিষয় বিভিন্ন ধৰণে সংগঠিত কৰিব পাৰি। অধিক ভাবে ব্যৱহৃত কিছুমান দৃষ্টিভঙ্গী তলত বৰ্ণনা কৰা হৈছে।

## 5.3.1 প্ৰকল্পভিত্তিক পদ্ধতি ঃ

- **প্ৰাথমিক শিক্ষাত হাতে-কামে শিক্ষা অতি গুৰুত্বপূৰ্ণ। বিশেষভাৱে সমনীয়াৰ সৈতে সহযোগী হিচাবে জড়িত হৈ থকা প্ৰকল্পসমূহে শিশুসকলক বহল পৰিসৰৰ দক্ষতাৰ বিকাশ কৰিবলৈ সক্ষম কৰে।** শিশুসকলে সন্মুখীন হোৱা কোনো নিৰ্দিষ্ট প্ৰশ্ন, সমস্যা আৰু প্ৰত্যাহ্বানৰ ওপৰত এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ধাৰাবাহিকভাৱে কাম কৰিবলৈ সক্ষম হোৱাৰ লগে লগে প্ৰকল্পকেন্দ্ৰীক শিকন পৰিৱেশত জ্ঞান আৰু দক্ষতা লাভ কৰে। স্বাভাৱিকভাৱে প্ৰকল্পসমূহৰ লগত নমনীয়তা আৰু ধাৰাবাহিকতা জড়িত হৈ থাকে। ইয়াৰ ফলত প্ৰতিটো শিশুৱে অনুসন্ধান আৰু আৱিষ্কাৰ কৰিব পাৰে, যাৰ ফলত তেওঁলোকৰ সমালোচনামূলক চিন্তা আৰু সমস্যা সমাধানৰ ক্ষমতাৰ বিকাশ ঘটে। ইয়াৰ ফলত শিশুসকলে ইজনে সিজনৰ লগত সহযোগিতা কৰিবলৈ সুযোগ পায়, নিজকে পৰিচালনা কৰা, প্ৰশ্ন কৰা আৰু আনুসন্ধান কৰিবলৈ শিকে, যি শিকন কাৰ্যত সহায় কৰে। এই সকলোবোৰক কেৱল স্কুলীয়া শিক্ষাৰ বাবেই নহয়, পৰৱৰ্তীকালত সফলতাৰ বাবেও প্ৰয়োজনীয় জীৱনশৈলী হিচাবে বিবেচনা কৰিব পাৰি।

এই পৰ্যায়ৰ প্ৰকল্পসমূহ, কণ-কণ ল'ৰা-ছোৱালীৰ সামৰ্থ অনুযায়ী চুটি আৰু সহজ হ'ব লাগে। প্ৰকল্প ভিত্তিক শিকনৰ মূল চাবিকাঠি হৈছে প্ৰামাণ্যতা। এই ক্ষেত্ৰত শিশুসকলৰ বাস্তৱ জগতৰ প্ৰেক্ষাপটত হয় আৰু তেওঁলোকৰ নিজস্ব আগ্ৰহ আৰু প্ৰশ্নৰ ভিত্তিক প্ৰকল্পৰ কাৰ্যসমূহ গ্ৰহণ কৰিবলৈ দিয়া হয়। শিশুসকলক অন্বেষণ, আৱিষ্কাৰ, আৰু সমালোচনাৰ বাবে নিৰন্তৰ আৰু বাস্তৱ জগতৰ সুযোগ প্ৰদান কৰা হয়, এই কাৰ্য সমূহে তেওঁলোকৰ বিকাশ আৰু শিকনত অৰিহণা যোগায়।

প্ৰকল্প এটা কৰাৰ সময়ত বা ইয়াৰ ফলাফল লাভৰ সময়ত কোনো শুদ্ধ বা ভুল উত্তৰ নাথাকে। ইয়াৰ অৰ্থ হ'ল, শিশুৱে বিফলতাৰ ভয় নোহোৱাকৈ নিজৰ সৃষ্টিশীল চিন্তাধাৰাৰে অন্বেষণ কৰিব পাৰে। এইদৰে প্ৰকল্পসমূহে শিশুৰ স্বাভাৱিক কৌতুহলক পূৰণ কৰে আৰু অন্বেষণ আৰু আৱিষ্কাৰৰ সুবিধা দিয়ে। শিশুসকলৰ শিকনৰ প্ৰয়োজনীয়তা তেতিয়াহে পূৰণ হয়, যেতিয়া তেওঁলোকৰ আগ্ৰহ আৰু সৃষ্টিশীলতাৰ পৰিতৃপ্তিৰ ব্যৱস্থা কৰা হয়।

প্ৰকল্পৰ এটা সুবিধা হ'ল- ই ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ পৰা মুখস্ত কৰাৰ আৰু সাধাৰণভাৱে বিষয়বস্তু পঢ়ি অধ্যয়ন কৰাৰ পৰিৱৰ্তে এক বহল পৰিসৰৰ বিষয়ৰ সাহাৰ্যত শিকাৰ সুযোগ প্ৰদান কৰে। এইদৰে শিক্ষকসকলে নিৰ্ধাৰিত বিষয়বস্তু সামৰি লোৱাৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীসকলক বিষয়বস্তু আৱিষ্কাৰ আৰু মত-বিনিময় কৰাৰ সুযোগ প্ৰদান কৰে আৰু বিভিন্ন বিষয়ৰ জ্ঞান আৰু বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ মাজত সংযোগ স্থাপন কৰিবলৈ সুযোগ লাভ কৰে। এই পাৰস্পৰিক ক্ৰিয়াৰ লগত দক্ষতা আহৰণ আৰু ইয়াৰ প্ৰয়োগো জড়িত হৈ থাকে। এই বিষয়ে অধিক বিশদ বৰ্ণনা পিছৰ অংশত দিয়া হৈছে।

স্বভাৱতে, বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ আৰু ভাষা, কলা, সমাজ অধ্যয়ন, গণিত, বিজ্ঞান, শিল্প, নাটক, নৃত্য, আৰু স্বাস্থ্যৰ দৰে বিভিন্ন বিষয় জড়িত থকা প্ৰকল্পসমূহ আন্তঃবিভাগীয়। ইয়াৰ উপৰিও, প্ৰকল্পসমূহে বিভিন্ন

শৈক্ষিক বিষয় আৰু বাস্তৱ জীৱনৰ পৰিস্থিতিত ব্যৱহৃত দক্ষতাসমূহৰ আহৰণ, অনুশীলন আৰু প্ৰয়োগ কৰাৰ সুযোগ প্ৰদান কৰে।

## 5.3.2 গল্পভিত্তিক পদ্ধতি ঃ

সুন্দৰ কাহিনীসমূহ সকলোৱে ভাল পায়— বিশেষকৈ শিশুসকলে।

পুৰণি যোগাযোগৰ আহিলাসমূহৰ ভিতৰত কাহিনীসমূহ অন্যতম। আমাৰ সংস্কৃতিত, আমাৰ পৰিয়াল আৰু সমাজক একেলগে বান্ধি ৰখাত গল্পই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিশুৰ লগত তেওঁলোকৰ চৌপাশৰ জগতখন- প্ৰকৃতি, জীৱ-জন্তু, আৰু সমৃদ্ধ পৰম্পৰাৰ লগত পৰিচয় কৰাই দিবলৈ, কাম কৰাৰ বিভিন্ন ধৰণৰ সৈতে পৰিচয় কৰাই দিবলৈ, নৈতিক আৰু নৈতিকতাৰ প্ৰশ্নৰ লগত জড়িত কৰাবলৈ গল্পসমূহ কোৱা হয়। পৰিয়াল আৰু সামাজিক সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত কাহিনীসমূহৰ এক প্ৰভাৱশালী ভূমিকা আছে।

আৱেগিক সংযোগৰ বাবে কাহিনীয়ে শিশুৰ মনযোগ আৰু স্মৃতিশক্তি উদ্দীপিত কৰিবলৈও সক্ষম হয়। দৈনন্দিন কথোপকথনত কাহিনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে— জীৱনৰ বিভিন্ন দিশসমূহক গল্পৰ লগত সংযোগ কৰা হয়। যিহেতু, বেছিভাগ শিশুৱেই তেওঁলোকৰ নিজস্ব ঘৰুৱা ভাষাত কাহিনীৰ সৈতে ইতিমধ্যেই পৰিচিত হৈ আহিছে, সেয়েহে বিদ্যালয়ত অৰ্থপূৰ্ণ প্ৰেক্ষাপটত সেই ভাষাসমূহৰ ব্যৱহাৰে নতুন ভাষা এটাৰ পৰিচয় ফলপ্ৰসূ হয়।

- **কাহিনীসমূহে শিশুসকলক তেওঁলোকৰ শিকন প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে জড়িত কৰাৰ লগতে তেওঁলোকৰ নিজস্ব শব্দভাণ্ডাৰ গঢ়ি তোলাতো সহায় কৰে। ভাষাৰ শিক্ষণ আৰু পাঠদানৰ ক্ষেত্ৰত এক সমৃদ্ধ সম্পদ হোৱাৰ বাহিৰেও, কাহিনীসমূহে তেওঁলোকক তাৎক্ষণিক অভিজ্ঞতাৰ বাহিৰৰ পৃথিৱীখনৰ লগত চিনাকি কৰাই দিয়ে, যাৰ ফলত, শিশুসকলক শব্দৰ সাহাৰ্যত শিকাতকৈ বহুত বেছি শিকাত সাহাৰ্য কৰে।**

  শিশুৰ বাবে নিৰ্বাচন কৰিবলৈ অসংখ্য ধৰণৰ কাহিনী আছে। এই ক্ষেত্ৰত অভিযোজিত কাহিনীসমূহতকৈ বিশ্বাসযোগ্য কাহিনী বা শিশুৰ বাস্তৱতাক প্ৰতিফলিত কৰা কাহিনীসমহ অধিক বাঞ্চনীয়। এই কাহিনীসমূহে প্ৰামাণিক নিবেশ বা ইনপুটৰ এক সমৃদ্ধ উৎস প্ৰদান কৰাই নহয়, এইবোৰে প্ৰেৰণাদায়ক আৰু প্ৰত্যাহ্বানমূলক অভিজ্ঞতা প্ৰদান কৰে। এই ক্ষেত্ৰত শিশুৱে প্ৰত্যেকটো শব্দ বুজি পোৱাটো প্ৰয়োজনীয় নহয় কাৰণে ছবি, অঙ্গ-ভঙ্গি আৰু কণ্ঠস্বৰৰ লয়েৰে তেওঁলোকক কাহিনীৰ মূল কথা বুজাত সহায় কৰা হয় আৰু তেওঁলোকে কৃতিত্বৰ অনুভূতি লাভ কৰে।

- **কাহিনীয়ে শিশুৰ সামগ্ৰিক বিকাশৰ বাবেও এক শক্তিশালী আহিলা হিচাপে কাম কৰে। ই ভাষা শিকনৰ লগতে আৱেগিক, সামাজিক আৰু বৌদ্ধিক বিকাশতো সহায় কৰে।**

  শিক্ষকসকলে শিশু সাহিত্যৰ চহকী ভঁড়ালৰ পৰা, বিশেষভাৱে তেওঁলোকৰ ঘৰুৱা ভাষাৰ গল্প, যিবোৰৰ সৈতে শিশুসকল ইতিমধ্যেই পৰিচিত সেইবোৰৰ পৰা বিভিন্ন কাহিনী বাচি ল'ব পাৰে, যেনে— পৰম্পৰাগত লোককথা আৰু কাহিনী। আন আন ধাৰাসমূহৰ ভিতৰত আছে ছবিৰ কিতাপ, লৌকিককথা, কিংবদন্তি, লোককথা, উপকথা, কবিতা, গীত, মিত্ৰাক্ষৰিক ছন্দ, বৰ্ণমালা আৰু গণনাৰ কিতাপ, জন্তুৰ কাহিনী, হাস্যৰসৰ সৈতে গল্প ইত্যাদি।

  গল্পভিত্তিক পদ্ধতিৰ পৰিকল্পনা কৰাৰ সময়ত শিক্ষকসকলে তেওঁলোকে বাস্তৱায়িত কৰিব বিচৰা লক্ষ্যসমূহ ভালদৰে বিবেচনা কৰিব লাগিব। তেওঁলোকে সম্ভাব্য কাৰ্য্যকলাপ, প্ৰয়োজন হোৱা সময়, পাঠ্যক্ৰমৰ লগত সংযোগ, শিশুসকলে কোৱা ভাষা ইত্যাদি দিশৰ বিষয়ে চিন্তা কৰিব লাগিব— এইবোৰ আৰু অনুৰূপ বিবেচনাই পাঠৰ বস্তুগত প্ৰস্তুতিৰ লগতে পাঠ পৰিকল্পনাৰ ক্ষেত্ৰতো সহায় কৰে।

সাধাৰণতে তিনিটা পৰ্যায়ৰ ভিত্তিত গল্পভিত্তিক দৃষ্টিভঙ্গী গঢ়ি তোলা হয়- গল্পৰ পূৰ্বৰ কাৰ্যকলাপ, গল্প এটা পঢ়াৰ সময়ত কৰা কাৰ্যকলাপ আৰু পিছত কৰা কাৰ্যকলাপ।

ক. প্ৰথম পদক্ষেপটো হ'ল— পাঠদানৰ উদ্দেশ্য আৰু শিশুৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি কাহিনী নিৰ্বাচন কৰা। ইয়াৰ পিছত চিন্তনযুক্ত বিচাৰৰ লগতে ধাৰণাসমূহৰ ওপৰতো চিন্তা কৰিব লাগিব, যাৰ ওপৰত ভিত্তি কৰি কাহিনীৰ লগত জড়িত কাৰ্যকলাপৰ বাবে উপযুক্ত পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব পৰা যায়।


খ. কাহিনী এটা পঢ়াৰ পূৰ্বৰ কাৰ্যকলাপত তলত দিয়া কামবোৰ অন্তৰ্ভুক্ত হ'ব পাৰে— কিতাপখনৰ প্ৰচ্ছদ আৰু শিৰোনাম দেখুৱাওক আৰু ইয়াৰ বিষয়ে আলোচনা কৰা। শিশুসকলক গল্পটোৰ নাম আৰু ব্যৱহাৰ কৰা ছবিখনৰ বিষয়ে প্ৰশ্ন কৰক, পঢ়িব লগা কাহিনীটোৰ বিষয়ে প্ৰশ্ন কৰক, কাহিনীটোৰ লগত সংগতি ৰাখি সৰু সৰু খেল-ধেমালি কৰক।

গ. পঢ়াৰ সময়ত কৰা কাৰ্যকলাপসমূহৰ ভিতৰত তলত দিয়া কামবোৰ হ'ব পাৰে- শব্দভাণ্ডাৰ পুণৰাবৃত্তি আৰু অনুকৰণ কৰক, কাৰ্ডবিলাক ওপৰলৈ তুলি লওক, ইয়াৰ পিছত কি হ'ব সেই বিষয়ে ভৱিষ্যৎবাণী কৰক, কাহিনীৰ অংশসমূহ ক্ৰমবিন্যাস কৰক, হয়/ নহয় প্ৰশ্ন কৰক, পৰিণতি অনুমান কৰক।

ঘ. পঢ়াৰ পিছৰ কাৰ্যকলাপসমূহৰ ভিতৰত তলত দিয়া কামসমূহ থাকিব পাৰে— আন এটা শিৰোনাম বাছি লওক, ছবি বা ক্ৰমৰ পৰিঘটনাসমূহ ক্ৰমবিন্যাস কৰক, এখন সৰু কিতাপ বা এখন পোষ্টাৰ বনাওক, কাহিনীটো পঢ়ক বা অভিনয় কৰক, কাহিনীটোৰ লগত সংগতি ৰাখি খেল-ধেমালি কৰক, কাহিনীটোৰ বিষয়ে এটা গান গাওক, পুতলা বনাওক, মুখা পিন্ধি কাহিনীটো পুনৰাই কওক।

## গল্পৰ ব্যৱহাৰ

মই ৩-৬ বছৰীয়া ল'ৰা-ছোৱালীক পঢ়াওঁ। এই ল'ৰা-ছোৱালীসমূহক আত্মনিয়োজিত কৰি ৰখাত তেওঁলোকৰ কল্পনা শক্তি আৰু শব্দ ভাণ্ডাৰ গঢ়ি তোলাত আৰু লগতে ইতিবাচক শিকনৰ সহায়ক কৰাত এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাবে ক্ৰিয়া কৰে। শিশুৱে কি ভাল পায় তাৰ ওপৰত ভিত্তি কৰি বা মই গুৰুত্ব দিব খোজা কোনো মূল্যবোধ যাৰ ওপৰত ভিত্তি কৰি গল্প এটা বাছি লৈ শিশুসকলৰ লগত আলোচনা কৰিব বিচাৰোঁ। মোৰ হাতত ইতিমধ্যে শিশুসকলৰ বয়সৰ লগত খাপ খোৱা গল্পৰ সংকলন এটা আছে। সাধাৰণতে শ্ৰেণীৰ পূৰ্বে, প্ৰসংগ পৰিৱেশৰ বাবে, মই কাহিনীটোৰ পূৰ্বৰ কাৰ্যকলাপ, (মই যিটো কেতিয়াবা কওঁ, কেতিয়াবা এনিমেশ্বনযুক্ত ভিডিঅ' এটা বজায় আৰু কেতিয়াবা অভিনয় কৰোঁ) আৰু কাহিনীৰ পিছৰ কাৰ্যকলাপৰ পৰিকল্পনা কৰোঁ। এই ক্ষেত্ৰত শ্ৰেণীৰ শেষত তেওঁলোকে শিকিবলগীয়া নতুন শব্দবোৰৰ বিষয়েও মই মনত ৰাখোঁ। উদাহৰণস্বৰূপে, মই ইতিমধ্যে কাহিনী-পূৰ্ব কাৰ্যকলাপ হিচাপে মোৰ বৃত্তৰ সময়ত প্ৰাণীৰ ফ্লেছকাৰ্ডৰ ওপৰত এটা কাৰ্য কৰিছোঁ। এতিয়া, মই হাতী আৰু নিগনিৰ ওপৰত পঞ্চতন্ত্ৰ কাহিনীটো কৰাৰ পৰিকল্পনা কৰিছোঁ।



কাহিনীটো এনেধৰণৰ—

এসময়ত এজোপা গছৰ তলত কিছুমান নিগনিয়ে শান্তিৰে বসবাস কৰিছিল। কিন্তু

এবাৰ, হাতীৰ এটা দলে সেই বাটেৰে আহি নিগনিৰ সকলো ঘৰ ধ্বংস কৰি পেলালে যাৰ কাৰণে বহু নিগনি হাতীৰ গছকত মৃত্যুমুখত পৰিল। তেতিয়া, নিগনিবিলাকৰ ৰজাই হাতী প্ৰধানৰ ওচৰলৈ গৈ হাতীৰ পালটোক আন এটা পথেৰে যাবলৈ অনুৰোধ কৰিবলৈ সিদ্ধান্ত ল'লে। হাতীপালটোৰ ৰজাই এই কথাত সন্মতি দি আন এটা বাটেৰে পানীলৈ গ'ল আৰু এনেদৰে নিগনিৰ জাকটোৰ জীৱন ৰক্ষা পৰিল। এদিনাখন, হাতী চিকাৰীৰ এটা দলে আহি বহুতো হাতীক প্ৰকাণ্ড জালত আৱদ্ধ কৰিলে। তেতিয়া হঠাৎ হাতীপালটোৰ ৰজাই নিগনি ৰজাৰ কথা মনত পেলালে। তেওঁ নিজৰ পালটোৰ হাতী এটাক যিটো হাতী আৱদ্ধ হোৱা নাছিল মাতি পঠিয়ালে আৰু নিগনি ৰজাৰ লগত যোগাযোগ কৰিবলৈ হুকুম দিলে। হাতী ৰজাৰ কথা শুনি নিগনি ৰজাই গোটেই নিগনিৰ জাকটোক লৈ হাতীৰ দলটোক আৱদ্ধ কৰি ৰখা জালবোৰ কুটি পেলালে। এনেদৰে, হাতীৰ জাকটো সম্পূৰ্ণৰূপে মুকলি হৈ পৰিল। আৰ্তজনৰ বন্ধুহে প্ৰকৃত বন্ধু।

আমি গুৰুত্ব দিয়া নতুন শব্দবোৰ আছিল 'অনুৰোধ', 'নিৰ্দেশনা', হুকুম, আৰু বন্ধুত্বৰ বিষয়ে এক আলোচনা।

কাহিনীটোৰ পিছত 'তোমালোক ইয়াত কি দেখিলা'? কাহিনীটোত কি ঘটিছিল? নিগনিবোৰে সহায় বিচৰাত হাতীবোৰে কি কৰিলে? হাতীবোৰে কিয় নিগনিবোৰক সহায় কৰিলে? হাতীবোৰে সহায় বিচৰাত নিগনিবোৰে কি কৰিলে? নিগনিবোৰে হাতীবোৰক কিয় সহায় কৰিছিল? তোমাৰ বন্ধু-বান্ধৱী আছেনে? তোমাৰ বন্ধু-বান্ধৱী কিমান আছে? তেওঁলোকৰ নাম আমাক ক'ব পাৰিবানে? বন্ধু-বান্ধৱীৰ লগত তোমালোকে কি কৰা? ইত্যাদি ইত্যাদি।

এই কাৰ্যত মই সকলো শিক্ষাৰ্থীয়ে প্ৰদান কৰা সকলো সঁহাৰিকে গুৰুত্ব প্ৰদান কৰোঁ। বিবেচনা নকৰাকৈয়ে শলাগ লওঁ আৰু সকলো শিশুকে উত্তৰ দিবলৈ আৰু অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰোঁ।

গল্পৰ পিছৰ কাৰ্যকলাপ হিচাপে, আমি "আমাৰ বন্ধু-বান্ধৱীসকলৰ" শীৰ্ষক এখন চিত্ৰ অংকণ কৰিম।

## 5.3.3 প্ৰসংগ-ভিত্তিক পদ্ধতি ঃ

**প্ৰসংগভিত্তিক পদ্ধতি হৈছে শিক্ষণ আৰু শিকনৰ এক পদ্ধতি যাৰ সহায়ত পাঠ্যক্ৰমৰ বহুতো ক্ষেত্ৰ এটা বিষয়ৰ ভিতৰত একেলগে সংযুক্ত কৰা হয় আৰু একত্ৰিত কৰা হয়। এই পদ্ধতিত বিভিন্ন সময়ত বিভিন্ন দক্ষতা শিকা বা বিভিন্ন বিষয় শিকাৰ পৰিৱৰ্তে শিশুক এক নিৰ্দিষ্ট বিষয়ৰ লগত অৰ্থপূৰ্ণ সংযোগ গঢ়ি তোলাত সহায় কৰা হয় আৰু ইয়াৰ দ্বাৰা বিষয়বস্তুৰ ভিতৰত বিভিন্ন বিষয় বা দিশৰ অন্বেষণ কৰিবলৈ দিয়া হয়।**

এটি প্ৰসংগক ব্যাপক ধাৰণা/বিষয় হিচাপে সংজ্ঞায়িত কৰা হয় যিয়ে নিৰ্দিষ্ট শিকন অভিজ্ঞতাৰ বিকাশত পথ প্ৰদৰ্শন কৰে। শিশুসকলে কম কম সময়ৰ বাবে বিভিন্ন বিষয় শিকাৰ পৰিৱৰ্তে দীঘলীয়া সময়ৰ বাবে বিভিন্ন উপায়ৰ জৰিয়তে এটা বিষয় অন্বেষণ কৰে। আমি ইয়াক শিকন অভিজ্ঞতাৰ সাৰ্বজনীন সূতা হিচাপে চাব পাৰে। যাক শিকন অভিজ্ঞতাক একেলগে বান্ধিবলৈ ব্যৱহাৰ কৰা হয়।

শিশুসকলে প্ৰসংগসমূহৰ বিভিন্ন দিশক বিচ্ছিন্ন ধাৰণাৰ পৰিৱৰ্তে বাস্তৱ জীৱনৰ পৰিস্থিতিত সংঘটিত হোৱা সাধাৰণ সামগ্ৰিক প্ৰক্ৰিয়া হিচাপে অন্বেষণ কৰে। ই শিশুৰ বাবে অভিজ্ঞতাসমূহক সম্পৰ্কীয়, প্ৰসংগভিত্তিক আৰু সুনিৰ্দিষ্ট কৰি তোলে। ই শিশুসকলৰ মনত বিষয়টো সম্পৰ্কে এক সংহত বোধ গঢ়ি তোলাত সহায় কৰে।

প্ৰসংগই পৰিচিত পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি নতুন জ্ঞান গঢ়ি তোলাত সাহাৰ্য কৰে। প্ৰতিটো প্ৰসংগই শিশুৰ বাবে শিকনৰ অপৰিসীম সম্ভাৱনাৰ বহন কৰে। প্ৰসংগৰ অন্তৰ্ভুক্ত যিকোনো পৰিঘটনা, ধাৰণা, বস্তু, সম্পৰ্ক বা অভিজ্ঞতাক শিকন অভিজ্ঞতা গঢ়ি তোলাৰ ভিত্তি হিচাপে বিবেচনা কৰিব পাৰি।

প্ৰসংগৰ ভিতৰত, শিশুসকলে তেওঁলোকৰ নিজৰ বিষয়ে, তেওঁলোকৰ আগ্ৰহৰ বিষয়ে বিভিন্ন ব্যক্তিৰ আন্তঃসম্পৰ্ক, পৰিৱেশৰ বিভিন্ন বস্তুৰ ধাৰণা অন্বেষণ কৰে। এই দিশসমূহ ভালদৰে বুজিবলৈ, অন্বেষণ কৰিবলৈ, পৰীক্ষা-নিৰীক্ষা কৰিবলৈ, অভিজ্ঞতা লাভ কৰিবলৈ তেওঁলোকে ইতিমধ্যে লাভ কৰা জ্ঞানৰ ওপৰত ভিত্তি কৰি তেওঁলোকে বিভিন্ন প্ৰশ্ন কৰে।

এনেধৰণৰ কিছুমান প্ৰসংগৰ উদাহৰণ হ'ল- মোৰ ঘৰ, মোৰ চুবুৰীয়া, মোৰ বাগিছা, মোৰ বিদ্যালয়, বজাৰ, পথাৰ আৰু বনাঞ্চল, পাহাৰ আৰু পৰ্ব্বত, নদী আৰু মহাসাগৰ, যান-বাহন। সকলো প্ৰসংগৰ ভিতৰতে উপ-প্ৰসংগ থাকে যাতে শিশুসকলে প্ৰসংগসমূহৰ ভিতৰত বিভিন্ন দিশ অন্বেষণ কৰিব পাৰে।

ক. প্ৰসঙ্গসমূহৰ কেন্দ্ৰবিন্দুত সদায় শিশুসকল থাকে। যেতিয়া, শিশুসকলৰ ওপৰত গুৰুত্ব দিয়া হ'ব, তেতিয়া পাঠ্যক্ৰমৰ লগতে শিক্ষকেও শিশুসকলৰ শিকন অভিজ্ঞতাক তেওঁলোকৰ জীৱনৰ সৈতে সংযোগ কৰিবলৈ সহায় কৰাত গুৰুত্ব দিব।

খ. জ্ঞান আৰু শিকন বিচ্ছিন্ন নহয় বৰঞ্চ শিশুৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ সৈতে ইয়াক সংযোগ কৰিব লাগে।

গ. প্ৰসংগ আৰু শিশুৰ ব্যক্তিগত অভিজ্ঞতাৰ বৈচিত্ৰ বিষয়বস্তুৰ প্ৰসংগভিত্তিক শিকন অভিজ্ঞতাৰ পৰিকল্পনা কৰাৰ অবিচ্ছেদ্য অংগ।

ঘ. এই শিকন যাত্ৰাত শিকনৰ ফলাফলতকৈ শিকনৰ লগত জড়িত প্ৰক্ৰিয়া অধিক গুৰুত্বপূৰ্ণ।

ঙ. শিকন প্ৰক্ৰিয়াত শিক্ষকৰ ভুমিকা হ'ল এজন সুবিধা প্ৰদানকাৰী যিয়ে শিকন প্ৰক্ৰিয়াৰ মধ্যস্থতাকাৰী হিচাবে কাম কৰে। কিছু শিকন অভিজ্ঞতা শিশু আগ্ৰহৰ পৰা আৰু শিক্ষকে প্ৰদান কৰা উৎসাহৰ ভিত্তিত সৃষ্টি হ'ব পাৰে। শিশুসকলৰ আন অনেক শিকন অভিজ্ঞতা শিক্ষকৰ পৃষ্ঠপোষকতাত প্ৰদান কৰা অনুষ্ঠানৰ পৰ্যাপ্ত সুযোগৰ দ্বাৰা নিৰ্ধাৰিত হ'ব পাৰে। শিশু আৰু শিক্ষকসকলৰ উপ-প্ৰসংগৰ অন্তৰ্ভুক্ত বিভিন্ন ধাৰণা অন্বেষণ কৰাৰ সৃষ্টিশীল স্বাধীনতা আছে।

প্ৰসংগ আৰু উপ-প্ৰসংগসমূহে শিশুসকলক অভিজ্ঞতাৰ অৰ্থ উলিয়াবলৈ এক সুনিৰ্দিষ্ট ভিত্তি প্ৰদান কৰে যাতে তেওঁলোকে অন্য অভিজ্ঞতাৰ সৈতে সংযোগৰ সৰলীকৰণ কৰিব পাৰে। ইয়াৰ ফলত তেওঁলোকে অধিক বিমূৰ্ত্ত ধাৰণাসমূহ গঠন কৰিব পাৰে। শিশুসকলে নতুন ধাৰণা গঢ়ি তোলে, নতুন দক্ষতাৰ অনুশীলন কৰে, স্বভাৱাৰিক প্ৰৱণতা সমূহ গঢ়ি তোলে আৰু প্ৰতিটো উপ-প্ৰসংগতে আৱেগিক অভিজ্ঞতা লাভ কৰে।

## বিষয় ঃ ঘৰ

উপ-বিষয় ঃ পাকঘৰত কি হৈ আছে?

কণ-কণ ল'ৰা-ছোৱালীবোৰ পাকঘৰটোৰ প্ৰতি অধিক আকৰ্ষিত হয়। খাদ্যৰ গোন্ধ, বিভিন্ন বাচন-বৰ্ত্তন আৰু ৰন্ধন প্ৰক্ৰিয়াই তেওঁলোকক আকৰ্ষণ কৰে। পিতৃ-মাতৃ বা ককা-আইতাই খাদ্য ৰন্ধাৰ সময়ত শিশুহঁতৰ লগত পাকঘৰত কথা পাতিব লাগে। পাকঘৰত আৰু ইয়াতে কেন্দ্ৰ কৰি বিভিন্ন কথা বতৰাৰ আদান প্ৰদান কৰাৰ সুযোগ আছে। গতিকে, আমি দেখিবলৈ পাওঁ যে পাকঘৰটো শিশুৰ শিকনৰ এক উপযুক্ত স্থান।

তেওঁলোকে বহুত কথাও শিকিছে। তেওঁলোকে পাকঘৰত থকা বিভিন্ন বস্তুৰ ভৌতিক গুণৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ নিজৰ সকলো ইন্দ্ৰিয় ব্যৱহাৰ এই সামগ্ৰীসমূহৰ বিষয়ে শিকিব পাৰে। তেওঁলোকে এই বস্তুবিলাকৰ মাজত সম্পৰ্ক স্থাপনৰ বাবে বিভিন্ন দক্ষতাৰ প্ৰয়োগ কৰে। যেনে— চামুচবিলাকক ডাঙৰৰ পৰা সৰুলৈ ক্ৰমাবদ্ধকৰণৰ কৌশলসমূহৰ ব্যৱহাৰ কৰা নতুবা বিভিন্ন খাদ্যসামগ্ৰীৰ শ্ৰেণীবিভাজন কৰা। এই কাৰ্যসমূহ কৰাৰ সময়ত তেওঁলোকে অনুসন্ধান আৰু অভিজ্ঞতাৰ মাধ্যমেৰে বৈজ্ঞানিক আৰু গাণিতিক ধাৰণাবিলাকো গঠন কৰে।

তেওঁলোকৰ পৰিয়ালত ৰন্ধা-বঢ়া আৰু যত্ন লোৱাৰ ভূমিকাসমূহ কিদৰে লোৱা হয় তাৰ সুনিৰ্দিষ্ট অভিজ্ঞতাসমূহৰ জৰিয়তে তেওঁলোকে লিংগভিত্তিক ভূমিকাৰ বিষয়েও শিকে আৰু প্ৰশ্ন কৰে। তেওঁলোকে নিজত্ব স্বভাৱো গঢ়ি তোলে আৰু এই অভিজ্ঞতাসমূহৰ সৈতে আৱেগিকভাৱেও সম্পৰ্কিত হৈ উঠে।

## 5.3.4 বৰ্ণিল বা সাৰগ্ৰাহী দৃষ্টিভঙ্গী ঃ

**ওপৰত উল্লেখ কৰা সকলোবোৰ দৃষ্টিভঙ্গীৰ সবলতা বেলেগ বেলেগ। এই ক্ষেত্ৰত আমি প্ৰাৰম্ভিক বছৰবোৰৰ বাবে কেৱল কোনো একক পদ্ধতিৰ পৰামৰ্শ দিব নোৱাৰো। এইটো বিদ্যালয় আৰু শিক্ষকসকলৰ ওপৰত নিৰ্ভৰ কৰে যাতে তেওঁলোকৰ নিজৰ প্ৰসঙ্গ আৰু প্ৰয়োজনৰ ওপৰত নিৰ্ভৰ কৰি শিকনৰ বাবে বিষয়বস্তু ৰূপৰেখা প্ৰস্তুত কৰিবলৈ সঠিক ধৰণৰ পদ্ধতি বাছি লয়।**

বিদ্যালয় আৰু শিক্ষকসকলে নিৰ্দিষ্ট অৰ্হতাৰ একোটা গোটৰ বিকাশৰ বাবে বিষয় সংগঠিত কৰাৰ ক্ষেত্ৰত এক নিৰ্দিষ্ট পদ্ধতি ব্যৱহাৰ কৰে। শিকনৰ অভিজ্ঞতাসমূহ ব্যক্তিগত শিকনৰ ফলশ্ৰুতিৰ পৰিপ্ৰেক্ষিতত বিষয়, শিক্ষাশৈলী আৰু মূল্যায়নৰ এক নিৰ্দিষ্ট সংমিশ্ৰণৰ ভিত্তিত পৰিকল্পনা কৰিব লাগে যিটো কোনো নিৰ্দিষ্ট দৃষ্টিভংগী বা পন্থা নিৰ্ভৰ নহয়। এই ধৰণৰ শিকন পৰিকল্পনা সাধাৰণতে অসংলগ্ন যেন লাগিলেও কোনো নিৰ্দিষ্ট পদ্ধতিৰ ওপৰত নিৰ্ভৰ নকৰাকৈ গ্ৰহণ কৰা শিকন অভিজ্ঞতাৰ এটা সুপৰিকল্পিত ক্ৰমে শিকন ফলশ্ৰুতি লাভ কৰাত সহায় কৰাৰ লগতে শিশুৰ বাবে অধিক আকৰ্ষণীয় আৰু ফলপ্ৰসূ হৈ উঠিব পাৰে।



# খণ্ড 5.4

# শিক্ষণ-শিকন সামগ্ৰী (TLM)

◇ ক. **বুনিয়াদী পৰ্যায়ৰ শিশুসকলক একাধিক ইন্দ্ৰিয় আৰু হাতে-কামে সক্ৰিয়ভাৱে শিকাৰ সুযোগ প্ৰদান কৰিলে শিশুসকলে শিকন কাৰ্যত নিজকে অধিক নিয়োজিত কৰে। খেল-ধেমালিৰ বাবে সৰল পুতলাসমূহৰ পৰা, গণনা আৰু সংখ্যাবোধৰ কাৰণে বিশেষভাৱে ব্যৱহাৰ কৰা, এই পৰ্যায়ত বিভিন্ন ধৰণৰ শিক্ষণ-শিকন সামগ্ৰীৰ অতি প্ৰয়োজন।**

সাধাৰণভাৱে প্ৰাক্ শৈশৱৰ শিকন পৰিৱেশক ছপা চহকী কৰি তুলিবলৈ আৰু পঢ়াৰ প্ৰতি উৎসাহ বৃদ্ধি কৰিবলৈ কিতাপ আৰু বিশেষকৈ শিশু সাহিত্য বাধ্যতামূলক। ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ লগে লগে কৰ্মপুথি আৰু তালিকা ব্যৱহাৰ কৰাও তাৎপৰ্যপূৰ্ণ। শিক্ষণ-শিকন সামগ্ৰী বাছনিৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ নীতি হ'ল—

খ. এই বয়সৰ শিশুৱে ব্যৱহাৰ কৰিবলৈ বাছি লোৱা সামগ্ৰীসমূহ আকৰ্ষণীয় আৰু নিৰাপদ হ'ব লাগে। যিহেতু তিনি বছৰীয়া শিশুৱে বস্তু মুখলৈ নিয়ে, গতিকে সামগ্ৰী আৰু ৰং উপযুক্তভাৱে বাছি লোৱাটো গুৰুত্বপূৰ্ণ আৰু ইয়াত এনেধৰণৰ উপাদান বা ৰং থাকিব নালাগে যিবোৰ বিষাক্ত হ'ব পাৰে।

গ. নিৰ্বাচিত সামগ্ৰীয়ে শিশুসকলক কৌতুহলৰ সৈতে অনুসন্ধান আৰু পৰীক্ষা-নিৰীক্ষা কৰাৰ পৰ্যাপ্ত সুযোগ প্ৰদান কৰিব লাগে। মজবুত আৰু ভালদৰে প্ৰস্তুত কৰা সামগ্ৰীসমূহৰ বহু বাবে ব্যৱহাৰ কৰিলেও বহুদিনলৈ ভালদৰে ৰাখিব পাৰি।

ঘ. নিৰ্বাচিত সামগ্ৰীসমূহ স্থানীয়ভাৱে নিৰ্মিত বা স্থানীয়ভাৱে উপলব্ধ হোৱাটো ভাল। ইয়াৰ ফলস্বৰূপে সহজে সাল-সলনি কৰিব পৰা যাব।

ঙ. শিক্ষণ-শিকন সামগ্ৰীসমূহ মিশ্ৰণত ক্ৰয় কৰা সামগ্ৰী, শিক্ষকে নিৰ্মাণ কৰা সামগ্ৰী, আনকি শিশুৱেও নিৰ্মাণ কৰা সামগ্ৰী অন্তৰ্ভুক্ত হ'ব লাগে।

◇ **সামগ্ৰীসমূহৰ সমান্তৰালকৈ ভাষা আৰু সাক্ষৰতাৰ বিকাশত গ্ৰন্থই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিশু সাহিত্যৰ সৰু কিন্তু ভাল সংকলন থাকিলে বুনিয়াদী পৰ্যায়ৰ কাৰণে শিক্ষণ-শিকন সামগ্ৰীৰ গোট এটা সম্পূৰ্ণ হয়।**

## 5.4.1 শিক্ষকসকলে প্ৰস্তুত কৰিব পৰা সামগ্ৰীসমূহ ঃ

বুনিয়াদী পৰ্যায়ৰ কাৰণে প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰীৰ বেছিভাগেই স্থানীয়ভাৱে উপলব্ধ আৰু কম খৰচী সামগ্ৰী ব্যৱহাৰ কৰি তৈয়াৰ কৰিব লাগে। শিক্ষকসকলৰ স্থানীয়ভাৱে উপলব্ধ সামগ্ৰীৰ পৰা সৰল শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰাৰ দক্ষতা থকা উচিত। কাৰ্ডবোৰ্ড, পাইপ, পেকেট কৰা সামগ্ৰী, কাপোৰ, বটলৰ থিলা, বীজ (গণনাৰ বাবে) দিয়াছলাইৰ কাঠী (ৰাসায়নিক পদাৰ্থ আঁতৰাই), পুৰণি টায়াৰ, প্লাষ্টিকৰ বটল আৰু পাত্ৰ (জুখিব পৰাকৈ), নাৰিকলৰ খোলা, ব্যৱহৃত কাগজ, ব্যৱহৃত কণীৰ কাৰ্টনসমূহ (শ্ৰেণীবদ্ধ কৰিবৰ কাৰণে) সকলোবোৰ শিক্ষণ-শিকন সামগ্ৰী বিকাশৰ বাবে উৎস হ'ব পাৰে।

## 5.4.2 শিশুসকলে প্ৰস্তুত কৰিব পৰা সামগ্ৰীসমূহ ঃ

শিশুসকলে তেওঁলোকৰ কলা আৰু শিল্পকৰ্মৰ অংশ হিচাপে সৰল শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিব পাৰে। শিক্ষকসকলে ব্যৱহৃত কাপোৰ আনি কোমল কাপোৰৰ বল, পুতলা, খেলৰ বাবে খেলনা তৈয়াৰ কৰিবলৈ দিব পাৰে। সহজ খেলনা, প্ৰহেলিকা আৰু ব'ৰ্ড গেম বনোৱাটো কণ-কণ ল'ৰা-ছোৱালীৰ বাবে অতি আকৰ্ষণীয় কাম হ'ব পাৰে। এই সামগ্ৰীসমূহৰ নক্সা তৈয়াৰ কৰাত আৰু সামগ্ৰীটো তৈয়াৰ কৰাত বিকাশৰ সামগ্ৰিক ক্ষেত্ৰক ব্যৱহাৰ কৰিব পাৰে।

## 5.4.3 বজাৰৰ পৰা ক্ৰয় কৰিব পৰা সামগ্ৰী ঃ


কিছুমান শিক্ষণ-শিকন সামগ্ৰী এনে কিছুমান সামগ্ৰীৰে তৈয়াৰ কৰা হয় যিবোৰ স্থানীয়ভাৱে উপলব্ধ নহবও পাৰে। ইয়াক উৎপাদন কৰিবলৈ হয়তো অধিক অত্যাধুনিক সঁজুলি আৰু যন্ত্ৰ-পাতিৰ প্ৰয়োজন হ'ব পাৰে। এই সামগ্ৰীসমূহ বজাৰৰ পৰা ক্ৰয় কৰিব পাৰি। এনে সামগ্ৰীৰ বিষদভাৱে বৰ্ণনা কৰা এখন তালিকা তলত দিয়া হৈছে—

| | |
|---|---|
| বিল্ডিং ব্লকৰ সমূহ (ৰং, আকৃতি আৰু ঘনত্ব অনুসৰি মৌলিক আকাৰ) | |
| ৰঙীন গুটি আৰু তাৰ | সামগ্ৰীৰ আৰ্হি প্ৰস্তুত (যেনে- লডা, বোকা) |
| লেচিং বোৰ্ড | বিভিন্ন আকাৰৰ বল |
| সৰল প্ৰহেলিকা (যেনে- জিগছ' প্ৰহেলিকা, ৰঙীণ প্ৰহেলিকা, শৰীৰৰ অংগ বিশেষ প্ৰহেলিকা আৰু আকৃতি প্ৰহেলিকা) | |
| আঁতচী আইনা | ভিন্ন ক্ষমতাসম্পন্ন চুম্বক |
| বিন্দু আৰু সংখ্যাৰ গুটি | বৰ্ণমালা আৰু সংখ্যাৰ কাৰ্ড |
| ছবি আৰু ফ্লেছ কাৰ্ড | এটা বা দুটা পাঠ্য বাক্যৰ সৈতে ছবিৰ কিতাপ |
| কাহিনীৰ কিতাপ | ডগৰ আৰু সৰু ঢোল |
| চিত্ৰ বৰ্ণনাৰ তালিকা | কোমল পুতলা (যেনে- পুতলা) |
| পাকঘৰৰ আহিলা | ডাক্তৰৰ আহিলা |
| ফল আৰু শাক-পাছলি | প্লাষ্টিকৰ ভাৰসাম্য জোখা তুলাচনী |
| বিভিন্ন আকাৰৰ জোখা পাত্ৰ | কঠ |
| আঠা, টেপ | ৰচী |
| ভোটা কেঁচি | |
| বিভিন্ন পাত্ৰ (যেনে- বাতি, বাল্টি, জগ) | |
| বিভিন্ন যন্ত্ৰ-পাতি (যেনে- চামুচ, জোখা পাত্ৰ, কাপ, ৰং কৰা তুলিকা) | |
| বিভিন্ন কাগজ (যেনে- বাতৰি কাগজ, পুৰণা কেলেণ্ডাৰ, পুণৰাই ব্যৱহাৰযোগ্য কাগজ) | |
| ক্ৰেয়ন, মাৰ্কাৰ, ৰঙীণ পেঞ্চিল, ৰঙীণ চক-পেঞ্চিল | |

## 5.4.4 প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে গণিতৰ পাঠদান আৰু শিকন সামগ্ৰী ঃ

ইয়াত কিছুমান মৌলিক শিক্ষণ আৰু শিকনৰ সামগ্ৰী দিয়া হৈছে যিবোৰ স্থানীয়ভাৱে উপলব্ধ সামগ্ৰীৰে প্ৰস্তুত কৰিবলৈ সহজ। এই সামগ্ৰীসমূহে শিশুসকলৰ কাৰণে গণিত শিক্ষাক অধিক সুনিৰ্দিষ্ট অভিজ্ঞতা ভিত্তিক কৰি তোলে।

**গণনা সামগ্ৰীঃ** গণনা কৰিব পৰা যিকোনো বস্তু হ'ব পাৰে- শিলগুটি, বীজ, বুটাম, মাহজাতীয় শস্য, দাইল, গুটি ইত্যাদি।




আনকি ব্যৱহৃত কাৰ্ডবোৰ্ড, পেকিং সামগ্ৰী আদি ব্যৱহাৰ কৰি সহজ গণনা সামগ্ৰী বনাব পাৰি।


**মুঠি বন্ধা কাঠীঃ** মোটামুটি একে আকাৰৰ যিকোনো কাঠীৰে মুঠি বন্ধা কাঠী তৈয়াৰ কৰিব পাৰি। গছৰ ডাল, খেৰ, ঘাঁহ, নাৰিকলৰ ঝাৰুৰ লাঠি (মোটামোটি ১০ চেণ্টিমিটাৰ দীঘলকৈ কাটি লোৱা), টুথপিক, শুকাই যোৱা স্কেষ্টচ্ পেন- এই সকলোবোৰ ৰবৰ বেণ্ডৰ সহায়েৰে বান্ধি ব্যৱহাৰ কৰি মুঠি বান্ধিব পাৰি। শিশুৱে ০ ৰ পৰা ১০০ লৈ শিকাৰ সময়ত এইবোৰ ব্যৱহাৰ কৰাটো গুৰুত্বপূৰ্ণ যাতে তেওঁলোকে ১০ ডাল কাঠীৰ এটা মুঠা তৈয়াৰ কৰাৰ অনুশীলন কৰিব পাৰে। ১০ টা মুঠা একত্ৰিত কৰি ১০০ ৰ এটা ডাঙৰ মুঠা বনাব পাৰিব। এইবোৰ সংখ্যা স্থানৰ মূল্য (দশমিক বা দশক স্থান ব্যৱস্থা) বুজিবলৈ আৰু সংখ্যাৰ তুলনা কৰিবলৈও বিশেষভাৱে ব্যৱহাৰ কৰিব পাৰি। যোগ আৰু বিয়োগ বুজিবলৈও এইবোৰ অতিশয় উপযোগী।



**গণিতমালাঃ** পূৰ্ণসংখ্যা আৰু সংখ্যা প্ৰক্ৰিয়া (আৰু অধিক) শিকিবলৈ দুটা ৰঙৰ ১০০ টা গুটিৰ মালাক পূৰ্ণাঙ্কৰ বাবে চাৰিটা ৰঙৰ এডাল মালালৈ সম্প্ৰসাৰিত কৰিব পাৰি।




**এৰোকাৰ্ডঃ** স্থান-মূল্য বুজিবলৈ সহায় কৰা সংখ্যাযুক্ত কাৰ্ড।





**চেপেটা-দীঘল-এককঃ** পূৰ্ণ সংখ্যাৰ বাবে দ্বিমাত্ৰিক ১০ বিধ সামগ্ৰী।



**আকৃতিৰ টুকুৰাঃ** কাৰ্ড ব'ৰ্ডৰ পৰা কাটি উলিওৱা জ্যামিতিক আকৃতিয়ে আকৃতিৰ বিষয়ে বোধ গঢ়ি তোলাত সহায় কৰে।





**পাইপ আৰ্হিঃ** কোণ আৰু বহুভূজৰ বাবে আৰ্হি।



**পলিঅ'মিনোঃ** এইটো এটা জনপ্ৰিয় প্ৰহেলিকা য'ত প্ৰতিটো টুকুৰা বিভিন্ন আকাৰত(সমূহ) তৈয়াৰ কৰা হয় আৰু ইয়াক বিভিন্নধৰণে ব্যৱহাৰ কৰিব পাৰি।

## 5.4.5 পুথিভড়াল আৰু শিশু সাহিত্য ঃ

ভাৰতীয় প্ৰেক্ষাপটত য'ত কিতাপ পঢ়াৰ সংস্কৃতি এতিয়াও প্ৰচলিত হৈ আছে এটা পুথিভড়ালৰ ধাৰণা, কিতাপৰ মাধ্যমেৰে বিষয়বস্তুৰ সন্ধান কৰা আৰু কিতাপৰ পঠনৰ অতি প্ৰয়োজনীয় সংগৃহিত কিতাপ সংৰক্ষণৰ কাৰণে এটুকুৰা স্থান। পঢ়িবলৈ শিকাৰ ক্ষেত্ৰত ডাঙৰ প্ৰত্যাহ্বান হৈছে প্ৰেৰণা আৰু পুথিভড়াল। অতি সহজে উপলব্ধ শিশু সাহিত্যই এই প্ৰেৰণা আৰু পঢ়াৰ প্ৰতি আগ্ৰহ সৃষ্টিত সহায় কৰিব পাৰে।

এটা পুথিভঁড়াল কেৱল কিতাপৰ সংকলনেই নহয়। কিতাপৰ এক আকৰ্ষণীয় প্ৰদৰ্শনে শিশুক আকৰ্ষণ কৰে আৰু এই প্ৰদৰ্শনী সময়ে সময়ে সলনি কৰি পুথিভড়ালটোক অধ্যয়নৰ বাবে অধিক সক্ৰিয় কৰাটো অতিশয় প্ৰয়োজনীয়।

পুথিভঁড়ালটোক কেৱল পুথি সংৰক্ষণৰ স্থান হিচাপেই নহয়, কিতাপৰ সৈতে নিজকে জড়িত কৰাৰ এক সক্ৰিয় পৰিৱেশ হিচাপেহে চোৱাৰ প্ৰয়োজনীয়তা আছে। উচ্চস্বৰে কৰা পঠন আৰু পাঠ্যৰ সৈতে অন্যান্য যোগাযোগ স্থাপন পুথিভঁড়ালৰ পৰিৱেশত সম্ভৱ হয়। শিক্ষক আৰু অন্যান্য প্ৰাপ্তবয়স্কসকলেও পুথিভঁড়ালত অধ্যয়ন কৰা আঁচৰণৰ আৰ্হি প্ৰদৰ্শন কৰিব পাৰে।

শিশুসকলক পুথিভঁড়ালৰ পৰা কিতাপ 'ধাৰ'লৈ আনি ঘৰলৈ লৈ আহি সময়মতে পুণৰাই পুথিভঁড়ালত ঘুৰাই দিবলৈ উৎসাহিত কৰিব লাগে।

যদি বিদ্যালয়ত এটা পুথিভঁড়ালৰ বাবে ঠাই থাকে, তেন্তে শিক্ষকে শ্ৰেণীত ইয়াক প্ৰদৰ্শনৰ ব্যৱস্থা নিশ্চিত কৰিব লাগে যাতে উন্নত মানৰ শিশু সাহিত্যৰ সুবিধা প্ৰদান কৰে। সময়ে সময়ে পুথিভঁড়ালৰ পৰা কিতাপ ধাৰলৈ আনি শ্ৰেণীকোঠাত ৰাখি এই কাম কৰিব পাৰি। য'ত বিদ্যালয়ত পৃথক পুথিভঁড়ালৰ বাবে পৰ্যাপ্ত ঠাই নাথাকে, তেনে ঠাইত শ্ৰেণীকোঠাৰ পৰিৱেশত পঠন কোণ স্থাপন কৰিব পাৰি।

### পঞ্চতন্ত্ৰ

পঞ্চতন্ত্ৰৰ প্ৰতিটো কাহিনীতে কিবা এটা শিকিবলগীয়া থাকে। মহান পণ্ডিত বিষ্ণু শৰ্মাই চাৰিজন ৰাজকুমাৰক জীৱন-প্ৰজ্ঞাৰ শিক্ষা প্ৰদান কৰিবলৈ অতীজতে পঞ্চতন্ত্ৰ ৰচনা কৰিছিল।

সুন্দৰভাৱে আন্তঃসংম্পৰ্কিত নীতিকথা, যাদুকৰী আৰু জীৱ-জন্তুৰ কাহিনী, পঞ্চতন্ত্ৰই যুগ যুগ ধৰি ডেকা বুঢ়া সকলোকে মোহিত কৰি আহিছে। এই নীতিকথাবোৰ সময়ৰ পৰিপ্ৰেক্ষিত স্থিৰ হৈ আছে আৰু আজিৰ প্ৰেক্ষাপটতো ই প্ৰাসংগিক।

পঞ্চতন্ত্ৰই মৌখিক লোককথা আৰু অনুবাদৰ জৰিয়তে ভাৰতবৰ্ষৰ বাহিৰতো সমাদৰ লাভ কৰি আহিছে। ই সমগ্ৰ বিশ্বতে আন আন নীতিকথাৰ লেখকসকলকো যথেষ্ট প্ৰভাৱিত কৰিছিল। বিশ্ব সাহিত্যলৈ ভাৰতৰ আটাইতকৈ প্ৰভাৱশালী অৱদানসমূহৰ ভিতৰত ইও অন্যতম।

ভাৰতবৰ্ষৰ লোককথা আৰু স্থানীয় কিংবদন্তিৰ বৈচিত্ৰময় আৰু চহকী পৰম্পৰা আছে। এইবিলাক উচ্চমানসম্পন্ন শিশু সাহিত্যলৈ অনুবাদ কৰি বিভিন্ন ভাষাত উপলব্ধ কৰাব পাৰি।

সৰল ছবিৰ কিতাপৰ পৰা আৰম্ভ কৰি প্ৰতিটো পৃষ্ঠাত চুটি অনুচ্ছেদ থকা কিতাপলৈকে (চিত্ৰৰ সৈতে) বিভিন্ন স্তৰভিত্তিক পাঠ এই পৰ্যায়ৰ বাবে উপযুক্ত। প্ৰথম আৰু দ্বিতীয় উভয় ভাষাৰে কিতাপ আন ভাষাৰ কিতাপৰ সৈতে তালিকাত থাকিব লাগে, বিশেষকৈ যিবোৰ শিশুৰ ঘৰুৱা ভাষা প্ৰথম আৰু দ্বিতীয় ভাষাৰ পৰা পৃথক। বিভিন্ন উপভাষাত লিখিত কিতাপেও ভাষিক বৈচিত্ৰৰ ধাৰণাটোক প্ৰসাৰিত কৰিব আৰু সকলো ধৰণৰ ভাষাৰ ব্যৱহাৰক বৈধতা আৰু মৰ্যাদা প্ৰদান কৰিব।

ছপা কিতাপ, শ্ৰব্য কিতাপ আৰু কণ কণ ল'ৰা-ছোৱালীৰ বাবে স্পৰ্শ ক্ষমতাৰ সৈতে জড়িত কিতাপে বিভিন্ন শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে কিতাপসমূহ অধিক উপলব্ধ কৰি তোলে।

## 5.4.6 উপযোগী সংস্কৃতি ঃ

বিদ্যালয়ত বিভিন্ন সামগ্ৰী আৰু কিতাপসমূহ সংৰক্ষিত কৰি ৰখাৰ দৰেই গুৰুত্বপূৰ্ণ দিশ হৈছে এই সামগ্ৰীসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত যত্ন আৰু ৰক্ষণাবেক্ষণৰ প্ৰতি পৰ্যাপ্ত মনযোগ দিয়া। শিক্ষকসকলে ইয়াক তেওঁলোকৰ শিক্ষাশৈলীৰ অনুশীলনৰ অংশ হিচাপে গ্ৰহণ কৰিব লাগে আৰু সামগ্ৰীসমূহৰ সযতন ব্যৱহাৰক আৰ্হি হিচাপে দেখুৱাব লাগে। বিদ্যালয়সমূহে প্ৰায়ে সামগ্ৰীসমূহ তলা লগায় থয় বা সামগ্ৰীসমূহৰ অসাৱধানতাপূৰ্ণ ব্যৱহাৰ কৰে, এই উভয় ক্ষেত্ৰতে শিশুসকলে এই সামগ্ৰীসমূহ অৰ্থপূৰ্ণভাৱে ব্যৱহাৰ কৰিব নোৱাৰে। এই পৰ্যায়ৰ বাবে সামগ্ৰীৰ ব্যৱহাৰ আৰু ভাগ-বতৰা কৰাৰ ক্ষেত্ৰত যত্ন আৰু দায়িত্বৰ সংস্কৃতিক এক অপৰিহাৰ্য্য শিকন ফলশ্ৰুতি হিচাপে বিচাৰ কৰিব লাগে। শিশুৰ এই অভ্যাসবোৰ সোনকালে গঢ় লৈ উঠে আৰু স্কুলীয়া শিক্ষাৰ পিছৰ পৰ্যায়লৈও ই সম্প্ৰসাৰিত হয়।

যেতিয়া পুথিভঁড়ালৰ কিতাপ ধাৰলৈ লোৱা হয় আৰু ঘৰলৈ নিয়া হয়, নিৰ্ধাৰিত তাৰিখৰ ভিতৰত আৰু ভাল অৱস্থাত সেইবোৰ ঘূৰাই দিব লাগে। এই উপযোগী সংস্কৃতি শ্ৰেণীকোঠাত শিক্ষণ-শিকন সামগ্ৰীৰ যথোপযুক্ত আৰু ফলপ্ৰসূ ব্যৱহাৰ উভয় ক্ষেত্ৰতে সমানে প্ৰযোজ্য।

## 5.4.7 প্ৰযুক্তি, দৃশ্য-শ্ৰব্য সামগ্ৰী ঃ

ক. এই পৰ্যায়ত প্ৰযুক্তি কেনেকৈ ব্যৱহাৰ কৰা উচিত?

i. বিভিন্ন পৰিসৰৰ বিষয় আৰু সামগ্ৰী উপলব্ধ কৰা যিবোৰ শিশুৰ বাবে প্ৰসংগভিত্তিক, বয়সৰ জোখাৰে উপযোগী আৰু ভাষা আৰু সামগ্ৰীৰ এক পৰিসৰৰ অন্তৰ্ভুক্ত হয়।

ii. বৈচিত্ৰ্যময় ৰূপ, স্থান আৰু বিন্যাসত বিষয়বস্তুৰ উপলব্ধ কৰা যাতে দিব্যাংগসকলৰ বাবেও ইয়াক উপলব্ধ কৰি তুলি তেওঁলোকৰ অন্তৰ্ভুক্তি নিশ্চিত কৰিব পাৰি।

iii. এইটো নিশ্চিত কৰা যে সামগ্ৰীসমূহৰ ব্যৱহাৰৰ মুখ্য উদ্দেশ্য হ'ব শিক্ষাৰ্থীৰ বাবে উপভোগ্য অভিজ্ঞতা সৃষ্টি কৰা আৰু শিশুৰ জন্মগত কৌতুহলসমূহ পুৰণ কৰাত সাহাৰ্য কৰা।

iv. শিক্ষক, অভিভাৱক আৰু সমাজৰ সামৰ্থ বিকাশ কৰাত সহায় কৰা।

**খ. বিষয়বস্তু, বিন্যাস আৰু অভিগমনৰ বৈচিত্ৰ্য ঃ**

i. বহুআৰ্হিমূলক অভিগমনৰ বাবে বিষয়বস্তুৰ ভিন্নতামূলক বিন্যাস

ক. **শ্ৰব্য-** শ্ৰৱণ দক্ষতা বৃদ্ধি কৰিব আৰু ভাষাৰ বিকাশত সহায় কৰিব।

খ. **দৃশ্য-** আকৰ্ষণীয় দৃশ্য আৰু উপশিৰোনামযুক্ত বিষয়বস্তুৰে ভাষা আহৰণত সাহাৰ্য কৰিব; সাংকেতিক ভাষাৰ ভিডিঅ'ৰ বিষয়বস্তুৰে বিস্তৃত প্ৰৱেশ নিশ্চিত কৰিব।

গ. ডিজিটেল আকাৰত পাঠ্য বিষয়বস্তুৰ উপলব্ধতা।

ঘ. ছবিৰ সৈতে পাঠ (যেনে- ছবিৰ কিতাপ)

ঙ. পাৰস্পৰিক আন্তঃক্ৰিয়ামূলক বিষয়বস্তু। (যেনে— খেল, প্ৰহেলিকা, কুইজ)

চ. উদ্দীপিত বাস্তৱতা/অপাৰ্থিৱ অভিজ্ঞতা-বিশিষ্ট বিষয়বস্তু, যিয়ে শিশু আৰু প্ৰাপ্তবয়স্ক সকলোকে কোনো এটা পৰিঘটনা, ঠাই বা অভিজ্ঞতাৰ অপাৰ্থিৱ অভিজ্ঞতা দিব পাৰে যিটো সাধাৰণতে অনুভৱ কৰাটো কঠিন। যেনে -মানুহৰ শৰীৰৰ ভিতৰচোৱা, চন্দ্ৰ পৃষ্ঠত, সাগৰৰ তলত।

ii. বিভিন্ন আৰ্হিত প্ৰৱেশ

ক. ৰেডিঅ', লাউদস্পিকাৰ

খ. টিভি, প্ৰজেক্টৰ

গ. পাৰস্পৰিক আন্তঃক্ৰিয়াত্মক কণ্ঠ সঁহাৰি (IVR)- বাৰ্তা প্ৰেৰণ সেৱা।

ঘ. স্মাৰ্টফোন (শ্ৰব্য, দৃশ্য, পাঠ্য আৰু পাৰস্পৰিক আন্তঃক্ৰিয়ামূলক বিষয়)

ঙ. টেবলেট (শ্ৰব্য, দৃশ্য, পাঠ্য আৰু পাৰস্পৰিক আন্তঃক্ৰিয়াত্মক বিষয়)

চ. কম্পিউটাৰ লেপটপ (শ্ৰব্য, দৃশ্য, পাঠ্য আৰু পাৰস্পৰিক আন্তঃক্ৰিয়াত্মক বিষয়)

ছ. স্মাৰ্টবোৰ্ড (শ্ৰব্য, দৃশ্য, পাঠ্য আৰু পাৰস্পৰিক আন্তঃক্ৰিয়াত্মক বিষয়)

জ. সহায়ক প্ৰযুক্তি

**গ. প্ৰযুক্তিভিত্তিক শিক্ষণ-শিকন সামগ্ৰীৰ বিভিন্ন প্ৰকাৰ কেনেধৰণৰ হ'ব পাৰে?**

i. বিষয় ভাণ্ডাৰ- ব্যাপক আৰু বৈচিত্ৰময় অভিগমন উপলব্ধ কৰা—

ক. দৃশ্যযুক্ত আৰু শ্ৰব্য-দৃশ্যমূলক বিষয়ৰ পৰা পৃথক বয়সৰ অনুযায়ী নিৰ্ধাৰিত জোখাৰে আৰু সম্পৰ্কিত ভিডিঅ'যুক্ত বিষয় যিবিলাক শিক্ষাবিদ, অভিভাৱক আৰু সমাজৰ বাবে এক উপযোগী সহায়ক আহিলা। ইয়াক বালৰাটিকা, অঙ্গনৱাড়ী বিদ্যালয়ৰ কাৰণে সুলভ কৰি তুলিব লাগে।

খ. অচিনাকি ধাৰণা (যেনে, ডাইন'চোৰাছ, গ্ৰহ অথবা মৰুভূমিত বাস কৰা শিশুক সাগৰৰ লগত পৰিচয় কৰি দিয়া বা ইয়াৰ অৱস্থা বিপৰীত)সমূহক কেৱল মনোৰঞ্জনমূলকভাৱে ব্যাখ্যা কৰিলেই শিশুসকলৰ শব্দভাণ্ডাৰ আৰু পৰিস্থিতিমূলক জ্ঞান গঢ়ি তোলাত সহায়ক হ'ব। ইয়াক তেওঁলোকে নিজৰ শিকন যাত্ৰাৰ অগ্ৰগতিৰ লগে লগে নিজৰ লগত কঢ়িয়াই নিব পাৰে।

গ. পৰিয়াল, প্ৰাণী, বিশ্বব্ৰহ্মাণ্ড আৰু গ্ৰহ, খাদ্য, প্ৰাকৃতিক উপাদানৰ দৰে প্ৰসংগ আৰু আন বিভিন্ন বিষয়ৰ অনুসন্ধান কৰিব পাৰি।

ঘ. দিনটোত এটা কাহিনী শুনি বা একেলগে ভিডিঅ' চাই একেখিনি কথাই আলোচনা কৰিলে শিশুৰ মাজত সক্ৰিয় আদান-প্ৰদানৰ সৃষ্টি হ'ব।

ঙ. শিক্ষক বা অভিভাৱকে ডিজিটেল ৰূপত গল্পৰ কিতাপৰ সুবিধা লাভ কৰিলে তেওঁলোকে নিজৰ সন্তানক 'উচ্চস্বৰে পঠন' কৰাব পাৰিব; বিশেষকৈ যিসকল অভিভাৱক শিক্ষাদানৰ মাধ্যম হিচাবে ব্যৱহৃত ভাষাৰ সৈতে অচিনাকি বা পঢ়াত সাৱলীল নহয়।

চ. ডিজিটেল প্ৰহেলিকা আৰু খেলৰ উপৰিও, 'কেনেকৈ খেলা হয়', এই ভিডিঅ' ব্যৱহাৰ কৰি শ্ৰেণীবদ্ধ কৰা, গণনা কৰা বা আভ্যন্তৰীণ আৰু বৰ্হি খেলা-ধূলা ইত্যাদি সৰু ল'ৰা-ছোৱালীৰ মন আৰু শৰীৰৰ বাবে অত্যন্ত উপকাৰী।

ছ. শিশুসকলৰ মাজত বিকাশ সাধন কৰিবলগীয়া ডিজিটেল সাক্ষৰতা যিবোৰ পৰ্দাৰ সময়ৰ অতিমাত্ৰা ব্যৱহাৰ নোহোৱাকৈ বা শিক্ষাদানত শিক্ষকৰ কেন্দ্ৰীয় ভূমিকাক ক্ষতিগ্ৰস্ত নকৰাকৈ বয়সৰ সমানুপাতিকভাৱে প্ৰস্তুত কৰা হয়।

ii. **ডিজিটেল আন্তঃগাঁঠনি আৰু মঞ্চ লাভ কৰাত সহায় কৰা ঃ**

ক. পৰিৱেশ তন্ত্ৰৰ জৰিয়তে বিষয়বস্তুৰ উৎস বিচাৰি উলিওৱাঃ বিষয়বস্তু প্ৰস্তুতকাৰীসকলৰ বৰ্ণিল পৰিৱেশতন্ত্ৰক শিশু, শিক্ষক, অভিভাৱক আৰু সমাজৰ বাবে বিষয়বস্তু নিৰ্ধাৰণত NDEAR (ndear.gov.in) আৰু VidyaDaan (vdn.diksha.gov.in) ৰ সক্ষমতাক ব্যৱহাৰ কৰি উৎসাহিত কৰিব পৰা যায়। এই মঞ্চসমূহৰ জৰিয়তে শিক্ষকসকলে বিভিন্ন প্ৰকাৰৰ বিভিন্ন ধৰণৰ তৈয়াৰী বিষয়বস্তু লাভ কৰাৰ সুযোগ পায়। তেওঁলোকে নিজৰ শ্ৰেণীকোঠাৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি বিবেচনাপূৰ্ণভাৱে ডিজিটেল সামগ্ৰী ব্যৱহাৰ কৰিব পাৰে।

খ. প্ৰসংগভিত্তিক পাঠ্যক্ৰমৰ লগত সংলগ্ন বিষয়বস্তু উপলব্ধ কৰি তুলিবৰ বাবে QR কোড ব্যৱহাৰ কৰি সামগ্ৰীসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত শিক্ষক আৰু ছাত্ৰক সবল কৰি তোলা। QR কোডৰ সহায় লোৱাটোৱে নিশ্চিত কৰে যে যোগসূত্ৰ স্থাপন কৰা বিষয়বস্তুৰ যিকোনো সময়তে পৰিৱৰ্তন কৰিব পৰা যায়।

গ. বহুভাষিক পৰিস্থিতিত প্ৰযুক্তিয়ে শিক্ষকসকলক প্ৰতিটো শিশুকে নিজৰ মাতৃভাষাত নিয়োজিত হৈ থকাৰ প্ৰয়োজনীয়তাৰ ওপৰত ধ্যান দিয়াত সহায় কৰে।

iii. **শিশুৰ বাবে ডিজিটেল তথ্য বিনোদনমূলক সামগ্ৰী ঃ**

1. বৰ্তমান সকলো বয়সৰ আৰু সকলো পটভূমিৰ শিশুৱে ডিজিটেল বিষয়বস্তু আৰু ইণ্টাৰনেট ব্যৱহাৰ কৰে। ব্যৱহৃত বিভিন্ন বিষয়বস্তু অথবা সেই বাস্তৱতাক স্বীকাৰ কৰি মনোৰঞ্জনৰ উদ্দেশ্যেৰে প্ৰস্তুত কৰা বিষয়সমূহৰ সৃষ্টিৰ ক্ষেত্ৰতো অধিক দায়িত্বশীলতাৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও সমগ্ৰ দেশৰ শিশুসকলৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰয়োজনীয়তা পূৰণ কৰা মানসম্পন্ন সামগ্ৰীত বিনিয়োগ আৰু বিকাশৰ সুযোগ প্ৰদান কৰিব লাগে। গীত, ছন্দ, সাঁথৰ, প্ৰহেলিকা, গল্প, চিনেমা, চুটি ছবি, এনিমেশ্বন ছিৰিজৰ ইত্যাদি শিশুৰ শিক্ষাৰ প্ৰাৰম্ভিক বছৰবোৰত বহুত প্ৰয়োজন।

2. বৰ্তমান টিভি আৰু অ'টিটি শ্ব'সমূহ শিশুসকলৰ বাবে শিক্ষামূলক আৰু মনোৰঞ্জনমূলক হৈ পৰিছে। পৃথিৱীৰ বহু ঠাইত শিশুৰ প্ৰাৰম্ভিক প্ৰথম বছৰবোৰৰ বাবে নিৰ্দিষ্ট চেনেল আৰু প্ৰগ্ৰেমৰ ব্যৱস্থা আছে। বিশাল মনোৰঞ্জন আৰু সৃষ্টিশীল প্ৰতিভাৰে সমৃদ্ধ ভাৰতে শিশুৰ বিকাশৰ প্ৰাৰম্ভিক বছৰ

সমূহৰ বৈজ্ঞানিক জ্ঞানৰ ভিত্তিত বহু ভাষাত অতুলনীয় সামগ্ৰী সৃষ্টিৰ কৰিব পাৰে।

3. ৰেডিঅ'- ৰাজহুৱা সম্প্ৰচাৰ মাধ্যমৰ লগতে সম্প্ৰদায়ৰ ৰেডিঅ' পদক্ষেপসমূহো প্ৰাৰম্ভিক অৱস্থা শিশুসকলৰ বাবে বিষয়বস্তু বিতৰণৰ ক্ষেত্ৰত অতি শক্তিশালী মাধ্যম হ'ব পাৰে।

4. ইণ্টাৰনেটঃ শিশুসকলে নিজৰ মনোৰঞ্জনৰ বাবে বিষয়বস্তু বিচাৰি বিভিন্ন মঞ্চ ব্যৱহাৰ কৰি অলপ সময়ৰ বাবেও ডিভাইচসমূহৰ ব্যৱহাৰ কৰিব পাৰে। এই ক্ষেত্ৰত সূক্ষ্ম গল্পৰ সৰু সামগ্ৰী সৃষ্টি কৰাটো উপযোগী আৰু ইয়াক সহজে সামাজিক মাধ্যম বা বিষয়বস্তু আদান-প্ৰদানৰ এপ্লিকেশ্বনৰ দ্বাৰা শ্বেয়াৰ কৰিব পাৰি।

5. ছবিৰ কিতাপৰ পৰা উচ্চস্বৰে পঢ়া কাহিনী এটা বা অডিঅ' শ্ৰব্য কিতাপৰ ব্যৱহাৰো অতি লাভজনক হ'ব পাৰে। ব্যক্তিগতভাৱে উচ্চস্বৰে পঢ়াতো আদৰ্শ হ'লেও বিশেষজ্ঞৰ দ্বাৰ উচ্চস্বৰে পঢ়া গল্পৰ ভিডিঅ' এটাও সমানেই গুৰুত্বপূৰ্ণ হ'ব পাৰে। প্ৰথম বছৰবোৰত শিশুৰ বাবে কিতাপ আৰু বিষয়বস্তুৰ প্ৰকাশকসকলৰ পৰিৱেশ তন্ত্ৰক এই ধৰণৰ বিষয়বস্তু প্ৰস্তুত কৰিবলৈ উৎসাহিত কৰিব লাগিব।

6. শিশুসকলক পঢ়াৰ ক্ষেত্ৰত বিভিন্ন এপৰ দ্বাৰাও সহায় কৰিব পাৰি, বিনামূলীয়া ডিজিটেলৰ কিতাপ আৰু প্ৰহেলিকা আৰু খেলৰ সুবিধাও প্ৰদান কৰিব পাৰি, যিবিলাক জ্ঞানমূলক বিকাশৰ বাবে উপযোগী হ'ব।

**ঘ. সমাবেশী প্ৰৱেশৰ বাবে প্ৰযুক্তি (দিব্যাংগ) ঃ**

i. **ডিজিটেল বিষয়ঃ** সকলো ডিজিটেল বিষয়বস্তু উপলব্ধযোগ্য, সমাবেশী আৰু ব্যৱহাৰ যোগ্য হ'ব লাগিব। প্ৰযুক্তিমূলক সমাধানত ব্যৱহাৰযোগ্যতাই নিৰ্ধাৰিত গুৰুত্ব আৰু মনোযোগ লাভ কৰিব লাগিব। সকলো দিব্যাংগ শিশুৰ বাবে ভাষা আৰু সাংখ্যিক দক্ষতা বিকাশৰ প্ৰয়োজনী শিকনৰ ক্ষেত্ৰত যিকোনো ডিজিটেল মাধ্যমৰ ব্যৱহাৰ কৰাটো অতি গুৰুত্বপূৰ্ণ।

ii. **শিশুৱে চিনাক্তকৰণ আৰু পঢ়িবৰ বাবে বহু শব্দ দ্ৰুতভাৱে জানিবলৈ সহজে উপলব্ধ বিন্যাসত নক্সা তৈয়াৰ কৰা সঁজুলি** বা শ্ৰৱণ বাধাগ্ৰস্থ শিশুৰ পঠন স্তৰ আৰু সাংখ্যিক জ্ঞানৰ স্তৰ মূল্যায়ণৰ বাবে ডিজিটেলভাৱে উপলব্ধ এটা সঁজুলিয়ে শিক্ষকসকলৰ প্ৰয়োজনীয় ব্যৱস্থা লোৱা আৰু প্ৰতিকাৰ সাধনত সক্ষম কৰিব পাৰে। সাধাৰণতে বিশেষ প্ৰয়োজনযুক্ত শিশুসকলৰ কাৰণে পৰীক্ষা আৰু মূল্যায়ণ সঁজুলিসমূহ প্ৰস্তুত কৰা নহয়।

iii. **বিষয়ৰ সৃষ্টি আৰু নিৰ্বাচনক উৎসাহিত কৰিবলৈ ব্যৱহৃত মঞ্চসমূহ** নিশ্চিতভাৱে সকলো ধৰণৰ শিশুৰ বাবে প্ৰতিনিধিত্বমূলক হ'ব লাগিব। দিব্যাংগ শিশুৰ বাবে ডিজিটেল ৰূপত উপস্থাপনৰ বাবে সৃষ্টি কৰা গল্প, গীত, কবিতা, নাটক ইত্যাদিৰ প্ৰয়োজনীয় হয় যাতে প্ৰান্তীকৰণ বা সম্পৰ্কহীনতাক প্ৰতিহত কৰিব পৰা যায়।

iv. দিব্যাংগ ছাত্ৰ-ছাত্ৰীৰ শিকনৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে বিশেষভাৱে নিৰ্বাচিত শ্ৰব্য, ভিডিঅ', আইএছএল বিষয় আৰু ইপাব, ফ্লিপবুক, পাৰস্পৰিক আন্তঃক্ৰিয়ামূলক, ডিজিটেলভাৱে উপলব্ধ তথ্য ব্যৱস্থাৰ দৰে অন্যান্য ডিজিটেল ৰূপতো উপলব্ধ হ'ব লাগে।

**ঙ. ইচিচিইত (ECCE) ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সাৱধানতা ঃ**

**শিশুৰ ডিজিটেল অধিকাৰ ঃ** সাম্যতাৰ বাবে প্ৰতিজন শিশুৰে অংশগ্ৰহণ আৰু প্ৰযুক্তিগত ব্যৱহাৰৰ অধিকাৰ আৰু সুযোগ পোৱাৰ প্ৰয়োজন হয়। এই ক্ষেত্ৰত সুৰক্ষা আৰু অংশগ্ৰহণৰ মাজত ভাৰসাম্য ৰক্ষা সুনিশ্চিত

কৰিব লাগিব। শিশুসকলৰ তথ্য, স্বাধীনতা আৰু গোপনীয়তাৰ অধিকাৰ আছে, আৰু নিৰ্যাতন আৰু ক্ষতিৰ পৰা সুৰক্ষিত হোৱাৰ অধিকাৰো আছে। ডিজিটেল পৰিৱেশত প্ৰৱেশ সক্ষম কৰাৰ ক্ষেত্ৰত বৈষম্যহীনতাৰ নীতিৰ লগতে গোপনীয়তা, সুৰক্ষা আৰু ইয়াৰ অপব্যৱহাৰৰ পৰা সুৰক্ষা নিশ্চিত কৰা বাঞ্চনীয়। ৰাষ্ট্ৰসংঘৰ শিশু অধিকাৰ আয়োগে ২০২১ চনত শিশুৰ ডিজিটেল অধিকাৰৰ ওপৰত (সাধাৰণ মন্তব্য-২৫) গ্ৰহণ কৰি তলত দিয়া নিৰ্দেশনাসমূহ জাৰি কৰে। শিশুৰ অধিকাৰৰ বাবে চাৰিটা নীতি আছেঃ

i. **বৈষম্যহীনতাঃ** শিশুসকলক বৈষম্যৰ পৰা ৰক্ষা কৰিব লাগিব আৰু যিয়েই নহওক কিয় ন্যায্য ব্যৱহাৰ কৰিব লাগিব।

ii. **জীয়াই থকা আৰু বিকাশঃ** শিশুসকলক ক্ষতিকাৰক হস্তক্ষেপ নকৰাকৈ তেওঁলোকে বিচৰা ধৰণে ডাঙৰ হোৱাত সহায় কৰিব লাগিব। এই প্ৰসংগত, শিশুৰ গোপনীয়তা আৰু তথ্য সাৱধানে ব্যৱহাৰ কৰিব লাগিব।

iii. **শিশুটিৰ উৎকৃষ্ট আগ্ৰহঃ** যিকোনো সিদ্ধান্ত লওঁতে চৰকাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানকে ধৰি প্ৰাপ্তবয়স্কসকলে নিজতকৈও শিশুৰ বাবে যিটো উৎকৃষ্ট সেইটো কৰিব লাগিব।

iv. **শিশুৰ মতামতৰ প্ৰতি সন্মানঃ** শিশুৰ নিজৰ কিছুমান মতামত থাকে যিবোৰৰ প্ৰতি তেওঁলোকে গুৰুত্ব দিয়া সকলো ক্ষেত্ৰতে লক্ষ্য ৰাখিব লাগিব।

**চ. ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় শিশু জৰুৰীকালীন পুঁজিৰ পৰামৰ্শ অনুসৰি NDEAR ত স্বীকৃত ঃ**

‘ডিজিটেল জগতখনত শিশুসকলৰ ক্ৰিয়া আৰু আন্তঃক্ৰিয়াই তেওঁলোকক প্ৰাপ্তবয়স্ক জীৱনকো প্ৰভাৱিত কৰিব পাৰে। গতিকে শিশুসকলক সুৰক্ষা দিয়াৰ কৰ্তব্য চৰকাৰ, ব্যক্তিগত সংস্থা আৰু নাগৰিক সমাজৰ।

i. শিশুৰ গোপনীয়তা আৰু তেওঁলোকৰ ব্যক্তিগত তথ্যৰ সুৰক্ষাৰ অধিকাৰ আছে।

ii. শিশুৰ মত প্ৰকাশৰ স্বাধীনতা আছে আৰু তেওঁলোকে বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰিব পাৰে।

iii. শিশুৰ সুনাম ৰক্ষা কৰাৰ অধিকাৰ আছে।

iv. শিশুৰ গোপনীয়তা আৰু মত প্ৰকাশৰ স্বাধীনতাক সুৰক্ষিত কৰাৰ আৰু তেওঁলোকৰ বিকাশশীল ক্ষমতা অনুসৰি সন্মান কৰা উচিত।

v. শিশুসকলৰ গোপনীয়তা আৰু মুক্তভাৱে মত প্ৰকাশৰ অধিকাৰ উলংঘা আৰু অপব্যৱহাৰ আৰু তেওঁলোকৰ সুনামৰ ওপৰত আক্ৰমনৰ প্ৰতিকাৰ কৰাৰ অধিকাৰ আছে।

**ছ. অন্যান্য চিন্তা ঃ**

শিশুসকলে ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰ কৰি ব্যয় কৰা সময় আৰু ইয়াৰ ফলত তেওঁলোকৰ শাৰীৰিক কাৰ্যকলাপ আৰু মানসিক স্বাস্থ্যৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়ে বহুধৰণৰ উদ্বেগ উত্থাপিত হৈছে। বিভিন্ন প্ৰমাণত পোৱা গৈছে যে ডিজিটেল প্ৰযুক্তিৰ মধ্যমীয়া আৰু নিয়ন্ত্ৰিত ব্যৱহাৰ শিশুসকলৰ মানসিক সুস্থতাৰ বাবে উপকাৰী হ'ব পাৰে, অন্যহাতে অত্যধিক ব্যৱহাৰ ক্ষতিকাৰকো হ'ব পাৰে।

# খণ্ড 5.5

# কিতাপ আৰু পাঠ্যপুথি ঃ

বুনিয়াদী পৰ্যায়ৰ শিশুসকল বিভিন্ন প্ৰকাৰৰ পাঠ্য বিষয়ৰ লগত জড়িত হোৱাটো প্ৰয়োজন (যেনে— ছবিৰ কিতাপ, কাহিনীৰ কিতাপ, শ্ৰেণীভূক্ত পাঠ্য আৰু কাৰ্যপত্ৰিকা বা কৰ্মপৃষ্ঠা)। কিন্তু, চলিত বাস্তৱতাৰ ভিত্তিৰে লক্ষ্য কৰিলে দেখা যায় যে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীলৈকে শিক্ষকসকলে পাঠ্যপুথি ব্যৱহাৰৰ ধাৰণাটোৰ লগততে অধিক পৰিচিত। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে পাঠ্যপুথি প্ৰস্তুত কৰিব পাৰি, কিন্তু এই ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাৰ শিক্ষাশৈলীৰ ধাৰণা অনুসৰি ইয়াৰ কল্পনা আৰু ব্যৱহাৰ সম্পূৰ্ণ বেলেগ হ'ব লাগিব। এই খণ্ডত বুনিয়াদী পৰ্যায়ৰ বাবে উপযুক্ত পাঠ্যপুথিকে ধৰি সকলো ধৰণৰ কিতাপৰ বিকাশ আৰু ব্যৱহাৰৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

## 5.5.1 শিশু পুথি ঃ

পূৰ্বৰ খণ্ডটোত খেলনা আৰু অন্যান্য ব্যৱহাৰযোগ্য মূৰ্ত্ত সামগ্ৰীৰ প্ৰাসংগিকতাৰ বিষয়ে কোৱা হৈছিল যিবোৰ বুনিয়াদী পৰ্যায়ত শ্ৰেণীকোঠাৰ পৰিৱেশত ব্যৱহাৰ বাবে অপৰিহাৰ্য। এই ক্ষেত্ৰত শিশুসকলক বিভিন্ন ধৰণৰ কিতাপ আৰু অন্যান্য পঠন সামগ্ৰীৰ সুবিধা প্ৰদান কৰাটোও সমানেই প্ৰাসংগিক। মানৱঐতিহ্যৰ মূল্যৱান সম্পদ কিতাপৰ মাজত বন্দী হৈ থাকে, আৰু কণ কণ ল'ৰা-ছোৱালীক এইখন বিশ্বত প্ৰৱেশ কৰিবলৈ উৎসাহিত কৰাটো স্কুলীয়া শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কাম। ৪.৫ খণ্ডত উল্লেখ কৰা অনুসৰি শিশুৰ ভাষা আৰু সাক্ষৰতাৰ বিকাশত উন্নত মানৰ শিশু সাহিত্যই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

৩ বছৰীয়া শিশুকে ধৰি সকলো শিশুৰ বাবে উপযুক্ত বিভিন্ন ধৰণৰ গ্ৰন্থ বিদ্যালয়ত উপলব্ধ কৰিব লাগে। ডাঙৰ ছবিৰ কিতাপ, ৰঙীণ শ্ৰেণীভুক্ত পাঠ্য, আকৰ্ষণীয় গল্প আৰু কবিতা থকা কিতাপ, এই সকলোবোৰে শিশুক কিতাপ পঢ়াৰ এক ৰোমাঞ্চকৰ আৰু আকৰ্ষণীয় অভিজ্ঞতা প্ৰদান কৰে। আমাৰ দেশত অঞ্চল ভেদে বিভিন্ন গল্প, লোককথা আৰু কিম্বদন্তিৰ এক চহকী ঐতিহ্য আছে। এই গল্পসমূহ সকলো ভাষালৈ অনুবাদ কৰাৰ প্ৰয়োজন আৰু এই উৎসসমূহৰ পৰা ভাল শিশু সাহিত্য প্ৰস্তুত কৰি সকলোৰে বাবে উপলব্ধ কৰিব পৰা যায়। সুন্দৰভাৱে প্ৰস্তুত কৰা দ্বিভাষিক কিতাপৰ সহায়ত একাধিক ভাষাত অৰ্হতা লাভ কৰিব পাৰি। দ্বিভাষিক গ্ৰন্থসমূহ কিছুমান বিশেষ ক্ষেত্ৰত অত্যন্ত উপযোগী। এই ক্ষেত্ৰত শিক্ষকসকলৰ ইয়াক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰাৰ ক্ষমতা থাকিব লাগিব। বিদ্যালয়ত বিভিন্ন ধৰণৰ গ্ৰন্থ উপলব্ধ কৰি সৰু ল'ৰা-ছোৱালীসমূহৰ মনত সাহিত্যবোধ আৰু ৰুচিক উৎসাহিত কৰিব পাৰি।

## 5.5.2 ৬ ৰ পৰা ৮ বছৰীয়া শিশুৰ বাবে পাঠ্যপুথিৰ গুৰুত্ব ঃ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ য়ে পাঠ্যপুথিৰ সন্দৰ্ভত নিৰ্দিষ্ট পৰামৰ্শ আগবঢ়াইছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ (৪.৩১)ত উল্লেখ কৰা হৈছে যে- বিদ্যালয়ৰ পাঠ্যক্ৰমত বিষয়বস্তুৰ পৰিমাণ হ্ৰাস আৰু বৰ্দ্ধিত নমনীয়তা প্ৰদান- মুখস্ত শিকনৰ পৰিৱৰ্তে গঠনমূলক শিকনৰ ওপৰত নৱীকৃত গুৰুত্ব প্ৰদান আৰু ইয়াৰ লগত সমান্তৰালভাৱে বিদ্যালয়ৰ পাঠ্যপুথিসমূহৰ পৰিৱৰ্তনৰ হ'ব লাগিব। ৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত অত্যাৱশ্যকীয় মৌলিক বিষয় সামগ্ৰী (আলোচনা, বিশ্লেষণ, উদাহৰণ আৰু প্ৰয়োগৰ সৈতে একেলগে) সকলো পাঠ্যপুথিতে ৰখাৰ লক্ষ্য ৰাখিব লাগিব, কিন্তু একে সময়তে স্থানীয় প্ৰসংগ আৰু প্ৰয়োজন অনুসৰি যিকোনো পৰিপূৰক সামগ্ৰীও



থাকিব লাগিব। যি ক্ষেত্ৰত সমূহ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক সামগ্ৰী থকা সম্ভৱ বিদ্যালয় আৰু শিক্ষকসকলে তেওঁলোকে ব্যৱহাৰ কৰা বিভিন্ন পাঠ্যপুথিৰ মাজৰ পৰা পছন্দ কৰিব পাৰিব। ইয়াৰ সাহাৰ্যত তেওঁলোকে নিজস্ব শিক্ষাশৈলীৰ উপৰিও তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী আৰু সামাজিক প্ৰয়োজনীয়তা অনুসৰি উৎকৃষ্টভাৱে পাঠদান কৰিব পাৰিব।

**বুনিয়াদী পৰ্যায়ৰ কাৰণে পাঠ্যপুথিৰ ভূমিকা অতি স্পষ্ট হ'ব লাগিব ঃ**

ক. বুনিয়াদী পৰ্যায়ত ৩ ৰ পৰা ৬ বছৰ বয়সৰ শিশুসকলৰ বাবে প্ৰথম তিনি বছৰত কোনো নিৰ্দ্ধাৰিত পাঠ্যপুথি থাকিব নালাগে। পাঠ্যক্ৰমৰ লক্ষ্য আৰু শিক্ষাশৈলীৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে শিকন পৰিৱেশ, শিক্ষণ-শিকন সামগ্ৰী আৰু প্ৰয়োজন সাপেক্ষে সৰল কৰ্মপুথি পৰ্যাপ্ত। **এই বয়সৰ শিশুসকলক পাঠ্যপুথিৰ বোজা জাপি দিয়া উচিত নহয়। ৩ ৰ পৰা ৬ বছৰীয়া শিশুসকলৰ বাবে পাঠ্যপুথি সুনিৰ্ধাৰিত বা সুনিৰ্দিষ্ট নহ'লেও কাৰ্যপ্ৰণালীৰ কিতাপে শিক্ষকসকলক কাৰ্যকলাপ আৰু শিকন অভিজ্ঞতাক শ্ৰেণীবদ্ধ কৰিবলৈ নিৰ্দেশনা দিব।** এই বয়সৰ গোটৰ বাবে পাঠ্যক্ৰম প্ৰস্তুতকাৰীসকলে শ্ৰেণীকোঠাৰ অভিজ্ঞতা পৰিকল্পনা আৰু সংগঠিত কৰিবলৈ শিক্ষকসকলৰ বাবে হাতপুথিৰ লগত এনে কিতাপ প্ৰস্তুত কৰিব পাৰে।

খ. ৬ ৰ পৰা ৮ বছৰ বয়সলৈ বুনিয়াদী পৰ্যায়ৰ শেষৰ দুবছৰত সহজ আৰু আকৰ্ষণীয় পাঠ্যপুঠিৰ কথা বিবেচনা কৰিব পাৰি। এই পৰ্যায়ৰ বাবে পাঠ্যপুথিত কেৱল শ্ৰেণীকোঠাৰ শিক্ষাৰ বাবেই বিষয়বস্তু থাকিব নালাগে বৰঞ্চ শিশুসকলক নিজাববীয়াকৈ কাম কৰাৰ সুযোগ প্ৰদান কৰা আৰু লগতে তেওঁলোকৰ কামৰ ৰেকৰ্ড সন্নিৱিষ্ট কৰ্মপুথি হিচাপেও কাম কৰিব লাগে।

গ. শ্ৰেণীকোঠাৰ বিষয়বস্তু আৰু কাৰ্যকলাপ কেৱল পাঠ্যপুথিখনত থকা বিষয়বস্তুৰবোৰৰ মাজতেই যাতে সীমাবদ্ধ হৈ নাথাকে তাৰ প্ৰতি অতি সাৱধানতা অৱলম্বন কৰাটোও অতি প্ৰয়োজন। বিশেষকৈ ভাষা আৰু সাক্ষৰতা বিকাশৰ বাবে ভাল শিশু সাহিত্যকে ধৰি বিভিন্ন ধৰণৰ পাঠ্যৰ উৎস শ্ৰেণীকোঠালৈ অনাৰ প্ৰয়োজন। শিক্ষকসকলে যি ক্ষেত্ৰত প্ৰয়োজন হয় আৰু সঠিক বুলি ভাৱে তাত পাঠ্যপুথিৰ পৰিপূৰকভাৱে কাৰ্যপত্ৰ যোগান ধৰিব লাগে।

ঘ. উপযুক্ত QR কোড ব্যৱহাৰ কৰিপাঠ্যপুথিসমূহক ডিজিটেল আৰু দৃশ্য-শ্ৰব্য সামগ্ৰীৰ উল্লেখৰ সৈতে উপযুক্তভাৱে বৰ্দ্ধন কৰিব পাৰি।

শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াত-কেন্দ্ৰীয় বিষয়বস্তু, শিক্ষাশৈলী, আৰু মূল্যায়নৰ ক্ষেত্ৰত শিক্ষকসকলক দিশ নিৰ্দেশনা প্ৰদান কৰাত সুনিৰ্মিত পাঠ্যপুথিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অধিক অনুসন্ধানৰ বাবে প্ৰয়োজনীয় ক্ষেত্ৰসমূহো পাঠ্যপুথিত উল্লেখ কৰিব পাৰি। শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষকসকলক তেওঁলোকৰ পছন্দ (আৰু এই কথাও পাঠ্যপুথিত উল্লেখ কৰিব পাৰি)ৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ সুযোগ প্ৰদান কৰাৰ সময়তে, প্ৰত্যাশিত শিকন ফলাফল লাভ কৰিবৰ বাবে শিক্ষকসকলক সুনিৰ্ধাৰিত ক্ৰম, সুসংহত আৰু অৰ্থপূৰ্ণ শিকন অভিজ্ঞতাসমূহ সংগঠিত কৰাৰ বাবে পূৰ্বে প্ৰস্তুত সম্পদ প্ৰদান কৰি সহায় কৰিব পাৰে।

বেছিভাগ শিশুৰ কাৰণে একমাত্ৰ পাঠ্যপুথিখনেই একমাত্ৰ কিতাপ যাৰ সৈতে তেওঁ জড়িত হ'ব। তেওঁলোকৰ তাৎক্ষণিক পৰিৱেশৰ চৌপাশৰ বাহিৰৰ জগতখনৰ বিষয়ে তেওঁলোকৰ বোধ পাঠ্যপুথিত থকা চিত্ৰকল্পৰ জৰিয়তে গঢ় লৈ উঠে, কাৰ্যকলাপ আৰু মূল্যায়নে তেওঁলোকৰ পৰা কি আশা কৰা হৈছে সেই বিষয়ে পৰিচয় কৰাই দিয়ে আৰু পাঠ্যপুথিখনৰ বিষয়বস্তুৰ লগতে ইয়াত ব্যৱহাৰ কৰা ভাষাই তেওঁলোকক প্ৰেৰণা দিয়ে।

শিক্ষকসকলৰ কাম আৰু শিশুসকলৰ শিকনত প্ৰাধান্য প্ৰদান কৰিও সততে শ্ৰেণীকোঠাত শিশুসকলৰ বাঞ্চিত পৰিৱৰ্তনৰ মাধ্যম হিচাপে পাঠ্যপুথিক বিচাৰ কৰা হয়। এইটো তেতিয়া আৰু অধিক মহত্বপূৰ্ণ হৈ পৰে যেতিয়া আমি বিবেচনা কৰোঁ যে পাঠ্যপুথিসমূহ এটা গুৰুত্বপূৰ্ণ মাধ্যম যাৰ জৰিয়তে পাঠ্যক্ৰমত উল্লেখ কৰা শিক্ষাৰ লক্ষ্য, পাঠ্যক্ৰমৰ লক্ষ্য, দক্ষতা, শিকনৰ ফলাফল, শিক্ষাশৈলীৰ লগত জড়িত নীতিসমূহ, বিষয়বস্তু শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়ালৈ ৰূপান্তৰিত কৰিব পাৰিম।

সামৰ্থৰ দিশত অধিক মনোনিৱেশ কৰাৰ লগে লগে পাঠ্যপুথিসমূহে নিৰ্দিষ্ট দক্ষতাসমূহ লাভ কৰিবলৈ সক্ষম কৰাৰ ক্ষেত্ৰত বিষয়বস্তুৰ সুসংহত মানচিত্ৰণ প্ৰতিফলিত কৰিব লাগে।

## 5.5.3 পাঠ্যপুথি ৰূপাঙ্কণৰ বাবে নীতি ঃ

পাঠ্যপুথিৰ ৰূপাঙ্কণৰ বাবে তলত দিয়া নীতিসমূহ পাঠ্যপুথিৰ বিকাশৰ বাবে এক উপযোগী পথনিৰ্দেশক। [১২]

**ক. পাঠ্যক্ৰমৰ নীতি ঃ** পাঠ্যপুথিখন বিশেষভাৱে প্ৰস্তুত কৰা উচিত যাতে বুনিয়াদী পৰ্যায়ৰ বাবে উল্লেখ কৰা অৰ্হতাসমূহ বাস্তৱায়িত কৰিব পৰা যায়। পাঠ্যপুথি প্ৰস্তুতকাৰী আৰু নক্সা প্ৰস্তুতকাৰীসকলে কেৱল প্ৰস্তুত কৰিবলগীয়া পাঠ্যপুথিখনৰ নিৰ্দিষ্ট ক্ষেত্ৰ বা বিষয়ৰ অৰ্হতাসমূহৰ প্ৰতিয়ে কেৱল সচেতন হ'ব নালাগে, বৰঞ্চ, গোটেই পৰ্যাযটোৰ বাবে প্ৰত্যাশিত দক্ষতাসমূহৰ প্ৰতি সচেতন হ'ব লাগে। ইয়াৰ ফলত তেওঁলোকে বুনিয়াদী পৰ্যায়ৰ শিকনৰ বিভিন্ন ক্ষেত্ৰসমূহৰ মাজেৰে অনুভূমিক সংযোগ সাধনৰ সুযোগ লাভ কৰিব।

**খ. বিষয় নিৰ্ধাৰিত নীতি ঃ** প্ৰায়োগিক ভাষাবিজ্ঞান আৰু গণিতৰ বিষয়ৰ পাঠ্যপুথি প্ৰস্তুতকাৰীসকলৰ প্ৰয়োজনীয় জ্ঞান থাকিব লাগে। পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰা বিষয়বস্তু আৰু ক্ৰমে এই শাখাসমূহৰ কিছুমান মৌলিক নীতি বুজি পোৱাত যাতে বাধা প্ৰদান নকৰে তাৰ প্ৰতি সাৱধান হ'ব লাগে।

**গ. শিক্ষাশৈলীৰ নীতি ঃ** পাঠ্যপুথি প্ৰস্তুতকৰ্তাসকলৰ অৰ্হতা আৰু বিষয়বস্তুৰ পৰিপ্ৰেক্ষিতত উপযুক্ত শিক্ষাশৈলীৰ বিষয়ে স্পষ্ট বোধ থকাটো প্ৰয়োজন (যেনে- ভাষাত মৌখিক ভাষা, ধ্বনিবিজ্ঞান আৰু শব্দ সাধনৰ নিৰ্দেশনা আৰু অৰ্থবোধ সকলোকে একেলগে অন্তৰ্ভুক্ত কৰাটো প্ৰয়োজন।)

**ঘ. প্ৰযুক্তি নীতি ঃ** পাঠ্যপুথি প্ৰস্তুতকৰ্তাসকল শিশুৰ শিকন অভিজ্ঞতা বৃদ্ধিৰ বাবে উপলব্ধ বৰ্তমানৰ প্ৰযুক্তি আৰু দৃশ্য-শ্ৰব্য সামগ্ৰীৰ বিষয়ে সচেতন হ'ব লাগে। ডিজিটেল প্ৰযুক্তি আৰু বাহ্যিক সামগ্ৰীৰ উল্লেখ জড়িত কাৰ্য্যকলাপসমূহ পাঠ্যপুথিত উপযুক্তভাৱে সন্নিৱিষ্ট কৰিব লাগে।

**ঙ. প্ৰসংগ নীতি ঃ** পাঠ্যপুথিৰ বিষয়বস্তু বাছনিৰ ক্ষেত্ৰত শিশুৰ স্থানীয় প্ৰসংগ আৰু পৰিৱেশ অতি গুৰুত্বপূৰ্ণভাৱে বিবেচিত হ'ব লাগে। চিনাকিৰ পৰা অচিনাকিলৈ যোৱাটো শিকনৰ এটা গুৰুত্বপূৰ্ণ দিশ আৰু পাঠ্যপুথিখনত শিশুসকলৰ বাবে পৰিচিত চিনাকি প্ৰসংগ আৰু কৌতুহল সৃষ্টিৰ বাবে ব্যৱহৃত অচিনাকি প্ৰসংগ দুয়োটাৰে ভাৰসাম্য থাকিব লাগে। ইয়াৰ দ্বাৰা তেওঁলোকৰ চিন্তা আৰু পছন্দক প্ৰত্যাহ্বান জনাব পাৰি।

**চ. উপস্থাপন নীতি ঃ** পাঠ্যপুথিসমূহ আকৰ্ষণীয় হোৱাটো প্ৰয়োজন আৰু এই ক্ষেত্ৰত কণ কণ ল'ৰা-ছোৱালীৰ দৃষ্টি আকৰ্ষণ কৰাৰ প্ৰয়োজন। বুনিয়াদী পৰ্যায়ৰ কাৰণে দৃশ্যযুক্ত সামগ্ৰী আৰু পাঠ্যৰ মাজৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ যাওঁতে দৃশ্যমান সামগ্ৰীৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগে। ৰঙৰ পৰিকল্পনা আৰু আঁচনি আৰু বিষয়বস্তুৰ ৰূপৰেখা আকৰ্ষণীয় আৰু সামাঞ্জস্যপূৰ্ণ হ'ব লাগে। পাঠ্য সামগ্ৰীৰ আখৰৰ ধৰণ আৰু আকাৰ উভয়ে দৃশ্যমান আৰু কণ কণ ল'ৰা-ছোৱালীৰ বাবে পাঠৰ যথোপযুক্ত অৰ্থ লাভৰ ক্ষেত্ৰত বিভ্ৰান্তিকৰ হ'ব নালাগে।

**ছ. বৈচিত্ৰ্য আৰু অন্তৰ্ভুক্তিঃ** ভাৰতীয় প্ৰেক্ষাপটত, পাঠ্যপুথিৰ বাবে বিষয়বস্তু বাছনিৰ ক্ষেত্ৰত বৈচিত্ৰ্য আৰু অন্তৰ্ভুক্তিক এক গুৰুত্বপূৰ্ণ নীতি হিচাপে গ্ৰহণ কৰাটো গুৰুত্বপূৰ্ণ। আনকি ৰাজ্যসমূহৰ মাজতো আঞ্চলিক বিভিন্নতা আছে আৰু পাঠ্যপুথিত এইবিলাকক পৰ্যাপ্ত প্ৰতিনিধিত্ব প্ৰদান কৰাৰ প্ৰয়োজন। ইয়াত লিংগ আৰু সম্প্ৰদায়ৰ সুষম প্ৰতিনিধিত্ব (যেনে- কাহিনী, চৰিত্ৰ, ছবিৰ ব্যৱহাৰৰ জৰিয়তে) নিশ্চিত কৰিব লাগিব।

## 5.5.4 পাঠ্যপুথি বিকাশৰ প্ৰক্ৰিয়া ঃ

পাঠ্যপুথি বিকাশৰ নীতিসমূহক প্ৰয়োগ কৰাৰ প্ৰক্ৰিয়াসমূহ তলত উল্লেখ কৰা ধৰণৰ হ'ব পাৰে ঃ

**ক. পাঠ্যক্ৰম ভিত্তিক বিষয়সূচীৰ ৰচনা**- পাঠ্যক্ৰমৰ নিৰ্দেশক নীতিৰ আৰ্হিয়ে, উল্লিখিত সামৰ্থ, শিকন ফলশ্ৰুতিৰ দ্বাৰা আকৰ্ষিত; বিষয়ৰ প্ৰকৃতি; শিক্ষাশৈলী আৰু মূল্যায়ন প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰমৰ ভিত্তিক বিষয়সূচীত বিষয়টো শিকোৱাৰ উদ্দেশ্য অন্তৰ্ভুক্ত কৰিবলগীয়া বিষয়বস্তুৰ দৃষ্টিভঙ্গী (ধাৰণা আৰু বিষয়বস্তু) পাঠ্যক্ৰমৰ বিষয়সূচীৰ সংগঠন

(প্ৰশ্ন হিচাপে, মৌলিক ধাৰণা, পৰামৰ্শ কৰা কৌশল বা কাৰ্যকলাপ) এনে সামগ্ৰী নিৰ্বাচন কৰা যিবোৰ বৌদ্ধিকভাৱে আৰু আৰ্থ-সামাজিকভাৱে প্ৰাসংগিক বিষয়বস্তু নিৰ্বাচন ইত্যাদি অন্তৰ্ভুক্ত হ'ব পাৰে। পাঠক্ৰমৰ বিষয়বস্তুৰ পৰিসৰ আৰু গভীৰতা নিৰ্ণয় কৰাৰ বাবে গৱেষণামূলক অধ্যয়ন, নীতি নিৰ্দেশক পত্ৰ, শিক্ষকৰ অভিজ্ঞতা, আৰু বিষয়বস্তু সম্পৰ্কে বিশেষজ্ঞৰ মতামত আদিৰো ব্যৱহাৰ কৰিব পাৰি।

খ. **পাঠ্যপুথিৰ লেখক, পৰ্যালোচক আৰু চিত্ৰকৰৰ নামসূচী**- পাঠ্যপুথি বিকাশৰ সৈতে জড়িত লোকসকল হৈছেঃ

i. **পাঠ্যপুথি লেখক আৰু পৰ্যালোচক ঃ** শিক্ষকসকল এই গোটৰ অংশ হ'ব লাগিব। আনসকলৰ ভিতৰত বিষয় বিশেষজ্ঞ, বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু গৱেষক পণ্ডিত থাকিব পাৰে।

ii. **ৰূপাঙ্কক/চিত্ৰকৰ ঃ** যিসকল লোক/সংস্থাৰ ৰূপাঙ্কণ আৰু স্থানীয় প্ৰেক্ষাপট উভয়ৰে বোধ আছে, বিশেষভাৱে স্থানীয় বিশেষজ্ঞ আৰু প্ৰক্ৰিয়াৰ আৰম্ভণিৰ পৰাই জড়িত থকা দক্ষ ব্যক্তিক অগ্ৰাধিকাৰ দিব লাগে।

iii. **কাৰিকৰী বিশেষজ্ঞ ঃ** পাঠ্যপুথিখনৰ পৰিপূৰক বহু বিষয়বস্তু ডিজিটেল মাধ্যমৰ জৰিয়তে উপলব্ধ কৰিব পাৰি। কাৰিকৰী বিশেষজ্ঞজনে আৰম্ভণিৰে পৰাই পাঠ্যপুথি প্ৰস্তুতকাৰী দলৰ অংশ হোৱাটো গুৰুত্বপূৰ্ণ। ডিজিটেল মাধ্যমৰ সামগ্ৰীসমূহ পৰৱৰ্তীকালত বিবেচনা কৰিবৰ বাবে থৈ দিব নালাগে।

পাঠ্যক্ৰম প্ৰস্তুত প্ৰক্ৰিয়াটোৰ বিষয়ে এক উমৈহতীয়া বুজাবুজিৰ সৃষ্টি কৰিবলৈ দলটোৱে আৰম্ভণিৰে পৰাই একেলগে কাম কৰিব লাগে আৰু পাঠ্যপুথিখন মতামত, পৰামৰ্শ আৰু একাধিক পুণৰাবৃত্তিৰ বাবে মুকলি হ'ব লাগে।

গ. **বিষয়বস্তুৰ, শিক্ষাশৈলী আৰু মূল্যায়নৰ বাছনি ঃ** অধিক অনুসন্ধানৰ কাৰণে নিৰ্বাচিত বিষয়/প্ৰসংগসমূহ শিক্ষাৰ্থী (পূৰ্বৰ অভিজ্ঞতা, ভাষাকে ধৰি)ৰ নিজস্ব প্ৰেক্ষাপট আৰু সুযোগত অন্তৰ্ভুক্তিৰ প্ৰয়োজন। উদাহৰণস্বৰূপে, এই জনপ্ৰিয় নিচুকনী গীতটো শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি কথা-বতৰা আৰম্ভ কৰিব পৰা যাব।

| | |
|---|---|
| *জোনবায়ে বেজী এটি দিয়া<br>বেজীনো কেলেই?<br>মোনা সীবলৈ।<br>মোনানো কেলেই?<br>ধন ভৰাবলৈ।<br>ধননো কেলেই?<br>হাতী কিনিবলৈ।<br>হাতীনো কেলেই?<br>উঠি ফুৰিবলৈ।<br>হাতীত উঠি পানীৰাম<br>ঘৰলৈ যায়,<br>বাটৰ মানুহবোৰে<br>ঘূৰি ঘূৰি চায়।* | *টোপনি টোপনি<br>অ' আই টোপনি<br>টোপনিৰ কলৰ তলত ঘৰ<br>আনৰে চকুতে নধৰি টোপনি<br>মইনাৰ চকুতে ধৰ।* |

প্ৰতিটো শ্ৰেণীত থকা বিষয়বস্তু পৰৱৰ্তী শ্ৰেণীৰ পূৰ্বসূৰী হ'ব লাগে। শিক্ষাশৈলী আৰু মূল্যায়নৰ বিষয়বস্তু আৰু শিকন ফলশ্ৰুতিৰ লগত সামঞ্জস্য হোৱাটো অতি প্ৰয়োজনীয়।

ঘ. **পাঠ্যপুথি আৰু ব্যৱহৃত ভাষাৰ গঠন ঃ** পাঠ্যপুথিখনক যদি শিক্ষক আৰু শিশুসকলৰ মাজত সংযোগ সাধনৰ এক গুৰুত্বপূৰ্ণ বিন্দু বুলি বিবেচনা কৰিলে ই উভয়ৰে বাবে উপযোগী হ'ব লাগিব। বিষয়সূচীৰ উপৰিও পাঠ্যপুথিখনত শিক্ষক আৰু আভিভাৱকসকললৈ এটি টোকা অন্তৰ্ভুক্ত কৰিব পাৰে। শিক্ষকসকলৰ বাবে প্ৰকাশ কৰা টোকাত শিক্ষকসকলক শিক্ষাশৈলীৰ দিশত নিৰ্দেশনা দিয়ে আৰু শিক্ষক, পৃষ্ঠাসমূহে প্ৰতিখন পাঠ্যপুথিৰ অধ্যায়ৰ চমু আভাষ শিক্ষাশৈলী আৰু উদাহৰণেৰে সৈতে মূল্যায়ণৰ সম্ভাৱনীয়তা সম্পৰ্কে পৰামৰ্শ প্ৰদান কৰে।

ঙ. **উপস্থাপন আৰু ৰূপাঙ্কণ ঃ** পাঠ্যপুথিৰ উপস্থাপন, আখৰৰ আকাৰ, ছবি, স্কেটচ্, ব্যৱহৃত ৰং আৰু এই তিনিওটাৰ একত্ৰীকৰণৰ ওপৰত নিৰ্ভৰ কৰে। যেনে- প্ৰাৰম্ভিক শ্ৰেণীত পাঠ্য বিষয়বস্তু বৃহৎ ছবিৰ ক্ষেত্ৰত সীমাৰদ্ধ হ'ব পাৰে। আখৰৰ আকাৰ ডাঙৰ হ'ব লাগে আৰু ব্যৱহৃত চিত্ৰসমূহ সংবেদনশীল আৰু অন্তৰ্ভুক্তিমূলক হ'ব লাগে। ব্যৱহৃত ভাষাটো শ্ৰেণী অনুসৰি খাপ খোৱা আৰু বিষয়টোৰ পৰিপ্ৰেক্ষিতত প্ৰাসংগিক হ'ব লাগে।

চ. **লিখনি, পৰ্যালোচনা আৰু পাইলট চলন ঃ** পাঠ্যপুথি এখন লিখাৰ বাবে পৰ্যাপ্ত সময়, নিয়মীয়া শৈক্ষিক/ বৈজ্ঞানিক পৰ্যালোচনা আৰু পেনেলৰ সদস্যসকলৰ পৰ্যালেচনাৰ প্ৰয়োজন। পাঠ্যপুথিৰ বিষয়বস্তুৰ প্ৰয়োজনীয়তাক সংজ্ঞায়িত কৰিবলৈ আৰু ইয়াৰ প্ৰয়োজনীয়তাক পুনঃসংশোধন কৰিবলৈ চিত্ৰকৰ বা অংকন শিল্পীসকলৰ সৈতে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰাটো প্ৰয়োজনীয়। এইটোৱে পাঠ্যপুথি সৃষ্টিৰ কঠোৰতাক সংযোগ কৰে আৰু বিষয়সমূহত পাঠ্য, ছবি আৰু ধাৰণাসমূহৰ পুনৰাবৃত্তি বৰ্জন কৰাত সহায় কৰে, কিয়নো অংকন শিল্পীসকলে সকলো লেখকৰ সৈতে কাম কৰে।

পাঠ্যপুথি প্ৰণয়নত পৰ্যালোচনাসমূহ গঠনমূলক আৰু উৎসাহজনক হ'ব লাগিব। এইক্ষেত্ৰত প্ৰদান কৰা প্ৰতিপুষ্টিসমূহ পৰামৰ্শমূলক আৰু বিকল্প ধাৰণাযুক্ত হ'ব লাগে। লেখকসকল একাধিক পুনৰাবৃত্তিৰ বাবে প্ৰস্তুত থাকিব লাগে আৰু বিষয়বস্তু লিখাৰ নীতিৰ প্ৰতি সচেতন হ'ব লাগে। পৰ্যালোচনা প্ৰক্ৰিয়াটো অধ্যায় অনুসৰি আৰু তাৰ পিছত সামগ্ৰীকভাৱে পাঠ্যপুথিখনৰ বাবে কৰিব লাগিব। পাঠ্যপুথিৰ নিখুত পুনৰীক্ষণ ৰিডিং অতি প্ৰয়োজনীয় আৰু ই পাঠ্যপুথিৰ গুণগত মান নিৰ্ধাৰণত অৰিহণা যোগায়। পাঠ্যপুথিখনৰ পাইলট চলনৰ সময়ত লেখকসকলে বিদ্যালয়সমূহ পৰিদৰ্শন কৰিব লাগে আৰু শ্ৰেণীকোঠাৰ পৰ্যৱেক্ষণসূচী নিৰ্ধাৰণ কৰিব লাগে, আৰু লগতে শিক্ষক, শিশু, অভিভাৱকৰ লগত কথা-বতৰা পাতি পাঠ্যপুথিখনৰ বিষয়ে মতামত গ্ৰহণ কৰিব লাগে।

ছ. **পাঠ্যপুথিৰ প্ৰতি শিক্ষকৰ অভিবিন্যাস ঃ** শ্ৰেণীকোঠাত ইয়াৰ উপযুক্ত ব্যৱহাৰ নিশ্চিত কৰিবলৈ পাঠ্যপুথি, ইয়াৰ যুক্তিযুক্ততা, শিক্ষাশৈলীৰ আৰু ইয়াৰ মূল্যায়নৰ দৃষ্টিভঙ্গীৰ ওপৰত শিক্ষকসকলৰ অভিমুখীতাৰ কাৰণে যথোপযুক্ত ব্যৱস্থা থাকিব লাগিব। পাঠ্যপুথিসমূহৰ ব্যৱহাৰত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ অনুধাৱন কৰিবলৈ এই অভিমুখীতাক বিদ্যালয় ভ্ৰমণ, ৱেবিনাৰ, উত্তম ব্যৱস্থাসমূহৰ বিতৰণ আৰু শিক্ষকসকলৰ সৈতে নিয়মীয়াকৈ যোগাযোগৰ জৰিয়তে অনুসৰণ কৰিব লাগিব।

## 5.5.5 পাঠ্যপুথি আৰু মূল্যায়ন ঃ

পাঠ্যপুথিখনে শিক্ষকসকলক শিক্ষণ-শিকনৰ সৈতে মূল্যায়নক একত্ৰিত কৰাৰ সুনিৰ্দিষ্ট উপায় প্ৰদান কৰিব লাগিব। পাঠ্যপুথিত এনে মূল্যায়ন অনুশীলনক পথ প্ৰদৰ্শন কৰিব পৰা কেইটামান সাম্ভাব্য ধাৰণা তলত উল্লেখ কৰা হৈছে ঃ

ক. সম্পূৰ্ণ কিতাপখনৰ জৰিয়তে আৰু সম্বন্ধিত অধ্যায়সমূহৰ মাজেৰে লাভ কৰিবলগীয়া সামৰ্থ আৰু শিকনৰ ফলশ্ৰুতিসমূহ স্পষ্টভাৱে উল্লেখ কৰিব লাগে। প্ৰয়োজন হ'লে এই ফলশ্ৰুতিসমূহ শিক্ষক আৰু অভিভাৱকসকলে সহজে পঢ়িব পৰাকৈ সহজ-সৰল ৰূপত উপস্থাপন কৰিব পাৰি।

খ. শিকনৰ মূল্যায়নৰ বাবে পাঠ্যপুথিত শিক্ষকসকলৰ বাবে একাধিক সুযোগ প্ৰদান কৰিব পাৰি। এইবোৰ প্ৰশ্ন আৰু মূল্যায়নৰ কৰণীয় কাৰ্যৰ ৰূপত হ'ব পাৰে।

গ. মূল্যায়ন অনুশীলনীসমূহ সমগ্ৰ পাঠ্যপুথিখনত পাঠসমূহৰ মাজতো থাকিব পাৰে। এই অনুশীলনসমূহ পৰ্যালোচনাৰ বাবে নিৰ্দেশনা আৰু পৰামৰ্শ দিয়া মূল্যায়ন আহিলা আৰু বিধিসমূহ পাঠ্যপুথিসমূহত অন্তৰ্ভুক্ত কৰিব লাগে।

ঘ. নিৰ্ধাৰিত সময়মত বিশ্বাসযোগ্য আৰু ব্যক্তিগতভাৱে প্ৰতিপুষ্টি প্ৰদান কৰাটো ফলপ্ৰসূ মূল্যায়নৰ এটা মূল উপাদান। পাঠ্যপুথিৰ ভিতৰত শিক্ষকসকল নিৰ্দিষ্ট মূল্যায়ন কাৰ্যৰ প্ৰতিপুষ্টি প্ৰদান কৰিবলৈ প্ৰণোদন আৰু ইংগিত প্ৰদান কৰিব পাৰি।

ঙ. শিশুৱে স্বতন্ত্ৰভাৱে কৰিব পৰা সৰল অনুশীলনসমূহেৰে গঠিত আৰু সাধাৰণতে আকৰ্ষণীয় দৃশ্যৰ সৈতে সংলগ্ন কৰ্মপৃষ্ঠা আৰু কাৰ্যপত্ৰিকাসমূহে কেৱল মূল্যায়নতে নহয় শিকনতো বিশেষ সহায় কৰে।

## 5.5.6 পাঠ্যপুথিৰ অৰ্থপূৰ্ণ ব্যৱহাৰৰ বাবে শিক্ষকৰ সাহাৰ্য ঃ

পাঠ্যপুথি এখনত শিক্ষকক শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বহল দৃষ্টিভংগী প্ৰদান কৰিব পৰাকৈ, লগতে পাঠ্যপুথিখন কেনেকৈ যথোপযুক্তভাৱে ব্যৱহাৰ কৰিব লাগে তাৰ নিৰ্দেশনা থাকিব লাগিব। ইয়াত পাঠ্যপুথিত অন্তৰ্ভুক্ত কাৰ্যকলাপসমূহৰ ফলত শিশুৱে লাভ কৰিবলগীয়া সামৰ্থসমূহৰ লগতে প্ৰতিটো অধ্যায় বা একক বা পাঠৰ বঞ্চিত শিকন ফলশ্ৰুতি উল্লেখ থাকিব লাগে।

পাঠ্যপুথি এখনত শিক্ষকক শিকনৰ কৰণীয় কাম, ক্ৰিয়াকলাপ, প্ৰকল্প, ক্ষেত্ৰ ভ্ৰমণ, সাধাৰণ পৰীক্ষাৰ লগতে মূল্যায়নৰ দৰে প্ৰক্ৰিয়াৰ ওপৰতো শিক্ষক নিৰ্দেশনা থাকিব লাগে। ইয়াত তালিকা, চিত্ৰ, ফ্ল' চাৰ্ট, কাৰ্টুন আৰু ছবি থাকিব লাগিব যিয়ে শিকন ফলশ্ৰুতি লাভ কৰাত শিক্ষকসকলক সক্ষম কৰাৰ লগতে স্থানীয়ভাৱে উপলব্ধ একেধৰণৰ সামগ্ৰীসমূহ ইনপুট হিচাবে ব্যৱহাৰ কৰাত সহায় কৰে।

শিক্ষকৰ কাৰণে নিৰ্ধাৰিত টোকাসমূহে পাঠ্যপুথিৰ অন্তৰ্ভুক্তি বিষয়সমূহৰ আৰু কাৰ্যাৱলীসমূহৰ যুক্তিযুক্ততা ব্যাখ্যাৰ লগতে পৰামৰ্শও আগবঢ়ায়। সেইদৰে শিক্ষক পৃষ্ঠাসমূহে শিক্ষকসকলৰ শ্ৰেণীকোঠাৰ আদান-প্ৰদান সম্পৰ্কে ব্যৱহাৰিক পৰামৰ্শ প্ৰদান কৰিব পাৰে।

**যদি ব্যৱহাৰিক হয়, তেন্তে ইয়াৰ পদ্ধতি আৰু ইয়াৰ বিষয়বস্তু দুয়োটাৰে সৈতে সংগতি ৰাখি পাঠ্যপুথিখনৰ সহযোগী হিচাপে শিক্ষকৰ হাতপুথি এখন প্ৰস্তুত কৰিব পাৰি। শিক্ষকৰ হাতপুথিখন মূলতঃ শিক্ষকৰ বাবেই প্ৰস্তুত কৰা হয় যদিও ইয়াৰ ব্যৱহাৰে শিশুসকলকো উপকৃত কৰিব।** উদাহৰণস্বৰূপে, শিক্ষকসকলৰ হাতপুথিত শ্ৰেণীকোঠাৰ বৈচিত্ৰ্যক গ্ৰহণ কৰা, ৰাজ্যিক পৰ্যায়ত নিৰ্বাচিত হোৱা বিষয়বস্তুৰ প্ৰসংগক্ৰমে নিৰ্দ্ধাৰণ কৰা আৰু অন্যান্য বিষয়ৰ সৈতে সংযোগৰ পৰামৰ্শ অন্তৰ্ভুক্ত কৰিব পাৰি। ই শিশুৰ বিকাশৰ প্ৰয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰে আৰু নিৰ্দিষ্ট বিষয় এটা কেনেকৈ শিকিব লাগে আৰু ইয়াৰ লগত সংগতি ৰাখি শিল্পশৈলী আৰু মূল্যায়নক ব্যৱহাৰ কৰাত সহায় কৰে।

# খণ্ড 5.6

# শিকন পৰিৱেশ ঃ

শিকন কাৰ্যত প্ৰতিটো শিশুৰ অংশগ্ৰহণক সুযোগ প্ৰদান কৰা এক অন্তৰ্ভুক্তিমূলক, গ্ৰহণযোগ্য, বৰ্ণিল আৰু আনন্দময় পৰিৱেশ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাত উল্লেখ কৰা অৰ্হতাসমূহ লাভৰ বাবে অতি গুৰুত্বপূৰ্ণ।

ক. আভ্যন্তৰীণ পৰিৱেশ ভালদৰে পোহৰ পৰা আৰু বায়ু চলাচল কৰিব পৰা বিধৰ হ'ব লাগে।

খ. শিশুসকলৰ কাৰণে ইয়াক নিৰাপদ আকৰ্ষণ কৰিব পৰা বিধৰ হ'ব লাগে।

গ. ই অন্তৰ্ভুক্তিমূলক হোৱাটো প্ৰয়োজন।

ঘ. ইয়াত শিশুৰ বাবে চিনাকি আৰু নতুন অভিজ্ঞতা দুয়োটাৰে ভাৰসাম্য থাকিব লাগে।

ঙ. ইয়াত এনে সামগ্ৰীৰ ভাৰসাম্য থাকিব লাগে যিয়ে বিকাশৰ বিভিন্ন ক্ষেত্ৰক উৎসাহিত কৰে।

চ. ইয়াত ব্যক্তিগত কাম আৰু সহযোগিতামূলক কাম দুয়োটাৰে সুযোগ থাকিব লাগে।

ছ. ইয়াত শিশুসকলৰ কাম-কাজ প্ৰদৰ্শন কৰাৰ ব্যৱস্থা থাকিব লাগে আৰু লগতে শিশুৰ কাম-কাজ সংৰক্ষণ কৰাৰ সুবিধাও থাকিব লাগে।

## 5.6.1 আভ্যন্তৰীণ পৰিৱেশ সংগঠন ঃ

ওপৰৰ নীতিসমূহৰ ভিত্তিত শ্ৰেণীকোঠাটো সংগঠিত কৰাৰ এটা উপায় তলত উল্লেখ কৰা হৈছে। শৈশৱকালীন শিশুৰ পৰিচৰ্যা আৰু শিক্ষাৰ কিছুমান মৌলিক নীতি ব্যৱহাৰ কৰি এই ব্যৱস্থা কৰা হৈছে। শিক্ষকসকলে শ্ৰেণীকোঠাৰ আয়তন আৰু আকৃতি, স্থানীয় পৰিস্থিতি আৰু উপলব্ধ সামগ্ৰীৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ শ্ৰেণীকোঠাৰ পৰিৱেশ সংগঠিত কৰাৰ স্বাধীনতা থাকে।

মজিয়া আৰু বেৰৰ ঠাই উভয়কে আৰু অন্যান্য স্থানসমূহ তলৰ চিত্ৰখনত দেখুৱা হৈছে আৰু ইয়াৰ ব্যৱহাৰ বিশদভাৱে তলত দিয়া হৈছে—



ক. **চলমান ব্লেকবোৰ্ড ঃ** চলমান ব্লেকবোৰ্ডক শ্ৰেণীকোঠাৰ তিনিখন বেৰৰ তলত আধা ফুট এৰি দিয়াৰ পিছত ৰং কৰিব পাৰি কিয়নো তলৰ সেই ঠাইত শিশুৱে লিখিব নোৱাৰে। প্ৰতিটো শিশুকে ব্লেকবোৰ্ডত কমেও তিনিফুট ঠাইৰ প্ৰয়োজন। চলমান ব্লেকবোৰ্ডখনক শিশুসকলৰ কাৰণে কলাৰ লগতে সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ কাৰ্যকলাপৰ বাবেও একাধিক ধৰণে ব্যৱহাৰ কৰিব পাৰি। এই ব্যৱস্থাৰ সুবিধাটো হ'ল এই যে শিকন পৰিৱেশত শিশু এটিৰ কাম-কাজ শিক্ষক আৰু আন আন শিশুসকল উভয়ে তৎক্ষণাত দেখিব পাৰে।

খ. **বৃত্তঃ** বৃত্তৰ সময়ত শিশুসকলে বহিব পৰাকৈ মজিয়াত কেন্দ্ৰীভূত বৃত্ত এটা আঁকিলে ভাল হয়। মজিয়াৰ ঠাইখিনি পৰিস্কাৰ আৰু সংগঠিত কৰি ৰখাটো শিশুসকলে শৃঙ্খলাবদ্ধভাৱে আৰু এটা উদ্দেশ্যৰে কাম কৰাৰ ক্ষেত্ৰত অতি প্ৰয়োজন।

গ. **শ্ৰেণীকোঠাত কোণ স্থাপনঃ** শ্ৰেণীকোঠাৰ ভিতৰত কোণ পৰিকল্পনা কৰিব পাৰি। এই স্থানত এটা সময়ত প্ৰায় চাৰিটা শিশুৰ বাবে ঠাই ৰাখিব লাগে। কোণবোৰ কাৰ্ডবোৰ্ডৰ বাকচ বা কম উচ্চতাৰ বাকচেৰে চিহ্নিত কৰিব পাৰি। এইটো বিভিন্ন ধৰণৰ হ'ব পাৰে। উদাহৰণস্বৰূপে—

i. **নাটকীয় খেলৰ কোণ ঃ** এই কোণটো দুইফালে স্বচ্ছ পৰ্দাৰে আবৃত্ত হ'ব পাৰে। মুখা আৰু পুতলাৰ লগতে কোণত বিভিন্ন ধৰণৰ সামগ্ৰীৰ সমূহ এটা স্থাপন কৰিব পাৰি। কম খৰচী আৰু স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী ব্যৱহাৰ কৰি এই সামগ্ৰীসমূহ সংগ্ৰহ বা প্ৰস্তুত কৰিব পাৰি। শিশুৱে নিঃসংকোচে খেলাৰ সুযোগ পায় আৰু প্ৰাপ্তবয়স্কসকলে কৰা কামবোৰ অনুকৰণ কৰে।

ii. **ব্লক/প্ৰহেলিকা আৰু গণিতৰ কোণ ঃ** এই কোণত আমি ব্লক, প্ৰহেলিকা, গুটি, পেগবোৰ্ড, সাদৃশ্যপূৰ্ণ শ্ৰেণীবিভাজিত সামগ্ৰী ইত্যাদিৰ ব্যৱস্থা কৰিব পাৰোঁ। সামগ্ৰীবোৰ সঘনাই সলনি কৰিব লাগিব। সংবেদনশীল বিকাশৰ লগতে সাংখ্যিক জ্ঞানৰ বাবে কৰা কাৰ্যকলাপসমূহৰ কাৰণে এনে সামগ্ৰীৰ ব্যৱহাৰ কৰি অতি ফলপ্ৰসূ। শিশুসকলেও ব্লক আৰু অন্যান্য সামগ্ৰী ব্যৱহাৰ কৰি আৰ্হি নিৰ্মাণ কৰিব পাৰে আৰু এই আৰ্হিসমূহৰ বিষয়ে কথা পাতি নিজৰ কল্পনা আৰু প্ৰকাশভঙ্গীৰ বিকাশ কৰিব পাৰে।

iii. **কলা/অঙ্কণ কোণ ঃ** এই কোণত কাগজ, ক্ৰেয়ণ, পেঞ্চিল ৰং, তুলিকা, গছপাত আৰু কাঠী আদি থাকিব পাৰে। এই কোণটোৰে শিশুসকলক মুক্তভাৱে অংকণ কৰাৰ লগতে নিজৰ মতামত আৰু আৱেগ প্ৰকাশ কৰিবলৈ সুযোগ দিব। কাপোৰ, সূতা, আৱিগামী কাগজ, কাৰ্ডবোৰ্ড আদিয়ে ভাস্কৰ্য শিল্পৰ জৰিয়তে ত্ৰিমাত্ৰিক প্ৰকাশত সহায় কৰিব।

iv. **কিতাপ / ভাষাৰ কোণঃ** এই কোণত ছবিৰ কিতাপ, ছবিৰ তালিকা, ছবিৰ কাৰ্ড আৰু শিশু সাহিত্য থাকিব পাৰে। এই কোণটোৰ মাজেৰে ল'ৰা-ছোৱালীয়ে কিতাপ সন্ধান কৰাৰ সুবিধা পাব, নিজাববীয়াকৈ কিতাপ নিৰৱে পঢ়িব পাৰিব, ছবিৰ কাৰ্ডবোৰৰ বিষয়ে কথা পাতি আন ল'ৰা-ছোৱালীৰ লগত নিজৰ চিন্তাধাৰা ব্যক্ত কৰাৰ সুযোগ লাভ কৰিব, ইত্যাদি ইত্যাদি। এই কাৰ্যসূচীৰ জৰিয়তে শিশুৱে মৌখিক ভাষাৰ অৰ্হতা, ছপা সজাগতা আৰু পঠনৰ ক্ষমতা লাভ কৰে।

স্থানৰ উপলব্ধতাৰ ওপৰত নিৰ্ভৰ কৰি এই ক্ষেত্ৰত অতিৰিক্ত কোণৰো ব্যৱস্থা কৰিব পাৰি। কণ কণ ল'ৰা-ছোৱালীৰ বাবে সাধাৰণ নিৰাপদ ঘৰুৱা সঁজুলিবোৰ ভাঙি পুনৰ মেৰামতি কৰি জোৰা লগাবৰ কাৰণে এটা কোণ ৰাখিব পৰা যায়। শিশুৰ কোমল মনক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বৰ বাবে প্ৰস্তুত কৰাত ই সহায় কৰিব।

ঘ. **শ্ৰেণীকোঠাৰ প্ৰদৰ্শন ঃ** কোঠাটো সজীৱ আৰু গতিশীল কৰি ৰাখিবলৈ কোঠাটোত শিশু আৰু শিক্ষক উভয়ৰে কাম প্ৰদৰ্শন কৰিবলৈ এটা নিৰ্দিষ্ট স্থান গুৰুত্বপূৰ্ণ। প্ৰদৰ্শনটো কাৰ্ডবোৰ্ডৰ টুকুৰা এটা ব্যৱহাৰ কৰি সাজিব পাৰি য'ত ব'গা চাদৰ এখন আঠা লগাই থ'ব পাৰি। প্ৰদৰ্শন পত্ৰিকাখন বেৰত শিশুসকলৰ চকুৰ সমান্তৰালকৈ ওলোমাই থোৱাটো প্ৰয়োজন। শিশুৰ সকলো কাম ক্ৰমানুসৰি প্ৰদৰ্শনৰ বাবে ৰখাটো নিশ্চিত কৰাটো প্ৰয়োজন।

i. **বতৰৰ তালিকা ঃ** এই স্থানত সপ্তাহৰ দিনৰ তথ্যৰ সৈতে দৈনিক আৰু সাপ্তাহিক বতৰৰ বতৰা প্ৰদৰ্শন কৰিব পাৰি। আকৌ চাৰ্ট পেপাৰৰ সৈতে এখন কাৰ্ডবোৰ্ডৰ এটা টুকুৰা পটভূমি হিচাপে ব্যৱহাৰ কৰিব পাৰে আৰু দিনটোৰ বতৰৰ বতৰা চিত্ৰ নতুবা লিখনীৰ জৰিয়তে দেখুৱাব পাৰি।

ii. **সময়সূচী ঃ** শ্ৰেণীকোঠাত সময়সূচী স্পষ্টকৈ প্ৰদৰ্শন কৰাটো গুৰুত্বপূৰ্ণ আৰু ই শিক্ষকসকলৰ লগতে শিশুসকলকো উপযুক্ত নিৰ্দেশনা প্ৰদান কৰে। এই বয়সৰ শিশুসকলে সংগঠন আৰু অনুক্ৰম ভাল পায়।

iii. **শিক্ষকে প্ৰস্তুত কৰা তালিকা ঃ** শ্ৰেণীকোঠাৰ এই স্থানত শিক্ষকে প্ৰস্তুত কৰা তালিকা প্ৰদৰ্শন কৰিব পাৰি। ইয়াত বিদ্যালয়ৰ ওচৰত বা শিশুসকলৰ ঘৰত পোৱা বস্তু যিবোৰ শিকি থকা বিষয়ৰ লগত প্ৰাসংগিক তাৰ কাহিনী বা ছবি থাকিব পাৰে। শিক্ষক আৰু শিশুসকলে একেলগে এই তালিকাসমূহ প্ৰদৰ্শনৰ বাবে প্ৰস্তুত কৰিব পাৰে।

iv. **নীতি-নিয়মৰ তালিকা ঃ** শ্ৰেণীকোঠাৰ নীতি-নিয়মসমূহ স্পষ্টভাৱে দেখাকৈ প্ৰদৰ্শন কৰাটো প্ৰয়োজনীয়। এই তালিকাবোৰ কেৱল নিৰ্দেশনাৰ ক্ৰম হিচাপে হ'ব নালাগে, বৰঞ্চ ছবি আৰু কাহিনীৰ জৰিয়তে সৃষ্টিশীলভাৱে প্ৰকাশিত হ'ব লাগে।

ঙ. **পোৰ্টফলিঅ' বেগ ঃ** শিশুৰ কাম নথিভুক্ত আৰু সংৰক্ষণ কৰাটো গুৰুত্বপূৰ্ণ। ইয়াক আন শিশুৰ বাবে সুলভ আৰু দৃশ্যমান কৰি তোলাটোও সমানেই গুৰুত্বপূৰ্ণ। মূল্যায়নৰ বাবেও এইটো প্ৰাসংগিক হৈ পৰে। পোৰ্টফলিঅ' বেগবোৰ ৰছীত ওলোমাই থ'ব পাৰি আৰু প্ৰতিটো শিশুৰ নামৰ সৈতে পৰিপাটিকৈ নামাংকণ কৰা উচিত।

এই প্ৰদৰ্শনীৰ স্থানসমূহৰ লগতে প্ৰতিটো শ্ৰেণীকোঠাতে এখন আইনা আৰু এটা ঘড়ী থাকিব লাগে আৰু জোতা-ছেণ্ডেল আৰু জাৱৰ পেলোৱা খৰাহী ৰাখিবলৈ বাহিৰত এটুকুৰা ঠাই থাকিব লাগে।

এই অৱস্থানসমূহৰ নামাঙ্কন, প্ৰদৰ্শনীসমূহত লিখনি আৰু পঢ়া কোণসমূহ পৰিৱেশ ছপা চহকী, ৰঙীণ আৰু আনন্দময় ঠাই হিচাপে ৰূপান্তৰ কৰিব লাগিব ।

## 5.6.2 বাহিৰৰ সঁজুলি আৰু সামগ্ৰী ঃ

ক. **বালিৰ গাঁত ঃ** যদি পৰ্যাপ্ত ঠাই পোৱা যায় তেন্তে বালিৰ গাঁত এটাৰ ব্যৱস্থা কৰিব পাৰিলে শিশুৰ বাবে খেলাৰ এক উৎকৃষ্ট ঠাই হ'ব। এই ক্ষেত্ৰত ইটাৰ ব্যৱহাৰ কৰি বালিৰ বাকচ এটা স্থাপন কৰিব পাৰি আৰু বালি বা বোকাৰে ভৰাই ল'ব পাৰি। বালিৰ গাঁত/ বাকচটো সময়ে সময়ে পৰিস্কাৰ কৰি শিল আৰু অন্যান্য চোকা বস্তু আতৰাই পেলাব লাগে। মুক্তভাৱে খেলাৰ সময়ত শিশুৱে বালিৰ ঠাইখিনি ব্যৱহাৰ কৰিব পাৰে।

খ. **মাটিৰ বাকচ ঃ** ইটাৰে নির্মিত আৰু বোকা মাটি থকা সৰু বাকচ এটাই শিশুসকলক মাটি মিহলাই চালি মাটিৰ আকৃতি আৰু খেলনা বনাবলৈ সুবিধা প্ৰদান কৰিব। এইটো তেওঁলোকৰ স্থুল পেশী সঞ্চালন আৰু সুক্ষ্ম পেশী সঞ্চালন দুয়োটা ক্ষমতাৰ ক্ষেত্ৰত অতি ভাল ব্যায়াম হ'ব।

গ. **পানী ঃ** কণ কণ ল'ৰা-ছোৱালীয়ে পানীৰ সৈতে খেল-ধেমালি কৰি ভাল পায়। চিটিকি নোযোৱাকৈ পানী ঢালিলে একাধিক পেশীৰ সমন্বয়ত সহায় কৰে আৰু মনোযোগ বৃদ্ধি কৰে। জোখ-মাখৰ বাবেও পানী উপযোগী। বালি আৰু মাটিৰ ঠাইৰ লগতে পানীৰ কাম-কাজৰ বাবে বাল্টি, মগ আৰু টাবৰ সাধাৰণ ব্যৱস্থা ৰাখিব লাগে।



ঘ. **শাক-পাচলিৰ বাগিচা ঃ** ঘৰৰ ভিতৰৰ পৰিৱেশৰ লগত সংলগ্ন হৈ থকা পাকঘৰৰ সৰু বাগিছাখনে বিভিন্নধৰণৰ গছ-গছনিৰে (যেনে- ফুল, লতা, মূল, শাক-পাচলি, শাক-পাত) শিশুক সংবেদনশীল অভিজ্ঞতা, হাতেৰে কাম কৰাৰ সুযোগ আৰু প্ৰাকৃতিক পৰিৱেশৰ বিষয়ে ধাৰণা প্ৰদান কৰে। দলীয় কাম, শাৰীৰিক শ্ৰম আৰু কামৰ প্ৰতি এনেধৰণৰ অন্যান্য ইতিবাচক মনোভাবো পাকঘৰৰ বাগিছাত কাম কৰা শিশুৱে লাভ কৰিব পাৰে।

ঙ. **বাহিৰৰ খেলাৰ সঁজুলি ঃ** স্লাইড, ছি-চ', দোলনা আদি কিছুমান অত্যাৱশ্যকীয় বহিঃ ক্ৰীড়াৰ সামগ্ৰী। যদি শিশুসকল তেওঁলোকৰ বগাবলৈ সৰু গছৰ সুবিধা নাথাকে তেন্তে শ্লাইডৰ জখলা বগোৱাৰ ব্যৱস্থা কৰিলে কণ কণ ল'ৰা-ছোৱালীক বগাবলৈ সুবিধা প্ৰদান কৰিব, যিটো বিকাশৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ কাম। অন্যথা, তেওঁলোকে বগাব পৰাকৈ বাহিৰৰ ঠাইখিনিত চুটি জখলা এটা স্থাপন কৰিব পাৰি। পিছৰ বছৰবোৰত অধিক বগাই যোৱাৰ অভিজ্ঞতাৰ বাবে সৰল ৰছীৰ জখলা স্থাপন কৰিব পাৰি। ব্যৱহৃত টায়াৰ ব্যৱহাৰ কৰিও সৰল দোলনা তৈয়াৰ কৰিব পাৰি।

# অধ্যায় 6

# শিকনক আগবঢ়াই নিবলৈ মূল্যায়ন ঃ

মূল্যায়ন হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা অংশ। ইয়াৰ লগত শিশুৰ শিকন সম্পৰ্কীয় বিভিন্ন উৎসৰ পৰা প্ৰাপ্ত তথ্য পদ্ধতিগতভাৱে সংগ্ৰহ কৰা কাৰ্য জড়িত হৈ থাকে। বিষয়সূচী আৰু শিক্ষাশৈলীয়ে শিশুৰ বাবে শিকন অভিজ্ঞতাসমূহ সংগঠিত কৰাত সহায় কৰে যদিও মূল্যায়নে শিক্ষক, অভিভাৱক আৰু শিশুসকলক তেওঁলোকৰ কৃতিত্বৰ বিষয়ে তথ্য প্ৰদান কৰাত সহায় কৰে। শিশুসকলৰ কাৰণে শিকন অভিজ্ঞতাৰ পৰিকল্পনা আৰু সংগঠিত কৰাৰ বাবে শিক্ষকসকলে নিয়মীয়াভাৱে চলিত মূল্যায়নৰ পৰা প্ৰাপ্ত তথ্য ব্যৱহাৰ কৰিব পাৰে।

সকলো শিশুৱেই অনন্য আৰু তেওঁলোকৰ শিকাৰ ধৰণ আৰু গতি বেলেগ বেলেগ। এনে বৈচিত্ৰ্যৰ লগত খাপ খুৱাই মূল্যায়নৰ ৰূপাংকণ কৰিব লাগে। মূল্যায়নৰ তথ্যই শিক্ষকসকলক অতিৰিক্ত সহায় আৰু মনোযোগৰ প্ৰয়োজন হোৱা শিশুসকলক চিনাক্ত কৰাত সহায় কৰিব পাৰে।

খণ্ড ৬.১ ত মূল্যায়নৰ কিছুমান মৌলিক নীতি উল্লেখ কৰা হৈছে যিবোৰ বুনিয়াদি পৰ্যায়ৰ কাৰণে প্ৰাসংগিক। ৬.২ খণ্ডত বুনিয়াদী পৰ্যায়ৰ কাৰণে উপযুক্ত মূল্যায়নৰ পদ্ধতি আৰু সঁজুলিসমূহৰ বিষয়ে বিৱৰণ দিয়া হৈছে। খণ্ড ৬.৩ ত শিক্ষকসকলে শিশুৰ প্ৰতিক্ৰিয়া কেনেকৈ বিশ্লেষণ কৰিব পাৰে তাৰ বিষয়ে বিষদভাৱে উল্লেখ কৰা হৈছে। ৬.৪ খণ্ডত শিশুৰ শিকনৰ মূল্যায়ন আৰু অগ্ৰগতিৰ নথিৰ্ভুক্তি আৰু যোগাযোগৰ উপায়সমূহৰ বিষয়ে বিতংভাৱে উল্লেখ কৰা হৈছে।



# খণ্ড 6.1

# মূল্যায়নৰ বাবে পথ প্ৰদৰ্শনমূলক নীতি ঃ

## 6.1.1 মূল্যায়নৰ প্ৰকৃতি আৰু উদ্দেশ্য ঃ

ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখাই প্ৰস্তাৱ কৰা অৰ্হতা-ভিত্তিক পাঠ্যক্ৰমত, মূল্যায়ন হৈছে, সৰলভাৱে শিশুৰ শিকন কৃতিত্বৰ প্ৰমাণ সংগ্ৰহ কৰাৰ উপায়। বুনিয়াদী পৰ্যায়ত মূল্যায়নে তলত দিয়া উদ্দেশ্যসমূহ পূৰণ কৰিব পাৰে—

ক. শিশুৰ প্ৰয়োজন, পছন্দ আৰু আগ্ৰহ চিনাক্ত কৰা- এই তথ্যই শিক্ষকসকলক বিষয়বস্তু আৰু শিক্ষাশৈলীৰ পদ্ধতি নিৰ্বাচনত পথ নিৰ্দেশনা দিব পাৰে।

খ. শিক্ষকজনক শিশুৰ শিকন কৃতিত্বৰ বিষয়ে এক অন্তৰ্দৃষ্টি দিয়ে আৰু ভৱিষ্যতৰ কাৰ্যপন্থাৰ বিষয়ে পথ প্ৰদৰ্শন কৰা— মূল্যায়ন কামৰ প্ৰতি শিশুৰ প্ৰতিক্ৰিয়াৰ তথ্য এক সম্পদ যাৰ ওপৰত শিক্ষকসকলৰ ভৱিষ্যৎ কাৰ্যপন্থা নিৰ্ভৰ কৰে। এই প্ৰতিক্ৰিয়াবোৰে শিশুৰ চিন্তাশক্তিক আৰু শিকন প্ৰক্ৰিয়াক এক অতিৰিক্ত পথ প্ৰদান কৰে। মূল্যায়নৰ সুচিন্তিত ৰূপৰেখা প্ৰস্তুত কৰাৰ লগতে শিশুৰ প্ৰতিক্ৰিয়াৰ সযতনে কৰা বিশ্লেষণ শিক্ষকসকলৰ বাবে সমানেই গুৰুত্বপূৰ্ণ।

গ. শিকনৰ একত্ৰিকৰণ- মূল্যায়নৰ কামসমূহ, ভালদৰে ৰূপাংকণ কৰিলে শিশুসকলক অৰ্থপূৰ্ণ কাৰ্যকলাপ আৰু অভ্যাসৰ জৰিয়তে তেওঁলোকৰ শিকন একত্ৰিত কৰাত সহায় কৰে। শেহতীয়াকৈ আহৰণ কৰা জ্ঞান আৰু দক্ষতাৰ প্ৰয়োগৰ জৰিয়তে শিশুসকলে নিজৰ বোধ আৰু ক্ষমতাক আৰু অধিক গভীৰ কৰি তোলাৰ সুযোগ লাভ কৰে।

ঘ. শিশুৰ বাবে উপযুক্ত শিকনৰ সুযোগ প্ৰদানৰ প্ৰচেষ্টাত সহযোগিতা আৰু সমন্বয় সম্ভৱ কৰি তোলে। মূল্যায়নৰ জৰিয়তে সংগ্ৰহ কৰা তথ্য শিশুৰ শিকনৰ প্ৰসাৰৰ প্ৰতি আগ্ৰহী সকলো অংশীদাৰৰ সৈতে ভাগ-বতৰা কৰিব পাৰি।

ঙ. প্ৰতিটো শিশুৰ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত শিকন অগ্ৰগতিৰ হাৰ প্ৰদান কৰা— কেৱল সামৰ্থসমূহ আয়ত্ব কৰাই নহয়, এই সামৰ্থসমূহ লাভ কৰিবলৈ যাওঁতে ব্যয় হোৱা সময়েও শিকন প্ৰক্ৰিয়াৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য দিয়ে।

চ. এটা শ্ৰেণীকোঠাত শিশুৰ শিকন কৃতিত্বৰ সামগ্ৰীক দৃষ্টিভংগী প্ৰদান কৰা— এই তথ্যসমূহ শিক্ষক আৰু বিদ্যালয়ত নেতৃত্ব প্ৰদান কৰা ব্যক্তি উভয়ৰে বাবে সকলো শিশুৰ কাৰণে পাঠ্যক্ৰমৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ বিষয়বস্তু আৰু শিক্ষাশৈলীৰ পৰিকল্পনা আৰু সংগঠিত কৰাত সহায় কৰে।

ছ. শিশুসকলৰ ভিন্ন আৰ্থ-সামাজিক পটভূমি আৰু শিকনৰ গতিৰ পাৰ্থক্যৰ পৰিপ্ৰেক্ষিতত একেটা শ্ৰেণীৰে শিশুসকলৰ মাজত শিকন ব্যৱধান দেখা যায় আৰু সঠিক সময়ত সমাধান নকৰিলেই দ্বিতীয় শ্ৰেণীলৈকে ই সম্প্ৰসাৰিত হ'ব পাৰে। প্ৰচলিত, সুপৰিকল্পিত মূল্যায়নে এজন শিক্ষকক উপযুক্তভাৱে শিকিব নোৱাৰা সেই শিশুসকলৰ বাবে উপযুক্ত অতিৰিক্ত শিকন অভিজ্ঞতাৰ ৰূপাংকণ কৰাত সহায় কৰিব পাৰে।

জ. শিশুসকলে সন্মুখীন হ'ব পৰা সাম্ভাব্য বিকাশ মূল প্ৰত্যাহ্বান বা শিকন অসুবিধাসমূহৰ বিষয়ে ই আগতীয়াকৈ সংকেত দিয়ে— বুনিয়াদী পৰ্যায়ত যদিও ই বিশেষভাৱে গুৰুত্বপূৰ্ণ, সেয়ে হ'লেও অনুপযুক্তভাৱে সম্পাদন কৰা মূল্যায়নৰ ভিত্তিত শিশুক যাতে ভুলকৈ চিহ্নিত কৰা নহয় সেই বিষয়ে সচেতন হ'ব লাগে। *ইয়াৰ বিশদ বিৱৰণ অধ্যায় ৮ ত দিয়া হৈছে।*

## 6.1.2 বুনিয়াদী পৰ্যায়ৰ কাৰণে মূল্যায়নৰ বিবেচনা ঃ

বুনিয়াদী পৰ্যায়ৰ শিশুসকল অতি সৰু । সেয়েহে মূল্যায়ন প্ৰক্ৰিয়াৰ বাবে সৃষ্টি হোৱা যিকোনো অপ্ৰয়োজনী আৱেগিক চাপ উৎকৃষ্ট শিকন প্ৰক্ৰিয়াত গ্ৰহণযোগ্য নহয়। তলত দিয়া চৰ্তসমূহ এইক্ষেত্ৰত মনত ৰখা প্ৰয়োজন—

ক. মূল্যায়নে শিশুৰ বাবে কোনো অতিৰিক্ত বোজা সৃষ্টি কৰিব নালাগে। মূল্যায়ন সঁজুলি আৰু প্ৰক্ৰিয়াসমূহ এনেদৰে ৰূপাঙ্কণ কৰিব লাগে যাতে শিশুৰ বাবে শিকন অভিজ্ঞতাৰ স্বাভাৱিক সম্প্ৰসাৰণ হয়। আনুষ্ঠানিক পৰীক্ষা এই পৰ্যায়ৰ বাবে সম্পূৰ্ণ অনুপযুক্ত মূল্যায়ন সঁজুলি।

খ. মূল্যায়ন সদায় তথ্যৰ এক নিৰ্ভৰযোগ্য উৎস হ'ব লাগে। যিহেতু, মূল্যায়ন শিশুসকলৰ শিকনৰ এনে এক গুৰুত্বপূৰ্ণ প্ৰমাণ, গতিকে ই কোনো সামৰ্থ বা শিকন ফলাফলৰ কৃতিত্বৰ মূল্যায়নৰ উদ্দেশ্যক সঠিকভাৱে প্ৰতিফলিত কৰিব লাগে। উদ্দেশ্য প্ৰণোদিত শিকন ফলাফল আৰু মূল্যায়নৰ মাজৰ সংযোগ স্পষ্ট আৰু সুনিৰ্ধাৰিত হ'ব লাগে।

গ. মূল্যায়নে শিশু আৰু তেওঁলোকৰ শিকনত বৈচিত্ৰ্যৰ বিচাৰ কৰিব লাগে। শিশুৱে বিভিন্ন ধৰণে শিকে আৰু নিজৰ শিকনকো বিভিন্ন ধৰণে প্ৰকাশ কৰে। কোনো এক শিকন ফলাফল বা অৰ্হতা মূল্যায়ন কৰাৰ বহু উপায় থাকিব পাৰে। গতিকে কোনো এক শিকন ফলাফল মূল্যায়নৰ বাবে বিভিন্ন ধৰণৰ মূল্যায়ন ব্যৱস্থাৰ ৰূপৰেখা তৈয়াৰ কৰাৰ আৰু ইয়াক উপযুক্তভাৱে ব্যৱহাৰ কৰাৰ ক্ষমতা শিক্ষকৰ থাকিব লাগে।

ঘ. মূল্যায়ন পঞ্জীকৰণ আৰু নথিভুক্তি সক্ষম হ'ব লাগে। ই পদ্ধতিগতভাৱে প্ৰমাণ সংগ্ৰহৰ জৰিয়তে শিশুসকলৰ অগ্ৰগতিৰ বৰ্ণনা আৰু বিশ্লষণ কৰিব লাগে।

ঙ. মূল্যায়ন শিক্ষকৰ কাৰণে অধিক বোজা হ'ব নালাগে। মূল্যায়নৰ বাবে উপযুক্ত সঁজুলি আৰু মূল্যায়ন কৰাৰ সময়ৰ অন্তৰাল নিৰ্ধাৰণ কৰা ক্ষেত্ৰত শিক্ষকৰ স্বাধীনতা থাকিব লাগে। এই স্বাধীনতা গুৰুত্বপূৰ্ণ হ'লেও শিশুৰ মূল্যায়নৰ পদ্ধতিগতভাৱে ৰেকৰ্ড ৰখাটো এজন শিক্ষকৰ পেছাদাৰী দায়িত্বৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে বিবেচনা কৰিব লাগে।

# খণ্ড 6.2

# মূল্যায়নৰ পদ্ধতি আৰু সঁজুলি ঃ

বুনিয়াদী পৰ্যায়ৰ বাবে উপযুক্ত মূল্যায়নৰ দুটা বহল পদ্ধতি হ'ল— **শিশুটিৰ পৰ্যৱেক্ষণ আৰু শিশুৱে তেওঁলোকৰ শিকন অভিজ্ঞতাৰ অংশ হিচাপে উৎপাদন কৰা শিল্পকৰ্মসমূহৰ বিশ্লেষণ**।

এই খণ্ডত বুনিয়াদী পৰ্যায়ত এই পদ্ধতি আৰু সঁজুলিসমূহ কেনেকৈ ব্যৱহাৰ কৰিব পাৰি তাৰ বিষয়ে বিশদভাৱে উল্লেখ কৰা হৈছে। পূৰ্বৱৰ্তী খণ্ডত উল্লেখ কৰা ধৰণে সৃষ্টি কৰা অন্যান্য সঁজুলি আৰু পদ্ধতিসমূহে মূল্যায়নৰ নীতিসমূহ অনুসৰণ কৰিব লাগে।

## 6.2.1 শিশুটিৰ পৰ্যৱেক্ষণ ঃ

সময়ৰ লগে লগে কৰা পৰ্যৱেক্ষণে শিক্ষকক শিশুৰ শিকনৰ বিষয়ে এক ব্যাপক বোধ প্ৰদান কৰে। শিশুৱে প্ৰদৰ্শন কৰা ব্যৱহাৰ, আচৰণ আৰু শিকনৰ লগত বিভিন্ন প্ৰসংগ জড়িত হৈ থাকিব পাৰে।

শিশুসকলে কাম কৰি, দেখুৱাই আৰু কৈ তেওঁলোকৰ বোধ প্ৰদৰ্শন কৰে। পৰ্যৱেক্ষণে শিক্ষকসকলক শিশুৰ বিভিন্ন সামৰ্থৰ কৃতিত্ব চোৱাত সহায় কৰিব পাৰে যিবোৰ শিশুৱে বিভিন্ন সম্ভাব্য উপায়েৰে প্ৰদৰ্শন কৰিব পাৰে। ইয়াৰ ওপৰত প্ৰভাৱ পেলোৱা কাৰকসমূহৰ বিষয়েও শিক্ষকসকলে এটা টোকা প্ৰস্তুত কৰিব পাৰে। কেতিয়াবা, নিৰ্দিষ্ট পৰিস্থিতি বা বস্তুৱে শিশুটিক এক নিৰ্দিষ্ট ধৰণে কাম কৰিবলৈ উদ্বুদ্ধ কৰিব পাৰে। উদাহৰণস্বৰূপে, যদি শিক্ষকে শিশুটিৰ খেলা সামগ্ৰী ভাগ-বিতৰণ কৰা আৰু সাল-সলনি কৰি পাল পাতি খেলা বা কাম কৰাৰ ক্ষমতাৰ বিষয়ে জানিব খোজে, তেন্তে তেওঁ এটা বিশেষ পৰিস্থিতিৰ সৃষ্টি কৰিব লাগিব যাতে শিশুসকলে তেওঁলোকৰ ভাগ-বিতৰণ কৰা বা পাল পাতি কাম কৰাৰ বা খেলাৰ ক্ষমতা প্ৰদৰ্শন কৰিব পাৰে। শিক্ষকসকলে শিশুটিক এনেকুৱা এটা খেলা খেলিবলৈ ক'ব পাৰে যাৰ বাবে শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট কোণ এটাত আন শিশু এটিৰ সৈতে পাল পাতি খেলিব লগা হয়।

মূল্যায়নৰ বাবে পদ্ধতিগত পৰ্যৱেক্ষণত তলত দিয়া পদক্ষেপসমূহ জড়িত হৈ থাকে—

ক. **পৰিকল্পনা ঃ** শ্ৰেণীকোঠাত পৰ্যৱেক্ষণৰ বাবে কেইটামান শিশুক চিনাক্ত কৰিব লাগে। এই ক্ষেত্ৰত পাঠ্যক্ৰমৰ কোনবোৰ লক্ষ্য পৰ্যৱেক্ষণ কৰিব বিচৰা হৈছে সেইটো নিশ্চিত কৰিব লাগে। এই ক্ষেত্ৰত পৰ্যৱেক্ষণ কৰিব বিচৰা অৰ্হতা আৰু শিকন ফলাফলৰ এখন তালিকা তৈয়াৰ কৰিব লাগে। লগতে পৰ্যৱেক্ষণসমূহ লিপিবদ্ধ কৰিবলৈ যিবোৰ সঁজুলিৰ প্ৰয়োজন হ'ব সেইটো নিশ্চিত কৰি প্ৰস্তুত কৰিব লাগে।

খ. **প্ৰমাণ সংগ্ৰহকৰণ ঃ** নিৰ্বাচিত অৰ্হতা বা শিকন ফলসমূহ শিশুসকলৰ দ্বাৰা প্ৰদৰ্শন কৰাবলৈ এটা নিৰ্দিষ্ট সময় নিৰ্ধাৰণ কৰিব লাগে। উদাহৰণস্বৰূপে, যদি ই স্থুল পেশী সঞ্চালনৰ বিকাশৰ সৈতে জড়িত, তেন্তে শিশুৰ বৰ্হি খেল-ধেমালিসমূহৰ পৰ্যৱেক্ষণ এই ক্ষেত্ৰত বিশেষ উপযুক্ত হ'ব। যদি এইটো সামাজিক বিকাশৰ বিষয়ে হয়, তেন্তে শিশুসকলক দলীয় কাম-কাজত নতুবা নাটকীয় খেলৰ কোণত পৰ্যৱেক্ষণ কৰিব পাৰি। এই ক্ষেত্ৰত পৰ্যৱেক্ষণৰ বিষয়বস্তু লগে লগে লিপিবদ্ধ কৰিব লাগে। যেনে— যদি দেখা যায় যে কোনো এটি শিশুৱে স্বতঃস্ফূৰ্তভাৱে কোনো বস্তু পাল পাতি ব্যৱহাৰ কৰিছে তেন্তে চেক্ লিষ্টত আমি এটা টিক চিহ্নৰে চিহ্নিত কৰিব পাৰিম আৰু সঠিক পৰ্যৱেক্ষণটো প্ৰমাণ হিচাপে লিপিবদ্ধ কৰিব পাৰিম।

গ. **প্ৰতিফলন আৰু মূল্যায়ন কৰক ঃ** নিৰ্ধাৰিত সময়ৰ প্ৰতিটো শিশুৰ অগ্ৰগতি সমূহৰ বিষয়ে জ্ঞাত হ'বৰ বাবে ইয়াৰ প্ৰমাণ আৰু ৰেকৰ্ডসমূহ পঢ়িব লাগিব। প্ৰতিটো সুনিৰ্দিষ্ট প্ৰমাণে শিক্ষকক ভৱিষ্যতে শিশুসকলৰ বাবে তেওঁলোকৰ পাঠদানৰ পৰিকল্পনা আৰু প্ৰয়োজনীয় পৰিৱৰ্তন কেনেকৈ কৰিব লাগে সেই বিষয়ে অৱগত কৰিব।

কেইটামান সাধাৰণ শিক্ষাশৈলীৰ প্ৰক্ৰিয়াৰ সময়ত পৰ্যৱেক্ষণৰ বাবে কিছুমান নিৰ্ধাৰিত দিশ তলত দিয়া হ'ল—

ক. **গল্পৰ কথন ঃ**

i. শিশুটি কাহিনীটোৰ সৈতে জড়িত হ'ব পৰিছে নে নাই?

ii. শিশুটিয়ে ছবিবোৰৰ বৰ্ণনা কৰিছে নে নাই?

iii. শিশুটিয়ে কাহিনীৰ বিভিন্ন চৰিত্ৰসমূহৰ বিষয়ে প্ৰশ্ন কৰিছে নে নাই?

iv. শিশুটিয়ে ব্যক্তিগত অভিজ্ঞতাক কাহিনীটো পৰিঘটনাৰ সৈতে সংযোগ কৰিছে নে নাই?

v. শিশুটিয়ে কাহিনীটোৰ পৰা চিনাকি শব্দবোৰ মনত পেলাব পাৰিছেনে নাই?

vi. শিশুটিয়ে কাহিনীটোৰ সম্পৰ্কত পছন্দ বা অপছন্দ প্ৰকাশ কৰিছে নেকি?

খ. **নিৰ্দেশিত কথোপকথন ঃ**

i.. বৃত্তৰ সময়ত শিশুটিয়ে আনৰ কথা শুনি আছে নেকি?

ii. শিশুটিয়ে তেওঁৰ কথা কোৱাৰ পাললৈ অপেক্ষা কৰি আছে নেকি?

iii. শিশুটিয়ে আনৰ কথা শুনি নিজৰ অসন্তুষ্টি প্ৰকাশ কৰিছে নেকি?

iv. শিশুটিয়ে ইয়াৰ পিছত কি হ'ব সেইটো আগতেই ক'ব পাৰিছে নেকি?

গ. **খেল-ধেমালি ঃ মুক্ত, নিৰ্দেশিত বা সংগঠিত ঃ**

i. শিশুটিয়ে সহজ সমস্যা সমাধান কৰি আছে নেকি?

ii. শিশুটিয়ে খেলাৰ সামগ্ৰীৰ সৈতে জড়িত হ'বলৈ সৰু-বৰ পেশীৰ ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছেনে?

iii. শিশুটিয়ে বিভিন্ন আৱেগ প্ৰকাশ কৰিবলৈ সক্ষম হৈছেনে?

iv. শিশুটিয়ে আনৰ আৱেগৰ প্ৰতি উপযুক্ত সঁহাৰি দিবলৈ সক্ষম হৈছেনে?

## 6.2.1.1 পৰ্যৱেক্ষণ লিপিবদ্ধ কৰাৰ সঁজুলি ঃ

শিক্ষকসকলে তেওঁলোকৰ পৰ্যৱেক্ষণ লিপিবদ্ধ কৰিবলৈ চমু বিৱৰণমূলক নথি, চেকলিষ্ট আৰু পৰিঘটনাৰ নমুনা সংগ্ৰহৰ দৰে সঁজুলি ব্যৱহাৰ কৰিব পাৰে।

ক. **চমু বিৱৰণমূলক নথি ঃ**

চমু বিৱৰণমূলক নথি হৈছে নিৰ্দিষ্ট আগ্ৰহ বা চিন্তাৰ কোনো বিশেষ ঘটনা বা পৰিঘটনাৰ বিতংভাৱে লিপিৱদ্ধ কৰাৰ এক প্ৰয়াস।

যেতিয়া কোনো নিৰ্দিষ্ট পৰিঘটনাই শিক্ষকৰ দৃষ্টি আকৰ্ষণ কৰে, তেতিয়া তেওঁলোকে অতি সোনকালে সেই পৰিঘটনাৰ চমু বিৱৰণ লিখিব পাৰে। এখন চমু বিৱৰণমূলক নথি হৈছে সেই বিষয় য'ত শিশুসকলে কোনো এটা বিশেষ কামত নিয়োজিত হৈ থকাৰ সময়ত কি কয় আৰু কি কৰে তাৰ এক পৰ্যৱেক্ষণ।

## সৰল চমু বিৱৰণমূলক পৰ্যৱেক্ষণ নথিৰ নমুনা ঃ

বিষয়ঃ মই ৪-৫ বছৰীয়া ল'ৰা-ছোৱালীৰ শ্ৰেণী এটাক পঢ়াওঁ। ল'ৰা-ছোৱালীবিলাকৰ সৈতে 'গল্পৰ সময়'ত মোৰ দৃষ্টি আকৰ্ষণ কৰা এটা পৰ্যৱেক্ষণ হৈছে—

| | |
|---|---|
| নাম ঃ দেৱী | বয়সঃ ৪.৫ বছৰ |
| পৰ্যৱেক্ষণৰ তাৰিখ আৰু সময় ঃ দিনঃমাহঃবছৰ | এলেকা-শ্ৰেণীকোঠা |
| পৰ্যৱেক্ষণৰ উদ্দেশ্য ঃ আৱেগিক নিয়ন্ত্ৰণ | |

**পৰ্যৱেক্ষণ ঃ** ৰাজেশে ভণীয়েকক সাৰটি ধৰা কাহিনীটো মই শ্ৰেণীত পঢ়াইছিলোঁ। দেৱী অস্থিৰ হৈ আছল আৰু কাষত বহি থকা ল'ৰা-ছোৱালীকেইটাক ঠেলি আছিল। কাহিনীটো পঢ়াৰ পিছত, ল'ৰা-ছোৱালীকেইটাক তেওঁলোকৰ পৰিয়ালৰ ছবি এখন আঁকিবলৈ দিলোঁ। দেৱীয়ে এই কাম কৰিলে কিন্তু ছবিখনত থকা ল'ৰাটোক তাইৰ ক্ৰেয়ণ ব্যৱহাৰ কৰি ক'লা কৰি পেলালে। মই তাইক এই বিষয়ে সোধাত তাই ক'লে— 'সেইজন মোৰ ভাইটি। মই তাক ভাল নাপাওঁ। সি মোক সদায় জোকাই মোৰ খোৱাবস্তুবোৰ লৈ যায়। মা আৰু দেউতাই তাকহে ভাল পায়।

**ব্যাখ্যা ঃ**

- দেৱীয়ে যেন নিজৰ ভায়েকৰ কাৰণে নিজৰ অনুভূতিসমূহৰ সন্মুখীন হ'বলৈ অসুবিধাবোধ কৰিছে।
- দেৱীয়ে হয়তো নিজৰ অনুভৱবোৰ কেনেকৈ মাক-দেউতাকক জনাব লাগে তাক নাজানে।
- ইয়াৰ ফলত আন ল'ৰা-ছোৱালীৰ লগতো তাইৰ ব্যৱহাৰত ইয়াৰ প্ৰভাৱ পৰিছিল।

**কাৰ্য পৰিকল্পনা ঃ**

এই বিষয়ে দেৱীৰ পিতৃ-মাতৃৰ লগত কথা পাতক। তেওঁলোকে হয়তো ঘৰতে দুই এটা কাম কৰিব লাগিব। যেনে— তাইৰ ভায়েক আৰু তাইক একেলগে খেলিবলৈ দিয়া, কিছুমান কাম একেলগে কৰি খাদ্য ভগাই খাবলৈ দিয়া, আৰু তাইক ভায়েকৰ সমানে ভাল পোৱা বুলি স্পষ্টভাৱে আশ্বাস দিয়া।

শ্ৰেণীত পিতৃ-মাতৃ আৰু ভাই-ভনীৰ চৰিত্ৰ জড়িত গল্প আৰু নাট্যভূমিকা থকা খেলৰ প্ৰতি দেৱীৰ সঁহাৰি আৰু মনোভাৱৰ প্ৰতি অধিক মনোযোগ দিয়া; অগ্ৰগতি পৰ্যৱেক্ষণ আৰু লিপিবদ্ধ কৰা।

### খ. পৰীক্ষাসূচী বা চেকলিষ্ট ঃ

এখন পৰীক্ষাসূচী হৈছে শিশুসকলে তালিকাভুক্ত শিক্ষণ ফলাফল সম্পন্ন কৰিছে নে নাই সেইটো চিনাক্ত কৰাৰ আৰু লিপিবদ্ধ কৰাৰ এটা সঁজুলি। ই শিশুসকলে শিকনৰ বঞ্চিত ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে নে নাই হোৱা সেই সম্পৰ্কত পৰীক্ষা কৰি হয়/নহয় আকাৰে প্ৰস্তুত কৰা এক ৰেকৰ্ড।

পৰীক্ষাসূচীসমূহ সাধাৰণতে শিকনৰ ক্ৰমিক পদ্ধতিৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হয় আৰু ধৰি লোৱা হয় যে সকলো শিশুৱে একে পদ্ধতিগত ক্ৰমৰ মাজেৰে আগবাঢ়িব। যেতিয়া বিভিন্ন শিকন ফলাফল পৰ্যৱেক্ষণ কৰিবলগীয়া হয় তেতিয়া এই তালিকা ব্যৱহাৰ কৰা হয়। ইয়াক দ্ৰুতভাৱে আৰু অতি সহজে ব্যৱহাৰ কৰিব পাৰি। শিক্ষকসকলে এই পৰীক্ষাসূচী আৰু প্ৰশ্নাৱলী শিশুৰ কৃতিত্বৰ ৰিপোৰ্ট কাৰ্ড হিচাবে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে শিশুৰ শিকনত উন্নতিত সহায় কৰাৰ উদ্দেশ্যে ব্যৱহাৰ কৰিব লাগে। পৰীক্ষাসূচী ব্যৱহাৰ কৰাৰ সময়ত এক 'মিক্স এণ্ড মেছ' দৃষ্টিভংগী গ্ৰহণ কৰি অন্য তথ্য সংগ্ৰহ পদ্ধতিৰ সৈতে সংযুক্ত কৰি, ব্যৱহাৰ কৰিব লাগে। (যেনে— কোনো সিদ্ধান্ত ল'বলৈ পৰ্যৱেক্ষণৰ লগত সংযুক্ত নথি থকা পৰীক্ষাসূচী ব্যৱহাৰ কৰা)।

ভাষা আৰু সাক্ষৰতাৰ বাবে দক্ষতা পৰ্যৱেক্ষণৰ বাবে এখন নমুনা তালিকা তলত দিয়া হৈছে যিখন ব্যক্তিগত শিশুৰ বাবে আৰু শিশুৰ এটা গোটৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

| | **শ্ৰৱণ আৰু কথন** | চতুৰ্থাংশ১ | চতুৰ্থাংশ২ | চতুৰ্থাংশ৩ |
|---|---|---|---|---|
| ১. | কথিত বাৰ্তালাপ আৰু কাহিনী মনোযোগেৰে শুনে | | | |
| ২. | সৰু কবিতা, ক্ৰিয়াজড়িত গীত আবৃত্তি আৰু পুনৰাবৃত্তি কৰে আৰু সংগীত আৰু ছন্দযুক্ত কাৰ্য অনুশীলনত অংশগ্ৰহণ কৰে। | | | |
| ৩. | ২-৩ পৰ্যায়যুক্ত নিৰ্দেশনা অনুসৰণ কৰিবলৈ সক্ষম হয়। | | | |
| ৪. | সঠিকভাৱে বাক্য ব্যৱহাৰৰ মাজেৰে প্ৰশ্নৰ সঁহাৰি দিয়ে। | | | |
| ৫. | এটা ধাৰণা/ বিষয়/ এখন ছবি/ এটা অভিজ্ঞতাৰ বিষয়ে সম্পূৰ্ণ বাক্যৰ কঠন আৰু সঠিক শব্দভাণ্ডাৰৰ ব্যৱহাৰ কৰে। | | | |
| | **চলিত (উদীয়মান) পঠন ঃ** | | | |
| ৬. | ছপা সজাগতা আৰু অৰ্থ-নিৰ্ণয়-শ্ৰেণীকোঠা আৰু পৰিৱেশত ছপা কামৰ বিষয়ে সজাগতা প্ৰদৰ্শন কৰা। | | | |
| ৭. | নিজৰ নাম আৰু কথিত শব্দৰ এটাৰ লগত আনটোৰ সম্পৰ্কক সংযোগ আৰু চিনাক্ত কৰাৰ সক্ষমতা | | | |
| ৮. | কিতাপৰ লগত সম্বন্ধ- বয়সৰ জোখাৰে খাপ খোৱা বিভিন্ন কিতাপ বিচাৰি উলিওৱাৰ ক্ষমতা প্ৰদৰ্শন কৰা (উদাহৰণস্বৰূপে- ছবিৰ কিতাপ, কবিতাৰ কিতাপ, কাহিনীৰ কিতাপ) | | | |
| ৯. | পঢ়াৰ অভিনয় কৰা- আগ্ৰহ প্ৰকাশ কৰে, আৰু কিতাপবিলাক চাই আৰু পঢ়িবলৈ চেষ্টা কৰে। | | | |
| ১০. সক্ষম | ছবিৰ কিতাপ নতুবা কাহিনীৰ কিতাপৰ যোগেদি ছপাৰ অৰ্থক বুজিবলৈ আৰু বাখ্যা কৰিবলৈ হয়। | | | |

গ. **পৰিঘটনাৰ নমুনাকৰণ ঃ**

চমু বিৱৰণীমূলক নথিসমূহ বিশদভাৱে গুণগত পৰ্যৱেক্ষণমূলক আৰু পৰীক্ষাসূচীসমূহত সুনিৰ্ধাৰিত বিন্যাসত সাৰাংশমূলকভাৱে কৰা পৰ্যৱেক্ষণ ভিত্তিক তথ্য পৰিৱেশন কৰা হয়। আনহাতেদি ঘটনাৰ নমুনা কৰে উভয়ৰে সংমিশ্ৰন কৰে। প্ৰতিবাৰেই, কোনো নিৰ্ধাৰিত লক্ষ্য অনুযায়ী কোনো পৰিঘটনা সংঘটিত হ'লে, শিক্ষকসকলে ইয়াৰ আৰম্ভণিৰ পৰা শেষলৈকে যিমান পাৰি সিমান সবিশেষভাৱে লিপিবদ্ধ কৰিব লাগে।

ঘটনা বা পৌনঃপুনিকতাৰ নমুনা সংগ্ৰহ বিশেষভাৱে উপযোগী যেতিয়া শিক্ষকসকলে শিশুৰ অগ্ৰাহ্যযোগ্য আচৰণ বা কাৰ্যক পুনৰ নিৰ্দেশিত কৰিব বিচাৰে। নথিভুক্তি বা পঞ্জীকৰণে এখন সাধাৰণ তালিকাৰ ৰূপ ল'ব পাৰে য'ত শিক্ষকে অগ্ৰহণীয় আচৰণ বা কাৰ্য কিমানবাৰ সংঘটিত হৈছে তাক পৰীক্ষা কৰিব পাৰে। এই বিৱৰণত পৰিঘটনাসমূহ সংঘটিত হোৱাৰ প্ৰেক্ষাপটত দিনটোৰ সময় আৰু আন ব্যক্তিৰ উপস্থিতি আৰু পৰিস্থিতিকো অন্তৰ্ভুক্ত কৰিব পাৰি।

সেইদৰেই, যদি শিক্ষকে সমস্যাৰ তীব্ৰতা বুজিবলৈ নিয়মীয়াকৈ কোনো আচৰণ বা কাৰ্যৰ মূল্যায়ন কৰিব বিচাৰে, তেন্তে তেওঁলোকে সময়ৰ নমুনা সংগ্ৰহ কৰিব পাৰে। যেনে- গোটেই এঘণ্টাৰ কাৰ্যকলাপৰ ভিতৰত ১০ মিনিটৰ এটা কাৰ্য্যকলাপ লিপিবদ্ধ কৰক, ৰাতিপুৱাৰ দুটা অধিৱেশনত (যেনে- যদি শিক্ষকজনে এটি শিশুৰ আক্ৰমনাত্মক আচৰণ পৰ্যৱেক্ষণ কৰিব বিচাৰে, তেন্তে তেওঁ দুই দিনৰ বাবে একেটা ক্ৰিয়াকে মুক্তভাৱে খেলাৰ সময়ত প্ৰতি ১০ মিনিটৰ মূৰে মূৰে নথিভুক্ত কৰিব পাৰে। তেওঁ শিশুটিৰ খং আৰু সংঘাটৰ এটি আৰু কোনো বিশেষ পৰিস্থিতিত তেওঁলোকৰ সামাজিক-আৱেগিক ব্যৱহাৰ বিষয়ে স্পষ্টভাৱে জানিব পাৰে।)

**পৰিঘটনাৰ নমুনা- পৰ্যৱেক্ষণৰ ৰেকৰ্ড ঃ**

প্ৰসংগঃ এইটো ৪-৫ বছৰীয়া শিশুৰ শ্ৰেণীকোঠা আছিল। মই মোৰ ল'ৰা-ছোৱালীকেইটাক সামুহিকভাৱে কাৰ্য এটা দিছিলোঁ আৰু তেওঁলোকৰ কাম-কাজ পৰ্যৱেক্ষণ কৰি নথিভুক্ত কৰিছিলোঁ। ইয়াৰ ফলত পৰৱৰ্তী কাৰ্যৰ কাৰণে উপযোগী তথ্য লাভ কৰিলোঁ।

| | |
|---|---|
| শিশুৰ নামঃ মধু, চন্দ্ৰিমা, সূৰ্য, কাৰ্ত্তিক | বয়সঃ ৪.৫ বছৰ |
| তাৰিখ আৰু পৰ্যৱেক্ষণৰ সময়ঃ শিশুৰ দলীয় কামঃ দিন/মাহ/বছৰ | ব্যৱস্থা / ঠাইঃ সৃষ্টিশীলকাৰ্যাৱলী, বহিঃকাৰ্য |
| পৰ্যৱেক্ষণৰ উদ্দেশ্যঃ শিশুৰ দলীয় কাৰ্য | |

| ঘটনাৰ বৰ্ণনা | ব্যাখ্যা |
|---|---|
| • মই সিহঁতক ৩ জন বা ৪ জনীয়া একোটা দলত ভাগ কৰি কিছুমান ডাল আৰু পাতবিলাক ব্যৱহাৰ কৰি চিত্ৰ বনাবলৈ দিছিলোঁ। এইবোৰ সিহঁতে বাহিৰৰ পৰা সংগ্ৰহ কৰিছিল আৰু তাৰ পিছত ভিতৰলৈ আহি তেওঁলোকৰ কাম সম্পাদন কৰিছিল।<br>• মধু, চন্দ্ৰিমা, সূৰ্য আৰু কাৰ্ত্তিক এটা দলত আছিল। কাৰ্ত্তিকে নিজে ডাল, পাতবোৰ চুলে কিন্তু কামটো সম্পূৰ্ণ কৰাত কোনো সহায় নকৰিলে। সি আন ল'ৰা-ছোৱালীবোৰক বাধা প্ৰদান কৰি ইফালে-সিফালে দৌৰিবলৈ ধৰিলে।<br>• চান্দ্ৰিমা আৰু মধুৱে ইজনে-সিজনক সহায় কৰিলে আৰু সিহঁতে গোটাই অনা ডাল আৰু পাতবোৰৰ সহায়ত এডাল গছৰ নমুনা তৈয়াৰ কৰিলে।<br>• সূৰ্যই এই প্ৰক্ৰিয়াটোৰ আনন্দ উপভোগ কৰা দেখা গৈছিল কিন্তু সি কাৰ্য সম্পাদনত বিশেষ যোগদান নকৰিলে। | • এই শিশুসকল বিভিন্ন স্তৰত আছে।<br>• কাৰ্ত্তিকে বিঘ্নকাৰী ব্যৱহাৰ প্ৰদৰ্শন কৰে আৰু কোনো কাম ধ্যান দি কৰিবলৈ সক্ষম নহয়। মই তাৰ সৈতে কাম কৰাৰ প্ৰয়োজন হ'ব।<br>• সূৰ্য যদিও বিঘ্নিতকাৰী নহয়, তেওঁক উপযুক্ত সামাজিক ব্যৱহাৰ প্ৰদৰ্শন কৰাৰ কাৰণে উৎসাহিত কৰাৰ প্ৰয়োজনীয়তা আছে।<br>• মধু আৰু চন্দ্ৰিমায়ে দলীয় ভালদৰে কাম কৰি এই কাম সম্পূৰ্ণ কৰিব পাৰিব। |

মই বিশেষভাৱে কাৰ্ত্তিকৰ বিঘ্নিতকাৰী ব্যৱহাৰক লৈ চিন্তিত আছিলোঁ। তাক আৰু ভালকৈ বুজিবৰ বাবে মই কাৰ্ত্তিকৰ এটা পৌনঃপুনিক-নমুনা অবলোকন কৰিবলৈ দিবলৈ সিদ্ধান্ত ল'লোঁ। উদাহৰণস্বৰূপে— প্ৰত্যেক বিকল্প দিনত ৩০ মিনিটৰ ভিতৰত প্ৰত্যেক ৫ মিনিট সময়ত সি কিমান সময় কোনো এটা কামত ধ্যান দি থাকিব পাৰে তাৰ অৱলোকন কৰাৰ আৰু তাৰ ব্যৱহাৰৰ ব্যাখ্যা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিলোঁ। মই এইটো এটা সাধাৰণ চেকলিষ্ট পৰীক্ষাসূচীত নথিভুক্ত কৰিলোঁ।

তেতিয়া মই তাৰ পৰিয়ালৰ সৈতে লগ লাগি তাক নিজৰ আগ্ৰহ অনুযায়ী কাম কৰিবলৈ দি আৰু সেই কামক প্ৰশংসা কৰি এই সমস্যাৰ সমাধান কৰিলোঁ।

## 6.2.2 শিল্পকৰ্ম বিশ্লেষণ ঃ

প্ৰাক্-প্ৰাথমিক স্তৰৰ শৈশৱকালীন শ্ৰেণীকোঠাত শিল্পকৰ্ম বুলিলে এটি শিশুৱে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ সময়ত প্ৰস্তুত কৰা সামগ্ৰীসমূহকে বুজায়। তেওঁলোকৰ শিশুসকলৰ কাম-কাজ চাই তেওঁলোকৰ বিশেষ শিকন ফলাফল স্তৰ তেওঁলোকে প্ৰস্তুত কৰা সামগ্ৰীসমূহ কেনেদৰে প্ৰভাৱিত কৰে তাৰ ওপৰত দৃষ্টি ৰাখি শিল্পকৰ্মৰ ব্যৱহাৰ কৰিব পাৰি। শিল্পকৰ্মই শিশুৰ সবলতা আৰু সামৰ্থৰ বিষয়ে তথ্যৰ এক সমৃদ্ধ উৎস প্ৰদান কৰে।

## 6.2.2.1 তেনে শিল্পকৰ্মৰ কিছু নমুনা ঃ

এটা ফোল্ডাৰত শিক্ষকসকলে সম্পূৰ্ণ কৰা এটা কাম বা চলি থকা এটা কামৰ স্থিৰচিত্ৰ ৰাখিব পাৰে। শিশুসকলে কামটো সম্পূৰ্ণ হোৱাৰ পাছত ফোল্ডাৰটো ঘৰলৈ লৈ যাব পাৰে। শিল্প কৰ্ম আৰু কৰ্মপত্ৰিকাৰ এই সমাপ্তি, ক্ষেত্ৰ ভ্ৰমণৰ পৰা সংগ্ৰহ কৰা শিল্পকৰ্ম, শিশুসকলৰ বিভিন্ন ক্ৰিয়াৰ স্থিৰচিত্ৰ, দৃশ্য আৰু শ্ৰব্য ৰেকৰ্ডিং (যদি সম্ভৱ)ৰ সৈতে শিক্ষকৰ সুশৃংখলিত পদ্ধতিগত পৰ্যৱেক্ষণ ভিত্তিক মন্তব্যৰ নথিয়ে এটি শিশুৰ শিকন বিকাশ আৰু অগ্ৰগতিৰ সামগ্ৰিক তথ্য প্ৰদান কৰিব পাৰে।

ইয়াক এটি শিশুৰ প্ৰগতিৰ সাক্ষ্য স্বৰূপে ব্যৱহাৰ কৰিব পাৰি আৰু শিশুটিৰ পোৰ্টফোলিঅ'ত পদ্ধতিগতভাৱে পঞ্জীয়নৰ বাবে ৰাখিব পৰা যায়।

পোৰ্টফোলিঅ' হৈছে শিশুৰ দ্বাৰা সম্পাদিত তাৎপৰ্যপূৰ্ণ কাৰ্যৰ নমুনা আৰু শিশুসকলৰ নথিপত্ৰৰ এক সজ্ঞানে কৰা সংগ্ৰহ যিয়ে বিশেষ শিকন ফলাফলৰ লগত সম্বন্ধিত শিশুৰ প্ৰচেষ্টা আৰু কাৰ্য সম্পাদনৰ প্ৰমাণ প্ৰদান কৰি মূল্যাঙ্কণত সাহাৰ্য কৰে।

এই পোৰ্টফোলিঅ'সমূহ বিশ্লেষণ কৰি শিক্ষকে বঞ্চিত শিকন ফলাফল আৰু অৰ্হতাৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ্থীৰ অগ্ৰগতি বিচাৰি কৰিব পাৰে। গতিকে ইয়াত বঞ্চিত শিকন ফলাফলসমূহ সুস্পষ্টভাৱে উল্লেখ কৰিব লাগে। এই ক্ষেত্ৰত প্ৰতিটো শিশুৰ বাবেই একোটা ফোল্ডাৰ ৰাখিব লাগে।

### ক. শিল্পকৰ্মৰ কামৰ নমুনা ঃ

**প্ৰমাণ হিচাপে ছাত্ৰৰ কাম**

মই জড়িত হৈ থকা ৩-৪ বছৰীয়া শিশুসকলৰ বাবে সুক্ষ্ম পেশীসঞ্চালনৰ দক্ষতা বিকাশ কৰাটো এক গুৰুত্বপূৰ্ণ শিকন ফলাফল। শিশুসকলৰ এই দক্ষতাসমূহ গঢ়ি তোলাত সহায় কৰিবলৈ মই ব্যৱহাৰ কৰি অহা অন্যতম মূল পদ্ধতিসমূহৰ ভিতৰত এটা হৈছে শিল্পকৰ্ম। শিশুৱে নিৰ্ধাৰিত শিক্ষা স্তৰৰ আৰম্ভণিতে

আৰু শেষৰফালে কৰা শিল্পকৰ্মইও এই ক্ষেত্ৰত তেওঁলোকে লাভ কৰা অগ্ৰগতিৰ স্পষ্ট প্ৰমাণ হিচাপে কাম কৰে। এইটো এটা শিশুৰ কামৰ নমুনা। আপুনি দেখাৰ দৰে, এই সময়ছোৱাত হাত-চকুৰ সমন্বয় আৰু সুক্ষ্ম পেশী সঞ্চালন দক্ষতাৰ অগ্ৰগতি হৈছে।

সময়ছোৱাৰ আৰম্ভণি



সময়ছোৱাৰ শেষৰ ফালে



**খ. কাৰ্যপত্ৰিকাসমূহ ঃ**

কাৰ্যপত্ৰিকাত এনে কাম থাকে যিবোৰ শিশুসকলে লিখিত ৰূপত প্ৰদৰ্শন কৰে আৰু সঁহাৰি দিয়ে। এই কামসমূহ নিৰ্দিষ্ট শিকন ফলাফল লাভ কৰিবলৈ ৰূপাংকণ কৰিব পাৰি।

শিক্ষকসকলৰ বাবে কাৰ্যপত্ৰিকাসমূহ অতি ফলপ্ৰসূ মূল্যায়ন সঁজুলি হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে কাৰ্যপত্ৰিকাৰ সঁহাৰিসমূহ শিক্ষকসকলে বিশ্লেষণ কৰি শিশুসকলৰ শিকনৰ স্তৰ সম্পৰ্কে সুস্পষ্ট বোধ লাভ কৰিব পাৰে।

নিৰ্দিষ্ট সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ দক্ষতাৰ বাবে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ শিশুসকলৰ বাবে কৰ্মপুস্তিকাৰ অংশ হিচাপে এনে মূল্যায়ন কাৰ্যপত্ৰিকা অন্তৰ্ভুক্ত কৰিব পৰা যায়।

# খণ্ড 6.3

# ফলপ্ৰসূ শিক্ষণ-শিকনৰ কাৰণে শিশুসকলৰ সঁহাৰিৰ প্ৰভাৱশালী পৰ্যালোচনা ঃ

মূল্যায়নে আমাক শিশুৰ শিকনৰ ক্ষেত্ৰত বিভিন্ন অন্তৰ্দৃষ্টি প্ৰদান কৰে। এই অন্তৰ্দৃষ্টিসমূহে আমাক শ্ৰেণীকোঠাৰ শিক্ষাশৈলীৰ পৰিকল্পনা আৰু ৰূপাংকণ কৰাত সহায় কৰে যিটো শিশুসকলৰ প্ৰয়োজন আৰু আগ্ৰহৰ লগত সামঞ্জস্যপূৰ্ণ হয়। সাধাৰণতে যিকোনো শ্ৰেণীকোঠাত মূল্যায়নে নিৰ্ধাৰিত উদ্দেশ্য পূৰণৰ বাবে তলত দেখুওৱাৰ দৰে এটা চক্ৰ আৰু পৌনঃপুনিক প্ৰক্ৰিয়াক অনুসৰণ কৰিব লাগে।



## 6.3.1 সাক্ষ্যৰ পৰ্যালোচনা ঃ

শিক্ষকসকলে পৰৱৰ্তী শিকনৰ কাৰণে এই প্ৰমাণসমূহ কেনেকৈ বিশ্লেষণ আৰু ব্যাখ্যা কৰিব লাগে? ছাত্ৰৰ কৰ্মক বিশ্লেষণৰ বাবে পূৰ্বচৰ্ত আৰু সাধাৰণ নীতিসমূহ কি কি?

### 6.3.1.1 মূল্যায়নলব্ধ সাক্ষ্য বিশ্লেষণৰ বাবে পূৰ্বচৰ্ত ঃ

ক. শিক্ষকসকল পাঠদান কৰা ল'ৰা-ছোৱালীবিলাকৰ প্ৰতি নিৰপেক্ষ আৰু মুকলি মনৰ হ'ব লাগে। শিশুসকলৰ বিষয়ে তেওঁলোকৰ মতামত আৰু তেওঁলোকৰ ক্ষমতা বা সামৰ্থ অন্যান্য বাহ্যিক কাৰকৰ দ্বাৰা প্ৰভাৱিত হ'ব নালাগে (যেনে- জাতি, লিংগ, ধৰ্ম, আৰ্থ-সামাজিক অৱস্থা)।

খ. মূল্যায়ন সুপৰিকল্পিত আৰু বুনিয়াদী বাঞ্চিত শিকন ফলাফল আৰু দক্ষতাৰ সৈতে মিল থকা হ'ব লাগে। তেতিয়াহে, তেওঁলোকে শিশুসকলৰ শিকনৰ বিষয়ে সঠিক আৰু উপযোগী তথ্য প্ৰদান কৰিব পাৰিব।

গ. শ্ৰেণীকোঠাত দিনটোৰ কাম-কাজৰ আৰু শ্ৰেণীকোঠাৰ বাহিৰৰ কাম কাজৰ লগত মূল্যায়নক আনুষ্ঠানিকভাৱে একত্ৰিত কৰিব লাগে। এই মূল্যায়নৰ দৃষ্টান্তবোৰ শিশুসকলৰ শিকনৰ প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিব লাগে। শিক্ষকসকলে শিশুৰ ব্যৱহাৰ, সঁহাৰি, মানসিক অৱস্থা, ভাল লগা, বেয়া লগা আদিৰ পৰা এনে প্ৰমাণ সংগ্ৰহ কৰিব লাগে।

ঘ. শিশুসকলৰ শিকনৰ বিভিন্ন মূল্যায়নৰ উৎসৰ পৰা (যেনে- পৰ্যৱেক্ষণ, কাৰ্যপত্ৰ, শিল্পকৰ্ম) প্ৰমাণ সংগ্ৰহ আৰু নথিভুক্ত কৰাৰ এটা ব্যৱস্থা থাকিব লাগে।

## 6.3.1.2 মূল্যায়নৰ পৰা সাক্ষ্য বিশ্লেষণৰ বাবে নীতি ঃ

ক. শিশুসকলে নজনা আৰু কৰিব নোৱাৰা কামবোৰত শিক্ষকসকলে গুৰুত্ব দিব নালাগে। তেওঁলোকৰ মূল্যায়ন ন্যায্য আৰু সঠিক হ'বলৈ হ'লে শিশুৱে কি জানে আৰু কি কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিব লাগে।

খ. কোনজন শিশুৱে কিমানখিনি বোধ আৰু দক্ষতাৰ আহৰণ কৰিছে, যেনে— সম্পূৰ্ণৰূপে, আংশিকভাৱে বা ভুলকৈ, এই দিশসমূহ শিক্ষকসকলে প্ৰমাণ বিশ্লেষণ কৰি বিচাৰ কৰিব লাগে।

গ. এনে প্ৰমাণ বিশ্লেষণ কৰাৰ সময়ত শিক্ষকসকলে ভুল ধাৰণা বা বিকল্প ধাৰণা বা শিশুৰ শিকন ক্ষেত্ৰত বৈ যোৱা ব্যৱধান চিনাক্ত কৰিব পাৰিব লাগে।

ঘ. শিশুৰ শিকনৰ বিষয়ে সিদ্ধান্ত লোৱাৰ আগতে শিক্ষকসকলে একাধিক প্ৰমাণৰ উৎস ব্যৱহাৰ কৰিব লাগে। উদাহৰণস্বৰূপে— তেওঁলোকে শ্ৰেণীকোঠাৰ সঁহাৰি, লিখিত কাম আৰু পৰ্যৱেক্ষণ কৰা আচৰণ তথ্য ইত্যাদি সামগ্ৰিকভাৱে একত্ৰিত কৰি শিশুৰ শিকনৰ এক নিৰ্ভৰযোগ্য আৰু সুসংহত ব্যাখ্যা আগবঢ়াব লাগে।

ঙ. মূল্যায়নৰ পৰা সংগ্ৰহ কৰা প্ৰমাণ শিশুৰ শিকন প্ৰয়োজনীয়তা পূৰণৰ বাবে নিৰ্দেশনাৰ পৰিকল্পনা বা পৰিৱৰ্তন কৰিবলৈ ব্যৱহাৰ কৰিব লাগে। এনে নিৰ্দেশনাই লক্ষ্য নিৰ্দ্ধাৰিত কাৰ্য্যকলাপ, সামৰ্থ ভিত্তিক গোট আৰু স্বতন্ত্ৰ ঘৰুৱা কামৰ ৰূপ ল'ব পাৰে।

## 6.3.2 বিশ্লেষণৰ ওপৰত কাৰ্য কৰা ঃ

শিক্ষকে এই শিকন প্ৰমাণসমূহ কিদৰে ব্যৱহাৰ কৰিব লাগে? মূল্যায়নৰ এটা গুৰুত্বপূৰ্ণ আৰু জটিল কাম হ'ল পৰ্যৱেক্ষণ বা শিশুৰ কামৰ পৰা পোৱা তথ্য ব্যৱহাৰ কৰি তেওঁলোকৰ শিকনৰ বাবে সহযোগিতামূলক বা এক মঞ্চৰ ব্যৱস্থা কৰিব লাগে।

ব্যৱহাৰ কৰিব পৰা কিছুমান কৌশল হ'ল—

ক. বেছিভাগ শিশুৱে শিকিব নোৱাৰা দক্ষতাৰ পুণঃশিকন বা অনুশীলন।

খ. বেলেগ ধৰণৰ কৌশল আৰু পদ্ধতিৰ জৰিয়তে শিকন অভিজ্ঞতাসমূহ সংগঠিত কৰা। (যদি পূৰ্বৰ শিক্ষাশৈলী ফলপ্ৰসূ হোৱা নাছিল।)

গ. যিসকল শিশুক নিৰ্দিষ্ট দক্ষতাৰ বাবে অতিৰিক্ত মনোযোগ আৰু সাহাৰ্যৰ প্ৰয়োজন হয় তেওঁলোকক চিনাক্ত কৰা যাতে তেওঁলোকৰ লগত নিৰ্ধাৰিত সময়ত পৃথকে পৃথকে কাম কৰিব পৰা যায়।

# খণ্ড 6.4

# পঞ্জীয়ন আৰু যোগাযোগমূলক মূল্যায়ন ঃ

বুনিয়াদী পৰ্যায়ত মূল্যায়ন দৈনন্দিন ভিত্তিত অবিৰতভাৱে পৰিচালিত হ'ব পাৰে, নিৰ্ধাৰিত সময়ৰ ব্যৱধানত চলি থাকিব পাৰে, তথাপিও সকলো মূল্যায়নৰ সামগ্ৰিক সাৰাংশ নিৰ্ণয় আৰু বিশ্লেষণ কৰাটো প্ৰয়োজন।

বিদ্যালয়ে প্ৰত্যেক শিশুৰ বাবেই এটা ফোল্ডাৰ ৰক্ষণাবেক্ষণ কৰিব লাগে। ফোল্ডাৰটোত এটা সময়/বছৰৰ বাবে শিশুটিৰ সকলো বিষয়ৰ তথ্য আৰু শিক্ষকৰ বিৰৰণৰ সাৰাংশ থাকিব পাৰে।

এনে বিশ্লেষণৰ সাৰাংশ এটা সামগ্ৰিক অগ্ৰগতিৰ এখন কাৰ্ডত লিপিবদ্ধ কৰি ৰাখিব পাৰি আৰু ইয়াৰ সহায়ত শিশুটিৰ পিতৃ-মাতৃ আৰু পৰিয়ালৰ সৈতে যোগাযোগ কৰিব পাৰি।

## 6.4.1 পৰিয়ালৰ পটভূমিৰ বিষয়ে সাধাৰণ তথ্য ঃ

সাধাৰণ তথ্যবিলাক শিশুটিৰ প্ৰফাইলৰ মুখ্য দিশ। শিশুৰ ব্যৱহাৰ, অংশগ্ৰহণ আৰু অগ্ৰগতিৰ ব্যাখ্যা কৰাত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিশুৰ নাম, জন্মৰ তাৰিখ, পৰিয়ালৰ বিষয়ে তথ্য, শিশুৰ পছন্দ-অপছন্দ, শিশুৰ স্বাস্থ্যৰ তথ্য, যেনে- উচ্চতা, ওজন, বৃদ্ধি, প্ৰতিষেধক আদিৰ দৰে মৌলিক বিৰৰণ লিপিবদ্ধ কৰি সময়ে সময়ে ইয়াক উন্নীত কৰা প্ৰয়োজন।

## 6.4.2 শিক্ষকৰ বিৰৰণীৰ সাৰাংশ ঃ

বিৰৰণীমূলক সাৰাংশ হৈছে তথ্যৰ একাধিক ব্যাখ্যাৰ ওপৰত ভিত্তি কৰি শিশুৰ অগ্ৰগতিৰ বিষয়ে গুণগত তথ্যৰ দ্বাৰা শিশুৰ শিকনৰ বৰ্ণনা (যেনে— বিৰৰণীমূলক ৰেকৰ্ড, পৰিঘটনাৰ নমুনা, পৰীক্ষাসূচী, পোৰ্টফোলিঅ', কৰ্মপত্ৰিকা)। ইয়াৰ দ্বাৰা অভিভাৱক আৰু অন্যান্য শিক্ষকসকলে শিশুসকলৰ শিকন অগ্ৰগতিৰ বিষয়ে গভীৰভাৱে জানিব পাৰে। বিৰৰণীৰ সাৰাংশত তলত দিয়া বিৰৰণসমূহ সামৰি লোৱা হৈছে।

ক. শিশুৰ সবলতা আৰু তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ বিকাশ আৰু শিকনৰ অগ্ৰগতি

খ. শিশুৰ আগ্ৰহ

গ. অধিক সুদৃঢ় কৰাৰ প্ৰয়োজন থকা ক্ষেত্ৰসমূহ—

যদি বিৰৰণীৰ সাৰাংশ লিপিবদ্ধ কৰা আৰু সংৰক্ষণ কৰাটো অতি বিৰক্তিকৰ বুলি ধৰা হয়, তেন্তে বিৰৰণীৰ সাৰাংশক ঐচ্ছিক অতিৰিক্ত 'ইনপুট' বা বিষয় হিচাপে বিবেচনা কৰিব পাৰি, কিন্তু পৰৱৰ্তী খণ্ডত বৰ্ণনা কৰা সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ড (HPC) শিশুৰ অগ্ৰগতিৰ বিষয়ে এক গুৰুত্বপূৰ্ণ নথি আৰু সেয়েহে প্ৰতিটো শিক্ষাবৰ্ষৰ বাবে ইয়াক ভালদৰে সংৰক্ষণ কৰাৰ প্ৰয়োজন। প্ৰতিটো শিশুৰ বাবে এইচ পি চি বনাব পৰাকৈ শিক্ষকসকলে পৰ্যাপ্ত ৰেকৰ্ড ৰাখিব লাগিব।

## 6.4.3 সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ড (HPC) ঃ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ এ প্ৰকাশ কৰিছে যে সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ড হৈছে এক বহুমাত্ৰিক প্ৰতিবেদন যিয়ে বৌদ্ধিক, আৱেগিক আৰু মনোগতিশীল ক্ষেত্ৰত প্ৰতিজন শিক্ষাৰ্থীৰ অগ্ৰগতিৰ লগতে স্বকীয়তাক অতি বিশদভাৱে প্ৰতিফলিত কৰে।

সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ডত কেৱল শিক্ষকে কৰা মূল্যায়নকেই অন্তৰ্ভুক্ত কৰা নহয়, অভিভাৱকৰ মন্তব্য আৰু পৰ্যৱেক্ষণ আৰু ল'ৰা-ছোৱালীয়ে নিজেই কৰা সৰল আত্ম-মূল্যায়নো থাকিব পাৰে।

শিশুসকলৰ আত্ম-মূল্যায়নৰ প্ৰ-পত্ৰ

ছবিত ঘূৰণীয়া চিন দি আজিৰ দিনটো তুমি কেনেকৈ কাম কৰিলা দেখুওৱা?

নাম ঃ




সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ড হৈছে শ্ৰেণীকোঠাৰ কাৰ্যকলাপৰ মাজেৰে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত সংগ্ৰহ কৰা প্ৰমাণৰ ওপৰত ভিত্তি কৰি শিশুৰ অগ্ৰগতিৰ ব্যক্তিগত আৰু বিস্তৃত প্ৰতিবেদন। সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ডত অভিভাৱকৰ মূল্যায়ন আৰু শিশুৰ শিকন সম্পৰ্কীয় বোধ উপস্থাপন কৰাটো বিশেষ প্ৰয়োজনীয়।

সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ড শিশুৰ শিক্ষাৰ লগত জড়িত বিভিন্ন অংশীদাৰ ক্ষেত্ৰত প্ৰাসংগিক হ'ব। সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ড হৈছে সেই মাধ্যম যাৰ জৰিয়তে বিদ্যালয়ে শিশুৰ অগ্ৰগতিৰ বিষয়ে পৰিয়ালসমূহৰ লগত যোগাযোগ কৰে। শিক্ষকসকলে সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ড বিশ্লেষণ কৰি শিশুটিৰ বিষয়ে অতি যথোপযুক্ত জ্ঞান লাভ কৰিব পাৰে। ই হৈছে তথ্যৰ এক প্ৰধান উৎস যাৰ ওপৰত ভিত্তি কৰি অভিভাৱক-শিক্ষকৰ সভা ফলপ্ৰসূভাৱে অনুষ্ঠিত কৰিব পাৰি। পদ্ধতিগতভাৱে সংৰক্ষণ কৰা আৰু ধাৰাবাহিকভাৱে সু-সংগঠিত সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ডসমূহ বিদ্যালয় ব্যৱস্থাৰ লগত জড়িত বিভিন্ন ব্যক্তিসকলৰ বাবে গুৰুত্বপূৰ্ণ তথ্যৰ উৎস। সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ড পৰা সংগ্ৰহ কৰা তথ্যৰ সহায়ত শিশুৰ শিকন কৃতিত্বসমূহ ফলপ্ৰসূভাৱে বুজিব পাৰি আৰু ইয়াৰ সহায়ত প্ৰয়োজনীয় ক্ষেত্ৰত ফলপ্ৰসূ আৰু প্ৰাসংগিক হস্তক্ষেপ প্ৰদান কৰিব পাৰি।

## 6.4.3.1 সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ডত সামৰ্থ ঃ

সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ডৰ এটা শিতান থাকিব লাগিব যিটো হ'ব সামৰ্থ ভিত্তিক। এই শিতানে নিৰ্দিষ্ট পাঠ্যক্ৰমৰ লক্ষ্যৰ বাবে সংজ্ঞায়িত কৰা প্ৰতিটো সামৰ্থৰ বিপৰীতে শিশুৰ অগ্ৰগতি বিচাৰ কৰিব। এই সামৰ্থসমূহক শিকন ফলাফলত বৃদ্ধিৰ পাঁচটা পৰ্যায় (ক,খ,গ,ঘ,ঙ) বিভক্ত কৰি এটা প্ৰক্ষেপ পথত ৰাখিব পাৰি। এই পৰ্যায়সমূহ, আনুমানিকভাৱে এটা বয়সৰ গোটৰ ভিত্তিত মানচিত্ৰন কৰিলেও কোনো নিৰ্দিষ্ট গোটৰ সৈতে জড়িত হোৱাটো বাধ্যতামূলক নহয়। শিশুৱে বৃদ্ধিৰ এটা পৰ্যায়ৰ পৰা আন এটা পৰ্যায়লৈ নিজস্ব গতিৰে সাৱলীলভাৱে আগবাঢ়িব পাৰে। কিছুমানে হয়তো এই ক্ষেত্ৰত দ্ৰুতগতিত লাভ কৰিব পাৰে আৰু কিছুমানে হয়তো অধিক সময় ল'ব পাৰে। এই পাঁচটা পৰ্যায়ৰ প্ৰতিটোতে নিৰ্ধাৰিত সূচক শিকন ফলাফল থাকে যিয়ে কৃতিত্বৰ মূল্যায়নৰ বাবে আচৰণ বিধিৰ ৰূপত কাম কৰে।

শিক্ষকে শিকন প্ৰক্ষেপপথত শিশুৰ বৰ্তমানৰ পৰ্যায়ৰ ওপৰত ভিত্তি কৰি প্ৰতিটো দক্ষতা বিপৰীতে চিহ্নিত কৰিব পাৰে। ইয়াৰ উপৰিও প্ৰতিটো পৰ্যায় বিভিন্ন স্তৰৰ কৃতিত্বৰ বাবে চিহ্নিত দিশসমূহ তলৰ তালিকাত দিয়া হৈছে—

| শ্ৰেণীভুক্ত শিশু | পৰ্যায়১ | পৰ্যায়২ | পৰ্যায়৩ | পৰ্যায়৪ |
|---|---|---|---|---|
| শিক্ষকসকলৰ শিকন আৰু বিকাশত সহায়ক হোৱাকৈ শ্ৰেণীকৰণৰ বৰ্ণনা | নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত শিক্ষকৰ সহায়ত শিকন ফলশ্ৰুতি লাভ কৰাৰ চেষ্টা কৰা | নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত শিক্ষকৰ সহায়ত শিকন ফলশ্ৰুতি লাভ কৰা | নিজস্বভাৱে শিকন ফলশ্ৰুতি লাভ কৰা | শিকন ফলশ্ৰুতি লাভ কৰা<br><br>শিক্ষণ ফলশ্ৰুতি লাভ কৰাত আনক সহায় কৰা অধিক প্ৰত্যাহ্বানমূলক কৰণীয় কামত নিয়োজিত হোৱা |

কাৰ্যতঃ প্ৰতিটো দক্ষতাৰ A-I থাকিব পাৰে যিটো সৰ্বনিম্ন স্তৰৰ কৃতিত্ব E-IV যিটো সৰ্বোচ্চ স্তৰৰ কৃতিত্ব। উদাহৰণস্বৰূপে— “সৰল গীত, ছন্দ, কবিতা শুনা আৰু ভালপোৱা”ৰ সামৰ্থৰ বাবে বৰ্ণনামূলক শিকন ফলাফলসমূহ তলত দিয়া হৈছেঃ

| সামৰ্থ ঃ সৰল গীত, মিত্ৰাক্ষৰিক পদ্য, কবিতা শুনা আৰু ভালপোৱা | | | | |
|---|---|---|---|---|
| বয়স ৩-৮ | | | | |
| • বিবিধ প্ৰকাৰৰ গীত আৰু কবিতা শুনা | • ওচৰে-পাজৰে প্ৰায়ে শুনা বেলেগ বেলেগ ভাষাৰ গানৰ সুৰ শুনা আৰু গুণ-গুনোৱা | • এটা দীঘল গীত কবিতা (জনা-শুনা) মনোযোগেৰে শুনা আৰু ইয়াৰ বিষয়ে আলোচনা কৰা | • এটা দীঘল গীত কবিতা (নজনা-নুশুনা)মনোযোগেৰে শুনা আৰু ইয়াৰ বিষয়ে আলোচনা কৰা | • বেলেগ ধৰণৰ গীত কবিতা শুনাক অগ্ৰাধিকাৰ দিয়া আৰু এনে অগ্ৰাধিকাৰৰ কাৰণ ব্যাখ্যা কৰা |
| • এটা গীত নতুবা এটা মিত্ৰাক্ষৰিক পদ্য পুণৰাবৃত্তি কৰা | • স্বাসাঘাট আৰু অঙ্গ-ভঙ্গৰে সৈতে গীতটো / মিত্ৰাক্ষৰিক পদ্যটো গোৱা | • স্মৰণকৰি (৪-৫টা বাক্যৰ) গীত/ কবিতা গাওক/ আবৃত্তি কৰা | • স্মৰণ কৰি (১০-২০টা বাক্যৰ) গীত/ কবিতা গোৱা/ আবৃত্তি কৰা | • স্মৃতিৰ পৰা বহুকেইটা স্তৱক থকা গীত/কবিতা গাওক/আবৃত্তি কৰা |

এই দক্ষতাৰ বাবে সামগ্ৰিক অগ্ৰগতিৰ কাৰ্ডক E-IV চিহ্নিত কৰা হ'ব যদিহে শিশুৱে গীত আৰু কবিতা শুনি পছন্দ দেখুৱায় আৰু স্মৃতিশক্তিৰ পৰা একাধিক স্তৱকৰ পৰা সাৱলীলভাৱে গায় আৰু আবৃত্তি কৰে। এই চিহ্নিতকৰণৰ পৰা ধৰি ল'ব পাৰি যে শিশুসকলে পূৰ্বৰ পৰ্যায়সমূহ (ক ৰ পৰা ঘ লৈ) শিকন ফলাফল লাভ কৰিছে।

# অধ্যায় 7

# সময় সংগঠন ঃ

কণ কণ ল'ৰা-ছোৱালীৰ বাবে সৰল আৰু সংগঠিত প্ৰাত্যহিক কাম-কাজৰ সময়সূচী অতি গুৰুত্বপূৰ্ণ। ই শিশুক ভালদৰে কাম কৰাত সহায় কৰে। ই শিশুক নিৰাপত্তা অনুভৱ কৰায় কাৰণ এই সময়সূচীৰ ভিত্তিত তেওঁলোকে দিনটোত কি কি কৰিব লাগিব সেই বিষয়ে জানিব পাৰে।

সময়ক এনেদৰে সংগঠিত কৰিব লাগে যাতে শিশুসকলে আনন্দ অনুভৱ কৰে আৰু শিশুৰ বিকাশৰ সকলো ক্ষেত্ৰৰ লগত জড়িত শিকন অভিজ্ঞতা লাভত সহায় কৰে। এই অধ্যায়ত এই উদ্দেশ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।



# খণ্ড 7.1
# দিনটোৰ কাম-কাজ সংগঠিত কৰা ঃ

কণ কণ ল'ৰা-ছোৱালীয়ে নিজৰ ওচৰৰ পৰিৱেশত অনুসন্ধান কৰি আজৰি সময় উপভোগ কৰে। কিন্তু বয়স বঢ়াৰ লগে লগে তেওঁলোকক খেল-ধেমালি ভিত্তিক কিন্তু নিৰ্দেশিত আৰু সু-সংগঠিত কাৰ্যকলাপৰো প্ৰয়োজন হয়। শিশুৰ বিকাশৰ সকলো ক্ষেত্ৰই যাতে পৰ্যাপ্ত সময় আৰু মনোযোগ লাভ কৰে তাৰ প্ৰতি লক্ষ্য ৰাখি দিনটোৰ কাম-কাজসমূহ সযতনে সংগঠিত কৰাৰ প্ৰয়োজন হয়। বিকাশৰ প্ৰতিটো ক্ষেত্ৰৰ কাৰ্যকলাপ অন্য ক্ষেত্ৰৰ সৈতে সংযুক্ত হ'লেও (যেনে— এটা ভাল কাহিনীয়ে ভাষাৰ বিকাশৰ লগে লগে সামাজিক-আৱেগিক আৰু নৈতিক বিকাশতো সহায় কৰে।) দৈনন্দিন কাম-কাজৰ সূচীয়ে শিশুৰ বিকাশৰ প্ৰতিটো ক্ষেত্ৰৰ প্ৰয়োজনীয় অভিজ্ঞতা লাভৰ সুযোগ প্ৰদান নিশ্চিত কৰিব লাগে।

**ক. দৈনন্দিন বিচাৰ্য বিষয়সমূহ ঃ**

প্ৰতিষ্ঠানিক পৰিৱেশৰ দৈনন্দিন কাম-কাজসমূহ প্ৰতিষ্ঠানৰ নিজস্ব পৰিস্থিতি আৰু কৰ্মদিনৰ সংখ্যা, আৰু প্ৰতিটো দিনৰ বাবে দৈনিক কৰ্মৰ সময়ৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হয়। শিশুৰ মনোযোগৰ সময়সীমালৈ মনত ৰাখি প্ৰতিটো কাৰ্যকলাপৰ পৰিকল্পনা কৰিব লাগে। শিশুৰ দ্বাৰা আৰম্ভ কৰা আৰু শিক্ষকৰ দ্বাৰা পৰিচালিত কাৰ্যকলাপ দলীয় (সম্পূৰ্ণ গোট বা সৰু গোট) আৰু ব্যক্তিগত বা দুজন লগ হৈ কৰা কাৰ্যকলাপ আৰু বিকল্প কাৰ্যকলাপ (যেনে— শাৰীৰিব ক্ৰিয়াৰ পিছত শান্ত কাৰ্যকলাপ, ব্যক্তিগত কাৰ্যকলাপৰ পিছত গোটৰ কাৰ্যকলাপ, তাৰ পিছত ঘৰৰ আভ্যন্তৰীণ কাৰ্যকলাপ)ৰ মাজত ভাৰসাম্য থাকিব লাগে।

**কলা আৰু ভাস্কৰ্য্য, বহিঃক্ৰীড়া আৰু মুক্ত ক্ৰীড়াত দিনটোত পৰ্যাপ্ত সময় আৰু মনোযোগ থাকিব লাগিব।**

**খ. ৩-৬ বছৰ বয়সৰ বাবে দৈনন্দিন কাম-কাজৰ সূচী—**

৩-৬ বছৰ বয়সৰ বাবে দৈনন্দিন কাম-কাজৰ সূচী সংগঠিত কৰাৰ একাধিক উপায় আছে।

তলত ইয়াৰ দুটা ব্যাখ্যা প্ৰদান কৰা হ'ল—

প্ৰথম ব্যাখ্যাটো য'ত বৃত্তৰ সময়, গল্পৰ সময়, ধাৰণাৰ সময়/ প্ৰাক্-সাংখ্যিক জ্ঞানৰ দৰে অভিজ্ঞতা শিক্ষকৰ দ্বাৰা পৰিচালিত আৰু মুক্ত খেলা আৰু কোণৰ সময়ৰ শিশুৰ বাবে স্বতন্ত্ৰ কাৰ্যকলাপ প্ৰসংগত অধিক উপযুক্ত।

| -ৰ পৰা | -লৈ | সময় | ক্ৰিয়া |
|---|---|---|---|
| **ৰাতিপুৱাৰ প্ৰাত্যহিক কৰ্ম/মুক্ত খেল/কোণৰ সময়** | | | |
| ০৯.৩০ | ১০.১৫ | ৪৫ মিনিট | বৃত্তৰ সময়/বাৰ্তালাপ |
| ১০.১৫ | ১০.৩০ | ১৫ মিনিট | চাহৰ সময় |
| ১০.৩০ | ১০.৪৫ | ১৫ মিনিট | মিত্ৰাক্ষৰিক পদ্য/গীত/সংগীত/গতি |
| ১১.৪৫ | ১১.৪৫ | ১ ঘণ্টা | ধাৰণাৰ সময়/প্ৰাক-সাংখ্যিক জ্ঞান |
| ১১.৪৫ | ১২.১৫ | ৩০ মিনিট | কলা/ভাস্কৰ্য/মুক্ত খেল |
| ১২.১৫ | ১৩.০০ | ৪৫ মিনিট | কোণৰ সময় |
| ১৩.০০ | ১৩.৪৫ | ৪৫ মিনিট | খোৱাৰ বিৰতি (৩-৪ বছৰীয়া ঘৰলৈ যাব) |
| ১৩.৪৫ | ১৪.৩০ | ৪৫ মিনিট | উদীয়মান সাক্ষৰতা/কাহিনীৰ সময় |
| ১৪.৩০ | ১৫.০০ | ৩০ মিনিট | বহিঃক্ৰীড়া/সমাপন |

দ্বিতীয়টো ব্যাখ্যা কম শিশু থকা প্ৰসংগত আৰু তেওঁলোকে ব্যৱহাৰ কৰিবলৈ নিৰ্ধাৰিত পৰিসৰৰ উপযুক্ত সামগ্ৰীৰ উপলব্ধতাৰ ক্ষেত্ৰত অধিক উপযুক্ত। আত্ম-শিকন আৰু শিশুসকলে স্বতন্ত্ৰভাৱে আৰু যত্নৰে সামগ্ৰী ব্যৱহাৰ কৰিবলৈ শিকাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

শিশুসকলে স্বতন্ত্ৰভাৱে তেওঁলোকে জড়িত হ'ব বিচৰা কাৰ্যকলাপ বাছি ল'ব পৰাকৈ 'কৰ্ম সময়' আৱণ্টন কৰা হয়। শিশুসকলে নিজৰ পছন্দৰ কাৰ্য্যকলাপ নিৰ্বাচন কৰে আৰু সেই কাৰ্যকলাপৰ বাবে উপযুক্ত সামগ্ৰীৰ সহায়ত স্বতন্ত্ৰভাৱে কাম কৰে। শিক্ষকসকলে শিশুৰ কাৰ্যকলাপ পৰ্যৱেক্ষণ কৰে আৰু প্ৰয়োজন অনুসৰি সহায় আগবঢ়ায়। শিক্ষকসকলে 'কৰ্ম সময়'ৰ সময়ত কৰা পৰ্যৱেক্ষণৰ ভিত্তিত পৰৱৰ্তী কাৰ্যসূচী নিৰ্দ্ধাৰণ কৰে আৰু ব্যক্তিগতভাৱে শিশুৰ আগত উপস্থাপন কৰে। কাৰ্য্যকলাপ আৰু সংশ্লিষ্ট সামগ্ৰীসমূহ বিকাশৰ ক্ষেত্ৰ অনুসৰি (যেনে- শাৰীৰিক, বৌদ্ধিক, ভাষা, কলা) ব্যৱস্থা কৰা হয় আৰু শিশুসকলক এই ব্যৱস্থাৰ সৈতে পৰিচিত কৰা হয়।

| -ৰ পৰা | -লৈ | সময় | ক্ৰিয়া |
|---|---|---|---|
| **ৰাতিপুৱাৰ প্ৰাত্যহিক কৰ্ম/শান্ত খেল** | | | |
| ০৯.১৫ | ১০.১০ | ৪৫ মিনিট | বৃত্তৰ সময় /বাৰ্তালাপ) |
| ১০.০০ | ১০.৪০ | ৪০ মিনিট | মিত্ৰাক্ষৰিক পদ্য/গীত/সঙ্গীত/গতি) |
| ১০.৪০ | ১০.৫০ | ১০ মিনিট | জিৰণি |
| ১০.৫০ | ১১.৫০ | ১ ঘণ্টা | ধাৰণাৰ সময়/প্ৰাক্ সাংখ্যিক জ্ঞান |
| ১১.৫০ | ১২.০০ | ১০ মিনিট | কোণৰ সময় |
| ১২.০০ | ১২.৪৫ | ৪৫ মিনিট | মধ্যাহ্ন ভোজন |
| ১২.৪৫ | ১.১৫ | ৩০ মিনিট | কলা/ভাস্কৰ্য/মুক্ত খেল |
| ১.১৫ | ২.০০ | ৪৫ মিনিট | উদীয়মান সাক্ষৰতা/কাহিনীৰ সময় |
| ২.০০ | ২.৩০ | ৩০ মিনিট | বহিঃক্ৰীড়া/সমাপন |

দুয়োটা বাখ্যাতে ৪-৬ বছৰীয়া শিশুৰ কাৰণে প্ৰায় ৪.৩০ ঘণ্টাৰ সক্ৰিয় শিক্ষণ সময়ৰ সৈতে ৫.৩০ ঘণ্টাৰ স্কুলীয়া সময় আছে।

**গ. ৬-৮ বছৰ বয়সৰ বাবে বৰ্ণনামূলক দৈনিক/সাপ্তাহিক প্ৰাত্যহিক কৰ্ম-**

৬-৮ বছৰ বয়সৰ বাবে দৈনন্দিন কৰ্ম কিছু পৰিমানে দীঘলীয়া আৰু অলপ বেছি গঠনমূলক হ'ব লাগে।

৩-৬ বছৰ বয়সৰ বাবে আটাইবোৰ ভাষা একেলগে শিকিব পাৰে যদিও; এই বয়সৰ শ্ৰেণীৰ বাবে প্ৰতিটো ভাষাৰ বাবে নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন। সাক্ষৰতা, সাংখ্যিক জ্ঞান, আৰু কলাৰ বাবে নিৰ্দিষ্ট সময়ৰ খণ্ড অন্তৰ্ভুক্ত কৰিব পাৰি। প্ৰথম ভাষাত প্ৰতিদিনে ৯০ মিনিট, দ্বিতীয় ভাষাত **৬০** মিনিটৰ প্ৰয়োজন হ'ব। গণিত আৰু সাংখ্যিক জ্ঞানৰ বাবে ৬০ মিনিটৰ প্ৰয়োজন হ'ব। এই সময়ৰ খণ্ডছোৱাক অধ্যায় ৪ত বৰ্ণনা কৰা ধৰণে বিভিন্ন খণ্ডত সংগঠিত কৰিব পাৰি।

| -ৰ পৰা | -লৈ | সময় | ক্ৰিয়া |
|---|---|---|---|
| ০৯.০০ | ০৯.৩০ | ৩০ মিনিট | বৃত্তৰ সময় /সংগীত / গতি |
| ৯.৩০ | ১০.০০ | ৩০ মিনিট | প্ৰথম ভাষা- মৌখিক ভাষা |
| ১০.০০ | ১০.৩০ | ৩০ মিনিট | প্ৰথম ভাষা- শব্দ চিনাকি |
| ১১.২০ | ১০.৩৫ | ১৫ মিনিট | চাহৰ বিৰতি |
| ১০.৩৫ | ১১.৩৫ | ১ ঘণ্টা | গণিত |
| ১১.৩৫ | ১২.০৫ | ৩০ মিনিট | কলা আৰু ভাস্কৰ্য |
| ১২.০৫ | ১২.৪৫ | ৩০ মিনিট | প্ৰথম ভাষা- পঠন / লিখন |
| ১৩.৪৫ | ১৩.৩০ | ৪৫ মিনিট | আহাৰ বিৰতি |
| ১৩.৩০ | ১৪.৩০ | ১ ঘণ্টা | দ্বিতীয় ভাষা- / মৌখিক ভাষা, শব্দ চিনাকি |
| ১৪.৩০ | ১৫.০০ | ৩০ মিনিট | খেল-ধেমালি |

এটা দীঘলীয়া দিনত কলা, ক্ৰীড়া আৰু বাগিচাৰ দৰে কামৰ বাবে অধিক সময় প্ৰদান কৰে। তলত উল্লেখ কৰা সাপ্তাহিক সময়সূচীখনে এনে সম্ভাৱনাৰ ক্ষেত্ৰত সুযোগ দিয়ে। পূৰ্বে উল্লেখ কৰা অনুসৰি, গণিত আৰু প্ৰথম ভাষাৰ অধ্যায়ত ৪ অংশ ৪.৫ ত বৰ্ণনা কৰা ধৰণে সময়ৰ খণ্ডত কাৰ্যকলাপত অন্তৰ্ভুক্ত কৰা হ'ব।

| -ৰ পৰা | -লৈ | সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ |
|---|---|---|---|---|---|---|
| ০৯.০০ | ১০.৩০ | গণিত | গণিত | দ্বিতীয় ভাষা | গণিত | দ্বিতীয় ভাষা |
| ১০.০০ | ১০.৪৫ | প্ৰথম ভাষা | প্ৰথম ভাষা | প্ৰথম ভাষা | প্ৰথম ভাষা | প্ৰথম ভাষা |
| ১০.৪৫ | ১১.০০ | চাহ বিৰতি | | | | |
| ১১.০০ | ১২.০০ | প্ৰথম ভাষা | প্ৰথম ভাষা | প্ৰথম ভাষা | প্ৰথম ভাষা | প্ৰথম ভাষা |
| ১২.০০ | ১৩.০০ | দ্বিতীয় ভাষা | দ্বিতীয় ভাষা | গণিত | দ্বিতীয় ভাষা | কলা |
| ১৩.০০ | ১৩.৪৫ | আহাৰ বিৰতি | | | | |
| ১৩.৪৫ | ১৪.৪৫ | কলা | গণিত | কলা | কলা | গণিত |
| ১৪.৪৫ | ১৫.৩০ | গ্ৰন্থাগাৰ | বাগিছা | খেল | বাগিছা | খেল |

**ঘ. বাৰ্ষিক বিদ্যালয় কেলেণ্ডাৰ ঃ**

বিদ্যালয় কেলেণ্ডাৰ হৈছে বছৰটোৰ ভিতৰত কেতিয়া নিৰ্দিষ্ট অনুষ্ঠান এটা উদ্‌যাপিত হ'ব সেইটো জানিবলৈ কৰা বাৰ্ষিক পৰিকল্পনা। ইয়াৰ ফলত শিক্ষকসকলে সেই অনুসৰি শ্ৰেণীকোঠাৰ কাম-কাজৰ পৰিকল্পনা কৰিব পাৰে। ই শিশু আৰু পৰিয়ালক বিদ্যালয়ত কি কি কৰিব লাগিব সেই বিষয়ে অৱগত হয় আৰু তেওঁলোকে ইয়াৰ বাবে পৰিকল্পনা কৰিব পাৰে। এই কেলেণ্ডাৰ পিতৃ-মাতৃ আৰু পৰিয়ালকে ধৰি সকলোৰে বাবে উপলব্ধ হ'ব লাগে। বিদালয়ৰ সকলো গুৰুত্বপূৰ্ণ অনুষ্ঠান আৰু সময়ৰ বিৱৰণ দিয়া বাৰ্ষিক কেলেণ্ডাৰ বিদ্যালয়ৰ শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ আগতেই প্ৰস্তুত কৰিব পাৰি। স্থানীয় প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি সহযোগিতামূলকভাৱে এই কাম কৰিব লাগে। কোনো বিশেষ বিদ্যালয়ৰ বাস্তৱ পৰিস্থিতিৰ প্ৰয়োজনীয়তা অনুসৰি ইয়াৰ সামান্য পৰিৱৰ্তন কৰিব পাৰি। কেলেণ্ডাৰখনে বছৰটোৰ ভিতৰত বিদ্যালয়খনৰ সকলো গুৰুত্বপূৰ্ণ অনুষ্ঠান (যেনে— বিদ্যালয় কাৰ্যকালৰ সময়সীমা, ছুটি, বাৰ্ষিক দিৱস, ক্ৰীড়া দিৱস, বিদ্যালয়ৰ অন্যান্য উদ্‌যাপন, প্ৰদৰ্শনী/ক্ষেত্ৰভ্ৰমণ, অভিভাৱক- শিক্ষকৰ সভা, শিক্ষকৰ পেছাদাৰী বিকাশৰ কাৰ্যসূচী আৰু বিদ্যালয় সভা) সামৰি ল'ব লাগে।

বিদ্যালয়সমূহে পাঠদান বিষয়ৰ বাৰ্ষিক কেলেণ্ডাৰো পৰিকল্পনা কৰিব পাৰে। ইয়াৰ ফলত শিক্ষকসকলে শ্ৰেণীকোঠাৰ কাৰ্য্যকলাপৰ সময় নিৰ্দ্ধাৰণ কৰাত আৰু পাঠ্যক্ৰমৰ অগ্ৰগতি ভালদৰে অনুসৰণ কৰাত সহায় কৰে।

# অধ্যায় 8

# অতিৰিক্ত জটিল ক্ষেত্ৰসমূহ ঃ

শিকন আৰু বিকাশৰ বাবে বুনিয়াদী পৰ্যায়টো অতিশয় গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত আমাৰ লক্ষ্য হৈছে প্ৰতিটো শিশুৰ মৰ্যাদা ৰক্ষা কৰাৰ বাবে এক নিৰাপদ, সহায়কমূলক আৰু সঁহাৰিমূলক পৰিৱেশ প্ৰদান কৰা।

৮.১ ঃ অংশত সংকটত থকা শিশুৰ কথা কোৱা হৈছে— শিক্ষক আৰু শিক্ষানুষ্ঠানসমূহে এনে সংকটসমূহ যিমান পাৰি সিমান সোনকালে চিনাক্ত কৰি মোকাবিলা কৰাটো গুৰুত্বপূৰ্ণ যাতে সকলো শিশুৱে নিজৰ শিকন লক্ষ্যত উপনীত হয়।

ল'ৰা-ছোৱালীবিলাকৰ শিকন সময় নিৰাপদ আৰু সুৰক্ষিত হ'ব লাগিব। ৮.২ অংশত নিৰাপত্তা আৰু সুৰক্ষাৰ এনে কিছুমান দিশৰ ৰূপৰেখা দাঙি ধৰা হৈছে যিবোৰ সেই প্ৰতিষ্ঠানসমূহৰ দায়িত্বৰ অন্তৰ্গত।



# খণ্ড 8.1

# উন্নয়নমূলক বিলম্ব আৰু দিব্যাঙ্গ ব্যক্তিক সম্বোধন ঃ

দীপ্তি এগৰাকী সক্ৰিয় ৬ বছৰীয়া শিশু যিয়ে কেৰম খেলি আৰু গল্প পঢ়ি ভাল পায়। দীপ্তিয়ে ইফালে সিফালে চলা-ফুৰা কৰিবলৈ হুইল চেয়াৰ ব্যৱহাৰ কৰে আৰু বিদ্যালয়ৰ অন্যান্য কামত হাত ব্যৱহাৰ কৰে। তাইৰ বিদ্যালয়ে শ্ৰেণীকোঠালৈ যোৱা তিনিটা ছিৰিক এটা ৰেম্পলৈ সলনি কৰিছে। তাইৰ শিক্ষকে শ্ৰেণীকোঠাটো এনেদৰে সজ্জিত কৰিছে যাতে দীপ্তিয়ে হুইল চকীত বহি সহজে ঘূৰি ফুৰিব পাৰে। তেওঁলোকে হুইল চকীখন সোমাব পৰা মেজ এখনত দীপ্তিয়ে সম্পন্ন কৰিব লগা কামবোৰ দীপ্তিক কৰিবলৈ দিয়ে। দীপ্তিৰ কথা-বাৰ্তা লেহেমীয়া হ'লেও দীপ্তিৰ বন্ধুসকলে ধৈৰ্যৰে তাইৰ কথাবোৰ শুনে। শিক্ষয়িত্ৰীগৰাকীয়ে দীপ্তিৰ অগ্ৰগতি বুজিবলৈ পিতৃ-মাতৃ আৰু চিকিৎসকৰ সৈতে অহৰহ যোগাযোগ কৰি থাকে আৰু সেই অনুসৰি বিদ্যালয়ত কাৰ্যকলাপৰ পৰিকল্পনা কৰে।

ইছমাইল এজন আনন্দ উল্লাস ভালপোৱা পাঁচ বছৰীয়া ল'ৰা, যিয়ে নিজৰ সকলো সহপাঠীৰ লগত কথা পাতি ভাল পায় আৰু আনন্দ কৰে। এসপ্তাহতকৈও অধিক সময় সি বৰ নিৰৱ হৈ আছে আৰু কোনো উৎসাহ নাই। শিক্ষকে তেওঁক নিৰীক্ষণ কৰে, তাৰ লগত সহৃদয়তাৰে কথা পাতে, তাৰ পৰিয়ালৰ লোকসকলক লগ ধৰে আৰু উপলব্ধি কৰে যে তাৰ একেৰাহে পেটৰ বিষ হৈ থাকে যাৰ বাবে সি ভোক আৰু অপুষ্টিত ভুগিছে। শিক্ষকে নিশ্চিত কৰে যে তাৰ পৰিয়ালে তাক স্বাস্থ্য কেন্দ্ৰলৈ লৈ গৈছে আৰু সেইকাৰণেই সি এতিয়া ভালদৰে আহাৰ গ্ৰহণ কৰে। কেইসপ্তাহমান নিয়মীয়া চিকিৎসা আৰু খাদ্য খোৱাৰ পিছত ইছমাইলে পুনৰ নিজৰ আনন্দিত সুখী স্বৰূপটো ঘূৰাই পায়।

ছেলভী এজনী সুখী তিনিবছৰীয়া শিশু, যিয়ে পানী আৰু বালিৰে খেলি ভাল পায়। তাই বেছি কথা নকয়। শিক্ষকে লক্ষ্য কৰে যে পিছফালৰ পৰা কোনোবাই মাতিলে ছেলভীয়ে কোনো সঁহাৰি নিদিয়ে। তেওঁলোকে এইটোও লক্ষ্য কৰে যে ছেলভীয়ে কেৱল শব্দৰ দ্বাৰা কোৱা এটা সাধাৰণ কাহিনী বুজিবলৈ সময় লয়। তেওঁলোকে এই কথাৰ প্ৰতি পৰিয়ালৰ দৃষ্টি আকৰ্ষণ কৰে আৰু ছেলভীৰ মাকেও একেবোৰ কথাকে লক্ষ্য কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকে সোনকালে স্থানীয় চিকিৎসকৰ পৰামৰ্শ লোৱাৰ সিদ্ধান্ত লয়। ছেলভীয়ে এতিয়া শ্ৰৱণ যন্ত্ৰ পিন্ধিছে, কেইটামান শব্দ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে আৰু শ্ৰেণীকোঠাৰ কাম-কাজত অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে আৰু শ্ৰেণীকোঠাৰ কাম-কাজত ভালদৰে অংশগ্ৰহণ কৰিবলৈ সক্ষম হৈছে।

প্ৰতিটো শিশুৱেই অনন্য। আমি জানো যে কোনো দুটা সন্তানে হুবহু একে ধৰণে নিশিকে। দীপ্তি, ইছমাইল আৰু ছেলভীৰ দৰে বহু শিশুৱে বহু কাৰণত স্কুলৰ কাম কাজত অংশ লোৱাত অসুবিধা পাব পাৰে। কিছুমান কাৰণ অস্থায়ী হ'ব পাৰে (যেনে— ইছমাইল) আৰু কিছুমান কাৰণ দীৰ্ঘস্থায়ী হ'ব পাৰে (যেনে— দীপ্তি আৰু ছেলভী) যদিও শিশুৰ বিকাশে এক সামঞ্জস্যমূলক গতি পথ অনুসৰণ কৰে, আৰু প্ৰতিজন ব্যক্তিয়ে প্ৰতিটো নিৰ্ধাৰিত পৰ্যায়ৰ মাজেৰে অগ্ৰসৰ হয়, তথাপিও বিকাশৰ বিভিন্ন ক্ষেত্ৰত ব্যক্তিগত পাৰ্থক্য পৰিলক্ষিত হয়। সকলো শিশুৱেই হুবহু একে সময়তে বিকাশৰ চিহ্নিত মাত্ৰাসমূহ লাভ নকৰে। এই ব্যক্তিৰ পাৰ্থক্যসমূহ বিভিন্ন কাৰকৰ বাবে সংঘটিত হয়।

শিশুৰ জীৱনৰ প্ৰথম আঠটা বছৰ হৈছে বৃদ্ধি আৰু বিকাশৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ বছৰ। এইবোৰ অতি গুৰুত্বপূৰ্ণ বছৰ যিয়ে ভৱিষ্যতৰ শিকনৰ ভিত্তি হিচাপে লোৱা পদক্ষেপসমূহ নিৰ্দ্ধাৰণ কৰে। আমি যিমান সোনকালে শিকন আৰু বিকাশৰ ক্ষেত্ৰৰ প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰিব পাৰিম সিমান সফলতাৰে ইয়াৰ প্ৰতিকাৰ কৰিব পাৰিম। এই পৰ্যায়ত শিকন আৰু বিকাশৰ বাবে অনুকূল পুষ্টি, পৰিচৰ্যা আৰু উদ্দীপক পৰিৱেশৰ অতি গুৰুত্বপূৰ্ণ।

আমি শিশুসকলক এনেদৰে সহায় কৰিব লাগে যে প্ৰাথমিক আৰু পিছৰ স্কুলীয়া শিক্ষাৰ মাজত ব্যৱধানৰ পৰিৱৰ্তে যোগসূত্ৰ স্থাপন হয়।

## 8.1.1 বিকাশমূলক বিলম্ব আৰু অক্ষমতাৰ চিনাক্তকৰণ ঃ

বিকাশমূলক বিলম্বই বিকাশমূলক ক্ষেত্ৰত চিহ্নিত মাত্ৰা লাভ কৰাত অতি লক্ষ্যণীয় বিলম্বসমূহক সূচিত কৰে। আমি সকলোৱে জানো যে এই ধৰণৰ বিলম্ব শিশুসকলৰ মাজত থকা ব্যক্তিগত পাৰ্থক্যৰ উন্নত থাকে। বিকাশমূলক বিলম্ব বিকাশৰ যিকোনো ক্ষেত্ৰতে হ'ব পাৰে - শাৰীৰিক, ভাষা, সামাজিক-আৱেগিক, বৌদ্ধিক বা বহু ক্ষেত্ৰভিত্তিক। উদাহৰণস্বৰূপে, চাৰি বছৰ বয়সত তিনিটা ছিৰি ওপৰলৈ উঠিবলৈ বা নামিবলৈ সংগ্ৰাম কৰা শিশু বা পাঁচ বছৰ বয়সত পৰিচিত ভাষাৰ তিনিটা শব্দযুক্ত বাক্য বুজাত অসুবিধা বোধ কৰা।



বিকাশৰ অক্ষমতাৰ- উদাহৰণস্বৰূপে— অটিজিম স্পেকটাম বিকাশ, মস্তিস্কৰ পক্ষাঘাট, বৌদ্ধিক অক্ষমতা, দৃষ্টিশক্তিহীন, শ্ৰৱণ ক্ষমতাৰ অক্ষমতা ইত্যাদি সাধাৰণতে শিশু বা শৈশৱৰ সময়ত স্পষ্ট হৈ পৰে আৰু শিকন, ভাষা, যোগাযোগ, জ্ঞান, আচৰণ, সামাজিককৰণ বা গতিশীলতাৰ ক্ষেত্ৰত হোৱা বিকাশৰ বিলম্বৰ দ্বাৰা ইয়াক চিহ্নিত কৰা হয়।

কেতিয়াবা বিলম্ব আৰু অক্ষমতাৰ মাজৰ পাৰ্থক্য জনাটো কঠিন হৈ পৰে আৰু মাজে মাজে এটাক আনটোৰ সলনি ব্যৱহাৰ হয়। শিশুৰ বিকাশৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা বিলম্বক ধাৰাবাহিকভাৱে প্ৰদান কৰাৰ বাবে সহায় আৰু উপযুক্ত উদ্দীপনাৰ প্ৰদানৰ দ্বাৰা স্থবিৰ বা দূৰ কৰিব পাৰি। বিকাশমূলক অক্ষমতা দীৰ্ঘস্থায়ী যদিও উপযুক্ত সহায়তা লাভ কৰিলে তেওঁলোকে সঞ্চালনৰ ক্ষেত্ৰতো বহু অগ্ৰগতি লাভ কৰিব পাৰে।

বিকাশৰ বিলম্ব আৰু অক্ষমতাৰ বাবে সমস্যাৰ সন্মুখীন হোৱা শিশুসকলক আগতীয়াকৈ চিনাক্ত কৰাটো সময়োপযোগী হস্তক্ষেপৰ বাবে অতিশয় প্ৰয়োজন। সময়মতে কৰা হস্তক্ষেপে বিকাশৰ বিলম্ব আৰু অক্ষমতা উভয়কে সমাধান কৰাত সহায় কৰিব পাৰে।

## 8.1.2 বুনিয়াদী পৰ্যায়ৰ প্ৰতিষ্ঠানসমূহে কি কৰা উচিত ?

শিক্ষানুষ্ঠান আৰু শিক্ষকসকলে বিকাশৰ বিলম্ব বা অক্ষমতাৰ ক্ষেত্ৰত নিদান দিবলৈ স্বীকৃতিপ্ৰাপ্ত নহয়। এই কাৰ্য স্বীকৃতি লাভ কৰা পেছাদাৰী চিকিৎসকৰ কাম।

কিন্তু বিকাশৰ বিলম্ব আৰু অক্ষমতাযুক্ত শিশুসকলক চিনাক্ত কৰাৰ ক্ষেত্ৰত শিক্ষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই শিশুসকলে উপযুক্ত সময়ত সঠিক ধৰণৰ সহায় লাভ কৰাটো অতি গুৰুত্বপূৰ্ণ যাতে তেওঁলোকৰ ভৱিষ্যতৰ অসুবিধাসমূহ হ্ৰাস কৰিব পাৰি।

ক. শিক্ষকসকলে এই ধাৰণাৰে আৰম্ভ কৰিব লাগিব যে প্ৰতিটো শিশুৱে নিজৰ নিজৰ গতিৰে শিকে। শিকন আৰু বিকাশৰ স্তৰৰ পাৰ্থক্য প্ৰতিটো শিশুৰ বৃদ্ধিমূলক বছৰসমূহৰ উল্লেখনীয় দিশ।

খ. কিন্তু যদি তেওঁলোকে শিশুৰ ক্ষেত্ৰত কোনো লক্ষণীয় বা স্থায়ী সমস্যাজনিত দিশ দেখা পায়, তেন্তে **প্ৰথম পদক্ষেপ**টো হ'ল শিশুটিক ভালদৰে পৰ্যৱেক্ষণ কৰা যাতে শিশুটিৰ বিকাশৰ সকলো ক্ষেত্ৰৰে কাম কাজ বুজিব পৰা যায়।

গ. **দ্বিতীয় পদক্ষেপ**টো হ'ল-কিছুমান মৌলিক প্ৰশ্নৰ ভিত্তিত শিশুটিৰ দৈনিক বা সাপ্তাহিক পৰ্য্যৱেক্ষণৰ এখন নথিপত্ৰ যুগুতাই ৰখা। তলৰ বিশ্ব স্বাস্থ্য সংস্থাৰ ১০টা প্ৰশ্নৰ তালিকাখন শংকতাপন্ন শিশুক চিনাক্ত কৰা আৰু পৰ্যৱেক্ষণৰ বাবে নিৰ্দেশনা হিচাপে ব্যৱহাৰ কৰিব পাৰি।

**বিশ্ব স্বাস্থ্য সংস্থাৰ ১০ টা প্ৰশ্নৰ পৰীক্ষা ঃ**

- আন শিশুৰ সৈতে তুলনা কৰক, শিশুটিৰ বহা, থিয় হোৱা বা খোজ কঢ়াত কোনোধৰণৰ গুৰুতৰ পলম হৈছে নেকি ?
- আন শিশুৰ সৈতে তুলনা কৰক, শিশুটিৰ দিনত বা ৰাতি দেখা পোৱাত অসুবিধা আছে নেকি ?
- শিশুটিৰ শ্ৰৱণত অসুবিধা হোৱা যেন লাগে নেকি ?
- যেতিয়া আপুনি শিশুটিক কিবা এটা কৰিবলৈ কয়, তেতিয়া আপুনি কোৱা কথাখিনি তেওঁ বুজি নাপায় যেন লাগে নেকি ?
- শিশুটিয়ে খোজ কাঢ়িবলৈ বা হাত খন লৰচৰ কৰাত অসুবিধা পায় নেকি বা হাত বা ভৰি দুখনত দুৰ্বলতা বা জঠৰতা অনুভৱ কৰে নেকি ?
- শিশুটি কেতিয়াবা চেতনাহীন হৈ যায় নেকি বা জঠৰ হৈ পৰে নেকি ?
- শিশুটিয়ে নিজৰ বয়সৰ আন ল'ৰা-ছোৱালীৰ দৰে কাম কৰিবলৈ শিকেনে ?
- শিশুটিয়ে ভালদৰে কথা কব পাৰে নে ? (তেওঁ নিজকে শব্দেৰে বুজাব পাৰে নে ? কোনো চিনাকি শব্দ ক'ব পাৰেনে ?)
- ৩ ৰ পৰা ৯ বছৰ বয়সীয়া শিশুৰ বাবে, সুধিবঃ শিশুটিৰ কথা-বতৰা কোনো ধৰণে স্বাভাৱিকতকৈ পৃথক নেকি ? (তাইৰ কথাবোৰ নিজৰ পৰিয়ালৰ বাহিৰে আন মানুহে বুজিব পৰাকৈ স্পষ্ট হয় নে) ? ২ বছৰ বয়সীয়া শিশুৰ বাবে, সুধিবঃ তেওঁ অন্ততঃ এটা বস্তুৰ নাম ক'ব পাৰিবনে যেনে- এটা জন্তু, এটা খেলনা, এটা কাপ, এখন চামুচ) ?
- শিশুটিক তেওঁৰ বয়সৰ আন শিশুৰ তুলনাত কোনো ধৰণে নিস্তেজ বা লেহেমীয়া যেন লাগেনে ?

এইটো মনত ৰখা ভাল যে, সকলো শিশুৰ কাৰ্যক্ষমতা বা বিকাশৰ স্তৰ যিয়েই নহওক লাগিলে সকলো শিশুকে উপযুক্ত লালন-পালন আৰু যত্নৰ প্ৰয়োজন। শিক্ষকে বিশেষ শিশুটিৰ লগত খেলিব লাগে আৰু কাম কৰিব লাগে। ঠিক যেনেকৈ তেওঁলোকে আন ল'ৰা-ছোৱালীৰ লগত খেলে বা কাম কৰে। কেতিয়াবা শিশুসকলক সমস্যাৰ সমাধানৰ বাবে অতিৰিক্ত মনোযোগ লাগে বা দৈনন্দিন সময়সূচীত কিছু সাল-সলনি বা কেতিয়াবা নিৰ্জনতা বা কিছু খাদ্যৰ পৰিৱৰ্তনৰ প্ৰয়োজন হয়।

ক. যদিহে সমস্যাটো স্থায়ী হয় আৰু দৈনন্দিন কামৰ দ্বাৰা শুধৰাব পৰা বিধৰ নহয়, তেন্তে **তৃতীয় পদক্ষেপ** হিচাবে এই ক্ষেত্ৰত পিতৃ-মাতৃ আৰু পৰিয়ালৰ সহযোগ গ্ৰহণ কৰিব লাগে। কথা-বতৰা যিমান সম্ভৱ সিমান বুজা-বুজিমূলক হ'ব লাগিব। শিশুটিৰ সমস্যামূলক পৰিস্থিতিৰ সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব নালাগে- ই কেৱল আদান-প্ৰদানমূলকহে হ'ব লাগে।

খ. যদি পৰিয়ালটো সন্মত হয় তেন্তে **চতুৰ্থ পদক্ষেপ**টো হ'ব শিশুটিক উপযুক্ত পেছাদাৰী চিকিৎসকৰ ওচৰলৈ প্ৰেৰণ কৰি আশংকা কৰা ধৰণৰে শিশুটি বিলম্ব বা অক্ষমতাৰ সমস্যা জড়িত তাক নিশ্চিত কৰিব লাগে। অভিজ্ঞতাসম্পন্ন এজন শিশু চিকিৎসকৰ পৰামৰ্শ লোৱাটো আটাইতকৈ সৰ্ব্বোত্তম হ'ব। এনে ক্ষেত্ৰত প্ৰতিটো প্ৰতিষ্ঠানতে স্থানীয় প্ৰতিষ্ঠান, সংস্থা আৰু পেছাদাৰীসকলৰ এখন তালিকা থাকিব লাগে যাতে শিক্ষকে সেই অনুসৰি পৰিয়ালটোক পথ নিৰ্দেশ কৰিব পাৰে।

গ. যদি পেছাদাৰী চিকিৎসকে সমস্যাটো নিশ্চিত কৰে, তেন্তে শিক্ষক, পেছাদাৰী চিকিৎসকে একেলগে পৰৱৰ্তী পদক্ষেপৰ পৰিকল্পনা কৰিব লাগে। ইয়াৰ ভিতৰত, অক্ষমতা পুনৰ্বাসনৰ পেছাদাৰী ব্যক্তি যেনে— (ফিজিঅ'থেৰাপিষ্ট, স্পিচ্ছ থেৰাপিষ্ট, এজন বিশেষ শিক্ষাবিদ) ৰ পৰামৰ্শ লোৱা, ঔষধ আৰম্ভ কৰা, সহায়ক ব্যৱহাৰ কৰা (যেনে, শ্ৰৱণ যন্ত্ৰ বা ক্ৰাট্‌চ) সৰল বাক আৰু ভাষাৰ কাৰ্যকলাপ বা চিকিৎসা, সৰল শাৰীৰিক কাৰ্যকলাপ বা চিকিৎসা, বৌদ্ধিক ব্যায়াম আৰু শ্ৰেণীকোঠাৰ বাবে নিৰ্দেশনা বা শিশুৰ বাবে প্ৰয়োজনীয় অন্যান্য সামগ্ৰীক শিশুটিৰ কাৰণে সামৰি ল'ব লাগে।

ঘ. **পঞ্চম পদক্ষেপ** হ'ব বিদ্যালয়ত শিশুটিৰ ওপৰত মনোনিৱেশ কৰা কাম আৰম্ভ কৰা।

i. শিক্ষকে শিশুৰ এটা নথিপত্ৰৰ প্ৰ'ফাইল আৰম্ভ কৰিব লাগে যিটো নিয়মিতভাৱে নৱীকৰণ কৰিব লাগে।

ii. চিকিৎসা বা পুনৰ্বাসন পেছাদাৰীয়ে পৰামৰ্শ দিয়া উপযুক্ত পৰীক্ষা তালিকা বা সঁজুলিৰ ভিত্তিত নিয়মীয়া মূল্যায়ন কৰিব লাগিব।

iii. শিক্ষকে অভিভাৱক আৰু পৰিচৰ্যাকাৰীসকলৰ সৈতে আলোচনা কৰি ব্যক্তিভিত্তিক শিক্ষা পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। (অনুগ্ৰহ কৰি এই খণ্ডৰ শেষৰ নমুনাটো চাওক।)

iv. যদি শিশুটি কোনো গুৰুতৰ সমস্যাত ভুগি আছে, যাৰ বাবে বিদ্যালয়ত হাতত ল'ব পৰা বিশেষ ব্যৱস্থা নাই, তেন্তে ইয়াৰ বিকল্প সন্ধান বিচাৰিবলৈ পৰিয়াল, প্ৰাসংগিক শিক্ষা কৰ্মী আৰু চিকিৎসা পুনৰ্বাসন পেছাদাৰী সৈতে বিতংভাৱে আলোচনা কৰাটো গুৰুত্বপূৰ্ণ হ'ব।

ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ PRASHAST হৈছে এনে এখন পৰীক্ষা তালিকা যিয়ে সমস্যাযুক্ত শিশুসকলক চিনাক্ত কৰিবলৈ সক্ষম কৰে। ইয়াত দুটা অংশ আছে— প্ৰথম অংশ সাধাৰণ শিক্ষকসকলে পৰীক্ষাৰ বাবে ব্যৱহাৰৰ বাবে আৰু দ্বিতীয় অংশ বিশেষ শিক্ষকসকলে পৰীক্ষাৰ বাবে ব্যৱহাৰৰ বাবে। অবৈজ্ঞানিক নিদান আৰু অপ্ৰয়োজনীয় নামাংকণৰ পৰা ই শিশুসকলক সুৰক্ষা প্ৰদান কৰিব। এই পৰীক্ষা তালিকাখনৰ প্ৰতিবন্ধী ব্যক্তিৰ অধিকাৰ আইন (আৰপিডব্লিঅ'ডি) আইন ২০১৬ ৰ সৈতে মিল আছে।

## 8.1.3 দৈনন্দিন শ্ৰেণীত শিক্ষকসকলে কি কৰিব পাৰে?

সকলো শিশুৱেই শুনি, দেখি আৰু শিক্ষকৰ সৈতে বিভিন্ন ধৰণে সংযোগ স্থাপন কৰি শিকে। সংকটৰ আশংকাযুক্ত শিশুসকলে আন পেছাদাৰীৰ পৰা সাহাৰ্য লাভ কৰিছে নে নাই তাক বিচাৰ নকৰাকৈ শিক্ষকসকলে তলত দিয়া সহজ কৌশলসমূহ ব্যৱহাৰ কৰি শিশুসকলক সহায় কৰিব পাৰে।-

ক. শিশুটিৰ বিষয়ে যিমান পাৰি সিমান জানি লওক।

  i. উদাহৰণস্বৰূপে, শিশুটিয়ে কি কৰিব পাৰে আৰু কি কৰিব নোৱাৰে, শিশুটিয়ে কি ভাল পায় আৰু কি নাপায়?

  ii. উদাহৰণস্বৰূপে, শিশুটিয়ে কি কি উপায়েৰে সৰ্ব্বোত্তমভাৱে শিকে; শিশুৰ ঘৰুৱা পৰিৱেশ, পৰিয়াল আৰু সমাজ কেনেকুৰা?

খ. শিশুসকলৰ বাবে বাস্তৱসন্মত আৰু সাধনযোগ্য লক্ষ্য নিৰ্দ্ধাৰণ কৰি সফলতাৰ কাৰণে তৈয়াৰ কৰক।

  i. উদাহৰণস্বৰূপে, 'অমিতে এটা মাহত ৩-৪টা শব্দৰে বাক্য ক'বলৈ আৰম্ভ কৰিব' এক অবাস্তৱ যেতিয়া অমিতৰ শব্দভাণ্ডাৰত মাত্ৰ ৩০ টা শব্দ থাকে আৰু দুটা শব্দ সংযুক্ত কৰিবলৈ সংগ্ৰাম কৰে। এটা বাস্তৱিক লক্ষ্য হ'ব 'অমিতে এমাহত প্ৰায় ৫০ টা অৰ্থপূৰ্ণ শব্দ ক'ব পাৰিব আৰু দুটা শব্দ সংযুক্ত কৰি বাক্য গঠন কৰিবলৈ চেষ্টা কৰিব পাৰিব'।

গ. শিশুটিক যিমান পাৰে সিমান আপোনাৰ ওচৰত বহাওক।

ঘ. সহজ, পৰিচিত ভাষা ব্যৱহাৰ কৰক, স্পষ্টকৈ আৰু লাহে লাহে কওক।

ঙ. প্ৰশংসা আৰু উদাৰতাৰে উৎসাহিত কৰক।

চ. বহুসংবেদনশীল পদ্ধতি এটা ব্যৱহাৰ কৰক।

  i. উদাহৰণস্বৰূপে, একে সময়তে ক্ৰিয়ামূলক মিত্ৰাক্ষৰিক ছন্দ ব্যৱহাৰ কৰি ইয়াক ক'বলৈ আৰু কৰিবলৈ উৎসাহিত কৰিব লাগে।

  ii. উদাহৰণস্বৰূপে— এখন ছবি দেখুৱাই ইয়াৰ বিষয়ে কথা পাতি আৰু কোনো আনুসঙ্গিক শিল্প কৰ্ম এটা কৰিবলৈ দি কোনো এটা ধাৰণা শিকাওক।

ছ. তথ্য যিমান পাৰি সুনিৰ্দিষ্ট কৰক।

  i. আৰ্হি শিকাবলৈ উপলব্ধ বস্তু যেনে-লাঠি আৰু শিল, খেলনা, ব্লক ব্যৱহাৰ কৰক আৰু তাৰ পিছত কাগজ, পেঞ্চিলৰ কামলৈ আগবাঢ়ক।

জ. এটা কাম সম্পূৰ্ণ কৰিবলৈ পৰ্যাপ্ত অনুশীলনৰ সুযোগ আৰু যথেষ্ট সময় প্ৰদান কৰক।

  i. প্ৰয়োজন হ'লেই কামৰ মাজত বিৰতি দিয়ক।

ঝ. দেখুওৱা, প্ৰদৰ্শন কৰা আৰু আৰ্হিত দেখুওৱা— এই চক্ৰটো যিমান পাৰি সঘনাই পুনৰাবৃত্তি কৰক।

ঞ. আন শিশুৰ সৈতে পাৰস্পৰিক ক্ৰিয়া-কলাপক উৎসাহিত কৰক।

ট. অন্যান্য শিশুক নির্ধাৰিত পৰিস্থিতিৰ প্ৰতি সংবেদনশীল কৰক।

i. বিষয়টোৰ ওপৰত এটা প্ৰশ্নোত্তৰ অনুষ্ঠান অনুষ্ঠিত কৰক, উদাহৰণস্বৰূপে, সুৰেশক দেখিবলৈ বেলেগ লাগে নেকি? যেতিয়া তুমি অশ্বিনীৰ লগত কথা পাতা তুমি ভাৱা নেকি যে অশ্বিনীয়ে বুজি নাপায়? তুমি কিয় ভাবা যে অশ্বিনীয়ে তোমাৰ লগত কথা নাপাতে?

ii. শিশু কেতিয়া অধৈৰ্য্য হৈ পৰে বুজাওক, উদাহৰণস্বৰূপে, নৰেন্দ্ৰই কথা কওঁতে কথা শেষ নোহোৱালৈকে তুমি অপেক্ষা কৰিব পাৰিবা নে? মই জানো যে তেওঁ কথা কবলৈ বহু সময় লয় আৰু আৰু তেওঁ বহু শব্দ আওৱাই থাকে; কিন্তু তুমি তেওঁৰ প্ৰতি ধৈৰ্য্য ধৰিব পাৰিবানে?

ঠ. বিভিন্ন ক্ষমতাক প্ৰকাশ কৰি তোলা কাহিনী, নাট্যাভিনয় ব্যৱহাৰ কৰক।

ড. আন শিশুক শিশুসকলৰ সৈতে যোগাযোগ আৰু খেল-ধেমালি কৰিবলৈ শিকাওক আৰু উৎসাহিত কৰক।

ঢ. এই শিশুটিৰ বাবে শ্ৰেণীৰ বাকীসকলৰ মাজৰ পৰা এজন গুৰু বাছি লওক (নিৰ্বাচিত হোৱাটো এটা ডাঙৰ সন্মান হিচাপে উপস্থাপন কৰক)

ণ. শিশুৰ প্ৰতি আঘাতজনক ভাষা বা ব্যৱহাৰক সক্ৰিয়ভাৱে নিৰুৎসাহিত কৰক।

ত. শিশুটিৰ সুৰক্ষা নিশ্চিত কৰিবলৈ স্পষ্টভাৱে কৰিবলগীয়া আৰু নকৰিবলগীয়া কামৰ এখন তালিকা প্ৰস্তুত কৰি ৰাখক আৰু এই কথা আন সকলো শিশুক জনাওক।

থ. শিশুটিক সদায় উৎসাহিত কৰক, সমৰ্থন কৰক আৰু সন্মান কৰক।

i. শিশুটিৰ ক্ষেত্ৰত আঘাতজনক আৰু অপমানজনক নামাঙ্কণ শব্দ ব্যৱহাৰ নকৰিব (যেনে, খোৰা ল'ৰা, অন্ধ ছোৱালী, বোবা, মূৰ্খ ছোৱালী) বা আনকো তেনে কৰিবলৈ নিদিব।

ii. শিশুসকলৰ প্ৰতি ঋণাত্মক মন্তব্য পোষণ নকৰিব বা আনকো তেনে কৰিবলৈ নিদিব।

**আৰ্হিমূলক ব্যক্তিগতকৃত শিক্ষা পৰিকল্পনা (IEP)**

শশাংক এটি ৫ বছৰ ৬ মাহৰ শিশু। তাক যি কোৱা হয় সেয়া সি সম্পূৰ্ণৰূপে বুজিব পাৰে আৰু অৰ্থপূৰ্ণভাৱে প্ৰায় বিশটা শব্দ ক'ব পাৰে। সি এটা শব্দ উচ্চাৰণ কৰি কথা কয়। যদিও সি স্বতন্ত্ৰভাৱে খোজ কাঢ়িব নোৱাৰে, তথাপিও কিছু সহায় পালে থিয় হ'ব পাৰে আৰু সি কেইখোজমান আগুৱাই যাবলৈ চেষ্টা কৰে। বেছিভাগ সময়তে তাৰ লেলাউটি ওলাই থাকে।

এইটো মই তাৰ বাবে যুগুত কৰা ৩ মাহৰ ব্যক্তিকেন্দ্ৰিক শিক্ষা পৰিকল্পনা।

| লক্ষ্য | শিকনৰ ফলাফল | বিশেষ শ্ৰেণীকোঠা কাৰ্য |
|---|---|---|
| শাৰীৰিক বিকাশ | • সহায় নোলোৱাকৈ থিয় হোৱা। সহায় নোলোৱাকৈ আগলৈ ১০ খোজ দিয়া | এডাল চিন অঙ্কণ কৰা, একেবাৰে শেষৰ বিন্দুত এটা ৰঙা বল (যিটো সি ভাল পায়) স্থাপন কৰা। |
| ভাষাৰ বিকাশ | অৰ্থপূৰ্ণভাৱে ৫০ টা শব্দ কোৱা। দুটা শব্দ ব্যৱহাৰ কৰি নিজৰ প্ৰয়োজন প্ৰকাশ কৰা। মুখৰ পেশী শক্তিশালী কৰি লেলাউটি নোহোৱা কৰা | তাৰ কাষত এটা ৰঙীণ বাকচত বল, কাপ, প্লেট আদি বেলেগে বেলেগ বস্তু ৰাখা।<br>সেই বস্তুবোৰৰ পৰা এবাৰত এটা উলিয়াবলৈ তাক সহায় কৰা আৰু সেই বস্তুবোৰৰ নাম ক'বলৈ উৎসাহিত কৰা।<br>সেই একে কাৰ্য নিৰ্ধাৰিত বস্তুৰ আৰু মানুহৰ ছবি ব্যৱহাৰ কৰি কৰিব পাৰি।<br>জন্তুৰ দৰে শব্দ কৰিবলৈ অনুপ্ৰাণিত কৰক আৰু গীতৰ সময়ত আৰু মিত্ৰাক্ষৰিক পদ্যৰ সময়ত কৰ্ম শব্দ ক'বলৈ কোৱা।<br>এটি পুতলাক গাখীৰ খুউওৱা, গা ধুউওৱা, শুৱাই দিয়া ইত্যাদি কাম কৰিবলৈ দি ইয়াক বৰ্ণনা কৰিবলৈ শব্দ ব্যৱহাৰ কৰিবলৈ কোৱা।<br>এখন আইনাৰ সন্মুখত মুখৰ আকৃতি নিৰ্দিষ্ট কৰি আৰু জিভাখন বিভিন্ন ঠাইত ৰাখি কেনেকৈ শব্দ তৈয়াৰ কৰিব লাগে তাক দেখুৱাবলৈ ব্যৱহাৰ কৰা।<br>এদিনত চাৰিবাৰ মুখৰ বিশেষ পেশী সঞ্চালনৰ ব্যায়াম কৰা |
| আত্ম-সহায় | • নিজেই নিজৰ দাঁত ব্ৰাছ কৰা<br>• নিজে নিজৰ খাদ্য খোৱা শব্দ আৰু অঙ্গ-ভঙ্গী<br>• ব্যৱহাৰ কৰি শৌচাগাৰৰ প্ৰয়োজনীয়তাৰ দেখুৱাই দিয়া | প্ৰত্যেক কাৰ্যকে সৰু সৰু পৰ্যায়ত ভাগ কৰি সেই পৰ্যায়ৰ মাজেৰে তাক লৈ যোৱা<br>সি কেনেকৈ কামটো কৰিলে তাক দেখুৱাবলৈ এখন আইনা ব্যৱহাৰ কৰা।<br>সি কৰি আছে তাক দেখুৱাত সহায় কৰিবলৈ ছবিৰ ব্যৱহাৰ কৰা। প্ৰত্যেক কামৰে আৰম্ভণি শব্দ ব্যৱহাৰ কৰক, যেনে- প্ৰস্ৰাৱ কৰাৰ কাৰণে 'চু', 'ইইই' ব্ৰাছ কৰাৰ কাৰণে, খোৱাৰ কাৰণে 'উম'। |

| লক্ষ্য | শিকনৰ ফলাফল | বিশেষ শ্ৰেণীকোঠা কাৰ্য |
|---|---|---|
| বৌদ্ধিক বিকাশ | শ্ৰেণী কৰাৰ ওপৰত ভিত্তি কৰি চুটি বস্তু ছবিৰ লগত বস্তু মিলাওক ১ৰ পৰা ১০ লৈ অৰ্থপূৰ্ণভাৱে গণনা কৰা | • একেলগে বিভিন্ন শ্ৰেণীৰ সামগ্ৰী মিশ্ৰণ কৰা, যেনে- জন্তু আৰু ফল; তাৰ আগত দুটা খৰাহীত সেইবোৰ ৰাখক আৰু শ্ৰেণীবদ্ধ কৰিবলৈ/বেলেগ বেলেগ কৰিবলৈ তাক সহায় কৰক।<br>• শিশুৰ পৰিচিত বিভিন্ন বস্তুৰ ছবি (যেনে— কল, কাপ, পুতলা ইত্যাদি) এখন টেবুলত ৰাখক। ছবি বিলাকৰ লগত মিলা এটা বস্তু শিশুটিক দিয়ক আৰু বস্তুটোৰ ছবিৰ লগত মিলাবলৈ কওঁক। এই কাৰ্য কৰোতে বস্তু আৰু ছবিটোৰ নাম উচ্চাৰণ কৰক।<br>• বিল্ডিং ব্লক আৰু কাপোৰৰ কিলিপ ব্যৱহাৰ কৰক আৰু তাক সঠিক ভাবে মাৰিবলৈ সহায় কৰক। এবাৰ হোৱাৰ পাছত, অৰ্থপূৰ্ণভাৱে গণনা কৰিবলৈ দিয়া আৰু সংখ্যাটো কবলৈ কোৱা।<br>সংখ্যাটো সলনি কৰি আৰু পুনৰাই তাক গণনা কৰিবলৈ কোৱা। |
| সামাজিক-আৱেগিক বিকাশ | দলীয়ভাৱে বহা, সহপাঠীসকলৰ উপস্থিতিক সঁহাৰি জনোৱা, সম্ভাষণ কৰা আৰু তাৰ বন্ধুবোৰক মাতিবলৈ দিয়া | এটা বৃত্ত আকাৰত শিশুসকলক বহিবলৈ দি বল এটা এজনৰ পৰা আন এজনলৈ দলিয়াবলৈ দিব। এজনে বলটো দলিয়াই দিয়াৰ লগে লগে তৎপৰ হোৱা আৰু নিজৰ নাম অন্যসকলক ক'বলৈ উৎসাহিত কৰা।<br>চিক্কিৰ এটা পেকেট তাক দিয়া- এটা দলৰ শিশুসকলক প্ৰত্যেককে নাম দি মাতিবলৈ কোৱা আৰু প্ৰত্যেককে এটাকৈ চিক্কি দিবলৈ কোৱা। ইয়াৰ লগতে ধন্যাবাদ দিবলৈয়ো এই প্ৰক্ৰিয়াত শিকাব পাৰি। |

# খণ্ড 8.2

# বিদ্যালয়ত সুৰক্ষা আৰু নিৰাপত্তা ঃ

আমাৰ সকলো শৈক্ষিক ব্যৱস্থাই এনে এক পৰিৱেশ প্ৰদান কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ যিটো কেৱল উদ্দীপক আৰু আনন্দদায়ক নহয়, লগতে নিৰাপদো।

## 8.2.1 শাৰীৰিক সুৰক্ষা ঃ

ক. শিক্ষকসকলে নিশ্চিত কৰিব লাগিব যাতে শিশুসকল সকলো সময়তে শাৰীৰিকভাৱে যাতে সক্ষম হৈ থাকে। এজন দ্বায়িত্বশীল প্ৰাপ্তবয়স্কই বিৰতি আৰু খেলাৰ সময়ত শিশুসকলক তদাৰক কৰিব লাগিব।

খ. ঘৰৰ দুৱাৰ আৰু সঁজুলিৰ ক্ষেত্ৰত সুৰক্ষাৰ মানদণ্ড মানি চলিব লাগিব, যেনে— খিৰিকীৰ ওপৰত গ্ৰীল, বেলকনিত ৰেলিং, নিৰাপদ বৈদ্যুতিক সংযোগ, মাটিত লগোৱা বৈদ্যুতিক সংযোগ, মুকলি কুঁৱাসমূহ ঢাকি থোৱা ইত্যাদি।

গ. সুৰক্ষা সঁজুলি (যেনে— অগ্নিনিৰ্বাপক যন্ত্ৰ) তৎক্ষণাত উপলব্ধ হ'ব লাগিব আৰু ব্যৱহাৰযোগ্য হ'ব লাগিব।

ঘ. শ্ৰেণীকোঠাত খিৰিকীসমূহ অসাৱধানভাৱে খোলা উচিত নহয় কাৰণ ই প্ৰায়ে দুৰ্ঘটনাৰ কাৰণ হয় (যেনে— শিশুৱে থিয় হৈ বা ইফালে-সিফালে যোৱাৰ সময়ত প্ৰায়ে খিৰিকীত, দুৱাৰত খুন্দা খায়।

ঙ. বিপদজ্জনক হ'ব পৰা সম্ভব্য সকলো সামগ্ৰী সাৱধানে ৰাখিব লাগে আৰু শিশুৰ চুব পৰা হ'ব নালাগিব। এইবোৰ কেৱল প্ৰাপ্তবয়স্কৰ তত্বৱধানত ব্যৱহাৰ কৰিব লাগিব (যেনে— কটাৰী,কেঁচি, ব্লেড, পৰিষ্কাৰ কৰা তৰল পদাৰ্থ)

চ. বিদ্যালয়ত প্ৰাথমিক চিকিৎসাৰ কিট এটা কাম কৰা অৱস্থাত ৰাখিব লাগে আৰু সকলো শিক্ষককে মৌলিক প্ৰাথমিক চিকিৎসা ব্যৱহাৰৰ প্ৰশিক্ষণ দিব লাগে।

ছ. পুষ্টিকৰ মধ্যদিনৰ আহাৰ নিৰাপদ আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিস্থিতিত পৰিৱেশন কৰাব লাগে।

জ. দুৰ্ঘটনা বা চিকিৎসাৰ জৰুৰীকালীন অৱস্থাত তত্ত্বাবধায়ক প্ৰাপ্তবয়স্কই (যেনে— শিক্ষক বা প্ৰধান শিক্ষক) সিদ্ধান্ত ল'ব লাগিব আৰু অভিভাৱকক তৎক্ষণাত অৱগত কৰিব লাগিব।

ৰ. যদি কোনো শিশুৱে বিদ্যালয়ত অসুস্থ অনুভৱ কৰে কিন্তু চিকিৎসাজনিতভাৱে জৰুৰীকালীন নহয়, তেন্তে শিক্ষকে অভিভাৱকৰ সৈতে যোগাযোগ কৰিব পাৰে, আৰু তেওঁলোকক শিশুটিক নিবলৈ ক'ব পাৰে বা সম্ভৱ হ'লে বিদ্যালয়ৰ পৰা কোনোবা দায়িত্বশীল ব্যক্তিয়ে শিশুটিক লৈ যাব পাৰে বুলি নিশ্চিত কৰাৰ পিছত ঘৰলৈ লৈ যাব পাৰে নতুবা জিৰণি ল'বলৈ ঠাই থাকিলে শিশুটিয়ে বিদ্যালয়তে জিৰণি ল'ব পাৰে আৰু স্বাভাৱিক সময়ত ঘৰলৈ উভটি যাব পাৰে।

## 8.2.2 আৱেগিক সুৰক্ষা ঃ

ক. বিদ্যালয়ৰ কোনো অগ্ৰজেই শিশুসকলৰ সৈতে শাৰীৰিক হিংসা বা শাৰীৰিক শাস্তি ব্যৱহাৰ কৰিব নোৱাৰিব।

খ. অগ্ৰজসকলে শিশুক ইংগিত দি বা গোপনেও গুণ্ডাগিৰি, হাৰাশাস্তি বা ভয় দেখুৱাব নালাগে। তেওঁলোকে গালি গালাজ বা হেয় জ্ঞান কৰা ভাষা ব্যৱহাৰ কৰিবও নোৱাৰে বা শিশুক নামাকৰণো কৰিব নোৱাৰে।

গ. শিক্ষকসকলক সমান সুযোগ প্ৰদান কৰিব লাগিব আৰু দৈনন্দিন কাম কাজত সকলো শিশুৰ সমান অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব।

ঘ. শিক্ষকসকলে শিশুসকলৰ সৈতে সকলো সময়তে ইতিবাচক ভাষা ব্যৱহাৰ কৰিব লাগিব আৰু সততে উৎসাহ প্ৰদান কৰিব লাগিব যাতে শ্ৰেণীকোঠাত সঁহাৰিমূলক আচৰণ আৰু আৰু কাৰ্যক শক্তিশালী হয়।

ঙ. যদিহে কোনো শিশুৱে আনক আঘাত কৰা বা অনুচিত আচৰণ প্ৰদৰ্শন কেৰে তেন্তে শিক্ষকসকলে হস্তক্ষেপ কৰিব লাগিব। যদি কোনো শিশুৱে এটা নিৰ্ধাৰিত সীমা অতিক্ৰম কৰে, তেন্তে প্ৰথম পদক্ষেপ হিচাবে ইয়াৰ অন্তৰ্নিহিত কাৰণসমূহ বুজিবলৈ চেষ্টা কৰাৰ লগতে ইয়াৰ সমাধানৰ ব্যৱস্থা কৰিব লাগে।

চ. স্পৰ্শকাতৰ তথ্যৰ গোপনীয়তা (যেনে— শিশুৰ বিশেষ পৰিস্থিতিৰ সম্পৰ্কে) বজায় ৰাখিব লাগিব।

বাকচ ৮.২ (ক)

শিক্ষা মন্ত্ৰালয়ৰ নিৰ্দেশনাত বিদ্যালয় নিৰাপত্তা আৰু সুৰক্ষাত সকলো শিশুৰ বাবে নিৰাপদ আৰু সুৰক্ষিত পৰিৱেশ সৃষ্টিৰ বাবে বিদ্যালয় আৰু অন্যান্য সংশ্লিষ্ট অংশীদাৰসকলে লʼবলগীয়া ব্যৱস্থাসমূহৰ বিষয়ে স্পষ্টভাৱে সংজ্ঞায়িত কৰা হৈছে। সকলো শিক্ষানুষ্ঠান আৰু ব্যৱস্থাপনাৰ বাবে ই এক উৎকৃষ্ট সম্পদ।

## 8.2.3 শিশুৰ যৌন নিৰ্যাতন ঃ

ক. যৌন অপৰাধৰ পৰা শিশু সুৰক্ষা (pocso) আইন, ২০১২ অনুসৰি শিশুৰ যৌন নিৰ্যাতনৰ প্ৰতি শূণ্য সহনশীলতা থাকিব লাগিব।

খ. শিক্ষক আৰু আন সকলো প্ৰাপ্তবয়স্কই শিশুৰ যৌন নিৰ্যাতনৰ বিষয়ে সচেতন হʼব লাগিব আৰু শিশু সুৰক্ষা (pocso) আইনখনৰ বিষয়ে সচেতন হʼব লাগিব, আৰু যৌন নিৰ্যাতনৰ সম্ভাব্য সূচকসমূহ স্বীকাৰ কৰিব লাগিব (যেনে- মুখ, ভৰি, হাত, তল বা ধৰত অস্পষ্টভাৱে ঘা বা আঘাত, আতৰি থকা, আক্ৰমণাত্মক বা আত্ম-ধ্বংসাত্মক)।

গ. গল্প আৰু খেলৰ জৰিয়তে (যেনে— পুতলাৰ ব্যৱহাৰ) শিক্ষকসকলে শিশুসকলৰ মাজত নিৰাপদ স্পৰ্শ আৰু অসুৰক্ষিত স্পৰ্শৰ ধাৰণা প্ৰৱৰ্তন কৰিব পাৰে।

ঘ. যদি শিক্ষকসকলে শিশুৰ আচৰণত কোনো উল্লেখযোগ্য পৰিৱৰ্তনৰ লক্ষ্য কৰে, তেন্তে তেওঁলোকে তৎক্ষণাত প্ৰধান শিক্ষক, অধ্যক্ষ, তত্ত্বধায়কক জনাই দিব লাগিব।

ঙ. এনে ঘটনাৰ সৈতে মোকাবিলা কৰিবলৈ সকলো নিৰ্ধাৰিত সকলো ব্যৱস্থা গ্ৰহণ কৰি শিশুৰ সুৰক্ষা নিশ্চিত কৰিব লাগিব। সকলো ক্ষেত্ৰতে লক্ষ্য কৰিব লগীয়া কথাটো হʼল শিশুৰ সুৰক্ষা।

চ. সকলো সময়তে গোপনীয়তা বজায় ৰখাৰ প্ৰয়োজন। সম্ভাব্য শিশুৰ নিৰ্যাতনৰ উদ্বেগ সম্পৰ্কীয় তথ্য কেৱল জনাৰ প্ৰয়োজনীয়তাৰ ভিত্তিতহে ব্যক্ত কৰিব লাগে।

## 8.2.4 অন্যান্য সামগ্ৰিক সুৰক্ষা ব্যৱস্থা ঃ

ক. অভিভাৱকৰ ঠিকনা আৰু ফোন নম্বৰ নিয়মিতভাৱে নৱীকৰণ কৰি সুলভ কৰি ৰাখিব লাগে। সকলো শিশু, প্ৰাপ্তবয়স্কৰ বাবে জৰুৰীকালীন যোগাযোগ নম্বৰ উপলব্ধ হʼব লাগিব।

খ. কোনো বিশেষ চিকিৎসাজনিত অৱস্থাৰ বিষয়ে তথ্য আৰু ইয়াৰ লগত জড়িত ঔষধ বা প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ শিশুৰ নাম ভৰ্ত্তিৰ সময়ত সংগ্ৰহ কৰিব লাগে আৰু নিয়মিতভাৱে নৱীকৰণ কৰি সংশ্লিষ্ট সকলোৰে বাবে উপলব্ধ কৰিব লাগে। সকলো শিশুৰ বাবে আৰু বিশেষকৈ সংকতাপূৰ্ণ শিশুৰ বাবে এইটো গুৰুত্বপূৰ্ণ।

গ. বিশেষকৈ, বিদ্যালয়ৰ সকলোৱে শিশুৰ হাঁপানী বা মৃগীৰোগ বা জনাশুনা এলাৰ্জীৰ প্ৰতি সচেতন হʼব লাগে। মৃগীৰোগ বিৰুদ্ধে বা এলাৰ্জীৰ বিৰুদ্ধে ডাক্তৰে নিদান দিয়া ঔষধৰ ব্যৱহাৰ কৰিবলৈ বিদ্যালয়ে উপলব্ধ থাকিব লাগিব। এইবোৰ ব্যৱহাৰ কৰাৰ কাৰণে অভিভাৱক/পৰিচৰ্যাকাৰীৰ পৰা লিখিত সন্মতি লাভ কৰিব লাগিব।

ঘ. শিশুটিয়ে সাময়িকভাৱে সন্মুখীন হোৱা যিকোনো আৱেগিক পৰিস্থিতি বা আঘাতৰ বিষয়ে তথ্য সংশ্লিষ্ট সকলো শিক্ষকৰ বাবে উপলব্ধ কৰিব লাগিব।

ঙ. নিকটতম চিকিৎসালয়, চিকিৎসা-কেন্দ্ৰ, চিকিৎসক, এম্বুলেন্স, অগ্নিনিৰ্বাপক বাহিনীৰ কেন্দ্ৰ আৰু আৰক্ষী থানাৰ টেলিফোন নম্বৰ সহজে উপলব্ধ হʼব লাগিব বা সকলোৱে চাব পৰাকৈ মধ্য স্থানত ৰাখিব লাগিব।

# অধ্যায় 9

# প্ৰস্তুতি পৰ্যায়ৰ সৈতে সংযোগ ঃ

বিদ্যালয় পৰ্যায়ৰ ৫+৩+৩+৪ ৰূপাঙ্কণৰ বাবে শিশুৱে বুনিয়াদী পৰ্যায়ৰ পৰা প্ৰস্তুতি পৰ্যায়লৈ যোৱাৰ সময়ত ধাৰাবাহিকতা আৰু পৰিৱৰ্তন দুয়োটাৰে প্ৰয়োজন হয়।

- **আটাইতকৈ উল্লেখযোগ্য পৰিৱৰ্তনটো হ'ল- মৌলিক পৰ্যায়ত বিকাশমূলক কল্পনাৰ পৰা আমাৰ চৌপাশৰ জগতখনৰ বিষয়ে পদ্ধতিগতভাৱে বোধ লাভৰ বাবে প্ৰয়োজনীয় সামৰ্থ আৰু দক্ষতাৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা। বহুলভাৱে এই ক্ষমতাসমূহ হৈছে - সাক্ষৰতা, সাংখ্যিক জ্ঞান আৰু অনুমান কৰাৰ ক্ষমতা, পৰ্যৱেক্ষণ কৰা, তথ্য সংগ্ৰহ কৰা আৰু তথ্য বিশ্লেষণ কৰা।** এই বিদ্যায়তনিক ক্ষমতাসমূহৰ লগতে কলা আৰু ক্ৰিয়াৰ সৈতে জড়িত হোৱাটো প্ৰস্তুতিমূলক পৰ্যায়ৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰে। লগতে মূল্যবোধ, বিশ্বাস আৰু সামাজিক ক্ষমতাৰ বিকাশসমূহো গুৰুত্বপূৰ্ণ। প্ৰস্তুতিমূলক পৰ্যায়ৰ অংশস্বৰূপে তৃতীয় শ্ৰেণীৰ শেষৰ ফালে শিশুসকলে মৌলিক সাক্ষৰতা আৰু সাংখ্যিক জ্ঞান লাভ কৰিব লাগিব।



# খণ্ড 9.1

# বিকাশমূলক ক্ষেত্ৰৰ পৰা পাঠ্যক্ৰমৰ ক্ষেত্ৰলৈ ঃ

বুনিয়াদী পৰ্যায়ত পাঠক্ৰমৰ লক্ষ্যসমূহ বিকাশমূলক ক্ষেত্ৰ- শাৰীৰিক, সামাজিক-আৱেগিক-নৈতিক, বৌদ্ধিক, ভাষা আৰু সাক্ষৰতা নান্দনিক আৰু সাংস্কৃতিক আৰু ইতিবাচক শিকন অভ্যাসৰ ওপৰত ভিত্তি কৰি সংগঠিত কৰা হয়। প্ৰস্তুতি পৰ্যায়ত পাঠ্যক্ৰমৰ লক্ষ্যসমূহক পাঠ্যক্ৰমৰ ক্ষেত্ৰসমূহত সংগঠিত কৰা হয়- ভাষা, গণিত, আমাৰ চাৰিওফালে থকা পৃথিৱীখন, কলা, শাৰীৰিক শিক্ষা, বৃত্তিমূলক শিক্ষা।

ক. **ভাষা**- প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা আৰু সাক্ষৰতাৰ বিকাশ প্ৰস্তুতি পৰ্যায়ত চলি থাকিব। শিশুসকলে প্ৰথম বৰ্ষত বুনিয়াদী সক্ষৰতা লাভ কৰাৰ লগে লগে প্ৰস্তুতি পৰ্যায়ৰ শেষলৈকে দ্বিতীয় ভাষাতো একেখিনি সাক্ষৰতাৰ কৃতিত্ব লাভ কৰিব বুলি আশা কৰা হ'ব। গতিকে, প্ৰস্তুতিমূলক পৰ্যায়ৰ শেষলৈকে লক্ষ্য হ'ব শিশুসকলক প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা উভয়তে স্বতন্ত্ৰ পাঠক আৰু লেখক হিচাপে গঢ়ি তোলা।

খ. **গণিত**- বুনিয়াদী পৰ্যায়ত, গাণিতিক ক্ষমতাক বৌদ্ধিক বিকাশৰ অংশ হিচাপে ধৰা হয়। প্ৰস্তুতি পৰ্যায়ত, পাঠ্যক্ৰমৰ ক্ষেত্ৰ হিচাপে গণিতৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব। প্ৰস্তুতিমূলক পৰ্যায়ত, প্ৰথম বছৰৰ শেষৰ ফালে প্ৰাৰম্ভিক সাংখ্যিক জ্ঞানৰ কৃতিত্ব লাভ কৰাৰ আশা কৰা হয়।

গ. **আমাৰ চাৰিওফালে থকা পৃথিৱীখন**- প্ৰস্তুতিমূলক পৰ্যায়ৰ এই ক্ষেত্ৰখন বুনিয়াদী পৰ্যায়ৰ বৌদ্ধিক ক্ষেত্ৰখনৰ পৰা বিস্তাৰিত হয়। শিশুৱে নিজৰ চৌপাশৰ প্ৰকৃতি আৰু মানৱ উভয় পৰিৱেশৰ সৈতে বহলভাৱে আৰু গভীৰভাৱে জড়িত হ'ব। তেওঁলোকৰ অনুমানৰ গঠন আৰু পৰীক্ষণৰ বাবে পৰ্যৱেক্ষণ, তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ দক্ষতাক আৰু অধিক বিকশিত হ'ব। তেওঁলোকে নিজৰ চৌপাশৰ মানৱ জগতখনৰ বিষয়েও সামাজিক- সাংস্কৃতিক বোধ লাভ কৰিব।

ঘ. **কলা**- প্ৰস্তুতি পৰ্যায় আৰু বুনিয়াদী পৰ্যায়ৰ মাজত ধাৰাবাহিকতা আছে। বুনিয়াদী পৰ্যায়ত, ই অধিক মুক্ত আৰু আৱিষ্কাৰমূলক প্ৰকৃতিৰ হোৱাৰ বিপৰীতে প্ৰস্তুতিমূলক পৰ্যায়ত, শিশুৱে কলাৰ বিভিন্ন শৈলীৰ ওপৰত নিৰ্দিষ্ট দক্ষতা লাভ কৰিবলৈ আৰম্ভ কৰিব যিয়ে তেওঁলোকক অধিক বিশদভাৱে নিজকে প্ৰকাশ কৰিবলৈ সক্ষম কৰিব।

ঙ. **শাৰীৰিক শিক্ষা**- প্ৰস্তুতিমূলক পৰ্যায়ত শাৰীৰিক বিকাশক শাৰীৰিক শিক্ষাৰ ৰূপত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। বুনিয়াদী পৰ্যায়ত থকাৰ সময়ত আৱিষ্কাৰমূলক আৰু মুক্ত খেলৰ ওপৰত গুৰুত্ব দিয়া হয়; প্ৰস্তুতিমূলক পৰ্যায়ত ক্ৰীড়াৰ সৈতে পৰিচয় কৰোৱা আৰু অধিক ৰূপত আনুষ্ঠানিকভাৱে শাৰীৰিক কাৰ্য্যকলাপত জড়িত হোৱাৰ ওপৰত গুৰুত্ব দিয়া হয়।

চ. **বৃত্তিমূলক শিক্ষা**- বুনিয়াদী পৰ্যায়ত “সেৱা” ৰ বাবে এটা পাঠ্যক্ৰমৰ লক্ষ্য থাকে। এইটো পৰৱৰ্তী কালত আৰু বহু পৰিমাণে সম্প্ৰসাৰিত হ'ব যাতে শিশুসকলে প্ৰস্তুতিমূলক পৰ্যায়ত উৎপাদনশীল কামত লিপ্ত হয়। কেৱল পৃথিৱীখনৰ ওপৰত বোধ আহৰণ কৰাই নহয়, এনে বোধৰ ওপৰত অৰ্থপূৰ্ণ আৰু উৎপাদনশীলভাৱে কাম কৰিবলৈ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ত শিক্ষাক সামগ্ৰিকভাৱে চোৱা হয়। শাক-পাচলিৰ খেতি আৰু ৰন্ধা-বঢ়াৰ দৰে সাধাৰণ কামৰ পৰা আৰম্ভ কৰি চিলাইৰ দৰে অধিক দক্ষতাপূৰ্ণ কামলৈকে শিশুসকলক তেওঁলোকৰ মন আৰু শৰীৰক উৎপাদনশীল কামৰ দিশত ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰা হ'ব।

ছ. **সামাজিক-আৱেগিক-নৈতিক শিকন আৰু ইতিবাচক শিকন অভ্যাস**- বুনিয়াদী পৰ্যায়ত, প্ৰাৰম্ভিক শৈশৱৰ বিকাশৰ প্ৰয়োজনীয়তাসমূহৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰমৰ লক্ষ্যসমূহ নিৰ্ধাৰণ কৰাৰ সময়ত এই দুটা ক্ষেত্ৰক বিশেষ গুৰুত্ব দিয়া উচিত। বৈচিত্ৰ্যময় পদ্ধতিৰ জৰিয়তে পূৰণ হোৱা লক্ষ্যসমূহৰ সৈতে প্ৰস্তুতি পৰ্যায়তো এই গুৰুত্ব অব্যাহত থাকিব।

# খণ্ড 9.2

# বিষয়বস্তু, শিক্ষাশৈলী আৰু মূল্যায়নৰ ধাৰাবাহিকতা আৰু পৰিৱৰ্তন ঃ

দ্বিতীয় পৰিৱৰ্তনটো শ্ৰেণীকোঠাত ব্যৱহাৰ কৰা বিষয়ৰ ৰূপৰ ক্ষেত্ৰত হ'ব। কোনো স্থায়ী অভ্যাসৰ পৰিৱৰ্তে, প্ৰস্তুতি পৰ্যায়ৰ শিশুসকলে কেৱল বিষয়বস্তুৰ অধিক বিমূৰ্ত্ত উপস্থাপনৰ সৈতে মোকাবিলা কৰিবলৈ সাজু হয়। এই স্তৰত পাঠ্যপুথি আৰু কৰ্মপুথিয়ে শিকন সংগঠিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ আৰম্ভ কৰিব। বিষয়বস্তুৱে শিশুৰ বোধৰ ক্ষেত্ৰক সম্প্ৰসাৰিত কৰিব পাৰে আৰু সেই বাবেই বিষয়বস্তুৰ সম্পূৰ্ণ ৰূপ শিশুৰ স্থানীয় অভিজ্ঞতা ভিত্তিক হোৱাৰ প্ৰয়োজন। শিশুৰ কল্পনা শক্তি স্থান আৰু সময় দুয়োটা দিশতে সম্প্ৰসাৰিত হয় আৰু গতিকে ব্যৱহৃত বিষয়সূচীয়ে এই সম্প্ৰসাৰণক প্ৰতিফলিত কৰিব লাগে। বিষয়বস্তুৰ বাচনিয়ে চিনাকি আৰু অচিনাকিৰ বিবেচনাপূৰ্ণ ভাৰসাম্য প্ৰতিফলিত কৰিব পাৰে যিয়ে শিশুক স্বাচ্ছন্দ্য আৰু প্ৰত্যাহ্বান উভয় দিশকে বিবেচনা কৰে।

তৃতীয় পৰিৱৰ্তনটো হৈছে শ্ৰেণীকোঠাৰ সংগঠন আৰু শিক্ষাশৈলী। শিক্ষাশৈলীয়ে শিশুসকলক নিজৰ আৱিষ্কাৰ আৰু অনুসন্ধানৰ জৰিয়তে শিকিবলৈ অনুমতি দিয়াৰ প্ৰয়োজন যদিও অধিক গোটভিত্তিক হ'বলৈ শিশুসকলে অধিক আনুষ্ঠানিক শ্ৰেণীকোঠাৰ ব্যৱস্থাত প্ৰৱেশ কৰিব। শিশুসকলে দলীয় পৰিৱেশত শিকিব আৰু শিকনত অধিক স্বাধীন হ'ব বুলি আশা কৰা হয়। প্ৰস্তুতিমূলক পৰ্যায়ত শিশুসকলৰ পৰা অধিক স্ব নিৰ্দেশিত কাম আশা কৰিব পাৰি। দক্ষতা শক্তিশালী আৰু গভীৰ কৰিবলৈ অধিক পুনৰাবৃত্তি আৰু অনুশীলনৰ প্ৰয়োজন হ'ব। ব্যৱস্থাপনাসমূহ অধিক আনুষ্ঠানিক হৈ উঠাৰ সময়তে, বুনিয়াদী পৰ্যায়ৰ শিক্ষাৰ্থীকেন্দ্ৰীক পদ্ধতিসমূহ প্ৰস্তুতিমূলক পৰ্যায়লৈ অব্যাহত ৰখাটো গুৰুত্বপূৰ্ণ। কিছুমান শিশুক অধিক ব্যক্তিগত মনোযোগৰো প্ৰয়োজন হ'ব আৰু প্ৰস্তুতিমূলক পৰ্যায়ত গ্ৰহণ কৰা শিক্ষাশৈলীৰ কৌশলসমূহ এনেদৰে বাছি লোৱাটো প্ৰযোজন হয় যাতে মধ্য পৰ্যায়ত বিভিন্ন ধৰণৰ বোধৰ সৈতে অধিক আনুষ্ঠানিকভাৱে জড়িত হোৱাৰ প্ৰস্তুতিৰ বাবে সকলো শিশুৱে মৌলিক ক্ষমতাসমূহ আয়ত্ব কৰে।

শেষত, মূল্যায়নৰ পদ্ধতিৰ পৰিৱৰ্তন হ'ব। বুনিয়াদী পৰ্যায়ত বেছিভাগ মূল্যায়ন ছাত্ৰ-ছাত্ৰীৰ কামত শিক্ষকৰ 'পৰ্য্যৱেক্ষণ'ৰ ওপৰত ভিত্তি কৰি কৰা হয় যদিও প্ৰস্তুতি পৰ্যায়ত অধিক স্পষ্ট আৰু সংগঠিত মূল্যায়ন প্ৰৱৰ্তন কৰিব পাৰি। আকৌ, যদিও সেইবোৰ স্পষ্ট ধাৰাবাহিকতাৰ মূল্যায়নক 'নিম্ন পণ'ত ৰখাৰ ক্ষেত্ৰত হ'ব। প্ৰস্তুতিমূলক পৰ্যায়ত, শিশুসকলৰ কাৰণে তেওঁলোকৰ নিজৰ শিকনৰ ক্ষেত্ৰত আত্মচিন্তনমূলক সজাগতাৰ কিছুমান দিশ থকাৰ আৱশ্যক হয়। এইটো অধিক স্পষ্ট মূল্যায়ন কাৰ্যৰ দ্বাৰা প্ৰদান কৰিব পাৰি। কৰ্মপৃষ্ঠাৰ বাহিৰেও, শিশুসকলক লিখিত মূল্যায়নৰ কাম দিব পাৰি যিবোৰ তেওঁলোকে নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব।

# অধ্যায় 10

# এটি সহায়ক পৰিৱেশতন্ত্ৰ সংৰচনা কৰা ঃ

ৰাজ্যিক পাঠ্যক্ৰম হৈছে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ অন্যতম মূল পৰিৱৰ্তনকামী শক্তি। পূৰ্বৰ অধ্যায়সমূহক সাক্ষী হিচাপে লৈ বুনিয়াদী পৰ্যায়ৰ কাৰণে ৰাজ্যিক পাঠ্যক্ৰম ৰূপায়ণৰ ক্ষেত্ৰত বিষয়সূচী, শিক্ষাশৈলী আৰু মূল্যায়নক কেন্দ্ৰ কৰি কেইবাটাও কাৰ্যৰ প্ৰয়োজন। এই সকলোবোৰৰ বাবে এটি সহায়ক পৰিৱেশৰ প্ৰয়োজন। এই খণ্ডত এটি সহায়ক পৰিৱেশ গঢ় দি তোলাত শিক্ষক, বিদ্যালয়ৰ বিভিন্ন কাৰ্যত জড়িত ব্যক্তি, অভিভাৱক আৰু সম্প্ৰদায়ৰ ভূমিকা উল্লেখ কৰা হৈছে।

১০.১ খণ্ডত ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ সৈতে সংগতি ৰাখি শিক্ষকসকলক বিভিন্ন ধৰণে সৱলীকৰণ কৰাৰ কথা কোৱা হৈছে। এই পাঠ্যক্ৰমৰ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় আন্তঃগাথনি আৰু শিকন সম্পদৰ সাহাৰ্যৰ বিষয়ে উল্লেখ কৰা হৈছে। ১০.২ত আৰু ১০.৩ খণ্ডত শৈক্ষিক আৰু প্ৰশাসনিক কৰ্মীসকলৰ ভূমিকাৰ ৰূপৰেখা দাঙি ধৰা হৈছে। ১০.৪ খণ্ডত অভিভাৱক আৰু সম্প্ৰদায়ে বুনিয়াদী পৰ্যায়ত তেওঁলোকৰ সন্তানৰ শিকনত সহায় কৰাৰ গুৰুত্বক বিশ্লেষণ কৰা হৈছে। প্ৰযুক্তি এটা গুৰুত্বপূৰ্ণ সক্ষমক- খণ্ড ১০.৫ত বুনিয়াদী পৰ্যায়ত শিক্ষণ আৰু শিকনক সাহাৰ্য কৰিবলৈ প্ৰযুক্তিৰ ব্যৱহাৰ কৰিব পৰা উপায়সমূহৰ বিষয়ে বৰ্ণনা কৰা হৈছে।



# খণ্ড 10.1

# শিক্ষকসকলক সক্ষম আৰু সৰলীকৰণ কৰা ঃ

শিক্ষকতা হৈছে বৌদ্ধিক আৰু নৈতিকভাৱে সন্মানজনক বৃত্তি। বুনিয়াদী পৰ্যায়ৰ শিক্ষকসকলৰ এনে কিছুমান বিশেষ গুণ থকা প্ৰয়োজন যি গুণ সমূহে তেওঁলোকক কণ কণ ল'ৰা-ছোৱালীৰ লগত সযত্নে, উদ্যমৰে, যথাৰ্থভাৱে, ধৈৰ্যৰে আৰু ৰসিকতাৰে কাম-কাজ কৰিবলৈ সক্ষমতা প্ৰদান কৰিব।

## 10.1.1 শিক্ষকৰ বাবে সক্ষম পৰিৱেশ নিশ্চিত কৰা ঃ

যি সংস্কৃতিয়ে মানুহক একেলগে শিকিবলৈ আৰু কাম কৰিবলৈ উৎসাহিত কৰে আৰু যি সকলোৰে প্ৰতি আস্থা আৰু সন্মানৰ দ্বাৰা বৈশিষ্ট্যপূৰ্ণ হয়, তেনে এক পৰিৱেশ এখন ভাল বিদ্যালয়ৰ বাবে অতি জৰুৰী। ই এনে এক পৰিৱেশত সম্ভৱ যি মুক্ত আৰু সৌজন্যমূলক পাস্পৰিক আদান-প্ৰদান আৰু সহযোগিতামূলক।

শিক্ষকসকলক সম্পদ-সমৃদ্ধ, প্ৰেৰণাদায়ক পৰিৱেশ আৰু পেছাদাৰী শিকন আৰু পাৰস্পৰিক ক্ৰিয়াৰ বাবে নিৰন্তৰ সুযোগৰ প্ৰয়োজন। শিক্ষকসকলে গুণসম্পন্ন, ঘনিষ্ঠ আৰু স্পন্দনশীল পেছাদাৰী এটা গোটৰ অন্তৰ্ভুক্ত হোৱাৰ গৌৰৱ অনুভৱ কৰিব লাগিব।

## 10.1.2 অনুকূল সুবিধা আৰু কৰ্ম পৰিৱেশ ঃ

বিদ্যালয়ত পৰ্যাপ্ত আৰু নিৰাপদ ভৌতিক আন্তঃগাঁথনি, সুযোগ-সুবিধা আৰু শিকন সম্পদ, বিশুদ্ধ খোৱাপানী, অহৰহ পানীৰ ব্যৱস্থাৰ সৈতে শৌচাগাৰ আৰু নূন্যতম হাত ধোৱা ব্যৱস্থা উপলব্ধ কৰিব লাগিব।

ছাত্ৰ-ছাত্ৰীসকলক ফলপ্ৰসূভাৱে শিকোৱাৰ বাবে ব্যৱহাৰযোগ্য শ্ৰেণীকোঠাৰ ব'ৰ্ড, কলা-শিল্পৰ বাবে সামগ্ৰী, শিকন কোণ স্থাপনৰ বাবে সামগ্ৰী আৰু পৰ্যাপ্ত শিশু সাহিত্যৰ সংগ্ৰহ ইত্যাদি বিভিন্ন প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু শিক্ষণ সামগ্ৰী উপলব্ধ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

## 10.1.3 কৰ্ম-পূৰ্ব শিক্ষকৰ শিক্ষা ঃ

বুনিয়াদী পৰ্যায়ৰ কাৰণে প্ৰথম পদক্ষেপটো হ'ল প্ৰয়োজনীয় শিক্ষকৰ চাহিদা আৰু যোগানৰ আনুমানিক হিচাপ কৰা। এই বিশেষ পৰ্যায়ৰ কাৰণে শিক্ষকৰ চাহিদা আৰু যোগানৰ সৈতে জড়িত বৰ্তমানৰ অধ্যয়নসমূহৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদে অগ্ৰাধিকাৰৰ ভিত্তিত এই কাম হাতত ল'ব লাগিব।

ইয়াৰ দ্বাৰা বিশ্ববিদ্যায়সমূহে বুনিয়াদী পৰ্যায়ৰ বিশেষজ্ঞতাৰে চাৰি বছৰীয়া সংহত শিক্ষক শিক্ষা কাৰ্যসূচী (আইটিইপি) আগবঢ়োৱাতো নিশ্চিত কৰাত সহায়ক হ'ব।

সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ অন্তৰ্ভুক্ত বুনিয়াদী পৰ্যায়ৰ বিশেষজ্ঞতাৰ বাবে শিক্ষক শিক্ষা পাঠ্যক্ৰম, ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ বুনিয়াদী পৰ্যায়ৰ পাঠ্যক্ৰম আৰু শিক্ষাশৈলীৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰিব লাগিব। ইয়াৰ উপৰিও ই বুনিয়াদী পৰ্যায়ৰ সকলো পৰিৱেশতে ছাত্ৰ-শিক্ষকৰ বাবে পৰ্যাপ্ত অনুশীলনৰ সুযোগ নিশ্চিত কৰিব লাগিব। যেনে- অঙ্গনৱাড়ী, বালবাটিকা, স্বতন্ত্ৰ প্ৰাক্-প্ৰাথমিক বিদ্যালয়, ডাঙৰ বিদ্যালয়ৰ সংলগ্ন প্ৰাক্-প্ৰাথমিক শ্ৰেণী আৰু প্ৰথম আৰু দ্বিতীয় শ্ৰেণী।

বিদ্যালয়ৰ পৰ্যায়সমূহৰ পুনৰগঠন সম্পূৰ্ণ হোৱাৰ পিছত বুনিয়াদী পৰ্যায়ৰ সকলো শিক্ষকলৈ শিক্ষকৰ যোগ্যতা পৰীক্ষা (টেট) সম্প্ৰসাৰিত কৰিব লাগে। বুনিয়াদী পৰ্যায়কে ধৰি শিক্ষাৰ সকলো পৰ্যায়কে সামৰি ল'বলৈ ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ৰ ম্যাদ বৃদ্ধি কৰাৰ কথা কল্পনা কৰা হৈছে। পাঠদানৰ বাবে শিক্ষকৰ যোগ্যতাৰ এই প্ৰমাণপত্ৰই সকলো ধৰণৰ বিদ্যালয়ৰ শিক্ষকসকলক সামৰি ল'ব।

শিক্ষকৰ নিযুক্তি কেৱল লিখিত পৰীক্ষাৰেই নহয়, সাক্ষাৎকাৰ আৰু শ্ৰেণীকোঠাৰ প্ৰদৰ্শনকো সামৰি লোৱা এক কঠোৰ প্ৰক্ৰিয়াৰ জৰিয়তে সম্পাদিত হ'ব লাগিব, যিটো ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ত উল্লেখ কৰা হৈছে।

## 10.1.4 কৰ্মৰত শিক্ষকৰ শিক্ষা, পৰামৰ্শ আৰু সহায় ঃ

শিক্ষকসকলৰ পেছামূলক বিকাশ হৈছে এক যাত্ৰা আৰু শিক্ষকসকলৰ অগ্ৰগতি ইয়াৰ মাজেৰে নিজস্ব গতিৰে সংঘটিত হয়। শিক্ষকসকলৰ বিকাশৰ যাত্ৰাৰ বিভিন্ন পৰ্যায় থাকিব পাৰে আৰু এই ক্ষেত্ৰত তেওঁলোকৰ বাবে বিকাশৰ বিভিন্ন প্ৰয়োজনীয়তা থাকে। এই প্ৰত্যেকটো পৰ্যায়তে তেওঁলোক বিভিন্ন বিষয়বস্তুৰ সংস্পৰ্শলৈ অহাটো বিশেষ প্ৰয়োজন। প্ৰতিটো পৰ্যায়ত শিক্ষকসকলে লাভ কৰা শিকন অভিজ্ঞতা সামগ্ৰিক আৰু সম্পূৰ্ণ হোৱাটো প্ৰয়োজন যাতে ই শিক্ষকসকলক তেওঁলোকৰ অনুশীলনত স্থায়ী পৰিৱৰ্তন অনাত আৰু পৰৱৰ্তী পৰ্যায়লৈ অগ্ৰসৰ হোৱাত সহায় কৰিব পাৰে।

শিক্ষকসকলৰ পেছামূলক বিকাশ এনেকুৱা হ'ব লাগিব যাতে তেওঁলোক শৈক্ষিক বিকাশৰ ক্ষমতাযুক্ত দক্ষ আৰু মননশীল ব্যক্তি হৈ উঠে। তেওঁলোকৰ কামৰ সুবিধাৰ বাবে আৰু তেওঁলোকৰ শিক্ষণক আগুৱাই নিবলৈ সাহাৰ্যমূলক সংগঠন আৰু সক্ষমতা প্ৰদান প্ৰক্ৰিয়াসমূহৰ ব্যৱস্থা কৰিব লাগিব। শিক্ষকসকলে বিভিন্ন উপায়েৰে নিজৰ পেছামূলক বিকাশৰ সৈতে অবিৰতভাৱে জড়িত কৰিব লাগিব। বিষয়সূচী ব্যাপক আৰু সম্পূৰ্ণ, প্ৰাসংগিক আৰু শ্ৰেণীকোঠাৰ সৈতে সংযুক্ত হ'ব লাগিব আৰু শিক্ষকসকল সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাত সহায়কাৰী হ'ব লাগিব। শিক্ষকসকলৰ বাবে মেণ্টৰিংসহ সহপাঠীৰ সহযোগত শিকন আৰু পৰামৰ্শ প্ৰদানৰ বাবে এক মঞ্চ উপলব্ধ কৰিব লাগে।

বুনিয়াদী পৰ্যায়ৰ শিক্ষকসকলে কণ কণ ল'ৰা-ছোৱালীবিলাকক নিৰাপদ, উদ্দীপক আৰু মনোৰম পৰিৱেশত খেল-ধেমালি আৰু আৱিষ্কাৰৰ যোগেদি শিকাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, খণ্ড সমল কেন্দ্ৰ, মণ্ডল সমল কেন্দ্ৰই সহায়ক সামগ্ৰী, সামৰ্থ বিকাশৰ বাবে কৰ্মশালা, শৈক্ষিক ভ্ৰমণ আৰু গুণগত মানৰ নিৰীক্ষণ আৰু তত্বাৱধানৰ বিকাশৰ জৰিয়তে বিদ্যালয় আৰু শিক্ষকসকলক শৈক্ষিক পৰামৰ্শ আৰু সহায় আগবঢ়াব লাগিব। শিক্ষকসকলৰ বাবে পেছামূলক বিকাশৰ সুযোগ যাতে অবিৰতভাৱে উপলব্ধ হয় তাৰ বাবে এই বিদ্যায়তনিক সমল প্ৰতিষ্ঠানসমূহে মূল ভূমিকা পালন কৰিব। শিক্ষকসকলৰ কাৰণে পেছামূলক বিকাশ - বৰ্ণনামূলক উপাদান আৰু প্ৰকাৰসমূহ—

| *পেছাদাৰী বিকাশৰ উপাদান* | |
|---|---|
| সাৰ্বিক গৱেষণা | মস্তিষ্কৰ বিকাশ<br>বিকাশমূলক পৰ্যায়, বিকাশমূলক মাইলৰখুঁটি<br>শিশুসকলে কেনেকৈ শিকে, খেল-ধেমালি কিয় প্ৰয়োজনীয়<br>সম্প্ৰদায়, পৰিয়াল সম্পৰ্কে বোধ<br>বিদ্যালয়ত শিকনৰ কাৰণে প্ৰয়োগ |
| বিষয়সূচী সম্পৰ্কে বোধ আহৰণ | বিকাশৰ সকলো ক্ষেত্ৰ<br>প্ৰাৰম্ভিক ভাষা আৰু সাক্ষৰতা, প্ৰাৰম্ভিক গণিত |
| পাঠ্যক্ৰম লক্ষ্যৰ সামৰ্থমূলক শিকন ফলশ্ৰুতি | পাঠ্যক্ৰম লক্ষ্যৰ বোধ আহৰণ কৰা, শিক্ষাৰ উদ্দেশ্যৰ সৈতে যুক্তিসংগত সংযোগ, বিকাশৰ বিভিন্ন ক্ষেত্ৰ<br>লাভ কৰিবলগীয়া সামৰ্থৰ বোধ আৰু শিকনৰ ফলশ্ৰুতি<br>শ্ৰেণীকোঠাৰ ক্ষেত্ৰত প্ৰয়োগিকতা |
| শিক্ষাশৈলী | শিশুসকলক শ্ৰেণীকোঠাত পুতলা, কাহিনী, কলা, খেল-ধেমালি, সংগীত, বাৰ্তালাপ, পঠন, লিখন, গণিতৰ ব্যৱহাৰৰ যোগেদি সুৰক্ষিত, স্বাচ্ছন্দ্য, সন্মানীত, উৎসাহিত অনুভৱ কৰোৱা |
| বিষয়সূচী আৰু সামগ্ৰী | উপযুক্ত বিষয় চিনাক্ত কৰা- যুক্তিগত পছন্দ, স্থানীয় সম্পদ ব্যৱহাৰ কৰি সঠিক সামগ্ৰীৰ প্ৰস্তুত, প্ৰযুক্তিৰ ব্যৱহাৰ |
| মূল্যায়ন | মূল্যায়নৰ নীতি<br>মূল্যায়নৰ কাৰণে উপযুক্ত সঁজুলি আৰু পদ্ধতিৰ ব্যৱহাৰ<br>শিক্ষণ আৰু শিকন উন্নতি কৰণৰ কাৰণে মূল্যায়নৰ তথ্যৰ ব্যৱহাৰ কৰা |
| সংকতাপূৰ্ণ শিশু | বিকাশমূলক বিলম্ব আৰু অক্ষমতাৰ ক্ষেত্ৰত বিপদজনক দিশসমূহ চিনাক্ত কৰা<br>শ্ৰেণীকোঠাৰ উপযুক্ত প্ৰক্ৰিয়াসমূহ<br>পেছাদাৰীসকলৰ সৈতে কাম কৰা |
| পৰিকল্পনা | শিকনৰ সকলো ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজনীয়তা বিচাৰ কৰি বহু স্তৰীয় শিকন পৰিকল্পনা প্ৰস্তুত কৰা |
| সমাজ আৰু অভিভাৱক সৈতে কাম কৰা | যোগাত্মক সম্পৰ্ক তৈয়াৰ কৰা<br>বিদ্যালয়ত অভিভাৱক আৰু সমাজক জড়িত কৰোৱা |
| শিক্ষক শিকন সমাজ তৈয়াৰ কৰা | শিক্ষকৰ মঞ্চ তৈয়াৰ কৰা— মুখা-মুখী, প্ৰযুক্তিৰ ব্যৱহাৰৰ দ্বাৰা |
| গৱেষণা আৰু নথিভূক্তিকৰণ | গৱেষণাৰ উল্লেখ ব্যৱহাৰ কৰা<br>ঘটনাৰ বিৱৰণী লিখা |

| *পেছাদাৰী বিকাশৰ উপাদান* | |
|---|---|
| বিদ্যালয়ৰ অন্তৰ্ভুক্ত প্ৰক্ৰিয়াত | পৰিকল্পনা, সাপ্তাহিক আলোচনা, অংশীদাৰত্বমূলক সহকৰ্মীৰ শ্ৰেণীকোঠাৰ পৰ্যৱেক্ষণ আৰু প্ৰতিপুষ্টি প্ৰদান |
| বিদ্যালয়ত হেঁদালি/সহযোগ আৰু সাহাৰ্য | মণ্ডল সমল কেন্দ্ৰৰ সদস্য, খণ্ড সমল কেন্দ্ৰৰ সদস্য, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু অন্যান্য সংস্থাই নিয়মিতভাৱে বিদ্যালয় পৰিদৰ্শন কৰিব পাৰে। পৰিদৰ্শনৰ সময়ত, তেওঁলোকে শিক্ষকসকলক পৰ্যৱেক্ষণ কৰিব পাৰে, তেওঁলোকৰ সৈতে আলোচনা কৰিব পাৰে, শিক্ষাশৈলী প্ৰদৰ্শন, শিক্ষকৰ সৈতে শিক্ষণ সামগ্ৰীৰ বিকাশৰ কাম কৰিব পাৰে, বিদ্যালয়ত অনুষ্ঠিত হ'ব লগা বিভিন্ন অনুষ্ঠানসমূহৰ বিষয়ে তথ্য প্ৰদান কৰিব পাৰে। |
| আনুষ্ঠানিক কৰ্মশালা | বিকাশ আৰু শিকনৰ সকলো ক্ষেত্ৰক সামৰি এই কৰ্মশালাসমূহ মুখামুখি ৰূপত অনুষ্ঠিত কৰা হয়। কিন্তু এই কৰ্মশালা সমূহৰ সময়কাল আৰু প্ৰকৃতি বেলেগ বেলেগ হ'ব পাৰে। শিক্ষকৰ সংখ্যা বেছি হ'লে তিনি বা ততোধিক দিনৰ বাবে আৱাসিক কৰ্মশালাৰ আয়োজন কৰিব পাৰি। শিক্ষকৰ সংখ্যা কম হ'লে নিৰ্ধাৰিত সুনিৰ্দিষ্ট বিষয়ৰ অৰ্ধদিনৰ কৰ্মশালা অনুষ্ঠিত কৰিব পৰা যায়। |
| শিক্ষা সামগ্ৰীৰ বিকাশৰ কৰ্মশালা | প্ৰাৰম্ভিক বিষয়সমূহৰ শিক্ষাত পৰ্যাপ্ত পৰিমাণৰ শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰয়োজন হয়। যদি শিক্ষকসকলে দলীয়ভাৱে (যেনে- বিদ্যালয়ৰ বৃহত্তৰ পৰিৱেশৰ ভিতৰত বা মণ্ডল বা খণ্ডত) একত্ৰিত হৈ কাম কৰি শিকন সামগ্ৰীসমূহৰ বিকাশ কৰিব পাৰে তেন্তে ই সকলোকে শিক্ষণ-শিকন কাৰ্যত ইয়াক ব্যৱহাৰৰ সুযোগ প্ৰদান কৰিব। |
| শিক্ষক মঞ্চ | বিভিন্ন কামৰ বিষয়ে আলোচনা কৰিবলৈ বুনিয়াদী পৰ্যায়ৰ শিক্ষক মঞ্চৰ (যেনে ঃ মণ্ডল পৰ্যায়ৰ) মাহেকীয়া বৈঠকৰ আয়োজন কৰিব পাৰি। এই ক্ষেত্ৰত শিক্ষকসকলে বিশেষ বিশেষ বিষয়ৰ দায়িত্ব নিজৰ মাজত ভগাই ল'ব পাৰে আৰু পাঠদানৰ পৰিকল্পনা কৰিব পাৰে আৰু শিক্ষণ-শিকন সমলসমূহ পাৰস্পৰিক আদান-প্ৰদান কৰিব পাৰে। এই কাৰ্যই শিক্ষকসকলক সামগ্ৰী প্ৰস্তুতকৰণৰ বোজা কম কৰাত সহায় কৰিব পাৰে আৰু শিক্ষকসকলে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দানৰ বাবে সহজে এই সমল সমূহ ব্যৱহাৰ কৰিব পাৰে। |
| সামাজিক মাধ্যমৰ গোট | সামাজিক মাধ্যমৰ মঞ্চসমূহে সম-মানসিকতাপূৰ্ণ বা বিষয় নিৰ্দিষ্ট শিক্ষকসকলৰ মাজত শিকন অভিজ্ঞতা, শিকন সমল আধুনিকীকৰণ আৰু অন্যান্য শিল্প সম্পৰ্কীয় আলোচনা পৰিচালিত কৰাত সাহাৰ্য কৰে। এইবোৰ শিক্ষকসকলে নিজে পৰিচালনা কৰিব পাৰে। |
| হাতপুথি | হাতপুথিয়ে বাঞ্চিত শিকন ফলশ্ৰুতিৰ পৰিকল্পনা কৰাত নিৰ্দেশনা দিব পাৰে। তেওঁলোকে পঢ়িব পৰা। তেওঁলোকৰ বাবে উপলব্ধ অতিৰিক্ত শিক্ষা সামগ্ৰীৰ প্ৰসংগ আৰু ব্যৱহাৰ তেনে হাতপুথি সমূহত সংযুক্ত হ'ব পাৰে। |
| DIKSHAৰ ব্যৱহাৰ কৰা | প্ৰাৰম্ভিক বৰ্ষৰ শিক্ষকসকলে DIKSHAত উপলব্ধ প্ৰাৰম্ভিক পৰ্যায়ত বিষয়বস্তু সমূহ ব্যক্তিগত বা দলীয়ভাৱে ব্যৱহাৰ কৰিব পাৰে। |
| পৰামৰ্শ প্ৰদানকাৰী শিক্ষক | প্ৰত্যেকটো মণ্ডলৰ বাবে অভিজ্ঞতাসম্পন্ন, নিষ্ঠাবান শিক্ষকসকলক চিনাক্ত কৰিব পাৰি। তেওঁলোকে অন্যান্য বিদ্যালয় ভ্ৰমণ কৰিব পাৰে আৰু শিক্ষকসকলক সহায় কৰিব পাৰে। শিক্ষকসকলে এই পৰামৰ্শ প্ৰদানকাৰী শিক্ষকৰ পৰা স্বাধীনভাৱে প্ৰয়োজন সাপেক্ষে সহায় গ্ৰহণ কৰিব পাৰে। |
| বাৰ্ষিক শিক্ষক আলোচনা চক্ৰ | বৃহৎ পৰিসৰ, চুটি সময়ৰ বাবে বিশেষ বিষয়ৰ ওপৰত মনোনিৱেশ কৰা অনুষ্ঠানত শিক্ষকসকলে তেওঁলোকৰ ধাৰণা, নিজস্ব অনুশীলন আৰু সামগ্ৰী উপস্থাপন কৰিব পাৰে আৰুপাৰদৰ্শীসকলৰ কথা শুনিব পাৰে। প্ৰাৰম্ভিক স্তৰৰ শিক্ষকসকল এইদৰে নতুন আৰু ভিন্ন ধাৰণাৰ সৈতে পৰিচিত হ'ব পাৰে। |

*অনুগ্ৰহ কৰি পৰিশিষ্ট ২ত কেইটামান ব্যাখ্যা চাওক*

## 10.1.5 কেৰিয়াৰৰ জখলা আৰু পেছামূলক বিকাশৰ সুযোগ ঃ

স্কুলীয়া শিক্ষাৰ প্ৰাৰম্ভিক পৰ্যায় আপেক্ষিকভাৱে জটিল, এই স্তৰৰ শিক্ষাৰ দায়িত্ব গ্ৰহণৰ বাবে শিশু শিক্ষা প্ৰদানৰ যোগ্যতাসম্পন্ন শিক্ষকৰ প্ৰয়োজন হ'ব।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ য়ে বিদ্যালয় শিক্ষাৰ সকলো পৰ্যায়ৰ শিক্ষকসকলৰ সেৱাৰ সমমৰ্যাদাৰ কথা কয়। ইয়াৰ অৰ্থ হৈছে, যিমান পাৰি সোনকালে আৰু দীৰ্ঘম্যাদীভাৱে, শিক্ষকসকলৰ দৰমহা আৰু সেৱাৰ অৱস্থা তেওঁলোকৰ সামাজিক আৰু পেছামূলক দায়িত্বৰ সমানুপাতিক হ'ব লাগিব আৰু ইয়াক এনেদৰে নিৰ্দ্ধাৰণ কৰিব লাগিব যাতে প্ৰতিভাৱান শিক্ষকসকলক এই বৃত্তিটোৰ প্ৰতি আকৰ্ষণ কৰিব পাৰি আৰু ধৰি ৰাখিব পাৰি। বুনিয়াদী পৰ্যায়ৰ শিক্ষকসকলৰ পৰা মাধ্যমিক পৰ্যায়ৰ শিক্ষকলৈকে সকলো শিক্ষককে নিৰ্ধাৰিত মানদণ্ডযুক্ত সেৱাৰ চৰ্ত্তৰ ভিত্তিত তেওঁলোকৰ কৰ্মৰ প্ৰয়োজনীয়তা অনুসৰি একে দৰমহাৰ গাঁথনিৰে নিযুক্তি দিয়া হ'ব।

সকলো শিক্ষককেই শিক্ষাৰ নিৰ্ধাৰিত একোটা পৰ্যায়তে (অৰ্থাৎ মৌলিক, প্ৰস্তুতিমূলক, মধ্যম বা মাধ্যমিক) শিক্ষক হিচাপে থাকি নিজৰ কৰ্মজীৱনত (দৰমহা, পদোন্নতি আদিৰ ক্ষেত্ৰত) আগবাঢ়ি যোৱাৰ সুযোগ পাব। এই দৃষ্টিভঙ্গী অনুযায়ী নিৰ্ধাৰিত বিদ্যালয় স্তৰক এককভাৱে বিবেচনা কৰি শিক্ষকসকলৰ কৰ্ম জীৱনৰ উন্নতি (দৰমহা আৰু পদোন্নতি) নিশ্চিত কৰা। এই ক্ষেত্ৰত প্ৰাৰম্ভিক পৰ্যায়ৰ শিক্ষকৰ পৰা পৰৱৰ্তী পৰ্যায়লৈ (যদিও তেনেকুৱা পৰ্যায়সমূহৰ মাজেৰে কৰ্মজীৱনৰ স্থানান্তৰৰ অনুমতি দিয়া হ'ব যদিহে শিক্ষকসকলৰ এই ক্ষেত্ৰত ইচ্ছা আৰু অৰ্হতা থাকে) যোৱাৰ বাবে কৰ্মজীৱনত অগ্ৰগতি সম্পৰ্কীয় কোনো উদগনি নাথাকে।

## 10.1.6 শিক্ষকসকলৰ স্বতন্ত্ৰতা আৰু দায়ৱদ্ধতা ঃ

শিক্ষকসকল ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ বাবে দায়ৱদ্ধ আৰু ইয়াৰ বাবে জবাবদিহি হ'ব লাগিব। কিন্তু, শিক্ষক সৱলীকৰণ আৰু স্বতন্ত্ৰতা শিক্ষকসকলৰ জবাবদিহিতাৰ পূৰ্বচৰ্ত। জবাবদিহিতাৰ লগতে স্বতন্ত্ৰতা অতি গুৰুত্বপূৰ্ণ। শিক্ষকৰ স্বতন্ত্ৰতা ভিত্তিক সৱলীকৰণৰ সংস্কৃতি জবাবদিহিতাৰ বাবে এক প্ৰয়োজনীয় চৰ্ত।

শিক্ষাৰ মান উন্নতকৰণত সামৰ্থবান আৰু সক্ষম শিক্ষকসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বিদ্যালয়ৰ সহায়ক পৰিৱেশে শিক্ষকৰ ফলপ্ৰসূতা উন্নত কৰে। শিক্ষাৰ্থী, শিকন আৰু শিক্ষাৰ সম্পৰ্ক নিজস্ব বিশ্বাস আৰু ব্যক্তিগত তাত্ত্বিক ভিত্তিসহ শিক্ষকসকল এক সত্তাযুক্ত ব্যক্তি।

এজন সৃষ্টিশীল আৰু বিবেচনাশীল শিক্ষকৰ বাবে প্ৰতিটো শিকন পৰিস্থিতিয়েই প্ৰকৃতভাৱে অভিপ্ৰেয় বা পৰিকল্পিত, বিশেষ উদ্দেশ্যত পৰিকল্পিত নোহোৱা আৰু বাদ দিবলগীয়া শিকনৰ কোনো দিশত স্বতঃস্ফূৰ্তভাৱে আৰু স্বাভাৱিকভাৱে উদ্দীপনা প্ৰদান কৰি শিকনক সহায় কৰাৰ অপ্ৰত্যাশিত সুযোগ দিয়ে।

- **ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণ মূল্যায়নৰ উপায়ৰ সৈতে পৰিস্থিতিৰ প্ৰয়োজন অনুসৰি বিষয়সূচীৰ পৰিকল্পনা আৰু সংগঠন, বিষয়বস্তুৰ ক্ৰমবিন্যাসৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ আৰু পাঠদানৰ পদ্ধতি নিৰ্ধাৰণ ক্ষেত্ৰত শিক্ষকসকলৰ শিক্ষাশৈলীৰ স্বতন্ত্ৰতা থাকিব লাগিব।** এই সকলোবোৰ বুনিয়াদী পৰ্যায়ৰ নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ লক্ষ্য, অৰ্হতা, শিকন ফলাফল আৰু শিক্ষাশৈলীৰ পদ্ধতি আৰু নীতিৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰিব লাগিব।

# খণ্ড 10.2

# শিকনৰ বাবে উপযুক্ত পৰিৱেশ নিশ্চিত কৰা ঃ

## 10.2.1 কল্পনা ৰূপাঙ্কণ কৰা ঃ



বুনিয়াদী পৰ্যায়ত শিকন ফলপ্ৰসূতাৰ উপাদান হিচাবে সুৰক্ষিত, আনন্দময় আৰু আৰামদায়ক পৰিৱেশ সৃষ্টিৰ বাবে ভৌতিক স্থানৰ গুৰুত্ব উপেক্ষা কৰিব নোৱাৰি। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ত উল্লেখ কৰা হৈছে যে এনে স্পন্দনশীল স্থানসমূহ শৈশৱকালীন শিশুৰ পৰিচৰ্যা আৰু শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য বিনিয়োগৰ দ্বাৰা ঊৰ্জাৰে বিকশিত কৰিব লাগিব।

এই স্থানসমূহৰ উপযুক্ত ৰূপাঙ্কণ আৰু ৰূপায়ণৰ বাবে অতি সৃষ্টিশীল কল্পনাৰ প্ৰয়োজন হ'ব যাতে উচ্চমানৰ শৈশৱকালীন শিশুৰ পৰিচৰ্যা আৰু শিক্ষাৰ সহায়ক হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পৰা যায়। এই ক্ষেত্ৰত খৰচ অনুকূলন, কাৰ্যকৰী সম্ভাৱনীয়তা আৰু ৰূপায়ণৰ বাবে প্ৰয়োজনীয় ক্ষমতাৰ ব্যৱহাৰিক দিশসমূহ বিবেচনা কৰিব লাগিব।

এই সৃষ্টিশীল কল্পনাই কেৱল বুনিয়াদী পৰ্যায়ৰ শিক্ষা প্ৰতিষ্ঠানসমূহৰ ঘৰ-দুৱাৰসমূহকে সামৰি ল'লে নহ'ব, ইয়াৰ নিকট পৰিৱেশকো সামৰি ল'ব লাগিব। বিদ্যালয় গৃহ নতুনকৈ নিৰ্মাণ কৰা (বা কোঠালি উভয়ে) বা সেইবোৰ পুৰণি ঘৰ-দুৱাৰ পুনৰ নিৰ্মাণ কৰা ইত্যাদি দিশসমূহো এই কল্পনাৰ অন্তৰ্ভুক্ত হোৱা উচিত।

এনে কল্পনা উদ্ভাৱিত হ'বলৈ আৰু বাস্তৱায়িত কৰিবলৈ ফলপ্ৰসূ পদ্ধতিসমূহৰ ভিতৰত এটা হ'ল বিভিন্ন বিষয় ব্যাপ্ত/ বিভিন্ন ক্ষেত্ৰ ব্যাপ্ত দল গঠন কৰা যি এই ক্ষেত্ৰত প্ৰয়োজনীয় ধাৰণা, মূল যোজনা, আৰু নিৰ্দেশনাৰ বিকাশ কৰিব। বিষয় আৰু ক্ষেত্ৰসমূহে শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা, শিশু বিকাশ, অভিযান্ত্ৰিক আৰু স্থাপত্যবিদ্যা, সমাজবিজ্ঞান আৰু নৃতত্ত্ব আৰু বহুতো দিশ অন্তৰ্ভুক্ত কৰিব পাৰে। স্থানীয় প্ৰসংগ আৰু প্ৰয়োজনীয়তাৰ প্ৰতি পৰ্যাপ্তভাৱে সঁহাৰি জনাবলৈ সমগ্ৰ দেশতে এনে একাধিক দলৰ প্ৰয়োজন হ'ব পাৰে। এইবোৰ ৰাজ্যসমূহৰ সংশ্লিষ্ট সংস্থাসমূহে গঠন কৰিব পাৰে যেনে- ডিডব্লিঅ'চিডি (DWCD, SCERT ইত্যাদি।)

শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষাত বিনিয়োগক উপযুক্তভাৱে প্ৰণালীবদ্ধ কৰিবলৈ ইয়াৰ বাবে দ্ৰুতভাৱে ব্যৱস্থা গ্ৰহণ কৰাটো অতি গুৰুত্বপূৰ্ণ হ'ব।

## 10.2.2 আন্তঃগাঁথনি আৰু শিকন সম্পদ ঃ



সকলো শিশুৰ বাবে অনুকূলভাৱে শিকিবলৈ উপযুক্ত আৰু পৰ্যাপ্ত আন্তঃগাঁথনি আৰু শিকন সামগ্ৰী উপলব্ধ হ'ব লাগিব। পৰ্যাপ্ত আৰু উপযুক্ত আন্তঃগাঁথনিৰ উপলব্ধতা আৰু শিকন সম্পদসমূহে শিকনৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰাত যথেষ্ট প্ৰভাৱ পেলায়। অভিভাৱক আৰু সমাজৰ দৃষ্টিত আন্তঃগাঁথনিৰ গুণগত মান, সম্পূৰ্ণতা আৰু ৰক্ষনাৱেক্ষণ হৈছে এখন ভাল বিদ্যালয় আৰু এখন বেয়া বিদ্যালয়ৰ মাজৰ এক মূল পাৰ্থক্য।

শিশুসকলৰ বাবে উচ্চমানসম্পন্ন কাৰ্যসূচীয়ে তেওঁলোকৰ কৌতুহল পূৰণ, পৰিৱেশ অন্বেষণৰ স্বাধীনতা প্ৰদান, পাৰস্পৰিক ক্ৰিয়াৰ সুযোগ প্ৰদান আৰু বাঞ্চিত সামগ্ৰিক বিকাশত সহায় কৰে। শিশুসকলে বিভিন্ন সামগ্ৰীৰ ব্যৱহাৰ কৰিবলৈ বাহিৰত খেলিবলৈ, আৰু ইজনে সিজনৰ সৈতে অথবা শিক্ষকৰ সৈতে মত-বিনিময় কৰিবলৈ প্ৰত্যেক দিনে পৰ্যাপ্ত সুযোগ লাভ কৰিব লাগে।

সহায়ক শিক্ষণ পৰিৱেশে শিশুসকলক শিকন আৰু বিকাশৰ বাবে এক সামগ্ৰিক অভিজ্ঞতা প্ৰদান কৰিব। শিশুৰ বিকাশ কেৱল শিক্ষক-ছাত্ৰৰ পাৰস্পৰিক ক্ৰিয়াৰ ওপৰত নিৰ্ভৰ নকৰে বৰঞ্চ শ্ৰেণীকোঠাৰ ভিতৰত আৰু বাহিৰত সামগ্ৰিক ভৌতিক পৰিৱেশত শিশুৱে পোৱা সংবেদনশীল অভিজ্ঞতাৰ ওপৰতো নিৰ্ভৰ কৰে।

বিদ্যালয় পৰিৱেশত নিৰ্ধাৰিত নীতি অনুসৰি নিৰাপদ, বাধামুক্ত আৰু পৰ্যাপ্ত ভৌতিক আন্তঃগাঁথনি উপলব্ধ হ'ব লাগিব। বিদ্যালয় গৃহ আৰু সঁজুলিয়ে আইন অনুসৰি সুৰক্ষাৰ মানদণ্ড পূৰণ কৰিব লাগিব। আন্তঃগাঁথনি উন্নয়ন, আন্তঃগাঁথনি ৰক্ষনাৱেক্ষণ আৰু শিক্ষণ-শিকন সামগ্ৰীৰ বাবে পৰ্যাপ্ত বাজেট উপলব্ধ হ'ব লাগিব আৰু লগতে ইয়াৰ উপযুক্ত ব্যৱহাৰ হ'ব লাগিব।

ইয়াৰ ভিতৰত আছে—

ক. পৰিষ্কাৰ, নিৰাপদ আৰু কাৰ্য্যক্ষম শৌচাগাৰ আৰু নিৰাপদ খোৱাপানী।

খ. নিৰাপদ আৰু পুষ্টিকৰ খাদ্য (প্ৰতিবদ্ধ নিয়ম অনুসৰি) আৰু সকলো শিশুৰ বাবে স্বাস্থ্য সহায়ক ব্যৱস্থা।

গ. প্ৰাকৃতিক পোহৰ আৰু উপযুক্ত বায়ুৰ চলাচল সৰ্বাধিক ব্যৱহাৰ কৰি পৰিষ্কাৰ, বায়ু প্ৰবাহিত আৰু উপযুক্ত পোহৰযুক্ত শ্ৰেণীকোঠা।

ঘ. শিকনৰ স্থানসমূহ অন্য স্থানৰ পৰা (যেনে- ৰন্ধা-বঢ়া) এনেদৰে পৃথক কৰা যাতে সুৰক্ষা বা শিকনত বাধা নহয়।

ঙ. প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে পৃথক শ্ৰেণীকোঠা।

চ. নিৰাপদ বাহিৰৰ ঠাই, আৰু শিশুৱে খেলিবলৈ সৰু বাগিছা

ছ. আকৰ্ষণীয় ৰঙেৰে ৰং কৰা অট্টালিকা আৰু দেৱাল (শিশুসকলে এই ছবি অঙ্কণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে।)

জ. উপযুক্ত উচ্চমানৰ শিকন সমল/ সামগ্ৰী আৰু কিতাপ।

ঝ. উপযুক্ত সুৰক্ষা ব্যৱস্থাৰ সৈতে নিৰ্দিষ্ট স্থানত সংগঠিত আৰু সংৰক্ষণ কৰা সামগ্ৰী (যেনে- চাফাই কৰা সামগ্ৰী বা কটাৰী তলা লগোৱা ঠাইত সংৰক্ষণ কৰা হয়)

ঝ. শিশুৰ চকুৰ সমান্তৰালকৈ শিকন কোণ আৰু প্ৰদৰ্শনী স্থান

এঃ. ঠাই, সামগ্ৰীৰ নিয়মীয়া পৰীক্ষণৰ সৈতে পৰিষ্কাৰ পৰিচ্ছন্নতা/ স্বাস্থ্যবিধি ৰক্ষা কৰা।

## 10.2.3 ছাত্ৰ শিক্ষকৰ অনুপাত ঃ

এই কথা সকলোৱে স্বীকাৰ কৰে যে সঠিক ছাত্ৰ-শিক্ষকৰ অনুপাতে (পিটিআৰ) শিক্ষাৰ্থীৰ প্ৰতি শিক্ষকসকলৰ ব্যক্তিগত মনোযোগ সম্ভৱ কৰি তোলে। ই ছাত্ৰ-ছাত্ৰীসকলৰ সক্ৰিয়তা আৰু কৃতিত্ব বৃদ্ধিত সহায় কৰে। ছাত্ৰ-শিক্ষকৰ অনুপাত কেৱল সংখ্যাৰ ক্ষেত্ৰতেই নহয়, শিশুৰ বাবে উন্নত শিকন ফলাফলৰ সূচনা কৰিব পৰা পৰিমাপ হিচাপে চোৱাটোও গুৰুত্বপূৰ্ণ। শিক্ষকে অনুকূল ছাত্ৰ-শিক্ষকৰ অনুপাত অনুযায়ী কাম কৰিব পাৰিলে শ্ৰেণীকোঠাৰ বহুতো প্ৰক্ৰিয়া আৰু কাম-কাজ ভালদৰে ৰূপায়ণ কৰিব পৰা যাব।

স্কুলীয়া শিক্ষাৰ প্ৰথম বছৰবোৰত অধিক ধনাত্মক প্ৰভাৱ পেলায় বুলি শিক্ষাশৈলীৰ বিশেষজ্ঞসকলে যুক্তি আগবঢ়ায়। দেখা গৈছে যে যিসকল শিশুৱে ছাত্ৰ-শিক্ষকৰ কম অনুপাত থকা বিদ্যালয়ত পঢ়ে, তেওঁলোকৰ ক্ষেত্ৰত অধিক বছৰৰ বাবে স্কুলীয়া শিক্ষা অব্যাহত ৰখাৰ সম্ভাৱনা বেছি।

কিন্তু এই ক্ষেত্ৰত এই কথা উল্লেখযোগ্য যে ছাত্ৰ-শিক্ষকৰ অনুপাত হ্ৰাস কৰাৰ অৰ্থ এইটো নহয় যে বিদ্যালয়সমূহ অযোগ্য আৰু ঠিকাভিত্তিক শিক্ষকেৰে পূৰণ কৰা হয়। যোগ্য শিক্ষকৰ নিযুক্তি আৰু তেওঁলোকৰ পেছামূলক বিকাশৰ জৰিয়তেহে ছাত্ৰ-শিক্ষকৰ অনুপাত উন্নত কৰিব লাগিব। উন্নত ছাত্ৰ-শিক্ষকৰ কম অনুপাতৰ লগতে আন্তঃগাঁথনিৰ বিষয়সমূহ আৰু শিক্ষকসকলৰ শৈক্ষিক আৰু শিক্ষাশৈলীৰ সামৰ্থ্যৰ দিশটোৰো বিচাৰ কৰিব লাগিব যাতে কম ছাত্ৰ-শিক্ষকৰ  অনুপাতৰ সম্পূৰ্ণ সুবিধা সমূহ গ্ৰহণ কৰিব পাৰি। বুনিয়াদী পৰ্যায়ত সকলো শিশুৰ বাবে শিক্ষকৰ এক সম্পূৰ্ণ পৰিপূৰক ব্যৱস্থা থাকিব লাগিব।

## 10.2.4 নামভৰ্ত্তিৰ বয়স ঃ

শিক্ষাৰ অধিকাৰ আইন ২০০৯, শৈশৱকালীন পৰিচৰ্যা আৰু শিক্ষা, ২০১৩ আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ নীতি সম্পৰ্কীয় নথিপত্ৰত এই কথাত গুৰুত্ব আৰোপ কৰা হৈছে যে শিশুৱে তিনিবছৰৰ পৰা ছয় বছৰলৈ প্ৰাক-প্ৰাথমিক বিদ্যালয় বা অঙ্গনৱাড়ীত অংশগ্ৰহণ কৰিব লাগে, তাৰ পিছতহে প্ৰাথমিক বিদ্যালয়ত প্ৰথম শ্ৰেণীত প্ৰৱেশ কৰিব লাগে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ত কোৱা হৈছে যে বুনিয়াদী পৰ্যায় ৩ বছৰ বয়সৰ পৰা আৰম্ভ হয় আৰু ৮ বছৰ বয়সত শেষ হয়, অৰ্থাৎ প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ পৰা ২য় লৈ শ্ৰেণীলৈ পাঁচবছৰীয়া স্কুলীয়া শিক্ষা। সেয়েহে শিশুসকলৰ ৬ বছৰ বয়সত প্ৰথম শ্ৰেণী আৰম্ভ হ'ব লাগে। কিন্তু বহু ৰাজ্যৰ নীতিয়ে এই বয়স আৰু উন্নয়নৰ মাইলৰ খুঁটিসমূহ প্ৰতিফলিত নকৰে।

প্ৰাৰম্ভিক বছৰবোৰত শিশুৰ মস্তিষ্কৰ বিকাশৰ দ্ৰুত গতি আৰু সামগ্ৰিক বিকাশৰ পৰিপ্ৰেক্ষিতত কেইমাহমানৰ বয়সৰ পাৰ্থক্যও বিকাশৰ ক্ষেত্ৰত দৰ্শনীয় পৰিৱৰ্তন সূচিত কৰে। প্ৰথম শ্ৰেণীৰ পাঠ্যক্ৰম ৬ বছৰ বয়সৰ ওপৰৰ শিশুসকলৰ প্ৰতি লক্ষ্য কৰি ৰচনা কৰা হৈছে।

প্ৰথম শ্ৰেণীৰ বাবে প্ৰৱেশৰ বয়স আনুষ্ঠানিকভাৱে ৬ বছৰৰ তলত কৰাৰ প্ৰৱণতা এই ধাৰণাৰ পৰিপন্থী আৰু শিশুৰ ক্ৰমবৰ্দ্ধমান শিকনৰ ৰীতিক যথেষ্ট ক্ষতি সাধন কৰিব পাৰে।

# খণ্ড 10.3

# শৈক্ষিক আৰু প্ৰশাসনিক কাৰ্যকৰ্তাসকলৰ ভূমিকা ঃ

## 10.3.1 প্ৰধান শিক্ষক/অধ্যক্ষ

বিদ্যালয়ৰ নেতৃত্বৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকাটো হ'ল স্বতন্ত্ৰতা আৰু জবাবদিহিতা নিশ্চিত কৰা প্ৰক্ৰিয়াৰ জৰিয়তে বিদ্যালয়ত এক পাৰস্পৰিক সহায়ক আৰু সৰলীকৰণৰ সংস্কৃতি গঢ়ি তোলা।

প্ৰধান শিক্ষক/অধ্যক্ষ/তত্বাৱধায়কসকলে সহকাৰী শিক্ষকসকলক সকলো ধৰণে সহায় কৰিব লাগিব যাতে তেওঁলোকে ভালদৰে শিকায়। এই ক্ষেত্ৰত শিক্ষকসকলক তেওঁলোকৰ শ্ৰেণী পৰিকল্পনা কৰাত সহায় কৰি, উপযুক্ত সম্পদৰ সুবিধা প্ৰদান কৰি, শ্ৰেণীসমূহ পৰ্যৱেক্ষণ কৰি আৰু গঠনমূলক প্ৰতিপুষ্টি প্ৰদান কৰি আৰু শিক্ষকসকলে শিশুৰ পাঠদান আৰু শিক্ষা সম্পৰ্কে চিন্তা কৰাৰ আৰু আলোচনা কৰাৰ পৰিৱেশৰ সৃষ্টি প্ৰধান শিক্ষকসকলে এই সাহাৰ্য আগবঢ়াব পাৰে।

শিশুৰ সৈতে যোগাযোগ ৰাখিবলৈ, তেওঁলোকৰ সৈতে সম্পৰ্ক গঢ়ি তুলিবলৈ, নিজ আদৰ্শৰ নেতৃত্ব দিবলৈ, শিক্ষকৰ দৃষ্টিভংগী আৰু প্ৰত্যাহ্বান সমূহৰ বিষয়ে জ্ঞাত হ'বৰ বাবে প্ৰধান শিক্ষকসকলে যদি মাজে মাজে বুনিযাদী পৰ্যায়ত এটা শ্ৰেণীক পঢ়ুৱাব পাৰে তেন্তে ই অতি উপযোগী হ'ব। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হ'ব যে এই সমগ্ৰ বিদ্যালয়ৰ বাবে এই পৰ্যায়টো অতি গুৰুত্বপূৰ্ণ আৰু ই শিক্ষকসকলকো অধিক আত্মবিশ্বাস প্ৰদান কৰিব।

কণ কণ ল'ৰা-ছোৱালীৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰিবলৈ আৰু অভিভাৱক আৰু পৰিয়ালে এই পৰ্যায়ৰ শিকন আৰু বিকাশৰ জটিলতাৰ তাৎপৰ্য বুজি পোৱাত সহায় কৰিবলৈ প্ৰাধন শিক্ষকে অভিভাৱক, পৰিয়াল আৰু স্থানীয় সম্প্ৰদায়ৰ সৈতে ঘনিষ্ঠতা গঢ়ি তুলিব লাগে। ইয়াৰ দ্বাৰা বিদ্যালয়খনে প্ৰাসংগিক বিষয় আৰু প্ৰত্যাহ্বানসমূহৰ প্ৰতি উপযুক্ত সঁহাৰি জনোৱাত সহায় কৰিব, যেনে- শিশুৰ বিকাশত সন্দেহযুক্ত বিলম্ব বা আচৰণমূলক সমস্যা থাকিলে অভিভাৱক পৰিয়ালক সংবেদনশীলভাৱে অৱগত কৰোৱা ইত্যাদি।

## 10.3.2 শৈক্ষিক কাৰ্যকৰ্তা ঃ

বিদ্যালয়ৰ ভ্ৰমণ, শ্ৰেণীকোঠাৰ পৰ্যৱেক্ষণ আৰু শিক্ষকসকলক গঠনমূলক প্ৰতিপুষ্টি প্ৰদানৰ জৰিয়তে স্থানীয়ভাৱে সহায় কৰাটোৱেই হৈছে মণ্ডল আৰু খণ্ড পৰ্যায়ৰ শৈক্ষিক কাৰ্যকৰ্তাসকলৰ এই গোট সমূহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা। মণ্ডল আৰু খণ্ড পৰ্যায়ৰ কাৰ্যকৰ্তাসকলে নিয়মিতভাৱে শিক্ষকসকলে ব্যৱহাৰ কৰিবলগীয়া শিক্ষাশৈলীসমূহ প্ৰদৰ্শন কৰি দেখুৱাব লাগে। ই শিক্ষকসকলক ইয়াক ভালদৰে বুজাত সহায় কৰে। ইয়াৰ ফলত তেওঁলোকে শিক্ষকতা আৰু শিশুসকলৰ লগত যোগাযোগত থকাৰ সুযোগ লাভ কৰে।

মণ্ডল পৰ্যায়ৰ সভাসমূহ শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াসমূহৰ বিষয়ে আলোচনা কৰিবলৈ ব্যৱহাৰ কৰিব লাগিব, আৰু প্ৰতি কেইমাহমানৰ পিছৰ এখন সভা কেৱল বুনিয়াদী পৰ্যায়ৰ শ্ৰেণীকোঠাত হোৱা অভিজ্ঞতাৰ বিষয়ে আলোচনা কৰিবলৈ অনুষ্ঠিত কৰিব লাগে। শিকন বিকাশৰ বাবে আৰু বিদ্যালয়ত নিয়মীয়াকৈ উপস্থিত থকা আৰু অংশগ্ৰহণ নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰাৰম্ভিক বছৰকেইটাৰ গুৰুত্বৰ বিষয়ে অভিভাৱক আৰু সমাজক অৱগত কৰিবৰ বাবে আলোচনাত মিলিত হ'ব লাগে। বিদ্যালয়ৰ দ্বাৰা গ্ৰহণ কৰা শৈক্ষিক পদক্ষেপ, যেনে- শিকন কোণ স্থাপন,

শিশু সাহিত্যৰ ব্যৱস্থাকৰণক সম্পূৰ্ণভাৱে উৎসাহিত আৰু সাহাৰ্য কৰিব লাগে।

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত শৈক্ষিক কাৰ্যকৰ্তাসকলে স্থানীয় প্ৰেক্ষাপটৰ ভিত্তিত স্থানীয় ভাষাত শিশু আৰু শিক্ষকসকলৰ বাবে বিস্তৃত, আকৰ্ষণীয়, আনন্দদায়ক আৰু উদ্ভাৱনীমূলক পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিব লাগে। এই ক্ষেত্ৰত এই সামগ্ৰীসমূহ ব্যৱহাৰ কৰিবলৈ এক বিস্তৃত শিক্ষক সাহাৰ্য পৰিকল্পনা অন্তৰ্ভুক্ত হ'ব পাৰে। প্ৰতিখন জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে জিলাখনৰ প্ৰতিটো খণ্ডৰ বুনিয়াদী পৰ্যায়ৰ কাৰণে শিক্ষক সহায়ক বিশেষজ্ঞৰ দ্বাৰা শৈক্ষিক সমল ব্যক্তিৰ এক গোট গঢ়ি তুলিব পাৰে।

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ শৈক্ষিক কৰ্মীসকলৰ গুৰুত্ব হ'ব লাগে বুনিয়াদী পৰ্যায়ৰ বাবে ৰাজ্যিক পাঠ্যক্ৰম, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে পাঠ্যপুথি আৰু কৰ্মপুথি প্ৰস্তুত কৰা, আৰ্হিমূলকভাৱে অতিৰিক্ত সামগ্ৰী যিবোৰ পৰৱৰ্তী সময়ত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহে স্থানীয় প্ৰসংগভিত্তিক কৰি প্ৰস্তুত কৰিব পাৰে আৰু শিক্ষকসকলে ব্যৱহাৰ কৰিব পৰা পৰীক্ষা তালিকা-চেকলিষ্ট আৰু প্ৰক্ৰিয়াসমূহৰ মূল্যায়ন ব্যৱস্থাৰ বিকাশ কৰিব লাগিব। বুনিয়াদী পৰ্যায়ত ব্যৱহাৰৰ বাবে সামগ্ৰীৰ উৎস বিচাৰি উলিওৱা, প্ৰসংগভিত্তিক কৰা আৰু অনুবাদৰ দায়িত্ব ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ল'ব লাগিব।

## 10.3.3 প্ৰশাসনিক কাৰ্যকৰ্তা ঃ

শিক্ষকৰ উপলব্ধতা, আৰু শিক্ষণ-শিকন সম্পদ (যেনে- খেলৰ সামগ্ৰী, কিতাপ, ক্ৰিয়া-কলাপৰ কিতাপ) সময়মতে যোগান আৰু বিতৰণৰ সুবিধা প্ৰদান নিশ্চিত কৰাটো বুনিয়াদী পৰ্যায়ত পাঠ্যক্ৰম ৰূপায়ণৰ বাবে অতি জৰুৰী হ'ব। পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা আৰু শিক্ষকৰ পেছামূলক বিকাশ নিয়মীয়া তত্ত্বাৱধান আৰু অগ্ৰগতিৰ পৰ্যালোচনাৰ বাবে উপযুক্ত বাজেট আৱণ্টন দিব লাগিব।

সযতনে পৰিকল্পিত আৰু সুচিন্তিত চিন্তাৰ ভিত্তিত সংগ্ৰহ কৰা তথ্যই সামাজিক আৰু অৰ্থনৈতিকভাৱে বঞ্চিত গোটসমূহৰ বাবে প্ৰৱেশ নিশ্চিত কৰাত সহায় কৰিব। বিশেষকৈ, ৩-৮ বছৰৰ শিশুৰ জনসংখ্যাৰ সঠিক অনুমান কৰাটো প্ৰয়োজনীয় যাতে উপযুক্ত পৰিকল্পনা কৰিব পৰা যায়- ইয়াৰ বাবে প্ৰক্ষেপণ আৰু অনুসৰণ উভয়ৰে প্ৰয়োজন। সম্ভৱ হ'লে প্ৰযুক্তি ব্যৱহাৰ কৰিব লাগে যাৰ সাহাৰ্যত নূন্যতম প্ৰচেষ্টাৰে কিন্তু সৰ্ব্বোচ্চ জবাবদিহিতাৰে সঠিক তথ্য সংগ্ৰহ কৰাটো নিশ্চিত কৰিব পাৰি। এই তথ্যসমূহ সিদ্ধান্ত গ্ৰহণকাৰীসকলৰ বাবে সপ্তাহ আৰু মাহৰ ভিতৰত নহৈ কেইদিনমানৰ ভিতৰতে উপলব্ধ হ'ব লাগে।

বুনিয়াদী পৰ্যায়ত গুণগত শিক্ষাৰ মানদণ্ডৰ এটা সূচক হ'ব সেইসকল, যিসকল তৃতীয় শ্ৰেণীৰ বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ সৈতে জড়িতসকলৰ ফলশ্ৰুতিৰ প্ৰাপ্তি। 'ৰাষ্ট্ৰীয় কৃতিত্ব জৰীপ'য়ে ইয়াৰ নিৰ্ধাৰণ সম্ভৱ কৰি তোলে। ৰাষ্ট্ৰীয় কৃতিত্ব জৰীপৰ উপৰিও ৰাজ্যসমূহেও এই গুৰুত্বক সাৰোগত কৰি ৰাজ্যিক শিকন কৃতিত্ব জৰিপৰ পৰিকল্পনা কৰিব পাৰে।

জনসেৱাৰ বাৰ্তা আৰু সংবাদ মাধ্যমৰ অভিযান, অভিভাৱকৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ জৰিয়তে আৰু বৃহৎ পৰিসৰৰ পক্ষপাতিত্ব আৰু তেওঁলোকৰ সন্তানৰ প্ৰাৰম্ভিক শিকনৰ প্ৰয়োজনীয়তাক সক্ৰিয়ভাৱে সমৰ্থন কৰিবলৈ অভিভাৱকসকলক সক্ষম কৰিবলৈ সৰল পদ্ধতি আৰু সামগ্ৰীসমূহৰ ব্যাপক প্ৰসাৰণৰ প্ৰয়োজন আদিও ৰূপাংকণ কৰিব পৰা যায়।

# খণ্ড 10.4

# অভিভাৱক আৰু সমাজৰ ভূমিকা ঃ

## 10.4.1 অভিভাৱক আৰু পৰিয়াল ঃ

- **শিশুসকলৰ শিক্ষা আৰু বিকাশৰ ক্ষেত্ৰত বিদ্যালয়ৰ লগতে অভিভাৱক আৰু পৰিয়াল সহ-অংশীদাৰ। শিশুৰ প্ৰাৰম্ভিক বছৰকেইটাত, অভিভাৱকসকলে বিদ্যালয়ত কি ঘটে সেই কথা বুজি পোৱা আৰু প্ৰয়োজন অনুযায়ী সহায় আগবঢ়োৱা আৰু সেইদৰে শিক্ষকসকলে শিশুৰ ঘৰুৱা পৰিস্থিতি বুজি পোৱা আৰু প্ৰয়োজনীয় সাহার্য প্ৰদান কৰা বিশেষ গুৰুত্বপূৰ্ণ যাতে তেওঁলোক উভয় পক্ষ শিশুৰ সৈতে হোৱা পাৰস্পৰিক ক্ৰিয়া-কলাপত প্ৰতি সচেতন হ'ব পাৰে।**

উপযুক্ত মনোযোগ প্ৰদানৰ যোগেদি অভিভাৱক আৰু পৰিয়ালৰ সৈতে সম্পৰ্ক গঢ়ি তোলাৰ লগতে ইয়াক বজাই ৰাখিব পাৰি। যিসকল লোকে কেৱল বিভিন্ন কথাহে কয় বা কেৱল অভিযোগহে কৰে তেনে মানুহৰ সলনি বিদ্যালয় প্ৰক্ৰিয়াটোৰ সৈতে সমান অংশীদাৰ হিচাপে গণ্য কৰা অভিভাৱকসকলৰ লগত সঘন আৰু ধাৰাবাহিক যোগাযোগৰ প্ৰয়োজন। অভিভাৱকসকলো তেওঁলোকৰ সন্তানৰ বিকাশৰ প্ৰতি সতৰ্ক হৈ থকাৰ প্ৰয়োজন। ইয়াক শিকনৰ বিষয়ে আলোচনাৰ কাৰণে অভিভাৱকসকলক নিয়মিতভাৱে বিদ্যালয়লৈ মাতি আনি আৰু শিক্ষকসকলে শিশুৰ গৃহ পৰিদৰ্শনক বাস্তৱায়িত কৰিব পৰা যাব। শিক্ষক-অভিভাৱক সভাসমূহে বিদ্যালয়খনৰ কাম-কাজৰ বিষয়ে পাৰস্পৰিক মতামত প্ৰদান কৰিবলৈ সুযোগ প্ৰদান কৰে। অভিভাৱকসকলেও প্ৰয়োজন অনুসৰি শিক্ষকসকলৰ বৈঠকৰ আয়োজনৰ বাবে অনুৰোধ কৰিব পাৰে।

বিশেষভাৱে প্ৰাৰম্ভিক বছৰকেইটাৰ শিশুৰ বিকাশৰ গুৰুত্ব; শিকন আৰু বিকাশৰ বিভিন্ন ক্ষেত্ৰ, অনুকূল আৰু নিৰাপদ ঘৰুৱা পৰিৱেশত উদ্দীপনা আৰু নিয়োজিত হোৱাৰ প্ৰয়োজনীয়তা, বুনিয়াদী স্বাস্থ্য আৰু পুষ্টিৰ গুৰুত্ব, শিশু নিৰ্যাতন আৰু বঞ্চনাৰ প্ৰভাৱ আৰু শিশুৰ বিকাশৰ ক্ষেত্ৰত পৰিয়াল আৰু শিক্ষকসকলৰ মাজত অংশীদাৰীত্ববোধ বিশেষ প্ৰয়োজনীয়।

অভিভাৱক আৰু পৰিয়ালে ব্যক্তিগতভাৱে বিদ্যালয়খনলৈ কেইবাটাও দিশত অৰিহণা যোগাব পাৰে। দৃষ্টান্তমূলকভাৱে- বিদ্যালয়ত উদ্‌যাপন কৰা, বিদ্যালয়খনৰ বাবে গুৰুত্বপূৰ্ণ দিৱসত, আৰু বিদ্যালয়ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা, সৰু সৰু স্থানীয় ক্ষেত্ৰ ভ্ৰমণৰ আয়োজন আৰু তত্ত্বাৱধানত সহায় কৰা, বিশেষ বিষয় অধ্যয়ন কৰাৰ সময়ত তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতা আদান-প্ৰদান কৰা (যেনে- উদ্ভিদ বৃদ্ধি কৰা আৰু কীট-পতঙ্গ ৰোধ কৰা, বুনিয়াদী আঘাতৰ বাবে প্ৰাথমিক চিকিৎসা কেনেকৈ কৰিব লাগে, সাধাৰণ আৰু স্বাস্থ্যকৰ খাদ্য ৰন্ধা, সাধাৰণ কাঠৰ কাম প্ৰদৰ্শন কৰা, জীৱ-জন্তু বা বাহনৰ বিষয়ে কোৱা); শিক্ষকে বিদ্যালয়ত অনুশীলন কৰা বিভিন্ন ব্যৱস্থা বা প্ৰক্ৰিয়াসমূহ স্থানীয় প্ৰেক্ষাপটৰ সৈতে সংযুক্ত কৰাত তেওঁলোকক সহায় কৰা (যেনে- স্থানীয় উৎসৱ, স্থানীয় খাদ্য, স্থানীয় কলাৰূপ) আৰু নিৰ্দিষ্ট দিনত পৰ্যৱেক্ষক বা সহ-শিক্ষক হিচাপে শ্ৰেণীকোঠাৰ অংশ হোৱা।

অভিভাৱকসকল বিদ্যালয় পৰিচালনা সমিতিত অংশগ্ৰহণ কৰি অভিভাৱক, সমাজ আৰু শিক্ষকসকলৰ মাজৰ সেতু হ'ব পাৰে। তেওঁলোকে অন্য অভিভাৱক আৰু বিদ্যালয়ৰ মাজত সকলো বিষয়ৰ বিষয়ে স্পষ্ট স্বচ্ছ যোগাযোগ নিশ্চিত কৰাৰ দায়িত্ব ল'ব পাৰে। তেওঁলোকে অতিৰিক্ত সম্পদ বা শিকন সামগ্ৰী সংগ্ৰহ কৰাত সহায় কৰিব পাৰে আৰু শিক্ষক দিৱস বা ক্ৰীড়া দিৱসৰ দৰে অনুষ্ঠানৰ পৰিকল্পনা, সমন্বয় আৰু পৰিচালনাৰ বাবে অভিভাৱক গোটৰ অংশ হ'ব পাৰে।

## 10.4.2 সমাজ ঃ

◇ **স্থানীয় সমাজক অভিভাৱক, পৰিয়াল, চুবুৰীৰ বাসিন্দা, যুৱ গোট, সম্প্ৰদায়ৰ নেতা আৰু স্থানীয় স্বায়ত্ব শাসনৰ প্ৰতিষ্ঠান ইত্যাদিৰ সমষ্টি হিচাবে সংজ্ঞায়িত কৰা হয়। সমাজখন বিদ্যালয় এখনৰ লগত বিভিন্নভাৱে জড়িত হ'ব পাৰে আৰু সমাজ বিদ্যালয় এখনক বিভিন্ন দিশত সহায় কৰিব পাৰে।** উদাহৰণস্বৰূপে- সকলো স্থানীয় কণ কণ ল'ৰা-ছোৱালীৰ নামভৰ্ত্তি আৰু নিয়মীয়া উপস্থিতি নিশ্চিত কৰা, শিক্ষকসকলৰ সৈতে একেলগে পৰ্যৱেক্ষণ কৰা, অতিৰিক্ত আন্তঃ গাঁথনি, শিকন সামগ্ৰী, শিশুৰ আহাৰৰ বাবে উন্নত পুষ্টিৰ উৎসৰ আৰু অন্যান্য সেৱাৰ ক্ষেত্ৰত সহায় প্ৰদান কৰা। (যেনে- গ্ৰাম পঞ্চায়তে এটা পানীৰ সংযোগ প্ৰদান কৰাৰ বাবে অন্যান্য আঁচনিৰ পৰা ধন ব্যৱহাৰ কৰিব পাৰে) সকলো অভিভাৱক আৰু সমাজৰ সদস্যক বিদ্যালয়ৰ সৈতে সক্ৰিয় অংশীদাৰ হ'বলৈ প্ৰেৰণা যোগোৱা, আৰু বিদ্যালয়খনক সম্প্ৰদায়ৰ এক অংশ হিচাপে গঢ়ি তোলাত সহায় কৰা।

---

### বাল মেলা

মই সদায় বিশ্বাস কৰি আহিছোঁ যে অভিভাৱক আৰু বৃহত্তৰ সমাজখনক শিশুৰ শিক্ষাৰ কামত নিয়োজিত কৰাটো গুৰুত্বপূৰ্ণ। ইয়াৰ বাবে বাল মেলা অতি প্ৰয়োজনীয়। বাল মেলাত, মোৰ ল'ৰা-ছোৱালীবিলাকে সিহঁতৰ শিকন পিতৃ-মাতৃ আৰু অন্যান্য স্থানীয় সমাজৰ আগত প্ৰদৰ্শন কৰে। এনে অনুষ্ঠানে বিদ্যালয় আৰু সমাজৰ মাজত উন্নত সংযোগ গঢ়ি তোলাত সহায় কৰে। ই অভিভাৱক আৰু সমাজৰ মাজত বুনিয়াদী পৰ্যায়ৰ শিকনৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টি কৰাত সহায় কৰে।

আমাৰ গাঁৱৰ সকলো শিক্ষক আৰু অন্যান্য কৰ্মকৰ্তাসকলে ইয়াৰ বাবে একেলগে কাম কৰে। আমি প্ৰতিবাৰেই এই মেলা অনুষ্ঠিত কৰোতে কাম-কাজসমূহৰ অনেক সাল-সলনি কৰিলেও এখন সাধাৰণ বাল মেলা তলত দিয়া ধৰণেৰে পৰিচালিত হয়।

- আমি শিক্ষকসকলে অনুষ্ঠানৰ ঠাইটুকুৰাক সজাওঁ আৰু তলত দিয়াধৰণে প্ৰদৰ্শন কৰোঁ—
  - ✳ শিশুৰ নাম, বয়স আৰু তৈয়াৰ কৰাৰ তাৰিখৰ সৈতে শিশুৰ শিল্পকৰ্ম
  - ✳ আমাৰ দ্বাৰা প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰী
  - ✳ শিশুৰ সকলো কামৰ সৈতে তেওঁলোকৰ পোৰ্টফ'লিঅ'
  - ✳ প্ৰাৰম্ভিক পৰ্যায়ৰ গুৰুত্বৰ ওপৰত তালিকা, পোষ্টাৰ, মগজুৰ বিকাশ, শিশুৱে কেনেকৈ শিকে, এটা শিকন পৰিৱেশ কেনেকুৱা হ'ব লাগে- আমি ইয়াক চিত্ৰৰ দ্বাৰা উপস্থাপন কৰো যাতে সকলোৱে সহজে বুজিব পাৰে।
- আন অংশগ্ৰহণকাৰীসকল সভাস্থলিত উপস্থিত নোহোৱালৈকে শিশুসকলে চিত্ৰাঙ্কণ উপভোগ কৰে।

- অংশগ্ৰহণকাৰীসকল এবাৰ আহি পালেই আমি (ডাঙৰ কিছুমান ল'ৰা-ছোৱালীৰ সৈতে) উদ্দেশ্যে, অনুষ্ঠানৰ কাৰ্য্যসূচী আৰু তেওঁলোকৰ পৰা লাভ কৰা উৎসাহৰ বিষয়ে বাখ্যা কৰোঁ।
- কাৰ্যসমূহ আৰম্ভ হয়- এই ক্ষেত্ৰত কিছুমান শিশু শিশুৰ সৈতে, কিছুমান সন্তান আৰু অভিভাৱকৰ সৈতে আৰু আন কিছুমান কাৰ্য কেৱল অভিভাৱকৰ সৈতেও হ'ব পাৰে।
- প্ৰতিটো কাৰ্যৰ শেষত, সংশ্লিষ্ট শিক্ষক আৰু কিছুামন ডাঙৰ ল'ৰা-ছোৱালীয়ে সেই কাৰ্যৰ উদ্দেশ্য, কাৰ্যই শিশুৰ বিকাশ কেনেকৈ অৰিহনা যোগাই বা সহায় কৰে আৰু উপলব্ধ সম্পদেৰে ঘৰতে এই কাৰ্যসমূহ কেনেকৈ সম্পাদন কৰিব পাৰি সেই বিষয়ে ব্যাখ্যা কৰে।
- আমি বিশেষকৈ পিতৃসকলৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিবলৈ চেষ্টা কাৰোঁ আৰু তেওঁলোকক তেওঁলোকৰ সন্তানৰ বিকাশৰ ওপৰত তেওঁলোকৰ চিন্তাধাৰাৰ ভাগ-বিতৰণ কৰিবলৈ উৎসাহিত কৰোঁ।
- কাৰ্যসূচীৰ পিছত আমি তালিকা আৰু পোষ্টাৰ ব্যৱহাৰ কৰি মগজুৰ বিকাশ, প্ৰাথমিক বছৰবোৰৰ গুৰুত্ব, শিশুৰ বিকাশত পিতৃ-মাতৃৰ ভূমিকা আদি গুৰুত্বপূৰ্ণ উপাদানসমূহৰ বিষয়ে আলোচনা কৰোঁ।
- অভিভাৱকসকলে নিজৰ সন্তানক নিয়মিতভাৱে শ্ৰেণীলৈ পঠোৱাৰ অভিজ্ঞতাৰ বিষয়ে কথা-বাৰ্তা পাতে।

শেষত আমি শিক্ষকসকলে, অভিভাৱক আৰু সমাজৰ পৰা বিশেষকৈ শিশুসকলৰ নামভৰ্ত্তি আৰু উপস্থিতিৰ ক্ষেত্ৰত আমাৰ আশা-আকাংক্ষাসমূহ ব্যক্ত কৰোঁ আৰু তেওঁলোকৰ অংশগ্ৰহণৰ বাবে ধন্যবাদ জনাওঁ। বাল মেলা সঁচাকৈয়ে এনে এক অনুষ্ঠান য'ত সমগ্ৰ গাঁওখনে নিজৰ সন্তানৰ পঢ়া শুনাত অংশগ্ৰহণ কৰিবলৈ ওলাই আহে!

# খণ্ড 10.5

# প্ৰযুক্তিৰ ব্যৱহাৰ ঃ

পাঠদানৰ বাবে প্ৰযুক্তিক বিষয়বস্তুৰ উৎস হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও (অধ্যায় ৫, খণ্ড ৫.৪ চাওক), প্ৰযুক্তিয়ে বুনিয়াদী পৰ্যায়ৰ কাৰণে এটা সহায়ক পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাত যথেষ্ট অৰিহণা যোগাব পাৰে।

প্ৰচলিত প্ৰযুক্তিৰ উপযুক্ত ব্যৱহাৰ কৰি আৰু ডিজিটেল আন্তঃগাঁথনি আৰু ৰূপৰেখা নিৰ্মাণ কৰি সামৰ্থ বিকাশ তৰান্বিত কৰাত, অংশগ্ৰহণ সক্ষমতা প্ৰদান কৰাত আৰু সমন্বয় সাধন কৰাত সহায় কৰিব পাৰে। ইয়াৰ এটা উদাহৰণ হ'ল ৰাষ্ট্ৰীয় ডিজিটেল শিক্ষা স্থাপত্য (NDEAR) যিটো ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ ৰূপায়ণৰ প্ৰথম বৰ্ষপূৰ্তিত মূল সাহাৰ্য প্ৰদানকাৰী হিচাবে আৰম্ভ কৰা হৈছিল, যাৰ উদ্দেশ্য আছিল এটা ঐক্যবদ্ধ ৰাষ্ট্ৰীয় ডিজিটেল আন্তঃগাঁথনি সৃষ্টি কৰা আৰু উত্তোলিত পৰিৱেশ তন্ত্ৰৰ সক্ষমতা অতিক্ৰম কৰি সংযোগকাৰী হিচাপে কাম কৰে।

ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাই প্ৰথম বছৰকেইটাত প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে কেইটামান ধাৰণা আগবঢ়াইছে যদিও ভৱিষ্যতৰ সকলো সাম্ভব্য পৰিস্থিতিৰ কথা কোনেও কল্পনা কৰিব নোৱাৰে আৰু নিশ্চিতভাৱে এনে সমাধানো দিব নোৱাৰে যি সদায় প্ৰাসংগিক হ'ব। NDEARৰ দৰে প্ৰযুক্তি ৰূপৰেখাৰ উপযুক্ত ব্যৱহাৰ কৰাটো উচিত হ'ব যিয়ে সময়ে সময়ে প্ৰয়োজন অনুসৰি বৈচিত্ৰ্যময় আৰু মডিউলাৰ সমাধানৰ বিকাশ সাধন কৰিব।

## 10.5.1 সামৰ্থ বিকাশৰ বাবে প্ৰযুক্তি ঃ

প্ৰাৰম্ভিক বছৰ কেইটাত শিশুৰ বোধশক্তি বৃদ্ধিৰ বাবে ডিজিটেল পাঠ্যক্ৰম, কণ কণ ল'ৰা-ছোৱালীক সহায় আৰু সমৃদ্ধ কৰিবৰ বাবে বিভিন্ন বিষয়ৰ ওপৰত একেবাৰে সৰু (বিট আকাৰৰ) 'কেনেকৈ' নিৰ্দেশনা দিয়া হয়, উদ্ভাৱনীমূলক পদ্ধতিৰ প্ৰদৰ্শন, ভাৰতীয় ভাষাসমূহত শিক্ষক আৰু অভিভাৱকসকলৰ বাবে পাঠদান পৰিকল্পনা আদি উপলব্ধ কৰা। এইবোৰ আৰু অধিক বৃদ্ধি কৰাৰো প্ৰয়োজনীয়তা আছে।

ইয়াৰ বাবে কিছুমান পদ্ধতি হ'ব পাৰে তথ্যসমৃদ্ধ আৰু শিক্ষামূলক বিষয়বস্তু (যেনে- কথপোকথনৰ মূল্য, বিকাশৰ মাইলৰ খুঁটিৰ তথ্য) উৎকৃষ্ট অনুশীলন, (যেনে- কণ কণ ল'ৰা-ছোৱালীৰ বাবে স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী ব্যৱহাৰ কৰা) অনমনীয় পাঠ পৰিকল্পনাক পাৰস্পৰিক ক্ৰিয়াযুক্ত পৰিকল্পনালৈ ৰূপান্তৰ কৰা ব্যক্তি ভিত্তিক পৰিকল্পনা প্ৰস্তুত কৰা যি শিক্ষকক অধিক নমনীয়তা আৰু পছন্দৰ সুযোগ প্ৰদান কৰে।

প্ৰযুক্তিয়ে সহপাঠীৰ লগত শিকন, বিষয়সূচী আৰু অনুশীলনসমূহৰ আদান-প্ৰদান, সহায় বিচৰা আৰু একেধৰণৰ প্ৰসংগকে পৰিচালিত হোৱা লোক সকলৰ লগত এক দলীয় অনুভূতি অনুভৱ কৰা আদি দিশ সমূহো বিশেষ তাৎপৰ্যভাৱে সক্ষম কৰি তোলে। ই সৰ্বোত্তম কাম কৰে যেতিয়া সামগ্ৰীসমূহ স্থানীয় ভাষাত উপলব্ধ হয় আৰু যাক প্ৰযুক্তিয়ে সক্ষম কৰিব পাৰে।

NISHTHA হৈছে এটা ৰাষ্ট্ৰীয় অভিযান যাৰ উদ্দেশ্য এটা ডিজিটেল মাধ্যমৰ জৰিয়তে ডিজিটেল ভাৱে সক্ষম শিক্ষক-প্ৰশিক্ষণ কাৰ্যসূচীৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ফলাফল উন্নত কৰা। ইয়াৰ পূৰ্ণ প্ৰয়োগৰ সুযোগ গ্ৰহণ কৰিব লাগে আৰু নিৰন্তৰ উন্নতি সাধনৰ ব্যৱস্থা কৰিব লাগে।

শিক্ষকসকলে DIKSHA ৰ দৰে মঞ্চত স্বৰচিত বিষয়বস্তু আপলোড কৰিব পাৰে আৰু বিভিন্ন ধৰণৰ সামগ্ৰী সৃষ্টিৰ বাবে (NDEAR)ৰ সংগতিপূৰ্ণ মুক্ত উৎস (Open-Source)ৰ বিষয়বস্তু ৰচনাৰ আহিলাৰ সহায় ল'ব লাগে।

## 10.5.2 ডিজিটেল আন্তঃগাঁথনি, মঞ্চ, সঁজুলিৰ পূৰ্ণ সুযোগ লোৱা ঃ

NDEAR (ndear,gov.in) আৰু VidyaDaan (vdn.diksha.gov.in) সুযোগ সমূহক উপযুক্ত ব্যৱহাৰ কৰি শিশু, শিক্ষক, অভিভাৱক আৰু সমাজক উপযুক্ত বিষয়বস্তু প্ৰদানৰ ব্যৱস্থা গ্ৰহণৰ বাবে বিষয়সূচী প্ৰস্তুতকাৰী সকলৰ প্ৰাণৱন্ত পৰিৱেশ তন্ত্ৰক উৎসাহিত কৰিব লাগে।

প্ৰাসংগিক সামগ্ৰীৰ সৈতে জড়িত বিষয়বস্তুৰ সহজ উপলব্ধতাৰ বাবে QR কোড ব্যৱহাৰ কৰি শিক্ষক আৰু শিশুসকলৰ বাবে 'শক্তিৱান' সামগ্ৰী বিশেষ উপযোগী। QR কোডৰ ব্যৱহাৰে ইয়াৰ সৈতে জড়িত বিষয়বস্তু যিকোনো সময়তে আপডেট/পৰিৱৰ্তন কৰাটো সুনিশ্চিত কৰে।

বিকাশ সম্বন্ধীয় প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰা সঁজুলি আৰু প্ৰাৰম্ভিক পৰীক্ষামূলক সঁজুলিসমূহে শিক্ষকসকলক শিশুৰ বাবে প্ৰয়োজনীয় সাহাৰ্য দিয়াত সহায় কৰিব, যেনে- প্ৰাচাট (PRASHAST) এটা বিশেষভাৱে সক্ষম ব্যক্তিৰ পৰীক্ষা তালিকা। শিক্ষকসকলৰ প্ৰশাসনিক কাম-কাজ সহজ কৰি তুলিবলৈ ব্যৱহাৰ কৰা ব্যৱহাৰিক আৰু ফলদায়ক প্ৰযুক্তিমূলক সঁজুলিসমূহে সময় ৰাহি কৰে আৰু সক্ষমতাও বৃদ্ধি কৰে। সক্ষম কৰা সঁজুলিসমূহৰ শিক্ষক আৰু প্ৰশাসকে তেওঁলোকৰ শিকন স্থানত সূক্ষ্ম উন্নতিৰ বাবে, ধাৰণা আৰু কাৰ্যক্ৰমৰ পৰিকল্পনা তৈয়াৰ কৰাত আৰু তাক ক্ৰিয়াশীল কৰাত সহায়ৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। প্ৰযুক্তিয়ে সংহত অভিভাৱক-শিক্ষক সম্প্ৰদায় গঢ়ি তুলিবও পাৰে। বিশেষজ্ঞ আৰু দক্ষ সমল ব্যক্তি আৱিষ্কাৰ কৰিবলৈ ব্যৱহাৰ কৰা সঁজুলিসমূহ, বিশেষকৈ য'ত বিশেষ প্ৰয়োজনীয়তা বা বিকাশত বিলম্ব হোৱা শিশুৰ বাবে সহায়ৰ প্ৰয়োজন হয়, সেই ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি। বহুভাষিক পৰিস্থিতিত, প্ৰযুক্তিগত সঁজুলিয়ে শিক্ষকসকলক সহায় কৰে, যাতে তেওঁলোকে প্ৰতিটো শিশুৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সক্ষম হয়।

অনুবাদৰ দৰে কিছুমান প্ৰত্যাহ্বানমূলক সমস্যাৰ সমাধানৰ বাবে (Bhashini https://bhashini.gov.in/en/and ULCS://bhashini.gov.in/ulca), কৃত্ৰিম বুদ্ধিমত্তা আৰু মেচিন লাৰ্ণিং ব্যৱহাৰ কৰিব পাৰি। বিষয়বস্তু আৱিষ্কাৰমূলক সমাধানসমূহ শিক্ষকসকলৰ দ্বাৰা আৰু শিক্ষকসকলৰ বাবে প্ৰয়োজন সাপেক্ষে প্ৰাসংগিক সামগ্ৰীসমূহ আৱিষ্কাৰ সক্ষম কৰাৰ বাবে ব্যৱহাৰ কৰা হয় (উদাহৰণস্বৰূপে-চাটবোটচ্)। শিশুসকলে সন্মুখীন হোৱা বা শিশুসকলৰ সৈতে জড়িত সমস্যাৰ সমাধানৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা আৰু মেচিন লাৰ্ণিংৰ ব্যৱহাৰ কঠোৰভাৱে বৰ্জন কৰিব লাগে।

## 10.5.3 অভিভাৱক আৰু সম্প্ৰদায়ৰ বাবে প্ৰযুক্তি ঃ

সম্প্ৰচাৰ মাধ্যম ৰেডিঅ', টিভি, অ'টিটি (OTT) মঞ্চৰ লগতে আইভিআৰ (IVR) আৰু অন্যান্য বাৰ্তা প্ৰেৰণ ব্যৱস্থা ব্যৱহাৰ কৰি প্ৰতিক্ৰিয়াশীল অভিভাৱকত্বক উৎসাহিত কৰিব পাৰি। নাগৰিক সমাজৰ সংগঠনৰ সৈতে অংশীদাৰিত্বমূলকভাৱে ৰাজ্যসমূহত বৰ্তমান ৰূপায়িত হৈ থকা বিভিন্ন উদ্ভাৱনীমূলক কাৰ্যসূচীসমূহৰ সম্প্ৰসাৰণ কৰিব পৰা যাব।

'এটা কাহিনী এটা দিন', খেল-ধেমালি আৰু শিকনৰ কাৰ্যকলাপ, একেলগে পঠন বা শ্ৰৱণ, আনকি কাৰ্যপত্ৰিকাৰ জৰিয়তে পৰ্যাপ্ত অনুশীলন কৰাৰ মাধ্যমেৰে শিশুসকলৰ সৈতে অভিভাৱকসকলৰ সংযোগ সাধনৰ ধাৰণাক বৰ্তমান সামাজিক ৰেডিঅ'ষ্টেচনৰ প্ৰয়োগ কৰি উপলব্ধ কৰিব পৰা যায়। বহু অভিভাৱকে এতিয়া মানুহৰ সৈতে সংযোগ স্থাপন আৰু বিষয়বস্তু গ্ৰহণ কৰিবলৈ বাৰ্তা-প্ৰেৰণ সেৱা ব্যৱহাৰ কৰে। এইবিলাকৰো পূৰ্ণ সুযোগ গ্ৰহণ কৰিব পৰা যাব।

# পৰিশিষ্ট- 1

# দৃষ্টান্তমূলক শিকন ফলাফল ঃ

প্ৰতিটো অৰ্হতাৰ বাবে দৃষ্টান্তমূলক শিকন ফলাফলসমূহ ইয়াত স্পষ্টকৈ উল্লেখ কৰা হৈছে। বুনিয়াদী স্তৰত, 5 বছৰৰ বাবে এইবোৰ শিশুসকলৰ শিকনৰ গতিপথ হ'ব যিবোৰে আনুসঙ্গিক অৰ্হতাসমূহ শিশুসকলক আয়ত্ব কৰোৱাত সহায় কৰিব।

---

- যিহেতু পাঠক্ৰমৰ লক্ষ্যসমূহ বিকাশমূলক সেয়েহে অৰ্হতা আৰু শিকন ফলাফলসমূহো বিকাশমূলক।
- প্ৰতিটো স্তৰ আৰু বয়স অনুযায়ী নিৰ্ধাৰণ কৰা এই আটাইবোৰ শিকন ফলাফলৰ বিকাশমূলক গতিপথ আছে। এইবোৰ হুবহু/অবিকল নিৰ্দিষ্ট বয়সৰ লক্ষ্য হিচাপে বিবেচনা কৰাতকৈ এই শিকন ফলাফলসমূহ ধাৰাবাহিক আৰু শিকনৰ গতিপথ হিচাপে নিৰীক্ষণ কৰা উচিত।
- ৩ ৰ পৰা ৮ (3-8) বছৰৰ শিশুসকলৰ বাবে যদিও শিকন বিকাশমূলক কিন্তু ইয়াৰ গতিৰ হাৰ ভিন ভিন শিশুৰ বাবে ভিন ভিন হয়। কাৰণ সকলো শিশুৱে সমানেই বয়সোপযোগী শিকন ফলাফলসমূহ একে সময়তে আয়ত্ব কৰিব নোৱাৰে।
- তলত শিকন ফলাফলসমূহ বয়স অনুযায়ী শ্ৰেণীবিভাজন কৰা হৈছে। যিবোৰ শিশুসকলৰ শিকনৰ সূচক হ'ব আৰু শ্ৰেণীকোঠাত শিক্ষকক প্ৰতিজন শিশুৰ বাবে শিকন অভিজ্ঞতা সংগঠিত কৰাত সহায় কৰিব।
- প্ৰত্যেকটো শিকন ফলাফল পৰ্যবেক্ষণীয়। শিক্ষকে শিশুসকলৰ অৰ্হতাসমূহত অগ্ৰগতি শিকন ফলাফলসমূহ আয়ত্বকৰণৰ জৰিয়তে পৰ্যবেক্ষণ কৰিব পাৰিব।
- শিকনৰ ফলাফলসমূহ ক্ৰমবৰ্ধমান (cumulative) হিচাপে বিবেচনা কৰাৰ প্ৰয়োজন। শিশুসকলৰ পূৰ্ববৰ্তী বয়সৰ শিকন পাছৰ পৰ্যায়লৈ অব্যাহত থাকে যিবোৰ পৰৱৰ্তী স্তৰতো কৰিব পৰা যায়। উদাহৰণস্বৰূপে- যদি 4-5 বয়সৰ শিশুৰ বাবে শিকন ফলাফল 'নেপেলোৱাকৈ খাব পাৰিব' হয়, তেনে এইটো 5-6 বছৰ বয়স আৰু পৰৱৰ্তী সময়তো অব্যাহত থাকে।

---

তলত উল্লেখ কৰা শাখাটোত পাঠ্যক্ৰমৰ লক্ষ্যসমূহ CG-1, CG-2, CG-3, অৰ্হতাসমূহক C-1.1, C-2.1, C-3.1 এনেদৰে নম্বৰযুক্ত কৰা হৈছে আৰু শিকন ফলাফলসমূহ অৰ্হতাসমূহৰ লগত সজ্জিত বিশদভাৱে বৰ্ণনা কৰা হৈছে।

ওপৰত উল্লেখ কৰা ধৰণে শিকন ফলাফলসমূহ অবিৰতভাৱে পৰ্যৱেক্ষণ কৰাটো বাঞ্চনীয় তলত দিয়া তালিকাবোৰৰ পঠনৰ সজ্জাত শিকন ফলাফলসমূহ 1, 2, 3, ..... হিচাপে উলম্বভাৱে আৰু A, B, C ..... হিচাপে অনুভূমিকভাৱে স্থান দিয়া হৈছে যাতে সহজতে তথ্যখিনি পাব পৰা যায়, উদাহৰণস্বৰূপে দৃষ্টান্তমূলক তালিকাৰ (illustrative list) ভিতৰত নিৰ্দিষ্ট শিকন ফলাফল আঙুলিয়াই দেখুৱাবলৈ পঢ়োৱাই অৰ্হতা C-2.1 ৰ বিপৰীতে শিকন ফলাফল D-1 হিচাপে উল্লেখ কৰিব পাৰিব।

## 1.1.1 শাৰীৰিক বিকাশ ঃ

এটা সুস্থ শৰীৰে সুস্থ মনৰ অধিকাৰী কৰে। এইটো স্তৰত (বুনিয়াদী স্তৰত) শিশুৱে তেতিয়া বেছিকৈ শিকিব যেতিয়া তেওঁলোকে আটাইবোৰ ইন্দ্ৰিয় আৰু সৰ্বশৰীৰ ব্যৱহাৰ কৰি খেলাভিত্তিক ক্ৰিয়া-কলাপত জড়িত হ'ব। সেয়েহে এই সময়চোৱাত স্বাস্থ্যসন্মত আহাৰ খোৱা, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভ্যাস বজায় ৰখা, সুৰক্ষাৰ প্ৰতি সজাগতা, ইন্দ্ৰিয়সমূহ সক্ৰিয় কৰা, ব্যায়াম কৰা আৰু বিভিন্ন পেশী গোটৰ মাজত সমন্বয় সাধন কৰাৰ ওপৰত দৃষ্টিনিবদ্ধ কৰিব লাগিব।

### CG-1 শিশুসকলৰ নিজকে স্বাস্থ্যৱান আৰু সুৰক্ষিত কৰি ৰখাৰ অভ্যাস গঢ়ি উঠিব ঃ

শিশুসকলে স্বাস্থ্যসন্মত আহাৰ খোৱা আৰু পৰিপুষ্টি সম্পৰ্কে বোধ এই দুয়োটাৰে বিকাশ হোৱাটো প্ৰয়োজন, বিভিন্ন প্ৰকাৰৰ আহাৰৰ সোৱাদ লোৱাৰ অভ্যাস গঢ়ি তুলিবৰ বাবে প্ৰাৰম্ভিক অৱস্থাৰ পৰাই শিশুসকলক বিভিন্ন গোটৰ আহাৰ গ্ৰহণ সুযোগ দিয়াতো অতি গুৰুত্বপূৰ্ণ, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱে প্ৰায়েই শৰীৰ অসুস্থ কৰে ইয়াৰ ফলত শিশুসকলে পুষ্টিকৰ খাদ্যৰ পৰা পোৱা উপকাৰৰ পৰা বঞ্চিত হয়। সেয়েহে বিদ্যালয়ত ভৰ্তি হোৱাৰ প্ৰাৰম্ভিক অৱস্থাৰ পৰা শিশুসকলক ভালদৰে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অনুশীলনৰ কৰাটো নিত্যান্তই প্ৰয়োজন। প্ৰাক্ শৈশৱকালীন সময়ছোৱা গুৰুত্বপূৰ্ণ সময়। এই সময়ছোৱাত শিশুসকলৰ ৰোগ প্ৰতিৰোধ সমতাৰো বিকাশ হয়। সেয়েহে শিশুসকলে বিদ্যালয়ত আহিব আৰম্ভ কৰাৰ পৰাই তেওঁলোকক কিছুমান মৌলিক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অনুশীলন কৰোৱাত মনোযোগ দিয়াটো অতি প্ৰয়োজনীয়।

## C-1.1 শিকন ফলাফল ঃ

*তালিকা-1*

| | C-1.1 পুষ্টিকৰ খাদ্য সম্পৰ্কে বুজি পোৱা, খাবলৈ ইচ্ছা প্ৰকাশ কৰা আৰু খাদ্য অপচয় নকৰা | | | | |
|---|---|---|---|---|---|
| | ←——— 3 ৰ পৰা 8 বছৰ বয়স ———→ | | | | |
| 1 | • কোনবোৰ খাদ্য খাব পাৰি আৰু কোনবোৰ খাব নোৱাৰি চিনাক্ত কৰিব পাৰিব।<br>• জ্যেষ্ঠ ব্যক্তিৰ সহায় লৈ কিছুমান পুষ্টিকৰ/স্বাস্থ্যসন্মত খাদ্যৰ নাম ক'ব পাৰিব আৰু খাবলৈ আৰম্ভ কৰিব। | • জ্যেষ্ঠজনৰ সহায় লৈ বিভিন্ন গোটৰ খাদ্য খাবলৈ আগ্ৰহ কৰিব। (খাদ্যৰ গোট-শস্য, পাচলি, ফল-মূল, মাহজাতীয় প্ৰ'টিনযুক্ত খাদ্য (দাইল, বিন, বাদাম, গাখীৰেৰে প্ৰস্তুত কৰা বিভিন্ন খাদ্য। | • স্থায়ীভাৱে বিভিন্ন খাদ্য গোটৰ পৰা খাদ্য নিৰ্বাচন কৰি খাব পাৰিব। | • বিভিন্ন গোটৰ খাদ্য নিৰ্বাচন কৰি বিভিন্ন ধৰণৰ খাদ্যৰ সোৱাদ উপভোগ কৰিব পাৰিব। | • পুষ্টিৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ বিভিন্ন ধৰণৰ খাদ্য খাবলৈ বিচাৰিব। |
| 2 | • কিছুমান পুষ্টিকৰ খাদ্যৰ নাম ক'ব পাৰিব। | • দোকানত বেচা-কিনা কৰা স্বাস্থ্যকৰ আৰু অস্বাস্থ্যকৰ খাদ্য চিনাক্ত কৰিব পাৰিব।<br>• কিছুমান খাদ্য খোৱাটো কিয় অস্বাস্থ্যকৰ যুক্তি দৰ্শাব পাৰিব। | • বিভিন্ন গোটৰ খাদ্যৰ উপকাৰিতা আৰু অপকাৰিতা বুজি পায় ব্যাখ্যা কৰিব পাৰিব। | • সহায় লৈ নিৰ্দিষ্ট খাদ্যৰ প্ৰধান উপাদান চিনাক্ত কৰিব পাৰিব। (যেনে- খিচিৰিত দাইল, পায়সত গাখীৰ)<br>• খাদ্যৰ উপাদানৰ লগত পৰিপুষ্টিকৰ সম্পৰ্ক স্থাপন কৰি ক'বপাৰিব। (যেনে- বাদাম, বৰফি তৈয়াৰ কৰোতে দিয়া গুৰ আৰু বাদাম শৰীৰৰ বাবে উপযোগী। | • ৰন্ধা খাদ্যৰ উপাদান অনুমান কৰি খোৱাতো শৰীৰৰ উপযোগী হয় নে নহয় ক'ব পাৰিব।<br>• পেকেটত থকা খাদ্যৰ উপাদান চিনাক্ত কৰি স্বাস্থ্যৰ বাবে উপযোগী হয়নে নহয় ক'ব পাৰিব। (যেনে- বিস্কুট, চাওচাও আদি খাদ্য সামগ্ৰীৰ পেকেট) |
| 3 | | • ৰন্ধনবিধিৰ ছবি অনুসৰণ কৰি লঘু আহাৰ প্ৰস্তুত কৰিব পাৰিব। | • জ্যেষ্ঠজনৰ সহায়লৈ পুষ্টিকৰ লঘু আহাৰ প্ৰস্তুত কৰা কাৰ্যত অংশগ্ৰহণ কৰিব। (সিজাই লোৱা বুট, গজালি ওলোৱা মগু, বিলাহী আদি মিহলাই ভেলপুৰি/চানচুৰ প্ৰস্তুত কৰা) | • ৰন্ধনবিধি চাই স্বতন্ত্ৰভাৱে পুষ্টিকৰ খাদ্য প্ৰস্তুত কৰিব পাৰিব। | |
| 4 | | • নেপেলোৱাকৈ খাদ্য খাব পাৰিব। | • খাদ্য পৰিবেশন কৰোতে সঠিক পৰিমাণত গ্ৰহণ কৰি খাদ্যৰ অপচয় নকৰাকৈ খাবলৈ সমৰ্থ হ'ব। | • সঠিক পৰিমাণৰ খাদ্য খোৱাৰ বাবে বিচাৰিব। | • ক'তো নেপেলোৱাকৈ স্বতন্ত্ৰভাৱে সঠিক পৰিমাণৰ খাদ্য পৰিবেশন কৰিব পাৰিব। |

## C-1.2 শিকন ফলাফল ঃ

*তালিকা-2*

| C-1.2 নিজৰ যতন লোৱা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নকৈ থকাৰ অনুশীলন কৰা | | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • সহায় লৈ খোৱাৰ আগতে আৰু পাছত আৰু শৌচ-পেচাব কৰাৰ পিছত চাবোনেৰে হাত ধুই কাপোৰেৰে হাত মচি শুকুৱাই ল'ব পাৰিব। | • খোৱাৰ আগতে আৰু পাছত আৰু শৌচ-পেচাব কৰি চাবোনেৰে হাত ধুই কাপোৰেৰে হাত মচি শুকুৱাই ল'বলৈ আৰম্ভ কৰিব। | • সদাই খোৱাৰ আগত আৰু পাছত আৰু শৌচ-পেচাব কৰাৰ পাছত চাবোনেৰে হাত ধুই কাপোৰে হাত মচি শুকুৱাই ল'ব। | • অনাময় ব্যৱহাৰ সঠিক পদ্ধতিৰে কৰাটো পৰিলক্ষিত হ'ব। | • স্বাধীনভাৱে মৌলিক স্বযতন আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিব পাৰিব। |
| 2 | • জ্যেষ্ঠ ব্যক্তিৰ সহায় লৈ নিজৰ পোচাক আৰু জোতা-চেণ্ডেল নিজেই পিন্ধিব পাৰিব। | • নিজৰ পোচাক আৰু জোতা-চেণ্ডেল নিজেই পিন্ধিব পাৰিব। (কাৰো সহায় নোলোৱাকৈ পিন্ধিব পাৰিব)। | • আনৰ তত্বাৱধানত বেজী-সূতাৰে সৰু-সুৰা কপোৰৰ ফটা-চিঙা চিলাই কৰিবলৈ আৰম্ভ কৰিব। | • সহায় লৈ বুটাম লগাব আৰু কাপোৰ সৰু সুৰা ফটাচিঙা চিলাই কৰি ল'ব পাৰিব। | • স্বতন্ত্ৰভাৱে বেজী সূতাৰে বুটাম লগাব আৰু কাপোৰৰ সৰু-সুৰা ফটা-চিঙা চিলাই কৰি ল'ব পাৰিব। |
| 3 | | • নিজৰ যতন লোৱা সামগ্ৰী ব্যৱহাৰ কৰা আৰম্ভ কৰিব (ফনি, দাঁত ঘঁহা ব্ৰাছ) পাৰিব। | | • সঠিকভাৱে স্বযতন লোৱা সামগ্ৰী ব্যৱহাৰ কৰিব পাৰিব। | |

## C-1.3 শিকন ফলাফল ঃ

*তালিকা-3*

| C-1.3 বিদ্যালয়/শ্ৰেণীকোঠা পৰিষ্কাৰ-পৰিচ্ছন্নকৈ আৰু সংগঠিত কৰি ৰখা | | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • নিজৰ বস্তু যেনে- বেগ, পানীৰ বটল, জোতা, ৰুমাল আদিৰ বিষয়ে সজাগতা প্ৰদৰ্শন কৰিব। | • সঠিক স্থানত বস্তু থ'ব আৰু বচাৰি উলিয়াই আনিব পাৰিব। | • ভালদৰে ব্যক্তিগত সামগ্ৰীসমূহ ৰাখিবলৈ যতন কৰিব। | • শিকন সমল যতনেৰে ৰাখিব পাৰিব। | • বিদ্যালয়ৰ সম্পত্তি, কিতাপ, সমল আৰু আচবাববোৰ যতন সহকাৰে ব্যৱহাৰ কৰিব। |
| 2 | • ব্যৱহাৰ কৰা লেতেৰা প্লেট/থাল আৰু বাচন-বৰ্তন নিৰ্দিষ্টকৈ ৰখা স্থানত থ'ব পাৰিব। | • পৰিষ্কাৰকৈ আৰু অপৰিষ্কাৰ গিলাচ, প্লেট/থাল আৰু বাচন-বৰ্তন চিনাক্ত কৰি নিৰ্দিষ্টকৈ ৰখা স্থানত থ'ব পাৰিব। | • নিজে ব্যৱহাৰ কৰা প্লেট/থাল আৰু বাচন-বৰ্তন ধুই ল'ব পাৰিব। | • শ্ৰেণীকোঠা আৰু খেলপথাৰত পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিব। | • শ্ৰেণীকোঠা আৰু খেলপথাৰত পৰিষ্কাৰ কৰা কাৰ্যত অংশগ্ৰহণ কৰিব। |
| 3 | • সহায় লৈ বৰ্জিত সামগ্ৰী পেলাবলৈ ডাষ্টবিন ব্যৱহাৰ কৰিব। | • বৰ্জিত সামগ্ৰী পেলাবলৈ ডাষ্টবিন ব্যৱহাৰ কৰাৰ প্ৰয়াস কৰিব। | • বৰ্জিত সামগ্ৰী পেলাবলৈ সদায় ডাষ্টবিন ব্যৱহাৰ কৰিব। | • পনীয়া আৰু শুকান বৰ্জিত সামগ্ৰী পৃথক কৰিবলৈ প্ৰয়াস কৰিব। | • বৰ্জিত সামগ্ৰী সঠিকভাৱে পৃথক কৰিব পাৰিব। |

## C-1.4 শিকন ফলাফল ঃ

*তালিকা-4*

1

| C-1.4 সৰল সঁজুলি আৰু সামগ্ৰী নিৰাপদ ব্যৱহাৰৰ অনুশীলন কৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • জুই, গৰম চৌকা/ ষ্টোভ, কটাৰী, বৈদ্যুতিক প্লাগ আদি বিপদজনক বস্তু স্পৰ্শৰ পৰা বিৰত থাকিব। | • কেচী, কাটৰী, দিয়াচলাই আদি বিপদজনক সামগ্ৰী সাৱধানতাৰে স্পৰ্শ কৰিব। | • কেচী, কটাৰী আদি আনৰ তত্বাৱধানত সাৱধানতাৰে ব্যৱহাৰ কৰিব পাৰিব। | • নখ কটা যন্ত্ৰ, সৰু কটাৰী আনৰ তত্বাৱধানত ব্যৱহাৰ কৰিব পাৰিব। | • স্বকীয়ভাৱে কেচী, সৰু কটাৰী, নখ কটা যত্ন ব্যৱহাৰ কৰিব পাৰিব। |

## C-1.5 শিকন ফলাফল ঃ

*তালিকা-5*

1

| C-1.5 গতিবিধি (খোজ কাঢ়া, দৌৰা, চাইকেল চলোৱা) আৰু কাম কৰোতে সঠিকভাৱে সুৰক্ষা লোৱাৰ প্ৰতি সজাগতা সচেতনতা প্ৰদৰ্শন কৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • পথ সুৰক্ষা প্ৰয়োজনীয়তা বুজি পায় জ্যেষ্ঠজনৰ হাতত ধৰি পথত খোজ কাঢ়িব। | • পথৰ দুয়োফালে চাই জ্যেষ্ঠজন বা সহপাঠীৰ হাতত ধৰি সুৰক্ষিতভাৱে ৰাস্তা পাৰ হ'ব পাৰিব। | • পথ সুৰক্ষাত নীতি-নিয়ম স্বকীয়ভাৱে অনুসৰণ কৰিব (ৰাস্তাৰ কাষেৰে খোজ কঢ়া, ৰাস্তা পাৰ হোৱাৰ নিয়ম আদি)।<br>• ট্ৰেফিক চিহ্ন (ট্ৰেফিক লাইট, জেব্ৰা ক্ৰচিং, ইউ টৰ্ন, দলং/ ৰে'ল লাইন আদি পাৰ হওতে) | • চাইকেল চলাওতে পদপথত জনসাধাৰণৰ সুৰক্ষাৰ বাবে যান-বাহনৰ আৰোহীৰ বাবে ধাৰ্য কৰা সাধাৰণ নীতি-নিয়ম পালন কৰিব পাৰিব। | • চাইকেল চলাওতে আৰু খোজ কাঢ়োতে জনসাধাৰণৰ বাবে বান্ধি দিয়া নীতি-নিয়ম অনুসৰণ কৰিব পাৰিব।<br>• সুৰক্ষাৰ সংকেত চিনাক্ত কৰি বিপদৰ পৰা হাত সাৰি থাকিব পাৰিব। (বিদ্যুৎ, জুই, মেৰামতি, গাত খান্দি থকা কাৰ্যৰ সংকেত ) |

## C-1.6 শিকন ফলাফল ঃ

*তালিকা-6*

| | C-1.6 অসুৰক্ষিত পৰিস্থিতি বুজি পোৱা আৰু সহায় বিচৰা | | | | |
|---|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | | |
| 1 | • চিনাকি আৰু অচিনাকি জ্যেষ্ঠ ব্যক্তিৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। | • বিশ্বাসযোগ্য জ্যেষ্ঠ ব্যক্তিৰ সৈতে যোগাযোগ কৰিবলৈ দিলে অস্বস্তিৰ ভাব দেখুৱাব।<br>• অচিনাকি ব্যক্তিৰ পৰা চকলেট, পুতলা, টকা-পইচা আন কোনো বস্তু গ্ৰহণ নকৰে। | • নিৰাপদ আৰু অসুৰক্ষিত স্পৰ্শৰ পাৰ্থক্য বুজি পায়।<br>• অচিনাকি ব্যক্তিৰ পৰা দূৰত্ব বজাই চলে।<br>• স্বয়ংকিতভাৱে বিশ্বাসযোগ্য জ্যেষ্ঠ ব্যক্তিৰ সৈতে অস্বস্তিৰে ভাৱ-বিনিময় কৰে, যোগাযোগ কৰে। | • সহপাঠী আৰু জ্যেষ্ঠ ব্যক্তিৰ সহায় নিজৰ ভাষাৰে বিচাৰিব পাৰিব। | • কোনো অসুৰক্ষিত স্পৰ্শ/আচৰণ নিৰীক্ষণ কৰিলে অভিযোগ দিব আৰু সঠিক দূৰত্ব চলিব। |
| 2 | | | • যেতিয়া আঘাতপ্ৰাপ্ত হয় জ্যেষ্ঠ ব্যক্তিৰ সহায় বিচাৰে (যেনে- আঁঠুত দুখ পালে, জুয়ে পুৰিলে, বৈদ্যুতিক চক পালে)।<br>• জৰুৰীকালীন পৰিস্থিতিত সমাজৰ কোন সকল ব্যক্তিৰ পৰা সহায় বিচাৰিব পাৰি চিনাক্ত কৰিব পাৰিব। | • মৌলিক সুৰক্ষা বিধি বুজি পাব আৰু কাৰ্যত প্ৰয়োগ কৰিব পাৰিব। (যেনে- পোৱাৰ পিছত পোৱা ঠাইখিনি ঠাণ্ডা পানীৰে ধোৱা) | |

## CG-2: শিশুসকলৰ সজ্ঞানাত্মক/সংবেদনাত্মক উপলব্ধি শক্তি প্ৰবল হ'ব ঃ

শিকনৰ বাবে সংবেদনাত্মক বিকাশ মৌলিক/বুনিয়াদী আমাৰ সংবেদনাত্মক ৰিসপটৰৰ মাজত নিউৰোনৰ গভীৰ সংযোগ স্থাপনে আমাৰ ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতি, আমাৰ চিন্তাধাৰা আনকি আমাৰ চেতনাও লাহে লাহে উন্মোচিত হয়। শিশুসকলক সংবেদনাত্মক বিকাশৰ পৰ্যাপ্ত অভিজ্ঞতা প্ৰদান কৰাটো অকল প্ৰজ্ঞাত্মক/বৌদ্ধিক বিকাশৰ পূৰ্বৱৰ্তী পৰ্যায় হিচাপে নাছাই সামগ্ৰিক বিকাশৰ বাবে শিশুৰ স্বতন্ত্ৰ ক্ষমতা বিকাশ কৰাৰো মাধ্যম হিচাপেও বিবেচনা কৰা উচিত। শিশুৰ সংবেদনাত্মক/সজ্ঞানাত্মক বিকাশৰ গুৰুত্বই শিকনত প্ৰভাৱ পেলাব পৰা বাধাগ্ৰস্থতা প্ৰাৰম্ভিক অৱস্থাতে চিনাক্ত কৰাত সহায় কৰে।

## C-2.1 শিকন ফলাফল ঃ

*তালিকা-7*

| | C-2.1 আকৃতি, ৰং আৰু ৰঙৰ গাঢ়তাৰ ওপৰত ভিত্তি কৰি পাৰ্থক্য উলিয়াব পৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • প্ৰাথমিক ৰঙকেইটাৰ (ৰঙা, নীলা, হালধীয়া) আৰু পৰিৱেশত সাধাৰণতে দেখি থকা ৰংকেইটাৰ (ক'লা, বগা, মটীয়া) নাম ক'ব পাৰিব আৰু পাৰ্থক্য উলিয়াব। | • প্ৰাথমিক আৰু গৌণ ৰঙৰ ভিতৰত ৰঙৰ গাঢ়তাৰ পাৰ্থক্য উলিয়াব পাৰিব (যেনে- পাতল, নীলা আৰু গাঢ় নীলাৰ মাজত, পাতল সেউজীয়া আৰু গাঢ় সেউজীয়াৰ মাজত আদি) | • দুটা ৰং মিহলি কৰিলে কি ৰঙৰ সৃষ্টি হ'ব অনুমান কৰিবলৈ আৰম্ভ কৰিব। (যেনে- নীলা আৰু হালধীয়া ৰং মিহলি কৰিলে সেউজীয়া ৰং পোৱা যাব, নতুবা ৰঙা আৰু বগা ৰং মিহলালে গুলপীয়া ৰং পোৱা যাব পাৰি।) | • দুটা ৰং মিহলি কৰাৰ ফলত কি ৰঙৰ সৃষ্টি হ'ব অনুমান কৰিব পাৰিব। | • পৰীক্ষা-নিৰীক্ষা কৰি শিল্পকৰ্মত, ছবি আঁকা, সজোৱা, প্ৰদৰ্শন কৰা আদি কাৰ্যত ৰং ব্যৱহাৰ কৰিব পাৰিব। |
| 2 | • বস্তুৰ ৰঙৰ ওপৰত ভিত্তি কৰি গোট তৈয়াৰ কৰিব পাৰিব। | • বস্তুৰ মাত্ৰা (dimension)ৰ ওপৰত ভিত্তি কৰি গোট তৈয়াৰ কৰিব পাৰিব। (মাত্ৰা-দৈৰ্ঘ্য, প্ৰস্থ, উচ্চতা, ৰং যেনে- আটাইবোৰ দীঘল বস্তু একেলগ কৰি গোট তৈয়াৰ কৰিব পাৰিব, আটাইবোৰ হালধীয়া ৰঙৰ বস্তু একেলগ কৰিব পাৰিব। | • ৰং আৰু আকৃতিৰ সংযোজন কৰা বস্তুৰ দৃশ্যমান বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি গোট তৈয়াৰ কৰিব পাৰিব। (যেনে- সকলোবোৰ ৰঙা ৰঙৰ ত্ৰিভুজ একেলগ কৰিব পাৰিব, আটাইবোৰ ডাঙৰ সেউজীয়া পাত একেলগ কৰিব পাৰিব আদি)। | • বিভিন্ন আকৃতি, ৰং আৰু ৰঙৰ গাঢ়তাৰ প্ৰভেদ (পাতল/গাঢ়) চিনাক্ত আৰু ৫ গোট তৈয়াৰ কৰি লৈ চানেকি, পাজলৰ সমস্যা সমাধান আৰু ক্ৰিয়াকলাপ কৰিব পাৰিব। | |

## C-2.2 শিকন ফলাফল ঃ

*তালিকা-8*

| | C-2.2 চিহ্ন উপস্থাপনৰ বাবে দৃশ্যমান স্মৃতিশক্তিৰ বিকাশ সাধন | | |
|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | |
| 1 | • একে আৰ্হি, অভিমুখীতা আৰু আকাৰৰ দুটা দৃশ্যমান চিহ্ন মিলাব পাৰে। (যেনে- + লগত + মিলোৱা, ০০ লগত ০০ মিলোৱা) | • একে আৰ্হিৰ বস্তু বেলেগ অভিমুখীতা আৰু আকাৰৰ দুটা দৃশ্যমান চিহ্ন মিলাব পাৰিব, (যেনে- × লগত +, ০০ লগত ৪) | • স্মৰণ কৰি দৃষ্টিলব্ধ চিহ্নসমূহ মনত পেলাই মিলাব পাৰিব, যেনে- কাৰ্ড ব্যৱহাৰ কৰি স্মৃতিৰ খেল খেলিব পাৰিব। |

## C-2.3 শিকন ফলাফল ঃ

*তালিকা-9*

| C-2.3 শব্দৰ তীক্ষ্ণতা, তীব্ৰতা, শব্দৰ আৰ্হি আৰু গতিৰ ওপৰত ভিত্তি কৰি শব্দৰ মাজত পাৰ্থক্য উলিয়াব পৰা | | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • পৰিৱেশত শুনা শব্দবোৰৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। | • উচ্চস্তৰ আৰু নিম্নস্তৰৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব যেনে- চৰাই আৰু প্ৰাণীৰ মাত, বাদ্যযন্ত্ৰ আৰু মানুহৰ কণ্ঠ | • মধ্যম স্তৰ চিনাক্ত কৰিব পাৰিব। | • কোনো দুটা শব্দ/সুৰ তীক্ষ্ণতা আৰু তীব্ৰতাৰ ক্ষেত্ৰত ৰজিতা খাইছেনে উপলব্ধি কৰি ক'ব পাৰিব। | • এটা নিৰ্দিষ্ট স্কেলত সংগীতৰ সুৰৰ ৰৈখিক আৰু অৰৈখিক অগ্ৰগতিৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। |
| 2 | • কোলাহলপূৰ্ণ আৰু কোমল শব্দৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। | • তালৰ মন্থৰ আৰু তীব্ৰ গতিৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। | • শব্দৰ তীব্ৰতা আৰু গতিত মধ্যম স্তৰ চিনাক্ত কৰিব পাৰিব। | • যিকোনো বাদ্যযন্ত্ৰৰ গতি সলনি হোৱাতো চিনাক্ত কৰিব পাৰিব। | |

## C-2.4 শিকন ফলাফল ঃ

*তালিকা-10*

| C-2.4 একাধিক গোন্ধ আৰু সোৱাদৰ পাৰ্থক্য উলিয়াব পৰা | | | |
|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | |
| 1 | • বেয়া আৰু ভাল গোন্ধ চিনাক্ত কৰিব পাৰে (সুগন্ধি দ্ৰব্য, ফুল, জাবৰ আদি) | • ফুল, সুগন্ধি দ্ৰব্য, খাদ্যৰ গোন্ধৰ পাৰ্থক্য উলিয়াব পাৰে। | • বেয়া গোন্ধ চিনাক্ত কৰিব পাৰে (চিগাৰেট, হুপা, পচা কণী)। |
| 2 | • মিঠা, নিমখীয়া, তিতা, টেঙা আৰু জ্বলা সোৱাদ চিনাক্ত কৰিব পাৰিব। | • বিভিন্ন প্ৰকাৰৰ খাদ্যৰ সোৱাদ আৰু গুণাগুণ উদঘাটন কৰিব পাৰিব। | |

### C-2.5 শিকন ফলাফল ঃ

*তালিকা-11*

| | C-2.5 স্পৰ্শানুভূতিৰে বৈষম্য/বৈসাদৃশ্য উলিয়াব পৰা | | | |
|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | |
| 1 | • কোমল আৰু টান/কঠিন, গৰম আৰু ঠাণ্ডা, খহটা আৰু মিহি পৃষ্ঠতলৰ মাজৰ পাৰ্থক্য উলিয়াব পাৰিব। | • টান (কঠিন) আৰু কোমল, গৰম আৰু ঠাণ্ডা, খহটা আৰু মিহিৰ ভিত্তিত দুটা বস্তুৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। | • কঠিন আৰু কোমল, গৰম আৰু ঠাণ্ডা, খহটা আৰু মিহি আদি শুদ্ধ শব্দ কৈ 3-5 টা বস্তু ক্ৰমত সজাব পাৰিব। | • তুলনা কৰি পোৱা ভিন্নতা সূক্ষ্মভাৱে সম্প্ৰসাৰিত কৰিব পাৰিব। যেনে- ফুলি থকা, নোমাল/লোমশ, বোৰা, বিন্ধা/খোচ খোৱা, পোটকা পৰা আদি। |

### C-2.6 শিকন ফলাফল ঃ

*তালিকা-12*

| | C-2.6 সামগ্ৰিক অভিজ্ঞতা প্ৰাপ্তিৰ সচেতনতাৰ/সজাগতাৰ বাবে সংবেদনশীল ধাৰণাসমূহ একত্ৰিত কৰিবলৈ আৰম্ভ কৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • গভীৰকৈ উশাহ ল'ব আৰু নিশাহ এৰি দিব পাৰিব। | • পাতল বস্তু ফুৰাই উৰাব পাৰিব। (যেনে- কাগজ) | • ছন্দযুক্তভাৱে উশাহ ল'ব আৰু নিশাহ এৰিব পাৰিব। | • লাহে লাহে দীঘলীয়া সময় ধৰি উশাহ ল'ব আৰু নিশাহ এৰিব পাৰিব। | • শ্বাস-প্ৰশ্বাসৰ অনুলোম-বিলম কৰিব পাৰিব। |
| 2 | | • স্থিৰ হৈ কম সময়ৰ বাবে বহি শুই থাকিব পাৰিব। | • স্থিৰ হৈ বহি কম সময়ৰ বাবে শ্বাস-প্ৰশ্বাসত মনোযোগ দিব পাৰিব। | • স্থিৰ হৈ বহি কম সময়ৰ বাবে মনোযোগেৰে আন ইন্দ্ৰিয়/সংবেদনশীল উপলব্ধি অনুভৱ কৰিব পাৰিব। | • স্থিৰ হৈ বহি নিজৰ চিন্তাৰ গতি পৰ্যৱেক্ষণ কৰিব পাৰিব। |

## CG-3: শিশুসকল সবল আৰু নমনীয় শৰীৰৰ অধিকাৰী হ'ব ঃ

শিশুৰ শাৰীৰিক বিকাশৰ এক নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ এই বয়সৰ শিশুসকলক (3-8 বছৰ) ব্যায়ামৰ জৰিয়তে বিভিন্ন স্থুলপেশীৰ গোটৰ মাজত সমন্বয় সাধন কৰাৰ সুযোগ দিয়াটো বৰ প্ৰয়োজন। স্থুলপেশীৰ বিকাশে স্থুলপেশীৰ গোটসমূহৰ মাজত সমন্বয় সাধন কৰে ফলত গতিবিধি আৰু ভাৰসাম্য ৰক্ষাত সহায়ক হয়। সূক্ষ্ম পেশীৰ বিকাশে সূক্ষ্ম পেশীৰ দক্ষতা আৰু চকু-হাতৰ সমন্বয় সাধন কৰে। শৰীৰৰ আটাইবোৰ পেশীৰ গোটৰ মাজত সমন্বয় সাধন কৰাটোও বৰ গুৰুত্বপূৰ্ণ।

## C-3.1 শিকন ফলাফল ঃ

*তালিকা-13*

| | C-3.1 বিভিন্ন ক্ৰিয়া-কলাপত সংজ্ঞানাত্মক/সংবেদনশীল উপলব্ধি আৰু শৰীৰৰ গতিবিধিৰ মাজত সমন্বয় দেখুৱাব পৰা | | | |
|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | |
| 1 | • বল দলিওৱা, থপিয়াই ধৰা, লঠিওৱা আদি কাৰ্য সাধাৰণ নিয়ন্ত্ৰণেৰে কৰাৰ প্ৰয়াস কৰিব পাৰিব। | • ডাঙৰ বল থপিয়াই ধৰা, দলিওৱা আৰু বলটো লঠিয়াই আগুৱাই লৈ যোৱা কাৰ্য শক্তি প্ৰয়োগ কৰিব পাৰিব।<br>• চমু দূৰত্বৰ ভিতৰত কিছু সঠিকভাৱে বল লক্ষ্যলৈ দলিয়াব পাৰিব। | • বিভিন্ন আকাৰৰ বল থপিয়াই ধৰা, দলিওৱা, লঠিওৱা কাৰ্য অধিক উন্নতভাৱে কৰিব পাৰিব। | • বল খেলত অংশগ্ৰহণ কৰোতে বল থপিয়াই ধৰা, দলিওৱা, লঠিওৱা কাৰ্য কৰিব পাৰিব। |

## C-3.2 শিকন ফলাফল ঃ

*তালিকা-14*

| | C-3.2 বিভিন্ন শাৰীৰিক ক্ৰিয়া-কলাপত ভাৰসাম্যতা, সমন্বয় আৰু নমনীয়তা প্ৰদৰ্শন কৰিব পৰা | | | | |
|---|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | | |
| 1 | • কোনো বস্তুৰ সহায় লৈ এখন ভৰিৰে থিয় হ'ব পাৰিব। | • কোনো সহায় নোলোৱাকৈ এখন ভৰিৰে বহু সময় থিয় হৈ থাকিব পাৰিব।<br>• 4-5 পদক্ষেপ জঁপিয়াই যাব পাৰিব। | • 4-5 পদক্ষেপ জঁপিয়াই যাব পাৰিব। | • জঁপিয়াই জঁপিয়াই এটা সম্পূৰ্ণ খেল খেলিব পাৰিব। | • ৰচীৰ ওপৰেৰে সহজে জঁপিয়াই যাব পাৰিব। |
| 2 | • এখন ভৰিৰ ওপৰত শৰীৰৰ ভাৰসাম্যতা কম/অলপ সময়ৰ বাবে ৰাখিব পাৰিব। | • বিভিন্ন পৃষ্ঠত শৰীৰৰ ভাৰসাম্যতা ৰক্ষা কৰিব পাৰিব। যেনে- ইটা, জখলা আদি) | • মূৰৰ ওপৰত বস্তু থয় শৰীৰৰ ভাৰসাম্য ৰাখি খোজ কাঢ়িব পাৰিব। (মূৰৰ ওপৰত কিতাপ থৈ নেপেলোৱাকৈ খোজ কাঢ়িব পাৰিব)<br>• ভালদৰে শৰীৰৰ ভাৰসাম্যতা ৰক্ষা কৰাটো প্ৰদৰ্শন কৰিব পাৰিব (যেনে- সহায় নোলোৱাকৈ চাইকেল চলাব পাৰিব) | • গধূৰ বস্তু যেনে- চকী, টেবুল, বেগ আদি ভালদৰে ভাৰসাম্য ৰাখি কঢ়িয়াব পাৰিব।<br>• শৰীৰৰ ভাৰসাম্য ৰাখি দ্ৰুতগতিৰে কাৰ্য কৰিব পাৰিব। (যেনে- শৰীৰৰ ভাৰসাম্য ৰাখি চাইকেল দ্ৰুতগতিত/বেগেৰে চলাব পাৰিব।) | • সক্ৰিয়/প্ৰাণৱন্তভাৱে আৰু শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰি কাৰ্য কৰাটো প্ৰদৰ্শন কৰিব পাৰিব। (যেনে- গছত উঠা, জংগল জিম (jungle gym) কৰা আদি কাৰ্য।)<br>• এখন ভৰি কোচ খুৱাই আনখন ভৰিৰ ওপৰত 1 মিনিটৰ বাবে থিয় হৈ থাকিব পাৰিব। (ধ্ৰুৱাসন) |

## C-3.3 শিকন ফলাফল ঃ

*তালিকা-15*

1

| C-3.3 বিভিন্ন ক্ৰিয়া-কলাপত সংজ্ঞানাত্মক/সংবেদনশীল উপলব্ধি আৰু শৰীৰৰ গতিবিধিৰ মাজত সমন্বয় দেখুৱাব পৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • সাধাৰণ ক্ৰিয়া-কলাপৰ সূক্ষ্মপেশীৰ কৌশল, চকু আৰু হাতৰ সমন্বয় আৰু পেশীয় শক্তি প্ৰদৰ্শন কৰাটো পৰিলক্ষিত হ'ব (যেনে- আক্-বাক্ কৰা, কাগজ ফালা আৰু আঠা লগোৱা, মুক্ত হস্তেৰে ৰং কৰা, মাটিৰে বস্তু তৈয়াৰ কৰা আদি ক্ষেত্ৰত। | • চকু আৰু হাতৰ সমন্বয়ৰ প্ৰয়োজন হোৱা কাৰ্য পেশীৰ নিয়ন্ত্ৰণ সহকাৰে কিছু নিখুঁতভাৱে কৰিব পাৰিব। (যেনে- ডাঙৰ আকৃতি কটা, ডাঙৰ মণিৰে মালা গাঠা, বুটাম মৰা, বটলৰ সাঁফৰ খোলা আৰু বন্ধ কৰা, ৰং পেঞ্চিলেৰে ৰং কৰা আদি কাৰ্য) | • সূক্ষ্মপেশীৰ সমন্বিত গতি প্ৰয়োজন হোৱা ক্ৰিয়া-কলাপ কিছু সহায়লৈ অধিক নিখুঁতভাৱে কৰে। (যেনে- পেঞ্চিলেৰে ছবি আঁকা, সৰল আৰু বক্ৰ ৰেখাত কটা, সৰু মণিৰে মালা গাঠা, স্পষ্টকৈ আখৰ লিখা, ষ্ট্ৰিঙেৰে ফুলৰ মালা গাঠা, পৰিসীমাৰ ভিতৰত ৰং কৰা আদি কাৰ্য | • সূক্ষ্মপেশীৰ সমন্বিত গতি প্ৰয়োজন হোৱা শিল্পকলাৰ ক্ৰিয়া-কলাপ নিখুঁতভাৱে কৰিব পাৰিব। (যেনে- স্পষ্টকৈ লিখা, ছবি আঁকা, সৰু বল থপিয়াই ধৰা, জ্যামিতিক আকৃতিৰ প্ৰতিলিপি আঁকা, স্বচ্ছ কাগজত প্ৰতিলিপি তৈয়াৰ কৰা, চানেকি তৈয়াৰ কৰা আদি কাৰ্য) | • বেছি সময়সূচী সূক্ষ্মপেশীৰ নিয়ন্ত্ৰণ ৰাখি কৰিবলগীয়া কাৰ্য নিখুঁততাৰে আৰু বিতংভাৱে কৰিব পাৰিব। (যেনে- বেজীত সূতা ভৰোৱা, বেজীৰে কৰা কাৰ্য, বেজী-সূতাৰে কৰা কাৰ্য, চিত্ৰাংকন, মোটামোটিভাৱে ছবি অংকন কৰা (sketching) আদি কাৰ্য) |

| অধিক উদাহৰণ | | |
|---|---|---|
| **3-4 বছৰ** | **4-6 বছৰ** | **6-8 বছৰ** |
| • এখন হাতেৰে গিলাচ ধৰি ৰাখিব পাৰিব।<br>• ক্ৰেয়ন/ৰং পেঞ্চিল বুঢ়া আঙুলি আৰু আঙুলিৰে ধৰি ৰাখিব পাৰিব।<br>• স্বতঃস্ফূৰ্তভাৱে ছবি অঁকা কাৰ্যত অংশগ্ৰহণ কৰিব পাৰিব, যেনে- আঁক বাক কৰা, মণি বন্ধনৰ সহায় লৈ ৰং কৰা।<br>• মাটিৰ লডা বনাই বল আৰু দীঘলীয়া আকৃতিৰ পাইপ আদি সাঁজিব পাৰিব।<br>• জুলীয়া বস্তু লৈ চামুচ এখন বেছি নেপেলোৱাকৈ ধৰি ৰাখিব পৰিব।<br>• কাগজত সাধাৰণভাৱে এটা ভাৰ দিব পাৰিব।<br>• সমন্বিত গতিৰে মণিৰে মালা গাঠা, ফুটাত সৰু বস্তু খাপ খুৱাই লোৱা, কেচীৰে কাগজ কাটা, ডাঙৰ কাগজ এখনত সৰু সৰু কাগজ কাটি আঠা লগোৱা আদি কাৰ্য কৰিব পাৰিব।<br>• ব্লকেৰে সৰল নক্সা তৈয়াৰ কৰিব পাৰিব। | • সহায় নোলোৱাকৈ নিজৰ খাদ্য নিজে পৰিৱেশন কৰিব পাৰিব।<br>• চামুচেৰে সঠিকভাৱে খাব পাৰিব।<br>• বিভিন্ন ছবি অঁকা আৰু শিল্পকলাৰ সামগ্ৰী ব্যৱহাৰ কৰে (যেনে- ক্ৰেয়ন, ব্ৰাচ, আঙুলিৰ চাপেৰে ছঁবি আকা)<br>• কিতাপৰ পৰা ব্লক আৰু আকৃতিৰ প্ৰতিলিপি আঁকিব পাৰিব।<br>• সৰল আৰু বক্ৰ ৰেখাত কাঁটিব পাৰিব।<br>• জটিল কাৰ্য সমন্বিত গতিৰে সম্পূৰ্ণ কৰিব পাৰিব। (যেনে- এডাল ৰেখাৰ দিশত কাটিব পাৰিব, চালা কাৰ্য, বুটাম, জিপাৰ (zippers) আদি লগোৱা কাৰ্য)<br>• ষ্ট্ৰিং বোৰ্ডত ষ্ট্ৰিংঙেৰে বস্তুৰ নক্সা তৈয়াৰ কৰিব পাৰিব। (যেনে- এটা সম্পূৰ্ণ ফুলৰ নক্সা, এটা বিশেষ চানেকি তৈয়াৰ কৰাৰ নীতি অনুসৰি নকৰিবও পাৰে। | • মজিয়াত বল মাৰি দি ওপৰলৈ উঠা, বল থপিয়াই ধৰিব পাৰিব।<br>• আকাংক্ষিত আৰ্হি সাজিবলৈ ষ্ট্ৰিঙৰ সহায়ত ফুল, মণি আদিৰে।<br>• ষ্ট্ৰিঙৰ সহায়ত ফুল, মণি আদিৰে আকাংক্ষিত চানেকি সাজিব পাৰিব।<br>• পেঞ্চিল সঠিকভাৱে ধৰিব। আঙুলি আৰু হাতৰ নিয়ন্ত্ৰিত গতিৰে মসৃণভাৱে কটামেলা, চিলাই কৰা, ধৰি ৰখা, বুটাম লগোৱা আদি কাৰ্য কৰিব পাৰিব।<br>• সমন্বিত গতিৰে লিখিব আৰু ৰং কৰা সঁজুলি ব্যৱহাৰ কৰিব পাৰিব।<br>• সঠিকভাৱে হাতৰ চাপ দি আৰু নিয়ন্ত্ৰিত গতিৰে লিখিব আৰু ছবি অঁকা সঁজুলি ধৰিব পাৰিব।<br>• ব্লকৰ পৰিসীমা আঁকি প্ৰতিলিপি তৈয়াৰ কৰিব পাৰিব।<br>• সৰল জ্যামিতিক আকৃতিৰ প্ৰতিলিপি তৈয়াৰ কৰিব পাৰিব। |

### C-3.4 শিকন ফলাফল ঃ

*তালিকা-16*

| | C-3.4 বস্তু কঢ়িওৱা, খোজ-কঢ়া, দৌৰা আদি কাৰ্যত শক্তি আৰু সহিষ্ণুতা প্ৰদৰ্শন কৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • সৰল ৰেখা/চিধা লাইনৰ ওপৰেৰে খোজ কাঢ়িব পাৰিব।<br>• বিপৰীত দিশত খোজ কাঢ়িব পাৰিব।<br>• ভৰি দুখনত ৰচী বান্ধি খোজ কাঢ়িব পাৰিব। (6 + খোজ)<br>• দিশ আৰু গতি সলনি কৰি সহজভাৱে খোজ কাঢ়িব আৰু দৌৰিব পাৰিব। | • বক্ৰ ৰেখাত খোজ কাঢ়িব পাৰিব।<br>• 6 ইঞ্চি বহল কাঠৰ ওপৰেৰে শৰীৰৰ ভাৰসাম্য ৰাখি খোজ কাঢ়িব পাৰিব।<br>• সুৰঙ্গৰ মাজেৰে আঠু কাঢ়ি যাব পাৰিব। | • শৰীৰৰ গতিবিধিৰ সমন্বয় সংগতি ৰাখি খোজ কাঢ়িব আৰু দৌৰিব পাৰিব।<br>• ভৰিৰ আঙুলিত ভৰ দি হাত দুখন মূৰৰ ওপৰত ধৰি ৰাখি খোজ কাঢ়িব পাৰিব। (যেনে- তদাসন 10 মিটাৰ কৰিব পাৰিব।) | • বিভিন্ন ভূখণ্ডত সহজে 1 কিলোমিটাৰ খোজ কাঢ়িব পাৰিব।<br>• মূৰৰ ওপৰত হাত দুখন ধৰি ৰাখি স্থিৰভাৱে থিয় হৈ থাকিব পাৰিব। | • বিভিন্ন ভূখণ্ডত শৰীৰৰ সমন্বয় আৰু সংগতি ৰাখি খোজ কাঢ়িব পাৰিব। (প্ৰায় 2-3 কিলোমিটাৰ) |
| 2 | • একে ঠাইতে জঁপিয়াব আৰু<br>• এটা বাধাৰ ওপৰেৰে জঁপিয়াব পাৰিব।<br>• $2^{1}/2$-3 ফুট ওখলৈ জঁপিয়াব পাৰিব। | • দুখন ভৰিৰে চুটি বস্তুৰ ওপৰেৰে কিছু সহায় লৈ জঁপিয়াব পাৰিব। | • মধ্যমীয়া উচ্চতাৰ পৰা সহজে জঁপিয়াব পাৰিব। (যেনে- এখনৰ ওপৰত এখনকৈ ৰখা 2-3 খন বেঞ্চৰ উচ্চতা প্ৰায় 3 ফুট) | • ওপৰলৈ বগাই গৈ সহজে জঁপিয়াব পাৰিব (চাপৰ গছত) | • ইফালে-সিফালে দৌৰিব পাৰিব আৰু বস্তুৰ ওপৰেৰে সহজে জঁপিয়াব পাৰিব। |
| 3 | • সৰু বোজা কঢ়িয়াই লৈ যাব পাৰিব। (যেনে- বালি ভৰোৱা সৰু মগ কঢ়িয়াই এঠাইৰ পৰা আনঠাইলৈ যাব পাৰিব) | • স্থূলপেশীৰ শক্তি প্ৰয়োজন হোৱা কাৰ্য কৰিবলৈ আগ্ৰহ দেখুৱাব। (যেনে- শ্ৰেণীকোঠাৰ সৰু আচবাব ইফাল-সিফাল কৰিবলৈ/ স্থানান্তৰিত কৰিবলৈ সহায় কৰিব পাৰিব। | • শক্তি প্ৰয়োজন হোৱা খেল আৰামেৰে খেলিব পাৰিব। (যেনে- ৰচী টানা খেল) | • শক্তি প্ৰয়োগ কৰি আৰু সংগতিপূৰ্ণভাৱে খেলে বা কাৰ্য কৰে। (যেনে- বাগিছাৰ টাব দাঙা/ওঠোৱা, পানী ভৰ্তি বাল্টি কঢ়িওৱা, প্ৰায় 15 মিনিট সময় একেলেঠাৰিৰে দৌৰা আদি। | |

## 1.1.2 সামাজিক-আৱেগিক আৰু নৈতিকতাৰ বিকাশ ঃ

শাৰীৰিক আৰু প্ৰজ্ঞাত্মক/বৌদ্ধিক বিকাশৰ লগতে শিশুৰ আৱেগিক বিকাশৰ প্ৰতিও ধ্যান দিয়াটো গুৰুত্বপূৰ্ণ। এইটো ভালদৰে প্ৰতিষ্ঠিত যে আৱেগিক বুদ্ধিমত্তা হ'ল নিজৰ আৱেগ বুজি পোৱা আৰু পৰিচালনা কৰিব পৰা সামৰ্থতা, আৱেগিক বুদ্ধিমত্তা প্ৰজ্ঞাত্মক বুদ্ধিমত্তাৰ দৰে সমানেই গুৰুত্বপূৰ্ণ। নিজৰ আৱেগ বুজি পোৱা আৰু পৰিচালনা কৰিব পৰাৰ লগতে আনৰ সহমৰ্মিতা আৰু সহানুভূতিশীল হোৱাত সহায় কৰে। এইটো স্তৰৰ (৩-৮ বছৰ) শিশুসকলৰ সামাজিক আৰু আৱেগিক বুদ্ধিমত্তাৰ সুদৃঢ় ভেটি গঢ়ি উঠাতো শিকন ফলাফলসমূহ আয়ত্বকৰণৰ দ্বাৰা স্পষ্টকৈ প্ৰকাশ হ'ব।

# CG-4: শিশুৰ আৱেগিক বুদ্ধিমত্তাৰ বিকাশ ঃ

তলৰ দিশসমূহ সামৰি লয়—

- **ইতিবাচক 'স্ব-ধাৰণা'/'আত্মধাৰণা' ঃ** আত্ম ধাৰণাৰ পৰিৱৰ্তন আৰু ধাৰাবাহিকতাৰ প্ৰতি সচেতন হোৱাত মনোযোগ নিৱদ্ধ কৰিব পাৰিব আৰু এইবোৰ চিনাক্ত কৰাত সামৰ্থ অৰ্জন কৰিব।
- **আৱেগিক সচেতনা আৰু নিয়ন্ত্ৰণ ঃ** নিজৰ আৱেগৰ প্ৰতি সচেতন হোৱাটো আৰু আৱেগ নিয়ন্ত্ৰণ কৰিব পৰা সামৰ্থতাৰ বিকাশ এটা জটিল প্ৰক্ৰিয়া। এইটো জীৱনৰ পাছৰ সময়ছোৱাতকৈ প্ৰাৰম্ভিক অৱস্থাত ভালদৰে বিকাশ হয়। এইটো বুজা প্ৰয়োজন যে আৱেগ নিয়ন্ত্ৰণ কৰিব পৰাটো এটা কৌশল যি স্বেচ্ছামূলক প্ৰচেষ্টাৰ দ্বাৰা বিকাশ হয়, ভাবুকিৰ প্ৰতি ভয়ৰ সঁহাৰি হিচাপে নহয়। আৱেগিক বিকাশ সচা অৰ্থত সহানুভূতি পৰিৱেশত হয়।
- **সামাজিক বিকাশ ঃ** নৈতিকতা, মানৱতাবাদ আৰু সংবিধানিক মূল্যবোধৰ বিকাশৰ ভেটি হ'ল সামাজিক বুদ্ধিমত্তা। আনৰ লগত ভাৱ-বিনিময় কৰোতে আৰু এই ভাৱ-বিনিময়ৰ দ্বাৰা আনৰ প্ৰয়োজন আৰু আৱেগিক স্থিতি/অৱস্থা চিনাক্ত কৰিব পৰাৰ পৰাই অৰ্থাৎ প্ৰাৰম্ভিক অৱস্থাতে সামাজিক বুদ্ধিমত্তাৰ বিকাশ হয়। এই ক্ষেত্ৰত 'আনৰ সম্পৰ্কে অৰ্থাৎ আনৰ পটভূমি আৰু প্ৰয়োজনীয়তাৰ বৈচিত্ৰ্যক স্বীকৃতি দিয়াৰ মূল্যবোধৰ সামৰ্থতা শিশুসকলৰ মাজত বিকাশ হয়।

## C-4.1 শিকন ফলাফল ঃ

*তালিকা-17*

<table>
<tr><th></th><th colspan="4">C-4.1 পৰিয়াল আৰু সমাজৰ অন্তৰ্গত ব্যক্তি হিচাপে নিজক নিচাক্ত কৰিবলৈ/স্বীকৃতি দিবলৈ আৰম্ভ কৰা</th></tr>
<tr><th></th><th colspan="4">← 3 ৰ পৰা 8 বছৰ বয়স →</th></tr>
<tr><td>1</td><td>• নিজকে এজন অদ্বিতীয় ব্যক্তি হিচাপে সজাগতা প্ৰদৰ্শন কৰিব পাৰিব। (যেনে- নিজৰ পচন্দৰ চাৰ্ট, বেগ বা আন বস্তু উনুকিয়াব/উল্লেখ কৰিব পাৰিব।)</td><td>• নিজকে পৰিয়াল, চুবুৰী, বিদ্যালয় নগৰৰ এজন সদস্য হিচাপে চিনাক্ত কৰাৰ লগতে বিভিন্ন ব্যক্তিয়ে সমাজত পালন কৰা বিভিন্ন ভূমিকা চিনাক্ত কৰিব পাৰিব।</td><td colspan="2">• সমাজৰ বাবে বৰঙনি/অৱদান জনাবলৈ নিজৰ আগ্ৰহ আৰু সামৰ্থতা প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিব। (যেনে- যেতিয়া মই ডাঙৰ হ'ম, মই এজন কৃষক, ডাক্তৰ, বিমানচালক, সৈনিক হ'ব বিচাৰো আদি।)</td></tr>
<tr><td>2</td><td>• নিজৰ প্ৰথম নাম আৰু উপাধি (পৰিয়ালৰ) ক'ব পাৰিব।</td><td>• আনক চিনাক্ত কৰিব পৰা তথ্য বিনিময় কৰিব পাৰিব। (যেনে- অভিভাৱকৰ নাম)</td><td>• ব্যক্তিগত চিনাক্তকৰণ তথ্য বিনিময় কৰিব পাৰিব, যেনে- ঘৰৰ ঠিকনা, পৰিয়ালৰ ব্যক্তিসকলৰ বিতং তথ্য, বিদ্যালয়ৰ তথ্য আদি।</td><td>• ব্যক্তিগত তথ্য বিতংভাৱে বিনিময় কৰিব পাৰিব (যেনে- পৰিয়ালৰ সদস্যৰ বৃত্তি সম্পৰ্কে, কাম কৰা ঠাই/অনুষ্ঠান আদিৰ বিষয়ে বিতংকৈ ক'ব পাৰিব।<br>• পৰিয়ালৰ জ্যেষ্ঠ ব্যক্তিৰ শ্ৰমৰ মূল্য দিব পাৰিব। (যেনে- মোৰ মা এগৰাকী কৃষক আৰু তেওঁৰ শ্ৰমৰ বাবে আমি দুবেলা দুমুঠি ভালকৈ খায় আছোঁ।)</td></tr>
</table>

## C-4.2 শিকন ফলাফল ঃ

*তালিকা-18*

| | C-4.2 নিজৰ ভিন ভিন আৱেগ চিনাক্ত কৰি সেইবোৰক উপযুক্তভাৱে নিয়ন্ত্ৰণ কৰাত ইচ্ছাকৃত প্ৰয়াস কৰা | | | |
|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | |
| 1 | • নিজৰ ইচ্ছা আৰু অনুভূতি চিনাক্ত কৰিব পাৰিব। (যেনে- মই আজি ৰং কৰিব নিবিচাৰোঁ, মই বাহিৰলৈ ওলাই যাবলৈ ইচ্ছা কৰিছোঁ আদি।<br>• সাধাৰণ আৱেগ চিনাক্ত কৰিব পাৰে (ভয়, আনন্দ, দুখ) | • শব্দ আৰু মুখৰ অভিব্যক্তিৰ লগত আৱেগৰ সংযোগ স্থাপন কৰিব পাৰিব (অৰ্থাৎ কৈ আৰু মুখৰ অভিব্যক্তিৰে আৱেগ প্ৰকাশ কৰিব পাৰিব।)<br>• মৌখিক আৰু অনা মৌখিকভাৱে আৱেগ প্ৰকাশ কৰিব পাৰিব (যেনে- অঙ্গ-ভঙ্গীৰে, ছবি আঁকি) | • নিজৰ অনুভূতিৰ কাৰণ ব্যাখ্যা কৰিব পাৰিব (যেনে- মই সঁজা ব্লকৰ টাৱাৰটো তেওঁ ভাঙি পেলোৱা বাবে মোৰ খং উঠিছে।)<br>• সমনীয়া আৰু পৰিচিত জ্যেষ্ঠ ব্যক্তিৰ সৈতে নিজৰ আৱেগ-অনুভূতি বিনিময় কৰিব পাৰিব। | • সামাজিকভাৱে অনুমোদিত উপায়েৰে নিজৰ আৱেগ ব্যাখ্যা কৰিব পাৰিব (যেনে- কান্দি থাকি, কিয় কান্দিছে কাৰণ বৰ্ণনা কৰাৰ পৰা বিৰত থাকিব।) |
| 2 | | | • মনটো বেয়া লাগি থাকিলে বা মৰ্মাহত হ'লে/খং উঠিলে নিজকে শান্ত কৰি ৰাখিবলৈ কাৰ্যক্ৰম পৰিৱৰ্তন কৰিবলৈ সন্মত হ'ব। | • সঠিকভাৱে আৱেগ প্ৰকাশ কৰি সঁহাৰি জনাব পাৰিব। (যেনে- বৃত্তাকাৰ বৈঠকত কৌতুক শুনি হাঁহিব, মৰ্মাহত হ'লে/মনটো বেয়া লাগি থাকিলে শান্তভাৱে বহি থাকিব পাৰিব। |

## C-4.3 শিকন ফলাফল ঃ

*তালিকা-19*

| | C-4.3 আন শিশু আৰু জ্যেষ্ঠ ব্যক্তিৰ সৈতে সহজভাৱে ভাৱ-বিনিময় কৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • নিকট আত্মীয় স্বজন/নিৰ্দিষ্ট জ্যেষ্ঠ ব্যক্তিৰ নাম চিনাক্ত কৰিব পাৰিব।<br>• পৰিচিত জ্যেষ্ঠ ব্যক্তিৰ সৈতে সহজভাৱে ভাৱ-বিনিময় কৰিব পাৰিব। | | • কম পৰিচিত জ্যেষ্ঠ ব্যক্তিৰ সৈতে সহজভাৱে ভাৱ-বিনিময় কৰিবলৈ আৰম্ভ কৰিব। | • চিনাকি আৰু কম চিনাকি জ্যেষ্ঠ ব্যক্তিৰ সৈতে সন্মান সহকাৰে ভাৱ-বিনিময় কৰিব পাৰিব। (যেনে- ভাৱ-বিনিময় কৰোঁতে নমস্কাৰ, অনুগ্ৰহ কৰি, ধন্যবাদ। মই দুঃখিত আদি শব্দ ব্যৱহাৰ কৰিব।) | |
| 2 | • শ্ৰেণীকোঠাত অভিভাৱক/পৰিচিত জ্যেষ্ঠ ব্যক্তিৰ অবিহনে সহজভাৱে থকাটো পৰিলক্ষিত হ'ব। | • চিনাকি শিশুৰ লগত স্বতঃস্ফূৰ্তভভাৱে খেলিবলৈ পচন্দ কৰিব, প্ৰয়োজনত জ্যেষ্ঠ ব্যক্তিৰ সহায় লৈ খেলি থকা শিশুৰ দল এটাৰ লগত খেলা-ধূলাত জড়িত হোৱাটো পৰিলক্ষিত হ'ব। | • আন শিশুৰ লগত খেলা-ধূলা আৰু ক্ৰিয়া-কলাপ কৰিবলৈ কৌশল প্ৰয়োগ কৰাটো পৰিলক্ষিত হ'ব, (যেনে- আন শিশুক খেলত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাব, উমৈহতীয়া নীতি-নিয়ম গঠন কৰিবলৈ সুবিধা কৰি দিয়া, চুক্তি কৰা, খেলত কোনে কি ভূমিকা পালন কৰিব আদি) | • উমৈহতীয়া আগ্ৰহ চিনাক্ত কৰি আন শিশুসকলৰ লগত সমন্বিত ৰীতিৰে খেলিব পাৰিব। | • আন শিশুৰ লগত খেলাৰ বাবে থকা নিৰ্দিষ্ট প্ৰক্ৰিয়া নীতি-নিয়ম বুজি পায় সঁহাৰি জনাব পাৰিব। |
| 3 | | | • বেছি ভাগ সময় সমনীয়াৰ লগত খেলা-ধূলা কৰিবলৈ ইচ্ছাকৃতভাৱে জ্যেষ্ঠজনৰ পৰা আঁতৰি থাকিব পাৰিব। | • সমনীয়াৰ সৈতে সংগ দি ভাল পায়/উপভোগ কৰিব পাৰিব। | • বহু সময় সমনীয়াৰ লগত কটায় আৰু অচিনাকি পৰিৱেশত জ্যেষ্ঠজনৰ সহায় লৈ খাপ খাব পাৰিব। (যেনে- দীঘলীয়া ক্ষেত্ৰভ্ৰমণত) |
| 4 | | | • কমেও এজন বন্ধু/বান্ধৱীৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক বৰ্তাই ৰাখিব পাৰিব।<br>• পৰিচিত জ্যেষ্ঠ ব্যক্তিৰ পৰা সহায় বিচাৰিব পাৰিব। | | • বিদ্যালয়ত বন্ধু-বান্ধৱীৰ মণ্ডলী থাকিব।<br>• প্ৰয়োজনত কম পৰিচিত জ্যেষ্ঠ ব্যক্তিৰ পৰা সহায় বিচাৰিব পাৰিব।<br>• প্ৰয়োজনত আন শিশু আৰু জ্যেষ্ঠজনক সহায় কৰিব পাৰিব। |

## C-4.4 শিকন ফলাফল ঃ

*তালিকা-20*

| | C-4.4 আন শিশুসকলৰ প্ৰতি সহযোগীতামূলক আচৰণ প্ৰদৰ্শন কৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • আন শিশুৰ লগত খেলিবলৈ আৰম্ভ কৰিব। | • আন শিশুৰ লগত খেলি আনন্দ উপভোগ কৰিব পাৰিব। | • আন শিশুৰ লগত খেলিবলৈ আৰম্ভ কৰিব আৰু কি খেল খেলিব, কেনেকৈ খেলিব আৰু কেতিয়া খেলিব পৰিকল্পনা কৰিব পাৰিব। | • খেলাৰ সময়ত আনৰ ধাৰণা অন্তৰ্ভুক্ত কৰিবলৈ আগ্ৰহ দেখুৱাব পাৰিব।<br>• আনৰ লগত খেলোতে খেলৰ নীতি-নিয়ম অনুসৰণ কৰিব পাৰিব। | • আনৰ লগত খেলাৰ বাবে নীতি-নিয়ম গঠন কৰে আৰু সেইবোৰ অনুসৰণ কৰিব পাৰিব। |

## C-4.5 শিকন ফলাফল ঃ

*তালিকা-21*

| | C-4.5 শ্ৰেণীকোঠা আৰু বিদ্যালয়ৰ সামাজিক নীতি-নিয়মবোৰ বুজি পোৱা আৰু ইতিবাচকভাৱে সঁহাৰি জনোৱা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • সকলো ক্ৰিয়া-কলাপত জড়িত হ'ব পাৰিব। | • আন শিশুৰ লগত দৈনন্দিন ক্ৰিয়া-কলাপ কৰি আনন্দ উপভোগ কৰিব পাৰিব। | • দৈনন্দিন ক্ৰিয়া-কলাপবোৰ স্বয়ংক্ৰিয় ভাৱে কৰিব পৰাটো প্ৰদৰ্শন কৰিব পাৰিব।<br>• নিজৰ কাম সম্পূৰ্ণ কৰাৰ বাবে দায়িত্ব ল'ব পাৰিব।<br>• অস্বস্তি প্ৰকাশ কৰি প্ৰয়োজনত আনৰ সহায় বিচাৰিব পাৰিব। | • কোনো এটা ক্ৰিয়া-কলাপ পৰিচালনা কৰিবলৈ সূত্ৰপাত কৰিব।<br>• বিভিন্ন কামৰ বাবে বিভিন্ন শিশুৰ লগত কাম কৰা, আন শিশুৰ লগত কথা-বাৰ্তা পাতি কাম আৰু দায়িত্ব ভগাই লোৱা দক্ষতা প্ৰদৰ্শন কৰিব পাৰিব। | • একেলগে খেলোতে নাইবা কাম কৰোঁতে নিজৰ মতামত দাঙি ধৰিব পাৰিব।<br>• এটা গ্ৰহণ কৰা কাৰ্য সম্পূৰ্ণ কৰিব পাৰিব। |
| 2 | • শিক্ষকৰ সহায় লৈ সৰল নিৰ্দেশনা পালন কৰিব পাৰিব। | • নিজৰ পাল পৰালৈ চাব পাৰিব।<br>• চমু আৰু সৰল নিদেৰ্শনা অনুসৰণ কৰিব পাৰিব। | • জ্যেষ্ঠজনে সোঁৱৰাই দিয়াৰ অবিহনে সৰল নীতি-নিয়ম পালন কৰিব পাৰিব। | • নিৰ্দেশনা, নীতি-নিয়ম অনুসৰণ কৰিব পাৰিব।<br>• নিয়ম উংলঘা কৰাৰ পৰিণতি বুজি পাব। | |

## C-4.6 : শিকন ফলাফল ঃ

*তালিকা-22*

| C-4.6 : আনৰ প্ৰতি দয়ালু/মৰমীয়াল আৰু প্ৰয়োজন সাপেক্ষে সহায়কাৰীৰ আচৰণ প্ৰদৰ্শন কৰা (প্ৰাণী আৰু উদ্ভিদ সামৰি) | | | |
|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | |
| • আন শিশু আৰু জ্যেষ্ঠজনৰ প্ৰতি মৰমীয়াল হ'ব। | • যত্ন সহকাৰে বস্তু ব্যৱহাৰ কৰিব পাৰিব। | • আন জীৱৰ প্ৰতি মৰমীয়াল আৰু যতন লোৱাটো প্ৰদৰ্শিত কৰিব পাৰিব। | • দলীয়ভাৱে কৰা কাৰ্যত আনৰ প্ৰতি দয়া আৰু মৰম প্ৰদৰ্শন কৰিব। |

## C-4.7 : শিকন ফলাফল ঃ

*তালিকা-23*

| C-4.7: আন শিশুৰ ব্যতিক্ৰমী চিন্তা, পছন্দ, আৱেগিক প্ৰয়োজনীয়তা বুজি পোৱা আৰু ইতিবাচকভাৱে সঁহাৰি জনোৱা | | | |
|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | |
| • পৃষ্ঠভূমি নাইবা পাৰদৰ্শিতা নিৰ্বিশেষে সকলো শিশুৰ লগত ভাৱ-বিনিময় কৰিব আৰু খেলিব। | • শিশুসকলৰ মাজত সাদৃশ্য লক্ষ্য কৰিবলৈ আৰম্ভ কৰিব পাৰিব। (যেনে - উচ্চতা, লিংগ, শৰীৰৰ ৰং, কথা কোৱাৰ ধৰণ, খাদ্যৰ পছন্দ আদি) | • শ্ৰেণীকোঠাত মিশ্ৰিত দল গঠন কৰি কৰিব দিয়া ক্ৰিয়া-কলাপত ভালদৰে কাৰ্য কৰিব পাৰিব।<br>• আন শিশুক তেওঁলোকৰ পাৰ্থক্যৰ বাবে গালি ধমক দিয়া / জোকোৱা/নামাকৰণ কৰা আদি কাৰ্যৰ পৰা বিৰত থাকিব। | • শিশুটিক ভাল নোপোৱা আন শিশুৰ প্ৰতি কৌতুহল আৰু আগ্ৰহ প্ৰকাশ কৰিব।<br>• মানুহৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যৰ/পাৰ্থক্যৰ ওপৰত স্পষ্টভাৱে প্ৰশ্ন সুধিব পাৰিব।<br>• সাদৃশ্য আৰু পাৰ্থক্য থকা সত্ত্বেও বৈচিত্ৰ্য থকা সমনীয়াৰ গোটৰ লগত সহজভাৱে জড়িত হ'ব পাৰিব। |

## CG-5 শিশুসকলৰ উৎপাদনশীল কাম আৰু সেৱাৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি উঠিব।

### C-5.1 শিকন ফলাফল ঃ

*তালিকা-24*

| C-5.1 : আনক সহায় কৰিবলৈ বয়সোপযোগী শাৰীৰিক কাৰ্যত জড়িত হোৱাত আগ্ৰহ প্ৰকাশ কৰা | | | | |
|---|---|---|---|---|
| ←— 3 ৰ পৰা 8 বছৰ বয়স —→ | | | | |
| • খেলৰ সামগ্ৰী ব্যৱহাৰ কৰি আৰু খেলনা/পুতলা আদিৰে খেলি সেইবোৰ সঠিক স্থানত থ'ব পাৰিব। | • শ্ৰেণীকোঠা সংগঠনত শিক্ষকক সহায় কৰিব পাৰিব। | • খাদ্য খোৱাৰ পিছত নিজৰ আহাৰ খোৱা পাত্ৰ/কাঁহি-বাটি ধুই পৰিষ্কাৰকৈ ৰাখিব পাৰিব।<br>• ঘৰত আৰু বিদ্যালয়ত খেলনা/পুতলা আঁতৰাই ৰখা, গছপুলিত পানী দিয়া কাম আদি সঠিকভাৱে সম্পন্ন কৰিব পাৰিব। | • স্থানীয় উদ্ভিদৰ বীজৰ অংকুৰণ কৰিব পাৰিব আৰু গছপুলিৰ যতন লোৱা কাৰ্য কৰিব পাৰিব। | • শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰা কাৰ্যত শিক্ষকক সহায় কৰিব পাৰিব,<br>• ৰান্ধনীশাল/পাকঘৰৰ শাক-পাচলি কটা-মেলা কৰা আৰু পৰিষ্কাৰ কৰা কাৰ্যত সহায় কৰিব পাৰিব। |

## CG-6 : শিশুসকলৰ চৌপাশৰ প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি উঠিব,

### C-6.1 : শিকন ফলাফল ঃ

*তালিকা-25*

| C-6.1 : সকলো জীৱৰ সৈতে জড়িত হোৱা আৰু যতন লোৱাত আনন্দ প্ৰকাশ কৰা | | | | |
|---|---|---|---|---|
| ←— 3 ৰ পৰা 8 বছৰ বয়স —→ | | | | |
| • উদ্ভিদ আৰু প্ৰাণীক পৰ্যৱেক্ষণ কৰাত কৌতুহল দেখুৱায়। | • অবাবত অপ্ৰয়োজনত উদ্ভিদ আৰু প্ৰাণীৰ কোনো অনিষ্ট সাধন নকৰিব | • স্থানীয় পৰিৱেশৰ উদ্ভিদ আৰু প্ৰাণীৰ লগত জড়িত হোৱা কাৰ্যত আনন্দ প্ৰকাশ কৰিব<br>• প্ৰকৃতিৰ লগত শাৰীৰিকভাৱে জড়িত হোৱা কাৰ্যত অস্বস্তিৰ মনোভাৱ প্ৰদৰ্শন নকৰিব। | • নিৰ্দিষ্ট উদ্ভিদ আৰু প্ৰাণী চিনাক্ত কৰা কাৰ্যত কৌতুহল আৰু আগ্ৰহ প্ৰকাশ কৰিব।<br>• গছপুলি আৰু উদ্ভিদৰ তত্বাৱধান আৰু যতন লোৱা কাৰ্যৰ দায়িত্ব গ্ৰহণ কৰিব পাৰিব। | • প্ৰাণীৰ পৰিচৰ্যা আৰু যতন লোৱা কাৰ্যৰ দায়িত্ব গ্ৰহণ কৰিব পাৰিব (যেনে-কুকুৰ, মেকুৰী, হাঁহ-কুকুৰা আদিৰ পোৱালি পৰিচৰ্যা আৰু যতন লোৱাৰ দায়িত্ব গ্ৰহণ কৰিব পাৰিব।<br>• প্ৰকৃতি ভ্ৰমণলৈ গৈ উদ্ভিদ আৰু প্ৰাণী পৰ্যৱেক্ষণ কৰা কাৰ্যত আনন্দ উপভোগ কৰিব |

## 1.1.3 প্ৰজ্ঞাত্মক/বৌদ্ধিক বিকাশ ঃ

অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি এই বয়সৰ শিশুসকলৰ (৩-৮ বছৰ) দ্ৰুতগতিত তেওঁলোকৰ চৌপাশৰ বাস্তৱ জগতৰ ধাৰণা গঠন হয়। আনুষ্ঠানিক শিক্ষাত অভিজ্ঞতা আহৰণ কৰিবলৈ আৰু বোধ শক্তিৰ বিকাশৰ বাবে বুজি শিকা আৰু ধাৰণা গঠনত অগ্ৰাধিকাৰ দিয়া উচিত। শিশুৰ প্ৰজ্ঞাত্মক/বৌদ্ধিক বিকাশৰ বাবে অকল তথ্য সংগ্ৰহ কৰিব দিয়াটোৱেই অভিপ্ৰায় হ'ব নালাগে। বস্তুগত জ্ঞান, যুক্তিযুক্ততাৰে চিন্তা কৰিব পৰা মৌলিক সামৰ্থতা, সমস্যা সমাধানৰ ক্ষমতা, গাণিতিক সামৰ্থতা আৰু চিন্তাধাৰা আৰু শিশুসকলে তেওঁলোকৰ চৌপাশৰ প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশ সম্পৰ্কে আয়ত্ত কৰা ধাৰণাৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ বৌদ্ধিক বিকাশ নিৰীক্ষণ কৰিব পৰা যায়।

## CG-7 শিশুসকলে চৌপাশৰ পৰিৱেশ পৰ্যবেক্ষণ আৰু যুক্তিসংগত চিন্তা কৰি ধাৰণা গঠন কৰিব পাৰিব ঃ

শিশুসকলে প্ৰকৃতিগত/জন্মগতভাৱে তেওঁলোকৰ চৌপাশৰ বস্তু আৰু এইবোৰৰ সৈতে আদান-প্ৰদান কৰি চিনাক্ত কৰিব পৰা প্ৰবল সামৰ্থতাৰ অধিকাৰী। পৰ্যাপ্ত মনোযোগ আৰু সুযোগ প্ৰদান কৰিলে এই ক্ষমতা পাছলৈ শক্তিশালী হয়। কম বয়সৰ শিশুৱে যুক্তিযুক্ততাৰে চিন্তা কৰিব পৰা আৰু সমস্যা সমাধান কৰিব পৰা সামৰ্থতাৰ ওপৰত মনোযোগ নিবদ্ধ কৰিলে/দৃষ্টি নিবদ্ধ কৰিলে শিশুসকলক অবিৰতভাৱে কৌতুহল কৰি আজীৱন শিকাৰু হৈ থকাত অৰিহণা যোগাব।

## C-7.1 শিকন ফলাফল ঃ

*তালিকা-26*

<table>
<tr><th></th><th colspan="4">C-7.1 : পৰ্যবেক্ষণ কৰি বিভিন্ন শ্ৰেণীৰ বস্তু আৰু এইবোৰৰ মাজত থকা সম্পৰ্ক বুজি পোৱা</th></tr>
<tr><th></th><th colspan="4">← 3 ৰ পৰা 8 বছৰ বয়স →</th></tr>
<tr><td>1</td><td>• সহায় লৈ সাধাৰণ বস্তু, ছবি, প্ৰাণী, চৰাই, উদ্ভিদ, ব্যক্তি ঘটনা আদি চিনাক্ত কৰিব পাৰিব।</td><td>• সাধাৰণ বস্তু, ব্যক্তি/মানুহ, ছবি, প্ৰাণী, চৰাই, উদ্ভিদ ঘটনা আদি চিনাক্ত কৰিব পাৰিব।</td><td>• তাৎক্ষণিক পৰিৱেশ/ছবি/আৰ্হি নিৰীক্ষণ কৰি সাধাৰণ বস্তু, উদ্ভিদ, প্ৰাণী, চৰাই, ব্যক্তি আদিৰ বিষয়ে সাধাৰণভাৱে বৰ্ণনা কৰিব পাৰিব। (যেনে- ঘৰটোৰ দুৱাৰ-খিৰিকীবোৰ ডাঙৰ)</td><td>• তাৎক্ষণিক পৰিৱেশ আৰু ছবি/আৰ্হিৰ বস্তু, সংকেত/চিহ্ন, ঠাই, সাধাৰণ কাৰ্যাৱলী আদি চিনাক্ত কৰি সূক্ষ্ম আৰু বিতংভাৱে/পুংখানুপুংখভাৱে বৰ্ণনা কৰিব পাৰিব। (যেনে- সৰু সেউজীয়া ঘৰটোৰ দৰ্জাবোৰ ডাঙৰ আৰু মটীয়া ৰঙৰ)</td></tr>
<tr><td>2</td><td>• পৰিচিত বস্তুৰ অসম্পূৰ্ণ ছবি চাই ছবিখনত বস্তুটোৰ নথকা অংশসমূহ চিনাক্ত কৰিব পাৰিব।</td><td>• পৰিচিত বস্তুৰ অসম্পূৰ্ণ ছবি চাই ছবিখনত বস্তুটোৰ ৩-৫ টা নথকা অংশ চিনাক্ত কৰিব পাৰিব।</td><td>• পৰিচিত বস্তুৰ অসম্পূৰ্ণ ছবি চাই বস্তুটোৰ ৪-৫টা নথকা অংশ চিনাক্ত কৰিব পাৰিব।</td><td>• একেলগ কৰি দিয়া কিছুমান বস্তু অথবা ছবি চাই বস্তুবোৰৰ মাজত সাদৃশ্য আৰু বৈসাদৃশ্য তুলনা কৰিব পাৰিব।</td></tr>
<tr><td>3</td><td colspan="4">• শ্ৰেণীসমূহৰ মাজত স্তৰভিত্তিক সম্পৰ্ক চিনাক্ত কৰিব পাৰিব (যেনে- শ্ৰেণী আৰু সিহঁতৰ পোৱালি)<br>• শ্ৰেণীবোৰৰ ভিতৰত আৰু শ্ৰেণীবোৰৰ মাজত তুলনা কৰিব পাৰিব।<br>• বস্তুৰ বিকল্প ব্যৱহাৰ কৰি খেলিব পাৰিব। (যেনে - বল এটা টেলিফোনৰ নিচিনা ব্যৱহাৰ কৰি খেলিব)<br>• বস্তু আৰু ব্যৱহাৰৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰিব (যেনে - খাবলৈ চামুচ, গা-ধুবলৈ বাল্টি, মটৰ-গাড়ীৰ মেৰামতি কৰা ঠাইৰ বাবে যন্ত্ৰকুশলী, চিকিৎসালয়ৰ বাবে চিকিৎসক)</td></tr>
</table>

## C-7.2 শিকন ফলাফল ঃ

*তালিকা-27*

| | C-7.2 : পৰ্যৱেক্ষণ কৰি প্ৰাকৃতিক পৰিঘটনাৰ কাৰণ আৰু প্ৰভাৱৰ সম্পৰ্ক অনুমানৰ দ্বাৰা বুজি লোৱা আৰু ব্যাখ্যা কৰা | | | | |
|---|---|---|---|---|---|
| | ←3 ৰ পৰা 8 বছৰ বয়স→ | | | | |
| 1 | | | • এটা বস্তুৰ ওপৰত আন এটা বস্তুৰ প্ৰভাৱ চিনাক্ত কৰিব পাৰিব (যেনে - মই যদি পানীত নিমখ দিওঁ ই গলি যায়, মই যদি সূৰ্যৰ তাপত বৰফ থওঁ ই গলি যাব)<br>• বস্তুৰ ওপৰত সৰল কাৰ্যৰ প্ৰভাৱ ব্যাখ্যা কৰিব পাৰিব। (যেনে - মই বলটো যিমান জোৰেৰে লঠিয়াই দিম বলটো সিমান অধিক দূৰত্বলৈ আঁতৰি যাব)<br>• কাৰ্যৰ লগত কাৰণৰ সংযোগ স্থাপন কৰিব পাৰে (যেনে -আব্দুলৰ বেমাৰ হোৱা বাবে বিদ্যালয়লৈ অহা নাছিল, বৰষুণ নোহোৱা বাবে গছডাল মৰি গ'ল) | | |
| 2 | • পৰ্যৱেক্ষণ কৰি ধাৰণা ব্যৱহাৰ কৰিব পাৰিব। (যেনে - জ্যেষ্ঠজনে গৰম খাদ্য খোৱাৰ আগতে ফুৱাই লোৱা কাৰ্য অনুকৰণ কৰিব পাৰিব) | • নতুন প্ৰসংগত জনা তথ্য প্ৰয়োগ কৰিব পাৰিব (যেনে - গল্প কিতাপত দেখা ধৰণে ব্লকেৰে দুৰ্গ সাজিব পাৰিব) | • পৰ্যৱেক্ষণ কৰি সাধাৰণিকৰণ কৰিব পাৰিব (যেনে- টায়াৰ, খাৰু, বল আদি ঘূৰণীয়া আকৃতি হোৱা বাবে বাগৰি যায়- পৰ্যৱেক্ষণ কৰি ক'ব পাৰিব) | • সৰল অনুমানৰ ভিত্তিত পৰীক্ষা কৰি চাব পাৰিব। (যেনে - কাগজৰ কাঁহী/ প্লেট ওপঙে আৰু আলপিন ডুব যায়, শিল আৰু কাগজৰ টুকুৰা পানীত একেলগে পেলাই কোনটো আগতে তললৈ যায় পৰীক্ষা কৰি চাব পাৰিব।<br>• সাধাৰণ সমস্যা সমাধান কৰিবলৈ নিজৰ বোধশক্তি প্ৰয়োগ কৰিব পাৰিব। (বালিৰে আৰ্হি তৈয়াৰ কৰোঁতে আৰ্হিটো স্থানত ধৰি ৰাখিবলৈ এডাল মাৰি ব্যৱহাৰ কৰিব নতুবা বালিৰে সজা আৰ্হিটো পানী ঢালি কঠিন কৰি ল'ব পাৰিব। | |
| 3 | • দিন আৰু ৰাতিৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। | • গ্ৰীষ্ম আৰু শীতকাল চিনাক্ত কৰিব পাৰিব।<br>• আকাশত দেখা বস্তুৰ নাম ক'ব পাৰিব। (যেনে- সূৰ্য, চন্দ্ৰ, তৰা, ডাৱৰ) | • গ্ৰীষ্ম আৰু শীতকালত খোৱা খাদ্য আৰু সাজপাৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।<br>• দিন আৰু ৰাতিৰ লগত সূৰ্য উদয় আৰু সূৰ্য অস্তৰ সম্পৰ্ক স্থাপন কৰিব পাৰিব। | • গ্ৰীষ্ম, বৰ্ষা আৰু শীতকালৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব।<br>• কোন দিশে সূৰ্য উদয় হয় আৰু কোন দিশে সূৰ্য অস্ত যায় আঙুলিয়াই দেখুৱাব পাৰিব। | • দিশকেইটাৰ নাম ক'ব পাৰিব। (পূব, পশ্চিম, উত্তৰ, দক্ষিণ) |
| 4 | • পছন্দ কৰিব আৰু পছন্দৰ ভিত্তিত অগ্ৰাধিকাৰ প্ৰকাশ কৰিব পাৰিব। | • নিজৰ আগ্ৰহ আৰু অগ্ৰাধিকাৰৰ ভিত্তিত পছন্দ কৰাটো প্ৰকাশ কৰিব পাৰিব। | • নিজৰ আগ্ৰহ আৰু অগ্ৰাধিকাৰৰ ভিত্তিত পছন্দ কৰাৰ দায়িত্ব গ্ৰহণ কৰিব পাৰিব। | • নিজৰ আগ্ৰহ আৰু অগ্ৰাধিকাৰৰ ভিত্তিত বন্ধু-বান্ধৱী নিৰ্বাচন কৰি খেলা-ধূলা/ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিব পাৰিব। | • নিজৰ পছন্দ, অগ্ৰাধিকাৰ আৰু আগ্ৰহ অনুসৰি খেল আৰু খেলৰ সামগ্ৰী নিৰ্বাচন /বাছনি কৰি ল'ব পাৰিব। |

| | | | | | |
|---|---|---|---|---|---|
| 5 | | • শিক্ষক আৰু সহপাঠীৰ সহায় লৈ ভৌতিক পৰিৱেশৰ ঘটনা আৰু পৰিঘটনাৰ বিষয়ে সোধা সহজ প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | • সহপাঠীৰ লগত সহযোগ কৰি অনুসন্ধান কৰিব পাৰিব আৰু প্ৰাকৃতিক ঘটনা আৰু পৰিঘটনা সম্পৰ্কে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব। (যেনে - কোনবোৰ বস্তু পানীত ওপঙে আৰু কোনবোৰ ডুব যায়, কোনবোৰ বস্তুক চুম্বকে আকৰ্ষণ কৰে) | • প্ৰাকৃতিক পৰিঘটনা সংক্ৰান্তৰ ডাঙৰ প্ৰশ্ন এটাক সৰু সৰু প্ৰশ্নলৈ ভাগ কৰিব পাৰিব।<br>• প্ৰাকৃতিক পৰিৱেশৰ আৰ্হি/চানেকিৰ বিষয়ে প্ৰশ্ন সুধিব পাৰিব। (যেনে - বিভিন্ন প্ৰকাৰৰ পাত আৰু ফুল, সূৰ্য উদয় আৰু সূৰ্য অস্ত) | • প্ৰাকৃতিক পৰিঘটনা সম্পৰ্কে 'কিয়' উল্লেখ কৰি মুক্ত প্ৰশ্ন সুধিব আৰু সংলাপ আৰু উদঘাটনৰ দ্বাৰা উত্তৰ বিচাৰিব পাৰিব। (কিয় বৰষুণ হয়, আমি সূৰ্যৰ পোহৰ নাপালে কি হ'ব?/ সূৰ্যৰ পোহৰ নহ'লে কি হ'ব?) |
| 6 | • আনৰ প্ৰতি আচৰণৰ প্ৰভাৱ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব। যেনে - কুকুৰ এটাক শিল মাৰিলে অসহায় জীৱ এটা আঘাত পায়, পানীৰ টেপ বন্ধ নকৰিলে পানীৰ অপচয় হয়। | • উদ্ভিদ, প্ৰাণী আৰু চৰাইৰ প্ৰয়োজনীয়তা সম্পৰ্কে নিজৰ মতামত প্ৰকাশ কৰিব পাৰিব। | • প্ৰাকৃতিক সম্পদ সকলো জীৱই ভাগ-বতৰা কৰি লোৱা ধাৰণা ব্যাখ্যা কৰিব পাৰিব। যেনে - পানী উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকটি আৰু আমি ভাগ-বতৰা কৰি লওঁ) | • মানুহ আৰু প্ৰাকৃতিক পৰিৱেশৰ পৰস্পৰ নিৰ্ভৰশীলতাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব। (যেনে- আমি ঘৰত ব্যৱহাৰ কৰা পানী জলাশয়ৰ পৰা পাওঁ, পানীৰ টেপ বন্ধ নকৰিলে পানীৰ অপচয় হয়। | • প্ৰাকৃতিক পৰিৱেশ আৰু মানুহৰ প্ৰয়োজনীয়তাৰ মাজত কেনেকৈ ভাৰসাম্য ৰক্ষা কৰিব লাগিব সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিব। (যেনে— প্ৰাণীৰ প্ৰতি দয়ালু/মৰমীয়াল হোৱাটোৱে ইহঁতক আমাৰ সৈতে কাম কৰিবলৈ সক্ষম কৰে, বেমাৰ আজাৰৰ পৰা হাত সাৰি থাকিবলৈ সঠিকভাৱে আৱৰ্জনা নিষ্কাশন কৰাৰ প্ৰয়োজন) |

## C-7.3 শিকন ফলাফল ঃ

*তালিকা-28*

| | | | | | |
|---|---|---|---|---|---|
| | **C-7.3 : দৈনন্দিন পৰিস্থিতি আৰু শিকনৰ বাবে সঠিক সঁজুলি আৰু প্ৰযুক্তি ব্যৱহাৰ কৰা** | | | | |
| | ← **3 ৰ পৰা 8 বছৰ বয়স** → | | | | |
| 1 | • সৰল ছবি আঁকা/ৰং কৰা সঁজুলি ব্যৱহাৰত দক্ষতা/ নৈপুণ্যতা প্ৰদৰ্শন কৰিব পাৰিব। | • খেলোতে সৰল সঁজুলি ব্যৱহাৰৰ প্ৰতি আসক্তি প্ৰদৰ্শন কৰিব পাৰিব।<br>• বৈদ্যুতিক দৃশ্য শ্ৰাব্য সামগ্ৰী/সঁজুলিৰ সৈতে পাৰস্পৰিক ক্ৰিয়া কৰোঁতে মনোযোগ আৰু নিয়ন্ত্ৰণ প্ৰদৰ্শন কৰিব পাৰিব। | • ভূমিৰ কাম কৰোঁতে নতুবা কলা/শিল্পকৰ্ম কৰোঁতে সঠিক কামৰ বাবে সঠিক সঁজুলি নিৰ্বাচন/বাছনি কৰি ল'ব পাৰিব।<br>• শিক্ষকৰ সহায় লৈ বৈদ্যুতিক প্ৰযুক্তি যেনে- স্মাৰ্ট ফোন/টেবলেট আদিৰ লগত জড়িত হ'ব পাৰিব। | • কৰ্ম পৰিস্থিতিত সঁজুলি, সৰঞ্জাম, আহিলা আদি ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব পাৰিব।<br>• শিকন পৰিস্থিতিত সৰল বৈদ্যুতিক প্ৰযুক্তি ব্যৱহাৰ কৰাটো প্ৰদৰ্শন কৰিব পাৰিব। (যেনে- দৃশ্য শ্ৰাব্য আহিলা ব্যৱহাৰৰ বাবে আৰম্ভ কৰা, সাময়িকভাৱে স্থগিত কৰা starting/ pausing audio-visual material) | • দৈনন্দিন ক্ৰিয়া-কলাপৰ ব্যৱহাৰৰ বাবে সৰল সঁজুলি/ আহিলা তৈয়াৰ কৰি ল'ব পাৰিব।<br>• শিকন পৰিস্থিতিত সহজে আৰু সাৱলীলভাৱে বৈদ্যুতিক দৃশ্য-শ্ৰাব্য সামগ্ৰী/ আহিলা ব্যৱহাৰ কৰাটো প্ৰদৰ্শন কৰিব পাৰিব। |

## CG-8 : শিশুসকলে পৰিমাণ, আকৃতি আৰু পৰিমাপৰ জোখমাখৰ জৰিয়তে পৰিৱেশ চিনাক্ত কৰাৰ গাণিতিক বোধ আৰু সামৰ্থতা অৰ্জন কৰিব।

শিশুসকলক সংখ্যা চিহ্ন আকৃতিত শিকোৱা আৰু সংখ্যাৰ ক্ৰিয়া-কলাপ কৰিবলৈ দিয়াৰ আগতে প্ৰাক্ -গাণিতিক ধাৰণা যেনে- গণনা কৰা, ক্ৰমত সজোৱা, চানেকি সজা আদি ক্ৰিয়া-কলাপৰ জড়িত কৰাৰ প্ৰয়োজন। এই ক্ৰিয়া-কলাপেৰে শিশুসকলক সংখ্যাৰ ধাৰণাৰ লগতে সাৱলীলভাৱে গাণিতিক কাৰ্য প্ৰণালী/পদ্ধতি বুজি পোৱাত শক্তিশালী অৰিহণা যোগায়।

## C-8.1 : শিকন ফলাফল ঃ


*তালিকা-29*

1

| **C-8.1 : এটাতকৈ বেছি ধৰ্ম /বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বস্তুবোৰক গোট আৰু উপগোটত ভাগ কৰিব পৰা** | | | | |
|---|---|---|---|---|
| ← **3 ৰ পৰা 8 বছৰ বয়স** → | | | | |
| • আকাৰ, দৈৰ্ঘ্য, উচ্চতা আৰু ওজনৰ ভিত্তিত বস্তু দুটা গোটত ভাগ কৰিব পাৰিব। (যেনে- সৰু-ডাঙৰ, চুটি-দীঘল, ওখ-চাপৰ, পাতল-গধূৰ) | • আকাৰ, দৈৰ্ঘ্য, উচ্চতা আৰু ওজনৰ ভিত্তিত বস্তুক তিনিটা গোটত ভাগ কৰিব পাৰিব। (যেনে- সৰু আকাৰ, ডাঙৰ আকাৰ, আটাইতকৈ ডাঙৰ আকাৰ) | • নিজে চিনাক্ত কৰিব পৰা গুণাৱলী/বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বস্তুবোৰ গোটত ভাগ কৰিব পাৰিব। | • নিজে চিনাক্ত কৰিব পৰা গুণাৱলী/ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বস্তুবোৰ গোটত ভাগ কৰাৰ নিয়ম কৰিব পাৰিব। (যেনে- একেই পাৰিপাৰ্শ্বিক পৰিৱেশত বাস কৰা প্ৰাণী যেনে - কুকুৰ, মেকুৰী, এন্দুৰ, সাপ আদিক ভাগ কৰি ইহঁতৰ মাজত তৃণভোজী, মাংসভোজী হিচাপে শ্ৰেণী বিভাজন কৰিব পাৰিব। | • বস্তুবোৰক গোট আৰু উপগোটত ভাগ কৰিব পাৰিব। যেনে — ব্লকৰ এটা গোটৰ পৰা, প্ৰথমে ৰঙৰ ওপৰত ভিত্তি কৰি ভাগ ভাগ কৰিব পাৰিব। পাছত এই বিভিন্ন ৰঙৰ বস্তুবোৰৰ পৰা আকৃতিৰ ভিত্তিত বস্তুবোৰ ভাগ ভাগ কৰিব পাৰিব। আকৌ এই বিভিন্ন আকৃতিৰ বস্তুবোৰৰ পৰা আকাৰৰ ভিত্তিত ভাগ ভাগ কৰিব পাৰিব। বৃক্ষ আৰু বগাই যোৱা উদ্ভিদ ভাগ ভাগ কৰিব পাৰিব। এইবোৰৰ মাজত ফল ধাৰণ কৰা আৰু ফল ধাৰণ নকৰা/ ফল দিয়া আৰু ফল নিদিয়া উদ্ভিদ ভাগ কৰিব পাৰিব আৰু এইবোৰৰ মাজৰ পৰা খাব পৰা আৰু খাব নোৱৰা উদ্ভিদ ভাগ কৰিব পাৰিব। |

## C-8.2 : শিকন ফলাফল ঃ

*তালিকা-30*

| | C-8.2 : চৌপাশৰ আকৃতি আৰু সংখ্যাৰ চানেকি চিনাক্ত আৰু সম্প্ৰসাৰণ কৰিব পৰা | | | | |
|---|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | | |
| 1 | • পৰিৱেশত পোৱা বস্তু/ছবি/আকৃতি আদি ব্যৱহাৰ কৰি যোৰভাৱে সজ্জিত চানেকি/নমুনা/আৰ্হি চিনাক্ত কৰিব আৰু পুনৰাবৃত্তি কৰিব পাৰিব। (যেনে- পাত-ফুল, পাত-ফুল, পাত-ফুল, পাত-ফুল ...<br>AB, AB, AB, AB, AB, AB..<br>• ধ্বনিৰ আৰ্হি চিনাক্ত আৰু পুনৰাবৃত্তি কৰিব পাৰিব। (যেনে - কা-কে-কু, কা-কে-কু...., সা-ৰে-গা, সা-ৰে-গা.., গা-মা-পা, গা-মা-পা, গা-মা-পা...; | • গোট হিচাপে ৩-৪টা বস্তুৰ/ছবিৰ/আকৃতিৰ পুনৰাবৃত্তি হৈ থকা চানেকি চিনাক্ত আৰু সম্প্ৰসাৰণ কৰিব পাৰিব (যেনে — কলম-কিতাপ-পেঞ্চিল, কলম-কিতাপ-পেন্সিল, কলম-কিতাপ-পেঞ্চিল....,<br>ABC I ABC I ABC I...<br>• কাৰ্য/ধ্বনিৰ চানেকি চিনাক্ত, পুনৰাবৃত্তি আৰু সপ্ৰসাৰণ কৰিব পাৰিব।<br>• বেলেগ বেলেগ ৩টা অংগ-ভংগীৰ চানেকি চিনাক্ত কৰিব আৰু স্পষ্টকৈ পুনৰাবৃত্তি কৰিব পাৰিব। | • বিভিন্ন বৈশিষ্ট্য যেনে- ৰং, আকাৰ, আকৃতিৰ ওপৰত ভিত্তি কৰি নিজাববীয়াকৈ নতুন চানেকি তৈয়াৰ কৰিব পাৰিব।<br>• চানেকি তৈয়াৰ কৰা নিয়ম বৰ্ণনা কৰিব পাৰিব আৰু বিভিন্ন বস্তুৰে নিজাববীয়াকৈ নতুন চানেকি তৈয়াৰ কৰিব পাৰিব। (যেনে - ফুল, পাত, ডাল আদি ব্যৱহাৰ কৰি মণ্ডল তৈয়াৰ কৰা, ৰঙৰ গুৰা, বীজ, শস্য আদি ব্যৱহাৰ কৰি আলপনা তৈয়াৰ কৰা আদি) | • জ্যেষ্ঠজনৰ সহায় লৈ বিভিন্ন দিশত পুনৰাবৃত্তি হৈ থকা সৰল চানেকিৰ অনুপস্থিতিত উপাদানসমূহ সঠিককৈ পূৰ কৰিব পাৰিব। (যেনে - ৰঙা-নীলা, ৰঙা-নীলা, ৰঙা... আদি) | • চানেকি/আৰ্হি সজাৰ নিয়ম বৰ্ণনা কৰিব পাৰিব আৰু সংখ্যা চিহ্ন, উপমামূলক চিন্তাধাৰা প্ৰয়োগ কৰি বিমূৰ্ত বস্তুৰে চানেকি সাজিব পাৰিব। (যেনে - ছবি আঁকি চিত্ৰত ৰং কৰাৰ সময়ত আৰ্হিত ৰং ব্যৱহাৰ কৰি, একে/সমপৰিমাণৰ চিহ্ন নতুবা বিন্দুবোৰ বিভিন্ন আৰ্হিত ব্যৱহাৰ কৰিব পাৰিব।)<br><br>সাদৃশ্যপূৰ্ণ<br> |

## C-8.3 : শিকন ফলাফল ঃ

*তালিকা-31*

| C-8.3 : 99 লৈকে সংখ্যাবোৰ আগলৈ আৰু বিপৰীত ক্ৰমত গণিব পৰা আৰু 10 আৰু 20ৰ গোট হিচাপে | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • শুদ্ধ ক্ৰমত মৌখিকভাৱে ৫লৈকে সংখ্যা চিহ্নৰ নাম ক'ব পাৰিব/গাব পাৰিব।<br>• জ্যেষ্ঠজনক অনুকৰণ কৰি ৩লৈকে বস্তু আৰু সংখ্যাৰ মাজত একক সংযোজন কৰি গণনা কৰিব পাৰিব। (যেনে -<br><br>-১<br>-২<br>-৩<br>• ৩টা বস্তু গণনা কৰিব পাৰিব আৰু বুজি পাব। (যেনে - তিনিটা বস্তু থকা বস্তু সমষ্টিৰ গোট এটা গণনা কৰি, ৩ বস্তুৰে গঠিত গোট বুলি ক'ব পাৰিব।<br>• যোগান ধৰা বস্তু গণনা কৰি ৫টা তুলি ল'ব আৰু ৫টা পৰিত্যাগ কৰিব পাৰিব।<br>• ৩ টা বস্তুলৈকে দুটা গোটত থকা বস্তুৰ পৰিমাণ তুলনা কৰিব | • ১০লৈকে সংখ্যা চিহ্নৰ নাম শুদ্ধ ক্ৰমত ক'ব পাৰিব/ গাব পাৰিব আৰু ৫লৈকে বস্তু আৰু সংখ্যা একক সংযোজনত সজাব/থ'ব পাৰিব।<br>• কিমান আছে বোধশক্তিৰে ৫টালৈ বস্তু গণনা কৰিব পাৰিব। (৫টা বস্তু থকা বস্তুসমষ্টিৰ গোট এটাত কিমান আছে চিনাক্ত কৰিব পাৰিব)<br>• সংখ্যাৰ ধাৰণাৰ বোধ থকাটো প্ৰদৰ্শন কৰিব পাৰিব। (যেনে ৫ বিভিন্ন ধৰণে হ'ব পাৰে, ৫টা বস্তু, ৫টা বেলেগ বেলেগ বস্তু, ৫জন ব্যক্তি, ৫খন কিতাপ, ৫ডাল পেন্সিল)<br>• ৫ টালৈ মূৰ্ত, সুকীয়া আৰু বিমূৰ্ত বস্তু সাৱলীলভাৱে গণনা কৰিব পৰাটো প্ৰদৰ্শন কৰিব পাৰিব। (যেনে - ৫খোজ, ৫টা হাত চাপৰি) | • ২০লৈকে সংখ্যা চিহ্নৰ নাম শুদ্ধক্ৰমত ক'ব পাৰিব/গাব পাৰিব আৰু ১০ লৈকে বস্তু আৰু সংখ্যা একক সংযোজনত সজাই গণনা কৰিব পাৰিব।<br>• কিমান আছে বোধশক্তিৰে ১০ টালৈ বস্তু সঠিকভাৱে গণনা কৰিব পাৰিব।<br>• এটা নিৰ্দিষ্ট গোটত থকা বস্তুবোৰ যিকোনো ক্ৰমত সঠিকভাৱে গণনা কৰিব পাৰিব আৰু এইটো বুজি পাব যে বস্তুবোৰ যি ক্ৰমত গণনা কৰা হয় সেই নিৰ্বিশেষে পৰিমাণ একেই থাকে। (যেনে - এমুঠি মণি গণিবলৈ যিকোনো ক্ৰমত গণনা কৰি পৰিমাণ সঠিকভাৱে ক'ব পাৰিব।<br>• এটা নিৰ্দিষ্ট গোটত থকা বস্তুবোৰ বিপৰীত ক্ৰমত গণনা কৰি বস্তু হ্ৰাস হৈ/কমি গৈ যে '০' হয় আৰু '০' যে এটা সংখ্যা এই ধাৰণাটোৰ বোধ জন্মিব/ হ'ব, (যেনে ৩টা মণি বিপৰীত ক্ৰমত গণনা কৰোঁতে, এটা মণি গণনা কৰাৰ পিছত কেইটা মণি গণনা কৰিবলৈ বাকী ৰ'ল এই বিষয়ে বোধশক্তি জন্মিব, তিনিটা চৰাই গছৰ ডালত বহি আছিল, এটা এটাকৈ উৰি যোৱাৰ পিছত গছডালত এটাও চৰাই | • সংখ্যা কৈ কৈ ২০টাতকৈ অধিক আৰু ৯৯ৰ ভিতৰত বস্তু গণনা কৰিব পাৰিব আৰু ১০ৰ গোটত ৰখা চানেকি পৰ্যৱেক্ষণ কৰি, ১০ৰ গোট হিচাপে ১০০টা বস্তু গণনা কৰিব পাৰিব।<br>• এটা নিৰ্দিষ্ট সংখ্যাৰ পৰা সংখ্যাবোৰ একাদিক্ৰমে আগলৈ আৰু বিপৰীত ক্ৰমত গণনা কৰিব পাৰিব। (০ৰ পৰা ৯৯সংখ্যাৰ ভিতৰত) | • সংখ্যাৰেখাক /ব্লক/ ছবিৰ সজ্জাৰ, ২/৩ৰ ব্যৱধান ৰাখি ক্ৰমত সংখ্যাবোৰ গণনা কৰিব পৰাটো প্ৰদৰ্শন কৰিব পাৰিব। (যেনে - ২, ৪, ৬, ৮..., ৩, ৬, ৯, ১২, ১৫... (Skip counting)<br>• এক (১) আৰু দহৰ (১০ গোট হিচাপে স্থানীয় মান ব্যৱহাৰ কৰি ৯৯ সংখ্যালৈকে ভাৰতীয় সংখ্যা পঢ়িব আৰু লিখিব পাৰিব। (একক, দহক)<br>• ১০, ২০, ৩০ৰ গোট হিচাপে ১০০টা বস্তু গণনা কৰিব পাৰিব। |

| | | | |
|---|---|---|---|
| পাৰিব আৰু গোট দুটা সমান নে কোনটো গোটত বেছি বস্তু আছে, কোনটো গোটত কম বস্তু আছে সাদৃশ্য/পাৰ্থক্য উলিয়াব পাৰিব।<br>• সংগ্ৰহ কৰি থোৱা ২টা বা ৩টা বস্তু তৎক্ষণাত চিনাক্ত কৰিব পাৰিব। | • স্মৰণ কৰি ১০ লৈকে সংখ্যাবোৰ শুদ্ধ ক্ৰমত একাদিক্ৰমত আগলৈ গণনা কৰিব পাৰিব।<br>• ২০ লৈকে সংখ্যাবোৰ গণনা কৰিবলৈ আৰম্ভ কৰিব।<br>• সংগ্ৰহ কৰি থোৱা ৪টা বস্তু তৎক্ষণাত চিনাক্ত কৰিব পাৰিব। (যেনে - গণনা নকৰাকৈ ৪খন বিস্কুট, ৪টা চকলেট, ৪টা ব্লক আদি চিনাক্ত কৰিব পাৰিব। | নাথাকে অৰ্থাৎ চবাইৰ সংখ্যা '০' হ'ল এই ধাৰণাটো বুজি পাব।<br>• সংখ্যাৰ প্ৰকৃত মান (face value) আৰু অৱস্থান মান (Positioning value) বুজি পোৱাটো প্ৰদৰ্শন কৰিব পাৰিব (স্থান বাচক হিচাপে) আৰু বস্তুৰ ক্ৰমৰ অৱস্থান বাওঁফালৰ পৰা সোঁফাললৈ যে হ'ব পাৰে এইটো বুজি পাব। (ক্ৰম বাচক সংখ্যাৰ উদাহৰণ প্ৰথম, দ্বিতীয়, তৃতীয়...) উদাহৰণ তলত দিয়া ক্ৰমত -<br>1 2 3 4 5 6 7 →<br>☆ ☆ ☆ ☆ ☆ ☆ ☆<br>7 6 5 4 3 2 1<br>←<br>• সংগ্ৰহ কৰি থোৱা ৬টা বস্তু তৎক্ষণাত চিনাক্ত কৰিব পাৰিব। (যেনে - গণনা নকৰাকৈ ৬খন বিস্কুট, ৬টা চকলেট, ৬টা ব্লক আদি চিনাক্ত কৰিব পাৰিব।<br> | • দুটা গোটত থকা বস্তুৰ পৰিমাণ চিনাক্ত কৰিব পাৰিব। (যেনে - ২টা ১০ৰ গোটে ২০ কৰে) |

## C-8.4 : শিকন ফলাফল ঃ

*তালিকা-32*

| C-8.4 : ৯৯লৈকে সংখ্যাবোৰ উৰ্ধ্বক্ৰম (আৰোহী) আৰু অধঃক্ৰমত (অৱৰোহী) সজাব পৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 • ২ৰ পৰা ৩ টা ক্ৰমত পৰিচিত ঘটনা/বস্তু আদি সজাব পাৰিব। (যেনে- দিনপঞ্জী, কাৰ্যসূচী, সাধু, আকাৰ, আকৃতি আদি) | • বস্তুৰ আকাৰৰ ওপৰত ভিত্তি কৰি ৩টা স্তৰত বস্তুবোৰ ক্ৰম অনুসৰি সজাব পাৰিব আৰু তিনিটা স্তৰৰ বিষয়ে মৌখিকভাৱে ক'ব পাৰিব। | • ৫টালৈ বস্তু আকাৰ/দৈৰ্ঘ্য/ ওজনৰ ওপৰত ভিত্তি কৰি উৰ্ধ্বক্ৰম নাইবা অধঃক্ৰমত সজাব পাৰিব। | • বস্তুৰ ধৰ্ম/গুণ/ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি একেধৰণৰ বস্তু সমষ্টিত/গোটৰ বিভিন্ন ক্ৰমত সজাব পাৰিব। (যেনে- আকাৰ/ দৈৰ্ঘ্য/ওজন/ ৰঙৰ ভিত্তিত) | • কিছুমান সংখ্যা দি উৰ্ধ্বক্ৰমত আৰু অধঃক্ৰমত সজাব দিলে পাৰিব। |

## C-8.5 : শিকন ফলাফল ঃ

*তালিকা-33*

| | C-8.5 : দশমিক স্থানীয় মান পদ্ধতি পায়; ৯৯লৈকে প্ৰতিনিধিত্ব কৰা সংখ্যা চিনাক্ত আৰু ব্যৱহাৰ কৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • ৩লৈকে দুটা সংখ্যাৰ মাজত তুলনা কৰিব পাৰিব আৰু বেছি কম আদি তুলনামূলক শব্দ ভাণ্ডাৰ ব্যৱহাৰ কৰিব পাৰিব। | • ৫লৈকে দুটা সংখ্যাৰ মাজত তুলনা কৰিব পাৰিব আৰু সেইটোতকৈ সিটোত বেছি আছে, সেইটোতকৈ সেইটোত কম আছে এনে ধৰণৰ তুলনামূলক শব্দ ভাণ্ডাৰ ব্যৱহাৰ কৰিব পাৰিব। | • ভাৰতীয় সংখ্যা ৯লৈকে চিনাক্ত কৰিব পাৰিব।<br>• ৯লৈকে সংখ্যা সহজে লিখিব পাৰিব।<br>• ৯লৈকে দুটা সংখ্যাৰ মাজত তুলনা কৰিব পাৰিব আৰু এইটোতকৈ সেইটোত বেছি আছে, সেইটোতকৈ এইটোত কম আছে এনেধৰণৰ তুলনামূলক শব্দ-ভাণ্ডাৰ ব্যৱহাৰ কৰিব পাৰিব। | • বস্তুৰ অনুপস্থিতি উপস্থাপন কৰা চিহ্ন '০' চিনাক্ত কৰিব পাৰিব।<br>• ২০লৈকে সংখ্যা চিনাক্ত কৰিব, পঢ়িব আৰু লিখিব পাৰিব আৰু ১০ লৈকে সংখ্যাবোৰৰ নাম আখৰেৰে লিখিব পাৰিব।<br>• ২০লৈকে দুটা সংখ্যাৰ মাজত তুলনা কৰিব পাৰিব আৰু এইটোতকৈ সেইটো ডাঙৰ সেইটোতকৈ এইটো সৰু এনেধৰণৰ শব্দ ভাণ্ডাৰ ব্যৱহাৰ কৰিব পাৰিব। | • স্থানীয় মানৰ ধাৰণা ব্যৱহাৰ কৰি ৯৯লৈকে সংখ্যা চিনাক্ত কৰিব, পঢ়িব, সংখ্যাচিহ্ন আৰু সংখ্যাবোৰ আখৰেৰে লিখিব পাৰিব।<br>• ২ টা অংকবিশিষ্ট সংখ্যাবোৰৰ মাজত আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু হিচাপে তুলনা কৰিব পাৰিব আৰু এনেধৰণৰ সংখ্যা গঠন কৰিব পাৰিব। (সংখ্যাৰ পুনৰাবৃত্তি কৰা বা নকৰা) |

## C-8.6 : শিকন ফলাফল ঃ

*তালিকা-34*

1

| C-8.6 : সংখ্যা আৰু সংখ্যাংক সমস্যা মিশ্ৰ আৰু বিশ্লেষিত নমনীয় কৌশল ব্যৱহাৰ কৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • মৌখিকভাৱে উত্তৰ দিয়াতকৈ বৰং খুব সৰু সংখ্যক সংগ্ৰহিত বস্তুৰ পৰা (সৰ্বমুঠ ৩টা পৰ্যন্ত) বস্তু উলিয়াই আনি গোট তৈয়াৰ কৰিব পাৰিব আৰু গোটবিহীনভাৱে থ'ব পাৰিব। | • ৫টাকৈ দুটা গোটৰ বস্তু একত্ৰিত কৰিব পাৰিব আৰু পুনৰাই গণিব পাৰিব।(যেনে- মোৰ হাতত দুটা চকলেট আছে আৰু ৩টা চকলেট ভণ্টীৰ হাতত আছে। গোটেইবোৰ চকলেট একেলগ কৰি মোৰ হাতত সৰ্বমুঠ কিমান চকলেট আছে গণনা কৰি কোৱা।<br>• গোটাই থোৱা বস্তুৰ পৰা ৫টা লৈ বস্তু উলিয়াই আনিব পাৰিব আৰু পুনৰাই গণিব পাৰিব। | • ৯লৈকে দুটা গোটৰ বস্তু একত্ৰিত কৰিব পাৰিব আৰু পুনৰাই গণিব পাৰিব।(মোৰ হাতত ৫টা চকলেট আছে আৰু ৩টা চকলেট ভণ্টীৰ হাতত আছে। গোটেইবোৰ চকলেট একেলগ কৰি মোৰ হাতত সৰ্বমুঠ কিমান চকলেট আছে গণনা কৰি কোৱা।<br>• গোটাই থোৱা বস্তুৰ পৰা ৯টা লৈ বস্তু উলিয়াই আনিব আৰু পুনৰাই গণিব পাৰিব। | • যোগফলৰ আৰ্হিত বাস্তৱ জগতৰ পৰিস্থিতি আৰু বাস্তৱ বস্তু ব্যৱহাৰ কৰিব পাৰিব আৰু ১৮ লৈকে যোগৰ তথ্য ব্যৱহাৰ কৰি যোগ অংক কৰিব পাৰিব। যোগৰ সমস্যা সমাধান কৰিব পাৰিব।<br>• বিয়োগফলৰ আৰ্হিত বাস্তৱ জগতৰ পৰিস্থিতি আৰু বাস্তৱ বস্তু ব্যৱহাৰ কৰিব পাৰিব। (বিয়োগৰ তথ্য ব্যৱহাৰ কৰি ৯ লৈকে বস্তু উলিয়াই আনি বিয়োগ অংক কৰিব পাৰিব। বিয়োগৰ সমস্যা সমাধান কৰিব পাৰিব।<br>• সংখ্যাৰ যোগ আৰু বিয়োগৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰিব।<br>• যোগ আৰু বিয়োগৰ চিহ্ন '+', '-' চিনাক্ত কৰিব পাৰিব। | • শিথিল কৌশল ব্যৱহাৰ কৰি সৰু সংখ্যা লগ লগাই ডাঙৰ সংখ্যা তৈয়াৰ কৰিব (Composing number) আৰু ডাঙৰ সংখ্যাক সৰু সৰু সংখ্যাত ভাগ কৰিব (Decomposing number) আৰু দুয়োটাই সংমিশ্ৰণ কৰিব পাৰিব। (উদাহৰণ স্বৰূপে ৫৭+৩৩, শিশুৱে ৩৩ৰ পৰা প্ৰথমতে ৩ আনি ৫৭ৰ লগত যোগ কৰি ৬০ পাব পিছত ৬০ৰ লগত ৩০ যোগ কৰি ৭০ পাব।<br>• স্থানীয় মানৰ ধাৰণা ব্যৱহাৰ কৰি দুটা অংকবিশিষ্ট সংখ্যা যোগ কৰিব পাৰিব (৯৯ তকৈ বেছি নহয়) আৰু দৈনন্দিন জীৱনৰ সৰল সমস্যা/ পৰিস্থিতিত প্ৰয়োগ কৰিব পাৰিব।<br>• স্থানীয় মানৰ ধাৰণা ব্যৱহাৰ কৰি দুটা অংকবিশিষ্ট সংখ্যা বিয়োগ কৰিব পাৰিব (৯৯ ৰ ভিতৰত) আৰু দৈনন্দিন জীৱনৰ সৰল সমস্যা/ পৰিস্থিতিও প্ৰয়োগ কৰিব পাৰিব।<br>• সংখ্যাৰ যোগ আৰু বিয়োগৰ সম্পৰ্ক উপলব্ধি কৰিব আৰু প্ৰয়োগ কৰিব পাৰিব।<br>• পৰিচিত/চিনাকি পৰিস্থিতি/ প্ৰসংগৰ সমস্যা সমাধান কৰিবলৈ সঠিক যোগ আৰু বিয়োগৰ ক্ৰিয়া-কলাপ চিনাক্ত কৰিব পাৰিব।<br>• লিখিত ৰূপত দিয়া সৰল যোগ আৰু বিয়োগৰ সমস্যা বুজি পায় সমাধান কৰিব পাৰিব। |

## C-8.7 : শিকন ফলাফল ঃ

*তালিকা-35*

| | | | | |
|---|---|---|---|---|
| **C-8.7 : বাৰে বাৰে যোগ কৰি কৰা পূৰণ আৰু সমবিতৰণ কৰি কৰা হৰণ চিনাক্ত কৰিব পৰা** | | | | |
| ← **3 ৰ পৰা 8 বছৰ বয়স** → | | | | |
| 1 | | • পৰিৱেশত পোৱা বস্তুৰে সৰু সৰু গোট তৈয়াৰ কৰি, গোট কেইটা আছে আৰু প্ৰতিটো গোটত কেইটাকৈ বস্তু আছে গণনা কৰিব পাৰিব। | • গোট তৈয়াৰ কৰি সৰু সংখ্যাৰে পূৰণৰ সমস্যা সমাধান কৰিব পাৰিব।<br>• পূৰণৰ অংক/ ক্ৰিয়া-কলাপ কৰিবলৈ ব্যৱহাৰ কৰা চিহ্ন (×) চিনাক্ত কৰিব পাৰিব। | • বাৰে বাৰে যোগ কৰি/ যোগৰ পুনৰাবৃত্তি কৰি পূৰণৰ সৰল সমস্যা সমাধান কৰিব পাৰিব। |
| 2 | • ৬টালৈ বস্তু, দুজন ব্যক্তিৰ মাজত সম-বিতৰণ কৰিব পাৰিব। | • ২০টালৈ বস্তু ৪-৫জন ব্যক্তিৰ মাজত সম-বিতৰণ কৰিব পাৰিব। | • হৰণৰ সমস্যা সমাধান কৰিবলৈ গোটত ভাগ-বতৰা আৰু পৰীক্ষণ আৰু ত্ৰুটি কৌশল অৱলম্বন কৰিব পাৰিব। | • বিয়োগৰ পুনৰাবৃত্তি কৰি অৰ্থাৎ বাৰে বাৰে বিয়োগ কৰি হৰণৰ সমস্যা সমাধান কৰিব পাৰিব। যেনে - ১২÷৩ক ৩ৰে গোট হিচাপে গঠন কৰিলে ৪টা গোট পোৱা যাব আৰু ইয়াক ১২ৰ পৰা ৩ক বিয়োগৰ পুনৰাবৃত্তি হিচাপে উলিয়াব শিকিব। |

## C-8.8 : শিকন ফলাফল ঃ

*তালিকা-36*

| C-8.8 : মৌলিক জ্যামিতিক আকৃতি চিনাক্ত, গঠন আৰু শ্ৰেণীবিভাজন কৰিব পৰা আৰু এইবোৰৰ পৰ্যৱেক্ষণীয়/নিৰীক্ষণীয় ধৰ্মসমূহ বুজি পোৱা আৰু বস্তু আৰু স্থানৰ আলক্ষিক সম্পৰ্ক ব্যাখ্যা কৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • আকাৰ, আকৃতি বা ৰং যিকোনো এটা বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি মিলাব পাৰিব।<br>• আকাৰ, আকৃতি বা ৰং যিকোনো এটা বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি তুলনা আৰু শ্ৰেণীবিভাজন কৰিব পাৰিব।<br>• আকৃতি, ৰং আৰু স্থান উল্লেখ কৰিব দিয়া সৰল নিৰ্দেশনা অনুসৰণ কৰি বস্তু কোনো স্থানত ৰাখিব পাৰিব। যেনে -ৰঙা বেলুন ইয়ালৈ আনা, ঘূৰণীয়া বলবোৰ টেবুলত থোৱা। | • বিভিন্ন আকাৰ আৰু মিলাব পাৰিব।<br>• দুটা বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বস্তুৰ মাজৰ তুলনা আৰু শ্ৰেণী বিভাজন কৰিব পাৰিব। (যেনে- আকৃতি আৰু ৰং, ৰং আৰু আকাৰ)<br>• বিভিন্ন বাস্তৱ গোটা বস্তুৰ আকৃতিৰ বাহ্যিক বৈশিষ্ট্য নিজৰ ভাষাত ব্যাখ্যা কৰিব পাৰিব। (যেনে - বলৰ কোনো চুক নাই সেয়েহে বল বাগৰি যায়, বাকচৰ চুক আছে বাবে চুঁচৰি যায়।<br>• আকৃতি, ৰং আৰু স্থান সম্পৰ্কীয় একাধিক নিৰ্দেশনা অনুসৰণ কৰি চানেকি তৈয়াৰ কৰিব পাৰিব। (মণ্ডল/আল্পনা বিভিন্ন বস্তুৰে নিৰ্দেশনা অনুসৰি সাজিব পাৰিব, মাজত, ওপৰত, তলত আদি স্থান সম্পৰ্কীয় শব্দ বুজি কলাজ তৈয়াৰ কৰিব পাৰিব। | • বিভিন্ন আকাৰৰ আকৃতি আৰু কম্পাছৰ যৌগিক জোখ-মাপ কৰি মিলাব পাৰিব। (যেনে - বিভিন্ন আকাৰৰ ত্ৰিভুজৰ কোণ জোখ-মাপ কৰি মিলাব পাৰিব।<br>• বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বস্তুৰ মাজত তুলনা আৰু শ্ৰেণী বিভাজন কৰিব পাৰিব। (যেনে- আকৃতি, ৰং আৰু আকাৰ)<br>• স্থান বুজোৱা শব্দ ব্যৱহাৰ কৰিব পাৰিব। (যেনে- বস্তুৰ অৱস্থান/ স্থান ব্যাখ্যা কৰিব পাৰিব।<br>• বিভিন্ন বাস্তৱ বস্তুৰ আকৃতিৰ বাহ্যিক বৈশিষ্ট্যৰ বিষয়ে নিজৰ ভাষাত ক'ব পাৰিব, (যেনে - বলৰ চুক নাই, সেয়েহে বাগৰি যায়, বাকচৰ চুক আছে সেয়েহে চুঁচৰি যায়।<br>• সমতল ঠাইক ত্ৰিমাত্ৰিক (3D) বাস্তৱ বস্তুৰ আকৃতিৰ পৰিসীমা আঁকি দ্বিমাত্ৰিক চিনাক্ত কৰিব পাৰিব।<br>• কিছু সঠিকভাৱে আৰু নিয়ন্ত্ৰণৰে দ্বিমাত্ৰিক আকৃতি (2D) মুক্ত হস্তৰে আঁকিব পাৰিব। | • স্থান সম্পৰ্কীয় শব্দ ব্যৱহাৰ কৰিব পাৰে। (যেনে-ওপৰ-তল, ওপৰত-তলত, বাহিৰত -ভিতৰত, ওচৰ-দূৰ, আগত-পিছত)<br>• চৌপাশৰ পৰা বিভিন্ন আকাৰ আকৃতিৰ বস্তু সংগ্ৰহ কৰিব পাৰিব। (যেনে- শিলগুটি, বাকচ, বল, পাইপ, শংকু আদি) আকৃতিৰ আৰু আন বাহ্যিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বস্তু ভাগ আৰু শ্ৰেণীবিভাজন কৰি ব্যাখ্যা কৰিব পাৰিব।<br>• বিভিন্ন বাস্তৱ গোটা বস্তুৰ বাহ্যিক বৈশিষ্ট্য আৰু আকৃতি পৰ্যৱেক্ষণ কৰি ব্যাখ্যা কৰিব পাৰিব। যেনে- বল বাগৰি যায়, বাকচ চুঁচৰি যায়। | • ত্ৰিমাত্ৰিক আকৃতি (3D) নামকৈ চিনাক্ত কৰিব আৰু ইহঁতৰ বাহিক বৈশিষ্ট্য বৰ্ণনা কৰিব পাৰিব। (যেনে -ঘনক, চুঙা, শংকু আৰু গোলক)<br>• দ্বিমাত্ৰিক আকৃতি (2D) নাম কৈ চিনাক্ত কৰিব আৰু এইবোৰৰ বাহ্যিক বৈশিষ্ট্য বৰ্ণনা কৰিব পাৰিব। (যেনে- কিতাপৰ পৃষ্ঠা আয়তাকাৰ আৰু ৪টা কোণ আৰু চুক আছে।<br>• সৰল আৰু বক্ৰৰেখাৰ মাজত তুলনা কৰিব আৰু বিভিন্ন দিশত সৰলৰেখা আঁকি প্ৰদৰ্শন কৰিব পাৰিব। (যেনে - উলম্ব, অনুভূমিক আৰু হেলনীয়া সৰল ৰেখা)<br>• ত্ৰিমাত্ৰিক (3D) বস্তুৰ পৰিসীমা দ্বিমাত্ৰিক (2D) প্ৰতিলিপি আঁকিব পাৰিব।<br>• ছাঁ পৰ্যৱেক্ষণ কৰি বস্তু চিনাক্ত কৰিব পাৰিব।<br>• আকৃতিৰ নিৰ্দিষ্ট বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি তুলনা (যেনে- দৈৰ্ঘ্য, ক্ষেত্ৰফল, আয়তন) |

1

## C-8.9 : শিকন ফলাফল ঃ

*তালিকা-37*

| C-8.9 : নিকটৱৰ্তী পৰিৱেশৰ বস্তুৰ দৈৰ্ঘ্য, ওজন, পৰিমাণৰ জোখ-মাপ ল'বলৈ উপযুক্ত সৰল সঁজুলি আৰু একক বাচি লোৱা | | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | **দৈৰ্ঘ্য**<br>• কবিতা আৰু কাহিনীৰ দ্বাৰা দৈৰ্ঘ্য প্ৰকাশ কৰিবলৈ (দৈৰ্ঘ্য, প্ৰস্থ, উচ্চতা, দূৰত্ব) শব্দ ভাণ্ডাৰ ব্যৱহাৰ কৰিব পাৰিব। | **দৈৰ্ঘ্য**<br>• দৈৰ্ঘ্যৰ ভিত্তিত দুটা বস্তুৰ মাজত তুলনা কৰিব পাৰে। যেনে- এইডালতকৈ দীঘল/ এইডালতকৈ চুটি/ এইটোতকৈ ওখ/ এইটোতকৈ চাপৰ) | **দৈৰ্ঘ্য**<br>• দৈৰ্ঘ্যৰ ওপৰত ভিত্তি কৰি তিনিটা বস্তু তুলনা কৰিব পাৰিব (আটাইতকৈ দীঘল/ আটাইতকৈ চুটি/ আটাইতকৈ চাপৰ) | **দৈৰ্ঘ্য**<br>• ওচৰ-দূৰ, মিহি-ডাঠ, ওখ-চাপৰ, উচ্চ-নিম্ন আদিৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব।<br>• অনিৰ্ধাৰিত একক ব্যৱহাৰ কৰি চমু দূৰত্ব জুখিব পাৰিব (যেনে- তাংগুটি, মাৰ্বল আদি খেলত)<br>• চমু দূৰত্ব আৰু দৈৰ্ঘ্য অনুমান কৰি অনিৰ্ধাৰিত এককৰ পৰীক্ষা কৰিব পাৰিব। (যেনে- হাতৰ বেগেত, হাতৰ কিলাকুটি আৰু মণিবন্ধৰ মাজৰ অংশেৰে, ভৰিৰ খোজ, হাতৰ আঙুলি আদিৰে) | **দৈৰ্ঘ্য**<br>• চুটি আৰু দীঘলীয়া পথ অনিৰ্ধাৰিত একক ব্যৱহাৰ কৰি দৈৰ্ঘ্য আৰু দূৰত্ব জুখিব আৰু জোখ মাখ কাৰ্য আগবঢ়াই নিব পাৰিব। সম্প্ৰসাৰণ কৰিব পাৰিব।<br>• দৈৰ্ঘ্য, দূৰত্ব আৰু পাত্ৰৰ ধাৰণ ক্ষমতা অনুমান কৰি অনিৰ্ধাৰিত একক যেনে মাৰি, পেন্সিল কাপ, চামুচ বাল্টি আদিৰে জুখিব পাৰিব।<br>• সৰল আৰু বক্ৰৰেখাৰ মাজত তুলনা কৰিব আৰু বিভিন্ন দিশত সৰলৰেখা আঁকি প্ৰদৰ্শন কৰিব পাৰিব। (যেনে - উলম্ব, অনুভূমিক আৰু হেলনীয়া সৰল ৰেখা)<br>• ত্ৰিমাত্ৰিক (3D) বস্তুৰ পৰিসীমা দ্বিমাত্ৰিক (2D) প্ৰতিলিপি আঁকিব পাৰিব।<br>• ছাঁ পৰ্যৱেক্ষণ কৰি বস্তু চিনাক্ত কৰিব পাৰিব।<br>• আকৃতিৰ নিৰ্দিষ্ট বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি তুলনা (যেনে- দৈৰ্ঘ্য, ক্ষেত্ৰফল, আয়তন) |
| 2 | **ওজন**<br>• কবিতা আৰু কাহিনীৰ দ্বাৰা ওজন বুজোৱা শব্দ ভাণ্ডাৰ ব্যৱহাৰ কৰিব। | **ওজন**<br>• ওজনৰ ভিত্তিত দুটা বস্তুৰ মাজত তুলনা কৰিব পাৰিব। যেনে-এইটোতকৈ গধুৰ/ এইটোতকৈ পাতল। | **ওজন**<br>• ওজনৰ ভিত্তিত তিনিটা বস্তুৰ মাজত তুলনা কৰিব পাৰিব (যেনে - আটাইতকৈ গধুৰ, আটাইতকৈ পাতল) | **ওজন**<br>• তুলনা কৰি ক্ৰমত সজাব পাৰিব। যেনে- পাতলৰ পৰা গধুৰলৈ আদি। | **ওজন**<br>• সাধাৰণ তুলাচনীৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব।<br>• সাধাৰণ তুলাচনী ব্যৱহাৰ কৰি বস্তুৰ ওজন তুলনা কৰিব পাৰিব। |
| 3 | | **আয়তন**<br>• কবিতা আৰু কাহিনীৰ দ্বাৰা আয়তন বুজোৱা শব্দ ভাণ্ডাৰ ব্যৱহাৰ কৰিব। | **আয়তন**<br>• দুটা পাত্ৰৰ আয়তন তুলনা কৰিব পাৰিব, যেনে - বটল, গিলাচ, বাল্টি আদি। | **আয়তন**<br>• পাত্ৰৰ আয়তন অনুমান কৰিব। অনিৰ্ধাৰিত এককেৰে জুখিব পাৰিব। যেনে - কাপ, মগ, চামুচ আদি। | **আয়তন**<br>• পাত্ৰবোৰৰ আয়তন ধাৰণা কৰি ক্ৰমত সজাব আৰু পাত্ৰৰ পৰা জুলীয়া বস্তু ঢালি চাই পৰীক্ষা কৰিব পাৰিব। |

## C-8.10 : শিকন ফলাফল ঃ

*তালিকা-38*

| C-8.10 : মিনিট, ঘণ্টা, দিন, সপ্তাহ আৰু মাহত সময়ৰ সৰল হিচাপ-নিকাচ উলিওৱা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • দৈনন্দিন কথোপকথনত আজি-কালি, কালিলৈ আদি শব্দ সম্ভাৰ ব্যৱহাৰ কৰিব পাৰিব। | • নিৰ্দিষ্ট দিন যেনে শনিবাৰ আৰু ৰবিবাৰ বন্ধৰ দিন চিনাক্ত কৰিব পাৰিব (যেনে - ৰবিবাৰ এটা বন্ধৰ দিন) | • সপ্তাহৰ বাৰকেইটা আৰু বছৰৰ মাহকেইটা ক'ব পাৰিব। | • কোনটো ঘটনা কোনটো সময়ত ঘটিছিল প্ৰভেদ কৰি ক'ব পাৰিব, (যেনে- আগতে ঘটিছিল, পিছত ঘটিছিল।)<br>• বিদ্যালয়ৰ খোলা দিন আৰু বন্ধৰ দিনৰ, দীঘলীয়া আৰু চুটি সময়সীমা গুণগতভাৱে উপলব্ধি কৰি ক'ব পাৰিব।<br>• এটা দিনৰ বিৱৰণ ক্ৰমনুসৰি দিব পাৰিব। | • ঋতুৰ ক্ৰম উপলব্ধি কৰি ক'ব পাৰিব (স্থানীয় ভিন্নতা অনুসৰি)<br>• নিৰ্ধাৰিত একক ব্যৱহাৰ কৰি সময়সীমা উলিয়াব পাৰিব। (যেনে - সপ্তাহত ৭ দিন, এদিনত ২৪ ঘণ্টা |

1

## C-8.11 : শিকন ফলাফল

*তালিকা-39*

| C-8.11 : ১০০ টকালৈকে টকা-পইচাৰ সৰল আদান-প্ৰদান/লেনদেন কৰিব পৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • কবিতা আৰু কাহিনীৰ দ্বাৰা টকা-পইচা সম্পৰ্কীয় শব্দভাণ্ডাৰ/ শব্দসম্ভাৰ ব্যৱহাৰ কৰিব পাৰিব। | • ভাৰতীয় মুদ্ৰা (পইচা) চিনাক্ত কৰিব পাৰিব। | • ভাৰতীয় মুদ্ৰা (টকা) চিনাক্ত কৰিব পাৰিব। | • ২০ টকা হ'বলৈ টকা আৰু পইচা যোগ কৰিব পাৰিব। | • ১০০ টকা হ'বলৈ টকা আৰু পইচা যোগ কৰিব পাৰিব। |

1

## C-8.12 : শিকন ফলাফল ঃ

*তালিকা-40*

| C-8.12 : পৰিমাণ, আকৃতি, স্থান আৰু জোখ-মাপৰ ধাৰণা আৰু পদ্ধতি বুজি প্ৰকাশ কৰিবলৈ পৰ্যাপ্ত আৰু উপযুক্ত শব্দ ভাণ্ডাৰ বিকশিত হোৱা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • আকৃতিৰ নাম আৰু কিছুমান বৈশিষ্ট্য ক'ব পাৰিব। | • সংখ্যাবাচক শব্দ/সংখ্যা আৰু আকৃতিৰ নাম কৈ দিয়া সৰল নিৰ্দেশনা শুনি বুজি ল'ব পাৰিব।<br>• সংখ্যাবাচক শব্দ/সংখ্যা আৰু আকৃতিৰ নাম সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰিব। | • সংখ্যা, আকৃতি আৰু জোখ-মাপ বুজোৱা শব্দ সঠিকভাৱে কৈ ক্ৰিয়া-কলাপ কৰিব পাৰিব। | • পৰিমাণ, আকৃতি, স্থান আৰু জোখ-মাপ সম্পৰ্কীয় গাণিতিক সমস্যা সম্পূৰ্ণ বাক্য কৈ ব্যাখ্যা কৰিব পাৰিব। | • সৰল গাণিতিক সাঁথৰ আৰু পাজল/ প্ৰহেলিকা সাজিব পাৰিব। |

1

## C-8.13 : শিকন ফলাফল ঃ

*তালিকা-41*

| C-8.13 : পৰিমাণ, আকৃতি, স্থান আৰু জোখ-মাপ সম্পৰ্কীয় সৰল গাণিতিক সমস্যা সূত্ৰবদ্ধ আৰু সমাধান কৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • জ্যামিতিক আৰু অজ্যামিতিক আকৃতিৰ পাজল সমাধান কৰিব পাৰিব। | • টেনগ্ৰাম পাজল এটাৰ পৰা নিৰ্দিষ্ট নক্সা সাজিব পাৰিব (টেনগ্ৰাম পাজল-৭টা জ্যামিতিক আকৃতিযুক্ত পাজল) | • সংখ্যাৰ জ্ঞান ব্যৱহাৰ কৰি সৰল সাঁথৰ আৰু পাজল সমাধান কৰিব পাৰিব। | • বাস্তৱ পৰিৱেশ পৰিস্থিতিৰ সাধাৰণ গাণিতিক সমস্যা চিনাক্ত কৰিব পাৰিব।<br>• বিভিন্ন কৌশল ব্যৱহাৰ কৰি সৰল গাণিতিক সমস্যা সমাধান কৰিব পাৰিব। | • সৰল গাণিতিক সমস্যা সমাধানৰ উপায় সম্পৰ্কে ক'ব পাৰিব।<br>• কোনো ভুল থাকি গৈছে নেকি চাবলৈ পুনৰ নিৰীক্ষণ কৰিব পাৰিব।<br>• পৰিমাণ নিৰ্ধাৰণ কৰিবলগীয়া খেল আৰু পাজল সমাধান কৰাত জড়িত হ'ব পাৰিব। |

1

## 1.1.4 : ভাষা আৰু সাক্ষৰতাৰ বিকাশ ঃ

ভাষা আৰু সাক্ষৰতাৰ বিকাশ শিক্ষাৰ বুনিয়াদী উদ্দেশ্যৰ মাজৰে এটা। সকলো ধৰণৰ বোধক ভাষিক সামৰ্থতাই মধ্যস্থতা কৰে। আমাৰ ভাষিক সাৰ্থকতা আৰু বোধৰ মাজত শক্তিশালী সম্বন্ধ থাকে। যোগাযোগ, নতুবা বুজাৰ মাধ্যম নতুবা সৌন্দৰ্যবোধৰ অভিজ্ঞতাৰ আকাৰতেই নহওক লাগে যিকোনো ক্ষেত্ৰত মানুহৰ অভিজ্ঞতাৰ বাবে ভাষা মুখ্য। ভাষা মানুহৰ প্ৰকৃতিগত আৰু সাংস্কৃতিকভাৱে প্ৰদত্ত, গতিকে ভাষা শিকনত বেছিকৈ নিৰ্দেশনা আৰু মনোযোগ দিয়াৰ প্ৰয়োজন। সাক্ষৰতা অকল ধ্বনি আৰু চিহ্নৰ মাজত সম্পৰ্ক স্থাপন কৰি পাঠ পঠনেই নহয় (decoding), ইয়াৰ বাবে পাঠত প্ৰতিনিধিত্ব কৰা জগতখনৰ অৰ্থ উলিয়াব পৰাটোও প্ৰয়োজন।

## CG-9 : শিশুসকলে দৈনন্দিন জীৱনত সফলভাৱে দ্বিভাষাত ভাৱ-বিনিময় কৰাৰ দক্ষতা অৰ্জন কৰিব ঃ

বুনিয়াদী স্তৰত শিশুৰ মৌখিক ভাষাৰ বিকাশৰ বাবে উল্লেখযোগ্য সময়ৰ অংশ প্ৰয়াস আৱণ্টন কৰাৰ প্ৰয়োজন। মৌখিক ভাষাৰ শক্তিশালী ভেটিৰ দ্বাৰা বুনিয়াদী সাক্ষৰতাৰ বিকাশ হয়। নিচেই সৰু শিশুসকলক যিবোৰে মৌখিক ভাষা আয়ত্ব কৰাৰ প্ৰাৰম্ভিক অৱস্থাত আছে তেওঁলোকক প্ৰথমেই পাঠৰ লগত পৰিচয় কৰাই দিলে ভাষাৰ বিকাশৰ আকাংক্ষাৰ বিপৰীত মুখে ঢাল খাব পাৰে।

## C-9.1 : শিকন ফলাফল ঃ

*তালিকা-42*

| | C-9.1 : সৰল গান, কবিতা আৰু পদ্য শুনি প্ৰশংসা কৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • বহু ভিন্ন সুৰীয়া গীত আৰু কবিতা শুনিব। | • ঘৰ আৰু চুবুৰিত নিয়মিতভাৱে শুনা বিভিন্ন ভাষাৰ গান গুণগুণাই উপভোগ কৰিব পাৰিব। | • পৰিচিত দীঘল গান/কবিতা (৪-৮টা বাক্যৰ) মনোযোগেৰে শুনি আৰু এইবোৰৰ বিষয়ে কথোপকথন কৰিব পাৰিব। | • অপৰিচিতি /চিনাকি গান-কবিতা (৪-৮টা বাক্যৰ) মনোযোগেৰে শুনি আৰু এইবোৰৰ বিষয়ে কথোপকথন কৰিব আৰু এইবোৰৰ ওপৰত প্ৰশ্ন শুধিব পাৰিব। | • নিৰ্দিষ্ট ধৰণৰ গান আৰু কবিতা শুনিবলৈ আগ্ৰহ দেখুৱাব আৰু পছন্দ কৰাৰ কাৰণ ব্যাখ্যা কৰিব পাৰিব। |
| 2 | • সৰল গান বা কবিতা এটাৰ পুনৰাবৃত্তি কৰিব পাৰিব। | • গীতৰ তালে তালে সুৰ মিলাই গীত গায় আৰু স্বৰ সলনি কৰি অঙ্গ-ভঙ্গীৰে কবিতা আবৃত্তি কৰিব পাৰিব। | • চুটি গীত/ কবিতা (৪-৫টা বাক্যৰ গাব) আবৃত্তি কৰিব পাৰিব। | • দীঘল গীত /কবিতা (১০টা বাক্যৰ) গাব/ আবৃত্তি কৰিব পাৰিব। | • দুই-তিনিটা দফাৰ গান /কবিতা গাব/আবৃত্তি কৰিব পাৰিব। |

## C-9.2 : শিকন ফলাফল ঃ

*তালিকা-43*

| | C-9.2 : স্বতন্ত্ৰভাৱে সৰল গীত আৰু কবিতা ৰচনা কৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • পৰিচিত গান আৰু কবিতা শুনি উপভোগ কৰিব। | • গীত আৰু কবিতাৰ ছন্দযুক্ত শব্দ শুনি উপভোগ কৰিব। | • পৰিচিত কবিতাৰ ছন্দযুক্ত শব্দ চিনাক্ত কৰি নিজেও ছন্দযুক্ত শব্দৰ সৃষ্টি কৰিব পাৰিব। | • শিক্ষকৰ সহায়ত চুটি কবিতা /পদ্য প্ৰসাৰিত/সৃষ্টি কৰিব পাৰিব। | • নিজৰ ভাষাত স্বয়ংক্ৰিয়ভাৱে চুটি/ সৰু কবিতা/পদ্য সৃষ্টি কৰিব পাৰিব। |

## C-9.3 : শিকন ফলাফল ঃ

*তালিকা-44*

| | C-9.3 : সাৱলীলভাৱে কথোপকথন কৰিব পৰা আৰু অৰ্থপূৰ্ণ কথোপকথন আগবঢ়াই নিব পৰা | | | | |
|---|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • চৌপাশৰ পৰিচিত ব্যক্তিৰ সৈতে চমু কথোপকথন কৰোঁতে মনোযোগেৰে শুনি কথা ক'ব পাৰিব। | • বিদ্যালয়ৰ বিভিন্ন পৰিৱেশত সমনীয়া, শিক্ষকৰ লগত দৈনন্দিন প্ৰসংগৰ কথোপকথন কৰিবলৈ আৰম্ভ কৰিব। | • কোনো ঘটনা, কাহিনী, নিজৰ প্ৰয়োজন আৰু প্ৰশ্ন সোধাৰ বাবে কথোপকথনত জড়িত হ'ব পাৰিব। | • কথোপকথনত জড়িত হওতে নিজৰ পাল পৰালৈ অপেক্ষা কৰি ক'ব আৰু আনক ক'বলৈ সুবিধা দিব। | • একাধিক বিনিময়ৰ মাজেৰে কথোপকথনৰ আত ধৰি ৰাখিব পাৰিব। |
| 2 | • চমু অৰ্থপূৰ্ণ বাক্যৰ দ্বাৰা নিজৰ অনুভৱ আৰু প্ৰয়োজন প্ৰকাশ কৰিব পাৰিব। | • নিজৰ দৈনন্দিন অভিজ্ঞতা সৰল বাক্যৰে বৰ্ণনা কৰিব আৰু সাধাৰণ প্ৰশ্ন কি/ কেতিয়া/ কেনেকৈ/ কাক আদি ব্যৱহাৰ কৰি সুধিব পাৰিব। | • চুটি গীত/ কবিতা (৪-৫টা বাক্যৰ গাব) আবৃত্তি কৰিব পাৰিব।<br>• নিজৰ দৈনন্দিন অভিজ্ঞতা বিস্তৃতভাৱে বৰ্ণনা কৰিব পাৰিব লগতে 'কিয়' বুলি কয় প্ৰশ্ন সুধিবও পাৰিব। | • শ্ৰেণীকোঠাত অকাল্পনিক বিষয়বস্তুৰ বিষয়ে আলোচনাত জড়িত হওক নিজৰ অভিজ্ঞতাৰ পৰা আহৰণ কৰা জ্ঞান বিষয়বস্তুৰ লগত সংযোগ স্থাপন কৰিব পাৰিব আৰু এই সন্দৰ্ভত ক'ব পাৰিব। | • শ্ৰেণীকোঠাত কোনো এটা বিষয়বস্তু আলোচনা কৰাত জড়িত হ'ব পাৰিব আৰু আলোচনাৰ প্ৰশ্ন উত্থাপন কৰিব পাৰিব আৰু তেওঁক সোধা প্ৰশ্নৰ সঁহাৰি জনাব পাৰিব। |

## C-9.4 : শিকন ফলাফল ঃ

*তালিকা-45*

| | C-9.4 : জটিল কাম এটাৰ বাবে দিয়া নিৰ্দেশনা বুজি পোৱা আৰু একেটাৰ বাবে স্পষ্ট মৌখিক নিৰ্দেশনা আনকো দিব পৰা | | | | |
|---|---|---|---|---|---|
| | ←— 3 ৰ পৰা 8 বছৰ বয়স —→ | | | | |
| 1 | • চমু নিৰ্দেশনা শুনি অনুসৰণ কৰিব পাৰিব। (যেনে - ব্লকবোৰ ইয়ালৈ আনা, তোমাৰ হাত দুখন ভালদৰে ধোৱা আদি। | • বিভিন্ন স্তৰত দিয়া সৰল নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনে- একে সময়তে দিয়া ২-৩টা নিৰ্দেশনা অনুসণ কৰিব পাৰিব। | • বিভিন্ন স্তৰত দিয়া নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনে-একে সময়তে দিয়া ৪-৫টা নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব।) | • বিভিন্ন স্তৰত দিয়া নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনে- একে সময়তে দিয়া ৪-৭টা নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব।) | • চৰ্তাৱলী থকা নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (যেনে- যদি বৰষুণ দিয়ে গছপুলিত পানী নিদিবা, এই কামটোৰ সলনি বাগিচাৰ পৰা অপতৃণবোৰ উঘালি পেলোৱা অন্যথা গছপুলিত পানী দিয়া। |
| 2 | | | • আন শিশুসকলক বা জ্যেষ্ঠ ব্যক্তিক সৰু কাম এটা সম্পূৰ্ণ কৰিবলৈ স্পষ্ট নিৰ্দেশনা দিব পাৰিব। | • একে সময়তে বহুকেইটা স্তৰ থকা (৪-৭টা) নিৰ্দেশনা স্পষ্টকৈ দিব পাৰিব। | • গাণিতিক দিশ অন্তৰ্ভুক্ত কৰি স্পষ্ট নিৰ্দেশনা দিব পাৰিব (যেনে -নিৰ্দিষ্ট দিশ, স্থান, কাল সম্বন্ধীয়) |

## C-9.5 : শিকন ফলাফল ঃ

*তালিকা-46*

| | C-9.5 : বৰ্ণনা কৰা/পঢ়ি শুনোৱা কাহিনী বুজি পোৱা কাহিনীটোৰ চৰিত্ৰবোৰ, বৰ্ণনা কৰা কথাখিনি লেখকে কাহিনীটোৰ জৰিয়তে কি ক'ব বিচাৰিছে চিনাক্ত কৰিব পৰা | | | | |
|---|---|---|---|---|---|
| | ←— 3 ৰ পৰা 8 বছৰ বয়স —→ | | | | |
| 1 | • এটা কাহিনী কম সময়ৰ বাবে মনোযোগেৰে শুনিব পাৰিব। (৫-৭ মিনিট সময়) | • বৰ্ণনা কৰা কাহিনী এটাৰ চৰিত্ৰ আৰু কিছুমান ঘটনা মনত পেলাই/স্মৰণ কৰি নিজৰ ভাষাত পুনৰাই ক'ব পাৰিব। | • এটা গল্পৰ কাহিনীভাগ আৰু চৰিত্ৰ চিনাক্ত কৰি কাহিনীটোত ব্যৱহাৰ হোৱা শব্দ শুদ্ধ ক্ৰমত কাহিনীটো পুনৰাই ক'ব পাৰিব। | • গল্প এটাৰ কাহিনীভাগৰ অভিপ্ৰায়, চৰিত্ৰসমূহ ব্যাখ্যা কৰিব আৰু কাহিনীটো বেলেগ ধৰণে পুনৰাই ক'ব পাৰিব। | • লেখকে গল্প এটা লিখাৰ অভিপ্ৰায় ব্যাখ্যা কৰিব আৰু কাহিনীটো লেখকে কোৱাৰ দৰে পুনৰাই ক'ব পাৰিব। |

## C-9.6 : শিকন ফলাফল ঃ

*তালিকা-47*

| | C-9.6 : চমু গল্প, গল্পৰ কাহিনীভাগ আৰু চৰিত্ৰবোৰ স্পষ্টকৈ বৰ্ণনা কৰা | | | | |
|---|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | | |
| 1 | | | • কাহিনীৰ সামৰণি নিজেই কল্পনা কৰি বৰ্ণনা কৰিব পাৰিব। | • সৰল কাহিনী আৰু চৰিত্ৰ থকা গল্প, সৰু গল্প নিজেই সৃষ্টি কৰি বৰ্ণনা কৰিব পাৰিব। | • জটিল কাহিনী আৰু বহুকেইটা চৰিত্ৰ থকা গল্প দলগতভাৱে সৃষ্টি কৰিব পাৰিব। |

## C-9.7 : শিকন ফলাফল ঃ

*তালিকা-48*

| | C-9.7 : দৈনন্দিন জীৱনত সফলভাৱে ভাৱ-বিনিময় কৰাৰ বাবে পৰ্যাপ্ত শব্দ জনা আৰু ব্যৱহাৰ কৰা, বৰ্তমানৰ শব্দভাণ্ডাৰৰ দ্বাৰা নতুন শব্দৰ অৰ্থ অনুমান কৰিব পৰা | | | | |
|---|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | | |
| 1 | • পৰিচিত সাধাৰণ বস্তু আৰু অভিজ্ঞতা প্ৰকাশ কৰিবলৈ সঠিক শব্দসম্ভাৰ/শব্দ ভাণ্ডাৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিব। | • শ্ৰেণীকোঠাত সূচনা কৰা নিৰ্দিষ্ট বিষয়বস্তু আৰু বিষয়ৰ পৰা আহৰণ কৰা শব্দ ভাণ্ডাৰ কথোপকথনত ব্যৱহাৰ কৰিব পাৰিব। | • ক্ৰিয়াবাচক শব্দ, বৰ্ণনাত্মক শব্দ আৰু কাল আদি বুজোৱা আদি শব্দ ভাণ্ডাৰ বিস্তাৰিতভাৱে ব্যৱহাৰ কৰাৰ বাবে প্ৰয়াস কৰিব পাৰিব। | • ছপা সমলৰ ছবি চাই আৰু বিষয়বস্তুৰ ইংগিত মৰ্মে অপৰিচিত শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব। | • ছপা সমলত অপৰিচিত শব্দৰ সৈতে সন্মুখীন হ'লে অৰ্থ চিনাক্ত কৰিবলৈ শিশু অভিধান ব্যৱহাৰ কৰিব পাৰিব। অৰ্থ অনুমান কৰিব পাৰিব। |

## CG-10 : শিশুসকলে সাৱলীলভাৱে প্ৰথম ভাষাত (ভাষা-১) পঢ়িব আৰু লিখিব ঃ

সামাজিকৰণ প্ৰক্ৰিয়া আৰু ভাষাৰ নিমজ্জিত পৰিৱেশত স্বাভাৱিকতে মৌখিক ভাষাৰ বিকাশ হয়। লিখিত ভাষা হ'ল প্ৰাচীন সাংস্কৃতিক কলাকৃতি আৰু ই স্বাভাৱিকভাৱে আয়ত্ত কৰিব নোৱাৰি। শিশুসকলে আয়ত্ত কৰা মৌখিক ভাষাটোৰ লগত লিখন প্ৰণালীৰ (হস্তলিপিৰ) সম্পৰ্ক স্থাপন কৰিবলৈ স্পষ্ট নিৰ্দেশনাৰ প্ৰয়োজন। ইয়াৰ বাবে শিশুসকলে এইটো চিনাক্ত কৰিবলৈ আৰম্ভ কৰিব লাগিব যে আমি ব্যৱহাৰ কৰা শব্দবোৰৰ অৰ্থ থাকে। তদুপৰি এই শব্দবোৰ ধ্বনিলৈ বিভক্ত হৈ হস্তলিপিৰ চিহ্ন হিচাপে উপস্থাপন কৰে। যিহেতু হস্তলিপি পঢ়া আৰু লিখাৰ বাবে স্পষ্ট নিৰ্দেশনাৰ প্ৰয়োজন প্ৰাৰম্ভিক অৱস্থাত কিছু সময়ৰ বাবে শিশুসকলক অৰ্থ তৈয়াৰ কৰাৰ/নিজৰ মতে অৰ্থ উলিওৱাৰ পৰা (Meaning making) পৰা বিৰত ৰাখিব নালাগে যেতিয়ালৈকে তেওঁলোকৰ বৰ্ণমালাৰ আটাইবোৰ আখৰ (বৰ্ণ) শিকা সমাপ্ত নহয়।

## C-10.1 : শিকন ফলাফল ঃ

*তালিকা-49*

| | C-10.1 : ধ্বনিগত সজাগতাৰ বিকাশ, ধ্বনি/শব্দাংশ সংযোগ কৰি শব্দ গঠন আৰু শব্দৰ পৰা ধ্বনি/শব্দাংশ পৃথক কৰিব পৰা | | |
|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | |
| 1 | • কবিতা গাব পাৰিব। | • ছন্দযুক্ত শব্দ আৰু অনুপ্ৰাস (অলংকিত শব্দ) চিনাক্ত কৰিব পাৰিব। | • ছন্দযুক্ত শব্দ আৰু অনুপ্ৰাস (অলংকাৰ লগাই কোৱা শব্দ) সৃষ্টি কৰিব পাৰিব। |
| 2 | • শব্দাংশৰ ধ্বনি অনুসৰণ কৰিব আৰু সৃষ্টি কৰিব পাৰিব। | • শব্দৰ আদ্য আৰু অন্ত ধ্বনি আৰু আখৰ/বৰ্ণ চিনাক্ত কৰিব পাৰিব। | • শব্দ আৰু শব্দাংশ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ পৃথক কৰিব পাৰিব। (Consonant and vawel sounds) |
| 3 | | • ২-৩ শব্দাংশ সংযুক্ত কৰি সৰল বাক্য সাজিব পাৰিব। | • স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি সংযোগ কৰি পৰিচিত শব্দ গঠন কৰিব পাৰিব। (Consonant and vawel sounds) |

## C- 10.2 : শিকন ফলাফল ঃ

*তালিকা-50*

| | C- 10.2 : কিতাপ এখনৰ মৌলিক গঠন, ছপা শব্দৰ ধাৰণা আৰু কোনটো দিশত ছপা কৰা হৈছে বুজি পোৱা আৰু যতি-বিৰাম চিহ্ন চিনাক্ত কৰিব পৰা | | | |
|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | |
| 1 | • সাধাৰণ/ মৌলিক চিহ্ন, সংকেত, লগ' (logos) নাম ফলক চিনাক্ত কৰিব পাৰিব/ চিনি পাব। | • কিতাপ এখন ধৰি, খুলি ল'ব আৰু কি লিখা আছে অন্বেষণ/ উদঘাটন কৰিবলৈ পৃষ্ঠা লুটিয়াই চাব পাৰিব। | • ছপা সমলত তথ্য থকাটো ব্যাখ্যা কৰিব পাৰিব। (যেনে- কিতাপ, বাতৰি কাকত, পুস্তিকা (সৰু নবন্ধা) প্ৰচাৰ পত্ৰ আদিত) | |
| 2 | • ছপা আখৰ আৰু ছপা ছবিৰ মাজত পাৰ্থক্য কৰিব পাৰিব। | • ছপা পৃষ্ঠাৰ লিখনি যে ক্ৰমে বাওঁফালৰ পৰা সোঁফাললৈ আৰু ওপৰৰ পৰা তললৈ পঢ়িব লাগে জানি সেইদৰে অনুসৰণ কৰিব। | • সৰল যতি-বিৰাম চিহ্ন চিনাক্ত কৰিব পাৰিব/ চিনি পাব (দাৰি, প্ৰশ্নবোধক চিহ্ন) | • সৰল যতি-বিৰাম চিহ্ন চিহ্ন সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰিব। (দাৰি, প্ৰশ্নবোধক চিহ্ন) |
| 3 | • পৰিচিত গল্পৰ কিতাপৰ ছবি চাই পঢ়াৰ ভাও ল'ব পাৰিব। | • ছপা সমল অনুসৰণ কৰোঁতে সঠিক শব্দ পঢ়াৰ ধ্বনি ব্যৱহাৰ কৰি পঢ়াৰ ভাও ল'ব পাৰিব। | • বেটুপাত চাই কিতাপখনৰ বিষয়ে কথোপকথন কৰিব পাৰিব। | |

## C-10.3 : শিকন ফলাফল ঃ

*তালিকা-51*

| | | | | | |
|---|---|---|---|---|---|
| | **C-10.3 : বৰ্ণমালাৰ আটাইকেইটা বৰ্ণ (আখৰৰ ৰূপত) চিনাক্ত কৰিব পৰা আৰু এই জ্ঞান হস্তলিপিৰ শব্দ পঢ়িবলৈ আৰু লিখিবলৈ ব্যৱহাৰ কৰা** | | | | |
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| 1 | • শব্দবোৰ যে বৰ্ণৰে গঠিত হয় জানি ক'ব পাৰিব। | • দেখা আখৰ/ বৰ্ণক চিনাক্ত কৰিব পাৰিব আৰু বৰ্ণক সদৃশ ধ্বনিৰ লগত সংযোগ স্থাপন কৰিব আৰম্ভ কৰিব। ধ্বনি আৰু চিহ্নৰ সংযোগ স্থাপন কৰিব পাৰিব। | • সচৰাচৰ বেছিকৈ বৰ্ণ/আখৰ চিনাক্ত কৰিব পাৰিব আৰু আখৰৰ/বৰ্ণৰ সদৃশ ধ্বনিৰ লগত সংযোগ স্থাপন কৰিব পাৰিব। (চিহ্ন আৰু ধ্বনিৰ সংযোগ স্থাপন কৰিব পাৰিব।) | • বৰ্ণমালাৰ (স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ) আটাইবোৰ আখৰ/বৰ্ণ চিনাক্ত কৰিব পাৰিব/চিনি পাব আৰু আখৰ/বৰ্ণৰ সদৃশ ধ্বনিৰ লগত সংযোগ স্থাপন কৰিব পাৰিব। /চিহ্ন আৰু ধ্বনিৰ সংযোগ স্থাপন কৰিব পাৰিব। | |
| 2 | | • পৰিচিত আৰু জনা দুটা শব্দাংশ থকা সৰল শব্দ পঢ়িব পাৰিব। | • পৰিচিত আৰু জনা (৩-৪টা) শব্দাংশযুক্ত শব্দ পঢ়িব পাৰিব। (দুটা ব্যঞ্জনবৰ্ণযুক্ত সাধাৰণতে ব্যৱহাৰ হৈ থকা শব্দ অন্তৰ্ভুক্ত কৰি) | • বহুতো শব্দাংশৰে গঠিত শব্দ পঢ়িব পাৰিব। (বেছি ব্যঞ্জনবৰ্ণযুক্ত শব্দ) | • সঠিকভাৱে ব্যঞ্জনবৰ্ণ বেছিকৈ থকা বা ব্যঞ্জনবৰ্ণ নথকা শব্দাংশৰে গঠিত পঢ়িব পাৰিব। |
| 3 | | • পৰিৱেশত দেখা বস্তুৰ নামৰ ফলক আৰু ফলকত লিখা শব্দ দৰ্শনীয় শব্দ হিচাপে চিনাক্ত কৰিব পাৰিব। | • সাধাৰণতে দেখি থকা প্ৰবন্ধ, প্ৰচাৰ পত্ৰিকা আৰু সংযোগী শব্দ চিনাক্ত কৰিব পাৰিব /চিনি পাব। | | |

## C- 10.4 : শিকন ফলাফল ঃ

*তালিকা-52*

| | | | | |
|---|---|---|---|---|
| | **C- 10.4 : সঠিক সাময়িক বিৰতি আৰু স্বৰৰ সাল-সলনি কৰি সঠিক আৰু সাৱলীলভাৱে প্ৰথম ভাষাত (L1) গল্প আৰু দফা পঢ়িব পৰা।** | | | |
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | |
| 1 | • পৰিচিত/ জনা শব্দৰ প্ৰত্যেকটো বৰ্ণ/ আখৰ, ধ্বনি আৰু দৰ্শনীয় শব্দ চিনাক্ত কৰি সৰু বাক্য পঢ়িব পাৰিব। | • সঠিকভাৱে কিছুমান পৰিচিত শব্দ পঢ়িব পাৰিব। | • চুটি সৰু দফা এটা সঠিক স্বৰেৰে আৰু প্ৰয়োজন সাপেক্ষে বিৰতি লৈ পঢ়িব পাৰিব। | • সৰু/চুটি দফা এটা সঠিক আৰু সাৱলীলভাৱে সঠিক স্বৰ, বিৰতি আৰু স্বৰৰ সালসলনি কৰি পঢ়িব পাৰিব। |

## C-10.5 : শিকন ফলাফল ঃ

*তালিকা-53*

| | C-10.5 : চমু গল্প পঢ়ে আৰু চৰিত্ৰবোৰ, কাহিনীৰ সাৰমৰ্ম চিনাক্ত কৰিব পৰা আৰু কাহিনীটোৰ জৰিয়তে লিখকে কি ক'ব বিচাৰিছে বুজি পোৱা নিজাববীয়াকৈ ক'ব পৰা | | | | |
|---|---|---|---|---|---|
| | 3 ৰ পৰা 8 বছৰ বয়স | | | | |
| 1 | • 'সৰব পঠন' শুনিব আৰু শিক্ষকে সুধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | • শিক্ষকৰ সৈতে 'অংশীদাৰী পঠনত' অংশগ্ৰহণ কৰিব আৰু পঠনৰ বিষয়ে আলোচনা কৰিব পাৰিব। | • শিক্ষকৰ সৈতে 'নিৰ্দেশাত্মক পঠন'ত অংশগ্ৰহণ কৰিব আৰু পঠনৰ বিষয়ে আলোচনা কৰিব পাৰিব। | • সমান পৰিমাণৰ ছবি আৰু পাঠ্য (ছপা আখৰ) থকা বিষয়বস্তুৰ কিতাপ 'স্বতন্ত্ৰভাৱে' পঢ়িবলৈ আৰম্ভ কৰিব। | • ছবিতকৈ বেছি পাঠ্য (ছপা আখৰ) থকা বিষয়বস্তুৰ কিতাপ 'স্বতন্ত্ৰভাৱে' পঢ়িবলৈ আৰম্ভ কৰিব। |
| 2 | • ছবিৰ কিতাপ পঢ়ি ছবিত দেখা বস্তু আৰু কাৰ্য চিনাক্ত কৰিব পাৰিব/চিনি পাব। | • ছবিৰ কিতাপ পঢ়ি চৰিত্ৰবোৰ আৰু কাহিনীভাগ চিনাক্ত কৰিব পাৰিব আৰু চুটি ক্ৰমত বৰ্ণনা কৰিব পাৰিব। | • চুটি আৰু সৰল সাধু কিতাপ সৰব পঠন কৰিব পাৰিব আৰু দৃষ্টিগত ইংগিত আৰু পাঠ দুয়োটা ব্যৱহাৰ কৰি কাহিনীটো অনুমান কৰি সঠিক ক্ৰমত বিশদভাৱে পুনৰ ক'ব পাৰিব। | • অপৰিচিত গল্পৰ কিতাপ পঢ়িবলৈ আৰম্ভ কৰিব আৰু শিক্ষকৰ দিক নিৰ্দেশনাত সাধুটো বুজি ল'ব পাৰিব।<br>• গল্পৰ চৰিত্ৰ আৰু কাহিনীভাগ চিনাক্ত কৰিব পাৰিব। | • গল্প পঢ়ি কাহিনীৰ চৰিত্ৰবোৰ কাহিনীভাগ, কাহিনীৰ ক্ৰম আৰু লেখকৰ দৃষ্টিকোণ চিনাক্ত কৰিব পাৰিব। |

## C- 10.6 : শিকন ফলাফল ঃ

*তালিকা-54*

| | C- 10.6 : চমু কবিতা পঢ়া আৰু কবিতাটো ৰচনা কৰোঁতে কবিৰ বাচনি কৰা শব্দ আৰু কল্পনাশক্তিক শলাগ ল'বলৈ/প্ৰশংসা কৰিবলৈ আৰম্ভ কৰা | | | | |
|---|---|---|---|---|---|
| | 3 ৰ পৰা 8 বছৰ বয়স | | | | |
| 1 | | | • চমু কবিতা পঢ়ি আক্ষৰিক অৰ্থ বৰ্ণনা কৰিব পাৰিব। | • চমু কবিতা পঢ়ি কবিৰ কল্পনা অনুমান কৰিব পাৰিব। | |

## C- 10.7 : শিকন ফলাফল ঃ

*তালিকা-55*

| | | | | | |
|---|---|---|---|---|---|
| | **C- 10.7 : চমু বাতৰি/নিৰ্দেশনা/ৰন্ধন প্ৰণালী/প্ৰচাৰ সমল (প্ৰকাশিত সমল) পঢ়া আৰু অৰ্থ বুজি পোৱা** | | | | |
| | **← 3 ৰ পৰা 8 বছৰ বয়স →** | | | | |
| 1 | | | • সহজ চমু নিৰ্দেশনা পঢ়ি অনুসৰণ কৰিব পাৰিব। | • কোনো এটা খেল খেলিবলৈ আৰু দলীয়ভাৱে খেলা-ধূলা কৰিবলৈ সহজ নিৰ্দেশনা পঢ়িব পাৰিব। | • চমু খবৰ আৰু প্ৰচাৰ পত্ৰ পঢ়ি বিষয়বস্তু ব্যাখ্যা কৰিব পাৰিব। |

## C-10.8 : শিকন ফলাফল ঃ

*তালিকা-56*

| | | | | | |
|---|---|---|---|---|---|
| | **C-10.8 : নিজে বুজি পোৱা কথাখিনি আৰু অভিজ্ঞতা প্ৰকাশ কৰিবলৈ এটা দফা লিখিব পৰা** | | | | |
| | **← 3 ৰ পৰা 8 বছৰ বয়স →** | | | | |
| 1 | • বিভিন্ন ধৰণৰ লিখাৰ সামগ্ৰী/ সঁজুলি ব্যৱহাৰ কৰিব পাৰিব। যেনে - চক পেন্সিল, কাঠ পেন্সিল, ৰং পেন্সিল, ৰং কৰা ব্ৰাছ, ক্ৰেয়ন আদি। | • সাৱলীল আৰু সহজভাৱে লিখা ছবি অঁকা সামগ্ৰী ব্যৱহাৰ কৰিব পাৰিব। | | | |
| 2 | | • চিনি পোৱা আখৰ লিখিবলৈ আৰম্ভ কৰিব আৰু সেইবোৰ আখৰেৰে সৰল শব্দ গঠন কৰি লিখাব পাৰিব। | • আখৰ সঠিকভাৱে লিখিব পাৰিব আৰু সৰল শব্দ আৰু বাক্য গঠন কৰি লিখিব পাৰিব। | • ৩ বা ৪টা শব্দাংশ থকা শব্দ শ্ৰুতলিপি দিলে সঠিকভাৱে লিখিব পাৰিব। | • শ্ৰুতলিপিত দিয়া চমু বাক্য লিখিব পাৰিব। |
| 3 | • ছবি আঁকি ৰং কৰিব পাৰিব আৰু মৌখিকভাৱে ছবি অঁকাৰ অভিপ্ৰায় প্ৰকাশ কৰিব পাৰিব। | • প্ৰত্যক্ষ কৰিব পৰাকৈ সঠিকভাৱে বস্তুৰ আকাৰ/বস্তু আঁকিব পাৰিব আৰু অঁকা ছবি/ চিত্ৰাংকনক ব্যাখ্যা কৰিব পাৰিব। | • ছবি/ চিত্ৰাংকন আঁকি, সেইবোৰ সম্পৰ্কে সৰল শব্দ/ বাক্য নাইবা নিজেই উদ্ভাৱন কৰা বাক্য লিখিব পাৰিব। | • ছবিবোৰ ক্ৰম অনুসৰি সজাই সেইবোৰৰ কাষে কাষে চমু বাক্য লিখিব পাৰিব। | • ছবিবোৰ ক্ৰম অনুসৰি সজাই সেইবোৰৰ কাষে কাষে চমু বাক্য সঠিকভাৱে লিখিব পাৰিব। |
| 4 | | | | • এখন ছবি কাৰ্ডক শব্দ লিখি আৰু চমু বাক্য লিখি ব্যাখ্যা কৰিব পাৰিব। | • ছবিৰ কিতাপৰ পৰা অনুমান কৰি কাহিনী লিখিব পাৰিব। |

## C-10.9 : শিকন ফলাফল ঃ

*তালিকা-57*

| | C-10.9 : শিশুৰ বাবে ৰচনা কৰা বিভিন্ন কিতাপ হাতত তুলি লৈ পঢ়াৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰা | | | | |
|---|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | | |
| 1 | • পঢ়া সাধু আৰু কবিতাৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিব। | • শিক্ষকে দিয়া বহুকেইখন কিতাপৰ পৰা এখন কিতাপ তুলি লৈ সেই কিতাপখন কিয় বাচনি কৰিছে ক'ব পাৰিব। | • নিজৰ ইচ্ছামতে চুটি ছবি পুথি হাতত তুলি লৈ আন শিশুসকলক কিতাপখনৰ বিষয়ে ক'ব পাৰিব। | • নিয়মিতভাৱে সঘনাই চুটি/সৰু কিতাপ পঢ়িব আৰু পছন্দৰ কিতাপ বাছনি কৰাৰ কাৰণ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব। | • বিভিন্ন ধৰণৰ কাল্পনিক আৰু অকাল্পনিক কিতাপ পঢ়াৰ আগ্ৰহ থকাটো পৰিলক্ষিত হ'ব। |
| 2 | • কিতাপ যতনেৰে ব্যৱহাৰ কৰিব পাৰিব। | • শ্ৰেণীকোঠাৰ সঠিক স্থানত কিতাপ পঢ়ি থৈ আহিব পাৰিব। | | | • বিদ্যালয়ৰ গ্ৰন্থাগাৰৰ কিতাপ মেৰামতি আৰু আধা খুৰাই ল'ব পাৰিব। |

## CG-11 : শিশুসকলে দ্বিতীয় ভাষাৰ (ভাষা-২) পঢ়িবলৈ আৰু লিখিবলৈ আৰম্ভ কৰিব।

## C-11.1 : শিকন ফলাফল ঃ

*তালিকা-58*

| | C-11.1 : ধ্বনিগত সজাগতা/সচেতনতা বিকাশ সাধন আৰু ধ্বনি/শব্দাংশ সংযোগ কৰি শব্দ তৈয়াৰ কৰিব আৰু শব্দৰ পৰা ধ্বনি আৰু শব্দাংশ পৃথক কৰিব পৰা | | | | |
|---|---|---|---|---|---|
| | ⟵ 3 ৰ পৰা 8 বছৰ বয়স ⟶ | | | | |
| 1 | | | • কবিতা গাব পাৰিব। | • ছন্দযুক্ত শব্দ আৰু অলংকাৰ লগাই শব্দ ক'ব পাৰিব। উদাহৰণ - 'কথা ক'লে কাণ কৰে কথকী ককাই। হাঁহি হাঁহি হাঁহি মাৰে চকুটো পকাই।' | • নিজেই ছন্দযুক্ত শব্দ আৰু অলংকাৰ লগাই শব্দ সৃষ্টি কৰিব পাৰিব। |
| 2 | | | • শব্দাংশৰ ধ্বনি অনুকৰণ আৰু সৃষ্টি কৰিব পাৰিব। | • শব্দৰ আদ্য আৰু অন্ত ধ্বনি চিনাক্ত কৰিব পাৰিব। | • শব্দাংশৰ পৰা স্বৰবৰ্ণৰ ধ্বনি আৰু ব্যঞ্জনবৰ্ণৰ ধ্বনি বিভক্ত/পৃথক কৰিব পাৰিব। |
| 3 | | | | • ২-৩ টা শব্দাংশ সংযোগ কৰি সৰল শব্দ গঠন কৰিব পাৰিব। | • স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ ধ্বনি সংযোগ কৰি পৰিচিত শব্দ গঠন কৰিব পাৰিব। |

## C-11.2 : শিকন ফলাফল ঃ

*তালিকা-59*

| | C-11.2 : হস্তলিপিত সঘনাই ব্যৱহাৰ হোৱা বৰ্ণ (আখৰ হিচাপে) চিনাক্ত কৰিব পৰা আৰু এই জ্ঞান সৰল শব্দ আৰু বাক্য লিখাৰ বাবে ব্যৱহাৰ কৰা | | |
|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | |
| 1 | | • বৰ্ণ দেখি বৰ্ণৰ লগত মিল থকা ধ্বনিৰ সংযোগ স্থাপন কৰিবলৈ আৰম্ভ কৰিব। | • বৰ্ণমালাৰ আটাইকেইটা বৰ্ণ চিনি পাব/ চিনাক্ত কৰিব পাৰিব। (স্বৰবৰ্ণ আৰু ব্যঞ্জন বৰ্ণ) |
| 2 | | • পৰিচিত বৰ্ণেৰে লিখা দুটা শব্দাংশ থকা সৰল শব্দ পঢ়িব পাৰিব। | • (৩-৪টা) শব্দাংশৰে গঠিত সহজ আৰু পৰিচিত শব্দ পঢ়িব পাৰিব।<br>• দৰ্শনীয় শব্দ, সাধাৰণতে দেখি থকা প্ৰবন্ধ, প্ৰচাৰ পত্ৰিকা আৰু সংযোগী শব্দ চিনাক্ত কৰিব পাৰিব। |
| 3 | | • পৰিবেশৰ দৰ্শনীয় শব্দ, বস্তুৰ নাম আৰু নামফলক চিনাক্ত কৰিব পাৰিব। | |
| 4 | | • শ্ৰুতলিপি দিলে সৰু শব্দ লিখিব পাৰিব। | |

## 1.1.5 : সৌন্দৰ্যবোধ আৰু সাংস্কৃতিক বিকাশ ঃ

এই বয়সৰ (৩-৮ বছৰ) শিশুসকলে কলাৰ লগত জড়িত হয়। অকল কলাৰ প্ৰকাশ আৰু সৌন্দৰ্যৰ উপভোগ নকৰে তেওঁলোকে সংবেদনাত্মক / সজ্ঞাত্মক আৰু সূক্ষ্ম পেশীৰ সামৰ্থতাও অৰ্জন কৰে। কলাত্মক প্ৰকাশ, আবেগ প্ৰকাশ আৰু আত্ম নিয়ন্ত্ৰণৰ এটা মাধ্যম, কলাৰ সৃষ্টিৰ বিষয়ে মৌখিকভাৱে উৎসাহিত কৰিব লাগে। কলা পৰ্যৱেক্ষণ কৰা, সৃষ্টি কৰা আৰু চানেকি সম্প্ৰসাৰণ কৰা হ'ল সকলো কৰ্মৰ বাবে মুখ্য সামৰ্থতা হিচাপে বিবেচনা কৰা হয়। সেয়েহে, শিশুসকলক চিত্ৰশিল্প, সংগীত, সংগীতৰ তালে তালে অংগ সঞ্চালন, নাটক আদিত জড়িত কৰাটো বুনিয়াদী স্তৰৰ সকলোবোৰ বিকাশৰ দিশৰ বাবে সৰ্বাত্মক জড়িতকৰণ হিচাপে গণিত হ'ব। এইটো মনত ৰখা উচিত যে এই স্তৰৰ শিশুসকলৰ কলাৰ দক্ষতা বিকাশ কৰাতকৈ মুক্ত আৰু সৃজনীশীল প্ৰকাশত বেছিকৈ গুৰুত্ব দিব লাগে।

**CG-12 : শিশুসকলে দৃশ্য আৰু পৰিৱেশন কলাৰ দ্বাৰা আনন্দদায়ক আৰু অৰ্থপূৰ্ণভাৱে তেওঁলোকৰ আৱেগ প্ৰকাশ কৰিব পাৰিব।**

**C-12.1 : শিকন ফলাফল ঃ**

*তালিকা-60*

| | **C-12.1 : বিভিন্ন আকাৰৰ দ্বিমাত্ৰিক (2D) আৰু ত্ৰিমাত্ৰিক (3D) শিল্পকৰ্ম সৃষ্টি কৰিবলৈ বিভিন্ন ধৰণৰ সামগ্ৰী আৰু সঁজুলিৰে খেলা আৰু উদঘাটন কৰা** | | | |
|---|---|---|---|---|
| | ← **3 ৰ পৰা 8 বছৰ বয়স** → | | | |
| 1 | • কলাৰ প্ৰাসংগিক সামগ্ৰী আৰু সঁজুলি আদি খামুচি ধৰি ৰাখিব পাৰিব। | • বিভিন্ন ধৰণৰ কলাৰ সামগ্ৰী, সঁজুলি আৰু বাদ্যযন্ত্ৰ আদি খামুচি ধৰি অন্বেষণ কৰিব। (যেনে- মাৰি, বীজ, শিলগুটি, শিলাখণ্ড, চকপেন্সিল, সূতা, পেন্সিল, ব্ৰাছ, ক্ৰেয়ন, পাউদাৰ, কেঁচী আদি। | • হাতৰ চাপ সাল-সলনি কৰি ছাঁ আৰু পোহৰৰ সাঁচ/চিহ্ন/ৰেখা আদি আঁকিব পাৰিব। | |
| 2 | • চিত্ৰাংকন কৰিবলৈ কল্পনা শক্তিৰে সৰু-ডাঙৰ চিহ্ন, ৰেখা, আঁকবাক আৰু অন্যান্য দ্বিমাত্ৰিক (2D)আৰু ত্ৰিমাত্ৰিক (3D)আকৃতি অন্বেষণ কৰে। | • বৃহৎ পৰিসৰৰ কাম সমনীয়া, সহায়কাৰী আৰু স্থানীয় সমাজৰ সহযোগিতাত কৰিব পাৰিব (যেনে- মাটিত আল্পনা অঁকা, ভাস্কৰ্য আদি কাৰ্যত) | • স্থান আৰু সামগ্ৰী উপলব্ধতা অনুসৰি সৰু আৰু ডাঙৰ পৰিসৰৰ কাৰ্য নিজেই কৰিব পাৰিব। (যেনে - সৰু মাটিৰ পুতলা সজা বা কাগজেৰে ডাঙৰ বল সাজা) | |
| 3 | • বিভিন্ন ধৰণৰ সামগ্ৰী মিহলাই বস্তুৰ আকৃতি আৰু সাঁচ তৈয়াৰ কৰিব পাৰিব (যেনে - মাটি আৰু পানী, বালি আৰু পানী, আটা আৰু পানী, ৰং আৰু পানী আদি।) | • ত্ৰিমাত্ৰিক (3D) আকৃতিৰ বস্তু মাটি, আটাৰ লডা আদিৰে তৈয়াৰ কৰিব পাৰিব। | • নিজেই ব্যৱস্থা কৰি বিভিন্ন সামঞ্জস্য থকা ৰং আৰু বিন্যাস অনুসৰি ক'লাজ তৈয়াৰ কৰিব পাৰিব।<br>• হাতত পোৱা বিভিন্ন সামগ্ৰী আৰু বস্তুৰে লগলগাই একত্ৰিত কৰি ত্ৰিমাত্ৰিক(3D) আকৃতিৰ বস্তু তৈয়াৰ কৰিব পাৰিব। | |
| 4 | • ব্লক, ষ্টেনচিল, হাতত পোৱা বস্তু আৰু প্ৰাকৃতিকভাৱে পোৱা সামগ্ৰী আদিৰ সাঁচ তৈয়াৰ কৰিব পাৰিব। | • ব্লক, ষ্টেনচিল, হাতত পোৱা বস্তু, প্ৰাকৃতিকভাৱে উপলব্ধ সামগ্ৰী আদিৰ সৰল চানেকি তৈয়াৰ কৰিব পাৰিব। | • বিভিন্ন ধৰণৰ আকৃতি, বস্তু, বিন্যাস আৰু ৰং সংযোজিত কৰি আৰু সজাই চানেকি তৈয়াৰ কৰিব পাৰিব। | • এবিধ বস্তু ব্যৱহাৰ কৰি হাতেৰে বিভিন্ন বিন্যাস তৈয়াৰ কৰিব পাৰিব। (যেনে - মাটি, কাপোৰ, কাগজ, ৰবৰ, কাঠ আদি) |

## C-12.2 : শিকন ফলাফল ঃ

*তালিকা-61*

| | C-12.2 : সংগীত, চৰিত্ৰাভিনয়, নৃত্য আৰু অংগ সঞ্চালন সৃষ্টি কৰিবলৈ নিজৰ কণ্ঠ, শৰীৰ, স্থান আৰু বিভিন্ন ধৰণৰ বস্তুৰে অন্বেষণ কৰা আৰু পৰিৱেশন কৰা<br>← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
|---|---|---|---|---|---|
| 1 | • কণ্ঠ আৰু শৰীৰৰ দ্বাৰা ভাল অন্বেষণ কৰিব পাৰিব। (যেনে - হাত চাপৰি মাৰি, ভৰিৰে খট্ খট্ শব্দ কৰি, জঁপিয়াই, চুটি জাপ মাৰি গীত তালে তালে গায়/ছন্দ আৰু লয়ৰে কবিতা আবৃত্তি কৰে) | • কণ্ঠ, শৰীৰ আৰু আন বাদ্যযন্ত্ৰৰ তাল অন্বেষণ কৰোঁতে লেহেমীয়া আৰু দ্ৰুতবেগৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। | • কণ্ঠ, শৰীৰ নাইবা অন্যান্য বাদ্যযন্ত্ৰৰে দ্ৰুত, মধ্যমীয়া আৰু লেহেমীয়া বেগৰ পাৰ্থক্য উলিয়াব পাৰিব। | • লেহেমীয়া আৰু দ্ৰুতবেগৰ সৰল তালৰ সৈতে সংগীত পৰিৱেশন কৰিব পাৰিব। | • গীতৰ স্পন্দন আৰু সঞ্চালন অনুসৰণ কৰে আৰু পৰিচিত তলৰ আৰ্হিৰ ওপৰত ভিত্তি কৰি নিজেই তালৰ তাৰতম্য কৰি অন্বেষণ কৰিব পাৰিব। |
| 2 | • কণ্ঠ, শৰীৰ আৰু অন্যান্য বাদ্যযন্ত্ৰ বজাই বিভিন্ন শব্দৰ সৃষ্টি কৰিব পাৰিব। | • পৰিস্থিতি আৰু প্ৰসংগ অনুসৰি কণ্ঠ, শৰীৰ নাইবা অন্যান্য বাদ্য-যন্ত্ৰ ব্যৱহাৰ কৰি বিভিন্ন শব্দৰ সৃষ্টি কৰিব পাৰিব। যেনে - চৰিত্ৰাভিনয় কৰোঁতে, অকলে বা দলীয়ভাৱে সংগীত অনুষ্ঠান, মূকাভিনয় আদি। | • কথা কোৱা কণ্ঠ আৰু গান গোৱা কণ্ঠৰ মাজত পাৰ্থক্য অন্বেষণ কৰে আৰু দুয়োটাই কৌতুকপূৰ্ণভাৱে ব্যৱহাৰ কৰিব পাৰিব।<br>• বাদ্যযন্ত্ৰৰ সংগীত আৰু সংগীতৰ মাজত পাৰ্থক্য উলিয়াই দুয়োটাৰ অন্বেষণ কৰিব পাৰিব। | • কণ্ঠ, শৰীৰ, বাদ্যযন্ত্ৰ আৰু বস্তুৰে পৰিচিত হোৱা, সংগীতৰ শব্দৰ সাধাৰণভাৱে উন্নত কৰি সৃষ্টি কৰিব পৰা। | |
| 3 | • কণ্ঠ/শৰীৰ/বাদ্যযন্ত্ৰ বজাওঁতে শব্দৰ তীব্ৰতা (ডাঙৰ আৰু সৰু) আৰু সুৰ তীক্ষ্ণতা (উচ্চ আৰু নিম্ন) অন্বেষণ কৰিব পাৰিব। | • ধাৰণা, আৱেগ-অনুভূতি বহন কৰিবলৈ শব্দৰ তীব্ৰতা আৰু তীক্ষ্ণতা ব্যৱহাৰ কৰিব, সংগীত সৃষ্টি কৰিব, চৰিত্ৰ গঠন কৰিব পাৰিব। সংগীতৰ পৰিৱেশ সৃষ্টি কৰিব পাৰিব। | • সংগীত ৰচনা, স্থান, প্ৰসংগ আৰু পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি শব্দৰ তীব্ৰতা আৰু তীক্ষ্ণতা/সুৰ মধ্যমীয়া কৰিব পাৰিব। | • কণ্ঠ আৰু বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি সুৰ মিলাবলৈ প্ৰয়াস কৰিব পাৰিব। | |
| 4 | • দৈনন্দিন পৰিস্থিতিত নিস্তব্ধতা অন্বেষণ কৰিব পাৰিব। | • সংগীত, নাটক আৰু গতিবিধিৰ জৰিয়তে নিস্তব্ধতা আৰু নীৰৱতাৰ মুহূৰ্ত পৰিৱেশন কৰিব পাৰিব। | • স্থান, প্ৰসংগ আৰু পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি নিস্তব্ধতা আৰু নীৰৱতাৰ ভিন্নতা অন্বেষণ কৰিব পাৰিব। | | |

## C-12.3 : শিকন ফলাফল ঃ

*তালিকা-62*

| | C-12.3 : উদ্ভাৱন কৰি আৰু কল্পনাপ্ৰসূতভাৱে বিভিন্ন ধৰণৰ ধাৰণা আৰু আৱেগ কলাৰ জৰিয়তে প্ৰকাশ কৰা | | | |
|---|---|---|---|---|
| | ← 3 ৰ পৰা 8 বছৰ বয়স → | | | |
| 1 | • নিজৰ অন্বেষণৰ সৈতে সংযোগ স্থাপন কৰিবলৈ নিজৰ চৌপাশ, স্থানীয় সংস্কৃতি আৰু শিল্প-কলা পৰ্যৱেক্ষণ কৰিব পাৰিব। | • কলা সম্পৰ্কীয় ধাৰণা, ইয়াৰ বাবে ব্যৱহৃত সঁজুলি/আহিলা আৰু কাৰ্য পদ্ধতি সম্পৰ্কে নিজৰ মতামত প্ৰকাশ কৰিব পাৰিব আৰু পৰিচিত তেনে কলা উন্নত কৰাৰ অভিপ্ৰায় কৰিব পাৰিব। | • কলাৰ জৰিয়তে প্ৰকাশ কৰা বিভিন্ন ধৰণৰ অৰ্থ, ধাৰণা, আৱেগ চিনাক্ত কৰি ব্যাখ্যা কৰে আৰু নিজৰ শিল্পীসুলভ উদঘাটনত প্ৰয়োগ কৰিব পাৰিব। | • নিৰ্দিষ্ট ধাৰণা আৰু আৱেগ প্ৰকাশ কৰাৰ সময়ত একাধিক পদ্ধতি আৰু ভিন্নতা অন্বেষণ কৰিব পাৰিব। (যেনে - শৰীৰ, কণ্ঠ, মুখা, পুতলা বা শৰীৰ গতিৰ সংমিশ্ৰণ কৰি মেকুৰী এটাৰ চৰিত্ৰাভিনয় কৰাৰ বিভিন্ন উপায় সম্পৰ্কে চিন্তা কৰিব পাৰিব।<br>• একাধিক সমাধান অন্বেষণ কৰোঁতে আৰু নিজৰ সম্পদ বিচাৰোঁতে সন্মুখীন হোৱা প্ৰত্যাহ্বান নেওচি নেৰানেপেৰাকৈ লাগি থাকিব পাৰিব। |
| 2 | • বস্তু, ব্যক্তি আৰু আৱেগিক অভিজ্ঞতাৰ প্ৰতীক হিচাপে বিভিন্ন ধৰণৰ কাল্পনিক দৃশ্যমান শৰীৰৰ গতিবিধি আৰু শব্দ অন্বেষণ আৰু সৃষ্টি কৰিব পাৰিব। | • দৃশ্য আৰু পৰিৱেশন কলাৰ জৰিয়তে মানুহ, প্ৰাণী, উদ্ভিদ, বস্তু আদিৰ কিছুমান চিনাক্তকৰণযোগ্য শাৰীৰিক আৰু আচৰণৰ বৈশিষ্ট্যৰ মুকাভিনয় কৰিব পাৰিব। | • কল্পনাপ্ৰসূতভাৱে ৰূপ, ৰং, চৰিত্ৰ, শব্দ, স্থান আৰু পৰিস্থিতিৰ কাল্পনিকভাৱে সংমিশ্ৰণ ঘটাই নিজৰ ধাৰণা আৰু অভিজ্ঞতা উপস্থাপন কৰিব পাৰিব। | • শিল্পকলা সৃষ্টি আৰু নিৰীক্ষণ কৰাৰ সময়ত বিষয়ভিত্তিক বিতং বিৱৰণ, সামগ্ৰীৰ বৈশিষ্ট্য (বিন্যাস, ৰং আৱেগৰ, ৰূপ), স্থান আৰু পৰিস্থিতি সম্পৰ্কে মনোযোগ দিব পাৰিব। |

## C-12.4 : শিকন ফলাফল ঃ

*তালিকা-63*

| | C-12.4 : সহযোগিতাৰে শিল্পকলাৰ কাম কৰা<br>← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
|---|---|---|---|---|---|
| 1 | • শব্দ আৰু অংগ-ভংগী সৃষ্টি কৰিবলৈ স্বতন্ত্ৰ আৰু দলীয়ভাৱে অন্বেষণ কৰিব পাৰিব। | • সমনীয়াৰ সহযোগত বিভিন্ন ধৰণৰ সংলাপ, শৰীৰৰ ছন্দযুক্ত গতি, শব্দ আৰু দৃশ্যকলা প্ৰস্তুত কৰিব পাৰিব। | • যুৰীয়া আৰু দলীয়ভাৱে পৰিৱেশন কৰাৰ সময়ত সংলাপ, অংগ-ভংগী আৰু শব্দৰ সমন্বয় সাধন কৰিবলৈ চেষ্টা /প্ৰয়াস কৰিব।<br>• শিল্পকৰ্মৰ স্থানীয় ব্যৱস্থা আৰু প্ৰদৰ্শনত সমনীয়া আৰু সুবিধা প্ৰদানকাৰী ব্যক্তিৰ সৈতে সহযোগিতা কৰিব। | • এটা অংশীদাৰ দলৰ সৈতে পক্ষালম্বন কৰিবলৈ নিজৰ মাতৰ তীব্ৰতা, তীক্ষ্ণতা/সুৰ, গতি মধ্যমীয়া কৰিব পাৰিব। | • চৰিত্ৰাভিনয়, সংগীত, নৃত্য আৰু অংগ-ভংগী পৰিৱেশন কৰোঁতে মনোযোগ সহকাৰে আৰু ক্ৰমান্বয়ে পৰিৱেশন কৰিব পাৰিব। |

## C-12.5 : শিকন ফলাফল ঃ

*তালিকা-64*

| | C-12.5 : বিভিন্ন ধৰণৰ কলা, স্থানীয় সংস্কৃতি আৰু ঐতিহ্যৰ সৃষ্টি আৰু অভিজ্ঞতাপ্ৰাপ্তিত বিভিন্ন সঁহাৰিৰে প্ৰশংসা কৰি ভাৱৰ আদান-প্ৰদান কৰা<br>← 3 ৰ পৰা 8 বছৰ বয়স → | | | |
|---|---|---|---|---|
| 1 | • শিল্প কৰ্ম সংক্ৰান্তত নিজৰ ভাল নলগা আৰু আন মতামত মৌখিকভাৱে আৰু অমৌখিকভাৱে সঁহাৰি জনাব পাৰিব। | • শিল্পকৰ্মৰ বিভিন্ন দিশসমূহ নাইবা স্থানীয় সংস্কৃতি প্ৰকাশ সম্পৰ্কে সঁহাৰি জনাই যোগাযোগ কৰিব পাৰিব (যেনে- এই চৰিত্ৰটোৰ অভিনয় কৰাজনৰ মাতটো বৰ ডাঙৰ আৰু ভয় লগা আদি।) | • বিভিন্ন শিল্পকৰ্মৰ /শিল্পকৰ্মৰ ব্যৱস্থা/সাংস্কৃতিক প্ৰকাশক স্পষ্টভাৱে বিভিন্ন ধৰণৰ সঁহাৰিৰে তুলনা কৰিব পাৰিব। | |
| 2 | • কলাৰ সৈতে কাৰ্যকলাপ কৰাৰ সময়ত আনৰ উপস্থিতি স্বীকাৰ কৰিব পাৰিব। | • সমনীয়াৰ লগত শিল্প প্ৰক্ৰিয়াত জড়িত হওতে নিজৰ ধাৰণা আৰু সঁহাৰি প্ৰকাশ কৰিব পাৰিব। | • কলাৰ ব্যক্তিগত পছন্দ এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিৰ পৃথক বুলি স্বীকাৰ কৰিব পাৰিব। | • কলাত্মক মাধ্যম আৰু প্ৰকাশ সম্পৰ্কত একাধিক সঁহাৰি প্ৰকাশ আৰু প্ৰশংসা কৰিব পাৰিব। |

## 1.1.6 : ইতিবাচক শিকন অভ্যাসন ঃ

বৰ্তমানৰ গৱেষণাই আঙুলিয়াই দিছে যে প্ৰাক্ শৈশৱকালীন শিক্ষাত শিশুৰ নিত্য-নৈমিত্তিক বিভিন্ন দিশৰ বিকাশৰ লগতে এইবোৰৰ কাৰ্যবাহী পৰিণাম আৰু আত্ম নিয়ন্ত্ৰণত মনোযোগ দিলে বিদ্যালয় প্ৰস্তুতিত সৰ্বোচ্চ প্ৰভাৱ পৰে।

## CG-13 : শিশুসকলৰ শিকাৰ অভ্যাস গঢ়ি উঠিব যিয়ে তেওঁলোকক বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ দৰে আনুষ্ঠানিক শিকন পৰিৱেশত সক্ৰিয়ভাৱে জড়িত কৰিব।

## C-13.1 : শিকন ফলাফল ঃ

*তালিকা-65*

1

| **C-13.1 : মনোযোগ আৰু ইচ্ছাপ্ৰণোদিত/ইচ্ছাকৃত কাৰ্য ঃ নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ পৰিকল্পনা কৰি একান্ত মনোযোগেৰে প্ৰত্যক্ষ ক্ৰিয়া-কলাপত জড়িত হোৱাৰ দক্ষতা অৰ্জন কৰা** | | | | |
|---|---|---|---|---|
| ← **3 ৰ পৰা 8 বছৰ বয়স** → | | | | |
| • কম সময়ৰ বাবে নিজে সূচনা কৰা কাৰ্যত মনোযোগ নিবদ্ধ কৰিব পাৰিব।<br>• এটা বা দুটা কামত জড়িত কৰোঁতে মনোযোগ বৰ্তাই ৰাখিব পাৰিব। (যেনে - ইন্দ্ৰিয় অনুভূতিৰে খেলা খেল ৫-১০মিনিট সময় খেলিব পাৰিব।) | • জ্যেষ্ঠজনৰ সহায় নাইবা ইংগিত মৰ্মে কাৰ্যত মনোযোগ নিবদ্ধ কৰিব পাৰিব। যেনে - দলত পঢ়ি শুনোৱা সাধু কিছু সময় কোনো বাধা ব্যাঘাত নজন্মোৱাকৈ শুনি থাকিব পাৰিব।<br>• নিজৰ আগ্ৰহ থকা বিভিন্ন কাম কৰি থাকিব পাৰিব। (যেনে - নাটক কৰিব, ব্লকেৰে।০ মিনিট সময় খেলি থাকিব পাৰিব আদি। | • ৰং কৰা, ব্লকেৰে সজা-গঢ়া কৰা আদি ক্ৰিয়া-কলাপ বহু সময় ধৰি স্বতন্ত্ৰভাৱে মনোযোগ নিবদ্ধ কৰিব পাৰিব।<br>• নিজৰ আগ্ৰহ থকা কাৰ্যত বহু সময় ধৰি জড়িত হৈ থাকিব পাৰিব।<br>• জ্যেষ্ঠজনে সূচনা কৰা কাৰ্যত নিজৰ আগ্ৰহ নথকা কাৰ্যত যোগদান কৰিবলৈ আৰম্ভ কৰিব। | • জ্যেষ্ঠজনে সূচনা কৰা নিজৰ আগ্ৰহ নথকা কামত যোগদান কৰিব। (যেনে- শিক্ষকে সূচনা কৰা সৰু দলীয় কামত অংশগ্ৰহণ কৰিব।)<br>• বহু সময় ধৰি কোনো এটা কামত জড়িত হৈ থাকিব পাৰিব। (৩০ মিনিট সময়) | • জ্যেষ্ঠজনে সূচনা কৰা নিজৰ আগ্ৰহ নথকা কামত অংশগ্ৰহণ কৰিব। (যেনে- শিক্ষকে সূচনা কৰা সৰু দলীয় কাৰ্যত অংশগ্ৰহণ কৰিব।<br>• বহু সময় ধৰি কোনো এটা কামত জড়িত হৈ থাকিব পাৰিব। (৩০ মিনিট সময়) |

## C-13.2 : শিকন ফলাফল ঃ

*তালিকা-66*

| | **C-13.2 : স্মৃতি আৰু মানসিক নমনীয়তা ঃ পৰ্যাপ্ত স্মৃতিশক্তি, মানসিক নমনীয়তা (সঠিকভাৱে মনোযোগ বজাই ৰাখিবলৈ আৰু স্থানান্তৰিত কৰিবলৈ) আৰু আত্মনিয়ন্ত্ৰণৰ (হঠকাৰী কাৰ্য আৰু প্ৰতিক্ৰিয়াৰ পৰা বিৰত থকা) বিকাশ হোৱা যিয়ে তেওঁলোকক সংগঠিত নিয়ন্ত্ৰিত পৰিৱেশত শিকনত সহায়ক হয়** | | | | |
|---|---|---|---|---|---|
| | ←— **3 ৰ পৰা 8 বছৰ বয়স** —→ | | | | |
| 1 | • কোনো এটা কাহিনী মনত পেলাই মনত ৰাখি মৌখিকভাৱে কোৱাৰ অভ্যাস কৰিব নাইবা এখন পৰিচিত ছবি দৃষ্টিগোচৰ নোহোৱাকৈ বৰ্ণনা কৰিব পাৰিব।<br>• পৰিচিত পৰিৱেশত থোৱা বস্তু ক'ত থৈছে মনত পেলাই বিচাৰি উলিয়াব পাৰিব। (যেনে - ক'ত থৈছে মনত পেলাই আলমাৰি বা থাক আদিৰ পৰা কাপোৰ বিচাৰি উলিয়াই আনিব পাৰিব। | • নিজৰ যতন বা খেলৰ বাবে প্ৰয়োজনীয় বস্তুৰ তালিকা প্ৰস্তুত কৰা কাৰ্য পুনৰাবৃত্তি কৰিব পাৰিব।<br>• সৰল স্মৃতিৰ খেল আৰু মিলোৱা খেল খেলিব পাৰিব।<br>• দুটা পদমোপৰ দিশ মনত পেলাই অনুসৰণ কৰি কৰিব পাৰিব। (যেনে - হাতখন ধুই খাদ্য প্ৰস্তুত কৰাত সহায় কৰিব বা হাত ধুই লঘু আহাৰ খাব।)<br>• কাহিনী আৰু গীতৰ লগতে ভংগীমা মনত পেলাই অনুশীলন কৰিব পাৰিব। | • নিৰ্দেশনা মানি বহু দিশ সমাধা কৰিবলগীয়া পাজল এটা ক্ৰম অনুসৰি মনত পেলাই সমাধা কৰি তাৰ লগত আন আনুসংগিক কাৰ্য কৰিব পাৰিব। (যেনে - পাজল এটা সমাধা কৰি, পাজলটো থাকত থৈ আহি দলটোত আহি আকৌ যোগদান কৰিব পাৰিব।<br>• এটা কাৰ্যৰ বাবে কি কি দিশ অনুসৰণ কৰিব লগাত পৰে এই বিষয়ে আন এজন শিক্ষক শিকাব পাৰিব, (যেনে - খোৱাৰ আগতে কেনেকৈ চাবোনেৰে হাতখন ধুই ল'ব লাগে।)<br>• ৫ টা বাক্যৰ চমু কাহিনী আৰু গীত মনত পেলাই মনত ৰাখি ক'ব গাব পাৰি। | • তৎক্ষণাত মনত পেলাই মনত ৰাখিব পাৰিব।<br>• (যেনে - ৪ অংকৰ সংখ্যা একে ক্ৰমত পুনৰাবৃত্তি কৰিব পাৰিব। | • বস্তুৰ নোহোৱা অংশ মনত পেলাই মনত ৰাখি চিনাক্ত কৰিব পাৰিব। (যেনে - এটা বা দুটা উল্লেখযোগ্য পাৰ্থক্য থকা দুটা একে দৃশ্যৰ ছবি, দুয়োখনকে অধ্যয়ন কৰি পাৰ্থক্যবোৰ আঙুলিয়াই দিব পাৰিব। |
| 2 | • দিনলিপি বা ৰুটিনৰ পৰিৱৰ্তনৰ লগত অভিযোজন কৰিব পাৰিব।<br>• কাৰ্য-কলাপৰ মাজত পৰিৱৰ্তনৰ বাবে দিয়া সংকেত চিনাক্ত কৰিব পাৰিব।<br>• দৈনিক সময়সূচীৰ অংশ হিচাপে প্ৰয়োজনত কাৰ্য স্থানান্তৰিত কৰিব পাৰিব। | • প্ৰথমবাৰৰ বাবে চেষ্টা কৰা কাৰ্য সফল নহ'লে জ্যেষ্ঠ ব্যক্তিৰ সহায় লৈ বৌদ্ধিক নমনীয়তা প্ৰদৰ্শন কৰি আন এটা সমকক্ষ পদক্ষেপ ল'বলৈ চেষ্টা কৰিব। (যেনে- কোনো এটা সম্ভাৰ ওপৰেৰে বগাবলৈ প্ৰথম চেষ্টাত বিফল হ'লে আন এটা পন্থাৰে বগাবলৈ চেষ্টা কৰিব, ঢুকি নোপোৱা কোনো এটা বস্তু আনিবলৈ টুল ব্যৱহাৰ কৰি নতুবা আন ব্যক্তিৰ সহায় ল'ব।<br>• প্ৰয়োজন সাপেক্ষে এটা কাৰ্যৰ পৰা আন এটা কাৰ্যলৈ স্থানান্তৰিত মনোনিৱেশ কৰাৰ সামৰ্থত প্ৰদৰ্শন কৰিব পাৰিব। | • কোনো কাৰ্য বা খেলৰ নতুন নিয়মৰ লগত অভিযোজন কৰিব পাৰিব। (যেনে- বস্তুৰ ৰং অনুযায়ী ছবি কাৰ্ডসমূহ ভাগ কৰাৰ পাছত আকৃতি অনুযায়ী ছবি কাৰ্ডখিনি আকৌ ভাগ কৰিব পাৰিব।<br>• জ্যেষ্ঠ ব্যক্তিৰ কম সহায় লৈ নমনীয়তা আৰু অভিযোজন কৰাৰ মানসিকতা প্ৰদৰ্শন কৰিব পাৰিব। (যেনে - পুতলা ভাগ-বতৰা কৰি লোৱা নতুবা বস্তুলৈ ক্ৰিয়া-কলাপ কৰা আদি কাৰ্য)<br>• জ্যেষ্ঠ ব্যক্তিৰ পৰামৰ্শ মৰ্মে বিভিন্ন ক্ৰিয়া-কলাপ কৰিবলৈ কৰা চেষ্টা সংগতিপূৰ্ণভাৱে কৰি সঁহাৰি জনাব পাৰিব। | • শ্ৰেণীকোঠাৰ বিভিন্ন পৰিস্থিতিৰ লগত অভিযোজন কৰিব পাৰিব।<br>• পৰামৰ্শ লৈ নিৰ্ধাৰিত কাৰ্য-কলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰিব। | • শিকনৰ বাবে অনুকূল শ্ৰেণীকোঠা পৰিস্থিতিত অভিযোজন আৰু তেনে পৰিস্থিতি সৃষ্টি কৰাৰ সামৰ্থ অৰ্জন কৰিব।<br>• সকলো ক্ৰিয়া-কলাপৰ বাবে আমন্ত্ৰণ, পৰামৰ্শ আৰু প্ৰতিপুষ্টি গ্ৰহণ কৰি সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰিব। |

| | | | | | |
|---|---|---|---|---|---|
| 3 | • জ্যেষ্ঠ ব্যক্তিৰ সহায় লৈ নিজৰ পাল পৰালে শাৰী পাতি ৰৈ থাকিব পাৰিব /অপেক্ষা কৰিব পাৰিব। | • সমনীয়াৰ আচৰণত বিচলিত হ'লে বা মত-বিনিময় কৰোঁতে কোনো সংঘাত হ'লে জ্যেষ্ঠজনৰ সহায় বিচাৰিব।<br>• জ্যেষ্ঠ ব্যক্তিৰ সহায় লৈ সমনীয়াৰ লগত সংঘাত হোৱাটো প্ৰকাশ কৰিবলৈ শব্দ, সংকেত নতুবা অংগ-ভংগীৰে দেখুৱাবলৈ আৰম্ভ কৰিব। (মাৰধৰ কৰা নতুবা হতাহতি কৰাৰ বিপৰীতে)<br>• জ্যেষ্ঠ ব্যক্তিৰ সহায়ত কোনো ব্যক্তিৰ হঠকাৰী আচৰণত বাধা দিব পাৰিব। (যেনে - শিক্ষকে সাধু কোৱাৰ সময়ত সোধা প্ৰশ্নৰ উত্তৰ দিওঁতে কোনোৱে প্ৰাৰম্ভিক সঁহাৰি বেয়াকৈ দিলে) | • বেছিভাগ সময়ত স্বয়ংক্ৰিয়ভাৱে হঠকাৰী আচৰণ নিয়ন্ত্ৰণ কৰিব পাৰিব। (যেনে - দৌৰাৰ সলনি খোজকাঢ়ি যোৱা, পুতলা এটা কাঢ়ি অনাতকৈ নিজৰ পাল পৰাতো বাবে আনন্দৰে বিচাৰিব পাৰিব। আনে খেলি থকা পুতলা এটা খুজি লোৱাতকৈ নিজৰ পাল পৰালৈ অপেক্ষা কৰিব পাৰিব।<br>• সঘনাই নিজৰ প্ৰতিক্ৰিয়া নিয়ন্ত্ৰণ কৰাত সহায় কৰিবলৈ কিছুমান কাৰ্য যেনে- শাৰীৰিকভাৱে দূৰত্ব বজাই ৰখা বা বিকল্প পুতলা বিচাৰি লোৱা বা আন বিকল্প কাৰ্য আদি কৰাৰ কৌশল ব্যৱহাৰ কৰিব পাৰিব। | • পৰিৱৰ্তন হোৱা কাৰ্য-কলাপৰ বাবে আৱেগ পৰিচালনা কৰা, নিজৰ পাল পৰালৈ অপেক্ষা কৰা, নীতি-নিয়ম অনুসৰণ কৰা, নীতি-নিয়ম সাজি লোৱা, নেতৃত্ব দিয়াৰ সামৰ্থ থকাটো প্ৰদৰ্শন কৰিব পাৰিব। |

## C-13.3 : শিকন ফলাফল ঃ

*তালিকা-67*

| | **C-13.3 : পৰ্যৱেক্ষণ, অনুসন্ধিৎসু, কৌতুহল আৰু উদঘাটন ঃ কৌতুহলবশতঃ ও অনুসন্ধিৎসু হৈ পঞ্চ ইন্দ্ৰিয় ব্যৱহাৰ কৰি বস্তু পুংখানুপুংখভাৱে পৰ্যৱেক্ষণ কৰা আৰু প্ৰশ্ন সুধি উদঘাটন কৰা** | | | | |
|---|---|---|---|---|---|
| | **←— 3 ৰ পৰা 8 বছৰ বয়স —→** | | | | |
| 1 | • বাগিচাত/ বাহিৰত সময় কটাই আনন্দ উপভোগ কৰিব। | • প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি আশ্চৰ্যতা আৰু কৌতুহল প্ৰকাশ কৰিব। | • আনন্দ আৰু আশ্চৰ্য প্ৰকাশ কৰিবলৈ ছবি আঁকিব, গান গাব, নাটক। | • আন শিশুৰ লগত খেল-ধেমালি কৰি, গীত গাই নাচি আনন্দ উপভোগ কৰিব পাৰিব। | • নিজৰ আনন্দ প্ৰকাশ স্পষ্ট ভাষাৰে কৰিব পাৰিব। |
| 2 | • জ্যেষ্ঠজনৰ / সহায় লৈ নিকটৱৰ্তী পৰিৱেশ উদঘাটন কৰিবলৈ কৌতুহল প্ৰদৰ্শন কৰিব পাৰিব। (বাহিৰৰ পৰিৱেশ প্ৰসংগত) | • জ্যেষ্ঠজনৰ সহায় লৈ বা সহায় অবিহনে নিকটৱৰ্তী পৰিৱেশ উদঘাটন কৰিবলৈ কৌতুহল প্ৰকাশ কৰিব। (বাৰিৰ পৰিৱেশ প্ৰসংগত) | • আশ্চৰ্যৰ বশৱৰ্তী হৈ আৰু কৌতুহলবসতঃ তাৎক্ষণিক পৰিৱেশ উদ্ঘাটন কৰি প্ৰকৃতিৰ পৰা সমল সংগ্ৰহ কৰিব পাৰিব। | • আগ্ৰহ দেখুৱাই তাৎক্ষণিক পৰিৱেশ উদঘাটন কৰিবলৈ আৰম্ভ কৰিব আৰু প্ৰাকৃতিক সমল ব্যৱহাৰ কৰিব পাৰিব। | • আনৰ সৈতে ভয়বিহীনভাৱে কিন্তু শ্ৰদ্ধা সহকাৰে জড়িত হ'ব পাৰিব।<br>• আগ্ৰহ দেখুৱাই তাৎক্ষণিক পৰিৱেশ উদ্ঘাটন কৰিবলৈ আৰম্ভ কৰিব আৰু প্ৰাকৃতিক সমল দায়িত্ব সহকাৰে ব্যৱহাৰ কৰিব পাৰিব। |

## C-13.4 : শিকন ফলাফল ঃ

*তালিকা-68*

1

| C-13.4 : শ্ৰেণীকোঠাৰ নীতি-নিয়ম ঃ শ্ৰেণীকোঠাৰ নীতি-নিয়মবোৰ অভিযোজন, বুজাবুজি আৰু কৰ্তৃত্বৰে অনুসৰণ কৰিব পৰা | | | | |
|---|---|---|---|---|
| ← 3 ৰ পৰা 8 বছৰ বয়স → | | | | |
| • শ্ৰেণীকোঠাত মানিবলগীয়া নীতি-নিয়ম জ্যেষ্ঠজনক পৰ্যৱেক্ষণ কৰি অনুকৰণ কৰিবলৈ আৰম্ভ কৰিব। | • শিক্ষকৰ ইংগিত/ নিৰ্দেশনা অনুসৰি শ্ৰেণীকোঠাৰ নীতি-নিয়ম পালন কৰিব। | • শ্ৰেণীকোঠাৰ নীতি-নিয়ম নিজেই অনুসৰণ কৰাৰ লগতে আনকো অনুসৰণ কৰাৰ বাবে সহায় কৰিব পাৰিব। | • শ্ৰেণীকোঠাৰ নীতি-নিয়মৰ বিষয়ে আলোচনাত অংশগ্ৰহণ কৰিব আৰু নীতি-নিয়ম অনুকূলে আচৰণ কৰিব।<br>• নিজে কৰিবলগীয়া শ্ৰেণীকোঠাৰ কাৰ্য যেনে- ছবি চাৰ্ট/পোষ্টাৰ আদি তৈয়াৰ কৰা ভালদৰে অনুসৰণ কৰিব পাৰিব। | • শ্ৰেণীকোঠাৰ নীতি-নিয়ম প্ৰতিষ্ঠা কৰণত অংশগ্ৰহণ কৰিব আৰু সেই ধৰণে আচৰণ কৰিব।<br>• নিজে কৰিবলগীয়া শ্ৰেণীকোঠাৰ কাৰ্য দায়িত্ব সহকাৰে অনুসৰণ কৰি ভালদৰে ছবি চাৰ্ট পোষ্টাৰ তৈয়াৰ কৰি দৃষ্টপট ভালদৰে ব্যাখ্যা কৰিব পাৰিব। |

# পৰিশিষ্ট- 2

# বুনিয়াদী স্তৰৰ বাবে নিপুণ ভাৰত আৰু ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতাসমূহৰ সংযোগ স্থাপন ঃ

নিপুণ ভাৰতে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ (NEP 2020)ৰ প্ৰাক্ সাক্ষৰতা আৰু সাংখ্যিকতাৰ (FLN) দিশসমূহ ৰূপায়নৰ ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ আৰু প্ৰচেষ্টা গ্ৰহণ কৰিছে। অভিযানটো সক্ষম কৰিবলৈ তিনিটা বিকাশোপযোগী লক্ষ্য, ইয়াৰ সংশ্লিষ্ট অৰ্হতা আৰু শিকনৰ ফলাফলসমূহ স্পষ্টভাৱে উল্লেখ কৰা হৈছে।

ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ (NCF)ৰ ভিত্তিত সমগ্ৰ দেশতে পাঠ্যক্ৰম প্ৰস্তুত কৰা হ'ব, ইয়াৰ বাবে পাঠ্যক্ৰমৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে, যিবোৰৰ পৰা অৰ্হতাসমূহ আহৰণ কৰা হৈছে আৰু এই অৰ্হতাসমূহৰ পৰা দৃষ্টান্তমূলক (illustrative) শিকনৰ ফলাফলসমূহ আহৰণ কৰা হৈছে। এই পাঠ্যক্ৰম সমগ্ৰ দেশতে শৈক্ষিক অনুশীলনৰ ভেটিস্বৰূপ হ'ব।

এনেদৰে প্ৰস্তুত কৰা প্ৰতিখন পাঠ্যক্ৰমৰ নিজাববীয়াকৈ অৰ্হতা আৰু শিকনৰ ফলাফলৰ গোট থাকিব।

এইটো উল্লেখযোগ্য যে শিক্ষণ-শিকন সামগ্ৰী, প্ৰশিক্ষণকে ধৰি নিপুণ ভাৰতৰ গুৰুত্বপূৰ্ণ প্ৰয়াসত এই শিকনৰ ফলাফল আৰু অৰ্হতাসমূহ প্ৰান্তিককৃত কৰাটো একান্তই আৰশ্যক যাতে পাঠ্যক্ৰমৰ লক্ষ্যৰ দিশত শৈক্ষিক প্ৰচেষ্টা আৰু অনুশীলনৰ সম্পূৰ্ণ মিল থাকে।

এইটো নিশ্চিত কৰাৰ পদ্ধতি হ'ল প্ৰথমে নিপুণ ভাৰতৰ বিকাশোপযোগী লক্ষ্যসমূহ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ লক্ষ্যসমূহৰ সৈতে মেপ কৰা, ইয়াৰ পিছতেই কাৰ্যকৰীভাৱে আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব নিপুণ ভাৰতৰ অৰ্হতাসমূহৰ লগত ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ অৰ্হতাসমূহ মেপ কৰা।

এই পৰিশিষ্টখনত নিপুণ ভাৰতৰ বিকাশোপযোগী লক্ষ্যসমূহ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ লক্ষ্যৰে সৈতে সংলগ্ন কৰা হৈছে আৰু নিপুণ ভাৰতৰ পৰা লোৱা অৰ্হতাসমূহ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ অৰ্হতাসমূহৰ সৈতে সংযোগ কৰা হৈছে। এনেধৰণৰ মেপিং শিকনৰ ফলাফলসমূহতো কৰা যাব পাৰে।

এই দুটা স্তৰৰ মেপিঙে নিপুণ ভাৰতৰ অন্তৰ্গত শিক্ষণ পদ্ধতি আৰু কলাকৃতি (সাংস্কৃতিক আৰু ঐতিহাসিক সমৃদ্ধ শিক্ষণ-শিকন সামগ্ৰী আদি) ব্যৱহাৰ কৰি পাঠ্যক্ৰমৰ অৰ্হতা আৰু শিকন ফলাফলৰ দিশত উপযুক্তভাৱে বিন্যস্ত কৰিবলৈ প্ৰান্তিককৰণ কৰিবলৈ সাৱধানতাৰে পৰিচালনা কৰা প্ৰয়োজন যাতে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ (NEP 2020) সামগ্ৰিক লক্ষ্যসমূহৰ বাস্তৱায়নৰ দিশত সকলো প্ৰচেষ্টা সহযোগীতাৰে সম্পূৰ্ণ কৰিব পৰা যায়।

## 1. নিপুণ ভাৰতৰ বিকাশৰ লক্ষ্য-1 ঃ শিশুসকল সুস্বাস্থ্যৰ অধিকাৰী হ'ব আৰু সুস্থ জীৱন যাপন কৰিব।

### 1.1 ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ লক্ষ্যসমূহৰ মেপিং ঃ

তলত উল্লেখ কৰা পাঠ্যক্ৰমৰ লক্ষ্য কেইটা বিকাশৰ লক্ষ্য-1ত মেপ কৰা হৈছে।

CG-1 শিশুসকলৰ নিজকে স্বাস্থ্যৱান আৰু সুৰক্ষিত কৰি ৰখাৰ অভ্যাস গঢ়ি উঠিব।

CG-2 শিশুসকল সবল আৰু নমনীয় শৰীৰৰ অধিকাৰী হ'ব।

CG-3 শিশুসকলৰ আৱেগিক বুদ্ধিমত্তাৰ বিকাশ সাধন হ'ব অৰ্থাৎ সামাজিক নীতি-নিয়ম অনুকুলে নিজৰ আৱেগ প্ৰকাশ আৰু পৰিচালনা কৰি ইতিবাচকভাৱে সহাঁৰি জনোৱাত সামৰ্থ হ'ব।

## 1.2 ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতাসমূহলৈ মেপিং ঃ

তলৰ তালিকাখনত নিপুণ ভাৰতৰ বিকাশৰ লক্ষ্য-1ৰ অন্তৰ্গত অৰ্হতাসমূহৰ সৈতে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ অৰ্হতাসমূহ বিশদভাৱে বৰ্ণনা কৰা হৈছে।

*তালিকা -1*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা | |
|---|---|---|
| আত্ম-সচেতনা | C-4.1 | পৰিয়াল আৰু সমাজৰ অন্তৰ্গত ব্যক্তি হিচাপে নিজকে চিনাক্ত কৰিবলৈ আৰম্ভ কৰা |
| ইতিবাচক স্ব-ধাৰণাৰ/ আত্ম ধাৰণাৰ বিকাশ | C-4.1 | পৰিয়াল আৰু সমাজৰ অন্তৰ্গত ব্যক্তি হিচাপে নিজকে চিনাক্ত কৰিবলৈ আৰম্ভ কৰা |
| আত্ম-নিয়ন্ত্ৰণ | C-4.2 | বিভিন্ন আৱেগ বুজি চিনাক্ত কৰি সেইবোৰক উপযুক্তভাৱে নিয়ন্ত্ৰণ কৰাত ইচ্ছাকৃত প্ৰয়াস কৰা |
| সিদ্ধান্ত গ্ৰহণ আৰু সমস্যা সমাধান | C-8.13 | পৰিমাণ, আকৃতি, স্থান আৰু পৰিমাপৰ লগত জড়িত সাধাৰণ গাণিতিক সমস্যাসমূহ সূত্ৰবদ্ধ আৰু সমাধান কৰিব পৰা |
| সমাজৰ গ্ৰহণযোগ্য আচৰণৰ বিকাশ | C-4.3 | সমনীয়া আৰু বয়জ্যেষ্ঠ মানুহৰ লগত সহজভাৱে কথা পাতিব পৰা |
| | C-4.4 | আন শিশুসকলৰ প্ৰতি সহযোগীতামূলক প্ৰদৰ্শন কৰা |
| | C-4.5 | শ্ৰেণীকোঠা আৰু বিদ্যালয়ৰ সামাজিক নীতি-নিয়মবোৰ বুজি পায় আৰু ইতিবাচকভাৱে সঁহাৰি জনোৱা |
| | C-4.6 | আনৰ প্ৰতি দয়ালু/মৰমীয়াল আৰু প্ৰয়োজন সাপেক্ষে সহায়কাৰীৰ আচৰণ প্ৰদৰ্শন কৰা। (প্ৰাণী, উদ্ভিদ সামৰি) |
| | C-4.7 | আন শিশুৰ ব্যতিক্ৰমী চিন্তা, পছন্দ, আৱেগিক প্ৰয়োজনীয়তা বুজি পায় আৰু ইতিবাচক সঁহাৰি জনোৱা |
| স্বাস্থ্যসন্মত অভ্যাস, পৰিষ্কাৰ-পৰিচ্ছন্নতা, যথোপযুক্ত অনাময় ব্যৱহাৰ আৰু আত্ম-সুৰক্ষাৰ প্ৰতি সজাগতা/সচেনতা | C-1.1 | পুষ্টিকৰ খাদ্য বোধ আছে, খাবলৈ ইচ্ছা কৰে আৰু খাদ্য অপচয় নকৰা |
| | C-1.2 | নিজৰ যতন লোৱা, পৰিষ্কাৰ-পৰিচ্ছন্নকৈ থকাৰ অভ্যাস কৰা |
| | C-1.3 | বিদ্যালয়/শ্ৰেণীকোঠা পৰিষ্কাৰ আৰু সংগঠিত কৰি ৰখা |
| | C-1.4 | সাধাৰণ সঁজুলি আৰু সামগ্ৰী নিৰাপদ ব্যৱহাৰৰ অনুশীলন কৰা |
| | C-1.5 | গতিবিধিত সুৰক্ষাৰ প্ৰতি সচেতনতা দেখুৱাই উপযুক্তভাৱে কাৰ্য কৰা (খোজ কঢ়া, দৌৰা, চাইকেল চলোৱা আদি কাৰ্য) |
| | C-1.6 | অসুৰক্ষিত পৰিস্থিতি বুজি পোৱা আৰু সহায় বিচৰা |
| স্থূলপেশীৰ দক্ষতাৰ বিকাশ | C-3.1 | বিভিন্ন ক্ৰিয়াকলাপত সংবেদনশীল উপলব্ধি আৰু শৰীৰৰ গতিবিধিৰ মাজত সমন্বয় দেখুওৱা |
| সূক্ষ্মপেশীৰ দক্ষতা আৰু চকু-হাতৰ সমন্বয় স্থাপনৰ বিকাশ সাধন | C-3.2 | বিভিন্ন শাৰীৰিক ক্ৰিয়া-কলাপত ভাৰসাম্যতা, সমন্বয় আৰু নমনীয়তাৰ প্ৰদৰ্শন কৰা |
| ব্যক্তিগত আৰু দলগত খেল-ধেমালিত অংশগ্ৰহণ | C-3.3 | হাত আৰু আঙুলিৰে কাম কৰাত নিখুঁত আৰু নিয়ন্ত্ৰণ দেখুওৱা |

## 2. নিপুণ ভাৰতৰ বিকাশৰ লক্ষ্য-2 ঃ শিশুসকল সফল ভাৱ-বিনিময়কাৰী হ'ব।

### 2.1 ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাত উল্লেখিত পাঠ্যক্ৰমৰ লক্ষ্য ঃ

তলত উল্লেখ কৰা পাঠ্যক্ৰমৰ লক্ষ্য কেইটা বিকাশৰ লক্ষ্য-2ত সংযোগ কৰা হৈছে।

CG-9 শিশুসকলে দৈনন্দিন জীৱনত সফলভাৱে দ্বিভাষাত ভাৱ-বিনিময় কৰাৰ দক্ষতা অৰ্জন কৰা।

CG-10 শিশুসকলে সাৱলীলভাৱে প্ৰথম ভাষাত (ভাষা-1) পঢ়িব আৰু লিখিব পৰা।

CG-11 শিশুসকলে দ্বিতীয় ভাষাত (ভাষা-2) পঢ়িব আৰু লিখিব আৰম্ভ কৰা।

CG-12 শিশুসকলে দৃশ্য আৰু পৰিৱেশন কলাৰ দ্বাৰা আনন্দদায়ক আৰু অৰ্থপূৰ্ণভাৱে তেওঁলোকৰ আৱেগ প্ৰকাশ কৰা।

### 2.2 ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতাসমূহলৈ মেপিং ঃ

নিপুণ ভাৰতে বিকাশ লক্ষ্য-2 ৰ অন্তৰ্গত অৰ্হতাসমূহক 3 টা শ্ৰেণীত ভাগ কৰিছে। এইবোৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতাসমূহৰ লগত তলৰ তালিকাখনত মেপিং বিশদভাৱে বৰ্ণনা কৰা হৈছে।

#### 2.2.1 কথা কোৱা আৰু শুনা ঃ

*তালিকা -1*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| শুনি বুজি পোৱা | C-9.1 সহজ গান, কবিতা আৰু পদ্য শুনি প্ৰশংসা কৰা<br>C-9.4 জটিল কাম এটাৰ বাবে দিয়া নিৰ্দেশনা বুজি পায় আৰু একেটাৰ বাবে স্পষ্ট মৌখিক নিৰ্দেশনা আনকো দিয়া<br>C-9.5 বৰ্ণনা কৰা/পঢ়ি শুনোৱা কাহিনী বুজি পোৱা, কাহিনীটোৰ চৰিত্ৰবোৰ, বৰ্ণনা কৰা কথাখিনি আৰু লেখকে কাহিনীটোৰ দ্বাৰা কি ক'ব বিচাৰিছে চিনাক্ত কৰিব পৰা |
| সৃজনীমূলক আত্মপ্ৰকাশ/স্বপ্ৰকাশ আৰু কথোপকথন | C-9.2 নিজাববীয়াকৈ সহজ গীত আৰু কবিতা ৰচনা কৰা<br>C-9.3 সাৱলীলভাৱে কথোপকথন কৰা আৰু অৰ্থপূৰ্ণ কথোপকথন আগবঢ়াই নিব পৰা |
| ভাষা আৰু সৃজনীমূলক চিন্তা/সৃজনীশীল চিন্তা | C-9.5 বৰ্ণনা কৰা/পঢ়ি শুনোৱা কাহিনী বুজি পায়, কাহিনীটোৰ চৰিত্ৰবোৰ বৰ্ণনা কৰা কথাখিনি আৰু লেখকে কাহিনীটোৰ দ্বাৰা কি ক'ব বিচাৰিছে চিনাক্ত কৰিব পৰা<br>C-9.6 চমু গল্প, গল্পৰ কাহিনী ভাগ আৰু চৰিত্ৰবোৰ স্পষ্টকৈ বৰ্ণনা কৰা |
| শব্দ ভাণ্ডাৰৰ বৃদ্ধি | C-9.7 দৈনন্দিন জীৱনত সফলভাৱে ভাৱ-বিনিময় কৰাৰ বাবে পৰ্যাপ্ত শব্দ জনা আৰু ব্যৱহাৰ কৰা; বৰ্তমানৰ শব্দসম্ভাৰৰ দ্বাৰা নতুন শব্দৰ অৰ্থ অনুমান কৰিব পৰা |
| কথোপকথন আৰু কথন দক্ষতা | C-9.3 সাৱলীলভাৱে কথোপকথন কৰিব আৰু অৰ্থপূৰ্ণ কথোপকথন আগবঢ়াই নিব পৰা<br>C-9.4 জটিল কাম এটাৰ বাবে দিয়া নিৰ্দেশনা বুজি পোৱা আৰু একোটাৰ বাবে স্পষ্ট মৌখিক নিৰ্দেশনা আনকো দিয়া |

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| ভাষাৰ অৰ্থপূৰ্ণ ব্যৱহাৰ | C-9.3 সাৱলীলভাৱে কথোপকথন কৰিব আৰু অৰ্থপূৰ্ণ কথোপকথন আগবঢ়াই নিব পৰা<br>C-9.4 জটিল কাম এটাৰ বাবে দিয়া নিৰ্দেশনা বুজি পোৱা আৰু একোটাৰ বাবে স্পষ্ট মৌখিক নিৰ্দেশনা আনকো দিয়া<br>C-9.7 দৈনন্দিন জীৱনত সফলভাৱে ভাৱ-বিনিময় কৰাৰ বাবে পৰ্যাপ্ত শব্দ জানে আৰু ব্যৱহাৰ কৰা; বৰ্তমানৰ শব্দভাণ্ডাৰৰ দ্বাৰা নতুন শব্দৰ অৰ্থ অনুমান কৰিব পৰা<br>C-10.7 চমু বাতৰি/নিৰ্দেশনা/ৰন্ধন প্ৰণালী/প্ৰচাৰ সমল (প্ৰকাশিত সমল) পঢ়ে আৰু অৰ্থ বুজি পোৱা |

## 2.2.2 বুজি পঢ়া ঃ

*তালিকা -2*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| কিতাপ ভাল পোৱা | C-10.9 শিশুৰ বাবে ৰচনা কৰা বিভিন্ন কিতাপ হাতত তুলি লৈ পঢ়াৰ আগ্ৰহ প্ৰকাশ কৰা। |
| ছপা সজাগতা আৰু অৰ্থ তৈয়াৰ কৰা | C-10.2 কিতাপ এখনৰ মৌলিক গঠন, ছপা শব্দৰ ধাৰণা আৰু কোনটো দিশত ছপা কৰা হৈছে বুজি পোৱা আৰু যতি, বিৰাম চিহ্ন চিনাক্ত কৰিব পৰা<br>C-10.7 চমু বাতৰি/নিৰ্দেশনা/ৰন্ধন প্ৰণালী/প্ৰচাৰ সমল (প্ৰকাশিত সমল) পঢ়ে আৰু অৰ্থ বুজি পোৱা |
| পঢ়াৰ ভাও লোৱা | এই অৰ্হতাটোৰ দিশসমূহ শিকনৰ ফলাফল C-10.2 (ছপাৰ ধাৰণা), C-10.5 আৰু C-10.6 (গল্প আৰু কবিতা পঠন)ত উল্লেখ কৰা হৈছে। |
| ধ্বনি সজাগতা | C-10.1 ধ্বনিগত সজাগতা বিকাশ হোৱা, ধ্বনি/শব্দাংশ সংযোগ কৰি শব্দ গঠন আৰু শব্দৰ পৰা ধ্বনি/শব্দাংশ পৃথক কৰিব পৰা |
| ধ্বনিৰ লগত চিহ্নৰ সম্বন্ধ বুজি পোৱা | C-10.3 বৰ্ণমালাৰ আটাইকেইটা বৰ্ণ (আখৰৰ ৰূপত) চিনাক্ত কৰিব পৰা আৰু এই জ্ঞান হস্তলিপিৰ শব্দ পঢ়িবলৈ আৰু লিখিবলৈ ব্যৱহাৰ কৰা |
| পূৰ্ব অভিজ্ঞতা আৰু জ্ঞানৰ ওপৰত ভিত্তি কৰি অনুমান কৰিব পৰা | C-10.5 চমু গল্প পঢ়া আৰু কাহিনীটোৰ চৰিত্ৰবোৰ, কাহিনীৰ মৰ্মে চিনাক্ত কৰিব পৰা আৰু কাহিনীটোত লিখকে কি ক'ব বিচাৰিছে বুজি পোৱা নিজাববীয়াকৈ ক'ব পৰা<br>C-10.6 চমু কবিতা পঢ়া আৰু কবিতা ৰচনা কৰোঁতে বাচনি কৰা শব্দ আৰু কল্পনাশক্তিক শলাগ ল'বলৈ/প্ৰশংসা কৰিবলৈ আৰম্ভ কৰা। |
| আনন্দ উপভোগ কৰিবলৈ আৰু বিভিন্ন উদ্দেশ্য আগত ৰাখি নিজাববীয়াকৈ পঢ়া | C-10.5 চমু গল্প পঢ়ে আৰু কাহিনীটোৰ চৰিত্ৰবোৰ, কাহিনীৰ মৰ্ম চিনাক্ত কৰিব পৰা আৰু কাহিনীটোৰ লিখকে কি ক'বলৈ বিচাৰিছে বুজি পোৱা আৰু নিজাববীয়াকৈ ক'ব পৰা<br>C-10.9 শিশুৰ বাবে ৰচনা কৰা বিভিন্ন কিতাপ হাতত তুলি লৈ পঢ়াৰ আগ্ৰহ প্ৰকাশ কৰা |

### 2.2.3 উদ্দেশ্যভিত্তিক লিখন ঃ

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| প্ৰাক্ সাক্ষৰতাৰ কৌশল/দক্ষতা | এই অৰ্হতাৰ দিশসমূহ ভাষা আৰু সাক্ষৰতাৰ লগতে সৌন্দৰ্যবোধ আৰু সাংস্কৃতিক দিশৰ কিছুমান অৰ্হতাৰ শিকনৰ ফলাফল হিচাপেও উল্লেখ কৰা হৈছে। |
| লিখি মনৰ ভাৱ প্ৰকাশ কৰা | C-10.8 নিজে বুজি পোৱা কথাখিনি আৰু অভিজ্ঞতা প্ৰকাশ কৰিবলৈ এটা দফা লিখিব পৰা |
| বৰ্ণ আৰু ধ্বনিৰ জ্ঞান প্ৰয়োগ কৰি লিখিবলৈ বানান উদ্ভাৱন কৰা | C-10.3 বৰ্ণমালাৰ আটাইবোৰ বৰ্ণ (আখৰৰ ৰূপত) চিনাক্ত কৰিব পৰা আৰু এই জ্ঞান হস্তলিপিৰ শব্দ পঢ়িবলৈ আৰু লিখিবলৈ ব্যৱহাৰ কৰা |
| গতানুগতিকভাৱে লিখিবলৈ চেষ্টা কৰা<br>ছবি, শব্দ আৰু অৰ্থপূৰ্ণ বাক্য পঠনৰ প্ৰতি সঁহাৰি জনোৱা<br>ছন্দযুক্ত শব্দ লিখা<br>নামবাচক আৰু ক্ৰিয়াবাচক শব্দ ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ বাক্য লিখা।<br>নিজৰ ভাৱ প্ৰকাশ কৰিবলৈ বাৰ্তা লিখা<br>মিশ্ৰিত ভাষাৰ চিহ্ন ব্যৱহাৰ কৰি লিখা<br>ঘৰৰ আৰু শ্ৰেণীকোঠাৰ বিভিন্ন উদ্দেশ্য লিখা, যেনে- তালিকা প্ৰস্তুত কৰা, ককা-আইতাকলৈ শুভেচ্ছা বাণী লিখা, বন্ধু-বান্ধৱীলৈ বাৰ্তা বা নিমন্ত্ৰণী পত্ৰ লিখা। | C-10.8 নিজে বুজি পোৱা কথাখিনি আৰু অভিজ্ঞতা প্ৰকাশ কৰিবলৈ এটা দফা লিখা (এই অৰ্হতাটোত 15 টা শিকনৰ ফলাফল সংলগ্ন হৈ আছে যিয়ে নিপুণ ভাৰতত উল্লেখ কৰা বিভিন্ন অৰ্হতা সামৰি ল'ব) |

## 3. নিপুণ ভাৰতৰ বিকাশৰ লক্ষ্য-3 ঃ শিশুসকলে তৎক্ষণিক পৰিৱেশৰ লগত সম্পৰ্ক স্থাপন কৰি শিকনত জড়িত হ'ব।

### 3.1 ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ পাঠ্যক্ৰমৰ লক্ষ্য ঃ

তলত উল্লেখ কৰা পাঠ্যক্ৰমৰ লক্ষ্যসমূহৰ- 3ত মেপ কৰা হৈছে।

CG-2 শিশুসকলৰ সংজ্ঞাত্মক/সংবেদনাত্মক উপলব্ধি/বোধশক্তি প্ৰকট হ'ব।

CG-6 শিশুসকলে চৌপাশৰ প্ৰাকৃতিক পৰিৱেশক ইতিবাচক দৃষ্টিভংগীৰে চোৱা প্ৰয়াসৰ বিকাশ হ'ব।

CG-7 শিশুসকলে চৌপাশৰ পৰিৱেশ পৰ্যৱেক্ষণ আৰু যুক্তিসংগত চিন্তা কৰি ধাৰণা গঠন কৰিব।

CG-8 শিশুসকলে পৰিমাণ, আকৃতি, পৰিমাপৰ/জোখ-মাপৰ জৰিয়তে পৰিৱেশ চিনাক্ত কৰাৰ গাণিতিক বোধ আৰু সামৰ্থতা অৰ্জন কৰিব।

CG-13 শিশুসকলৰ মাজত শিকাৰ অভ্যাস গঢ়ি উঠিব যিয়ে তেওঁলোকক বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ দৰে আনুষ্ঠানিক শিকন পৰিৱেশত সক্ৰিয়ভাৱে জড়িত কৰিব।

### 3.2 ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতাসমূহলৈ মেপিং ঃ

নিপুণ ভাৰতে বিকাশ লক্ষ্য-3 ৰ অন্তৰ্গত অৰ্হতাসমূহক 7 টা শ্ৰেণীত ভাগ কৰিছে। এইবোৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতাসমূহৰ লগত তলৰ তালিকাখনত মেপিং বিশদভাৱে বৰ্ণনা কৰা হৈছে।

#### 3.2.1 সংবেদনাত্মক বিকাশ (Sensory development) ঃ

*তালিকা-1*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| ইন্দ্ৰিয়ৰ বিকাশ দেখা (দৰ্শন), শুনা (শ্ৰৱণ), স্পৰ্শ কৰা (স্পৰ্শ), গোন্ধ লোৱা (ঘ্ৰাণ), সোৱাদ লোৱা (স্বাদ) | C-2.1 আকৃতি, ৰং আৰু ৰঙৰ গাঢ়তাৰ ওপৰত ভিত্তি কৰি পাৰ্থক্য উলিয়াব পৰা<br>C-2.2 নিৰীক্ষণ কৰা চিহ্ন আৰু উপস্থাপনৰ বাবে দৃশ্যমান স্মৃতি শক্তিৰ বিকাশ হোৱা<br>C-2.3 শব্দৰ তীক্ষ্ণতা, তীব্ৰতা আৰু গতিৰ ওপৰত ভিত্তি কৰি শব্দ আৰু শব্দৰ আৰ্হিৰ পাৰ্থক্য উলিয়াব পৰা<br>C-2.4 একাধিক গোন্ধ আৰু সোৱাদৰ পাৰ্থক্য উলিয়াব পৰা<br>C-2.5 স্পৰ্শানুভূতিৰে বৈষম্য/বৈসাদৃশ্য উলিয়াব পৰা |

### 3.2.2 বৌদ্ধিক/প্ৰজ্ঞাত্মক দক্ষতা (Sensory skill) ঃ

*তালিকা-2*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| পৰ্যৱেক্ষণ, চিনাক্তকৰণ, স্মৃতি, মিলোৱা, শ্ৰেণীবিভাজন, চানেকি, ক্ৰম অনুসৰি চিন্তা কৰা, সৃজনীমূলক চিন্তা, মননশীল চিন্তা, যুক্তিযুক্ততা, কৌতুহল, পৰীক্ষা-নিৰীক্ষা | C-7.1 পৰ্যৱেক্ষণ কৰি বিভিন্ন শ্ৰেণীৰ বস্তু আৰু ইহঁতৰ মাজত থকা সম্পৰ্ক বুজি পোৱা<br>C-7.2 পৰ্যৱেক্ষণ কৰি প্ৰাকৃতিক পৰিঘটনাৰ কাৰণ আৰু প্ৰভাৱৰ সম্পৰ্ক (cause and effect relationship) অনুমানৰ দ্বাৰা বুজি পোৱা আৰু ব্যাখ্যা কৰা<br>C-13.1 মনোযোগ আৰু ইচ্ছাপ্ৰণোদিত/ইচ্ছাকৃত কাৰ্য ঃ নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ পৰিকল্পনা কৰি একান্ত মনোযোগেৰে প্ৰত্যক্ষ ক্ৰিয়া-কলাপত জড়িত হোৱাৰ দক্ষতা অৰ্জন কৰা<br>C-13.2 স্মৃতি আৰু মানসিক নমনীয়তা ঃ পৰ্যাপ্ত স্মৃতিশক্তি, মানসিক নমনীয়তা (সঠিকভাৱে মনোযোগ বজাই ৰাখিবলৈ আৰু স্থানান্তৰিত কৰিবলৈ) আৰু আত্ম-নিয়ন্ত্ৰণৰ (হঠকাৰী কাৰ্য আৰু প্ৰতিক্ৰিয়াৰ পৰা বিৰত থকা) বিকাশ হৈছে যিয়ে তেওঁলোকক সংগঠিত/নিয়ন্ত্ৰিত পৰিৱেশত শিকনত সহায় কৰা<br>C-13.3 পৰ্যৱেক্ষণ, অনুসন্ধিৎসু, কৌতুহল আৰু উদ্‌ঘাটন ঃ কৌতুহল বশত ও অনুসন্ধিৎসু হৈ বিভিন্ন ইন্দ্ৰিয় ব্যৱহাৰ কৰি বস্তু পুংখানুপুংখভাৱে, পৰ্যৱেক্ষণ কৰি, বস্তু আলম্ বিলম্ কৰি (tinker with objects) প্ৰশ্ন শুধি উদ্‌ঘাটন কৰিব পৰা |

### 3.2.3 পৰিৱেশ সম্পৰ্কে ধাৰণা (Concepts related to environment) ঃ

*তালিকা- 3*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| প্ৰাকৃতিক-প্ৰাণী, ফল, পাচলি, খাদ্য | C-6.1 সকলো জীৱৰ যতন লোৱাত আনন্দ প্ৰকাশ কৰা<br>C-7.1 পৰ্যৱেক্ষণ কৰি বিভিন্ন শ্ৰেণীৰ বস্তু আৰু এইবোৰৰ মাজত থকা সম্পৰ্ক বুজি পোৱা |
| ভৌতিক-পানী, বায়ু, ঋতু, সূৰ্য, চন্দ্ৰ, দিন আৰু ৰাতি | C-7.1 পৰ্যৱেক্ষণ কৰি বিভিন্ন শ্ৰেণীৰ বস্তু আৰু এইবোৰৰ মাজত থকা সম্পৰ্ক বুজি পোৱা |
| সামাজিক, মই, পৰিয়াল, যান-বাহন, উৎসৱ, সমাজৰ সহায়কাৰী ব্যক্তিসকল আদি | C-4.6 আনৰ প্ৰতি দয়ালু আৰু প্ৰয়োজনত সহায়ৰ হাত আগবঢ়োৱা<br>C-5.1 আনৰ সহায় কৰিবলৈ বয়সোপযোগী শাৰীৰিক কাৰ্যত জড়িত হোৱাত আগ্ৰহ প্ৰকাশ কৰা |

### 3.2.4 ধাৰণা গঠন (Concept formation) ঃ

*তালিকা-4*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| ধাৰণা গঠন ঃ ৰং, আকৃতি, দূৰত্ব, জোখ-মাপ, আকাৰ, দৈৰ্ঘ, ওজন, উচ্চতা, সময় | C-2.1 আকৃতি, ৰং আৰু ৰঙৰ গাঢ়তাৰ ওপৰত ভিত্তি কৰি পাৰ্থক্য উলিয়াব পৰা<br>C-8.9 নিকটৱৰ্তী পৰিৱেশৰ বস্তুৰ দৈৰ্ঘ, ওজন, পৰিমানৰ জোখ-মাপ ল'বলৈ উপযুক্ত সৰল সঁজুলি আৰু একক বাচি লোৱা<br>C-8.10 মিনিট, ঘণ্টা, দিন, সপ্তাহ আৰু মাহত সময়ৰ সৰল হিচাপ-নিকাচ উলিওৱা<br>C-8.12 পৰিমাপ, আকৃতি, স্থান আৰু জোখ-মাপৰ/পৰিমাপৰ ধাৰণা আৰু পদ্ধতি বুজি প্ৰকাশ কৰিবলৈ পৰ্যাপ্ত আৰু উপযুক্ত শব্দভাণ্ডাৰৰ/শব্দসম্ভাৰৰ বিকাশ হোৱা<br>C-8.13 পৰিমাপ, আকৃতি, স্থান আৰু জোখ-মাপ সম্পৰ্কীয় সৰল গাণিতিক সমস্যা সূত্ৰবদ্ধ আৰু সমাধান কৰা |
| স্থানবোধ/স্থানিকবোধ | C-8.8 মৌলিক জ্যামিতিক আকৃতি চিনাক্ত, গঠন আৰু শ্ৰেণীবিভাজন কৰিব পৰা আৰু এইবোৰৰ নিৰীক্ষণীয় ধৰ্মসমূহ বুজি পোৱা আৰু বস্তু আৰু স্থানৰ আপেক্ষিক সম্পৰ্ক ব্যাখ্যা কৰা |
| | C-8.3 99 লৈকে সংখ্যাবোৰ আগলৈ আৰু বিপৰীত ক্ৰমত আৰু 5, 10 আৰু 20 ৰ গোট হিচাপে গণিব পৰা |

- একক সংযোজন এই গণনা কৰা অৰ্হতাৰ ভিতৰৰে এটা শিকনৰ ফলাফল ঃ

### 3.2.5 সংখ্যা জ্ঞান (Number sense) ঃ

*তালিকা-5*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| গণনা কৰি কিমান আছে কোৱা | C-8.3 99 লৈকে সংখ্যাবোৰ আগলৈ আৰু বিপৰীত ক্ৰমত আৰু 10 আৰু 20 ৰ গোট হিচাপে গণনা কৰা |
| সংখ্যা চিনাক্তকৰণ | C-8.5 দশমিক স্থানীয় মান পদ্ধতি বুজি পোৱা; 99 লৈকে প্ৰতিনিধিত্ব কৰা, সংখ্যা চিনাক্ত আৰু ব্যৱহাৰ কৰা |
| ক্ৰমৰ ধাৰণা/ক্ৰমানুসৰি (10 লৈ সংখ্যা গণনা কৰিব পৰা) | C-8.1 এটাতকৈ বেছি ধৰ্মবিশিষ্ট বস্তুবোৰক গোট আৰু উপগোটত ভাগ/বৰ্গীকৰণ কৰিব পৰা<br>C-8.2 চৌপাশৰ আকৃতি আৰু সংখ্যাৰ সৰল চানেকি চিনাক্ত আৰু সম্প্ৰসাৰণ কৰিব পৰা<br>C-8.4 99 লৈকে সংখ্যাবোৰ উৰ্ধক্ৰম (আৰোহী) আৰু অধঃক্ৰম/অৱৰোহী ক্ৰমত (ascending and descending order) সজাব পৰা |

### 3.2.6 সংখ্যাৰ ক্ৰিয়া-কলাপ (Number operations) ঃ

*তালিকা-6*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| যোগ, বিয়োগ | C-8.6 সংখ্যা আৰু সংখ্যাঙ্ক সমস্যা মিশ্ৰ আৰু বিশ্লেষিত নমনীয় কৌশল ব্যৱহাৰ কৰি 2 অংকবিশিষ্ট সংখ্যাৰ যোগ আৰু বিয়োগ সাৱলীলভাৱে কৰিব পৰা |
| পূৰণ, হৰণ | C-8.7 বাৰে বাৰে যোগ কৰি কৰা পূৰণ আৰু সমবিতৰণ কৰি কৰা হৰণ চিনাক্ত কৰিব পৰা |

### 3.2.7 জোখ-মাপ, আকৃতি আৰু আন অৰ্হতাসমূহ (Measurement, shapes and other competencies) ঃ

*তালিকা-7*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| দৈৰ্ঘ্য, ভৰ (mass) পৰিমাণ (volume) উষ্ণতা | C-8.9 নিকটৱৰ্তী পৰিৱেশৰ বস্তুৰ দৈৰ্ঘ, ওজন, পৰিমাণৰ জোখ-মাপ ল'বলৈ উপযুক্ত সৰল সঁজুলি আৰু একক বাচি লোৱা |
| দ্বিমাত্ৰিক (2D) আকৃতি, ত্ৰিমাত্ৰিক (3D) আকৃতি, সৰলৰেখা, বক্ৰৰেখা, সমতল আৰু বক্ৰ পৃষ্ঠবল) | C-8.8 মৌলিক জ্যামিতিক আকৃতি চিনাক্ত, গঠন আৰু শ্ৰেণীবিভাজন কৰিব পৰা আৰু এইবোৰৰ নিৰীক্ষণীয় ধৰ্মসমূহ বুজি পায় আৰু বস্তু আৰু স্থানৰ আপেক্ষিক সম্পৰ্ক ব্যাখ্যা কৰা |
| তথ্য পৰিচালনা (Data Handling) | বুনিয়াদী স্তৰৰ বাবে তথ্য পৰিচালনাত ভাগ কৰা/বৰ্গীকৰণ কৰা, শ্ৰেণীবিভাজন কৰা, গোট তৈয়াৰ কৰা আৰু গোটত বস্তু গঠন কৰা সামৰি লোৱা হৈছে— C-29, C-31 |
| চানেকি (Pattern) | C-8.2 চৌপাশৰ আকৃতি আৰু সংখ্যাৰ সৰল চানেকি চিনাক্ত আৰু সম্প্ৰসাৰণ কৰিব পৰা |
| চানেকি (Pattern) | C-8.10 মিনিট, ঘণ্টা, দিন, সপ্তাহ আৰু মাহত সময়ৰ সৰল হিচাপ-নিকাচ উলিওৱা |
| প্ৰযুক্তিৰ ব্যৱহাৰ | C-7.3 দৈনন্দিন জীৱনৰ পৰিস্থিতি সাপেক্ষে আৰু শিকনৰ বাবে উপযুক্ত সঁজুলি আৰু প্ৰযুক্তি ব্যৱহাৰ কৰা |

## 3.2.8 ৰাষ্ট্ৰীয় পাঠক্ৰম ৰূপৰেখাৰ অতিৰিক্ত অৰ্হতাসমূহ ঃ

সৌন্দৰ্যবোধৰ বিকাশ আৰু বৌদ্ধিক/প্ৰজ্ঞাত্মক বিকাশৰ দিশসমূহৰ বাবে ধাৰ্য কৰা ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অতিৰিক্ত অৰ্হতাসমূহ তলত উল্লেখ কৰা হৈছে।

*তালিকা-৪*

| নিপুণ ভাৰতৰ অৰ্হতা | ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ অৰ্হতা |
|---|---|
| | C-12.1 বিভিন্ন আকাৰৰ দ্বিমাত্ৰিক (2D) আৰু ত্ৰিমাত্ৰিক (3D) শিল্পকৰ্ম সৃষ্টি কৰিবলৈ বিভিন্ন সামগ্ৰী আৰু সঁজুলিৰে খেলা আৰু উদঘাটন কৰা<br>C-12.2 সংগীত, চৰিত্ৰাভিনয়, নৃত্য আৰু অংগ সঞ্চালন পৰিৱেশ সৃষ্টি কৰিবলৈ নিজৰ কণ্ঠ, শৰীৰ, স্থান বিভিন্ন ধৰণৰ বস্তুৰে পৰিৱেশন আৰু উদঘাটন কৰা<br>C-12.3 উদ্ভাৱন কৰি আৰু কল্পনাপ্ৰসূতভাৱে বিভিন্ন প্ৰকাৰৰ ধাৰণা আৰু আৱেগ, কলাৰ জৰিয়তে প্ৰকাশ কৰা<br>C-12.4 শিল্প কলাত সহযোগিতাৰে কাম কৰা<br>C-12.5 বিভিন্ন ধৰণৰ কলা, স্থানীয় সংস্কৃতি আৰু ঐতিহ্যৰ সৃষ্টি আৰু অভিজ্ঞতাপ্ৰাপ্তিত বিভিন্ন সঁহাৰিৰে প্ৰশংসা কৰি ভাৱৰ আদান-প্ৰদান কৰা |
| | C-5.1 আনক সহায় কৰিবলৈ শাৰীৰিক কাৰ্যত অংশগ্ৰহণ কৰাত ইচ্ছা প্ৰকাশ কৰা |
| | C-13.4 শ্ৰেণীকোঠাৰ নীতি নিয়ম ঃ শ্ৰেণীকোঠাৰ নীতি-নিয়মবোৰ অভিযোজন, বুজাবুজি আৰু কৰ্তৃত্বৰে অনুসৰণ কৰা |
| | C-8.10 100 টকালৈ টকা-পইচাৰ সৰল আদান-প্ৰদান/লেনদেন কৰিব পৰা |

